GCM (S6) 03
Exam Code : ITB

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য

ষষ্ঠ ষাণ্মাসিক

বাণিজ্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক হেমচন্দ্র গৌতম, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নয়ন বৰুৱা, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
সন্তোষ কুমাৰ মহাপাত্ৰ, সহযোগী অধ্যাপক, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ দিপাংকৰ মালাকাৰ, পি.এইচ.ডি. বাণিজ্য বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	মেহেন্দ্ৰী শ্ৰফ, বি. এচ. কলেজ	মৃন্ময় লহকৰ (অধ্যায়-১,২,৩)
২, ৩, ৪ আৰু ৫	দিপাংকৰ হাজৰিকা, জে,আৰ,এফ, গুৱাহাটী বিশ্ব.বি.	কার্তিক কলিতা (অধ্যায়-৪,৫)
৬	ড° মৌচুমী বৰা, আর্য বিদ্যাপীঠ কলেজ	গীৰীন্দ্ৰ শইকীয়া (অধ্যায়-৬)
৭	ড° সাবেৰা ইছলাম, কে.চি.দাস কমার্চ কলেজ (Retd.)	মেঘনা চৌধুৰী (অধ্যায়-৭)
৮	পায়ল প্ৰিয়া কাশ্যপ, ত্যাগবীৰ হেম বৰুৱা কলেজ	স্বৰূপ শর্মা (অধ্যায়- ৮)
৯ আৰু ১৫	অনুৰাধা ভূঞা, আইকন কমার্চ কলেজ	কন্যা কুমাৰী দাস (অধ্যায়-৯)
১০ আৰু ১১	দিপাংকৰ মালাকাৰ, পি.এচ.ডি. কৃ.কা.স.ৰা.মু.বি.	ডেইজী দাস (অধ্যায়-১০)
১২	মালিনি দুবে, গুৰু নানক মহিলা কলেজ জবলপুৰ, ম. প্ৰদেশ	বর্ণালী তালুকদাৰ (অধ্যায়-১১)
১৩	মালিনি দুবে, গুৰু নানক মহিলা কলেজ জবলপুৰ, ম. প্ৰদেশ আৰু দিপাংকৰ মালাকাৰ, কৃ.কা.স.ৰা.মু.বি.	ৰমেন শর্মা (অধ্যায়-১২,১৪) ৰমেন শর্মা আৰু দিপাংকৰ মালাকাৰ (অধ্যায়-১৩)
১৪	ড° জিতু তামুলী, ত্যাগবীৰ হেম বৰুৱা কলেজ	চেনী ৰাম বৈদ্য (অধ্যায়-১৫)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ	ড° গৌতম মজুমদাৰ, (অধ্যায় ৭, ৮, ১২ আৰু ১৪) দেৱজিৎ গোস্বামী, পি.এইচ.ডি. (অধ্যায় ১০, ১১ আৰু ১২) দিপাংকৰ মালাকাৰ, পি.এইচ.ডি. (অধ্যায় ১,২,৩,৪,৫,৬,৯ আৰু ১৫)
গাঁথনি সম্পাদনা	ঃ	দিপাংকৰ মালাকাৰ, পি.এইচ.ডি. কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিদ্যালয়

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২০

ISBN: .....

© কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web: www.kkhsou.in

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক বাণিজ্য
আন্তঃৰাষ্ট্ৰীয় বাণিজ্য
বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ পৰিচয় ৭-১৮

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ধাৰণা; গোলকীকৰণৰ ঘৰুৱা বনাম আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰভাৱ; আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জটিলতাসমূহ; আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ পদ্ধতি আৰু প্ৰৱেশৰ ধৰণ

অধ্যায় ২ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পৰিচালনা ১৯-৩৭

আন্তঃৰাষ্ট্ৰীয়কৰণৰ পৰ্যায়বোৰঃ প্ৰকৃত ঘৰুৱা কোম্পানী; কেতবোৰ বৈদেশিক ব্যৱসায়ৰ সৈতে ঘৰুৱা কোম্পানী; আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় উন্নয়নৰ পৰ্যায়বোৰ; আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় প্ৰৱেশৰ পদ্ধতি; বাণিজ্যৰ পদ্ধতি; চুক্তিভিত্তিক /বদলি পদ্ধতি; বিনিয়োগ ধৰণ/বিদেশত সংযোজন আৰু উৎপাদন সুবিধাবোৰ

অধ্যায় ৩ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ ৩৮-৫১

ব্যৱসায়িক পৰিবেশ আৰু ইয়াৰ গুৰুত্ব; ৰাষ্ট্ৰীয় আৰু পৰৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ; আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ পৰিবেশৰ উপাংশঃ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, আইনী পৰিবেশ

অধ্যায় ৪ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বসমূহ ৫২-৬৬

আন্তঃৰাষ্ট্ৰীয় ব্যণিজ্যৰ তত্ত্ববোৰঃ ইয়াৰ তিনিটা মূল বিষয় আৰু তত্ত্বসমূহৰ ক্ৰমবিকাশ; আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ মাৰ্চেণ্টিলিষ্ট দৰ্শন; মাৰ্চেণ্টিলিষ্টৰ অৱসান আৰু মুক্ত বাণিজ্য তত্ত্বৰ উত্থান; চৰম সুবিধাৰ তত্ত্বঃ ধাৰণাসমূহ আৰু সমালোচনা; তুলনামূলক সুবিধাৰ তত্ত্ব

অধ্যায় ৫ ঃ বাণিজ্যৰ পৰা হোৱা লাভালাভ আৰু বাণিজ্যৰ হাৰ ৬৭-৭৭

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা হোৱা লাভালাভ; বৈদেশিক বাণিজ্যৰ বিশেষ দিশসমূহ; আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুবিধাবোৰ; বাণিজ্যৰ হাৰ; বাণিজ্য আৰু পৰিৱৰ্তিত চাহিদাৰ ধাৰণা; বাণিজ্য প্ৰভাৱিত কৰা কাৰকসমূহ; বাণিজ্য আৰু অৰ্থনৈতিক উন্নয়ন

অধ্যায় ৬ ঃ মুক্ত বাণিজ্য, সুৰক্ষা মাচুলৰ নিৰিখ আৰু আমদানি ৭৮-১০৯

মুক্ত বাণিজ্যৰ অৰ্থ; মুক্ত বাণিজ্যৰ সপক্ষে আৰু বিপক্ষে যুক্তি; সুৰক্ষাৰ অৰ্থ; সুৰক্ষাৰ

সপক্ষে আৰু বিপক্ষে যুক্তি; সুৰক্ষা আৰু উন্নয়নশীল দেশবিলাক; সুৰক্ষাৰ প্ৰকাৰ আৰু পদ্ধতি; সুৰক্ষাৰ প্ৰভাৱ

অধ্যায় ৭ ঃ লেনদেনৰ সন্তুলন **১১০-১২৪**

লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলন; চলিত হিচাপ আৰু মূলধনী হিচাপ; লেনদেনৰ সন্তুলনত ভাৰসাম্যহীনতা বা উদ্বৃত্ত; লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতাৰ ধৰণ আৰু কাৰকসমূহ; ভাৰসাম্যহীনতা আঁতৰোৱাৰ উপায়

অধ্যায় ৮ ঃ বৈদেশিক বিনিময় **১২৫-১৩৬**

বৈদেশিক বিনিময়ৰ অর্থ আৰু আহিলা; বৈদেশিক বিনিময় বজাৰৰ কার্য্যঃ হস্তান্তৰিত, দেনা, ফটকা ব্যৱসায়ৰ কার্য্য; বৈদেশিক আৰু ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণ; ক্ৰয়ক্ষমতাৰ সমতা তত্ত্ব; বানিজ্যিক লেন-দেন পৰিশোধনৰ তত্ত্ব

অধ্যায় ৯ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়ন **১৩৭-১৫১**

বাণিজ্য বিত্তায়নৰ অর্থ; আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ উৎস আৰু বিত্তায়নৰ কার্যব্যৱস্থা; EXIM বেংকৰ ভূমিকা; উদ্দেশ্য; কার্য; সংগঠন, কার্যৱলী আৰু বিত্ত ব্যৱস্থা; Pre-Shipment বিত্তায়ন আৰু বিশেষ ধৰণ

অধ্যায় ১০ ঃ বৈদেশিক বাণিজ্য বিত্তায়ন পদ্ধতি **১৫২-১৬৪**

পূর্ব জাহাজত বহনৰ ঋণ; পূর্ব জাহাজত বহনৰ বিত্ত; পৰৱর্তী জাহাজত বহনৰ বিত্ত; ঋণ পত্ৰৰ অধীনত পত্ৰৰ আলোচনা; হ্ৰস্বম্যাদী ৰপ্তানী বিত্তৰ উৎস; মধ্যকালীন আৰু দীর্ঘকালীন বিত্ত; ৰপ্তানী বিত্তৰ প্ৰয়োজনীয়তা

অধ্যায় ১১ ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি **১৬৫-১৭৫**

ব্ৰিটোন উদ্চ পদ্ধতিৰ পূর্ব ইতিহাস; বিট্ৰোন উদ্চ পদ্ধতি; IMF ৰ উদ্দেশ্য, ভূমিকা আৰু কার্য্য; সংগঠনৰ গাঁঠনি আৰু কোটা; ঋণ ব্যৱস্থা

অধ্যায় ১২ ঃ বিশ্ব বাণিজ্য সংস্থা (WTO) **১৭৬-১৮৫**

বিশ্ব বাণিজ্য সংস্থা (WTO) ৰ ক্ৰমবিকাশ; WTO ৰ সুফলসমূহ আৰু ইয়াৰ উদ্দেশ্যাৱলী আৰু কার্যাৱলী; WTO: সমালোচনাত্মক সমীক্ষা

অধ্যায় ১৩ ঃ আন্তঃৰাষ্ট্ৰীয় वित्तीय প্ৰতিষ্ঠানসমূহ **১৮৬-১৯৬**

বিশ্ব বেংক ঃ ইয়াৰ কার্যাৱলী আৰু ভূমিকা; আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰীয় উন্নয়ন বেংকসমূহ (এছিয়ান ডেভলেপমেন্ট বেংকৰ ওপৰত বিশেষ গুৰুত্ব সহকাৰে; ADB ৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ; ADB ৰ কেন্দ্ৰীয় বিষয়সমূহ; ভাৰতবর্ষ আৰু ADB, বাণিজ্য আৰু বিকাশৰ ৰাষ্ট্ৰসংঘৰ সন্মীলন (UNCTAD) ;প্ৰতিযোগিতা আৰু গ্ৰাহক পলিচি ব্যৱস্থা

অধ্যায় ১৪ ঃ আঞ্চলিক অর্থনৈতিক সহযোগিতা ১৯৭-২১০

আঞ্চলিক অর্থনৈতিক সংহতিৰ প্ৰধান প্ৰকাৰসমূহ আৰু আঞ্চলিক অর্থনৈতিক সংহতিৰ সুবিধাসমূহ; এছিয় অর্থনৈতিক সহযোগিতা; দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা সংস্থা (SAARC); দক্ষিণ এছিয় অগ্ৰাধিকাৰ বাণিজ্য চুক্তি (SAPTA); দক্ষিণ এছিয় মুক্ত বাণিজ্য চুক্তি (SAFTA)

অধ্যায় ১৫ ঃ আন্তর্জাতিক ব্যৱসায়ত বিচার্য বিষয়সমূহ ২১১-২২৮

আৰ্ন্তজাতিক ব্যৱসায়ত উন্নতি আৰু বিচার্য বিষয়সমূহ; Outsourcingৰ অর্থ আৰু ভাৰতত ইয়াৰ সম্ভাৱনাসমূহ; Outsourcingৰৰ আৰ্হিসমূহ; ভাতবর্ষলৈ Outsourcingৰ কাৰণসমূহ আৰু বৃদ্ধিশীল ক্ষেত্ৰসমূহ; আন্তর্জাতিক ব্যৱসায়ত তথ্য প্ৰযুক্তিবিদ্যাৰ ভূমিকা; আন্তর্জাতিক ব্যৱসায় আৰু বাস্তব বিদ্যা সংক্ৰান্ত বিবেচনাসমূহ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

"আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্য" এই পাঠ্যবিষয়টো বাণিজ্য স্নাতক (অনার্চ) পাঠ্যক্ৰমৰ শিক্ষার্থী সকলৰ বাবে প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টোত আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ বিষয়ে এক বিস্তাৰিত আলোচনা কৰা হ'ব।

এই পাঠ্যবিষয়টোত মুঠ ১৫ টা অধ্যায় সন্নিবিষ্ট কৰা হৈছে। প্ৰথম চাৰিটা অধ্যায়ত আমি আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ ধাৰণা, ইয়াৰ কাৰ্যকৰণ পদ্ধতি, আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ পৰিবেশ আৰু আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ বিভিন্ন তত্বসমূহ আলোচনা কৰিম। পঞ্চম অধ্যায়ত বাণিজ্যৰ পৰা হোৱা লাভালাভ আৰু বাণিজ্যৰ হাৰ সম্পৰ্কে আলোচনা কৰা হ'ব। ষষ্ঠ অধ্যায়ত মুক্ত বাণিজ্য, সুৰক্ষা মাচুলৰ নিৰিখ আৰু আমদানি অংশৰ বিষয়ে আলোচনা কৰা হ'ব। সপ্তম অধ্যায়ত আমি লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলনৰ বিষয়ে আলোচনা কৰিম যিটো আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ সৈতে জড়িত। বৈদেশিক বিনিময় আৰু ভাৰসাম্য বিনিময়ৰ হাৰ নির্ধাৰণৰ বিষয়ে আমি আঠ নং অধ্যায়ত আলোচনা কৰিম। বৈদেশিক বাণিজ্যৰ বিত্তায়নৰ বিষয়ে আমি অধ্যায় ৯ আৰু ১০ ত আলোচনা কৰিম। অধ্যায় ১১, ১২ আৰু ১৩ ত কিছুমান বৈদেশিক বাণিজ্যৰ পুঁজি যোগানকাৰী আৰু সহায়ক অনুস্থান আৰু চুক্তিৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায় ১৪ ত উন্নয়ণশীল দেশ সমূহৰ মাজত আঞ্চলিক অর্থনৈতিক সহযোগীতাৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত দক্ষিণ এচীয় অঞ্চলৰ অর্থনৈতিক সহযোগিতাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। আন্তঃ ৰাষ্ট্ৰীয় ব্যৱসায়ৰ লগত জড়িত কিছুমান বিষয় যেনে সামাজিক বিষয়, নৈতিক বিষয়, শ্ৰমিকৰ বিষয়, পৰিৱেশৰ লগত জড়িত বিষয়, ৰাজনৈতিক বিষয় ইত্যাদি ১৫ নং অধ্যায়ত আলোচনা কৰা হৈছে। এই অধ্যায়ত আউটচোৰচিং আৰু আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যত তথ্য আৰু প্ৰযুক্তিৰ ভুমিকা সম্পৰ্কেও আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ধাৰণা

১.৪ গোলকীকৰণৰ ঘৰুৱা বনাম আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰভাৱ

১.৫ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জটিলতাসমূহ

১.৬ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ পদ্ধতি

১.৭ আন্তঃ ৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ ধৰণ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্ৰগতিৰ খতিয়ান

১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জটিলতাবোৰৰ বিষয়ে জানিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ মাধ্যম সম্পৰ্কে বুজিব পাৰিব

১.২ পৰিচয়

যিদৰে কোনো ব্যক্তিয়ে আত্মনির্ভৰশীল নহয়, একেদৰে কোনো দেশেই স্বনির্ভৰশীল নহয়। এখন দেশে দেশখনৰ জনসাধাৰণৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী আৰু সেৱা উৎপন্ন কৰিব নোৱাৰে। দেশখনে উৎপাদন নকৰা বা কৰিব নোৱাৰা পণ্য দ্ৰব্যবোৰ বিশ্বৰ আন প্ৰান্তৰ পৰা আমদানি কৰিব লগীয়া হয়। সেয়ে স্বনির্ভৰশীলতাৰ অনুপস্থিতিয়ে দেশবোৰৰ মাজত পাৰস্পৰিক আন্তঃ নির্ভৰশীলতাৰ কাৰণ। আন্তঃৰাষ্ট্ৰীয় পর্যায়ত পাৰস্পৰিক আন্তঃ নির্ভৰশীলতা পণ্য দ্ৰব্য আৰু কোনো কার্যত নিয়োজিত শক্তিৰ বিনিময়ত প্ৰতিফলিত হয় আৰু এই বিনিময়ে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় গঠন কৰে। এই ফলাফল আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰকাশ পায়।

এই অধ্যায়ত আমি আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়/বাণিজ্যৰ ধাৰণা, আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ প্ৰয়োজনীয়তা, ঘৰুৱা বাণিজ্য আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ মাজত পার্থক্য আদি আলোচনা কৰিম।

১.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ধাৰণা

ৰাষ্ট্ৰীয় সীমা অতিক্ৰমি সম্পন্ন কৰা বাণিজ্যক কাৰ্যকলাপেই হ'ল আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় বা আন্তঃৰাষ্টীয় বাণিজ্য। আন্তঃ ৰাষ্ট্ৰীয় ব্যৱসায় হ'ল ৰাষ্ট্ৰীয় সীমাৰ বাহিৰত সামগ্ৰী আৰু সেৱাৰ ক্ৰয় আৰু বিক্ৰয়। এনে বাণিজ্য মাধ্যম ৰাষ্ট্ৰৰ দ্বাৰা বা ব্যক্তিগত মালিকাধীন সংস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব পাৰে। য'ত সংস্থাটোৱে তেওঁলোকৰ নিজৰ বিশেষ ব্যৱসায়িক কাৰ্যকলাপ ইয়াৰ ৰাষ্ট্ৰীয় সীমাৰ বাহিৰত সম্প্ৰসাৰিত কৰি বাণিজ্যৰ সুবিধাবোৰ উদ্‌ঘাটন কৰে, উদাহৰণ স্বৰূপে পণ্য উৎপাদন, খনি, নিৰ্মাণ, কৃষি, বেংকিং, বীমা, স্বাস্থ্য, শিক্ষা, পৰিবহণ যোগাযোগ আৰু বহুতো।

ভৌগলিক পৃথকীকৃত অৱস্থা আৰু বিত্তীয় আৰু সামাজিক প্ৰভেদৰ বাবে পৰস্পৰ নিলগত অৱস্থান কৰা ৰাষ্ট্ৰবোৰো বৰ্তমান আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জৰিয়তে পৰস্পৰ সংয়োজিত হৈছে। দেশবোৰৰ মাজত সংযোগ আৰু ব্যৱসায়িক সম্পৰ্ক সম্প্ৰসাৰণৰ যুক্ত কাৰক হিচাপে লৈ বিশ্ব বাণিজ্য সংস্থা গঠন কৰা হৈছিল।

পৃথিৱীখন ৰাষ্ট্ৰীয় অৰ্থনীতি গতিশীলতাৰে ভৌগলিক সীমাহীন হৈ পৰিছে আৰু বিশ্ব অৰ্থনীতিত উত্তাপ যোগাইছে সেয়েহে বৰ্তমান বিশ্বক এক 'গোলকীয় গাওঁ' হিচাপে জনা যায়। বিভিন্ন সংস্থাই বিশ্ববিস্তৃত ব্যৱসায়ৰ বাবে পথ সৃষ্টি কৰিছে যিবোৰ উন্নয়ণৰ বাবে সুবিধা আৰু ব্যাপক লাভ আগবঢ়াইছে।

ভাৰতবৰ্ষই বিভিন্ন দেশৰ সৈতে বহু বছৰ আগতে ব্যৱসায়িক সম্পৰ্ক গঢ়িছিল যদিও বৰ্তমান বিশ্ব অৰ্থনীতিৰ সৈতে সংগতি ৰক্ষা কৰি সহযোগিতাৰ প্ৰগতি ত্বৰান্বিত কৰিছে আৰু ইয়াৰ বৈদেশিক বাণিজ্য আৰু বিনিযোগ সম্প্ৰসাৰণ কৰিছে।

সমগ্ৰ বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই বিভিন্ন সামগ্ৰী, উৎপাদৰ আৰু সেৱা কি দৰে প্ৰদৰ্শন আৰু বিপনন কৰে সেই ক্ষেত্ৰত এক প্ৰয়োজনীয় পৰিবৰ্তন পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় অৰ্থনীতি যি স্বনিৰ্ভৰশীলতাৰ কাৰ্যকলাপ সম্পন্ন কৰে সেয়া বৰ্তমান আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ পথৰ উন্নয়ণ সাধন কৰিছে। এই নিৰ্ণায়ক পৰিবৰ্তনৰ বাবে কাৰকবোৰ হ'ল বিনিময়, উদ্ভাৱন, যোগাযোগ, আন্তঃগাঁথনি আৰু আন বিভিন্ন অৱস্থাৰ উন্নয়ণ।

১.৪ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ভিত্তি আৰু প্ৰয়োজনীয়তা

আন্তঃ ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিষয়ত সোধা এক বুনিয়াদী প্ৰশ্ন হ'ল ৰাষ্ট্ৰই কিয় বাণিজ্য কৰে? যি কাৰণে ব্যক্তিয়ে পৰস্পৰ বাণিজ্য প্ৰাথমিকভাৱে সেই একে কাৰণতে ৰাষ্ট্ৰইও পৰস্পৰ বাণিজ্যত জড়িত হয়। যিদৰে এগৰাকী ব্যক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ নিজা সম্পদবোৰ পৰ্যাপ্ত নহয়, সেইদৰে এখন দেশৰ সম্পদবোৰো সেই দেশখন আৰু দেশখনত বাস কৰা নাগৰিকসকলক প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ স্বনিৰ্ভৰশীল নহয়। কেতবোৰ বিৱ্ৰত অৱস্থাৰ বাবে যথা প্ৰাকৃতিক সম্পদ দান, মানৰ সম্পদ, প্ৰযুক্তিগত সম্পদ, বিত্তীয় সম্পদ আৰু অন্যান্য ক্ষেত্ৰত বিৱ্ৰত অৱস্থাৰ বাবে এখন দেশৰ বাবে দেশখন আৰু ইয়াৰ জনসাধাৰণৰ প্ৰয়োজনীয়তা

পূৰণ কৰাতো সম্ভৱ নহয়।

সেয়ে এয়া স্পষ্ট যে যেতিয়া দেশবোৰে পৰস্পৰৰ মাজত বাণিজ্যত জড়িত হয় তেতিয়া দেশখনৰ নিজা প্ৰয়োজনীয়তা আৰু আৱশ্যকীয়তা পূৰণ কৰিব পৰাকৈ সম্পদ বা সক্ষমতা নাথাকে। কোনো নিৰ্দিষ্ট ক্ষেত্ৰত ব্যৱহাৰৰ বাবে দেশবোৰৰ ঘৰুৱা দুষ্প্ৰাপ্য সম্পদৰ উন্নয়ণ আৰু সুযোগৰ সদ্ব্যৱস্থাৰকৰণৰ জৰিয়তে দেশবোৰে উদ্বৃত্ত উৎপাদন কৰিব পাৰে আৰু দেশবোৰৰ প্ৰয়োজনীয় সম্পদৰ বাবে বিপণন কৰিব পাৰে।

দেশবোৰৰ মাজৰ বাণিজ্য বহু হাজাৰ বছৰৰ প্ৰাচীন ব্যৱস্থা। সাম্প্ৰতিক সময়ত গোলকীয়কৰণৰ চলিত অৱস্থাত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই কেন্দ্ৰীয় পৰ্যায় দখল কৰি আছে। প্ৰকৃতাৰ্থত গোলকীয় অৰ্থনীতিৰ বহু অৰ্থনীতিবিদে আধুনিক ঔদ্যোগিক বিশ্বৰ উন্নয়ন আৰু সমৃদ্ধিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বিপণনকে বিশ্বাসযোগ্য স্বীকৃতি প্ৰদান কৰে।

বিভিন্ন কাৰণত দেশৰ পৰা সামগ্ৰী আৰু সেৱাবোৰ আমদানি কৰাৰ সম্ভাৱনা থাকে। উদাহৰণ স্বৰূপে আমদানিকৃত সামগ্ৰী আৰু সেৱাবোৰ কম মূল্যৰ বা অধিক মানসম্পন্ন হ'ব পাৰে। বহু ক্ষেত্ৰত থলুৱা বিকল্প সুলভ নোহোৱাৰ বাবে আমদানি কৰাটো প্ৰয়োজনীয় হৈ পৰে। উদাহৰণ স্বৰূপে জাপানৰ নিজাববীয়া তেল সংৰক্ষণ নাই। কিন্তু তেলৰ ক্ষেত্ৰত সেই দেশখন বিশ্বৰ চতুৰ্থ বৃহৎ উপভোক্তা।

ওঠৰ শতিকাত, আদম স্মিথে দুটা বৃহৎ ক্ষেত্ৰঃ (ক) শ্ৰম বিভাজন আৰু (খ) বিশেষজ্ঞতাক আন্তঃৰাষ্ট্ৰীয় বিপণনৰ ভিত্তি হিচাপে ব্যাখ্যা কৰিছিল। শ্ৰমৰ বিভাজনৰ অৰ্থ হ'ল উৎপাদনক ক্ষুদ্ৰ আন্তঃ সংযোগী কামলৈ বিভক্ত কৰা আৰু পাছত এই কামবোৰ বিভিন্ন কৰ্মীৰ মাজত এই কামবোৰ দক্ষতাপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ তেওঁলোকৰ উপযোগিতা অনুসৰি আবণ্টন দিয়া। আন্তঃৰাষ্ট্ৰীয় বিপণনৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য কৰিলে দেখা যে শ্ৰম বিভাজনৰ অৰ্থ হল এখন দেখে সামগ্ৰী আৰু সেৱাৰ এক ক্ষুদ্ৰ অংশহে উৎপাদন কৰে আৰু গোলকীয় বজাৰত ইয়াৰ উত্তম উৎপাদনৰ ক্ষুদ্ৰাংশহে অৰিহনা আগবঢ়াব পাৰে। উদাহৰণস্বৰূপে এক বাহন নিৰ্মাণকাৰীয়ে নিৰ্দিষ্ট যন্ত্ৰনাংশ নিৰ্দিষ্ট দেশৰ পৰা আমদানি কৰিব পাৰে আৰু চূড়ান্তভাৱে সেইবোৰ একত্ৰিতভাৱে সংযোজন কৰি চূড়ান্ত উৎপাদন 'গাড়ী' উপভোক্তালৈ আগবঢ়াব পাৰে। এইদৰে এখন দেশে চূড়ান্ত উৎপাদনৰ বাবে মাত্ৰ এটা আহিলাৰে অৰিহণা আগবঢ়াব পাৰে। স্মিথে উল্লেখ কৰা দ্বিতীয় বুনিয়াদী নীতি হ'ল বিশেষজ্ঞতা। প্ৰকৃতাৰ্থত বিশেষজ্ঞতা হ'ল শ্ৰমৰ বিভাজনৰ পৰা উৰ্দ্ধত। বৰ্তমান যি সময়ত প্ৰতিগৰাকী কৰ্মী অথবা প্ৰতিগৰাকী উৎপাদনকাৰীয়ে বিশেষজ্ঞৰ ভূমিকা পালন কৰে। তেতিয়া তেওঁলোকে উৎপাদনৰ সমগ্ৰ প্ৰক্ৰিয়াত দক্ষতাৰে চূড়ান্ত উৎপাদনলৈ বৰঙনি আগবঢ়োৱাৰ ভূমিকাত অবতীৰ্ণ হয়। এইদৰে বিশেষজ্ঞতাই পৰৱৰ্তীভাৱে দক্ষতা আৰু উৎপাদকতাৰ ক্ষেত্ৰত পৰৱৰ্তী লাভ সৃষ্টি কৰিব পাৰে। বৰ্তমান বিশেষজ্ঞতা দুটা সুকীয়া স্তৰত প্ৰয়োগ কৰিব পাৰি— যথা ব্যক্তি, প্ৰতিষ্ঠান, যন্ত্ৰপাতি আৰু প্ৰযুক্তিৰ বিশেজ্ঞতা আৰু সামগ্ৰিকভাৱে দেশৰ বিশেষজ্ঞতা। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে আন্তঃৰাষ্ট্ৰীয়তা বিশেষজ্ঞতা আহৰণৰ বাবে দেশবোৰে তেওঁলোকৰ দুষ্প্ৰাপ্য সম্পদবোৰ

উচ্চ হাৰত ক্ষুদ্ৰ পৰিসৰত উৎপাদন কৰি ব্যৱস্থা কৰিবলৈ সক্ষম হ'ব লাগিব। এইদৰে অধিক উৎপাদনৰ জৰিয়তে উৎপাদন কৰা সামগ্ৰী ৰাহি কৰিব পাৰিব, যিবোৰ দেশবোৰে ৰপ্তানি কৰিব পাৰিব। ইয়াৰ অৰ্থ হ'ল আন দেশৰ পৰা আমদানি কৰা সামগ্ৰী আৰু সম্পদবোৰৰ বিশেষত্ব থাকিব লাগিব আৰু নিজাববীয়াকৈ ৰাহি হিচাপে উৎপাদন কৰিব লাগিব।

বিশেষজ্ঞতাৰ ফলাফল অনুসৰি দিন যোৱাৰ লগে লগে দেশবোৰ অধিক দক্ষ হোৱাৰ সম্ভাৱনীয়তা বৃদ্ধি পাইছে। ইয়াৰ এটা কাৰণ হ'ল দেশবোৰৰ উৎপাদনবোৰ বৃহৎ আৰু অৰ্থনীতি মাপকাঠি সদব্যৱহাৰ কৰিব ধৰণৰ। বৃহৎ গোলকীয় বজাৰৰ সন্মুখীন হৈ প্ৰতিষ্ঠানবোৰে অধিক উৎপাদন কৰিবলৈ আৰু উৎপাদন আৰু খনিৰ স্তৰ বৃদ্ধি কৰাৰ বাবে নতুন প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হয়। ই এখন দেশক কম বিশেষজ্ঞতা থকা দেশতকৈ মূল্য আৰোপিতআৰু মূল্য অনাৰোপিত ক্ষেত্ৰত অধিক লাভ প্ৰদান কৰিব আৰু ই প্ৰতিযোগিতা বৃদ্ধি কৰিব আৰু পৰৱৰ্তী সময়ত ৰপ্তানিৰ সম্ভৱনীয়তা বৃদ্ধি কৰিব।

সেয়ে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ভিত্তি হ'ল সামগ্ৰী আৰু সেৱাৰ বিনিময় পৰা লাভ কৰা বৃদ্ধি বা লাভ। এনে লাভৰ অনুপস্থিতিত দেশবোৰৰ মাজত আন্তঃৰাষ্ট্ৰীয় বিপণনৰ কাৰণে কোনো উৎসাহ নাথাকিব।

১.৫ ঘৰুৱা বনাম আন্তঃৰাষ্ট্ৰীয় বাণিজ্য

ঘৰুৱা বাণিজ্য এনেধৰণৰ বাণিজ্য যাৰ সীমা ভৌগলিকভাৱে দেশখনৰ ভিতৰত। এক ঘৰুৱা বাণিজ্যত বাণিজ্যক বিনিময় জড়িত থাকে যি দেশৰ ভিতৰতে সম্পন্ন হয়। আভ্যন্তৰীণ বাণিজ্য হিচাপে উল্লেখ কৰিব পৰা বাণিজ্যত এক উৎপাদনকাৰী আৰু এক গ্ৰাহক জড়িত থাকে। যি একেখন দেশতে বাস কৰে। ইয়াৰ অৰ্থ হ'ল ব্যৱসায়িক লেনদেনত ব্যৱহৃত আইনত ব্যৱসায়িক অনুশীলন আৰু নীতি নিয়মবোৰ দেশখনৰ নিৰ্ধাৰিত বিষয়।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য স্থানীয় এনে এক বাণিজ্য ব্যৱস্থা যাৰ উৎপাদক আৰু গ্ৰাহক এখন দেশতকৈ অধিক। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য স্থানীয় আইনৰ বিশেষাধিকাৰত বিশেষভাৱে নপৰে, কিন্তু ব্যৱসায়িক অনুশীলনৰ বাবে আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ ভিতৰত পৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য দুখন বা দুখনতকৈ অধিক দেশৰ মাজত লেনদেন হয়।

সেয়ে, আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্য বনাম ঘৰুৱা বাণিজ্য মাজত পাৰ্থক্যৰ বিতং তলত উল্লেখ কৰা হ'লঃ

প্ৰাথমিক	ঘৰুৱা বাণিজ্য	আন্তঃৰাষ্ট্ৰীয় বাণিজ্য
১) অৰ্থ এক	এক ব্যৱসায়ক তেতিয়া ঘৰুৱা বোলা হ'ব যেতিয়া ইয়াৰ অৰ্থনৈতিক লেনদেন দেশখনৰ ভৌগলিক সীমাৰ	আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় এনে ব্যৱসায় য'ত অৰ্থনৈতিক লেনদেন বিশ্বৰ বহুকেইখন

২) পৰিচালনাৰ	ভিতৰত সম্পন্ন হয়। দেশৰ ভিতৰত	দেশৰ মাজত সম্পন্ন হয়। সমগ্ৰ বিশ্ব
এলেকা		
৩) মানসম্পন্ন অৱস্থা	কিছু নিম্ন	বহু উচ্চ
৪) ব্যৱসায়িক	একক মুদ্ৰা	বহু মুদ্ৰা
লেনদেন ৫) মূলধন	কম	বৃহৎ
বিনিয়োগ		
৬) বাধা-নিষেধ ৭) উপভোক্তাৰ	অলপ সমসত্ব	বহুত অসমসত্ব
প্ৰকৃতি ৮) ব্যৱসায়িক	ই অতি সহজে পৰিচালিত কৰিব	গৱেষণা পৰিচালনা কৰাটো
গৱেষণা ৯) উৎপাদন	পাৰি। মুক্ত	কঠিন। বাধা আৰোপিত
কাৰকৰ গতিশীলতা ১০) বিনিময় আৰু বিপণন নিয়ন্ত্ৰণ	দেশৰ ভিতৰত সামগ্ৰী আৰু সেৱাৰ মুক্ত বিচৰণ।	এখন দেশৰ পৰা আনখনলৈ সামগ্ৰী আৰু সেৱাৰ মুক্ত
১১) ৰাজনৈতিক-ভাৱে প্ৰভেদ	গৃহ বা আভ্যন্তৰীণ বিপণন একে ৰাজনৈতিক গোটৰ মাজত হয়	বিচৰণ নাই। আন্তঃৰাষ্ট্ৰীয় বা বৈদেশিক বিপণন ৰাজনৈতিকভাৱে সুকীয়া গোটৰ মাজত সম্পন্ন
১২) পৰিবহন ব্যয়	আভ্যন্তৰীণ বা ঘৰুৱা বাণিজ্যত নিম্ন পৰিবহন ব্যয় হয়।	হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত তুলনা-মূলকভাৱে অধিক পৰিবহন
		ব্যয় হয়।
১৩) প্ৰত্যাহ্বান	তুলনামূলকভাৱে কম	বৃহৎ প্ৰত্যাহ্বান আছে।
১৪) সময়	ই কম সময় সাপেক্ষ	ই অধিক সময় সাপেক্ষ।

১.৬ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জটিলতা

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় সম্পূৰ্ণৰূপে আকৰ্ষনীয় নহয় কিয়নো বিভিন্ন দেশত বিভিন্ন ধৰণে ইয়াৰ অনুশীলন চলে। সেয়ে ইয়াৰ প্ৰধান জটিলতাবোৰ তলত বিতংভাৱে দিয়া হ'ল।

১) **বিভিন্ন বাণিজ্যিক পদ্ধতি ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই বিশ্বৰ বিভিন্ন দেশৰ মাজত থকা

ব্যৱসায়িক পদ্ধতিৰে পৰিচালিত হ'ব লগা হয়। বিভিন্ন দেশৰ মাজত পৰিচালিত আমদানি আৰু ৰপ্তানি নীতি অনুসৰি ই পৰিচালিত হ'বলগীয়া হয়। এই নীতি আৰু অনুশীলনবোৰে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত কেতবোৰ বাধ্যবাধকতা আৰু সীমাবদ্ধতা আৰোপ কৰে।

২) **উন্নয়ণশীল দেশৰ অংশকালীন উন্নয়ণ ঃ** উন্নত দেশবোৰ কেঁচা মালক বৃহৎ মাত্ৰাত প্ৰকৃত সামগ্ৰীলৈ ৰূপান্তৰিত কৰাৰ বাবে অত্যাধুনিক, সক্ষম প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত। আনহাতে উন্নয়নশীল দেশবোৰৰ প্ৰযুক্তিগত জ্ঞান আৰু শেহতীয়া আহিলা নথকাৰ বাবে এই ক্ষেত্ৰত পিছপৰি থাকে। ফলত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত অংশকালীন উন্নয়নৰ সৃষ্টি হয়।

৩) **অৰ্থনৈতিক সংঘ ঃ** দেশবোৰৰ মাজত অৰ্থনৈতিক সংঘৰ ক্ষুদ্ৰ গোট গঠনৰ বৰ্দ্ধিত আগ্ৰহৰ উদ্ভৱ হৈছে যি আন দেশৰ সৈতে ব্যৱসায়ৰ ক্ষেত্ৰত বুজাবুজি কৰাত সহায় কৰে।

৪) **বৃহৎ বৈদেশিক ঋণগ্ৰস্থতা ঃ** উন্নয়নশীল দেশবোৰৰ ন্যূনতম ক্ৰয় ক্ষমতাৰ বাবে সেই দেশবোৰত বহুজাতিক কোম্পানী (এম এন চি)ৰ কাৰ্যকলাপ চলি থকাৰ বাবে ঋণৰ ফাণ্ডত ভৰি দিয়ে। উদাহৰণস্বৰূপে মেক্সিকো, কেণিয়া, পোলেণ্ড আদি।

৫) **দুৰ্নীতি ঃ** দুৰ্নীতি এক আন্তঃৰাষ্ট্ৰীয় বিষয়ত পৰিণত হৈছে। উচ্চ হাৰৰ ঘোচ আৰু প্ৰস্থান কৰিবলৈ বাধ্য কৰোৱাই বিদেশী বিনিয়োগকাৰীক তেওঁলোকৰ কাৰ্যকলাপ সম্প্ৰসাৰণৰ ক্ষেত্ৰত অনুৎসাহিত কৰে।

৬) **দীৰ্ঘ দূৰত্ব ঃ** দেশবোৰৰ মাজত বৃহৎ ভৌগলিক দূৰত্বৰ বাবে পৰিবহনত প্ৰয়োজনীয় ব্যয় আৰু সময় বৃদ্ধি পায়।

৭) **আইন আৰু বিধি ব্যৱস্থাবোৰ ঃ** আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ে বিভিন্ন দেশৰ বিধি ব্যৱস্থাবোৰ অনুসৰণ কৰিবলগীয়া হয়। এই বিধি ব্যৱস্থাবোৰ একে নহয় কিন্তু দেশভেদে বেলেগ বেলেগ হয়।

৮) **সাংস্কৃতিক ভিন্নতা ঃ** আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত সাংস্কৃতিক ভিন্নতা অতি কঠিন জটিলতা। বহুতো ঘৰুৱা বজাৰ সেয়ে সাংস্কৃতিক ভিন্নতাৰ পৰা পৃথক নহয়।

৯) **বিপণন আৰু বিনিয়োগ বাধ্যবাধকতা ঃ** আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত বিপণন আৰু বিনিয়োগ বাধ্যবাধকতা আতি গুৰুত্বপূৰ্ণ সমস্যা।

১০) **ভাষাৰ ভিন্নতা ঃ** এক আন্তঃৰাষ্ট্ৰীয় বজাৰে সততে সন্মুখীন হোৱা সমস্যাবোৰ হ'ল বিভিন্ন দেশৰ সুকীয়া ভাষা, পৰম্পৰা, আচৰণ, জীৱন শৈলী আৰু আন সংস্কৃতিক কাৰকৰ ভিন্নতাৰ ফলত উদ্ভৱ হোৱা সমস্যাবোৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ অৰ্থ লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ ঘৰুৱা ব্যৱসায়ৰ অর্থ লিখক।

.....

.....

১.৭ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ ধৰণ

কোনো এখন দেশত আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় কৰাৰ দীৰ্ঘকালীন লাভবোৰ নিম্নোক্ত কাৰকবোৰৰ ওপৰত নিৰ্ভৰশীল

- জনসংখ্যা অনুপাতে বজাৰৰ জোখ
- সেই বজৰখনৰ উপভোক্তাৰ ক্ৰয় ক্ষমতা
- প্ৰতিযোগিতা ধৰণ

ওপৰত উল্লিখিত কাৰকবোৰৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠানবোৰে দেশবোৰৰ আকৰ্ষণীয়তা আৰু লাভদায়কতাৰ মান নিৰূপণ কৰিব পাৰে। এই ক্ষেত্ৰত দেশবোৰৰ বাবে প্ৰৱেশৰ সময় অতি গুৰুত্বপূৰ্ণ কাৰক। কোনো এক প্ৰতিষ্ঠানে যদি আন এক প্ৰতিষ্ঠানতকৈ পূৰ্বে বজাৰত প্ৰৱেশ কৰে ই ইয়াৰ উৎপাদকবোৰৰ বাবে দ্ৰুত গতিত উপভোক্তাৰ ভিত্তি শক্তিশালী কৰিব পাৰে।

আমি জানো যে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ক্ষেত্ৰত বৈদেশিক বজাৰত প্ৰৱেশৰ ধৰণ বাছনি কৰাটো অতি গুৰুত্বপূৰ্ণ সিদ্ধান্ত। এক আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ বিভিন্ন ধৰণবোৰ তলত বিতংভাৱে দিয়া হ'ল—

১। **অনুজ্ঞাপত্ৰ প্ৰদান আৰু ফ্ৰেন্সাইজিং ঃ** অনুজ্ঞাপত্ৰ প্ৰদান আৰু ফ্ৰেন্সাইজিং ন্যূনতম প্ৰতিশ্ৰুতি অথবা সম্পদৰ সৈতে জড়িত। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ীৰ ক্ষেত্ৰত এনে পদক্ষেপ বৈদেশিক বজাৰত প্ৰৱেশৰ উজু পথ।

এক প্ৰতিষ্ঠানক প্ৰদান কৰা আন্তঃৰাষ্ট্ৰীয় অনুজ্ঞাপত্ৰৰ জৰিয়তে এখন দেশ (অনুজ্ঞাপত্ৰ প্ৰদানকাৰী) য়ে আনখন দেশ (অনুজ্ঞাপত্ৰ প্ৰাপক) য়ে ইয়াৰ বৌদ্ধিক সম্পদ ব্যৱহাৰৰ অনুমতি প্ৰদান কৰে। অনুজ্ঞাপত্ৰ প্ৰপকে প্ৰদান কৰা আনুগত্যতা বা মাচুলেই অনুজ্ঞাপত্ৰ প্ৰদানকাৰী ধনজনিত লাভ। বহুতে দেশত এনে মাচুল বা অনুগত্যতা চৰকাৰে নিৰ্দ্ধাৰণ কৰে, বহুতো উন্নয়ণশীল দেশত ই বিক্ৰিৰ ৫%তকৈ আধিক নহয়।

ফ্ৰেন্সাইচিঙৰ ক্ষেত্ৰত এক পিতৃ কোম্পানী (ফেন্সাইচ) যে আৰু স্বাধীন গোট (শাখা, ফ্ৰেন্সাইচি) ক নিৰ্ধাৰিত ধৰণে ব্যৱসায় কৰাৰ অধিকাৰ প্ৰদান কৰে। এই অধিকাৰবোৰ ফ্ৰেন্সাইচৰৰ সামগ্ৰী বিক্ৰি, ইয়াৰ নাম ব্যৱসায় উৎপাদন আৰু ব্যৱসায়ৰ পদ্ধতি বা সাধাৰণ ব্যৱসায়িক লেনদেন হ'ব পাৰে। ফ্ৰেন্সাইছিঙৰ সাধাৰণ আৰ্হি হ'ল প্ৰকৃত উৎপাদিত সামগ্ৰীৰ বাবে ফ্ৰেন্সাইচ'ৰে যোগান আৰু আমদানিৰ সমন্বয় সাধন (অংশকালীন সামগ্ৰীগত)। উদাহৰণ স্বৰূপেঃ কোকাকোলাই বটলাৰ সকলৈ চিৰাপৰ যোগান ধৰে।

২। **ৰপ্তানিকৰণ ঃ** ৰপ্তানিকৰণ, বিদেশত প্ৰৱেশৰ বাবে অতি অতিৰিক্ত ধৰণ যি বৰ্তমান অতি সুলভ। সম্প্ৰতি সময়ত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিশ্বৰ অগ্ৰগতিতকৈও অধিক দ্ৰুত গতিত আগবাঢ়ি গৈছে ফলত বৃহৎ বিশ্বৰ বাবে অৰ্থনৈতিক সমন্বয় আৰু ৰপ্তানিৰ দিশটো আন ধৰণ বিশেকৈ প্ৰৱেশৰ সক্ষমতা ব্যৱস্থাৰ কৰাৰ অধীনতকৈ অধিক গুৰুত্ব আৰোপ কৰিছে। আনকি যেতিয়া বিদেশত উৎপাদন সুবিধা স্থাপনৰ বাবে সময় আৰু ব্যয়ৰ সুলভতা নাথাকে তেতিয়া চৰকাৰে ভাৰতবৰ্ষৰ দৰে ৰপ্তানি উৎপাদনৰ সুবিধা স্থাপনৰ বাবে সুবিধা প্ৰদান কৰে।

৩। **চুক্তিভিত্তিক উৎপাদন ঃ** চুক্তিভিত্তিক উৎপাদনৰ অধীনত এটা কোম্পানীয়ে বৈদেশিক কোম্পানীক সামগ্ৰীৰ উৎপাদন বা সংযোজনৰ চুক্তি প্ৰদানৰ বাবে যাতে সামগ্ৰী বিধৰ ব্যৱসায়কৰণৰ দায়িত্ব লাভ কৰে। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত এয়া এক সাধাৰণ অনুশীলন। বহুতো বহুজাতিক আৰু বহু জাতিকৰ অনুমোদন প্ৰাপ্ত প্ৰতিষ্ঠান আছে যি একেবিধ সামগ্ৰী ভাৰতবৰ্ষত ব্যৱসায় কৰাৰ বাবে এই পদ্ধতি অবলম্বন বাবে উদাহৰণস্বৰূপে হিন্দুস্থান ইউনিলিভাৰ আদি।

চুক্তিভিত্তিক উৎপাদনৰ নিম্নোক্ত সুবিধাবোৰ আছে ঃ

(১) উৎপাদন গোট স্থাপনৰ বাবে কোম্পানীয়ে সম্পদৰ প্ৰতিশ্ৰুতি প্ৰদানৰ প্ৰয়োজন নাই।

(২) ই কোম্পানীটোক বিদেশত বিনিয়োগ কৰাৰ প্ৰত্যাহ্বানৰ পৰা মুক্ত কৰে।

৪। **পৰিচালনাৰ চুক্তি ঃ** পৰিচালনাৰ চুক্তি এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এটা প্ৰতিষ্ঠানে আন এটা কোম্পানীৰ হৈ আইনগতভাৱে পৰিচালনা নিয়ন্ত্ৰণৰ ক্ষমতা লাভ কৰে। সহজ ভাষাত ক'বলৈ গ'লে এক পৰিচালনা চুক্তিত মালিকাস্বত্বৰ প্ৰত্যাহ্বান আৰু লাভৰ দায়িত্ব নোলোৱাকৈ যোগানকাৰীয়ে সকলো আদায় দিয়াৰ দক্ষতা লাভ কৰে যি গ্ৰাহকলৈ এক সমন্বিত সেৱা আগবঢ়াব পাৰে। ক'টলাৰে লক্ষ্য কৰিছিল যে বৈদেশিক বজাৰ লাভ কৰিবৰ বাবে পৰিচালনা চুক্তি এক কম প্ৰত্যাহ্বানমূলক বিষয় আৰু আৰম্ভণিৰ পৰাই ই লাভ অৰ্জনৰ সুবিধা প্ৰদান কৰে।

পৰিচালনা চুক্তি একমাত্ৰ কোনো কাম কৰাৰ বাবে বিক্ৰি পদ্ধতিৰ অন্তৰ্গত নহয় কিন্তু ই প্ৰকৃততে সেইবোৰ কৰাৰ বাবে জড়িত হয়। এক পৰিচালনা চুক্তি বিস্তৃত কাৰ্যকলাপ সৈতে জড়িত হয়, যথা এক উৎপাদন সুবিধাৰ কাৰিকৰী পৰিচালনা, কৰ্মী প্ৰশাসন, গাণনিক, বজাৰ সেৱা আৰু প্ৰশিক্ষণ।

৫। **এছেম্বলি বা শাখা পৰিচালনা ঃ** এক এছেম্বলি পৰিচালনা উপ-উদ্যোগৰ এক বিচিত্ৰতা বুলিব পাৰি। প্ৰতিখন দেশৰ তুলনামূলক অগ্ৰগতি লাভ কৰিবৰ বাবে উৎপাদনৰ বিভিন্ন দেশত উৎপাদন কৰিব পাৰি (মাল্টিস্ক'ৰিং) মূলধন ব্যৱস্থাৰ অংশটো আগশাৰীৰ দেশবোৰৰ হ'ব পাৰে আৰু শ্ৰমিক ব্যৱস্থাৰ অংশটো কম উন্নত দেশ (এল চি ডি) দ্বাৰা আগবঢ়োৱা হয় য'ত শ্ৰমিক প্ৰচুৰ আৰু শ্ৰম মূল্যও কম। এই ধৰণৰ ব্যৱস্থা বৈদেশিক বজাৰত যথেষ্ট

আৰ্হি সন্মত যেতিয়া উৎপাদনকাৰীৰ অংশবোৰ অৰ্থৰ মাপকাঠিৰে হয় আৰু যেতিয়া পৰিচালনাৰ দিশটো শ্ৰমিকভিত্তিক হয় আৰু বৈদেশিক দেশবোৰত শ্ৰমিক কম মূল্যৰ হয়। এই কথা উল্লেখ কৰা প্ৰয়োজন যে বহুতো আমেৰিকা যুক্তৰাষ্ট্ৰৰ উৎপাদনকাৰীয়ে তেওঁলোকৰ অংশবোৰ উন্নয়নশীল দেশলৈ পঠিয়াই উৎপাদনবোৰ একগোট কৰি পুনৰ ঘৰলৈ লৈ যায়।

৬। **সম্পূৰ্ণৰূপে উৎপাদনৰ সুবিধা ঃ** বহুতো কাৰক যথা উৎপাদনত বিপণন বাধাৰ ভিন্নতা আৰু অন্যান্য ব্যয় চৰকাৰী নীতি আদি আহে। সেইদৰে বিদেশৰ বজাৰত উৎপাদন সুবিধা স্থাপন কৰাৰ বাবে উৎসাহ যোগোৱাৰ দিশটোও আছে। বিদেশত উৎপাদন সুবিধা স্থাপন কৰাৰ কেতবোৰ ইতিবাচক দিশ আছে। ই প্ৰতিষ্ঠানটোক উৎপাদন আৰু মানৰ ক্ষেত্ৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আনি দিয়ে। অনুজ্ঞাপত্ৰ প্ৰদান আৰু চুক্তি উৎপাদনৰ ক্ষেত্ৰত ই সম্ভাব্য প্ৰতিযোগীৰ উন্নয়ণত প্ৰত্যাহ্বান স্বৰূপ হৈ নপৰে। সম্পূৰ্ণৰূপে মালিকীস্বত্বাধীন প্ৰতিষ্ঠান কিছুমান দেশে অনুমতি নিদিব বা সমৰ্থন নজনাব পাৰে, বিশেষকৈ নিম্ন অগ্ৰাধিকাৰ ভিত্তিক অঞ্চলৰ পৰা পৰ্যাপ্ত বিত্তীয় আৰু পৰিচালনাগত সম্পদ দাবী কৰে।

৭। **যুটীয়া খণ্ডৰ ঃ** এই ব্যৱস্থাত এটা বহুজাতিক কোম্পানীক বিদেশত তাৰ স্থানীয় প্ৰতিষ্ঠানৰ অংশীদাৰিত্বৰে এটা কোম্পানী স্থাপন কৰে। বহুজাতিক আৰু বিদেশী কোম্পানীয়ে ব্যৱসায়ত মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণত অংশ লয়। সাধাৰণতে বহুজাতিক কোম্পানীয়ে প্ৰযুক্তি আৰু পৰিচালনাগত দক্ষতা প্ৰদান কৰে আৰু দৈনন্দিন পৰিচালনাৰ কাম কাজ স্থানীয় অংশীদাৰলৈ এৰি দিয়ে। উদাহৰণস্বৰূপেঃ মাৰুতি উদ্যোগ ভাৰত চৰকাৰ আৰু জাপানৰ চুজুকিৰ যুটীয়া মূলধন যোগান প্ৰতিষ্ঠান। চুজুকীয়ে প্ৰযুক্তিৰ যোগান ধৰে আৰু দৈনদিন পৰিচালনাৰ দিশ ভাৰত চৰকাৰৰ দায়িত্বত দিয়ে।

৮। **তৃতীয় দেশৰ স্থান ঃ** তৃতীয় দেশৰ স্থান কেতিয়াবা এক প্ৰৱেশ কৌশল হিচাপে ব্যৱহাৰ কৰা হয়। যেতিয়া কোনো ৰাজনৈতিক কাৰণত দুখন দেশৰ মাজত বাণিজ্যিক বিনিময় নহয় অথবা ৰাজনৈতিক কাৰণৰ বাবে দুখন দেশৰ মাজত প্ৰত্যক্ষ লেনদেন কঠিন হৈ পৰে বা তেনে কাৰণত এই দেশবোৰৰ এক প্ৰতিষ্ঠানে যি আনৰ বজাৰত প্ৰৱেশ কৰিব বিচাৰে তেন্তে তৃতীয় দেশক ভিত্তি কৰি পৰিচালিত হ'বলগীয়া হয়। তৃতীয় দেশৰ স্থান তৃতীয় দেশ আৰু সংশ্লিষ্ট বৈদেশিক বজাৰৰ মাজত বিপণন সম্পৰ্ক গঢ়াত বন্ধুসুলভ অগ্ৰগতি লাভ কৰিব পাৰে।

প্ৰত্যক্ষ বাণিজ্যিক লেনদেন নকৰাৰ বাবে দেশবোৰৰ বহুতো কাৰণ আহে। উদাহৰণ স্বৰূপে ই ইজৰাইল আৰু আৰবীয় দেশবোৰৰ মাজত সত্য আছিল। পূৰ্বৰ সময়ত ভাৰত চৰকাৰে দক্ষিণ আফ্ৰিকা আৰু মৰিচাছত বিপণনৰ অনুজ্ঞা প্ৰদান কৰা নাছিল।

৯। **বিলিন হোৱা আৰু অধিগ্ৰহণ ঃ** বিভিন্ন কোম্পানীক এটা একক কোম্পানীলৈ পৰিৱৰ্তন কৰি দুয়োটা সংস্থাৰ বিত্তীয় আৰু পৰিচালন শক্তি বৃদ্ধি কৰাটো এক কৰ্পৰেট কৌশল।

অধিগ্ৰহণ এনে এক পৰিস্থিতি য'ত এটা কোম্পানীয়ে আনটো কোম্পানীৰ শ্বেয়াৰৰ

প্ৰায় সকলো অংশ ক্ৰয় কৰি নিজৰ নিয়ন্ত্ৰণাধীন কৰে। যেতিয়া ক্ৰেতা কোম্পানীয়ে লক্ষ্য কোম্পানীৰ মালিকীস্বত্বৰ ৫০% তকৈ অধিক ক্ৰয় কৰে তেতিয়া আৰ্জেন সম্পন্ন হয়। বিনিময়ৰ অংশ হিচাপে অধিগ্ৰহণকাৰী কোম্পানীয়ে লক্ষ্য কোম্পানীৰ ষ্টক আৰু অন্যান্য সম্পদ ক্ৰয় কৰে যি অধিগ্ৰহণকাৰী কোম্পানীক নতুনকৈ অধিগ্ৰহণ কৰা সম্পদ সম্পৰ্কত লক্ষ্য কোম্পানীৰ অংশীদাৰসকলৰ অনুমোদন অবিহনে সিদ্ধান্ত লোৱাৰ ক্ষমতা লাভ কৰে।

উদাহৰণ স্বৰূপে ভাৰতীয় এয়াৰটেল জেইন আফ্ৰিকা ফেব্ৰুৱাৰী ২০১০ ত অধিগ্ৰহণ কৰে। বৰ্তমান ভাৰতী এয়াৰটেল ভাৰতবৰ্ষৰ বৃহৎ মোবাইল নেটৱৰ্ক সংস্থা। ইয়াৰ পৰিচালনা সমগ্ৰ বিশ্ব ব্যাপী।

২০১০ চনৰ ফেব্ৰুৱাৰীত ভাৰতীয় এয়াৰটেলে আফ্ৰিকাৰ মোবাইল নেটৱৰ্ক সেৱা প্ৰদানকাৰী জেইন আফ্ৰিকাক অধিগ্ৰহণ কৰি ১৮০ নিযুত নতুন গ্ৰাহক সংক্ষেপ কৰে। এই আৰ্জন ১০৭ বিলিয়ন মাৰ্কিন ডলাৰত সম্পন্ন হয়।

১০। **কৌশলগত জোঁট ঃ** কৌশলগত জোঁট আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত অধিকাৰ পৰা অধিকতৰ জনপ্ৰিয় হৈ পৰিছে। এই কৌশলে কোনো কোম্পানীক ইয়াৰ দীৰ্ঘকালীয় প্ৰতিদ্বন্দ্বীৰ সৈতে পৰস্পৰ প্ৰতিদ্বন্দিতা কৰাৰ পৰিৱৰ্তে চলিত বা সম্ভাৱনাপূৰ্ণ জটিল ক্ষেত্ৰত জোঁট স্থাপন কৰে। এই লক্ষ্যই জটিল সম্ভাৱনীয়তা উজু কৰে, বজাৰ আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ ক্ষেত্ৰত উদ্ভাৱন আৰু শিথিলতা প্ৰদান কৰে।

কৌশলগত জোঁটক কেতিয়াবা বজাৰ প্ৰৱেশ কৌশল হিচাপে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে এটা প্ৰতিষ্ঠানে কৃষকৰ উৎপাদক বিপণন বা বিতৰত কৰাৰ বাবে বিদেশৰ বজাৰত কোনো এক প্ৰতিষ্ঠানৰ সৈতে জোঁট বন্ধন কৰিব পাৰে।

১১। **বিনিময় বিপণন ঃ** বিনিময় বিপণনৰ সামগ্ৰিক উন্নয়ণৰ মুখ্য কাৰণ ৰপ্তানি বৃদ্ধিৰ কৌশল বিশেষকৈ উন্নয়নমূলক দেশবোৰৰ বাবে ই সত্য। বহুতো কোম্পানী ব্যৱহাৰ প্ৰৱেশৰ কৌশল হিচাপে বিনিময় বিপণন ব্যৱস্থা সফলতাৰে গ্ৰহণ কৰিছে। বিনিময় বিপণন আন্তঃৰাষ্ট্ৰীয় বিপণনৰ এক আৰ্হি য'ত কেতবোৰ আমদানি আৰু ৰপ্তানি বিনিময় প্ৰত্যক্ষভাৱে পৰস্পৰৰ সৈতে সংযোজিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বহুমুখী ঘৰুৱা কি?

.....

.....

প্ৰশ্ন নং ২ ঃ ফ্ৰেন্সাইছিং কি?

.....

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য এনে এক বাণিজ্য যাৰ উৎপাদন আৰু গ্ৰহণযোগ্যতা এখন দেশতকৈ অধিক দেশৰ মাজত সম্পন্ন হয়।
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত বৃহৎ পৰিমাণৰ প্ৰত্যাহ্বান আছে।
- সকলো আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিভিন্ন ধৰণৰ ।
- ফ্ৰেন্সাইছিং আৰু ৰপ্তানি হ'ল আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশৰ দুটা গুৰুত্বপূৰ্ণ মাধ্যমে।
- চুক্তি ভিত্তিক উৎপাদনে কোম্পানীক বিদেশত বিনিয়োগৰ প্ৰত্যাহ্বানৰ পৰা মুক্ত কৰে।



১.৯ অধিক জানিবলৈ

১) International business: text and cases- Francis cherunilam.

২) International trade: C.R. Kothari.

৩) Money Banking and International Trade by R.R. Paul, Kalyani Publication



১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় হ'ল এনে এক ব্যৱসায় য'ত বিশ্বৰ বিভিন্ন দেশৰ মাজত অৰ্থনৈতিক লেনদেন সম্পন্ন হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ এক ব্যৱসায় তেতিয়া ঘৰুৱা হয় যেতিয়া অৰ্থনৈতিক লেনদেনৰ ভৌগলিক পৰিসীমাৰ ভিতৰত সম্পন্ন হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বহু ঘৰুৱা এক কৌশলগত ব্যৱসায়িক আৰ্হি য'ত সমগ্ৰ বিশ্বৰ বিভিন্ন বজাৰত সাংস্কৃতিক পৰস্পৰা, ধৰ্মীয় নীতি নিয়ম অনুসৰি উৎপাদন কৰা সামগ্ৰী আৰু সেৱাৰ উৎসাহীকৰণ কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেন্সাইছিং এক চুক্তি য'ত ফ্ৰেন্সাইচ'ৰে (এটা পক্ষ) য়ে কেতবোৰ আধিকাৰ আৰু ক্ষমতা ফ্ৰেন্সাইছি (আনটো পক্ষ) ক প্ৰদান কৰে।

১.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ধাৰণা ব্যাখ্যা কৰা?

প্ৰশ্ন ২ ঃ ঘৰুৱা বনাম আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই গোলকীকৰণত কিদৰে প্ৰভাৱ পেলাইছে।

*** ***** ***

অধ্যায় ২ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পৰিচালনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ আন্তঃৰাষ্ট্ৰীয়কৰণৰ পর্যায়বোৰ

- ২.৩.১ প্ৰকৃত ঘৰুৱা কোম্পানী
- ২.৩.২ কেতবোৰ বৈদেশিক ব্যৱসায়ৰ সৈতে ঘৰুৱা কোম্পানী
- ২.৩.৩ আন্তঃৰাষ্ট্ৰীয় কোম্পানী
- ২.৩.৪ বহুজাতিক কোম্পানী
- ২.৩.৫ পৰিৱর্তনকাৰী কোম্পানী

২.৪ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় উন্নয়নৰ পর্যায়বোৰ

- ২.৪.১ ঘৰুৱা বজাৰত প্ৰতিষ্ঠা
- ২.৪.২ বজাৰ বাচনি লক্ষ্য
- ২.৪.৩ বজাৰ গৱেষণা আৰু পৰিকল্পনা
- ২.৪.৪ বৈদেশিক বজাৰত প্ৰৱেশ
- ২.৪.৫ বিদেশত স্থায়ী বিনিয়োগ সৃষ্টি

২.৫ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় প্ৰৱেশৰ পদ্ধতি

২.৬ বাণিজ্যৰ পদ্ধতি

- ২.৬.১ ৰপ্তানি
  - ২.৬.১.১ প্ৰত্যক্ষ ৰপ্তানি
  - ২.৬.২.১ পৰোক্ষ ৰপ্তানি
- ২.৬.২ সেৱা ৰপ্তানি

২.৭ চুক্তিভিত্তিক /বদলি পদ্ধতি

- ২.৭.১ অনুজ্ঞাপত্ৰ প্ৰদান
- ২.৭.২ ফ্ৰেন্সাইজিং
- ২.৭.৩ আংশিক চুক্তি
- ২.৭.৪ অংশীদাৰিত্ব আৰু কৌশলগত জোঁটবন্ধন
- ২.৭.৫ চুক্তি উৎপাদন

২.৮ বিনিয়োগ ধৰণ/বিদেশত সংযোজন আৰু উৎপাদন সুবিধাবোৰ

- ২.৮.১ সম্পূৰ্ণভাৱে মালিকাধীন উপ উদ্যোগ
  - ২.৮.১.১ গ্ৰীণফিল্ড বিনিয়োগ
  - ২.৮.২.১ অধিগ্ৰহণ

২.৮.২ যুটীয়া গোট
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সেই পৰ্যায়টোৰ বিষয়ে জানিব পাৰিব যাৰ জৰিয়তে এটা কোম্পানীয়ে এক গোলকীয় ব্যৱসায়লৈ পৰিৱৰ্তন ঘটাব পাৰে
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ বিভিন্ন ধৰণ আৰু সেইবোৰৰ স্বভাৱগত প্ৰাধান্য আৰু বিচ্যুতিবোৰৰ আলোচনা কৰিব পাৰিব

২.২ পৰিচয়

গোলকীকৰণ সীমাহীন, বাধাহীন আৰু এক মুক্ত প্ৰতিযোগিতামূলক অৰ্থনীতিৰ সৈতে এক বিশ্বজুৰি বজাৰৰ উত্থানৰ ইংগিত বহন কৰে। গোলকীয় অৰ্থনীতিক কেৱল যোগ্যইহে বৰ্তি থাকিব আৰু সফল হব পাৰে। সামগ্ৰিক সময় ব্যৱসায়বোৰে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ক ক্ষেত্ৰত প্ৰতি বৰ্দ্ধিত দৃষ্টি আৰোপ কৰে আৰু ইয়াৰ ব্যাপক সম্ভাৱনীয়তাক স্বীকৃতি প্ৰদান কৰে। কিন্তু সম্ভাৱনীয়তাবোৰৰ সৈতে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় পৰিৱেশে ব্যৱসায়বোৰৰ বাবে বহুতো প্ৰত্যাহ্বানৰো সৃষ্টি কৰে। তেনে ক্ষেত্ৰত গোলকীয় ব্যৱসায়িক ক্ষেত্ৰত সাফল্যমণ্ডিত ভাৱে প্ৰৱেশ আৰু শ্ৰীবৃদ্ধিৰ বাবে ব্যৱসায়বোৰে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় পৰিচালনাৰ প্ৰযুক্তিগত কৌশলগত কৌশলবোৰ সম্পূৰ্ণৰূপে আয়ত্ব কৰাৰ প্ৰয়োজন। এই অধ্যায়ত আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় পৰিচালনাৰ সৈতে সম্পৰ্কিত কেতবোৰ বিষয় সম্পৰ্কত আমি আলোচনা কৰিম।

২.৩ আন্তঃৰাষ্ট্ৰীয়কৰণৰ পৰ্যায়বোৰ

বেছিভাগ কোম্পানীয়ে সম্পূৰ্ণৰূপে আন্তঃৰাষ্ট্ৰীয় হোৱাৰ পূৰ্বে বিভিন্ন পৰ্যায়ৰ মাজেৰে গতি কৰে। এনে ক্ষেত্ৰত কেতবোৰ কোম্পানীয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত ক্ৰমান্বয়ে প্ৰৱেশৰ বাবে তেওঁলোকৰ কৌশল ইচ্ছাকৃত আৰু ব্যৱস্থাগত আৰ্হিৰে সম্পন্ন কৰে, আন কেতবোৰে কিছুমান ব্যাহ্যিক উদ্‌গনিৰ বাবে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশ কৰে যদিও আন্তঃৰাষ্ট্ৰীয়কৰণৰ প্ৰতি তেওঁলোকৰ প্ৰাথমিক আগ্ৰহ পৰোক্ষ আৰু অনাকাংক্ষিত হ'ব পাৰে।

এক ফাৰ্মৰ এইবোৰ বিভিন্ন পৰ্যায় তেওঁলোকক প্ৰকৃতৰূপৰ ঘৰুৱাৰ পৰা গোলকীয় প্ৰতিষ্ঠানলৈ পৰ্যাবসিত কৰে যাক আমি নিম্নোক্ত পাঁচটা স্তৰত বৰ্ণনা কৰিব পাৰো ঃ

২.৩.১ প্ৰকৃত ঘৰুৱা কোম্পানী

এই পৰ্যায়ত ফাৰ্ম বা কোম্পানীবোৰে ইয়াৰ পৰিচালনাৰ সীমা গৃহ দেশ তথা সেই দেশ য'ত ই নিজৰ পৰিচালনা আৰম্ভ কৰে তাৰ সীমা কঠোৰভাৱে পালন কৰে । বেছিভাগ ব্যৱসায়ীক প্ৰতিষ্ঠানে তেওঁলোকৰ মূল দেশখনৰ বিশেষ এক ব্যৱসায়িক খণ্ডক কেন্দ্ৰ কৰি গঢ়ি উঠে। ইয়াৰ কাৰণ হ'ল তেওঁলোকৰ ব্যৱসায়ত নবীনত্ব আৰু আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিচালনাত প্ৰদৰ্শনহীনতা প্ৰয়োজনীয় নিধি আৰু অভিজ্ঞতাৰ সীমাবদ্ধতা আৰু ঘৰুৱা বজাৰৰ এক বিশেষ খণ্ডক লক্ষ্য কৰি আৰ্হি প্ৰস্তুত কৰা সীমিত উৎপাদন শাৰী বা সেৱাবোৰ। কোম্পানীৰ বিকাশ লাভৰ লগে লগে ই ভিন্ন প্ৰকাৰ লাভ কৰিব পাৰে যাৰ বাবে ই ঘৰুৱা বজাৰখনৰ ভিতৰতে নতুন উপভোক্তা ভিত্তি কৰি লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে।

২.৩.২ কেতবোৰ বৈদেশিক ব্যৱসায়ৰ সৈতে ঘৰুৱা কোম্পানী

এটা কোম্পানীয়ে ঘৰুৱা বজাৰখনৰ ভিতৰত ক্ৰমাগতভাৱে প্ৰতিষ্ঠা লাভ, সম্প্ৰসাৰণ, জ্ঞান আৰু আভিজ্ঞতা আহৰণ কৰে। তেতিয়া ই বৈদেশিক ব্যৱসায়লৈ গতি কৰিব পাৰে। সাধাৰণতে এই স্তৰত তেনে কোম্পানীয়ে পৰীক্ষামূলক ভিত্তিক বৈদেশিক বজাৰত প্ৰৱেশ কৰিব পাৰে য'ত বেছিভাগ ক্ষেত্ৰতে তেওঁলোকৰ এই প্ৰৱেশ ঘৰুৱা কাৰ্য পৰিচালনাৰ সম্প্ৰসাৰিত ৰূপে পৰিগ্ৰহ কৰে ফলত তেওঁলোকৰ মুখ্য লক্ষ্য ঘৰুৱা বজাৰখন হৈয়ে ৰয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৈতে এই পৰীক্ষাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ৰপ্তানি, অনুজ্ঞাপত্ৰ প্ৰদান আৰু ফ্ৰেন্সাইচিং আদি হ'ব পাৰে।

২.৩.৩ আন্তঃৰাষ্ট্ৰীয় কোম্পানী

যেতিয়া এটা কোম্পানীয়ে আৰম্ভণিতেই বৈদেশিক কাৰ্য পৰিচালনাত সফলতা অৰ্জন কৰে আৰু বৈদেশিক ব্যৱসায়ৰ সৈতে ইয়াৰ অভিজ্ঞতা সফল হয় তেতিয়া ই আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ খোপনি প্ৰতিষ্ঠা কৰিব পাৰে। এনে কোম্পানীয়ে লাহে লাহে তেওঁলোকৰ বৈদেশিক ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ প্ৰচেষ্টা চলাব পাৰে আৰু সেই সময়তে বিদেশত শাখা, কাৰ্যালয় বা উপ উদ্যোগ প্ৰতিষ্ঠা কৰিব পাৰে। এই সম্প্ৰসাৰণৰ সময়ত, কোম্পানীয়ে তেওঁলোকৰ ঘৰুৱা বজাৰ মিশ্ৰণ, ব্যৱসায়িক আৰ্হি আৰু অনুশীলন ধৰি ৰাখে। এইদৰে তেওঁলোকে ঘৰুৱা বজাৰৰ অনুৰূপ চৰিত্ৰৰে বিদেশৰ বজাৰৰ বিভিন্ন খণ্ডত লক্ষ্য আৰোপ কৰে। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত কোম্পানীবোৰৰ এই আগ্ৰহ গোষ্ঠীকেন্দ্ৰিক পৰিশীলন বুলি জনা যায়। গোষ্ঠীকেন্দ্ৰিক কাৰ্যবোৰে বিশ্বাস কৰে যে ঘৰুৱা বজাৰত সফল হোৱা উৎপাদন আৰু প্ৰক্ৰিয়াবোৰ উন্নত মানসম্পন্ন আৰু সেয়ে এইবোৰৰ অনুকুলন নকৰাকৈ যিকোনো স্থানতে বিক্ৰি কৰিব পাৰি।

২.৩.৪ বহুজাতিক কোম্পানী

ক্ৰমাগতভাৱে আন্তঃৰাষ্ট্ৰীয় কোম্পানীবোৰে এই সম্প্ৰসাৰণ কৌশল যথা অনুৰূপ ঘৰুৱা উৎপাদন, প্ৰক্ৰিয়া আৰু পৰিচালনাৰ বজাৰত উদ্যোগ গ্ৰহণৰ কৌশলৰ শিক্ষা আহৰণ কৰিলে আৰু যদি তেওঁলোকৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় লক্ষণীয়ভাৱে সম্প্ৰসাৰণ কৰে তেন্তে ই পৰ্যাপ্ত। যদিও এইবোৰ কোম্পানীৰ কম ব্যয় সাপেক্ষে আৰু পদক্ষেপ কৌশল, গোষ্ঠীকেন্দ্ৰিক পৰিচালনাৰ সীমবদ্ধতা স্বত্বেও আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক সা-সুবিধাবোৰৰ সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব পাৰে। ই আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বাবে একমাত্ৰ গৃহ দেশীয় কৌশল সম্প্ৰসাৰণৰ পৰিৱৰ্তে বহু দেশীয় ব্যৱসায়িক আৰ্হি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। এই পৰ্যায়ত আন্তঃৰাষ্ট্ৰীয় কোম্পানীবোৰ লাহে লাহে বহুজাতিক কোম্পানীলৈ পৰিৱৰ্তিত হয় যাক গোলকীয় কোম্পানী বুলিও কোৱা হয়, যেতিয়া তেওঁলোকে ক্ৰমাগতভাৱে অনুভৱ কৰে যে প্ৰতিখন ৰাষ্ট্ৰীয় বজাৰ নিৰ্দিষ্ট তেতিয়া তেওঁলোকে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বাবে ভিন্ন কৌশল সৃষ্টি কৰে। এই ক্ষেত্ৰত কোম্পানীবোৰে বিভিন্ন বৈদেশিক বজাৰৰ বজাৰ চৰিত্ৰ গ্ৰহণ কৰিবলৈ শিকে যি তেওঁলোকক প্ৰতিখন বজাৰৰ বজাৰ সম্ভাৱনীয়তা উৎকৃষ্টতাৰে আহৰণ কৰাত সহায় কৰে। ইয়াক বহুকেন্দ্ৰিক পৰিশীলন বুলি জনা যায়। বহুকেন্দ্ৰীক ফাৰ্মবোৰে বিশ্বাস কৰে যে স্থানীয় প্ৰক্ৰিয়া, ব্যক্তিগত আৰু প্ৰযুক্তিবোৰ কেৱল মাত্ৰ স্থানীয় বজাৰ পৰিস্থিতিৰ সৈতে উৎকৃষ্টভাৱে সামঞ্জস্য থকা আৰু প্ৰতিখন স্থানীয় বজাৰ স্বভাৱজাতভাৱে পৰস্পৰৰ পৰা পৃথক। এনে কোম্পানীবোৰে বিদেশৰ বজাৰত উপ উদ্যোগ স্থাপন কৰে য'ত প্ৰতিটো উপ উদ্যোগ পৰস্পৰ স্বাধীনভাৱে পৰিচালিত হয় আৰু তেওঁলোকৰ নিজা বজাৰৰ বাবে নিজা ব্যৱসায়িক পৰিকল্পনা, প্ৰক্ৰিয়া আৰু কৌশল প্ৰস্তুত কৰে। যিহেতু এইধৰণৰ কোম্পানীবোৰে তেওঁলোকে কাৰ্য পৰিচালনা কৰা প্ৰতিখন দেশত ঘৰুৱা কোম্পানীৰ দৰে কাৰ্যকলাপ সম্পন্ন কৰে তথা তাৰ সৈতে নিৰ্দিষ্ট দেশখনৰ নিৰ্ধাৰিত নীতি আৰু কৌশলবোৰ জড়িত থাকে, স্থানীয় আইন, পৰম্পৰা আৰু সংস্কৃতি গ্ৰহণ কৰে আৰু ব্যৱসায় কৰাৰ বাবে এক স্থানীয় পথৰ প্ৰতি ক্ৰমাগত দৃষ্টি আৰোপ কৰে। সেইবাবে তেওঁলোকক বহু ঘৰুৱা কোম্পানী বুলিও অভিহিত কৰা হয়।

২.৩.৫ পৰিৱৰ্তনকাৰী কোম্পানী

অতি চূড়ান্ত পৰ্যায়ত পৰিৱৰ্তনকাৰী কোম্পানীবোৰৰ নাম আছে। য'ত কোম্পানীৰ উৎপাদনবোৰ, বজাৰবোৰ, বিনিয়োগবোৰ আৰু পৰিচালনা সমগ্ৰ বিশ্বজুৰি সম্প্ৰসাৰিত হয়। এক পৰিৱৰ্তনকাৰী কোম্পানী প্ৰকৃত বহুজাতিক কোম্পানী যি গোলকীয় বজাৰখন ভালপায় আৰু কোনো এক নিদিষ্ট দেশক ই নিজৰ গৃহ জ্ঞান

নকৰে। ই গৃহ দেশখনৰ সৈতে ইয়াৰ স্বীকৃতি হেৰুবায় আৰু প্ৰকৃতাৰ্থত ই গোলকীয় বাণিজ্যিক গোটত পৰিণত হয়। পৰিৱৰ্তনকাৰী কোম্পানীবোৰ বিশেষ কাৰ্য পৰিচালনাৰ বাবে গঠিত সংস্থা যাৰ কাৰ্যক্ষেত্ৰ সমগ্ৰ বিশ্বজুৰি থাকে আৰু আত্মঃনিৰ্ভশীল সম্পৰ্কৰে সংযোজিত হৈ থাকে। যি কি নহওক ইয়াৰ গঠন শিথিল আৰু প্ৰয়োজন সাপক্ষে পৰিৱৰ্তনশীল।

২.৪ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় উন্নয়নৰ পৰ্যায়বোৰ

এক ব্যৱসায়ক আন্তঃৰাষ্ট্ৰীয় সত্বালৈ উন্নয়ন সাধন কৰাটো হ'ল সুচিন্তিত পৰিকল্পনা আৰু কাৰ্যকলাপৰ এক শৃংখলৰ ফলাফল। বিদেশত প্ৰৱেশৰ সিদ্ধান্ত গ্ৰহণৰ পৰা নিদিষ্ট বজাৰ ক্ষেত্ৰত বাচনি, বজাৰ গৱেষণা, উৎপাদন আৰু বিপণন কৌশল উন্নয়ণ, সম্পূৰ্ণৰূপে আন্তঃৰাষ্ট্ৰীয় বজাৰ খেলুৰৈ হোৱালৈকে প্ৰতিটো আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ে গুৰুত্বপূৰ্ণ কৌশলগত সিদ্ধান্ত আৰু পদক্ষেপৰ শৃংখল গ্ৰহণ কৰিবলগীয়া হয়।

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক উন্নয়নৰ গুৰুত্বপূৰ্ণ পৰ্যায়বোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰিঃ

২.৪.১ ঘৰুৱা বজাৰত প্ৰতিষ্ঠা

আন্তঃৰাষ্ট্ৰীয় বজাৰৰ জটিল পৰিৱেশত প্ৰৱেশৰ পূৰ্বে, ঘৰুৱা বজাৰে ব্যৱসায়বোৰক উৎপাদন আৰু কৌশলবোৰৰ পৰীক্ষালোৱাত সহায় কৰে আৰু সিহঁতৰ প্ৰদৰ্শনবোৰক সুষম কৰি তোলে। ঘৰুৱা বজাৰত ব্যৱসায়বোৰৰ প্ৰদৰ্শনে আন্তঃৰাষ্ট্ৰীয় বজাৰত সফলতা বা বিফলতাৰ সম্ভাৱনীয়তা সন্দৰ্ভত মূল্যৱান ইংগিত প্ৰদান কৰে। যিহেতু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ সম্পদ আৰু বিশেষজ্ঞতাৰ প্ৰয়োজন, সেয়ে ইয়াৰ বাবে ঘৰুৱা বজাৰত এক দৃঢ় খোপনিৰ প্ৰয়োজন যাতে ইয়াৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্যকলাপে ইয়াৰ মূল ব্যৱসায় আৰু জীৱন্ত অৱস্থাত গুৰুতৰ প্ৰভাৱ নেপেলায়।

যি কি নহওক, কেতবোৰ ব্যৱসায় যিবোৰ বৈদেশিক বজাৰক লক্ষ্য কৰি প্ৰতিষ্ঠা কৰা হয় সেইবোৰৰ বাবে ই সঠিক কৌশল নহ'ব পাৰে। উদাহৰণ স্বৰূপে, এটা ভাৰতীয় কোম্পানী যাৰ উৎপাদনবোৰ নিৰ্দিষ্টভাৱে বৈদেশিক বজাৰখনৰ আৰ্হি অনুসৰি প্ৰতিষ্ঠা কৰা হয় সেইবোৰৰ প্ৰযোজনীয়তা পূৰণ কৰাৰ বাবে নহ'বও পাৰে।

২.৪.২ বজাৰ বাচনি লক্ষ্য

ঘৰুৱা বজাৰত সুপ্ৰতিষ্ঠিত এক ব্যৱসায়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ কাৰ্যকলাপ সম্প্ৰসাৰণৰ বাবে পৰিকল্পনা কৰিব পাৰে। আনহাতে আৰম্ভণিৰ পৰা আন্তঃৰাষ্ট্ৰীয় বজাৰক লক্ষ্য কৰিও এক ব্যৱসায় প্ৰতিষ্ঠা কৰিব পাৰে।

উভয়ক্ষেত্ৰত সঠিকভাবে বাচনি কৰা এক লক্ষ্যধাৰী বজাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব পাৰে যি আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক প্ৰেক্ষাপটত ইয়াৰ ভৱিষ্যত উন্নয়ন সম্ভাৱনীয়তা নিৰ্ধাৰণ কৰিব পাৰে। কোনো এক নিৰ্দিষ্ট দেশ বা এক অঞ্চলত ইয়াৰ উৎপাদনৰ সৈতে লক্ষ্যধাৰী বজাৰৰ বাচনিৰ সৈতে ইয়াৰ উপভোক্তাসকলৰ স্বকীয় বৈচিত্ৰ্যপূৰ্ণ সামাজিক সাংস্কৃতিক চৰিত্ৰই স্থিৰ কৰে। এটা প্ৰতিষ্ঠানে কিদৰে আৰু কি পৰিমাণে ইয়াৰ বুনিয়াদী মূল্য আঁচনি নিৰূপণ কৰিব। এইদৰে এটা কোম্পানীৰ সক্ষমতা আৰু ই আগবঢ়োৱা সম্পদবোৰ প্ৰাচ্য মুখী কৰি বা নতুন বজাৰ বা সংস্কৃতিত সফলতাৰে প্ৰৱেশৰ সম্ভাৱনীয়তা সীমিত কৰে।

এক বৈদেশিক বজাৰৰ আৰ্কষনীয়তা আৰু নিৰ্বাচন বহুতো কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। বজাৰৰ আকৃতি আৰু ইয়াৰ উন্নয়ণৰ হাৰ, সাংস্কৃতিক আৰু ভৌগলিক সাদৃশ্যতা আৰু সামীপ্য, আৰ্থিক আৰু আইনী পৰিৱেশ প্ৰতিযোগিতামূলক পৰিৱেশ আদিয়ে নিৰ্ধাৰণ কৰে এক বৈদেশিক বজাৰ লক্ষ্য কৰিবলগীয়া হয় নে নহয়।

২.৪.৩ বজাৰ গৱেষণা আৰু পৰিকল্পনা

সাধাৰণতে যেতিয়া ব্যৱসায়িক প্ৰতিষ্ঠানে বিদেশত বাণিজ্য আৰম্ভ কৰে, তেতিয়া ই এক দিশ লক্ষ্য কৰি লয়, যি ইয়াৰ ঘৰুৱা বজাৰখনৰ সৈতে সমপৰ্য্যয়ৰ সাদৃশ্য থকা ধৰণৰ। যি কি নহওক এক নতুন বজাৰত প্ৰৱেশৰ পূৰ্বে কোম্পানীবোৰে নিজকে পৰ্যাপ্ততাৰে সাজু কৰি ৰাখিব লাগে যাতে ই প্ৰত্যাহ্বানৰ সন্মখীন হোৱাৰ লগতে নতুন বজাৰৰ পৰিৱেশে প্ৰদান কৰা স-সুবিধাবোৰৰ সৈতে খাপ খুৱাই ল'ব পাৰে। এখন বজাৰ সম্পৰ্কে তথ্য-পাতি সংগ্ৰহৰ প্ৰক্ৰিয়া বা উপভোক্তা গোটক লক্ষ্য বান্ধি লোৱাটোকে বজাৰ গৱেষণা হিচাপে জনা যায়। বজাৰ গবেষণাৰ সাৰমৰ্ম হ'ল প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা আৰু লক্ষ্য হিচাপে লোৱা বজাৰখনক গভীৰভাৱে অনুধাৱন কৰা। ইয়াৰ জৰিয়তে এটা কোম্পানীয়ে লাভৰ সম্ভাৱনীতা বা অন্যহাতে এক লক্ষ্যধাৰী বজাৰত প্ৰস্তাৱিত উৎপাদিতন সামগ্ৰী বা সেৱা সম্পৰ্কে বুজি পাব পাৰে যাৰ জৰিয়তে ইয়াৰ সঠিক কৌশল ৰচনা আৰু বিপণন মিশ্ৰন সুষম কৰাৰ পৰিকল্পনাত সহায় কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় বজাৰ গৱেষণাৰ আন এক লাভ হ'ল— ই এটা কোম্পানীক বিদেশৰ বজাৰ লক্ষ্যত প্ৰৱেশ কৰাৰ বাবে সুষম মাধ্যমে চিনাক্তকৰণ আৰু বাচনি কৰাত সহায় কৰে। এই ভৱিষ্যতে কোম্পানীটোক ইয়াৰ পৰৱৰ্তী বজাৰ সম্প্ৰসাৰণ কৌশলতা কি কৰিব তাৰ ইংগিত প্ৰদান কৰে।


২.৪.৪ বৈদেশিক বজাৰত প্ৰৱেশ

যদি এক প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত সামগ্ৰী বা সেৱাবোৰ নিদিষ্ট বৈদেশিক বজাৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনবশত বজাৰ গৱেষণা আৰু প্ৰয়োজনীয় পৰিৱৰ্তন

সাধন কৰে পৰৱৰ্তী পর্যায় ই চুড়ান্তভাৱে বিদেশত কার্যক্রম আৰম্ভ কৰিব পাৰে। এক বৈদেশিক বজাৰত প্ৰৱেশত ইয়াৰ লক্ষ্যধাৰী বজাৰখনৰ ক্ষেত্ৰত সঠিক প্ৰৱেশ পদ্ধতিৰ বাচনি প্রস্তাবিত উৎপাদন-সেৱাৰ প্রকৃতি, বৈদেশিক বজাৰৰ ব্যৱসায়িক পৰিৱেশ আৰু তেনেধৰণৰ আনুসংগিক কাৰক জড়িত থাকে।

২.৪.৫ বিদেশত স্থায়ী বিনিয়োগ সৃষ্টি

যেতিয়া কোম্পানীয়ে সফলতাৰে বিদেশৰ বজাৰত প্ৰৱেশ কৰে আৰু ইয়াৰ ব্যৱসায় সুন্দৰভাৱে বিকশিত হয়, ই সেই বজাৰখনত শক্তিশালীভাৱে উপস্থিত হোৱাৰ বাবে বাচনি কৰিব পাৰে। সেই বজাৰখনত ইয়াৰ সম্প্রসাৰণে কোম্পানীটোক তাত খোপনি পুতি আগবাঢ়ি যোৱাত সহায় কৰে। সর্বোপৰি ই পাশ্বৱর্তী বজাৰবোৰত ইয়াৰ সম্প্রসাৰণত পদক্ষেপ আগবঢ়োৱাৰ ক্ষেত্রটো সহায় কৰিব পাৰে। এই পর্যায়ত কোম্পানীয়ে সেই বজাৰত স্থায়ী বিনিয়োগৰ বিষয়ে চিন্তা কৰিব পাৰে। উদাহৰণস্বৰূপে উৎপাদন সুবিধা আৰু গৱেষণা আৰু উন্নয়ণ বিভাগ মুকলি, স্থানীয় কার্যালয় মুকলি, স্থানীয় সহযোগীসকলৰ সৈতে যোগাযোগ বর্তি থকা স্থানীয় কোম্পানী ক্রয়, যুটীয়া অংশীদাৰিত্ব স্থাপন আদি। এক বৈদেশিক বজাৰত য'তে ততে ভিত্তি কৰি গঢ়ি উঠা আৰু সাধাৰণভাবে প্রত্যন্ত স্থানৰ পৰা পৰিচালনা কৰা কোম্পানীৰ তুলনাত এই ব্যৱস্থাই নতুন সা-সুবিধা তথা প্রত্যাহ্বান আনি দিয়ে। ইয়াৰ কাৰণ হ'ল কোম্পানীয়ে নির্দিষ্ট ব্যৱসায়িক পৰিৱেশগত কাৰকৰ সৈতে কোনো এক বজাৰত ইয়াৰ স্থায়ী কায়িক উপস্থিতিৰ সুবিধা অধিক বহলভাৱে লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বজাৰ গৱেষণা কি?

.....

.....

প্রশ্ন নং ২ ঃ এটা কোম্পানীয়ে প্ৰৱেশৰ বাবে এক বজাৰ বাচনি কৰাৰ পূর্বে কোম্পানীটোৱে নির্ণয় কৰিবলগীয়া কেতবোৰ কাৰকৰ উল্লেখ কৰক।

.....

.....

২.৫ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় প্ৰৱেশৰ পদ্ধতি

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত অতি গুৰুত্বপূর্ণ কৌশলগত সিদ্ধান্ত হ'ল বিদেশৰ বজাৰত প্ৰৱেশৰ পদ্ধতি। এটা কোম্পানীৰ বাবে এক বৈদেশিক বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত বহুতো প্ৰৱেশ

পথ সুলভ হৈ থাকে। এই সকলো বিকল্প কোম্পানীটোৱে গ্ৰহণ কৰিব পৰা আগ্ৰহৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰে ভিতৰত এক চুড়ান্ত পৰ্যায় হ'ল কোম্পানীটোৱে উৎপাদিত সামগ্ৰীবোৰ সম্পূৰ্ণ ঘৰুৱাভাৱে কৰে আৰু ইয়াক বিদেশৰ বজাৰলৈ ৰপ্তানি কৰে। আন এক পদ্ধতি হ'ল কোম্পানীটোৱে ইয়াৰ উৎপাদিত সামগ্ৰী বিদেশতে কৰি সেইবোৰ বিদেশতে বিক্ৰি কৰে। এই দুটাৰ উপৰিও আন বহু বিকল্প আছে আৰু অতি উপযোগী প্ৰৱেশ পদ্ধতিৰ বাচনি নিৰ্ভৰ কৰে সংশ্লিষ্ট কোম্পানীটোৰ বিভিন্ন নিৰ্দিষ্ট কাৰকৰ ওপৰত তথা বৈদেশিক বজাৰ সম্পৰ্কীয় কাৰকৰ ওপৰত। প্ৰতিষ্ঠানবোৰে বিকল্পবোৰ বাচনি কৰি তেওঁলোকৰ কৌশল আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে উৎকৃষ্ট প্ৰৱেশ পদ্ধতি গ্ৰহণ কৰে।

এনে প্ৰেক্ষাপটত এনে পৰিস্থিতিৰো উদ্ভৱ হ'ব পাৰে যে বিদেশৰ বজাৰক লক্ষ্য কৰি লোৱাৰ ক্ষেত্ৰত ব্যৱসায়িক পৰিৱেশৰ বাবে বিকল্পবোৰ সীমিত হ'ব পাৰে। উদাহৰণস্বৰূপে কেতবোৰ দেশত চৰকাৰী নীতি বৈদেশিক বিনিয়োগৰ হকে নহ'বও পাৰে অথবা তাত কোম্পানীৰ সম্পূৰ্ণ বৈদেশিক মালিকীস্বত্বও চলি থাকিব পাৰে।

অনুৰূপভাৱে একেখন বজাৰত একে উৎপাদন বা আনকি একে উৎপাদিত সামগ্ৰীৰ বিভিন্ন পদ্ধতিৰ প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্ন বজাৰত প্ৰৱেশৰ বাবে এটা কোম্পানীয়ে বিভিন্ন পদ্ধতি প্ৰয়োগ কৰিব পাৰে। পৰৱৰ্তীভাৱে, ব্যৱসায়িক পৰিৱেশৰ পৰিৱৰ্তনৰ স্তৰ আৰু কোম্পানীটোৱে বিচৰা ধৰণৰ স্তৰৰ সৈতে সামঞ্জস্য ৰাখি মাধ্যমৰ কাৰ্যকাৰীতাৰ পৰিৱৰ্তন সলনি হ'বও পাৰে। উদাহৰণস্বৰূপে এটা কোম্পানীয়ে এটা বজাৰত প্ৰৱেশৰ আৰম্ভণি অৱস্থাত উৎপাদিত সামগ্ৰীবোৰ প্ৰতিষ্ঠা কৰাৰ বাবে ৰপ্তানিৰ সহায় ল'ব পাৰে আৰু পৰৱৰ্তী সময়ত দেখা যায় যে ই ব্যৱসায়িক পৰিৱেশক সমৰ্থন কৰে আৰু অনুকূল হৈ পৰে।

সকলো গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বজাৰ প্ৰৱেশ কৌশলক তিনিটা বৃহৎ শ্ৰেণীত বিভক্ত কৰিব পাৰি— বাণিজ্য পদ্ধতি, চুক্তিভিত্তিক পদ্ধতি বা বদলি পদ্ধতি আৰু বিনিয়োগ পদ্ধতি/বিদেশত একত্ৰিতকৰণ আৰু উৎপাদন সুবিধাবোৰ।

২.৬ বাণিজ্যৰ পদ্ধতি

এক বৈদেশিক বজাৰত প্ৰৱেশৰ অতি বুনিয়াদী আৰু পৰম্পৰাগত পদ্ধতি হ'ল বাণিজ্য পদ্ধতি। ই কোম্পানীটোৰ ঘৰুৱা ভৌগলিক সীমাৰ ভিতৰত প্ৰস্তাৱিত সামগ্ৰীৰ উৎপাদনৰ সৈতে জড়িত আৰু পাছত সেই সামগ্ৰী আন দেশত বিক্ৰি কৰা হয়, য'ত সেই সামগ্ৰী বিধৰ বজাৰ এখন বাহাল থাকে। এই ধৰণৰ পদ্ধতি বিপণনত জড়িত থাকে যথা সামগ্ৰীৰ ৰপ্তানি আৰু আমদানি। আমদানি হ'ল আন দেশৰ পৰা সামগ্ৰী আৰু সেৱাবোৰ ক্ৰয় কৰা।

২.৬.১ ৰপ্তানি

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত প্ৰৱেশৰ এটা অতি উজু আৰু সাধাৰণতে অনুশীলন কৰা কৌশল হ'ল ৰপ্তানি। প্ৰাথমিক স্তৰত প্ৰায়ভাগ কোম্পানীয়ে ৰপ্তানিক অগ্ৰাধিকাৰ

দিয়ে কিয়নো ইয়াৰ বাবে তুলনামূলকভাৱে কম আৱশ্যকীয়তা আৰু সম্পদৰ প্ৰয়োজন হয়। ৰপ্তানি হ'ল বৈদেশিক বজাৰত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ বিক্ৰী যিবোৰ কোম্পানীৰ গৃহ দেশৰ উৎসৱ পৰা ৰপ্তানি কৰা হয়। প্ৰৱেশৰ এই পদ্ধতিৰ সুবিধাবোৰ হ'ল প্ৰতিষ্ঠানবোৰ নতুন দেশত কাৰ্যকলাপ প্ৰতিষ্ঠাৰ বাবে ব্যয় বহন কৰিবলগীয়া নহয়। অৱশ্যে তাৰ বাবে নতুন দেশখনত নিজৰ উৎপাদিত সামগ্ৰীবোৰ বিতৰণ আৰু বিপণন কৰাৰ বাবে প্ৰতিষ্ঠানবোৰৰ থাকিব লাগিব, যি সাধাৰণতে স্থানীয় বিতৰকসকল বা কোম্পানীবোৰৰ সৈতে চুক্তিৰ জৰিয়তে সম্পন্ন হয়। ৰপ্তানি বাচনিৰ সময়ত কোম্পানীটোৱে বজাৰখনৰ বাবে সঠিকভাৱে নামাকৰণ, আবৰ্নীকৰণ আৰু মূল্যমান নিৰ্ধাৰণকৰণ হ'ব লাগিব। বিপণন আৰু প্ৰসাৰৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে বিজ্ঞাপন, বাণিজ্য মেলা, অথবা স্থানীয় বিক্ৰিগোট আদিৰ জৰিয়তে সঠিক প্ৰসাৰ কৌশল গ্ৰহণ কৰি ক্ৰেতাসকলক তেওঁলোকৰ ৰেহাইৰ বিষয়ে অৱগত কৰোৱাৰো প্ৰয়োজন।

সাধাৰণতে ৰপ্তানি এক সঠিক পদ্ধতি যেতিয়া নিম্নোক্ত অৱস্থাবোৰৰ এক বা ততোধিক বাহাল থাকে ঃ

- যেতিয়া বৈদেশিক বাণিজ্যৰ আকাংক্ষিত পৰিমাণ অতি বৃহৎ নহয় আৰু তাৰ বাবে বৈদেশিক বজাৰত উৎপাদন আদি বিষয়ক বৃহৎ বিনিয়োগৰ প্ৰয়োজন নহয়।
- যেতিয়া কোম্পানীটোৱে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেৱল মাত্ৰ পৰীক্ষামূলক ভিত্তিত গ্ৰহণ কৰে।
- বিদেশৰ তুলনাত গৃহ দেশত উৎপাদন ব্যয় কম হয়।
- কোম্পানীৰ বিদেশৰ বজাৰকলৈ কোনো স্থায়ী স্বাৰ্থ নাথাকে আৰু যেতিয়া দীৰ্ঘ সময়ৰ বাবে এই বজাৰখনলৈ সন্দেহৰ অৱকাশ থাকে।
- বিদেশৰ অৰ্থনৈতিক আৰু আইনী নীতিবোৰ বৈদেশিক বিনিয়োগৰ হকে নহয়।
- বিদেশৰ ব্যৱসায়িক পৰিৱেশ সেই দেশখনত স্থায়ী কায়িক বিনিয়োগৰ কাৰণে অনুকূল নহয়।

ৰপ্তানিৰ মূল দুটা পন্থা আছে— প্ৰত্যক্ষ ৰপ্তানি আৰু পৰোক্ষ ৰপ্তানি।

২.৬.১.২ প্ৰত্যক্ষ ৰপ্তানি

প্ৰত্যক্ষ ৰপ্তানি হ'ল উৎপাদনকাৰীয়ে কোনোধৰণৰ স্বাধীন ৰপ্তানি মধ্যস্থতাকাৰীৰ সহায় নোলোৱাকৈ প্ৰত্যক্ষভাৱে বিদেশৰ বজাৰত বিক্ৰী কৰা এইক্ষেত্ৰত কোম্পানীয়ে উপভোক্তাক পোনপটীয়াকৈ বিক্ৰী কৰিব পাৰে বা বিদেশৰ বজাৰত থকা মধ্যস্থতাকাৰীৰ জৰিয়তে বিক্ৰী কৰিব পাৰে। যদিও এনে অৱস্থাত মধ্যস্থতাকাৰী জড়িত থাকিব পাৰে কিন্তু সেই মধ্যস্থতাকাৰীয়ে ৰপ্তানিকাৰীৰ হৈ নিৰ্ভৰশীল সংস্থাৰ দৰে কাম কৰিব পাৰে। উৎপাদিত সামগ্ৰী

বা সেৱা আৰু লক্ষ্যধাৰী উপভোক্তা গোটৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি এটা কোম্পানীয়ে বিদেশত বিক্ৰী কেন্দ্ৰ বা উপ উদ্যোগ বা ভ্ৰমণকাৰী বিক্ৰেতা নিয়োগ কৰিব পাৰে। এটা কোম্পানীয়ে বিতৰক আমদানি, যি নিজে পোনপটীয়াকৈ নিজৰ অধিকাৰত উৎপাদন ক্ৰয় কৰে আৰু বজাৰ মধ্যস্থতাকাৰী বা উপভোক্তাক পোনপটীয়াকৈ স্থানীয় বজাৰত বিক্ৰী কৰা ব্যৱস্থাৰ জৰিয়তে প্ৰত্যক্ষ ৰপ্তানী কৰিব পাৰে।

যেতিয়া বিক্ৰী আকৃতি ক্ষুদ্ৰ হয় তেতিয়া প্ৰত্যক্ষ বিনিয়োগ উপযোগী হয়। বৃহৎ পৰিমানৰ ৰপ্তানিয়ে বিদেশৰ প্ৰতিৰোধ ব্যৱস্থাক আকৰ্ষণ কৰিব পাৰে।

২.৬.১.২ পৰোক্ষ ৰপ্তানি

পৰোক্ষ ৰপ্তানি স্বাধীন ৰপ্তানি মধ্যস্থতাকাৰীৰ জৰিয়তে সম্পন্ন হয়। এই ক্ষেত্ৰত ৰপ্তানিকাৰীয়ে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিপণন ৰপ্তানিৰ অধীনত উৎপাদনকাৰীয়ে আন্তঃৰাষ্ট্ৰীয় বিক্ৰী কাৰ্যকলাপৰ সকলোবোৰ দায়িত্ব মধ্যস্থতাকাৰীৰ ওচৰত অৰ্পণ কৰে। বিদেশৰ বজাৰত উৎপাদিত সামগ্ৰীৰ ওপৰত কোনো নিয়ন্ত্ৰণ ৰপ্তানিকাৰীৰ নিয়ন্ত্ৰণ নাথাকে। পৰোক্ষ ৰপ্তানি সেইবোৰ কোম্পানীৰ ক্ষেত্ৰত অতি উপযোগী আৰু জনপ্ৰিয় যিবোৰে তেওঁলোক ৰপ্তানি কাৰ্যকলাপ মাত্ৰ আৰম্ভ কৰিছে। পৰোক্ষ ৰপ্তানিৰ ক্ষেত্ৰত কোম্পানীয়ে সুকীয়া বৈদেশিক বিপণন আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ প্ৰয়োজন নাথাকে, বিনিয়োগ কম হয় আৰু জড়িত থকা প্ৰত্যাহ্বানো কম হয়। ই লগতে লক্ষ্যধাৰী বজাৰলৈ দ্ৰুত বিপণন সুবিধাবোৰ প্ৰদান কৰে।

পৰোক্ষ ৰপ্তানিৰ গুৰুতৰ অনুপযোগিতা হ'ল বিদেশৰ বজাৰত বিতৰণ, বিপণন আৰু বিক্ৰীৰ ক্ষেত্ৰত উৎপাদনকাৰীৰ নিয়ন্ত্ৰণ কম বা নাথাকেই আৰু তেনেক্ষেত্ৰত বিদেশৰ বজাৰত উন্নয়নৰ ক্ষেত্ৰত কোম্পানীৰ কোনো নিয়ন্ত্ৰণ নাথাকে, সেয়া সম্পূৰ্ণৰূপে মধ্যভোগীৰ ওপৰত থাকে।

২.৬.২ সেৱা ৰপ্তানি

বৰ্তমান ভাৰতবৰ্ষৰ দৰে বহু উন্নয়নশীল দেশে সেৱা ৰপ্তানিৰ ক্ষেত্ৰত জড়িত হৈ পৰিছে। সেৱা প্ৰদানকাৰী কোম্পানীবোৰৰ বাবে বিদেশৰ বজাৰত প্ৰশেৰৰ বাবে সেৱা ৰপ্তানি এক উজু পথ হিচাপে পৰিগণিত হৈছে। প্ৰযুক্তিৰ উন্নয়নৰ লগেলগে তথ্য আৰু যোগাযোগ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে কোম্পানীবোৰে দূৰৱৰ্তী স্থানৰ পৰা সেৱা ৰপ্তানি কৰাটো বহু উজু হৈ পৰিছে।


বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ টি অ') য়ে সেৱাৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি চাৰিটা ভিন্ন পদ্ধতিৰ সেৱা চিনাক্ত কৰিছে।

সীমাৰ সিপাৰৰ যোগান ঃ যেতিয়া ক্ৰেতা বা বিক্ৰেতা কোনো ভ্ৰাম্যমান নহয় আৰু সেৱাৰ বদলি সম্পূৰ্ণৰূপে প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল হয়। কল চেণ্টাৰ, পৰামৰ্শদাতা প্ৰতিষ্ঠান, ব্যৱসায়িক বহিঃ উৎসকৰণ, জ্ঞান বহিঃউৎসকৰণ আদি এনে ধৰণৰ কেতবোৰ উদাহৰণ।

বিদেশত ভোগকৰণ ঃ যেতিয়া ক্ৰেতা ভ্ৰাম্যমান হয় কিন্তু বিক্ৰেতা ভ্ৰাম্যমান নহয়। পৰ্যটন আৰু ভ্ৰমণ সেৱা প্ৰদানকাৰী, চিকিৎসা পৰ্যটন আদি এনেধৰণৰ উদাহৰণ।

বাণিজ্যিক উপস্থিতি ঃ ই তেতিয়া সম্পন্ন হয় যেতিয়া এটা কোম্পানীয়ে ইয়াৰ শাখা বা উপ উদ্যোগ বিদেশৰ বজাৰত স্থাপন কৰি উপভোক্তা লৈ সেৱা আগবঢ়ায়। উদাহৰণস্বৰূপে বেংক, আন্তঃৰাষ্ট্ৰীয় বয়-বস্তু সৰবৰাহ সেৱা আদি।

স্বাভাৱিক ব্যক্তিৰ চাল-চলন ঃ ইয়াত ব্যক্তিয়ে এখন দেশৰ পৰা আন এখন দেশলৈ ভ্ৰমণ কৰি সেৱা আগবঢ়ায়। উদাহৰণ স্বৰূপে, শৈক্ষিক প্ৰশিক্ষক, পেছাদাৰী বক্তা, স্থপতিবিদ, ক্ৰীড়া প্ৰশিক্ষক আদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ৰপ্তানি কি?

.....

.....

২.৭ চুক্তিভিত্তিক /বদলি পদ্ধতি

২.৭.১ অনুজ্ঞাপত্ৰ প্ৰদান

অনুজ্ঞাপত্ৰ প্ৰদানক সংজ্ঞা ৰোপন কৰা হয় এইদৰে, 'বিদেশত কাৰ্যকলাপ কৰাৰ পদ্ধতি য'ত এটা কোম্পানীয়ে আন এটা কোম্পানীক অনুজ্ঞাপত্ৰ প্ৰদানৰ জৰিয়তে উৎপাদন, সংসাধন, পণ্যচিহ্ন, নৈপুণ্য বা আন কোনো দক্ষতা ব্যৱহাৰ কৰাৰ বাবে অনুমতি প্ৰদান কৰে।' অনুজ্ঞাপত্ৰ প্ৰদান মুখ্যত এক অস্পৰ্শনীয় সম্পদ ভাড়া প্ৰদান কৰা বা লীজ প্ৰদান কৰাত জড়িত।

আন্তঃৰাষ্ট্ৰীয় অনুজ্ঞাপত্ৰ প্ৰদানৰ অধীনত এখন দেশৰ এক প্ৰতিষ্ঠান যাক অনুজ্ঞাপত্ৰ প্ৰদানকাৰী বুলি কোৱা হয়, সেই প্ৰতিষ্ঠানে আন এখন দেশৰ আন এক প্ৰতিষ্ঠান যাক অনুজ্ঞাপত্ৰধাৰী বুলি কোৱা হয়। সেই প্ৰতিষ্ঠানক প্ৰথম প্ৰতিষ্ঠানৰ বৌদ্ধিক সম্পত্তি যথা গ্ৰন্থস্বত্ব, কৃত্বিস্বত্ব, পণ্য চিহ্ন, কাৰিকৰী নৈপুণ্য অথবা আন নিৰ্দিষ্ট দক্ষতা যি ইয়াৰ বিশেষ দখলত থাকে তাক ব্যৱহাৰ অনুমতি প্ৰদান কৰে। ই এক

ধৰণৰ চুক্তি য'ত অনুজ্ঞাপত্ৰ প্ৰদানকাৰীৰ লাভ হ'ল বিক্ৰী মূল্যৰ অংশ বা মাচুল যাক অনুজ্ঞাপত্ৰধাৰীয়ে আদায় দিয়াৰ বাবে চুক্তি কৰে। অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষেত্ৰত সম্পদৰ ন্যূনতম প্ৰতিশ্ৰুতি থাকে আৰু পদক্ষেপ অনুজ্ঞাপত্ৰ প্ৰদানকাৰী কোম্পানীৰ অংশ। তেনে ক্ষেত্ৰত ই প্ৰৱেশৰ এক গ্ৰহণযোগ্য পদ্ধতি যিহেতু নিম্ন দায়িত্বৰ সম্পৰ্ক স্থাপন চুক্তি।

উৎপাদিত সামগ্ৰীৰ প্ৰকৃতি অনুসৰি বিভিন্ন ধৰণৰ চৰ্ত সাপেক্ষে বিভিন্ন ধৰণৰ অনুজ্ঞাপত্ৰ প্ৰদানকাৰী চুক্তি থাকিব পাৰে আৰু এনে অনুজ্ঞাপত্ৰ নিশ্চিতি দিয়ালৈকে ই সম্প্ৰসাৰিত হ'ব পাৰে। অতি সাধাৰণ চুক্তিবোৰ হ'ল—

- ছফটৱেৰ অনুজ্ঞাপত্ৰ চুক্তি (যথা অন্তিম ব্যৱহাৰকাৰীৰ অনুজ্ঞাপত্ৰ চুক্তি, পাৰদৰ্শী চুক্তি, ক্লিক ৰেপ চুক্তি, ব্ৰাউছ ৰেপ চুক্তি আদি),
- গ্ৰন্থস্বত্ব অনুজ্ঞাপত্ৰ চুক্তি,
- পণ্য চিহ্ন অনুজ্ঞাপত্ৰ চুক্তি,
- কৃত্বিস্বত্ব অনুজ্ঞাপত্ৰ চুক্তি,
- প্ৰযুক্তি অনুজ্ঞাপত্ৰ চুক্তি,
- গৱেষণা সমন্বয় চুক্তি,
- বিশেষ নাম অনুজ্ঞাপত্ৰ প্ৰদান,
- সেৱা অনুজ্ঞাপত্ৰ প্ৰদান,
- বাধ্যতামূলক অনুজ্ঞাপত্ৰ প্ৰদান আৰু বিধিসন্মত অনুজ্ঞাপত্ৰ আদি।

অনুজ্ঞাপত্ৰ প্ৰদানকাৰী আৰু অনুজ্ঞাপত্ৰধাৰী উভয়ে যেতিয়া সন্মতি সাপেক্ষে তেওঁলোকৰ নৈপুণ্য বা বৌদ্ধিক সম্পত্তিৰ অধিকাৰ পৰস্পৰৰ মাজত বিনিময় কৰে তেতিয়া ইয়াক সংকৰণ-অনুজ্ঞাপত্ৰ প্ৰদানৰ ৰূপ ধাৰণ কৰে এয়া উভয় দিশৰ চুক্তি আৰু তাত মাচুল আদায় হ'বও পাৰে নহ'বও পাৰে।

২.৭.২ ফ্ৰেন্সাইজিং

ই এক বিশেষ ধৰণৰ অনুজ্ঞাপত্ৰ প্ৰদান ব্যৱস্থা। য'ত অনুজ্ঞাপত্ৰ প্ৰদানকাৰী (ফ্ৰেন্সাইচৰ)য়ে কেৱল মাত্ৰ ইয়াৰ অস্পৰ্শনীয় সম্পত্তিবোৰেই ব্যৱহাৰ অধিকাৰ বদলি নকৰে লগতে বিক্ৰী উৎসাহীকৰণ, প্ৰশিক্ষণ প্ৰদান, সামগ্ৰী যোগান আদিৰ জৰিয়তে অনুজ্ঞাপত্ৰধাৰী (ফ্ৰেন্সাইচৰ)ক সক্ৰিয়ভাৱে সহায় কৰে। এই অধিকাৰে লগতে ফ্ৰেন্সাইচৰৰ উৎপাদিত সামগ্ৰী ফ্ৰেন্সাইচিৰ দ্বাৰা প্ৰথম পক্ষৰ নাম, ফ্ৰেন্সাইচৰৰ উৎপাদন আৰু বিপণন কৌশল আদিও লাভ কৰে। ফ্ৰেন্সাইছিঙৰ এক উমৈহতীয়া পন্থা হ'ল ফ্ৰেন্সাইচৰে ফ্ৰেন্সাইছিক সামগ্ৰী, অংশ আদিৰ দৰে সম্পূৰ্ণৰূপে আৰু অন্তিম ৰূপে নিৰ্মিত কেতবোৰ গুৰুত্বপূৰ্ণ উপাদান প্ৰদান কৰা।

ফ্ৰেন্সাইছিং দুই প্ৰকাৰৰ, প্ৰত্যক্ষ আৰু পৰোক্ষ। প্ৰত্যক্ষ ফ্ৰেন্সাইছিঙৰ ক্ষেত্ৰত

ফ্ৰেন্সাইচৰে বিদেশত ফ্ৰেন্সাইছিৰ প্ৰতিষ্ঠানিক নীতি, বিপণন কৌশল আৰু কার্যক্ৰমনিকাক নির্দেশ প্রদান কৰে। আনহাতে পৰোক্ষ ফ্ৰেন্সাইচিঙত ফ্ৰেন্সাইচৰে নীতি আৰু কৌশল নির্ধাৰণ কৰে, কিন্তু তাত উপ-ফ্ৰেন্সাইচৰ থাকে যি অন্তিম স্তৰত বিদেশত ফ্ৰেন্সাইচিৰ কার্যকলাপ নির্দেশ দিয়ে আৰু চোৱাচিতা কৰে।

ফ্ৰেন্সাইছিঙে লগতে অনুজ্ঞাপত্ৰ প্রদানকাৰী চুক্তিৰ দৰে একে লাভ প্রদান কৰে। ই বিদেশৰ বজাৰত প্রত্যক্ষ বিনিয়োগ কৰাতকৈ কম প্রত্যাহ্বানমূলক আৰু কম ব্যয় সাপেক্ষ। যি কি নহওঁক ফ্ৰেন্সাইছিঙে ফ্ৰেন্সাইচৰৰ হৈ নীতি নির্ধাৰণ আৰু নিৰীক্ষণৰ কাম কৰে, সেয়ে ই এক সৰল অনুজ্ঞাপত্ৰ প্রদানকাৰী চুক্তিতকৈ অধিক ব্যয় নিহিত থাকে।

২.৭.৩ আংশিক চুক্তি

ঔদ্যোগিক কোম্পানীবোৰ যি জটিল উৎপাদন প্রযুক্তিক বিশেষভাৱে গ্রহণ কৰে সেইবোৰে বজাৰ প্রবেশ কৌশলল হিচাপে আংশিক প্রকল্প ব্যৱহাৰ কৰে। আংশিক চুক্তি সাধাৰণতে নতুন সুবিধা বা প্রকল্পৰ ৰূপাংকন, নির্মাণ আৰু ৰূপায়নৰ ক্ষেত্ৰত দেখাৰ লগতে তেল শোধনাগাৰ আৰু খনন, চিমেণ্ট কাৰখানা আৰু সাৰ প্রকল্প আদিত কর্মী প্রশিক্ষণ আদিটো দেখা যায়।

এই ধৰণৰ চুক্তিত বিক্ৰেতাই ক্ৰেতাক ক্ৰেতাৰ কর্মীক পৰিচালনাৰ প্রশিক্ষণ প্রদানৰ দায়িত্ব গ্রহণৰ লগতে সম্পূর্ণৰূপে কার্যকৰী আৰু সা-সুবিধা প্রদানৰ চুক্তি কৰে। এই পদ্ধতি সাধাৰণতে ফাষ্টফুড ফ্ৰেন্সাইছিৰ ক্ষেত্ৰত দেখা যায় য'ত ফ্ৰেন্সাইচৰে সম্পূর্ণ সা-সুবিধা নির্মাণ আৰু ফ্ৰেন্সাইছি আৰু ইয়াৰ কর্মীসকলক প্রশিক্ষণ প্রদানৰ সন্মতি প্রদান কৰে।

২.৭.৪ অংশীদাৰিত্ব আৰু কৌশলগত জোঁটবন্ধন

এক বৈদেশিক বজাৰত প্ৰৰেশৰ আন এক উপায় হ'ল তাত থকা স্থানীয় অংশীদাৰৰ সৈতে এক কৌশলগত জোঁটবন্ধন স্থাপন। 'এক কৌশলগত জোঁটবন্ধনত দুটা বা ততোধিক প্রতিষ্ঠাৰ মাজত চক্তিভিত্তিক বুজাবুজি হয় যে ইয়াত জড়িত পক্ষবোৰে নির্দিষ্ট সময়ৰ বাবে নির্দিষ্ট পথেৰে উমৈহতীয়া বিষয়ত সহযোগিতাৰে কাম কৰি যাব।' এনে জোঁটবন্ধনে কোনো এক প্রতিষ্ঠানক জটিল অঞ্চলত স্থানীয় প্রতিযোগী আৰু সমভাৱনাপূর্ণ প্রতিদ্বন্দ্বীৰ সৈতে সম্পর্ক স্থাপন কৰে যাতে উভয় পক্ষই পৰস্পৰৰ পৰা লাভান্বিত হয়।

এক স্থানীয় প্রতিষ্ঠাৰ সৈতে জোঁটবন্ধনৰ লাভবোৰ হ'ল স্থানীয় প্রতিষ্ঠানে বাহিৰৰ কোম্পানীতকৈ উপভোক্তা, স্থানীয় সংস্কৃতি, বজাৰ আৰু ব্যৱসায় কৰাৰ পথ

সম্পৰ্কে অধিকভাৱে অৱগত। অংশীদাৰিত্ব বিশেষভাৱে মূল্যবান হয় যদি ইতিমধ্যে বিদেশৰ বজাৰত স্বীকৃতিপ্ৰাপ্ত আৰু সম্ভ্ৰান্ত বিশেষ পণ্য সামগ্ৰী নিৰ্মাতা হয় অথবা বাহিৰৰ প্ৰতিষ্ঠানে যি উপভোক্তাক আদৰিব বিচাৰিছে তেওঁলোকৰ সৈতে সু-সম্পৰ্ক থাকে।


কৌশলগত জোঁটবন্ধন বিদেশৰ বজাৰত সীমিত সম্পদ আৰু বিশেষজ্ঞতাৰে প্ৰৱেশ কৰিব বিচৰা সমৰ্থবান প্ৰতিষ্ঠানৰ বাবেও উপযোগী হয়। এনে প্ৰতিষ্ঠানে অকলে বিদেশৰ বজাৰত প্ৰৱেশ কৰিবলৈ সক্ষম নহয় আৰু দীৰ্ঘ সময়ৰ বাবে তেনে ক্ষেত্ৰত কাৰ্যকলাপ চলাই যাব নোৱাৰে। জোঁটবন্ধনে সফলতাৰ অংশীদায়িত্ব লাভ প্ৰদানৰ লগতে ন্যূনতম ক্ষতিকাৰক প্ৰতিযোগিতা প্ৰদান কৰে।

মুখ্য অসুবিধাবোৰ হ'ল প্ৰতিষ্ঠানৰ লক্ষ্য অংশীদাৰ লক্ষ্যতকৈ পৃথক হ'ব পাৰে আৰু সময়ৰ পৰিৱৰ্তনত ব্যৱসায় কৰাৰ পথ সম্পৰ্কৰ পৰস্পৰ সংঘাত আহিব পাৰে তেনে অৱস্থাত তেনে জোঁটবন্ধনৰ মাজত আৱদ্ধ প্ৰতিষ্ঠানবোৰৰ মাজত ধ্বংস মাতি আনিব পাৰে। তদুপৰি বিদেশত সম্পূৰ্ণৰূপে নিজা উৎপাদন আৰু বিপণন সুবিধা থকা প্ৰতিষ্টানৰ তুলনাত এই জোঁটবন্ধনবোৰৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ কম থাকে।

২.৭.৫ চুক্তি উৎপাদন

চুক্তি ভিত্তিক উৎপাদনত এটা কোম্পানীয়ে বিদেশৰ এক প্ৰতিষ্ঠানৰ সৈতে ইয়াৰ (কোম্পানীৰ) উৎপাদিত সামগ্ৰীবোৰ উৎপাদন বা সংযোজন ঘটায় আৰু উৎপাদিত সামগ্ৰীৰ বিপণনৰ দায়িত্ব বহন কৰে। এই আৰ্হিত উৎপাদিত সামগ্ৰীৰ আংশিক বা সম্পূৰ্ণ উৎপাদন প্ৰক্ৰিয়া বিদেশত তৃতীয় পক্ষই লয়। ইয়াৰ মূল লাভালাভ হ'ল বিদেশত কোম্পানীয়ে ইয়াৰ নিজা সম্পদ ব্যয় নকৰে। কিন্তু উৎপাদন সুবিধাবোৰ থাকে। এই ক্ষেত্ৰত বিদেশত কোম্পানীয়ে নিজাববীয়াকৈ উৎপাদন কৰাতকৈ তুলনামূলকভাৱে কম ব্যয় হয়। সৰ্বোপৰি বজাৰত প্ৰৱেশৰ বাবে ই এক কম প্ৰত্যাহ্বানমূলক কৌশল হিচাপে পৰিগণিত হয়। যিহেতু গৃহস্থ দেশখনে বিদেশী কোম্পানীক ইয়াৰ ব্যৱসায়িক গোটৰ বাবে বিশেষ ভাবুকি বুলি নাভাবে।

যি কি নহওঁক এনেধৰণৰ ব্যৱস্থাত কেতবোৰ সীমাবদ্ধতাও থাকে। চুক্তিকাৰী কোম্পানীৰ সাধাৰণতে উৎপাদন প্ৰক্ৰিয়াত কম নিয়ন্ত্ৰণ থাকে। যি উৎপাদিত সামগ্ৰীৰ মানত ক্ষতি সাধন কৰে। উৎপাদনৰ ক্ষেত্ৰত ইয়াৰ পৰা কম লাভ হ'ব পাৰে। এনে প্ৰেক্ষাপটত বাণিজ্য গোপনীয়তা থকা উচ্চ প্ৰযুক্তি বা প্ৰয়োগ থকা উৎপাদনৰ ক্ষেত্ৰত চুক্তি ভিত্তিক উৎপাদন বিশেষ সুবিধাজনক নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় প্ৰৱেশক দুটা চুক্তি ভিত্তিক পদ্ধতিৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ কৌশলগত জোঁটবন্ধন কি?

.....

.....

২.৮ বিদেশত বিনিয়োগ পদ্ধতি /একত্ৰীকৰণ আৰু উৎপাদন সুবিধা

২.৮.১ সম্পূৰ্ণভাৱে মালিকাধীন উপ উদ্যোগ

কোনো এক নিৰ্দিষ্ট বিদেশী বজাৰত দীৰ্ঘম্যাদী আৰু সমৰ্থবান স্বাৰ্থ নিহিত থকা কোম্পানীয়ে তাত সম্পূৰ্ণৰূপে মালিকাধীন উপ উদ্যোগ মুকলি কৰিব পাৰে।

২.৮.১.১ গ্ৰীণফিল্ড বিনিয়োগ

এই পদ্ধতিত বিদেশত প্ৰতিষ্ঠান কৰা এক নতুন উপ উদ্যোগে নিজা নিয়ন্ত্ৰণৰ সৈতে সম্পূৰ্ণৰূপে উৎপাদন সুবিধা আৰু বিপণন সুবিধাবোৰৰ সমাৱেশ ঘটায়। ই প্ৰতিষ্ঠানটোৰ কাৰ্য পৰিচালনাত সম্পূৰ্ণ নিয়ন্ত্ৰণ দেখুৱায় আৰু উপৰোক্তা অৱস্থাৰে গড় আয় সৃষ্টিত সামৰ্থত্য প্ৰদৰ্শন কৰে। গ্ৰীণফিল্ড বিনিয়োগ তেতিয়া অধিক অগ্ৰাধিকাৰ দিয়া হয় যেতিয়া কোনো এক দেশত কাৰ্য পৰিচালনাৰ বাবে কাৰ্যিক মূলধনী জড়িত প্ৰকল্পৰ লগতে উচ্চ পেচাদাৰী দক্ষতা, বিশেষ নৈপুন্য আৰু উপভোক্তাকৰণ প্ৰয়োজন অধিক হয়। এই কৌশল আকৰ্ষণীয় হয় যদি গৃহস্থ বিদেশী ৰাষ্ট্ৰখনত ইয়াৰ উৎপাদন প্ৰক্ৰিয়া নৈপুন্য আৰু বিশেষ বৌদ্ধিক সম্পদ বদলি কৰিব পৰাকৈ কোনো উপযুক্ত প্ৰতিষ্ঠান নাথাকে।

যি কি নহওঁক ই এক জটিল প্ৰক্ৰিয়া আৰু ইয়াত বৃহৎ বিনিয়োগ জড়িত থাকে। বিদেশত এক নতুন ব্যৱসায় প্ৰতিষ্ঠা কৰাৰ বাবে ব্যয়বোৰো অধিক হোৱাৰ বাবে প্ৰত্যাহ্বানো অধিক হোৱা দেখা যায়। কিছুমান দেশত নিৰ্দিষ্ট খণ্ডত এনে বিনিয়োগৰ ক্ষেত্ৰত কেতবোৰ বাধ্যবাধকতা থাকিব পাৰে। সৰ্বোপৰি নতুন পৰিচালনা কাৰ্য স্থাপন, বিতৰণ নেটৱৰ্ক স্থাপনৰ প্ৰয়োজনত আৰু নতুন বজাৰত প্ৰতিযোগিতাত তিষ্টি থাকিবলৈ উপযুক্ত বিপণন কৌশল

শিক্ষণ আৰু প্ৰয়োগৰ প্ৰক্ৰিয়াৰ বাবে সময়ৰ প্ৰয়োজন হোৱা বাবে ই মন্থৰ আৰু সময়ৰ প্ৰয়োজন হোৱা প্ৰক্ৰিয়া।

২.৮.১.২ অধিগ্ৰহণ

এক সম্পূৰ্ণৰূপে মালকাধীন উপ উদ্যোগ প্ৰতিষ্ঠাৰ আন এক ব্যৱস্থা হ'ল বিদেশৰ বজাৰত ইতিমধ্যে থকা কাৰ্যক অধিগ্ৰহণ কৰা। ই বিদেশৰ বজাৰত তৎক্ষণিকভাৱে প্ৰৱেশৰ সুবিধা প্ৰদান কৰে। লগতে তুলনামূলকভাৱে ই এক নতুন দেশত অধিক ধনৰ বিনিয়োগ ঘটায়। সমপূৰ্ণৰূপে নতুন ব্যৱসায় আৰম্ভ কৰা গ্ৰীণফিল্ড বিনিয়োগতকৈ কম ব্যয় সাপেক্ষ। বহুতো বহুজাতিক প্ৰতিষ্ঠানে এক প্ৰতিযোগী, এক যোগানকাৰী, এক বিতৰণকাৰী বা এক উচ্চ সম্পৰ্কীয় উদ্যোগৰ সৈতে জড়িত ব্যৱসায় ক্ৰয় কৰাৰ জৰিয়তে এক বৃহৎ বজাৰ লাভ কৰে আৰু বজাৰখনৰ প্ৰতিযোগিতামূলক সুবিধাবোৰ গ্ৰহণ কৰে। অধিগ্ৰহণ লগতে গ্ৰীণফিল্ড বিনিয়োগতকৈ কম প্ৰত্যাহ্বানমূলক হয় যিহেতু অধিগ্ৰহণৰ ফলাফলবোৰ আগতীয়াকৈ অনুধাৱন কৰিব পাৰি। বৃহৎ ব্যৱসায়িক গোষ্ঠীয়ে নতুন বজাৰত প্ৰৱেশ কৰাৰ বাবে ই এক আকৰ্ষণীয় কৌশল আৰু যদি লক্ষ্যধাৰী বজাৰখনত সেই কোম্পানী ইতিমধ্যে সুপ্ৰতিষ্ঠিত হয় তেন্তে অধিক ফলপ্ৰসূ হোৱা দেখা যায়।


২.৮.২ যুটীয়া গোট

বজাৰত প্ৰৱেশৰ আন এক সাধাৰণ কৌশল হ'ল যুটীয়া গোট। বৃহৎ অৰ্থত ই হ'ল অধিক সময়ৰ বাবে ব্যৱসায়ত তিষ্টি থকাৰ বাবে কোম্পানীবোৰ মাজত সমন্বয় সাধন কৰা। যুটীয়া গোটৰ ধাৰণা হ'ল বিদেশী প্ৰতিষ্ঠান আৰু এক স্থানীয় প্ৰতিষ্ঠানৰ মাজত ব্যৱসায়ৰ মালিকীস্বত্ব আৰু পৰিচালনালৈ অংশীদাৰিত্ব। বজাৰত প্ৰৱেশৰ বাবে যুটীয়া গোটৰ পাঁচটা উমৈহতীয়া ব্যৱস্থা আছে সেয়া হ'ল প্ৰত্যাহ্বান আৰু পুৰস্কাৰ অংশীদাৰিত্ব, প্ৰযুক্তিৰ অংশীদাৰিত্ব, যুটীয়া উৎপাদিত সামগ্ৰী উন্নয়ন আৰু চৰকাৰী বিধি ব্যৱস্থাবোৰ নিশ্চিতকৰণ।

যুটীয়া গোটবোৰ সততে গ্ৰহণ কৰা হয় য'ত ঃ

- ভিন্ন প্ৰতিযোগিতামূলক লক্ষ্যৰ সৈতে উভয় প্ৰতিষ্ঠানৰ কৌশলগত লক্ষ্য নিৰ্ধাৰণ।
- আকৃতি, বজাৰ অংশীদাৰিত্ব আৰু প্ৰতিষ্ঠানৰ সম্পদবোৰ পৰ্যাপ্ত নহয় আৰু উদ্যোগত নেতৃত্বদায়ীতকৈ কম হয়।
- আৰম্ভণিৰ দক্ষতা প্ৰদৰ্শনৰ বাবে পৰস্পৰৰ মাজত শিকাৰ সুবিধা থাকে আৰু পৰস্পৰৰ মাজত উন্নয়নৰ সুবিধাও থাকে।

যিবোৰ দেশত সম্পূৰ্ণৰূপে বিদেশী মালিকাধীন ব্যৱসায়ৰ অনুমতি প্ৰদান কৰা নহয় তেনে দেশবোৰত বজাৰত দীৰ্ঘম্যাদী ব্যৱস্থা প্ৰচলনৰ বাবে ব্যৱসায়ীৰ বাবে ই উপযুক্ত বিকল্প। বহু বিদেশী কোম্পানীয়ে প্ৰৱেশ বাধা কঠোৰভাৱে চলাই উন্নয়নশীল দেশবোৰত এই পদ্ধতি ব্যৱহাৰ কৰে। যি কি নহওক যুটীয়া গোটৰ ক্ষেত্ৰত প্ৰতিষ্ঠানবোৰৰ মাজত সমন্বয় আৰু প্ৰতিযোগিতাৰ বাবে কেতবোৰ সংঘাত সৃষ্টি হয়। অংশীদাৰসকলৰ মাজত এনে পৰিস্থিতিৰো উদ্ভৱ হয় য'ত অংশীদাৰবোৰে তেওঁলোকৰ সৰ্বাধিক লাভ অৰ্জন কৰিব বিচৰাৰ লগতে প্ৰতিযোগিতামূলক শক্তিৰো সৰ্বাধিক প্ৰদৰ্শন কৰিব বিচাৰে। প্ৰত্যেক প্ৰতিষ্টানে এইক্ষেত্ৰত পশ্চাদ গতি কৰে আৰু ইয়াৰ মালিকীস্বত্বাধীন সম্পদবোৰ সুৰক্ষা প্ৰদান কৰা হয়, য'ত যুটীয়া গোটবোৰে সম্পদবোৰৰ অংশীদাৰিত্বৰ প্ৰকাশ কৰে। এনে পৰিস্থিতিত বহুতো যুটীয়া গোটে তেওঁলোকৰ উমৈহতীয়া কাৰ্যকলাপত উত্তীৰ্ণ হোৱাত ব্যৰ্থতা প্ৰদৰ্শন কৰে আৰু ই স্বাভাৱিকতে জোঁটবন্ধন ভংগ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ গ্ৰীণফিল্ড বিনিয়োগ মানে কি বুজে?

.....

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত এটা প্ৰতিষ্ঠানে সম্পূৰ্ণৰূপে গোলকীয় বজাৰত প্ৰৱেশ কৰাৰ বাবে বিভিন্ন স্তৰ পাৰ কৰিব লগীয়া হয়।
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশৰ স্তৰবোৰ।
- বিভিন্ন পদ্ধতি বা কৌশল যাৰ জৰিয়তে এক প্ৰতিষ্ঠানে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশ কৰিব পাৰে।
- বিভিন্ন প্ৰৱেশ পদ্ধতিৰ উপযোগিতা আৰু অনুপযোগিতাৰ তথা কাৰ্যকাৰিতা।
- প্ৰবেশৰ বাণিজ্য পদ্ধতি কি আৰু ইয়াৰ প্ৰকাৰবোৰ।
- বিদেশৰ বজাৰত প্ৰৱেশৰ চুক্তিভিত্তিক পদ্ধতি আৰু ইয়াৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ।
- প্ৰত্যক্ষ বিনিয়োগৰ জৰিয়তে প্ৰৱেশ আৰু ইয়াৰ দিশ।



২.১০ অধিক জানিবলৈ

১) Cherunilam, Francis.(2013). *International Business-Text and Cases.* PHI Learning Pvt. Ltd. 5th Edition.

২) Sarkar, S.S., Sharma, R.K., & Gupta. S.K. (2008). *Business Studies-II.* Kalyani Publishers.

২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এখন বজাৰ বা এক লক্ষ্যধাৰী গ্ৰাহক গোটৰ বিষয়ে তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়াক বজাৰ গৱেষণা হিচাপে জনা যায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদেশিক বজাৰ আদিৰ প্ৰস্তাৱিত উৎপাদিত সামগ্ৰী, সেৱা, ব্যৱসায়ৰ প্ৰকৃতি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰপ্তানি হ'ল বৈদেশিক বজাৰবোৰত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ বিক্ৰী যি ৰপ্তানিকাৰী কোম্পানীৰ গৃহ ৰাষ্ট্ৰৰ পৰা উৎস হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অনুজ্ঞাপত্ৰ প্ৰদান আৰু ফ্ৰেন্সাইছিং।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ এক কৌশলগত জোঁটবন্ধনত দুটা বা ততোধিক প্ৰতিষ্ঠানৰ মাজত চুক্তিভিত্তিক বুজাবুজি হয় যে ইয়াত জড়িত পক্ষবোৰে নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্দিষ্ট পথেৰে উমৈহতীয়া বিষয়ত সহযোগিতাৰে কাম কৰি যাব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এই ক্ষেত্ৰত বিদেশত এক নতুন উপ উদ্যোগে ইয়াৰ নিয়ন্ত্ৰণত সম্পূৰ্ণ উৎপাদন সুবিধাবোৰ একত্ৰীকৰণ আৰু বিপণন সুবিধাবোৰ স্থাপনত জড়িত হয়।



২.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আন্তঃৰাষ্ট্ৰীয় বজাৰ প্ৰৱেশ কৌশলবোৰ সংক্ষেপভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় উন্নয়নৰ বিভিন্ন স্তৰবোৰ সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰপ্তানিক এক প্ৰৱেশ কৌশল হিচাপে সংক্ষেপতে প্ৰকাশ কৰক।

প্ৰশ্ন ৪ ঃ ফ্ৰেন্সাইছিঙৰ চমুটোকা লিখা। প্ৰত্যক্ষ আৰু পৰোক্ষ ফ্লেন্সাইছিঙৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ৫ ঃ সেৱা ৰপ্তানিৰ বিভিন্ন পদ্ধতিবোৰ আলোচনা কৰা।

প্ৰশ্ন ৬ ঃ প্ৰত্যক্ষ ৰপ্তানি আৰু পৰোক্ষ ৰপ্তানি বুলিলে কি বুজা? কি পৰিস্থিতিত ৰপ্তানি আন্তঃৰাষ্ট্ৰীয় বজাৰ প্ৰৱেশ কৌশল হিচাপে উপযোগী হয়?

প্ৰশ্ন ৭ ঃ আন্তঃৰাষ্ট্ৰীয় চুক্তি উৎপাদন কি?

প্ৰশ্ন ৮ ঃ আংশিক চুক্তি কি?

প্ৰশ্ন ৯ ঃ আন্তঃৰাষ্ট্ৰীয় যুটীয়া গোটৰ ওপৰত টোকা প্ৰস্তুত কৰা আৰু বজাৰ প্ৰৱেশ পদক্ষেপ হিচাপে ইয়াৰ উপযোগিতা আৰু অনুপযোগিতাবোৰ লিখা।

*** ***** ***

অধ্যায় ৩ ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ

অধ্যায় গাঁঠনি ঃ

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ব্যৱসায়িক পৰিবেশ

৩.৪ ব্যৱসায়িক পৰিবেশৰ গুৰুত্ব

৩.৫ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ

৩.৬ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ পৰিবেশৰ উপাংশ

- ৩.৬.১ অৰ্থনৈতিক পৰিবেশ
- ৩.৬.২ সামাজিক সাংস্কৃতিক পৰিবেশ
- ৩.৬.৩ ৰাজনৈতিক পৰিবেশ
- ৩.৬.৪ আইনী পৰিবেশ

৩.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলো

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ শিক্ষাৰ উদ্দেশ্য ঃ

এই অধ্যায়টি আলোচনা কৰাৰ পাছত আপুনি —

- ব্যৱসায়িক পৰিবেশৰ অৰ্থ বিশ্লেষণ কৰিব পাৰিব
- ব্যৱসায়িক পৰিবেশৰ গুৰুত্ব বুজিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ আলোচনা কৰিব পাৰিব

৩.২ পৰিচয়

এটা ব্যৱসায়ে অধ্যায়ৰ নিসংগতাৰে কাম কৰিব নোৱাৰে। ই চৌপাশৰ পৰিবেশৰ অবিছিন্ন অংশ। অস্তিত্ব থকালৈক ব্যৱসায়িক কাৰ্যকলাপ সেয়ে বিভিন্ন পৰিবেশগত কাৰকৰ দ্বাৰা উৎসাহিত আৰু নিৰ্ণায়ক হয়। প্ৰতিটো ব্যৱসায় ইয়াৰ দীৰ্ঘম্যাদী স্থায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি সুন্দৰভাৱে বুজি পাব লাগিব আৰু ইয়াৰ ব্যৱসায়িক প্ৰক্ৰিয়া আৰু পৰিচালনাৰ আৰ্হি যুগুত কৰিব লাগিব। এই অধ্যায়ত আমি সেই পৰিবেশৰ বিষয়ে আলোচনা কৰিম যাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় পৰিচালিত হয়।

৩.৩ ব্যৱসায়িক পৰিবেশ

ব্যৱসায়িক পৰিবেশ শব্দটোৱে ব্যৱসায় পৰিচালিত হোৱাৰ ক্ষেত্ৰত আভ্যন্তৰীণ আৰু বাহ্যিক উভয় অৱস্থাৰ সামগ্ৰিক পৰিস্থিতিক বুজায়। ই বিভিন্ন শক্তি আৰু কাৰকৰ দ্বাৰা সৃষ্ট সামগ্ৰিক বাতবৰণ যাৰ সৈতে ব্যৱসায়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভাৰ বিনিময় কৰিব লগীয়া হয়। এটা প্ৰতিষ্ঠানৰ ব্যৱসায়িক পৰিবেশে আভ্যন্তৰীণ শক্তি আৰু বাহ্যিক শক্তি উভয়কে সামৰি লয়। আভ্যন্তৰীণ শক্তি বা কাৰক যাক সামগ্ৰিক ভাৱে আভ্যন্তৰীণ পৰিবেশ হিচাপে অভিহিত কৰিব পাৰি সেয়া হ'ল প্ৰতিষ্ঠানটোৰ সাংগাঠনিক কাৰ্যকলাপ, সাংগাঠনিক গাঁথনি, মানৱ শক্তি, পৰিচালকৰ দৰ্শন, সাংগঠনিক সংস্কৃতি, কৰ্ম পৰিবেশ, প্ৰযুক্তি কৰ্ম প্ৰক্ৰিয়া আদি বিভিন্ন আভ্যন্তৰীণ পৰিস্থিতিৰ সমন্বিত অৱস্থা। এই আভ্যন্তৰীণ কাৰকবোৰে ব্যৱসায়িক প্ৰতিষ্ঠানক ইয়াৰ সংশ্লিষ্ট ক্ষেত্ৰখনৰ প্ৰভাৱ পেলোৱাৰ লগতে সাধাৰণতে প্ৰতিষ্ঠানটোৰ নিয়ন্ত্ৰণতো ৰাখে। বাহ্যিক কাৰক যথা সামাজিক কাৰক,অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক আৰু আইনী কাৰক, সাংস্কৃতিক কাৰক, উপভোগ, যোগানকাৰী প্ৰতিযোগী আদিয়ে এক ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাহ্যিক পৰিবেশ সৃষ্টি কৰে। এই কাৰকবোৰ প্ৰতিষ্ঠাপক বাহিৰৰ দিশৰ পৰা প্ৰভাৱান্বিত কৰে আৰু সাধাৰণতে ইয়াৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। সেয়ে ব্যৱসায়িক পৰিবেশ এই সকলো বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকৰ, সম্পূৰ্ণ অৱস্থা যি এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ কাৰ্যকলাপত প্ৰভাৱান্বিত হয়।

৩.৪ ব্যৱসায়িক পৰিবেশৰ গুৰুত্ব

এক ব্যৱসায়িক প্ৰতিষ্ঠা কৰা নিঃসন্দেহে এক কঠিন প্ৰচেষ্টা, কিন্তু ইয়াক সফলতাৰে পৰিচালনা কৰিবলৈ আৰু উদ্‌গতি কৰিবলৈ অধিক প্ৰচেষ্টা আৰু জটিল সিদ্ধান্ত গ্ৰহণ কৰা প্ৰয়াজেন। এক ব্যৱসায় বহন কৰাৰ বাবে বিভিন্ন সম্পদৰ প্ৰয়োজন হয়। উদাহৰণ স্বৰূপে ব্যৱসায়ৰ বাবে বিত্তৰ প্ৰয়োজন যাৰ বাবে তেওঁলোকে বিত্তীয় বজাৰ আৰু প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ব্যৱসায়ৰ বাবে শ্ৰমিকৰ প্ৰয়োজন যাৰ বাবে তেওঁলোকে সমাজৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। দীৰ্ঘদিনৰ বাবে জীয়াই থাকিবলৈ তেওঁলোকৰ ৰাজহ সৃষ্টিৰ প্ৰয়োজন যাৰ বাবে তেওঁলোকে তেওঁলোকৰ উৎপাদিত সামগ্ৰী আৰু সেৱাৰ বাবে গ্ৰাহকসকল আৰু বৃহত্তৰ সমাজখনৰ গ্ৰহণ যোগ্যতাৰ প্ৰয়োজন। আকৌ ব্যৱসায়ে কেঁচামালৰ প্ৰকৃতি আৰু আন প্ৰাকৃতিক সম্পদ উৎসৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ব্যৱসায়ে আইনী আৰু নিয়ামক সমৰ্থন কিদৰে যি প্ৰচলিত বিভিন্ন আইন আৰু বিধি তথা নিৰ্দিষ্ট দেশখনৰ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। সেইদৰে আৰু বহুতো কাৰক আছে যিবোৰে প্ৰত্যেক ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰভাৱান্বিত কৰে। এই সকলো কাৰক আৰু মাত্ৰাক সংগঠিতভাৱে ব্যৱসায়িক পৰিবেশ বুলি কোৱা হয়।

ব্যৱসায়িক পৰিবেশে এটা প্ৰতিষ্ঠানক ইয়াৰ কাৰ্যকলাপ সম্পৰ্কত প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। বিভিন্ন আভ্যন্তৰীণ আৰু বাহ্যিক কাৰক এটা ব্যৱসায়ক ইয়াৰ কামকাজত বিভিন্ন


ভাবুকি আৰু সম্ভাৱনীয়তা প্ৰদান কৰে। জীয়াই থাকিবলৈ আৰু উন্নতি কৰিবলৈ এক ব্যৱসায়ে এই সম্ভাৱনীয়তাবোৰ লাভ কৰিব লাগিব। আৰু এই পৰিবেশিক শক্তিবোৰ প্ৰদান কৰা ভাবুকিৰ পৰা নিজকে ৰক্ষা কৰিব লাগিব। ইয়াৰ বাবে এই আভ্যন্তৰীণ আৰু বাহ্যিক শক্তিবোৰৰ বিষয়ে স্পষ্টভাৱে বুজি পোৱাতো সৰ্বাধিক গুৰুত্বপূৰ্ণ। এই বোধগম্যতাৰ ওপৰত ভিত্তি কৰি এক ব্যৱসায়ে ইয়াৰ ভৱিষ্যতৰ কাৰ্যকলাপ স্থিৰ কৰাত ইয়াৰ নীতি আৰু কৌশল পৰিকল্পনাত সিদ্ধান্ত গ্ৰহণ কৰে। কিয় প্ৰতিটো প্ৰতিষ্ঠানটোৰ বাবে ব্যৱসায়িক পৰিবেশ অতি গুৰুত্বপূৰ্ণ তাৰ কেতবোৰ কাৰণ তলত দিয়া হ'ল ঃ

১। **আগতীয়া পৰিকল্পনা ঃ** যিবোৰ ব্যৱসায়ে ভৱিষ্যতৰ পৰিকল্পনা কৰিব পাৰে আৰু ইয়াৰ সম্ভৱনীয়তাবোৰ গ্ৰহণ কৰিব পাৰে ইয়াৰ সম্ভাৱনীয়তাবোৰ গ্ৰহণ কৰিব পাৰে সেইবোৰেই সঠিকভাৱে ব্যৱসায়িক পৰিবেশ বুজি পায়। যদি বুজি পোৱা আৰু মান নিৰূপণ সঠিক হয় এক ব্যৱসায়ৰ সফলতাত ব্যৱসায়িক পৰিবেশ এক জটিল উপাদান হ'ব পাৰে। একেদৰে একে পৰিবেশ এক ব্যৱসায়ৰ ব্যৰ্থতাৰ প্ৰধান কাৰণ হ'ব পাৰে।

২। **ব্যৱসায়িক সুবিধাবোৰৰ চিনাক্তকৰণ ঃ** ব্যৱসায়িক পৰিবেশৰ সঠিক চিনাক্তকৰণে প্ৰতিষ্ঠান এটাক ব্যৱসায়িক সুবিধাবোৰ আৰু সম্ভাব্য ভাবুকিবোৰ চিনাক্তকৰণত সুবিধা প্ৰদান কৰে। পৰিবেশৰ কাৰকবোৰৰ পৰিবৰ্তনে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ বাবে নতুন ভাবুকিৰ লগতে সুবিধা উভয়কে গ্ৰহণ কৰিব পাৰে। এইবোৰক সঠিকভাৱে চিনাক্তকৰণ কৰা আৰু সেইমতে ব্যৱসায়িক নীতিবোৰ আৰু কৌশলবোৰ গ্ৰহণ কৰাটোৱে ব্যৱসায়ৰ শ্ৰীবৃদ্ধি আৰু দীৰ্ঘকালীন সময়ৰ বাবে জীয়াই থকাটো নিধাৰণ কৰে।

৩। **পৰিবৰ্তনৰ সৈতে গ্ৰহণ ঃ** প্ৰত্যেক ব্যৱসায়ে পৰি বেশত কি পৰিবৰ্তন হৈ আছে সেই সম্পৰ্কে সজাগ হৈ থকাটো প্ৰয়োজন। বিভিন্ন পৰিবেশিক কাৰকবোৰ সদায় পৰিবৰ্তন হৈ থাকে। সেয়া লাগে গ্ৰাহকৰ পৰিবৰ্তিত সোৱাদ আৰু অগ্ৰাধিকাৰ পৰিবৰ্তিত সামাজিক মূল্য ৰাজীনতি /আইনী নীতিৰ পৰিবৰ্তন বা প্ৰযুক্তিৰ পৰিবৰ্তন আৰু অন্যান্য যেয়িই নহওক ব্যৱসায়িক পৰিবেশৰ সজাগতা আৰু বুজাবুজিয়ে ব্যৱসায়ক এই পৰিবৰ্তনবোৰ কিদৰে মোকাবিলা কৰিব পাৰি আৰু সময়ত ইয়াক কিদৰে প্ৰয়োজনীয় ৰূপত গ্ৰহণ কৰিব পাৰি সেই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে।

৪। **প্ৰদৰ্শন উন্নয়নত সহায় ঃ** এটা প্ৰতিষ্ঠানৰ ভৱিষ্যত ব্যৱসায়িক পৰিবেশত কি ঘটি আছে তাৰ সৈতে নিবিড়ভাৱে সম্পৰ্কিত। যি প্ৰতিষ্ঠানে তেওঁলোকৰ পৰিবেশ সূক্ষ্মভাৱে নিৰীক্ষণ কৰে আৰু তেওঁলোকৰ ব্যৱসায়িক অনুশীলন সেইমতে গ্ৰহণ কৰে কেৱল সেইবোৰেই তেওঁলোকৰ বৰ্তমানৰ প্ৰদৰ্শনৰ উন্নতি ঘটোৱাই নহয় দীৰ্ঘকালৰ বাবে বজাৰত ধাৰাবাহিকভাৱে সফলতা অৰ্জন কৰিব পাৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্যৱসায়িক পৰিবেশ মানে কি?

.....

.....

৩.৫ দেশী আৰু বিদেশী ব্যৱসায়িক পৰিবেশ ?

ব্যৱসায়িক পৰিবেশ আভ্যন্তৰীণ আৰু বাহ্যিক বহু উপাদানৰ দ্বাৰা সাধাৰণতে গঠিত। কিন্তু এটা প্রতিষ্ঠানৰ ব্যৱসায়িক পৰিবেশৰ বাবে বাহ্যিক পৰিবেশিক কাৰকে অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এগৰাকী ব্যৱসায়ীয়ে বাহ্যিক পৰিবেশক প্রভাৱান্বিত কৰিব নোৱাৰে কিন্তু ব্যৱসায়িক পৰিবেশৰ ক্ষেত্রত হোৱা প্রতিষ্ঠিত অৱস্থা বা পৰিবর্তন অনুসৰি তেওঁৰ পৰিকল্পনা আৰু নীতিবোৰ বুজাপৰা কৰিব পাৰে। নিম্নোক্ত চিত্রই ব্যৱসায়িক পৰিবেশৰ মূল উপাদানবোৰ দেখুৱায়।



চিত্র ১.১- ব্যৱসায়িক পৰিবেশৰ উপাদানবোৰ ঃ

এক ঘৰুৱা ব্যৱসায়িক প্রতিষ্ঠানে এই সকলো পৰিবেশিক উপাদানৰ উপস্থিতিত কাম কৰিবলগীয়া হয়। ব্যৱসায়িক পৰিবেশৰ এই সকলো উপাদানে একাকীভাৱে কাম নকৰে কিন্তু এইবোৰ আন্তঃসম্পর্কীয় আৰু সেইবোৰৰ প্রভাৱ সমন্বিতভাৱে দেখুৱায়।

ঘৰুৱা ব্যৱসায়িক পৰিবেশ এইবোৰ শক্তিৰ প্রকৃতিৰ দ্বাৰা গঠিত আৰু এইবোৰ বিভিন্ন পৰিবেশিক কাৰকৰ প্রদর্শনৰ মানৰ ওপৰত নির্ভৰ কৰি দেশৰ পৰিসীমাৰ ভিতৰত ব্যৱসায়িক কামকাজ চলোৱা প্রতিটোৰ ক্ষেত্রত এইবোৰ অনুৰূপ। উদাহৰণ স্বৰূপে এক ব্যৱসায়ে ইয়াৰ উৎপাদিত সামগ্রীৰ বাবে বিস্তৃতভাৱে কেঁচামাল তথা সংশ্লিষ্ট প্রাকৃতিক সম্পদৰ আইনী আৰু নিয়ামক ব্যৱস্থাৱলীৰ ওপৰত নির্ভৰ কৰাৰ লগতে অর্থনৈতিক সামাজিক-সাংস্কৃতিক নির্ভৰ কৰা লগতে অর্থনৈতিক সামাজিক-সাংস্কৃতিক প্রযুক্তিগত পৰিবেশ আৰু তেনে দিশৰ ওপৰতকম বেছি পৰিমাণে নির্ভৰ কৰে। যি কি নহওক ব্যৱসায়িক প্রতিষ্ঠানৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰি

এই পৰিবেশিক কাৰকবোৰে একে সময়তে কিছুমানৰ ক্ষেত্ৰত অধিক আৰু আন কিছুমান ধৰণৰ ব্যৱসায়ত কম প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

সৰ্বোপৰি একে সময়তে এই কথা মন দিয়া প্ৰয়োজন যে একেখন দেশত ব্যৱসায়িক পৰিবেশৰ ক্ষেত্ৰত লক্ষণীয় পাৰ্থক্য উদ্ভৱ হ'ব পাৰে। এয়া বিশেষভাৱে পৰিলক্ষিত হয় যদি দেশখন ভৌগোলিকভাৱে জনসংখ্যাৰ বিচিত্ৰতাৰে বৃহৎ জনসংখ্যা আৰু সামাজিক সাংস্কৃতিক বহুমুখীভাৱে অতি বৃহৎ দেশ হয়। এইক্ষেত্ৰত অসদৃশ বতৰ, ভূ-ৰেখাংকন, জলবায়ুৰ অৱস্থা আদিয়েও গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। ই আমাৰ দেশৰ ভিন্ন প্ৰদেশ আৰু ভিন্ন অঞ্চলৰ উদ্যোগীকৰণৰ বিভিন্ন অসম পৰ্য্যায় আৰু উন্নয়নৰ ক্ষেত্ৰত পৰিলক্ষিত হয় যি আনবোৰ কাৰণৰ লগতে ব্যৱসায়িক পৰিবেশৰ পৰিবৰ্তন টো দেখা যায়।

আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত চলোৱা ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱসায়িক পৰিবেশত পাৰ্থক্য অধিক স্পষ্ট। বহু ক্ষেত্ৰত বিভিন্ন দেশৰ ব্যৱসায়িক পৰিবেশৰ দেশখনৰ ভিতৰতে অধিক অস্তিত্বশীল।

কোনো এক প্ৰতিষ্ঠান আন্তঃৰাষ্ট্ৰীয় অৱস্থালৈ যাব নে নাযায় সেই সম্পৰ্কে বহুতো কৌশলগত সিদ্ধান্ত লোৱাৰ প্ৰয়োজন। এক নিৰ্দিষ্ট বিদেশী প্ৰৱেশ কৰিবনে নকৰে, সেই নিৰ্দিষ্ট বজাৰখনৰ বাবে প্ৰতিষ্ঠানৰ বাণিজ্য মিশ্ৰণ কি হ'ব আদি সম্পৰ্কীয় কৌশলগত সিদ্ধান্তবোৰ দুটা শ্ৰেণীৰ কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। যথা প্ৰথমে কোম্পানীৰ সম্পৰ্কীয় কাৰকবোৰ আৰু দ্বিতীয়তে বিদেশী বজাৰ সম্পৰ্কীয় কাৰকবোৰ। পৰৱৰ্তীভাৱে কেতবোৰ আনুষংগকি গোলকীয় কাৰকো আছে। এক প্ৰতিষ্ঠানে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত প্ৰৱেশ কৰাৰ সক্ষমতা বহুতো আভ্যন্তৰীণ কাৰক যথা ইয়াৰ ন্যস্ত কাৰ্য আৰু লক্ষ্য পৰিচালন বিশেষজ্ঞতা, বজাৰ অভিজ্ঞতা, কাৰিকৰী আৰু বিত্তীয় সম্পদ আৰু সক্ষমতা, প্ৰতিষ্ঠানগত আৰ্হি আৰু গঠন আৰু এনে বহু দিশৰ ওপৰত নিৰ্ভৰশীল। সেইদৰে এক প্ৰতিষ্ঠানে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত জড়িত হোৱাৰ বাবে চাৰিটা শ্ৰেণীৰ ব্যৱসায়িক পৰিবেশৰ সৈতে জড়িত হ'ব লাগে—

- আভ্যন্তৰীণ পৰিবেশ
- ঘৰুৱা পৰিবেশ
- বিদেশী পৰিবেশ আৰু
- গোলকীয়া পৰিবেশ


আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত জড়িত এটা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ঘৰুৱা পৰিবেশৰ অৰ্থ হ'ল গৃহ দেশখনৰ পৰিবেশ সম্পৰ্কীয়। উদাহৰণ অৰ্থ হ'ল গৃহ দেশৰ নিয়ম আৰু বিধিবোৰ বৈদেশিক বাণিজ্য, গৃহ দেশৰ নিয়ম আৰু বিধিবোৰে বৈদেশিক বাণিজ্য, মুক্ত অৰ্থনীতিৰ প্ৰতি চৰকাৰৰ নীতি, আমদানি ৰপ্তানি নীতি, চৰকাৰী সমৰ্থন গৃহ দেশত উৎপাদনমুখী কাৰক বোৰৰ ক্ষেত্ৰত প্ৰতিযোগীতমূলক সা-সুবিধাবোৰ আদি।

বিদেশী পৰিবেশ হ'ল সংশ্লিষ্ট বিদেশী বজাৰখনৰ বাণিজ্যিক পৰিবেশ সম্পৰ্কীয় অৱস্থাত। উদাহৰণ স্বৰূপে বিদেশী, বাণিজ্য সম্পৰ্কত সেই নিৰ্দিষ্ট দেশখনৰ চৰকাৰী নীতি, বিদেশৰ উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত গ্ৰাহকৰ আগ্ৰহ আৰু গ্ৰহণযোগ্যতা আৰু বজাৰত প্ৰতিযোগী

আদি। ব্যৱসায়িক পৰিবেশৰ এই সকলোবোৰ উপাদানৰ প্ৰকৃতি বজাৰ ভেদে সুকীয়া ধৰণৰ হয়।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত গোলকীয় পৰিবেশৰ অৰ্থ হ'ল সেই গোলকীয় কাৰকবোৰ যিবোৰ ব্যৱসায়ৰ সৈতে সম্পৰ্কীয় যথা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্পৰ্কীয় অভিৰৰ্তন, চুক্তিবোৰ আৰু প্ৰট'কলত আদি, গোলকীয় অৰ্থনৈতিক অৱস্থা বহুজাতিক সংস্থাবোৰ যতা ডব্লিউ টি অ', অ' ই চি ভি, আই এম এফ আদি আৰু এইবোৰৰ নীতিবোৰৰ আৰু চুক্তিবোৰ।

এটা ঘৰুৱা কোম্পানী যেতিয়া আন্তঃৰাষ্ট্ৰীয় লৈ যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত কাৰ্যও কৰে তেতিয়া এই চাৰিটা শ্ৰেণীৰ পৰিবেশৰ আটাইবোৰেই যত্ন সহকাৰে মূল্যায়ন কৰাৰ প্ৰয়োজন হয়। এক নীতি বা ব্যৱসায়িক কৌশলৰ আৰ্হি প্ৰস্তুত আৰু এক নিৰ্দিষ্ট স্তৰলৈ ইয়াৰ সফলতা বা বিফলতা কোম্পানীটোৱে কিদৰে ইয়াৰ ব্যৱসায়িক পৰিবেশত বিভিন্ন পৰিবেশগত কাৰকবোৰ বুজি পাইছে আৰু গ্ৰহণ কৰিছে তাৰ ওপৰত নিৰ্ভৰ কৰে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ গোলকীয় ব্যৱসায়িক পৰিবেশ বুলিলে কি বুজা?

.....

.....

আন্তৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশ নিম্নোক্ত উপাদানবোৰে গঠিত।

৩.৬.১ অৰ্থনৈতিক পৰিবেশ

অৰ্থনৈতিক পৰিবেশ সেই সকলো কাৰক যিবোৰে সম্পদৰে নিয়ন্ত্ৰণ কৰে, উৎপাদনৰ কাৰকবোৰ প্ৰভাৱান্বিত কৰে, এখন সমাজত প্ৰজন্মক প্ৰভাৱান্বিত কৰে আৰু আয় আৰু সম্পদ বিতৰণ কৰে। অৰ্থনীতিৰ প্ৰকৃতি, অৰ্থনৈতিক উন্নয়নৰ স্তৰ, মুঠ ঘৰুৱা উৎপাদন (ডিজিপি) আৰু মুঠ ৰাষ্ট্ৰীয় উৎপাদন (জি এন পি) উন্নয়ন হাৰ, জনপমুৰি আয়, অৰ্থনৈতিক ব্যৱস্থা আৰু নীতি যথা বিত্তীয় আৰু মুদ্ৰাজনিত নীতিবোৰ, মূলধনী বজাৰ, চাহিদাৰ ধৰণ আদি হ'ল এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ গুৰুত্বপূৰ্ণ উপাদান। অৰ্থনৈতিক পৰিবেশ প্ৰত্যেক ব্যৱসায়ত ব্যৱসায়ৰ সুবিধা, ব্যৱসায়িক সম্ভাৱনীয়তা আৰু নীতিবোৰৰ ওপৰত পোনপটীয়াকৈ প্ৰভাৱ পেলায়। কেতবোৰ অৰ্থনৈতিক কাৰণত তলত সংশ্লিষ্টভাৱে বৰ্ণনা কৰা হ'ল।

অৰ্থনীতিৰ প্ৰকৃতি ঃ ঘৰুৱা বা বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানৰ যিয়েই নহওক তাত এখন দেশে কিমান উন্নয়ন সাধন তাৰ বাবে বহু দিশ জড়িত থাকে। অৰ্থনীতিৰ সাধাৰণ স্তৰৰ উৎপাদিত সামগ্ৰী আৰু সেৱাৰ চাহিদাৰ প্ৰকৃতি আৰু গ্ৰহণ কৰা ধৰণ বিত্ত আৰু বিত্তীয় সেৱা গ্ৰহণৰ সুবিধাবোৰ, বাণিজ্য আৰু ব্যৱসায়ৰ আদিত চৰকাৰী নীতি আৰু কাৰ্যসূচীবোৰ আদিৰ ওপৰত নিৰ্ভৰশীল।

দেশৰ অৰ্থনাতিৰ স্তৰ নিৰ্ধাৰণৰ বিস্তৃতভাৱে গ্ৰহণযোগ্য আৰু ব্যৱহৃত পদ্ধতি দেশখনৰ জনমূৰি আয় বা প্ৰতিগৰাকী ব্যক্তিৰ গড় বাৰ্ষিক আয়ৰ ভিত্তিত গঢ়ি উঠে। এই ভিত্তিত সমগ্ৰ বিশ্বৰ দেশবোৰৰ অৰ্থনীতিৰ স্তৰ তিনিটা ধৰণে শ্ৰেণী বিভক্ত কৰা হৈছে যথা আয়ৰ দেশবোৰ, মধ্য আয়ৰ দেশবোৰ আৰু উচ্চ আয়ৰ দেশবোৰ।

বিশ্ব বেংকে অৰ্থনীতিক চাৰিটা আয় গোটত ভাগ কৰিছে, যথা নিম্ন, নিম্ন-মধ্য, উচ্চ মধ্য আৰু উচ্চ আয়ৰ দেশ। এই শ্ৰেণীবিভাজনৰ দেশখনৰ জনমুৰি জি এন আই (মুঠা ৰাষ্ট্ৰীয় আয়ৰ) ভিত্তিত কৰা হৈছে। ২০০৯ ৰ হিচাপত ২০১৮ ত ১.০২৫$ (ডলাৰ) বা তাতকৈ কম জনমুৰি আয়ৰ সকলো অৰ্থনীতিক নিম্ন আয়ৰ অৰ্থনীতি হিচাপে গ্ৰহণ কৰা হৈছিল। নিম্ন মধ্য আয়ৰ অৰ্থনীতি হ'ল সেইবোৰ যিবোৰৰ জনমূৰি জি এন আই ১,০১৫$ আৰু ৩,৯৯৫$ ৰ ভিতৰত, ৩৯৯৬$ ৰ আৰু ১২,৩৭৫$ ৰ ভিতৰত থকাবোৰ উচ্চ-মধ্য আৰু ১২,৩৭৬$ বা তাৰ উৰ্দ্ধৰ জনমূৰি আয়ৰ অৰ্থনীতিবোৰ উচ্চ আয়ৰ অৰ্থনীতি হিচাপে স্বীকৃত।

অৰ্থনীতিৰ গঠন ঃ

অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত আয়ৰ অংশীদাৰ প্ৰত্যেক দেশৰ ক্ষেত্ৰত ভিন্ন। প্ৰাথমিক খণ্ড, গৌণ বা প্ৰশাখা খণ্ডৰ পৰা দেশখনে কিমান পৰিমাণৰ অৰিহণা গ্ৰহণ কৰিছে; মুঠ ঘৰুৱা উৎপাদনলৈ ক্ষুদ্ৰ, মধ্যমীয়া আৰু বৃহৎ উদ্যোগৰ উন্নয়ন আৰু অৱদান; ঔদ্যোগিক খণ্ডত চৰকাৰী-অংশীদাৰিত্ব আৰু সীমাবদ্ধতা, বিশ্ব অৰ্থনীতিৰ সৈতে দেশৰ অৰ্থনীতিৰ সৈতে দেশৰ অৰ্থনীতিৰ সমন্বয় আদি হ'ল সেই দেশত ব্যৱসায় পৰিচালনা কৰা বা পৰিচালনা কৰিবৰ বিচাৰৰ বাবে অতি গুৰুত্বপূৰ্ণ কাৰক। অৰ্থনীতিৰ গঠন এখন দেশত ব্যৱসায় কৰাৰ ক্ষেত্ৰত থকা সম্ভৱনীয়তা আৰু প্ৰত্যাহ্বানৰ ওপৰত নিৰ্ভৰশীল।

আমি সকলোৱে জানো যে ভাৰতবৰ্ষ প্ৰাথমিকভাৱে কৃষি অৰ্থনীতিৰ দেশ আৰু ইয়াৰ উৎপাদিত সম্পদবোৰ প্ৰাথমিক খণ্ডৰ সৈতে জড়িত। যি কি নহওক এখন দেশৰ অৰ্থনীতিৰ উন্নয়নৰ সৈতে মুঠ জনমূৰি আয়ত প্ৰাথমিক খণ্ডৰ অংশ আন দুটা খণ্ডতকৈ ক্ৰমাগতভাৱে হ্ৰাস পায়। উন্নত দেশত, সাধাৰণতে সেৱা খণ্ডই হ'ল জি ডি পি লৈ বৃহৎ অৰিহণাকাৰী । যি কি নহওক সাম্প্ৰতিক সময়ত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ উন্নয়নৰ বাবে উন্নয়শীল দেশবোৰত সেৱাখণ্ডৰ এক লক্ষ্যণীয় বৃদ্ধি দেখা গৈছে।

চৰকাৰৰ অৰ্থনৈতিক নীতিবোৰ ঃ

এক আকাংক্ষিত দিশত অৰ্থনীতিৰ আচৰণ উৎসাহ যোগোৱা বা নিয়ন্ত্ৰণ কৰাৰ বাবে অৰ্থনৈতিক নীতিবোৰেই হ'ল চৰকাৰৰ আহিলা। অৰ্থনৈতিক নীতিবোৰ যথা চৰকাৰী ব্যয় আৰু কৰ, মুদ্ৰা যোগানৰ নিয়ন্ত্ৰণ, বাণিজ্য, ব্যৱসায় আৰু উদ্যোগ, বিনিয়োগ, বিনিময় মূল্য আৰু সুতৰ হাৰ, সীমান্তৰ সিপাৰৰ মূলধন আদি সেই দেশখনত

ব্যৱসায় পৰিচালনাৰ ক্ষেত্ৰত বা পৰিচালনা কৰিবলৈ বিচৰাৰ ক্ষেত্ৰত প্ৰভাৱ আছে। চৰকাৰী অৰ্থনৈতিক নীতিবোৰ মুখ্যত ঃ দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি —বিত্তীয় আৰু মুদ্ৰাগত। বিত্তীয় নীতিবোৰ ৰাজহুৱা ব্যয় আৰু ৰাজহৰ ক্ষেত্ৰত চৰকাৰৰ কৌশল আৰু ইয়াৰ ৰূপায়নৰ সৈতে জড়িত আৰু ইয়াৰ ইয়াৰ ই মুখ্যত কৰ আৰু ৰাজহুৱা ব্যয়ৰ প্ৰতি দায়বদ্ধ। মুদ্ৰা নীতি, সাধাৰণতে কেন্দ্ৰীয় বেংকৰ অগ্ৰাধিকাৰগত বিষয় আৰু ই মুদ্ৰা যোগান আৰু সুতৰ হাৰ নিৰীক্ষণ আৰু নিৰ্ধাৰণ কৰে। এই দুই নীতিয়ে মুদ্ৰা যোগান, সঞ্চয় আৰু বিনিয়োগ ধাৰা, মূল্য মান, চাহিদাৰ ধৰণ, কৰ উদগনি বা অ-উদ্‌গনি আদিৰ দ্বাৰা প্ৰভাৱিত হৈ ব্যৱসায়ত প্ৰভাৱ পেলায়।

দেশৰ অৰ্থনৈতিক পৰিস্থিতি ঃ

সাধাৰণতে অৰ্থনৈতিক পৰিস্থিতি আৰু ইয়াৰ তাৰতম্যই ব্যৱসায়ত প্ৰভাৱ পেলায়। অৰ্থনীতি প্ৰায়ে আচম্বিতে হোৱা শ্ৰীবৃদ্ধি আৰু মন্দাৱস্থাৰ মাজেৰে, যি বহুতো তাৎক্ষণিক পৰিস্থিতি আৰু স্তৰৰৰ মাজেৰে প্ৰায়ে পাৰ হৈ যায়। এনে অৰ্থনৈতিক অৱস্থা দেশৰ ভিতৰত এটা অঞ্চলত হব পাৰে বা সমগ্ৰ দেশতে বিস্তৃতভাৱে প্ৰভাৱ পেলোৱা ধৰণৰ হ'ব পাৰে বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়টো হ'ব পাৰে।

এই সকলো অৰ্থনৈতিক কাৰকৰ ব্যৱসায়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে যিহেতু সেইবোৰ ব্যৱসায় নিয়ন্ত্ৰণৰ বাহিৰত।

৩.৬.২ সামাজিক আৰু সাংস্কৃতিক পৰিবেশ

প্ৰত্যেক ব্যৱসায়েই ইয়াৰ কাৰ্যক্ষেত্ৰৰ ভিতৰত সমাজৰ অবিচ্ছেদ্য অংশ। সামাজিক সাংস্কৃতিক পৰিবেশৰ ভিতৰত সামাজিক গঠন, সামাজিক স্তৰীভূতকৰণ, ভাষা ধৰ্মীয় দিশ, সাংস্কৃতিক, নৈতিক, নীতিগত মূল্য, সামাজিক আকাংক্ষা, ৰীতি আৰু পৰম্পৰা, মানুহৰ জীৱনশৈলী, সোৱাদ আৰু অগ্ৰাধিকাৰ, সামাজিক অনুষ্ঠান, ত্ৰায় আৰু গ্ৰহণীয় অভ্যাগ আদি ধৰিব পাৰি। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত কোম্পানীবোৰে তেওঁলোৰ সংশ্লিষ্ট বজাৰৰ সৈতে জড়িত সমাজ আৰু সংস্কৃতিৰ বিষয়ে জনাটো অতি গুৰুত্বপূৰ্ণ। এক নিৰ্দ্দিষ্ট সংস্কৃতিৰ সদস্য সকলে গ্ৰহণ কৰা বা অগ্ৰাধিকাৰ দিয়া বিষয় এটা আন সংস্কৃতিৰ সদস্যই ভাল নাপাবও পাৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত কাৰ্য্যনিৰ্বাহ কৰা কোম্পানীবোৰ তেওঁলোকৰ উৎপাদিত সামগ্ৰী উন্নীতকৰণ কৰা আৰু আন দেশৰ সমাজ আৰু লোকসকলৰ সুবিধাজনক হোৱাকৈ সুবিধাবোৰ আগবঢ়োৱাটো সাধাৰণ দিশ। বিদেশৰ বজাৰত ব্যৱসায়ৰ ব্যৰ্থতাৰ লক্ষ্যণীয় কাৰণবোৰৰ ভিতৰত এটা হ'ল গৃহদেশৰ বজাৰত সফল হোৱাৰ পাছতো এই বজাৰবোৰ সামাজিক-সাংস্কৃতিক পৰিবেশ সঠিকভাৱে অনুধাৱন নকৰা আৰু তেওঁলোকৰ ব্যৱসায়িক কৌশল সুন্দৰভাৱে প্ৰয়োগ নকৰা।

প্ৰত্যেক সমাজৰ তেওঁলোকৰ নিজা সংস্কৃতি আছে যিবোৰ সমাজখনৰ দ্বাৰা স্পষ্ট বিভিন্ন ৰীতি-নীতি, মূল্যবোধ বিশ্বাস, আকাংক্ষা, অভ্যাস, ভাষা আৰু সদস্যসকলৰ মাজত মতবিনিময়ৰ দ্বাৰা গঠন হয়। কোনো ব্যৱসায়িক প্ৰতিষ্ঠানে ইয়াৰ উৎপাদিত সামগ্ৰী আৰু সেৱাবোৰ নতুন বজাৰত উলিয়াই দিয়াৰ লক্ষ্য আগত ৰাখিলে সেই সমাজ খনৰ সামাজিক-সাংস্কৃতিক পৰিবেশ সম্পূৰ্ণৰূপে বুজি পোৱা আৰু তাৰ আধাৰত গ্ৰহণ কৰা ধৰণৰ হব লাগিব। গঠিকভাৱে অনুধাৱন নকৰা আৰু তেওঁলোকৰ ব্যৱসায়িক কৌশল সুন্দৰভাৱে প্ৰয়োগ নকৰা।

সাম্প্ৰতিক-সাংস্কৃতিক পৰিবেশৰ তিনি ধৰণৰ দিশ মন কৰিবলগীয়াঃ

১। **আমাৰ জীৱনশৈলী আৰু সামাজিক প্ৰমূল্যৰ পৰিবৰ্তন ঃ** উদাহৰণ স্বৰূপে আহিলাৰ পৰিবৰ্তিত ভূমিকা, সামগ্ৰীৰ পৰিমাণৰ পৰিবৰ্তে মানৰ গুৰুত্ব, বিনোদনমূলক কাৰ্যকলাপৰ প্ৰতি অধিক গুৰুত্ব।

২। **প্ৰধান সামাজিক সমস্যা ঃ** উদাহৰণস্বৰূপে পৰিবেশৰ প্ৰদূষণ সম্পৰ্কীয় দিশ, সামাজিক ভাৱে দায়বদ্ধ ব্যৱসায় সামাজিকভাৱে দায়বদ্ধ ব্যৱসায়িক নীতি আদি।

৩। **বস্তিত উপভোক্তবাদ ঃ** এই কথা চিহ্নিত কৰা হৈছে যে বৃহৎ মাত্ৰাত অসাধু বাণিজ্যিক অনুশীলনৰ বিৰুদ্ধে বৃহৎ পৰিসৰত উপভোক্তাৰ বাবে অসন্তুষ্টি সৃষ্টি হৈছে। বজাৰ সিদ্ধান্তকাৰী প্ৰক্ৰিয়াত উপভোক্তাবাদে বৰ্দ্ধিতভানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিভিন্ন দেশত সামাজিক পৰিবেশ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা আৰু গ্ৰাহক মুখী ব্যৱসায়িক দৃষ্টিভংগীৰ বাবে দায়গ্ৰস্ত।

সংস্কৃতি ঃ মানৱ সমাজ, সংস্কৃতিৰ এক পৃথকীকৃত চাৰিত্ৰিক বৈশিষ্ট্য হ'ল মানৱ সমাজৰ প্ৰতিখন সমাজৰ বাবে একক বৈশিষ্ট্য। প্ৰতিথযশা ডাটছ শিক্ষাবিদ গ্ৰীট তু'ফষ্টিডেৰ মতে,' এটা গোটৰ সদস্য সকলৰ মানসকিতাৰ সংগঠিত কাৰ্যসূচীয়ে আন এটা গোটৰ বা শ্ৰেণীৰ পৰা পৃথক কৰে।' সংস্কৃত নিজে এক অতি বিস্তৃত অৰ্থৰ শব্দ যি সামাজিক বিশ্বাস আৰু মূল্যবোৰ, ৰীতি আৰু পৰম্পৰা, ধৰ্ম্ম নীতি আৰু আচৰণ, অৰ্থনৈতিক আৰু আন ধৰণৰ কাৰ্যকলাপ পৰিচালনা কৰা পদ্ধতি আৰু সামগ্ৰিকভাৱে জীৱন পৰিচালনাৰ পদ্ধতিৰ সৈতে জড়িত। অপৰিচিত সাংস্কৃতিক পৰিবেশত ব্যৱসায় কৰাৰ বাবে আগ্ৰহী এক কোম্পানীয়ে যদি সেই সংস্কৃতিৰ প্ৰতি সঠিকভাৱে অবগত নহয় তেন্তে বহুতো সমস্যাৰ সন্মুখীন হ'ব পাৰে।

সাংস্কৃতিক পৰিবেশৰ ক্ষেত্ৰত বহুতো জটিল আৰু আন্তঃৰাষ্ট্ৰীয় উপাদান আছে তাৰ ভিতৰত তিনিটা অতি গুৰুত্বপূৰ্ণ উপাদান হ'ল ঃ জ্ঞান আৰু বিশ্বাস, আদৰ্শ, আৰু পছন্দ।

জ্ঞান আৰু বিশ্বাস ঃ এক সাংস্কৃতিক প্ৰেক্ষাপটত জ্ঞান আৰু বিশ্বাসে বাস্তৱতাৰ পূৰ্বনিৰ্ধাৰিত ধাৰণাৰ গঢ় লয়। ই বাস্তৱক গ্ৰহণ কৰাৰ জনসাধাৰণৰ পদ্ধতি। যদিও তেওঁলোকে লোকবিশ্বাস আৰু ভৌতিক বিশ্বাসৰ দ্বাৰা পৰিচালিত হয়, তাৰ মাজতে ইয়াৰ বৈজ্ঞানিক বাস্তৱতাও থাকে তাৰ মাজতে ইয়াৰ বৈজ্ঞানিক বাস্তৱতাও থাকে।

প্ৰতিখন সমাজতে পৰিচালনা বা লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত নিৰ্ধাৰিত সত্যতা বা আকাংক্ষা সম্পৰ্কত প্ৰাথমিক ধাৰণা থাকে। ইয়াক মূল্যবোধ বুলিও জনা যায়। মূল্য ব্যৱস্থা ইয়াৰ আপেক্ষিক গুৰুত্বৰ ভিত্তিত ইয়াৰ আপেক্ষিক অগ্ৰাধিকাৰক শৃংখলাবদ্ধ কৰাৰ বাবে সৃষ্টি কৰা মূল্যবোধ। ই ব্যক্তি আৰু গোটক শুদ্ধ আৰু ভূলৰ মাজত পাৰ্থক্য দেখুৱায়। কি কৰিব লাগে আৰু কি কৰিব নালাগে সেয়া নিৰ্ণয়ত সুবিধা প্ৰদান কৰে। মূল্যই নিয়মাৱলী প্ৰৱৰ্তন কৰে যাৰ দ্বাৰা ব্যক্তি তেওঁলোকৰ বাচনি সিদ্ধান্ত, আচাৰ আৰু আচৰণৰ পথ প্ৰদৰ্শন কৰিব পাৰি।

আদৰ্শ ঃ আদৰ্শই সামাজিক মানক প্ৰতিনিধিত্ব কৰে যাক এক প্ৰদত্ত সময়ত আশানুৰূপ শুদ্ধ আৰু সাধাৰণতে প্ৰদৰ্শন কৰিব পাৰি। এখন সমাজত মান সাধাৰণতে অনুমোদনৰ জৰিয়তে ৰূপায়ণ কৰা হয় যথা ঃ সঠিক আচৰণৰ বাবে পুৰস্কাৰ আৰু ভুল আচৰণৰ বাবে শাস্তি প্ৰদান।

অগ্ৰাধিকাৰ ঃ অগ্ৰাধিকাৰ হ'ল এখন সমাজৰ বাবে যিবোৰ আকৰ্ষণীয় অথবা অন্যথাতে আকাংক্ষাৰ এক বস্তু। অগ্ৰাধিকাৰ সংস্কৃতি ভেদে ভিন্ন হ'ব পাৰে।

এই সকলো সাংস্কৃতিক কাৰক বাস্তৱবাদী আৰু সক্ৰিয় ব্যৱসায়িক কৌশলৰ বাবে অতি গুৰুত্বপূৰ্ণ। ৰীতি, পৰম্পৰা মূল্য আৰু বিশ্বাস, নীতি প্ৰৱৰ্তনৰ সময়ত অগ্ৰাধিকাৰত অধিক ব্যয় বহন কৰিবলগীয়া হয়।

ভাষা ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত ভাষাৰ বিবিধতা এক জটিল সমস্যা। বিশ্বত প্ৰায় চাৰিহাজাৰৰ পৰা দহ হাজাৰৰ বিভিন্ন ভাষা আছে। অ-মৌখিক ভাৱবিনিময় এক গুৰুত্বপূৰ্ণ অংশ যি ব্যৱসায়ৰ বাবে সম্ভৱত অতি গুৰুত্বপূৰ্ণ সমস্যাৰ সৃষ্টি কৰে। একে ধৰণৰ চিহ্ন আৰু ইংগিতে ভিন্ন সমাজ আৰু সাংস্কৃতিক ভিন্ন অৰ্থপ্ৰকাশ কৰিব পাৰে। উদাহৰণ স্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰত 'অ' কে' তৰ্জনী আঙুলিৰে আৰু হাতৰ বুঢ়া আঙুলিৰে 'অ' আৰু আন তিনিটা আঙুলিতে চিধা কৰা মানে 'সকলো ঠিকে আছে' বুজাৰ, আনহাতে ইউৰোপত ইয়াক মূল্যহীন আৰু জাপানত ইয়াক ধন বা মুদ্ৰা বুলি বুজোৱা হয়।

৩.৬.৩ ৰাজনৈতিক পৰিবেশ

ৰাজনৈতিক ব্যৱস্থা, আৰু চৰকাৰী পৰিক্ৰমা আৰু ক্ৰিয়াই এখন দেশৰ ৰাজনৈতিক পৰিবেশ সৃষ্টি কৰে। ৰাজনৈতিক পৰিবেশ এখন দেশৰ ৰাজনৈতিক দলবোৰৰ চৰিত্ৰ, তেওঁলোকৰ আদৰ্শ, সংবিধানৰ প্ৰকৃতি আৰু প্ৰশাসনিক ব্যৱস্থা, অৰ্থনীতি আৰু ব্যৱসায় সংক্ৰান্তীয় বিভিন্ন চৰকাৰী নীতি আৰু কাৰ্যসূচী আদি পৰিবেষ্টিত কৰে। ৰাজনৈতিক পৰিবেশে ব্যৱসাসিক কাৰ্যকলাপত পোনপটীয়া প্ৰভাৱ পেলায়। বহুতো ৰাজনৈতিক সিদ্ধান্তৰ ব্যৱসায়ৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। উদাহৰণ সবেৰূপে এক নিৰ্দিষ্ট খণ্ডত বিদেশী প্ৰদান কৰিব নে ইয়াক বাধা দিব সেয়া এক

ৰাজনৈতিক সিদ্ধান্ত যি সেই দেশখনত বৈদেশিক বাণিজ্য চলোৱাৰ বাবে বিনিয়োগ কৰিব বিচৰা সকলৰ বাবে গুৰুত্বপূৰ্ণ। এখন দেশৰ অৰ্থনৈতিক নীতি গুৰুত্বপূৰ্ণ। চৰকাৰী নীতিৰ বিভিন্ন দিশে ব্যৱসায়ত প্ৰভাৱ পেলাব পাৰে কিয়নো সকলো প্ৰতিষ্ঠানে দেশৰ আইন মানি চলাতো জৰুৰী। কোম্পানীবোৰ ৰাজনৈতিক পৰিবেশৰ স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় বহিঃপ্ৰকাশবোৰৰ সৈতে মোকাবিলা কৰাৰ বাবে সদায় সাজু থাকব লাগিব। সৰ্বোপৰি গুৰুত্বপূৰ্ণ আৰ্থিক নীতিৰ পৰিবৰ্তন প্ৰায়ে ৰাজনৈতিক সিদ্ধান্তৰ আৰু ৰাজনৈতিক পৰিবেশ সাধাৰণতে আন্তঃসম্পৰ্কীয়।

সকলো ধৰণৰ ৰাজনৈতিক কাৰকে ব্যৱসায়িক পৰিবেশৰ সমান্তৰালভাৱে ব্যৱসায়িক সংস্থাবোৰক চাৰিটা পথেৰে প্ৰভাৱ পেলায় ঃ

১। **অৰ্থনীতিৰ ওপৰত প্ৰভাৱ ঃ** এখন দেশৰ ৰাজনৈতিক পৰিবেশ ইয়াৰ অৰ্থনৈতিক গাঁথনিক প্ৰভাৱ পেলায়। সকলো অৰ্থনৈতিক নীতি প্ৰায়ে ৰাজনৈতিক সিদ্ধান্ত। অৰ্থনৈতিক নীতি যথা ঔদ্যোগিক নীতি, বিত্তীয় নীতি, বিদেশী মূলধন আৰু প্ৰযুক্তি সম্পৰ্কীয় নীতি আদি সাধৰণতে ৰাজনৈতিক সিদ্ধান্তৰ অধীনত। এখন দেশত পৰিচালিত ব্যৱসায়ত এই নীতিবোৰৰ প্ৰভাৱ দীৰ্ঘম্যাদী। ভাৰতবৰ্ষত ১৯৯১ চনত মুক্ত অৰ্থনীতি আৰু গোলকীয়কৰণ অৰ্থনীতিলৈ দীৰ্ঘম্যাদী পৰিবৰ্তন আনিলে আৰু সমান্তৰালভাৱে দেশখনৰ ব্যৱসায়ত ইয়াৰ প্ৰভাৱ পৰিল।

২। **বিধিবোৰৰ পৰিবৰ্তন ঃ** চৰকাৰেবোৰে ইয়াৰ ৰাজনৈতিক আদৰ্শৰ ওপৰত ভিত্তি কৰি প্ৰায়ে বিধি আৰু বিধানবোৰৰ সালসলনি কৰে। ব্যৱসায়ত ইয়াৰ প্ৰভাৱ পৰে। উদাহৰণ স্বৰূপেঃ চৰকাৰী কাৰ্য্যলয়ত পৰম্পৰাগত পোছাক পৰিধান কৰাতো চৰকাৰৰ আদৰ্শ যি এই উদ্যোগ আৰু আনুসংগিক উচ্চ স্ৰোত আৰু নিম্ন স্ৰোতৰ ব্যৱসায়িকৰ উদগতিত প্ৰভাৱ পেলাব।

৩। **ৰাজনৈতিক স্থিৰতা ঃ** এখন দেশৰ ৰাজনৈতিক স্থিৰতীহীনতাই ব্যৱসায়িক কাৰ্যকলাপত প্ৰভাৱ পেলায়। যিবোৰ কোম্পানীয়ে আন্তঃৰাষ্ট্ৰীয়ভাৱে কাম-কাজ চলাই সেইবোৰৰ ক্ষেত্ৰত ই বিশেষভাৱে সত্য। এক স্থিৰ ৰাজনৈতিক ব্যৱস্থা ব্যৱসায়িক সুবেদী সিদ্ধান্ত গ্ৰহণত অধিক অনুকূল যি স্থানীয় ব্যৱসায় বোৰক উদগনি যোগায় আৰু বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰে।

৪। **চৰকাৰী কৰৰোপণ আৰু ব্যয় ঃ** কৰৰোপণ আৰু ৰাজহুৱা ব্যয়ৰ সিদ্ধান্তই ৰাজনৈতিক ব্যৱস্থাত প্ৰভাৱ পেলায়। উন্নয়নমূলক কামকাজত ব্যয় কৰাৰ বাবে চৰকাৰে কৰ সংগ্ৰহ কৰে। কোনো এখন চৰকাৰে তেওঁলোকৰ অগ্ৰাধিকাৰ ভিত্তিক ব্যয় আৰু কৰ আৰু মাচুলৰ জৰিয়তে ৰাজহ সংগ্ৰহ তেওঁলোকৰ ৰাজনৈতিক আদৰ্শৰ ওপৰত নিৰ্ভৰশীল।

প্ৰত্যেক ব্যৱসায়িক প্ৰতিষ্ঠানে তেওঁলোকৰ ৰাজনৈতিক পৰিবেশ অতি যত্নসহকাৰে পথলৈ অনা উচিত। কিয় ৰাজনৈতিক কাৰকৰ পৰিবৰ্তনে ব্যৱসায়ক

তেওঁলোকৰ ব্যৱসায়িক কৌশলৰ সৈতে বুজাবুজি কৰিবলগীয়া হয় তাৰ কেতবোৰ কাৰণ হ'ল ঃ

- ৰাজনৈতিক ব্যৱস্থাৰ স্থিৰতাই এক বিশেষ স্থানীয় বজাৰৰ আগ্রহত প্রভাৱ পেলাব পাৰে।
- চৰকাৰে ব্যৱসায়িক সংস্থাবোৰক সামাজিক সংস্কাৰৰ এক গুৰুত্বপূর্ণ বাহন হিচাপে গ্রহণ কৰে।
- চৰকাৰে হ'ল সামগ্রী আৰু সেৱাৰ বৃহৎ উপভোক্তা।
- চৰকাৰৰ বিভিন্ন বিধি আৰু বিধানবোৰ প্রতিষ্ঠান আৰু ইয়াৰ উপভোক্তা, যোগানকাৰী আৰু আন কোম্পানীবোৰৰ মাজৰ সম্পর্কত প্রভাৱ পেলায়।
- ৰাজহুৱা স্বার্থ সুৰক্ষাৰ বাবে চৰকাৰ দায়বদ্ধ।
- চৰকাৰৰ কার্যকলাপে অর্থনৈতিক পৰিবেশক উৎসাহ যোগোৱা

৩.৬.৪ আইনী পৰিবেশ

আমি ইতিমধ্যে শিক্ষা লাভ কৰিছো যে প্রচলিত ব্যৱসায় নীতি আৰু বিধানবোৰ এক নির্দিষ্ট পর্য্যায়লৈ দেশখনৰ প্রচলিত ৰাজনৈতিক পৰিবেশৰ বর্হিপ্রকাশ। প্রত্যেক ব্যৱসায়ে এই বিধানবোৰ পৰিকাঠায়ো আৰু দেশৰ আইনৰ ভিতৰত পৰিচালিত হ'বলগীয়া হয়। ব্যৱসায় পৰিচালনাৰ আইনী ক্ষেত্রত দেশবোৰৰ মাজত বৃহৎ পার্থক্য আছে। উদাহৰণ স্বৰূপে, দেশৰ অর্থনৈতিক উন্নয়নৰ ওপৰত নির্ভৰ কৰি কিছুমানে দেশৰ নির্দিষ্ট খণ্ড কিছুমান চৰকাৰৰ একচেতিয়া ক্ষমতাৰ অধীনত। সমান্তৰালভাৱে কিছুমান দেশত নির্দিষ্ট ব্যৱসায়িক অনুশীলনবোৰ আৰু কৌশলবোৰ সাধাৰণতে ব্যৱসায়িক প্রতিষ্ঠানবোৰৰ দ্বাৰা কৰা অনুশীলন সেই দেশবোৰৰ আইনৰ অধীনত অনুচিত হিচাপে বিবেচনা কৰা হ'ব পাৰে। সেয়ে সকলো ব্যৱসায় কৰি আছে সেই দেশখনৰ নিয়ামক পৰিবেশ সঠিকভাৱে বুজি উঠা আৰু সেই অনুসৰি ইয়াৰ ব্যৱসায়িক পৰিচালনা আৰু নীতি যুগুত কৰা।

আইনী ব্যৱস্থাৰ প্রকাৰ ঃ সমগ্র বিশ্বত আইনী ব্যৱস্থাবোৰক প্রধানকৈ তিনিটা শ্রেণীত বিভক্ত কৰিব পাৰি — উমৈহতীয়া আইন, দেৱানী আৰু তাত্বিক আইন।

উমৈহতীয়া আইন আইনী বিধি-বিধান অন্যান্য বিধি আৰু পূর্বৰ ৰায়ৰ যুক্তিৰ জৰিয়তে পৰম্পৰা পূর্বৰ অনুশীলন আৰু বিভিন্ন গোচৰত ন্যায়ালয়ে প্রবর্তন কৰা বিভিন্ন আইনী ব্যৱস্থাৰে ভিত্তিত গঢ় লোৱা। উদাহৰণ স্বৰূপে উমৈহতীয়া আইন ভাৰতবর্ষকে ধৰি ইংলণ্ড, আমেৰিকা যুক্তৰাষ্ট, কানাডা আৰু আন বিভিন্ন দেশৰ ইংৰাজী আইনৰ পৰা উদ্ভুত যি বোৰ এসময়ত ইংৰাজৰ দ্বাৰা প্রভাৱান্বিত।

দেৱানী আইন যাক বিধি আইন বুলিও কোৱা হয় সেয়া আইনৰ লিখিত বিধিৰ পৰিকাঠাযোৰ ভিত্তিত প্রৱর্তিত। দেৱানী আইনৰ অধীনত আইনী ব্যৱস্থাক তিনিটা

পৃথক বিধিত ভাগ কৰিব পাৰি — দেৱানী, বাণিজ্যিক আৰু ফৌজদাৰী।

তাত্বিক আইন ধর্মীয় নীতিৰ ভিত্তিত ৰচিত। উদাহৰণ স্বৰূপে ইছলামীয় আইন বা ছৰিয়া যাক অধিকাংশ ইছলামীয় দেশে অনুসৰণ কৰে। ব্যৱসায়িক দৃষ্টিকোণৰ পৰা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্রত তিনি প্রকাৰ ব্যৱস্থাৰ আইন আছে ঃ

- আন্তৰাষ্ট্ৰীয় আইন, বুজাবুজি, চুক্তি আভিৱর্তন আদি।
- বিদেশৰ আইনবোৰ
- ব্যৱসায় আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় সম্পর্কত গৃহ চহৰৰ আইনবোৰ

আইনী প্রয়োজনীয়তবোৰ পূৰণ নকৰিলে ব্যৱসায়ত বহু জটিলতা আহে। বিভিন্ন দেশত বাণিজ্য আৰু ব্যৱসায়, বিনিয়োগ, প্রতিযোগিতা, উদ্যোগ আৰু আন বহু দিশ চোৱাচিতা কৰাৰ বাবে বিভিন্ন বিধি আৰু নীতি নিয়মৰ ভিত্তিত বিভিন্ন বিধি বিধান প্রণয়ন কৰা হয়। ভাৰতবর্ষত ব্যৱসায় চলোৱাৰ বাবে কোম্পানী আইন ২০১৩ উদ্যোগ (উন্নয়ন আৰু নিয়ামক) আইন ১৯৫১, উদ্যোগিক বিবাদ আইন ১৯৪৭, কাৰখানা আইন ১৯৪৮ , বৈদেশিক বিনিময় পৰিচালনা আইন আৰু আমদানি ৰপ্তানি (নিয়ন্ত্রণ) আইন ১৯৪৭, ট্রেড ইউনিয়ন আইন ১৯২৬, কর্মীৰ ক্ষতিপূৰণ আইন ১৯২৩, উদ্যোগিক বিবাদ আইন ১৯৪৭ উপভোক্তা সুৰক্ষা আইন ১৯৮৬ প্রতিযোগিতা আইন ২০০২ আৰু সময়ে সময়ে প্রৱর্তন কৰা এনে ধৰণৰ আন আইনী ব্যৱস্থা আৰু সংশোধনৰ প্রৱর্তিত হৈ আছে।



৩.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলো

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- ব্যৱসায়িক পৰিবেশ আৰু ইয়াৰ গুৰুত্ব
- ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় স্তৰত ব্যৱসায়িক পৰিবেশ আৰু ইয়াৰ পার্থক্য
- গোলকীয় পর্য্যায়ত পৰিচালনা কৰা ব্যৱসায়িক প্রতিষ্ঠানৰ ক্ষেত্রত ব্যৱসায়িক পৰিবেশ।
- ব্যৱসায়িক পৰিবশেৰ বিভিন্ন গুৰুত্ব কাৰক বা উপাদান।



৩.৮ অধিক জানিবলৈ

1) Sarkar, S.S., Sharma, R.K., & Gupta. S.K. (2008). *Business Studies-II.* Kalyani Publishers.

৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ব্যৱসায়িক পৰিবেশ শব্দটো আভ্যন্তৰীণ আৰু বাহ্যিক সকলো ধৰণৰ অৱস্থাৰ সম্পূৰ্ণতা যাৰ ভিতৰত ব্যৱসায় পৰিচালিত হয়।

২ নং প্রশ্নৰ উত্তৰঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত গোলকীয় পৰিবেশৰ অর্থ হ'ল ব্যৱসায়ৰ সৈতে জড়িত গোলকীয় কাৰকবোৰ যথা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্পৰ্কীয় অভিনৰ্তন চুক্তিবোৰ আৰু প্ৰট'কল আদি।



৩.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ ৰাষ্ট্ৰীয় পর্য্যায়ত আৰু গোলকীয় পর্যায়ত ব্যৱসায়িক পৰিবেশৰ পার্থক্য আৰু ব্যৱসায়ত ইয়াৰ প্রয়োগ সম্পর্কত টোকা যুগুতোৱা।

প্রশ্ন ২ঃ ব্যৱসায়িক পৰিবেশ কি? ই ব্যৱসায়ৰ কিদৰে প্রভাৱ পেলায়।

প্রশ্ন ৩ঃ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক পৰিবেশৰ বিভিন্ন উপাদানৰ সংক্ষিপ্ত টোকা লিখা।

প্রশ্ন ৪ঃ অর্থনৈতিক পৰিবেশ আৰু ইয়াৰ বিভিন্ন গুৰুত্বপূৰ্ণ উপাদানৰ টোকা লিখা।

প্রশ্ন ৫ঃ সামাজিক সংস্কৃতি পৰিবেশ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত ইয়াৰ প্রয়োগ সম্পর্ক টোকা লিখা।

প্রশ্ন ৬ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত আইনী পৰিবেশ সমগ্র বিশ্বৰ ব্যৱসায়িক প্রতিষ্ঠানক প্রভাৱ পেলায়?

*** ***** ***

অধ্যায় ৪ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বসমূহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ আন্তঃৰাষ্ট্ৰীয় ব্যণিজ্যৰ তত্ত্ববোৰ

- ৪.৩.১ আন্তঃৰাষ্ট্ৰীয় ব্যণিজ্যৰ তত্ত্ববোৰ কি?
- ৪.৩.২ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তিনিটা মূল বিষয়।
- ৪.৩.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বসমূহৰ ক্ৰমবিকাশ

৪.৪ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ মাৰ্চেণ্টিলিষ্ট দৰ্শন

৪.৫ মাৰ্চেণ্টিলিষ্টৰ অৱসান আৰু মুক্ত বাণিজ্য তত্ত্বৰ উত্থান

৪.৬ চৰম সুবিধাৰ তত্ত্ব

- ৪.৬.১ পৰিচয়
- ৪.৬.২ চৰম সুবিধা কি?
- ৪.৬.৩ তত্ত্ব
- ৪.৬.৪ ধাৰণাসমূহ
- ৪.৬.৫ সমালোচনা

৪.৭ তুলনামূলক সুবিধাৰ তত্ত্ব

- ৪.৭.১ পৰিচয়
- ৪.৭.২ তত্ত্ব
- ৪.৭.৩ ধাৰণাসমূহ
- ৪.৭.৪ সমালোচনা

৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৯ অধিক জানিবলৈ

৪.১০ অগ্রগতিৰ খতিয়ান

৪.১১ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বসমূহৰ অর্থ জানিব পাৰিব
- বাণিজ্য তত্ত্বৰ ক্ৰমবিকাশৰ বিষয়ে জানিব পাৰিব
- বাণিজ্যবাদ আৰু ইয়াৰ সীমাবদ্ধতাসমূহ জানিব পাৰিব

- চৰম সুবিধা (Absolute Advantage) তত্ত্ব আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত ইয়াৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- ৰিকার্ডৰ আপেক্ষিক সুবিধা তত্ত্বৰ বিষয়ে জানিব পাৰিব

৪.২ পৰিচয়

সাধাৰণতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই দেশসমূহৰ মাজত দ্ৰব্য আৰু সেৱৰ বিনিময়কে বুজায়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যক বৈদেশিক বাণিজ্য বা বহিঃ বাণিজ্য বুলিও কোৱা হয় যিয়ে বিভিন্ন দেশৰ মাজত দ্ৰব্য আৰু সেৱাৰ ক্ৰয় বিক্ৰয়ক সাঙুৰি লয়। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, জাপান ইত্যাদি দেশৰ লগত ভাৰতবৰ্ষৰ বাণিজ্য।

প্ৰাচীন কালতেই মানুহৰ মাজত বেহা বেপাৰৰ ধাৰণাৰ সূত্ৰপাত হৈছিল। মানুহে বৰ্বৰ জীৱন ত্যাগ কৰি মানৰ সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগেই মানুহে প্ৰয়োজনীয় সম্পদৰ নাটনিৰ বিষয়ে জানিছিল। আৰু এটা পৰিয়ালৰ বা প্ৰয়োজনীয় দ্ৰব্য আৰু সেৱা অকলে গোটাব পৰা নাছিল। ফলস্বৰূপে কিবা এটা পোৱাৰ বাবে কিবা আনক দিব লগা হৈছিল। আনকি বিভিন্ন জনজাতিৰ মানুহে বিভিন্ন ধৰণৰ কাম কৰাৰ যোগ্যতা অৰ্জন কৰিছিল। যদি কোনো এটা পৰিয়ালে কিবা এটা দ্ৰব্য ভালদৰে প্ৰস্তুত কৰিব পাৰিছিল, অন্যবিলাকে আন কিবা বেলেগ দ্ৰব্য বা সেৱা যোগান ধৰিছিল। এইদৰে, দ্ৰব্য আৰু সেৱাৰ বিনিময়ৰে মানুহৰ সকলোৰে নিত্য নতুন প্ৰয়োজনীয় সামগ্ৰীৰ অভাব দূৰ হৈছিল। আৰু এনেদৰেই প্ৰথমতে বিনিময় প্ৰথা আৰু পিছতগৈ লাহে লাহে বাণিজ্য বৃদ্ধি আৰু প্ৰসাৰ হৈ এটা পৰিয়ালৰ পৰা আৰু দেশসমূহৰ মাজতো দ্ৰব্য আৰু সেৱাৰ আদান প্ৰদানৰ ধাৰণা ক্ৰমবিকাশ হৈছিল।

মানুহে বিনিময়ৰ পৰা লাভান্বিত হোৱাৰ আশাৰে বাণিজ্যৰ লগত জড়িত হয়। একেধৰণে দেশসমূহেও এখনে আনখনৰ পৰা লাভান্বিত হোৱাৰ ভাৱেৰে বাণিজ্যৰ লগত জড়িত হয়। যদিও এইবোৰ সহজ, আচলতে বিভিন্ন তত্ত্ব, নীতি নিয়ম ৰু ব্যৱসায়িক ৰণকৌশলসমূহেহে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সূত্ৰপাত ঘটায়।

এই অধ্যায়ত আমি আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কেইটামান গুৰুত্বপূৰ্ণ তত্ত্বৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম—

৪.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বসমূহ

৪.৩.১ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্ববোৰ কি ?

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ৱবোৰ সাধাৰণতে বিভিন্ন ব্যাখ্যা আৰু ধাৰণা যিবোৰে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। দুখন দেশৰ মাজত কিয় বেহা-বেপাৰ বা বাণিজ্য সংঘটিত হয় ? ই প্ৰকৃততে কেনেকৈ কাম কৰে ? আৰু ই কেনেকৈ কাম কৰা উচিত ? এইবোৰ হৈছে কিছুমান প্ৰশ্ন যিবোৰে সেই তত্ত্বসমূহে ব্যাখ্যা কৰিব

চেষ্টা কৰে। এই তত্ত্বোৰৰ প্ৰধান দিশ হৈছে কিয় দেশসমূহে একেলগে বেহা-বেপাৰৰ লগত জড়িত হয় তাক ব্যাখ্যা কৰা।

এইটো হ'ল অৰ্থনৈতিক তত্ত্বসমূহৰ উপশাখা যিয়ে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য অধ্যয়ন কৰে— ইয়াৰ মূল, প্ৰয়োজনীয়তা, বাণিজ্যৰ ধৰণ আৰু বাণিজ্যৰ (উৎপত্তি)ৰ লগত জড়িত গোটেই কল্যাণকামী দিশসমূহ যাতে ইয়াৰ দ্বাৰা প্ৰচলিত নিৰ্দেশনা বনাব পাৰি। প্ৰায় সকলোবোৰ তত্ত্বই তলত উল্লেখ কৰা তিনিটা দিশৰ লগত জড়িত হয়—

৪.৩.২ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তিনিটা মৌলিক দিশ

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই ৰাষ্ট্ৰসমূহৰ মাজত হোৱা বাণিজ্যক সাঙুৰি লয়। দেশসমূহৰ মাজত হোৱা সেই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত ভালেমান জটিল দিশ জড়িত হৈ থাকে। ঘৰুৱা অথবা দেশৰ ভৌগলিক চাৰিসীমাৰ ভিতৰত হোৱা বাণিজ্যতকৈ বৈদেশিক বাণিজ্যই বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। সি যি কি নহওক, দুখন দেশৰ মাজত দ্ৰব্যৰ আন্তঃৰাষ্ট্ৰীয় বিনিময়ৰ লগত তলত উল্লেখ কৰা তিনিটা মৌলিক দিশ জড়িত হৈ থাকে।

১) বাণিজ্যৰ দ্বাৰা লাভালাভ ঃ

প্ৰথম গুৰুত্বপূৰ্ণ বিষয়টো হ'ল সেই বিনিময়ৰ পৰা উদ্ভৱ হোৱা লাভ বা সুবিধা। বিনিময়ৰ পৰা দুয়োখন দেশ লাভান্বিত হয় নে এখন দেশ? যদি কেৱল এখন দেশ লাভান্বিত হয় তেনেহ'লে অন্য দেশখনে কিয় বাণিজ্যৰ লগত জড়িত হয়? যদি দুয়োখন দেশেই লাভান্বিত হয় তেন্তে সেই লাভ কৰ পৰা আৰু কেনেকৈ আহে?

২) বাণিজ্যৰ গাঁঠনি ঃ

দ্বিতীয় বিষয়টো হ'ল বাণিজ্যৰ গাঠনি বা আৰ্হি। প্ৰতিখন ব্যৱসায়িক দেশে কি দ্ৰব্য বা সেৱা আমদানি আৰু ৰপ্তানি কৰে? কোনবোৰ মৌলিক নীতিৰ আধাৰত সম্পদৰ আন্তঃৰাষ্ট্ৰীয় বিতৰণ আৰু দ্ৰব্য সেৱাৰ প্ৰবাহ পৰিচালিত হয়?

৩) বাণিজ্য ঃ

তৃতীয় দিশটো হ'ল বাণিজ্যৰ মানে কিমান দামত দুয়োখন দেশে দ্ৰব্যৰ আমদানি বা ৰপ্তানি কৰিব যাতে দুয়োখন দেশেই তাৰ পৰা লাভান্বিত হয়?

৪.৩.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বসমূহৰ ক্ৰমবিকাশ

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বসমূহ অৰ্থনৈতিক এক অন্যতম পুৰণি শাখা। পুৰণি কালৰ পৰাই নীতি বনাওতা, চিন্তাবিদ, বুদ্ধিজীৱি আৰু অৰ্থনীতিবিদসকলে দুখন দেশৰ মাজত বাণিজ্য নিৰ্দ্ধাৰণকাৰী কাৰক (প্ৰভাৱিত কৰা কাৰক) সমূহ বুজিবলৈ আৰু এখন দেশৰ বাবে উত্তম বাণিজ্য নীতিৰ ধৰণৰ বিষয়ে জানিবলৈ গৱেষণা কৰি

আহিছে। তেওঁলোকে এখন দেশৰ অর্থনীতিৰ বাবে বাণিজ্য উপযোগী নে ক্ষতিকাৰক বুজিব চেষ্টা কৰি আহিছে। আৰু বিভিন্ন চিন্তাবিদ, লিখক আৰু অর্থনীতিবিদসকলে বহুতো তেনে তত্ত্ব আগবঢ়াই গৈছে। আৰু এই সকলো তত্ত্বই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ গতিবিদ্যা সম্পর্কে ব্যাখ্যা আগবঢ়াই প্রণালীবদ্ধ প্রাৰম্ভিকতে, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ওপৰত চিন্তা ১৬ আৰু ১৭ শতিকাৰ মাজত ইউৰোপত আৰম্ভ হৈছিল যাক মাৰচেণ্টিলিজম (Merchantilisc) বুলি কোৱা হৈছিল। সি যি কি নহওক, মাৰচেণ্টিলিজিম এটা তত্ত্বৰ পৰিৱর্তে অর্থনৈতিক দর্শন আছিল। মার্চেণ্টিলিষ্ট নীতিসমূহ জাতীয়তাবাদী দৃষ্টিভংগীৰ আছিল আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যকে ধৰি অর্থনৈতিক কার্যকলাপসমূহৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। কিন্তু মাৰচেণ্টিলিষ্ট ধাৰণাটো ডেভিদ হুম, আদাম স্মিথ আৰু ডেভিদ ৰিকার্ডোৰ দৰে অর্থনীতিবিদসকলে ১৮ শতিকাত কঠোৰ ভাৱে সমালোচনা কৰিছিল। হুম আৰু স্মিথৰ কামবোৰ আছিল প্রথম শ্রেণীৰ (সর্বোত্তম) মাৰচেণ্টিলিষ্ট তত্ত্বৰ (Classical Trade Theory)ৰ আৰম্ভণি। আৰু ইয়ে মাৰচেণ্টিলিজিমৰ বিপৰীতে মুক্ত বাণিজ্যৰ প্রচলনৰ পৃষ্ঠপোষকতা কৰি আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰ ইতিহাসত দৃষ্টান্তমূলক পৰিৱর্তন আনিছিল। ইয়াক ৰিকার্ড আৰু জে ষ্টুৱার্ট মিলৰ সর্বোত্তম কাম-কাজ পুনৰ শক্তিশালী কৰিছিল। প্রথম শ্রেণীৰ বা ক্লচিকেল বাণিজ্যতত্ত্বই বাণিজ্য ব্যাখ্যা কৰিবলৈ দেশবোৰৰ মাজত আৰু উদ্যোগবোৰৰ শ্রমৰ উৎপাদনশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেতিয়া ক্লাচিকেল তত্ত্বৰ বিপৰীতে অর্থনীতিবিদ মার্চেল আৰু এজওর্থৰ নিঅ'ক্লাচিকেল বাণিজ্য তত্ত্ব আহিছিল যিয়ে বাণিজ্য আর্হিসমূহৰ সাদাৰণ গাঠনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। নিঅ' ক্লাচিকেল তত্ত্বসমূহৰ ভিতৰত, হেক্সচেৰ অ'হলিন আর্হি যিটো ২০ শতিকাৰ মাজভাগত আগবঢ়াইছিল, আধুনিক তত্ত্ব বুলি কোৱা হৈছিল। এই তত্ত্বটো সেই সময়ত অত্যাধিক জনপ্রিয় আছিল আৰু ই বিতৰণ আৰু বাণিজ্যৰ গঠন নির্দ্ধাৰণ কৰাত দেশসমূহৰ মাজত প্রভাৱ পেলোৱা কাৰকসমূহৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই তত্ত্বটোৱে এটা শতিকাৰ আধাতকৈ অধিক অংশ জুৰি চর্চাত আছিল। এইটো মনকৰিবলগীয়া যে, ২০ শতিকাৰ ১ম ভাগলৈকে চর্চাত থকা বাণিজ্য তত্ত্বসমূহ যেনে ক্লাচিকেল আৰু নিঅ'ক্লাচিকেল তত্ত্বসমূহ কিছুমান অবাস্তৱ ধাৰণাৰ যেনে— সঠিক প্রতিযোগিতা, স্থিৰ আয় ইত্যাদিৰ ওপৰত নির্ভৰশীল আছিল। বহুতো গৱেষক আৰু অর্থনীতিবিদে সেই সময়ত সেয়ে নিৰীক্ষণ কুৰ বুজিছিল যে সেই তত্ত্বসমূহ আধুনিক গোলকীয় অর্থনীতিত পৃথিৱীৰ বাণিজ্যৰ গঠন বা আকাৰ বর্ণনা কৰাৰ বাবে দীর্ঘসময়ৰ উপযোগী নহয়। আৰু এই কথা ভাবিয়েই অর্থনীতিবিদসকলে 'হেক্সেছেৰ-অ'হলিন আর্হি'ৰ বহুতো ধাৰণা অৱসান ঘটাই নতুন তত্ত্ব আগবঢ়াইছিল আৰু ইয়ে নতুন বাণিজ্য তত্ত্বৰ আৰম্ভণি। আৰু এই নতুন তত্ত্ববোৰ যিবোৰ ১৯৭০ চনৰ পিছত আগবঢ়োৱা হৈছিল। সকলোকে অসঠিক প্রতিযোগিতা আর্হি বুলি জনা যায় কাৰণ এই তত্ত্ববোৰে সঠিক প্রতিযোগিতাৰ

দৰে পৰম্পৰাগত অবাস্তৱ ধাৰণা অগ্ৰাহ্য কৰিছিল।

এইদৰে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰোৰক তলত দিয়া ধৰণে চাৰিটা ভাগত ভাগ কৰিব পাৰি। —

১) মাৰ্চেণ্টিলিজিম আৰু প্ৰ'টেকচনিজিম (Merchantilism and Protectionism)

২) ক্লাচিকেল বাণিজ্য তত্ত্ব (Classical Trade Theories)


৩) নিঅ'-ক্লাচিকেল তত্ত্ব (Neo-Classical Theories)

৪) নতুন বাণিজ্য তত্ত্ব (New Trade Theories)

এই অধ্যায়ত আমি মাৰ্চেণ্টিলিজিম আৰু দুটা অতি গুৰুত্বপূৰ্ণ ক্লাচিকেল তত্ত্বৰ বিষয়ে আলোচনা কৰিম। সেই দুটা হ'ল—

১) আদাম স্মিথৰ চৰম সুবিধা তত্ত্ব (Adam Smith's Absolute Advantage Theory)

৩) ৰিকার্ড'ৰ তুলনামূলক সুবিধা তত্ত্ব (Ricardo's Comparative Advantage Theory)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰোৰ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সেই তিনিটা মৌলিক দিশ কি কি যিবোৰ বাণিজ্য তত্ত্বই চিনাকী কৰাব চেষ্টা কৰে?

.....

.....

৪.৪ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ মাৰ্চেণ্টিলিষ্ট দৰ্শন

মাৰচেণ্টিলিচ তত্ত্বৰ সময়ত ইউৰোপত ১৬ৰ পৰা ১৮ শতিকাৰ ভিতৰৰ সময়ছোৱাত বাণিজ্যৰ ওপৰত প্ৰণালীবদ্ধ অধ্যয়নৰ আৰম্ভণি হৈছিল। সেই সময়ছোৱাত আগবঢ়োৱা প্ৰাৰম্ভিক ক্লাচিকেল তত্ত্বৰোৰৰ ভিতৰত অন্যতম আছিল মাৰ্চেণ্টিলিজম তত্ত্ব। সি যি কি নহওক এই তত্ত্বটো পূৰ্ণাংগ বাণিজ্য তত্ত্ব নাছিল যদিও চৰকাৰী সঞ্চিত সম্পদৰ অৰ্থনীতিক নীতিতকৈ উত্তম বিবেচিত আছিল। ই অপৰিশোধিত যুক্তি হিচাপেহে আবিৰ্ভাৰ হৈছিল যিয়ে দেশ এখনে কেনেকৈ বেহা-বেপাৰ অৰ্থাৎ বাণিজ্য পৰিচালন কৰিব লাগে তাৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছিল।

মাৰ্চেণ্টিলিষ্টৰ মত অনুসৰি, দেশ এখনৰ সম্পদ আৰু সমৃদ্ধি দেশখনত থকা মূল্যবান ধাতু যেনে— সোণ, ৰূপ ইত্যাদিয়ে প্ৰতিফলিত কৰে। যিখন দেশৰ অত্যাধিক সোণ-ৰূপ আছে

সেইখন দেশেই ধনী আৰু শক্তিশালী বুলি বিবেচনা কৰা হৈছিল। সেই সময়ত এই ধাতুবোৰক দুখন দেশৰ মাজত হোৱা বাণিজ্যৰ মুদ্রা আইছল আৰু এইদৰে প্রতিখন দেশে ৰপ্তানিৰ ক্ষেত্রত সেই সোণ ৰূপ লাভ কৰিছিল আৰু আমদানিৰ ক্ষেত্রত সোণ ৰূপ পৰিশোধ কৰিব লগা হৈছিল। দেশ এখনে অত্যধিক ৰপ্তানি আৰু কম সংখ্যক আমদানিৰ দ্বাৰা সোণ-ৰূপ সঞ্চিত কৰিব পাৰিছিল।

গতিকে মাৰ্চেণ্টিলিজমৰ মতানুসৰি দেশ এখনত অত্যধিক ৰপ্তানি উৎসাহিতকৰণ আৰু আমদানি হ্রাসকৰণেৰে দেশখনৰ আত্ম স্বার্থ ৰক্ষা কৰাৰ উপা বুলি কোৱ হৈছিল। যাৰ ফলত বাণিজ্যৰ ৰাহি অংশই দেশ এখনৰ কোষাগাৰলৈ মূল্যবান ধাতুৰ অন্তঃপ্রবাহ আৰু দেশখনৰ সম্পত্তিৰ পৰিমাণ বৃদ্ধি কৰাইছিল। এইটো অনুশীলন কৰাৰ এটা উপায় আছিল আমদানিৰ ওপৰত সম্পূর্ণ নিষেধাজ্ঞা জাৰি কৰা। এই কৌশলটোক সংৰক্ষণাত্মক (Protectionism) বুলি জনা যায়। সি যি কি নহওক, শেষলৈ গৱেষক, চিন্তাবিদসকলৰ মাজত কিমান পর্যায়লৈ মাৰ্চেণ্টিলিজিমৰ সমর্থনকাৰীসকলে দেশখনৰ সম্পদ বৃদ্ধিৰ লগতে মূল্যবান ধাতুৰ সঞ্চিতকৰণ সম্ভৱপৰ কৰি তুলিব সেই সম্পর্কত মতবিৰোধ হৈছিল।

মাৰ্চেণ্টিলিজমৰ মতে, যদি উৎপাদিত দ্রব্যৰ ৰপ্তানিক উপযুক্ত বুলি ধৰা হয়, তেতিয়া বৈদেশিক উৎপাদনকাৰীসকলে ব্যৱহাৰ কৰিব লগা কেঁচামালসমূহৰ ৰপ্তানিক ক্ষতিকাৰক বুলি বিবেচনা কৰা হয়। একেধৰণে, কেচামালৰ আমদানিক সন্তোষজনক বুলি বিবেচনা কৰাৰ বিপৰীতে উৎপাদিত দ্রব্যৰ আমদানিক বিপদজনক বুলি বিবেচনা কৰা হয়। এইটো এটা কাৰণতেই যে কেচামাল ৰপ্তানি তথা সম্পূর্ণৰূপে ব্যৱহাৰোপযোগ্য সামগ্রী আমদানি কৰাৰ তুলনাত কেচামালৰ পৰা ব্যৱহাৰোপযোগ্য সামগ্রী প্রস্তুত কৰোতে নিয়োগ বৃদ্ধিৰ উপৰিও দেশখনৰ উদ্যোগীকৰণ ক্ষীপ্রতৰ হয় আৰু যিয়ে দেশখনৰ অর্থনৈতিক উন্নয়ন সম্ভৱপৰ কৰি তোলে।

৪.৫ মাৰ্চেণ্টিলিষ্টৰ অৱসান আৰু মুক্ত বাণিজ্য তত্ত্বৰ উত্থান

মাৰ্চেণ্টিলিষ্ট তত্ত্বৰ বহুতো প্রকৃতিজাত অসুবিধা আছিল। প্রথমতে মাৰ্চেণ্টিলিষ্টে সোণ আৰু ৰূপৰ ওপৰত অত্যাধিক গুৰুত্ব দিছিল যিটো নেকি দেশ এখনৰ বাবে সঠিক সম্পত্তি বুলি কেতিয়াও বিবেচনা কৰিব নোৱাৰি। এখন দেশত ভালেমান প্রাকৃতিক সম্পদ আৰু মানৱ সম্পদ থাকে, উদ্যোগ আৰু বাণিজ্য থাকে আৰু যিবোৰ নেকি প্রকৃত সম্পত্তি বুলি বিবেচনা কৰা হয় কাৰণ এইবোৰৰ দেশ এখনৰ কল্যাণ আৰু বহনক্ষম অর্থনৈতিক উন্নয়ন সম্ভৱপৰ কৰি তোলাৰ সামর্থ্য আছে। ইউৰোপীয়ান মাৰ্চেণ্টিলিজমে সোণ আৰু ৰূপৰ পিছত দৌৰিছিল যাৰ বাবে সাধাৰণ মানুহক সঠিকভাৱে সেৱা কৰিবলৈ অসমর্থ হৈছিল।

দ্বিতীয়তে, প্রতিখন দেশৰ বাবে ৰপ্তানি ৰাহি হোৱাটো বা কৰাটো একে সময়তে সম্ভৱ নহয়। যিহেতু এখন দেশৰ, ৰপ্তানি আন এখনৰ বাবে আমাদনি হয়। ইয়াৰ উপৰিও যিকোনো এক নির্দিষ্ট সময়ত, সোণ আৰু ৰূপৰ পৰিমাণ সীমিত হয়। ইয়াৰ উপৰিও মাৰ্চেণ্টিলিজমৰ মতে এখন দেশে অন্য দেশৰ খৰচৰ পৰিবর্তনেহে লাভ অর্জন কৰিব পাৰে। যাৰ ফলত ইউৰোপীয়ান

দেশবোৰত কাজিয়াৰ সূত্রপাত হৈছিল। প্রতিখন দেশেই অন্য দেশৰ খৰচৰ পৰিৱর্তে অধিক ধনী ঐশ্বর্যশালী আৰু ক্ষমতাশালী হ'ব বিচাৰিছিল।


তৃতীয়তে, মার্চেণ্টিলিষ্টে বাণিজ্যিক শূণ্য যোগ খেল বুলি গন্য কৰিছিল। দুখন দেশৰ বাবে একে সময়তে দুয়োখন দেশৰ মাজত হোৱা বাণিজ্যৰ দ্বাৰা লাভান্বিত হোৱাটো সম্ভৱ নাছিল। এখন দেশ লাভান্বিত হ'বলৈ আন এখনৰ ক্ষতি হ'বলগা হৈছিল বহনক্ষম বাণিজ্য সম্পর্কৰ বাবে উপযুক্ত নাছিল। এই মতটোৰ বিভিন্ন অর্থনীতিবিদ যেনে আদাম স্মিথ, ডেভিদ ৰিকার্ড' আদিয়ে কঠোৰভাৱে সমালোচনা কৰিছিল আৰু তেখেতসকলে কৈছিল— 'বাণিজ্য হ'ল সম্পূর্ণৰূপে এক ধনাত্মক যোগ খেল (Positive sum Game) য'ত প্রতিখন দেশেই লাভান্বিত হয় আনকি এখনে আনখনতকৈ অধিক লাভান্বিত হ'বও পাৰে।'

ওপৰত উল্লেখ কৰা কাৰণসমূহৰ পৰিপ্রেক্ষিততে মার্চেণ্টিলিষ্ট মতাদর্শই ১৮ শতিকাৰ পিছৰপিনে সম্পূর্ণৰূপে দুর্বল হৈ পৰে আৰু দেশসমূহৰ মাজত মুক্ত বাণিজ্যৰ পোষকতা কৰি নতুন উদাৰ মতাদর্শৰ সূত্রপাত ঘটে। এই তত্ত্বই মার্চেণ্টিলিষ্ট মতাদর্শৰ অনুসৰণ কৰি একে সময়তে সকলো দেশ ধনী আৰু শক্তিশালী হোৱাটো অসম্ভৱ বুলি মত পোষণ কৰে। অৱস্থান বা পৰিস্থিতি অনুসাৰে উপযোগী হোৱা কৰা বাণিজ্যৰ দ্বাৰা এখন দেশ আৰু গোটেই পৃথিৱী দুয়োৰে আন্তঃস্বার্থ ৰক্ষা কৰিব পৰা যায়।

মার্চেণ্টিলিজমক প্রত্যাহ্বান জনোৱা ক্লাচিকেল তত্ত্বৰ ভিতৰত গুৰুত্বপূর্ণ তত্ত্ব দুটা হ'ল—

১) আদাম স্মিথৰ চৰম সুবিধা তত্ত্ব।

২) ডেভিদ ৰিকার্ড'ৰ তুলনামূলক সুবিধাৰ তত্ত্ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মার্চেণ্টিলিষ্ট কি?

.....

.....

প্রশ্ন নং ৪ ঃ মুক্ত বাণিজ্য তত্ত্বই কিয় মার্চেণ্টিলিজমৰ বিৰোধিত কৰে?

.....

.....

প্রশ্ন নং ৫ ঃ বর্তমানৰ গোলকীয় অর্থনীতিত মার্চেণ্টিলিজমৰ কিবা প্রাসংগীকতা আছেনে?

.....

.....

৪.৬ চৰম সুবিধাৰ তত্ত্ব

৪.৬.১ পৰিচয়

আধুনিক অৰ্থনীতিৰ পিতৃ আদম স্মিথে তেওঁৰ 'দেশৰ সম্পদ' (Wealth of Nation) (১৭৭৬) নামৰ গ্ৰন্থখনত চৰম সুবিধাৰ ধাৰণা উন্নীত কৰি মাৰ্চেণ্টিলিষ্টক প্ৰতিৰোধ কৰিছিল। তেওঁ মাৰ্চেণ্টিলিষ্টৰ বিপৰীতে কত এখন দেশে আন এখন দেশৰ খৰচৰ বিপৰীতে সমৃদ্ধিশালী হেৰাৰ চেষ্টা কৰে তাৰ বিষয়ে একে সময়তে লাভান্বিত হ'ব পাৰে যদি দেশসমূহে তেওঁলোকৰ চৰম সুবিধা অনুসৰি বিশেষীকৰণ কৰে আৰু মুক্ত বাণিজ্য অনুশীলন কৰে।

৪.৬.২ চৰম সুবিধা কি ?

অৰ্থনীতিত চৰম সুবিধাই প্ৰতিষ্ঠান এটাই (এজন ব্যক্তি, এটা পৰিয়াল, এখন ফাৰ্ম, এটা উদ্যোগ নাইবা এখন দেশ) এক ইউনিট কেচা মাল ব্যৱহাৰ কৰি একে দ্ৰব্য বা সামগ্ৰী উৎপাদন কৰা আন এটা প্ৰতিষ্ঠানৰ তুলনাত বেছি দ্ৰব্য বা সামগ্ৰী উৎপাদন কৰিব পৰা সক্ষমতা বা দক্ষতাক বুজায়। চৰম সুবিধাই এজন উৎপাদনকাৰীয়ে আন উৎপাদনকাৰীসকলৰ তুলনাত একে খৰচত, বেছি দ্ৰব্য উৎপাদনকাৰীৰ সৈতে একে পৰিমাণৰ দ্ৰব্য তাতকৈ কম খৰছত উৎপাদন কৰিব পৰা সক্ষমতাক বুজায়।

৪.৬.৩ তত্ত্ব

চৰম সুবিধাৰ তত্ত্বটো এটা উদাহৰণৰদ্বাৰা সহজে বুজিব পাৰি। এটা প্ৰকল্পিত ঘটনা লোৱা য'ত দুখন দেশ আছে ধৰা হ'ল ভাৰত আৰু আমেৰিকা। X আৰু Y দুটা দ্ৰব্য আছে আৰু ধৰা হ'ল এই দুটা দ্ৰব্য তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা একমাত্ৰ ইনপুট হ'ল শ্ৰমিক। শ্ৰমিক অনুসৰি দুয়োখন দেশত দ্ৰব্য দুটা বনাওঁতে হোৱা প্ৰতি ইউনিটৰ খৰচ তলত উল্লেখ কৰা হ'ল—

টেবুল ১ ঃ খৰচত চৰম পাৰ্থক্য

	এক ইউনিটৰ উৎপাদন খৰচ (শ্ৰমৰ হিচাপত)	
	X	Y
ভাৰতবৰ্ষ	১০	৪
আমেৰিকা	৫	৯

উদাহৰণটোত আমি দেখিলো যে X ৰ এক ইউনিট উৎপাদন কৰিবলৈ ভাৰতক লাগে শ্ৰম ১০ ইউনিট য'ত আমেৰিকাক লাগে ৫ ইউনিট। দ্ৰব্যৰ Y ৰ ক্ষেত্ৰত, মাত্ৰ ৪ ইউনিট শ্ৰমে ভাৰতবৰ্ষত ১ ইউনিট দ্ৰব্য উৎপাদন কৰিব পাৰে। কিন্তু একে ১ ইউনিট দ্ৰব্য Y উৎপাদন কৰিবলৈ আমেৰিকাক লাগে ৯ ইউনিট শ্ৰম। দ্ৰব্য X উৎপাদনৰ ক্ষেত্ৰত

আমেৰিকা ভাৰততকৈ বেছি দক্ষ। একেধৰণে দ্ৰব্য Y উৎপাদনৰ ক্ষেত্ৰত ভাৰত আমেৰিকাতকৈ বেছি দক্ষ কিয়নো দ্ৰব্য Y উৎপাদন কৰিবলৈ ভাৰতক আমেৰিকাৰ তুলনাত কম শ্ৰমৰ প্ৰয়োজন এইদৰে, এইটো ক'ব পাৰি যে ভাৰতে দ্ৰব্য Yৰ ক্ষেত্ৰত চৰম সুবিধা ভোগ কৰে আৰু আমেৰিকাই দ্ৰব্য X ৰ ক্ষেত্ৰত চৰম সুবিধা ভোগ কৰে।

এই ক্ষেত্ৰত চৰম সুবিধাৰ তত্ত্বই কৈছে যে, প্ৰত্যেকে যদি দ্ৰব্য উৎপাদন কৰে দুয়ো দেশেই লাভান্বিত হয় আৰু চৰম সুবিধা ভোগ কৰে। ভাৰতে ৪ ইউনিট শ্ৰম ব্যৱহাৰৰ দ্বাৰা ১ ইউনিট Xৰ বিনিময়ত আমেৰিকালৈ ১ ইউনিট Y ৰপ্তানি কৰি লাভান্বিত হ'ব পাৰে। এইদৰে ভাৰতে এক পৰিমাণৰ শ্ৰম (বা এক ইউনিট X পাবলৈ ১০ ইউনিট শ্ৰমৰ ব্যৱহাৰ)ৰ ব্যৱহাৰৰ দ্বাৰা 0.4 ইউনিট X উৎপাদনৰ পৰিৱৰ্তে ৪ ইউনিট শ্ৰম ব্যৱহাৰ কৰি পৰোক্ষভাৱে এক ইউনিট X লাভ কৰিব পাৰে একে ধৰণে, আমেৰিকায়ো দ্ৰব্য Y আমদানিৰ বিনিময়ত 5 ইউনিট শ্ৰম ব্যৱহাৰৰ দ্বাৰা X উৎপাদন কৰি তাকভাৰতলৈ ৰপ্তানি কৰি লাভান্বিত হ'ব। নহ'লে Y উৎপাদন কৰিবলৈ আমেৰিকাৰ ৯ ইউনিট শ্ৰমৰ প্ৰয়োজন হ'লহেঁতেন।

চৰম সুবিধাৰ তত্ত্বই সেইবোৰ দ্ৰব্য উৎপাদনত বিশেষীকৰণৰ পোষকতা কৰে, যিবোৰ এখন দেশে আন দেশবোৰৰ তুলনাত কম খৰচত উৎপাদন কৰিব পাৰে। একে ধৰণে, অন্য দেশবোৰেও অন্য দ্ৰব্য বা সামগ্ৰীত বিশেষীকৰণ কৰিব। এইদৰে সকলো দেশে মুক্ত বাণিজ্যৰ পৰা পাৰস্পৰিকভাৱে লাভান্বিত হয়।

৪.৬.৪ ধাৰণাসমূহ

চৰম সুবিধাৰ তত্ত্ব তলত উল্লেখ কৰা ধাৰণাবোৰ আধাৰত প্ৰতিষ্ঠিত—

১। শ্ৰমেই উৎপাদনৰ একমাত্ৰ কাৰক। উৎপাদন ব্যয় কেৱল শ্ৰমেৰে গঠিত। (উৎপাদন ব্যয়ৰ মূল উৎপাদন শ্ৰম)

২। দেশ এখনৰ ভিতৰত শ্ৰম গতিশীল, কিন্তু দেশৰ বাহিৰলৈ ই গতিশীল নহয়।

৩। দেশবোৰৰ মাজত মুক্ত বাণিজ্য থাকে আৰু দ্ৰব্যৰ বিনিময়ৰ বাবে কোনো বাধা নিষেধ নাথাকে।

৪। তত্ত্বটোৱে কেৱল দুখন দেশ দুটা দ্ৰব্য আৰ্হি বিবেচনা কৰে।

৪.৬.৫ সমালোচনা


তত্ত্বটো গুৰুত্বপূৰ্ণ সমালোচনাসমূহ হ'ল —

১। চৰম সুবিধা তত্ত্বই ধৰি লয় যে দেশসমূহৰ মাজত কেৱল দুটা দ্ৰব্যৰহে বাণিজ্য হ'ব। এই ধাৰণাটো অসম্পূৰ্ণ কিয়নো (ক্ৰয় বিক্ৰয়) দিপাক্ষিক বাণিজ্যই কেৱল দুটা দ্ৰব্যকে অন্তৰ্ভুক্ত নকৰে কিন্তু ই সাধাৰণতে বহুতো দ্ৰব্যৰ বিনিময়ক অন্তৰ্ভুক্ত কৰে।

২। মুক্ত বাণিজ্যৰ ধাৰণাটো প্ৰকৃত আন্তৰ্জাতিক বাণিজ্যত প্ৰয়োগ নহয়। দেশসমূহে প্ৰায়ে পাৰিৱেশিক বা ৰাজহুৱা নীতিৰে অংশ হিচাপে তেওঁলোকৰ অৰ্থনীতিক ৰক্ষা কৰিবলৈ বিভিন্ন ধৰণৰ সংৰক্ষণমূলক ব্যৱস্থা হাতত লয়।

৩। উৎপাদনৰ কাৰক দেশৰ সীমাৰ বাহিৰলৈ অচলতাৰ ধাৰণাটোও বৈধ ধাৰণা নহয়। প্ৰকৃত আন্তৰ্জাতিক বাণিজ্যত শ্ৰম আৰু অন্যান্য উৎপাদনৰ কাৰকসমূহ দেশৰ সীমাৰ বাহিৰলৈ গতিশীল হোৱা দেখা যায়।

৪। তত্ত্বটোৰ এটা ধাৰণা হৈছে— এটা বিশেষ দ্ৰব্যৰ উৎপাদনত প্ৰতিখন দেশে ব্যয়ৰ চৰম সুবিধা ভোগ কৰে। বাস্তৱ পৰিস্থিতিত এই ধাৰণাটো শুদ্ধ নহয়। এখন দেশে অন্য দেশৰ তুলনাত চৰম সুবিধা নাপাবলগীয়া যিকোনো উৎপাদনৰ শাৰী থাকিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চৰম সুবিধা মানে কি বুজা?

.....

.....

প্ৰশ্ন নং ৭ ঃ চৰম সুবিধা তত্ত্বৰ তিনিটা ধাৰণা লিখক।

.....

.....

৪.৭ তুলামূলক সুবিধাৰ তত্ত্ব

৪.৭.১ পৰিচয়

দেশসমূহৰ মাজত মুক্ত বাণিজ্যৰ সপক্ষে যুক্তি প্ৰতিপন্ন কৰিবলৈ আৰু স্মিথৰ তত্ত্বৰ সমালোচনা প্ৰতিহত কৰিবলৈ ডেভিড ৰিকার্ডই তেওঁৰ গ্ৰন্থ 'প্ৰিন্সিপোল অৱ পলিটিকেল ইক'নমি এণ্ড টেক্সেছন' (১৮১৭)ত তুলনামূলক সুবিধাৰ নীতি আগবঢ়াইছিল যাক তুলনামূলক ব্যয়ৰ নীতি বুলিও জনা যায়।

স্মিথৰ তত্ত্বত দুখন দেশৰ মাজত হোৱা বাণিজ্যত দুয়োখনে কোনো এটা দ্ৰব্য উৎপাদনত চৰম সুবিধা পোৱাৰ কথা উল্লেখ আছে। কিন্তু এইটো সম্ভৱ যে, এখন দেশে অন্য দেশৰ তুলনাত যিকোনো দ্ৰব্য উৎপাদন কৰোতে চৰম সুবিধা নাপাব পাৰে। সেই পৰিস্থিতিত কি হ'ব? অন্য দেশবোৰে সেইদেশৰ লগত বাণিজ্য কৰিব ইচ্ছা কৰিবনে? যদি বাণিজ্য হয় দুয়োখন দেশেই ইয়াৰ পৰা লাভান্বিত হ'বনে? একেধৰণে, যদি এখন দেশৰ সকলো দ্ৰব্যতে চৰম সুবিধা থাকে, তেতিয়া দিপাৰ্শ্বিক বিনিময়ত প্ৰৱেশ কৰাটো দেশখনৰ বাবে লাভজনক হ'বনে? ৰিকার্ডই এই প্ৰশ্নবোৰৰ উত্তৰ দিব চেষ্টা কৰিছিল।

তুলনামূলক ব্যয়ৰ ধাৰণা আগবঢ়াই তেওঁ দেখুৱাইছে যে এখন দেশৰ কিবা উৎপাদন কৰি বা নকৰি বেলেগ দেশৰ বিপৰীতে সুবিধা পালেও বৈদেশিক বাণিজ্যৰ পৰা লাভান্বিত হ'বই।

৪.৭.২ তত্ত্ব

ইয়াত আমি ৰিকার্ডৰ তেওঁৰ কামত ব্যৱহাৰ কৰা উদাহৰণটোৰ সহায়ত বুজিব চেষ্টা কৰিম। ইয়াত ৰিকার্ডৰ দুখন দেশৰ দুটা ঘটনা ব্যৱহাৰ কৰিছিল— এখন আইছল ইংলেণ্ড আৰু আনখন পৰ্টুগাল য'ত দুয়োখন দেশে দুটা দ্ৰব্য উৎপাদন কৰিছিল সেই দুটা হ'ল— মদ আৰু কাপোৰ। দুয়োটা দ্ৰব্যৰ উৎপাদনত শ্ৰম খৰচ বা ব্যয় তলত দেখুওৱা হ'ল—

টেবুল-২ খৰচৰ তুলনামূলক পাৰ্থক্য

	উৎপাদনত শ্ৰমৰ ব্যয় (এক ইউনিট দ্ৰব্যৰ শ্ৰমিক ঘণ্টাত)	
	কাপোৰ	মদ
ইংলেণ্ড	১০০	১২০
পৰ্টুগাল	৯০	৮০

ইয়াত পৰ্টুগালত এক ইউনিট কাপোৰৰ ব্যয় ৯০ শ্ৰমিক ঘণ্টা আৰু একইউনিট মদৰ ব্যয় ৮০ শ্ৰমিক ঘণ্টা, আনহাতে ইংলেণ্ডত এক ইউনিট কাপোৰৰ শ্ৰম ব্যয় ১০০ শ্ৰমিক ঘণ্টা আৰু এক ইউনিট মদৰ শ্ৰম ব্যয় ১২০ শ্ৰমিক ঘণ্টা। এইটো স্পষ্ট যে, দুয়োটা দ্ৰব্যৰ উৎপাদনত পৰ্টুগালৰ ইংলেণ্ডৰ তুলনাত চৰম সুবিধা আছে। এই ক্ষেত্ৰত চৰম সুবিধাৰ নীতি প্ৰযোজ্য নহয়। এই পৰিস্থিতিত প্ৰশ্নৰ উদয় হয়— তাত দুয়োখন দেশৰ মাজত পাৰস্পৰিকভাৱে লাভজনক বাণিজ্য হ'ব পাৰেনে? ৰিকার্ডৰ মতে হয় হ'ব পাৰে, যদি আমি দুয়োখন দেশৰ দুয়োটা দ্ৰব্যৰ উৎপাদন তুলনামূলক ব্যয়ৰ লাভ বিবেচনা কৰো।

উদাহৰণটোত, ইংলেণ্ড আৰু পৰ্টুগালৰ মাজত কাপোৰৰ তুলনামূলক ব্যয় পাৰ্থক্যৰ অনুপাত হ'ল ১০০ ঃ ৯০ বা ১০ ঃ ৯ আৰু মদৰ বাবে ১২০ ঃ ৮০ বা ৩ ঃ ২ ইয়াত দুয়োটা দ্ৰব্য উৎপাদনত ইংলেণ্ডৰ অসুবিধা আছে কিন্তু যদি আমি অনুপাতৰ পৰা নিৰীক্ষণ কৰো, তেতিয়া কাপোৰৰ উৎপাদনত অসুবিধা তুলনামূলকভাৱে কম। অন্যহাতে, পৰ্টুগালে দুয়োটা দ্ৰব্য উৎপাদনত চৰম সুবিধা ভোগ কৰে মদৰ তুলনাত কাপোৰৰ সুবিধা কম। এইদৰে এনেকুৱা পৰিস্থিতি, ইংলেণ্ড আৰু পৰ্টুগাল দুয়ো লাভান্বিত হ'ব যদি কাপোৰ উৎপাদনত বিশেষীকৰণ কৰে আৰু পৰ্টুগালৰ পৰা মদ আমদানি কৰে আৰু থিক তেনেকৈ পৰ্টুগালে মদৰ উৎপাদনত বিশেষীকৰণ কৰি ইংলেণ্ডৰ পৰা কাপোৰ আমদানি কৰে।

তত্ত্বটো অধিক সৰলীকৰণ কৰিবলৈ আমি সুযোগ ব্যয়ৰ ধাৰণাটো ব্যৱহাৰ কৰিব পাৰো। সুযোগ ব্যয়ৰ ধাৰণাটো ব্যৱহাৰ কৰিব পাৰো। এটা দ্রব্য X-ৰ সুযোগ ব্যয় হ'ল দ্রব্য Y-ৰ পৰিমাণ, যিটো নেকি X-ৰ এটা অতিৰিক্ত ইউনিট উৎপাদন কৰিবলৈ পৰিত্যাগ কৰিব লাগিব আৰু সিহঁতৰ অনুপাত হৈছে X ঃ Y। এখন দেশত এটা দ্রব্য উৎপাদনত তুলনামূলক সুবিধা থকা বুলি কোৱা যায় যদি সেই দ্রব্যটো উৎপাদন কৰাৰ সুযোগ ব্যয় আন দেশতকৈ নিজৰ দেশত কম হয়। টেবুল-৩ ত দেখুওৱা ধৰণে আমাৰ উদাহৰণটোত ইংলেণ্ডৰ কাপোৰ উৎপাদনত পর্টুগালৰ তুলনাত সুযোগ ব্যয় (০.৮৩) কম। এই ক্ষেত্রত, পর্টুগালত অতিৰিক্ত ১ ইউনিট কাপোৰ উৎপাদন কৰিবলৈ সিমান পৰিমাণৰ মদ উৎপাদন ত্যাগ কৰিব লাগিব। এইদৰে ইংলেণ্ডে কাপোৰ উৎপাদনত তুলনামূলক সুবিধা ভোগ কৰে। একে ধৰণে পর্টুগালেও মদ উৎপাদনত তুলনামূলক সুবিধা ভোদ কৰে। এইদৰে তুলনামূলক ব্যয় তত্ত্ব অনুসৰি দুয়োখন দেশে লাভ বৃদ্ধি কৰিবলৈ হ'লে ইংলেণ্ডে কাপোৰ উৎপাদন কৰিব লাগিব আৰু পর্টুগাললৈ ৰপ্তানি কৰিব লাগিব আৰু পর্টুগালেও মদ উৎপাদন কৰি ইংলেণ্ডলৈ ৰপ্তানি কৰিব লাগিব।

টেবুল - ৩ সুযোগ ব্যয়ৰ পার্থক্য —

	উৎপাদনৰ সুযোগ ব্যয়	
	কাপোৰ	মদ
ইংলেণ্ড	১০০ ÷১২০ = ০.৮৩	১২০ ÷ ১০০ = ১.২
পর্টুগাল	৯০ ÷ ৮০ = ১.১৩	৮০ ÷ ৯০ = ৮৯

৪.৭.৩ ধাৰণাসমূহ

ৰিকার্ড'ৰ ক্লাচিকেল তত্ত্ব তলত দিয়া ধাৰণাবোৰৰ আধাৰত প্রতিষ্ঠিত—

১) তত্ত্বটোত কেৱল দুখন দেশ আৰু দুটা দ্রব্যৰ কথা কৈছে

২) দ্রব্যবোৰ উৎপাদন কৰিবলৈ একমাত্র শ্রমক উৎপাদনৰ কাৰক হিচাপে ধৰা হৈছে। উৎপাদন ব্যয় মানেই শ্রমৰ ব্যয়। আৰু সকলো শ্রমৰ ইউনিট একে জাতীয়।

৩) স্থায়ী বা নির্দিষ্ট লাভৰ ক্ষেত্রতহে উৎপাদন সম্ভৱ। আউটপুটৰ পৰিবর্তনৰ লগত এক ইউনিট উৎপাদন ব্যয় সলনি নহয়।

৪) দ্রব্যৰ পৰিবহনত কোনো ব্যয় নাই আৰু শ্রমেই হ'ল একমাত্র ব্যয়।

৫) দ্রব্যৰ মূল্য উৎপাদনৰ প্রকৃত ব্যয়ৰ দ্বাৰা নির্দ্ধাৰণ কৰা হয়।

৬) কাৰক আৰু দ্রব্যৰ বজাৰ দুয়োটা অধিক প্রতিযোগিতাৰ পৰিৱেশ বিৰাজমান।

৪.৭.৪ সমালোচনা

তলত দিয়াবোৰেই তত্ত্বটোৰ প্রধান সমালোচনাৰ দিশ—

১) তত্ত্বটোৱে কেৱল শ্রম ব্যয়ক বিবেচনা কৰে।

২) তত্ত্বটোৱে দ্ৰব্য চাহিদাৰ প্ৰতি আওকাণ কৰি কেৱল যোগানৰ ওপৰত নজৰ ৰাখে। আৰু এইটোৱে তত্ত্বটোক অসম্পূৰ্ণ কৰি তোলে।

৩) নিৰ্দিষ্ট লাভৰ ক্ষেত্ৰত উৎপাদন সম্ভৰ ধাৰণাটো অৱাস্তৱিক।

৪) তত্ত্বটোৱে পৰিবহন ব্যয়ক আওকান কৰে। কিন্তু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই সদায় বৃহৎ আকাৰৰ পৰিবহন ব্যয় সাঙুৰি লয়।

৫) দুখন দেশ দুটা দ্ৰব্য আৰ্হিটো আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যাখ্যা কৰিবলৈ যথাৰ্থ নহয়।



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বসমূহ সাধাৰণতে বিভিন্ন ব্যাখ্যা আৰু ধাৰণা যিয়ে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যাখ্যা কৰিব চেষ্টা কৰে।
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰ প্ৰকাৰবোৰ।
- মাৰ্চেণ্টিলিজিম কি? ইয়াৰ সীমাবদ্ধতা।
- মাৰ্চেণ্টিলিজিমৰ অৱসান আৰু মুক্ত, বাণিজ্য তত্ত্বৰ সূত্ৰপাত।
- আদাম স্মিথৰ চৰম সুবিধাৰ তত্ত্ব
- ডেভিদ ৰিকার্ড'ৰ তুলনামূলক সুবিধা তত্ত্ব।



৪.৯ অধিক জানিবলৈ

১) Chappelow, J.(2019, May 1). Absolute Advantage. Retrieved from https://www.investopedia.com/terms/a/absoluteadvantage.asp

২) Dhar, P.K.(2009).*A Textbook for Higher Secondary Economics*.Vol-II.Bongaigaon,Assam:Ashomi Prakashani.

৩) Harrington, J.W. International Trade Theory. *Geography 349 Absolute Advantage.* University of Washington. Retrived from http://faculty.washington.edu/jwh/349lec03.htm

৪) Lindert, P.H.(2004).*International Trade*(8th ed.).Delhi: All Indian Traveller Bookseller.

৫) Lodha, S.S.,Bhatnagar, B.P., & Sharma, N.(Eds.).(2007).*Global Competitive Advantage: Concepts, Approaches and Perspectives.* Vol-II. Delhi: Abhijeet Publications.

৬) Max, E. & June, S.D.(1964).*International Economics.*

৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰোৰ সাধাৰণতে বিভিন্ন ব্যাখ্যা আৰু ধাৰণা যিবোৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বাণিজ্যৰ দ্বাৰা লাভালাভ, বাণিজ্যৰ গাঁঠনি বাণিজ্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্চেন্টিলিষ্টৰ মত অনুসৰি, দেশ এখনৰ সম্পদ আৰু সমৃদ্ধি দেশখনত থকা মূল্যবান ধাতু যেনে — সোণ, ৰূপ ইত্যাদিয়ে প্ৰতিফলিত কৰে। যিখন দেশৰ অত্যাধিক সোণ-ৰূপ আছে সেইখন দেশেই ধনী আৰু শক্তিশালী বুলি বিবেচনা কৰা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্চেন্টিলিষ্টে সোণ আৰু ৰূপৰ অত্যাধিক গুৰুত্ব দিছিল যিটো নেকি দেশ এখনৰ বাবে সঠিক সম্পত্তি বুলি কেতিয়াও বিবেচনা কৰিব নোৱাৰি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চৰম সুবিধাই এজন উৎপাদনকাৰীয়ে আন উৎপাদনকাৰীসকলৰ তুলনাত একে খৰচত, বেছি দ্ৰব্য উৎপাদনকাৰীৰ সৈতে এক পৰিমাণৰ দ্ৰব্য তাতকৈ কম খৰছত উৎপাদন কৰিব পৰা সক্ষমতাক বুজায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (১) দেশ এখনৰ ভিতৰত শ্ৰম গতিশীল, কিন্তু দেশৰ বাহিৰলৈ ই গতিশীল নহয়।

(২) দেশবোৰৰ মাজত মুক্ত বাণিজ্য থাকে আৰু দ্ৰব্যৰ বিনিময়ৰ বাবে কোনো বাধা নিষেধ নাথাকে।

(৩) তত্ত্বটোৱে কেৱল দুখন দেশ দুটা দ্ৰব্য আৰ্হি বিবেচনা কৰে।

৪.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উৎপাদন ব্যয়ত চৰম পাৰ্থক্য মানে কি বুজা?

প্ৰশ্ন ২ ঃ স্মিথৰ চৰম সুবিধাৰ তত্ত্ব উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা। তত্ত্বটোৰ সমালোচনাৰ দিশবোৰ কি কি?

প্ৰশ্ন ৩ ঃ চৰম ব্যয় সুবিধা তত্ত্বৰ ধাৰণাবোৰ ব্যাখ্যা কৰা।

প্ৰশ্ন ৪ ঃ ৰিকার্ডৰ মতেকেনেকৈ দুখন দেশে বাণিজ্যৰ পৰা পাৰস্পৰিকভাৱে লাভান্বিত হয় যদি এখন দেশৰ কোনো দ্ৰব্যত চৰম সুবিধা নাথাকে। উদাহৰণৰ সহায়ত দেখুওৱা।

প্ৰশ্ন ৫ ঃ মাৰ্চেণ্টিলিজিম কি? কি কি দিশত মাৰ্চেণ্টিলিজিম সমালোচিত হয়?

প্ৰশ্ন ৬ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বৰ ক্ৰমবিকাশৰ ওপৰত এটা চমুটোকা লিখা।

*** ***** ***

অধ্যায় ৫ ঃ বাণিজ্যৰ পৰা হোৱা লাভালাভ আৰু বাণিজ্যৰ হাৰ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা হোৱা লাভালাভ

৫.৪ বৈদেশিক বাণিজ্যৰ বিশেষ দিশসমূহ

৫.৫ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুবিধাবোৰ

৫.৬ বাণিজ্যৰ হাৰ

৫.৭ বাণিজ্য আৰু পৰিৱৰ্তিত চাহিদাৰ ধাৰণা

৫.৮ বাণিজ্যৰ প্ৰভাৱিত কৰা কাৰকসমূহ

৫.৯ বাণিজ্য আৰু অৰ্থনৈতিক উন্নয়ন

৫.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১১ অধিক জানিবলৈ

৫.১২ অগ্ৰগতিৰ খতিয়ান

৫.১৩ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা কেনেকৈ দেশসমূহ লাভান্বিত হয় সেই বিষয়ে জানিব পাৰিব
- বাণিজ্যৰ হাৰ সম্পৰ্কে ধাৰণা পাব
- এখন দেশৰ বাণিজ্যত প্ৰভাৱিত কৰা কাৰকসমূহ জানিব পাৰিব
- বাণিজ্য আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত সম্বন্ধ বুজিব পাৰিব

৫.২ পৰিচয়

অৰ্থনৈতিক উন্নয়নৰ প্ৰাৰম্ভিক পৰ্যায়ত মানুহে নিজে নিজৰ সীমিত সম্পদৰ সহায়ত প্ৰয়োজনীয় দ্ৰব্য বা সামগ্ৰীসমূহ উৎপাদন কৰিছিল। কিন্তু সময়ৰ লগে লগে মানুহৰ প্ৰয়োজনীয়তা আৰু আশা-আকাংক্ষাসমূহ বৃদ্ধি হয় যাৰ ফলত নিজে নিজৰ প্ৰয়োজনীয় দ্ৰব্য সামগ্ৰীসমূহ উৎপাদন কৰি লোৱাটো অসম্ভৱ হৈ পৰে। যাৰ ফলস্বৰূপে বিনিময় প্ৰথাৰ ধাৰণাটোৰ সূত্ৰপাত হয় য'ত মানুহে ব্যৱহাৰৰ অতিৰিক্ত সামগ্ৰী সমূহ আন পক্ষক দি সেই পক্ষৰ পৰা নিজৰ প্ৰয়োজনীয় অন্যান্য দ্ৰব্য বা সামগ্ৰী আনে। আৰু এনেকৈয়ে লাহে লাহে বাণিজ্য আৰু বেহা বেপাৰে সময়ৰ

লগে লগে আগবাঢ়ি বৰ্তমানৰ পৰ্যায় পাইছেগৈ।

বৰ্তমান সময়ত বেহা-বেপাৰ তথা বাণিজ্যই কেৱল এখন দেশৰ চাৰিসীমাৰ মাজত সীমাবদ্ধ হৈ থকা নাই বৰঞ্চ ই গোটেই পৃথিৱীজুৰি বিয়পিছে। আজি কোনো এখন দেশেই সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ থাকিব পৰা নাই সকলো দেশেই এখনে আন এখনৰ সৈতে সম্পৰ্ক বৰ্তাই ৰাখে। পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব উন্নয়নে পৃথিৱীখনক এখন বজাৰ হিচাপে গঢ় দিয়াত বিশেষভাৱে অৰিহণা যোগাইছে।

এই অধ্যায়ত আমি বাণিজ্যৰ পৰা হোৱা লাভালাভ আৰু আমদানি ৰপ্তানীৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিম।

৫.৩ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা পোৱা সুবিধা

পৃথিৱীৰ প্ৰতিখন দেশেই সমানে সম্পদশালী নহয়। বিভিন্ন দেশত বিভিন্ন ধৰণৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশ বিৰাজমান। যাৰ ফলস্বৰূপে, এখন দেশত উৎপাদিত হোৱা সামগ্ৰী এটা আন দেশত উৎপাদন নহব'ও পাৰে। তাৰোপৰি, এখন দেশ অত্যধিক সম্পদশালী হ'লেও দেশখনত প্ৰয়োজনীয় সকলো খিনি সামগ্ৰীৰ উৎপাদন কৰাতো সম্ভৱপৰ হৈ নুঠে। যাৰ ফলত দেশ এখনৰ সকলোখিনি প্ৰয়োজনীয়তা পূৰণৰ বাবে— আন দেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আন্তৰাষ্ট্ৰীয় বাণিজ্যই প্ৰতিখন দেশে উৎপাদনকাৰী সামগ্ৰীসমূহ সকলোৰে বাবে উপলব্ধ কৰাক বুজায় যাৰ ফলত প্ৰতিখন দেশৰ নাগৰিকে প্ৰয়োজনীয় সামগ্ৰী তথা সেৱাৰ সুবিধা ভোগ কৰিব পাৰে।

জন ষ্টুৱার্ট মিল (John Stuart Mill) এ তেওঁৰ গ্ৰন্থ প্ৰিনচিপোলচ অফ পলিটিকেল ইক'নমি (Principle of Political Economy) (1848) ত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিভিন্ন দিশৰ লগতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা পোৱা সুবিধাবোৰৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ কৈছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই দেশসমূহক নিজে উৎপাদন কৰিব নোৱৰা সামগ্ৰী বেলেগ দেশৰ পৰা লাভ কৰাত সুবিধা দিয়াৰ উপৰিও পৃথিৱীৰ উৎপাদনশীল আহিলাসমূহৰ সঠিক আৰু ফলপ্ৰসূ নিয়োগৰ সুবিধ দিয়ে। শ্ৰমৰ বিভাজন হৈছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা পোৱা এক গুৰুত্বপূৰ্ণ সুবিধা বা লাভালাভ। এই প্ৰসংগত শ্ৰমৰ বিভাজনে কম লাভ উৎপাদন স্থানৰ পৰা বেছি লাভ উৎপাদন স্থানলৈ দেশবোৰে উপলব্ধ সম্পদৰ ব্যৱহাৰ কৰাক বুজায়। দেশসমূহৰ মাজত উৎপাদনৰ তুলনামূলক আৰু ব্যয়ৰ পাৰ্থক্য বা তাৰতম্যৰ বাবে শ্ৰমৰ বিভাজন সম্ভৱপৰ হয়।

শ্ৰম বিভাজনৰ অন্য এটা সুবিধা হৈছে বিশেষীকৰণ। বিশেষীকৰণে দক্ষতা, ফলপ্ৰসূতা আৰু উৎপাদনশীলতা বৃদ্ধিত সহায় কৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত, দেশসমূহে বিশেষীকৰণৰ সুবিধা পোৱা দ্ৰব্যসমূহ উৎপাদনৰ ক্ষেত্ৰতহে অধিক গুৰুত্ব আৰোপ কৰে। যিয়ে সেই দ্ৰব্য বা সামগ্ৰীসমূহ উৎপাদনত অত্যধিক দক্ষতাপ্ৰাপ্তি আৰু উৎপাদন ব্যয় হ্ৰাস কৰণত অৰিহণা যোগায়। আৰু সেই দেশে কৰা আমদানিসমূহ কমখৰচী হয় আৰু এইদৰে গ্ৰাহকসকল লাভান্বিত হয়।

৫.৪ বৈদেশিক বাণিজ্যৰ জটিলতা

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বা বৈদেশিক বাণিজ্যৰ লগত বহুতো জটিল দিশ জড়িত হৈ থাকে। এখন দেশৰ চাৰিওসীমাৰ ভিতৰৰ বাণিজ্যতকৈ দেশৰ চাৰিওসীমাৰ বাহিৰৰ লগত কৰা বেহা-বেপাৰ তথা বাণিজ্যই বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হয়। বৈদেশিক বাণিজ্যৰ লগত জড়িত কিছুমানে তেনে প্ৰত্যাহ্বান তথা জটিলতা তলত উল্লেখ কৰা হ'ল—

১) **দূৰত্ব** (Distance) ঃ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত উৎপাদিত সামগ্ৰী তথা দ্ৰব্য দীৰ্ঘ দূৰত্বলৈ স্থানান্তৰ হয়। আৰু দেশবোৰৰ মাজত এই দীৰ্ঘ ভৌগলিক দূৰত্বৰ বাবে বৈদেশিক বাণিজ্য জটিল আৰু বিপদশংকাজনিত হৈ পৰে। আৰু যিে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা বা বজাই ৰখাত কিছু জটিলতাৰ সৃষ্টি কৰে।

২) **পৰিবহন আৰু যোগাযোগত জটিলতা** ঃ ক্ৰেতা আৰু বিক্ৰেতা দেশৰ মাজত দূৰত্ব অধিক হোৱাৰ বাবে দ্ৰব্যৰ স্থানান্তৰ আৰু প্ৰাপ্তি বা গ্ৰহণত অত্যধিক সময় লয় যিয়ে দ্ৰব্যৰ বেয়া হোৱা বা ক্ষতি হোৱাৰ বিপদাশংকা (Risk) বঢ়ায়। আৰু ই পৰিবহন ব্যয় তথা দ্ৰব্যৰ ক্ৰয়-বিক্ৰয়ৰ লগত জড়িত অন্যান্য ব্যয় বঢ়ায়। ইয়াৰ উপৰিও সঠিক আৰু দ্ৰুত যোগাযোগ ব্যৱস্থাৰ অভাৱৰ ববে ক্ৰেতা-বিক্ৰেতা দেশৰ বাবে ক্ৰয় বিক্ৰয় জটিল হৈ পৰে।

৩) **ভাষাৰ পাৰ্থক্য** ঃ পৃথিৱীজুৰি বিভিন্ন ভাষা স্পষ্টভাৱে ক'ব নোৱাৰাটোও আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এক অন্যতম হিচাপে বিবেচনা কৰা হয়। বিক্ৰেতা-ক্ৰেতাসকলৰ বাবে এইটো অধিক জটিল হৈ পৰে বিভিন্ন ভাষা বুজা আৰু ক'ব পৰাটো।

৪) **বিপদাশংকা আৰু অনিশ্চয়তা** ঃ ঘৰুৱা বাণিজ্য (Domestic Trade) অথবা দেশৰ চাৰিসীমাৰ ভিতৰৰ বেহা-বেপাৰৰ তুলনাত বৈদেশিক বাণিজ্যত অত্যধিক বিপদ শংকা তথা অনিশ্চয়তা থাকে। যিহেতু দ্ৰব্যসমূহ দীৰ্ঘ দূৰত্বলৈ পঠিওৱা হয় সেয়ে দ্ৰব্যসমূহ পৰিবহনত ক্ষতি হোৱাৰ অত্যধিক বিপদাশংকা থাকে। সাগৰেৰে বিদেশলৈ পঠিওৱা দ্ৰব্যসমূহ বিভিন্ন বিপদ, যেনে— চুনামী, টোৰ প্ৰচণ্ড জোৱাৰ, তুষাৰস্তূপ, জলদস্যু ইত্যাদিৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ উপৰিও দ্ৰব্যৰ স্থানান্তৰ আৰু গ্ৰহণৰ লগত সময়ৰ অত্যধিক ব্যৱধানে বিপদশংকা অধিক কৰি তোলে।

৫) **তথ্যৰ ব্যৱধান** ঃ ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত প্ৰত্যক্ষ আৰু ঘনিষ্ঠ সম্পৰ্ক নথকাৰ বাবে এই ক্ষেত্ৰত তথ্যৰ ব্যৱধান পৰিলক্ষিত হয়। বিক্ৰেতাজনে বিদেশৰ ক্ৰেতাৰ ধাৰ বা দেঁনা পৰিশোধ ক্ষমতা নিৰ্দ্ধাৰণ কৰিবলৈ অধিক কষ্ট কৰিব লগা হয়। দেনা পৰিশোধ ক্ষমতা, বিত্তীয় অৱস্থা আৰু ক্ৰেতা আৰু বিক্ৰেতা দুয়োৰে অন্যান্য প্ৰয়োজনীয় তথ্যৰ অভাৱে বৈদেশিক বাণিজ্য অত্যধিক বিপদশংকাযুক্ত কৰি তোলে।

৬) **বৈদেশিক বাণিজ্যৰ বাধানিষেধ বা সীমাবদ্ধতা** ঃ দেশভেদে বৈদেশিক বাণিজ্য নীতি, পদ্ধতি, নিয়ম আৰু নিৰ্দেশনাবোৰ বেলেগ বেলেগ আৰু সেইবোৰ সময়ৰ লগত পৰিৱৰ্তনশীল। প্ৰতিখন দেশৰ নিজা বৈদেশিক বাণিজ্যৰ নীতিও আছে আৰু সেই অনুসৰি

আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত বাধানিষেধ বা সীমাবদ্ধতাও আছে। দেশবিলাকৰ চৰকাৰে বৈদেশিক প্ৰতিযোগিতাৰ বা প্ৰতিযোগীৰ পৰা ঘৰুৱা বা দেশীয় উৎপাদনৰকাৰীসকলক ৰক্ষা কৰিবলৈ বিভিন্ন ধৰণৰ বাণিজ্যিক নিষেধাজ্ঞা, যেনে— শুল্ক, কৰ, কোটা, অনুজ্ঞা পত্ৰ, নিষেধাজ্ঞা ইত্যাদি জাৰি কৰে। এইটো অৱশ্যে দেশখনৰ সামাজিক-সাস্কৃতিক দিশসমূহ ৰক্ষা কৰিবলৈও কৰা হয়। আমদানিকাৰী আৰু ৰপ্তানিকাৰীসকলে আমদানি আমদানি আৰু ৰপ্তানি নিয়ন্ত্ৰণ কৰা নিয়ম আৰু নিষেধাজ্ঞাসমূহ মানি চলিব লাগে আৰু আমদানি আৰু ৰপ্তানিজনিত প্ৰয়োজনীয়তা সমূহ পূৰণ কৰিব লাগে।

৭) **পৰিশোধ আৰু বিনিময় হাৰৰ সমস্যা ঃ** আন্তঃৰাষ্ট্ৰীয় বা বৈদেশিক বাণিজ্য দুখন দেশৰ মাজত মুদ্ৰাৰ বিনিময় কৰা হয়। কাৰণ প্ৰত্যেক দেশৰে নিজা নিজা মুদ্ৰা থাকে আৰু এখন দেশৰ মুদ্ৰা আন দেশত বৈধ বুলি গণ্য কৰা নহয়। আৰু এইদৰে আমদানি আৰু ৰপ্তানিৰ পৰিশোধ বিভিন্ন মুদ্ৰাত কৰিব লগা হয় আৰু এখন দেশৰ মুদ্ৰাৰ লগত আন এখন দেশৰ মুদ্ৰা সাল-সলনি কৰিব লগা হয়। বিনিময় হাৰ হ'ল সেই হাৰ যিটো হাৰক এখন দেশৰ মুদ্ৰাৰ লগত বিনিময় কৰা হয়। কিন্তু এই বিনিময় হাৰ সময়ৰ লগে লগে স্থানান্তৰ আৰু গ্ৰহণৰ মাজত সময়ৰ বহুত ব্যৱধান থাকে এই বিনিময় আৰু ই বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত অনুদ্ধাৰণীয় ঋণ (Bad Debts)জোৱাৰ আশংকা বঢ়ায়। বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত ধন পৰিশোধটো অত্যধিক সময় আৰু খৰচ বহন কৰিব লাগে। এই সকলোবোৰে বৈদেশিক বাণিজ্যৰ পৰিশোধ অত্যধিক জটিল কৰি তোলে।

৮) **নথিপত্ৰ আৰু কাগজী কাম ঃ** বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত আমদানিকাৰী আৰু ৰপ্তানিকাৰী দুয়ো দুয়োখন দেশৰ আইন, নীতি-নিয়ম আৰু বাণিজ্যৰ প্ৰথা তথা পদ্ধতি অৱলম্বন কৰিব তথা মানি চলিব লাগে। যিয়ে দুয়োপক্ষই বৃহৎ আকাৰত নথিপত্ৰ প্ৰস্তুত কৰাক সাঙুৰি লয়। আৰু সেইটো কৰিবলৈ আমদানিকাৰী আৰু ৰপ্তানিকাৰী দুয়োৰে বিশেষ জ্ঞানৰ লগতে অত্যধিক ব্যয় বহন কৰিব লগা হয়।

৫.৫ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ লাভালাভ

১) **সম্পদৰ প্ৰকাস্য ব্যৱহাৰ ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই দেশসমূহক সেইবোৰ দ্ৰব্য উৎপাদন কৰিবলৈ সুযোগ দিয়ে যাৰ বাবে সম্পদ সমূহ উপযুক্ত ব্যৱহাৰ হয়। আৰু ই সকলো সম্পদৰ অপব্যৱহাৰ হ্ৰাস কৰে।

২) **দ্ৰব্য আৰু সেৱাৰ উপলব্ধতা ঃ** বৈদেশিক বাণিজ্যই দেশসমূহক উপযুক্ত সম্পদৰ অভাৱৰ বাবে উৎপাদন কৰিব নোৱাৰা দ্ৰব্যসমূহ লাভ কৰিবলৈ সক্ষম কৰি তোলাৰ লগতে দেশসমূহক ৰাহি উৎপাদিত সামগ্ৰীসমূহ আন দেশক বিক্ৰী কৰাৰ সুযোগ দিয়ে। আৰু এইদৰে প্ৰতিখন দেশৰ নাগৰিকে সকলোধৰণৰ দ্ৰব্য আৰু সেৱা ভোগৰ সুবিধা লাভ কৰে।

৩) **অনুন্নত আৰু উন্নয়নশীল দেশবোৰ ঃ** আন্তঃৰাষ্ট্ৰীয় বিনিময় দেশসমূহক প্ৰযুক্তিবিদ্যা, যন্ত্ৰপাতি, সা-সৰঞ্জাম, দক্ষতা, মূলধন ইত্যাদি অৰ্থনৈতিক উন্নয়নৰ আহিলাৰ যোগান নিশ্চিত কৰে।


৪) **বৃহৎ আকাৰৰ মিতব্যয়িতা ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুবিধাবোৰ হবলৈ দেশসমূহত বৃহৎ আকাৰত দ্ৰব্য উৎপাদন কৰাৰ প্ৰয়োজন হয় যাতে সেই দেশৰ ঘৰুৱা প্ৰয়োজনীয় (Home consumption) পূৰণ কৰাৰ পিছতো আন দেশলৈ ৰপ্তানি কৰিব পাৰে। এই কাৰ্যই প্ৰতিখন দেশক বৃহৎ আকাৰৰ উৎপাদনৰ সুবিধা ভোগ কৰাৰ বাবে সক্ষম কৰি তোলে।

৫) **উৎপাদনৰ ব্যয় হ্ৰাস ঃ** বৃহৎ আকাৰ উৎপাদনৰ মিতব্যয়িতা, উৎপাদনত বিশেষীকৰণ আৰু উপযুক্ত উৎপাদনে প্ৰতিখন দেশক কম ব্যয়ত সেই দেশসমূহৰ বিশেষ দ্ৰব্যসমূহ উৎপাদন কৰাৰ বাবে সক্ষম কৰি তোলে।

৬) **উপভোক্তালৈ সুবিধা ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই সকলো দেশৰে উপভোক্তাক তেওঁলোকৰ দেশত উৎপাদন নোহোৱা সামগ্ৰী আৰু সেৱা তুলনামূলকভাৱে কম খৰছত লাভ কৰাৰ বাবে সক্ষম কৰি তোলে।

৭) **গোলকীয় সহযোগিতা আৰু বুজাবুজি ঃ** পাৰস্পৰিক নিৰ্ভৰশীলতা, বাণিজ্যিক আৰু অৰ্থনৈতিক সম্পৰ্কই দেশসমূহৰ মাজত ভাল বুজাবুজি আৰু সমন্বয় আনে।

৮) **গোলকীয় পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্য হ'বলৈ পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন হ'ব লাগিব। ই দেশসমূহৰ ভাল আৰু ফলপ্ৰদ পৰিবহন আৰ যোগাযোগৰ আন্তঃগাথনি উন্নয়ন কৰাবলৈ বাধ্য কৰায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দেশসমূহ বৈদেশিক বাণিজ্যৰ পৰা কেনেকৈ লাভান্বিত হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তিনিটা সুবিধা লিখা।

.....

.....

৫.৬ আমদানি ৰপ্তানিৰ সম্পৰ্ক বা বাণিজ্যৰ হাৰ

বাণিজ্যৰ পৰা হোৱা লাভালাভ জোখাৰ এটা উপায় হৈছে বাণিজ্যৰ হাৰ (নিৰূপণ কৰা) অনুপাত। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত অংশগ্ৰহণকাৰী দেশসমূহে বাণিজ্যৰ পৰা হোৱা লাভ বাণিজ্যৰ ওপৰত নিৰ্ভৰ কৰি ভাগ কৰে। দেশসমূহৰ আন্তঃৰাষ্ট্ৰীয় বিনিময়ত হোৱা লাভ নিৰ্দ্ধাৰণকাৰী আহিলা হিচাপে অৰ্থনীতিবিদ জে এছ মিলে বাণিজ্যৰ ধাৰণা আগবঢ়াইছিল।

বাণিজ্যৰ ই সাধাৰণতে এটা নির্দিষ্ট মাত্রাৰ ৰপ্তানিৰ বিপৰীতে তাৰ দ্বাৰা পর্যাপ্তভাৱে কৰিব পৰা আমদানিৰ পৰিমাণক বুজায়। বাণিজ্যৰ হাৰে এখন দেশে আমদানিৰ বাবে পৰিশোধ কৰা আৰু ৰপ্তানিৰ ক্ষেত্রত লাভ কৰা ধনক বুজায়। ইয়াক ৰপ্তানি মূল্যৰ বিপৰতে আমদানি মূল্যৰ অনুপাত হিচাপে দেখুওৱা হয়। উদাহৰণস্বৰূপে, যদি এখন দেশে ধান ৰপ্তানি কৰে আৰু চেনীৰ আমদানি কৰে, তেতিয়া দেশখনৰ বাণিজ্য হ'ব = ধানৰ ৰপ্তানি মূল্য চেনীৰ আমদানি মূল্য। এইটো হ'ল— এক ইউনিট ধান ৰপ্তানি কৰি আমদানি কৰিব পৰা চেনীৰ পৰিমাণ। সি যি কি নহওক, প্রকৃতার্থত বহুতো দেশে সেৱাসমূহকো ধৰি বহুতো দ্রব্য বা সামগ্রীৰ আমদানি আৰু ৰপ্তানি কৰে। এইদৰে বাণিজ্যৰ হাৰক আমদানি আৰু ৰপ্তানি মূল্যৰ সূচকাংকৰ দ্বাৰা পৰিমাপ কৰিব পাৰি—

বাণিজ্যৰ = (ৰপ্তানি মূল্যৰ সূচাংক ÷ আমদানি মূল্যৰ সূচাংক) × ১০০

বাণিজ্যৰ হাৰ হ'ল আমদানিৰ বিপৰীতে এখন দেশৰ ৰপ্তানিৰ ক্রয় ক্ষমতা। এখন দেশৰ বাণিজ্যৰ হাৰ বৃদ্ধি হোৱা বুলি তেতিয়াহে কোৱা হ'ব যেতিয়া দেশখনত আমদানিৰ মূল্যতকৈ ৰপ্তানি মূল্য বৃদ্ধি হয়। ই (পৰিমাণ) একে পৰিমাণৰ ৰপ্তানিৰ বাবে বৃহৎ পৰিমাণৰ আমদানিৰ বিপৰীতে একে অথবা কম পৰিমাণৰ ৰপ্তানিৰ বিপৰীতে একে পৰিমাণৰ আমদানিক বুজায়। অর্থনীতিৰ ভাষাত ইয়াক বাণিজ্যৰ হাৰ ধনাত্মক গতি বুলি কোৱা হয়। অন্যহাতে, যদি এখন দেশৰ ৰপ্তানি মূল্যতকৈ আমদানি মূল্য বৃদ্ধি হয় তেতিয়া দেশখনৰ বাণিজ্যৰ হাৰ ঋণাত্মক গতি বুলি কোৱা হ'ব।

৫.৭ বাণিজ্য আৰু পৰিবর্তিত চাহিদা

আমি জানিলো যে, বাণিজ্যৰ হাৰ অনুপাতে আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ পৰা দেশ এখনৰ লাভৰ অংশক প্রতিফলিত কৰে। তত্ত্বমতে, বাণিজ্যত অংগ্রহণৰ বাবে দুখন দেশ প্রস্তুত হ'লে, বাণিজ্যৰ হাৰ এ দুয়োখন দেশকে সমান লাভৰ অংশ দিয়ে। বাণিজ্যৰ হাৰ য'ত দুখন দেশৰ মাজত বাণিজ্যিক কার্য সম্পাদন হয় তাক বাণিজ্যৰ ভাৰসাম্য বা সমতা বুলি কোৱা হয় আৰু তাক দুয়োখন দেশৰ উৎপন্ন দ্রব্যৰ দুয়ো দেশৰ পাৰস্পৰিক চাহিদাৰ দ্বাৰা নির্দ্ধাৰণ কৰা হয়। জে এছ মিল এ বাণিজ্যিক কাম-কাজ সম্পাদিত হোৱা বাণিজ্যৰ হাৰ সমতা ভাৰসাম্য বাণিজ্যৰ নির্দ্ধাৰণ ব্যাখ্যা কৰিবলৈ পাৰস্পৰিক চাহিদাৰ তত্ত্বটো আগবঢ়াইছিল। তত্ত্বটোৰ আন এক উদ্দেশ্য হ'ল দুয়োখন দেশৰ বাণিজ্যৰ পৰা হোৱা লাভ নির্দ্ধাৰণ কৰা। পাৰস্পৰিক চাহিদা হ'ল দুখন দেশৰ দ্রব্যসমূহৰ এখন দেশৰ আন দেশৰ দ্রব্যৰ মাজত চাহিদাৰ স্থিতিস্থাপকতা আৰু আপেক্ষিক শক্তি। ঘৰুৱা বাণিজ্যৰ বিপৰীতে আন্তঃৰাষ্ট্রীয় বাণিজ্যত ই চাহিদা আৰু যোগানৰ পাৰস্পৰিক ক্রিয়া নহয় কিন্তু ই চাহিদা আৰু চাহিদাৰহে ক্রিয়া। এই ক্ষেত্রত বাণিজ্যিক সমতা হ'ল পাৰস্পৰিক সমতা য'ত এখন দেশৰ উৎপন্ন দ্রব্যৰ আন দেশৰ সমতা য'ত এখন দেশৰ দ্রব্যৰ বাবে পৰিশোধৰ চাহিদা আৰু সেই উৎপন্ন দ্রব্যৰ বাবে পৰিশোধৰ ইচ্চাৰ লগত দ্বিতীয় দেশখনৰ প্রথম দেশখনৰ উৎপন্ন দ্রব্যৰ প্রতি চাহিদা আৰু সেই দ্রব্যৰ বাবে পৰিশোধৰ ইচ্ছাৰ মিল হয়।

পাৰস্পৰিক চাহিদাৰ ধাৰণাটো বুজিবলৈ দুখন দেশ A আৰু B ৰ মাজত হোৱা দ্বিপাক্ষিক বাণিজ্যৰ এটা উদাহৰণ লও আহক। দুয়োখন দেশ A আৰু B য়ে তুলনামূলক ব্যয় সুবিধাৰ ওপৰত ভিত্তি কৰি ধান আৰু চেনীৰ উৎপাদনত বিশেষীকৰণ কৰে। নিঃসন্দেহে A, B লৈ ধান ৰপ্তানি কৰে আৰু তাৰ বিনিময়ত Bৰ পৰা চেনী আমদানি কৰে। ইয়াত দেশ Bৰ চেনীৰ প্ৰতি দেশ Aৰ চাহিদাৰ প্ৰবলতা আৰু স্থিতিস্থাপকতা, দেশ Aৰ ঋণৰ প্ৰতি দেশ Bৰ চাহিদাৰ প্ৰবলতা আৰু স্থিতিস্থাপকতাই দুয়োখন দেশৰ এখনে আনখনৰ উৎপন্ন দ্ৰব্যৰ প্ৰতি দেখুওৱা পাৰস্পৰিক চাহিদাক প্ৰতিফলিত কৰে।

এতিয়া ধৰা হ'ল দেশ Bৰ চেনীৰ প্ৰতি দেশ Aৰ এটা স্থিতিস্থাপক চাহিদা আছে, দেশ Aএ, এটা নিৰ্দিষ্ট পৰিমাণৰ চেনীৰ আমদানিৰ বাবে নিজৰ উৎপন্ন দ্ৰব্য চেনীৰ এটা কম পৰিমাণ Bক দিব ইচ্ছা কৰিব। এই ক্ষেত্ৰত, বাণিজ্যৰ হাৰ Aৰ বাবে সন্তোষজনক হ'ব আৰু Bৰ বাবে অসন্তোষজনক হ'ব। ইয়াৰ উপৰিও, বাণিজ্যৰ পৰা পোৱা লাভ Bৰ তুলনাত Aৰ বেছি হ'ব। বিপৰীতক্ৰমেও, যদি Aৰ Bৰ চেনীৰ প্ৰতি অস্থিতিস্থাপক চাহিদা থাকে তেতিয়া, Bৰ এটা নিৰ্দিষ্ট পৰিমাণৰ চেনীৰ বাবে Aএ বেছি পৰিমাণৰ ধান ৰপ্তানি কৰিবলৈ প্ৰস্তুত হ'ব। এই বাণিজ্যৰ হাৰ Aৰ বাবে অসন্তুষজনক আৰু Bৰ বাবে সন্তোষজনক হ'ব আৰু সেই অনুসৰি হাৰ দুয়োখন দেশৰ মাজত লাভৰ অংশ পৃথক হ'ব। এনে পৰিস্থিতিত ভাৰসাম্য বাণিজ্যৰ হাৰ সেই বিন্দুটোত নিৰ্দ্ধাৰণ কৰা হ'ব য'ত Aৰ পাৰস্পৰিক চাহিদা (এটা নিৰ্দিষ্ট পৰিমাণ) অন্য দেশ Bৰ পাৰস্পৰিক চাহিদাৰ সৈতে সমান হয়। ইয়াত দুয়োখন দেশ A আৰু Bৰ বাণিজ্যৰ হাৰ সন্তোষজনক হ'ব আৰু দুয়োখন দেশে বাণিজ্যৰ পৰা পোৱা লাভো সমান হ'ব। পাৰস্পৰিক চাহিদাৰ তত্ত্বটো অৰ্পণ ৰেখা (offer curve)ৰ সহায়ত ৰৈখিকভাৱে ব্যাখ্যা কৰিব পাৰি। দেশ এখনৰ অৰ্পণ ৰেখাই অন্য এখন দেশৰ নিৰ্দিষ্ট পৰিমাণৰ উৎপন্ন দ্ৰব্যৰ বাবে বিভিন্ন মূল্য বা দামত ৰপ্তানি কৰিব বিচৰা ৰেখাই, এখন দেশে আন এখন দেশৰ পৰা বিভিন্ন আপেক্ষিক দৰত বিচৰা এটা দ্ৰব্যৰ বিভিন্ন পৰিমাণ বা অংশক ৰৈখিকভাৱে উপস্থাপন কৰে। এইবাৰ অৰ্পন ৰেখাক পাৰস্পৰিক চাহিদা ৰেখা বুলিও জনা যায়।

৫.৮ বাণিজ্যৰ প্ৰভাৱিত কৰা কাৰকসমূহ

এখন দেশৰ বাণিজ্যৰ বহুতো কাৰকে প্ৰভাৱিত কৰে। তলত কেইটামান গুৰুত্বপূৰ্ণ কাৰকৰ বিষয়ে আলোচনা কৰা হ'ল। —

১) **চাহিদা আৰু যোগানৰ স্থিতিস্থাপকতা ঃ** যদি এখন দেশৰ বৈদেশিক বাণিজ্যত আমদানিৰ তুলনাত ৰপ্তানিৰ চহিদাৰ স্থিতিস্থাকতা কম হয়, দেশখনৰ বাণিজ্য সন্তোষজনক গণ্য কৰা হয় কাৰণ আমদানিৰ তুলনাত দেশখনৰ ৰপ্তানিৰ মূল্য সৰ্বোচ্চ হ'ব পাৰে। অন্যহাতে, স্থিতিস্থাপক চাহিদাই দেশখনৰ বাণিজ্যৰ হাৰ অসন্তোষজনক অৱস্থালৈ নিয়ে। অনুৰূপ ধৰণে, ৰপ্তানি আৰু আমদানিৰ স্তিতিস্থাপকতাই দেশ এখনৰ বাণিজ্যৰ হাৰ প্ৰভাৱিত কৰে।

২) **বৈদেশিক বিনিময়ৰ হাৰ ঃ** দেশ এখনৰ মুদ্রাৰ বিনিময়ৰ হাৰে বাণিজ্যৰ হাৰ ত প্রভাৱ পেলায়। উদাহৰণস্বৰূপে, যদি দেশ এখনৰ মুদ্রাৰ মূল্য বাঢ়ে, তেন্তে দেশখনৰ ৰপ্তানি মূল্য বাঢ়িব আৰু সমপৰিমাণৰ আমদানিৰ মূল্য হ্রাস কৰিব আৰু যিয়ে দেশখনৰ অতি সন্তোসজনক, বাণিজ্যৰ হাৰ প্রতিফলিত কৰাব।


৩) **শুল্ক আৰু বাণিজ্যজনিত বাধা নিষেধ ঃ** এখন দেশে তেতিয়া শুল্ক আৰোপ কৰে যেতিয়া দেশখনে বিদেশী উৎপন্ন দ্রব্য এটা অতিমাত্রা হাৰ কৰিব নিবিচাৰে। আৰু ই শুল্ক আৰোপিত দেশ এখনত বৈদেশিক উৎপন্ন দ্রব্য এটাৰ চাহিদা ক্রমান্বয়ে হ্রাস কৰায়। এটা নির্দিষ্ট অর্পন ৰেখাৰ স্থিতিস্থাপকতাত, বিদেশৰ অর্পন ৰেখাৰ কম স্থিতিস্থাপকতা আৰু অত্যধিক শুল্কই ঘৰুৱা দেশখনৰ বাণিজ্যৰ হাৰ উন্নীত কৰে।

৪) **ৰুচিবোধ আৰু কর্মশৈলীৰ পৰিৱর্তন ঃ** উপভোগৰ সোৱাদৰ পৰিবর্তনেও বাণিজ্যৰ হাৰত প্রভাৱ পেলায়। উদাহৰণস্বৰূপে, যদি আমদানিকাৰী দেশখনৰ আমাদানীকৃত দ্রব্যৰ প্রতি মানুহৰ ৰুচি আৰু পচন্দ হ্রাস পায়, ই আমদানিৰ চাহিদা হ্রাস কৰিব। যদি অন্য দেশ এখনলৈ চাহিদা একে থকা দ্রব্য ৰপ্তানি কৰিব লগা হয়, তেতিয়া আমদানিকৃত দেশখনৰ বাবে বাণিজ্যৰ সন্তোষজনক হ'ব।

৫) **প্রযুক্তিবিদ্যাৰ পৰিৱর্তন ঃ** প্রযুক্তিবিদ্যাৰ পৰিবর্তনেও বাণিজ্যৰ হাৰ প্রভাৱিত কৰে। যদি প্রযুক্তি বিদ্যাৰ পৰিবর্তনে ৰপ্তানি দ্রব্যৰ উৎপাদন বৃদ্ধি কৰে, তেতিয়া সেই দ্রব্যৰ যোগানো বৃদ্ধি পাব আৰু এইদৰে, আমদানিৰ তুলনাত ৰপ্তানিৰ মূল্যও কমিব। আৰু এইটোৱে ৰপ্তানিকৃত দেশখনৰ বাবে বাণিজ্যৰ হাৰ অসন্তোষজনক কৰি তুলিব।

৬) **উৎপাদনৰ কাৰকৰ পৰিবর্তন ঃ** ৰুচি আৰু প্রযুক্তিবিদ্যা একে থকা পৰিস্থিতিত, যদি ৰপ্তানি দ্রব্যৰ উৎপাদনকাৰকৰ যোগান বৃদ্ধি হয়, তেতিয়া, ৰপ্তানিকৃত দ্রব্যৰ বাবে বাণিজ্যৰ হাৰ অসন্তোষজনক বিবেচিত হ'ব। কাৰণ ৰপ্তানি দ্রব্যৰ অত্যধিক উৎপাদনে আমদানিৰ তুলনাত ৰপ্তানিৰ আপেক্ষিক দৰ বা মূল্য কম কৰি তুলিব।

ওপৰত উল্লেখ কৰা কাৰকসমূহৰ উপৰিও, অন্যান্য বহুতো কাৰক আছে যিবোৰে দেশৰ এখনৰ বাণিজ্য প্রভাৱিত কৰে। তাৰে ভিতৰত দেশ এখনৰ অর্থনৈতিক উন্নয়ন আৰু বিকাশ, আমদানি আৰু ৰপ্তানি কৰা দ্রব্যৰ প্রকৃতি, পৰিবহন ব্যয়, পৰিশোধনীয় উদ্ধৃত্তৰ অৱস্থা, আন্তঃৰাষ্ট্রীয় মূলধনৰ প্রবাহ ইত্যাদি অন্যতম। সি যি কি নহওক, বাণিজ্যৰ হাৰত প্রভাৱ পেলোৱা এই কাৰকসমূহৰ এটা সম্পূর্ণ প্রতিচ্ছবি লাভ কৰিবলৈ আমি প্রতিটো কাৰকৰ প্রভাৱ নির্দ্ধাৰণকাৰীৰ পৃথক ধাৰণা লোৱাৰ পৰিৱর্তে এই সকলোবোৰ কাৰকৰ উমৈহতীয়া প্রভাৱ বিবেচনা কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ দেশ এখনৰ বাণিজ্যৰ হাৰ মানে কি?

.....

.....

প্রশ্ন নং ৪ ঃ দেশ এখনৰ বাণিজ্যৰ হাৰ প্রভাৱান্বিত কৰা চাৰিটা কাৰক উল্লেখ কৰা।

.....

.....

৫.৯ বাণিজ্য হাৰ আৰু অর্থনৈতিক উন্নয়ন

আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ প্রতিটো তত্ত্বৰ কেন্দ্রীয় আৰু মূল উদ্দেশ্য বা বিষয় হ'ল দেশ এখনৰ অর্থনৈতিক বিকাশ আৰু উন্নয়ন সুনিশ্চিত কৰা। মুক্ত বাণিজ্যৰ তত্ত্বসমূহে কেনেকৈ দেশসমূহে বিশেষীকৰণৰ লক্ষ্যৰে দ্বিপাক্ষিক বিনিময়ত প্রৱেশ কৰি পাৰস্পৰিকভাৱে লাভান্বিত হ'ব পাৰে তাৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে। সংলগ্ন অর্থনীতিসমূহত পেলোৱা প্রভাৱসমূহেই বৈদেশিক বাণিজ্যৰ পৰা হোৱা লাভালাভ নিৰূপণ কৰে। এই উদ্দেশ্যত বহুলভাৱে ব্যৱহৃত এটা (নির্দ্ধাৰণ) পৰিমাপ হ'ল বাণিজ্যৰ হাৰ। বহুতো ক্লাচিকেল আৰু আধুনিক অর্থনীতিবিদে বাণিজ্যৰ হাৰক বাণিজ্যৰ পৰা হোৱা লাভ নিৰূপণকাৰী এক শুল্ক আৰু স্পষ্ট পৰিমাপ হিচাপে গঢ়ি তুলিবলৈ বাণিজ্যৰ হাৰৰ সময়ে সময়ে সংজ্ঞা আগবঢ়াই আছে। জে এছ মিলে আগবঢ়োৱা ধাৰণা অনুসৰি বাণিজ্যৰ হাৰক বাণিত্যিক কাম-কাজত জড়িত হোৱা দেশসমূহৰ বাণিজ্যৰ পৰা হোৱা লাভ নির্দ্ধাৰণ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তুলনামূলক ব্যয়ৰ ওপৰত ভিত্তি কৰি বাণিজ্যই নিশ্চিতভাৱে দুয়োখন দেশৰ বাবেই লাভ উৎপন্ন কৰে। আমি শিকা অনুসৰি এই লাভ এখন দেশৰ বাবে উৎপাদনৰ সুবিধা থকা সেইবোৰ দ্রব্যৰ উৎপাদন বৃদ্ধিক সূচায়, আৰু তুলনামূলক সুবিধা নথকা দ্রব্যৰ আমদানিক সূচায়। প্রতিখন অনুন্নত আৰু উন্নয়নশীল দেশে এইদৰে তেওঁলোকৰ আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ স্থানলৈ অত্যাধিক আগ্রহী। কিয়নো প্রতিখন দেশেই আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ যোগেদি নিজৰ নিজৰ প্রযুক্তিবিদ্যা, যন্ত্রপাতি, আহিলা, সা-সজুলি, দক্ষতা, মূলধন ইত্যাদি বিনিময় কৰাৰ সুবিধা পায়। আৰু যাৰ দ্বাৰা সেই দেশসমূহৰ অর্থনৈতিক উন্নয়ন সম্ভৱপৰ কৰি তুলিব পাৰে।

দেশ এখনৰ বাণিজ্যৰ হাৰৰ অগ্রগতিয়ে সাধাৰণতে দেশখনৰ কল্যাণৰ পৰিচয় বহন কৰে। কাৰণ দেশ এখনৰ প্রতিটো ইউনিটৰ ৰপ্তানিৰ দ্বাৰা আমদানি কৰাৰ সামর্থ্য জাগে আৰু যিয়ে সামগ্রিকতাৰে দেশখনৰ অর্থনৈতিক উন্নয়নৰ চিনাকী দিয়ে। অন্যহাতে বাণিজ্যৰ হাৰৰ হ্রাসে দেশ এখনৰ বাবে এটা নির্দিষ্ট পৰিমাণৰ দ্রব্য আমদানি কৰাৰ বাবে কৰিবলগীয়া অত্যধিক ৰপ্তানিক সূচায় আৰু যিয়ে দেশখনৰ অর্থনৈতিক অৱস্থা দুর্বল কৰি তোলে। সি যি কি নহওক একমাত্র বাণিজ্যৰ হাৰ বাণিজ্যৰ পৰা হোৱা লাভৰ সম্পূর্ণ প্রতিচ্ছবি দেখুৱাব নোৱাৰে, বাণিজ্যৰ

পৰা হোৱা লাভৰ সম্পূৰ্ণ প্ৰতিচ্ছবি পাবলৈ হ'লে বাণিজ্যৰ হাৰৰ উপৰিও আৰু বহুতো নিৰ্দ্ধাৰণকাৰী উৎপাদন বিবেচনা কৰিব লাগিব। উদাহৰণস্বৰূপে এখন দেশৰ বিপথগামী বাণিজ্যৰ হাৰে দেশখনৰ অৰ্থনীতিৰ দুৰ্বলতাক বা অনুন্নত অৱস্থাক নুবুজায় বা আগৰ তুলনাত অৰ্থনীতি বেয়া হোৱা বুলি ক'ব নোৱাৰি, নতুবা বাণিজ্যৰ হাৰত হোৱা বিপথগামী পৰিৱৰ্তনে অৰ্থনীতিত বিপৰীতভাৱে প্ৰভাৱ পেলোৱা বুলিব নোৱাৰি। আকৌ যদি উৎপাদনশীলতা বৃদ্ধি হৈ ৰপ্তনি বাঢ়ে তেতিয়া ৰপ্তানিৰ মূল্য কি বাণিজ্যৰ সূচকাংকৰ অসন্তোষজনক অৱস্থা প্ৰতিফলিত কৰিবগৈ। গতিকে বাণিজ্যৰ হাৰক সঠিক তথ্যৰ অবিহনে সঠিকভাৱে ব্যাখ্যা কৰিব নোৱাৰি যদিও ইয়াক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰা হোৱা লাভ নিৰ্দ্ধাৰণকাৰী আহিলা বা পৰিমাপ বুলি ক'ব পাৰি।



৫.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত জড়িত দেশসমূহৰ লাভালাভসমূহ।
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ লগত জড়িত সমস্যা।
- বাণিজ্যৰ হাৰৰ ধাৰণা আৰু প্ৰয়োগ।
- চাহিদাৰ পাৰস্পৰিক চাহিদা তত্ত্ব আৰু বাণিজ্যৰ হাৰৰ সমতা নিৰ্দ্ধাৰণত ইয়াৰ ব্যৱহাৰ।
- বাণিজ্যৰ হাৰ প্ৰভাৱিত কৰা কাৰক।
- বাণিজ্যৰ হাৰৰ লগত দেশৰ অৰ্থনৈতিক বিকাশৰ সম্পৰ্ক।



৫.১১ অধিক জানিবলৈ

১) Benham, F. The Terms of Trade. *Economica,* New Series, Vol. 7, No. 28 (Nov., 1940), pp. 360-376.

২) Chishti, S. & Bhattacharya, B. India's Terms of Trade. *Economic and Political Weekly*, Vol. 11, No. 11 (Mar. 13, 1976), pp. 429-435.

৩) Greenfield, C.C. The Terms of Trade Index and Terms of Trade Effect. *Journal of the Royal Statistical Society*. Series D (The Statistician), Vol. 33, No. 4 (Dec., 1984), pp. 371-379.

৪) Max, E. & June, S.D.(1964).*International Economics.*

৫) Mehrotra, S.N. (1966). *Economic Theory.* Gauhati,Assam: New Book Stall.

৬) Sarkar, S.S., Sharma, R.K., & Gupta. S.K. (2008).*Business Studies-I.* Kalyani Publishers.


৫.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্রীয় বাণিজ্যই প্রতিখন দেশে উৎপাদনকাৰী সামগ্রীসমূহ সকলোৰে বাবে উপলব্ধ কৰাক বুজায় যাৰ ফলত প্রতিখন দেশৰ নাগৰিকে প্রয়োজনীয় সামগ্রী তথা সেৱাৰ সুবিধা ভোগ কৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ সম্পদৰ প্রকাস্য ব্যৱহাৰ, বৃহৎ আকাৰৰ মিতব্যয়িতা, উৎপাদনৰ ব্যয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ বাণিজ্যৰ হাৰ হ'ল আমদানিৰ বিপৰীতে এখন দেশৰ ৰপ্তানিৰ ক্রয় ক্ষমতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ চাহিদা আৰু যোগানৰ স্থিতিস্থাপকতা, বৈদেশিক বিনিময়ৰ হাৰ, শুল্ক আৰু বাণিজ্যজনিত বাধা নিষেধ।



৫.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাণিজ্যৰ হাৰ কি আৰু আন্তঃৰাষ্ট্রীয় বাণিজ্যত ইয়াৰ তাৎপর্য কি?

প্রশ্ন ২ ঃ আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ পৰা দেশ এখনে পোৱা লাভালাভসমূহ কি কি?

প্রশ্ন ৩ ঃ বৈদেশিক বাণিজ্যৰ লগত জড়িত কেইটামান সমস্যা আলোচনা কৰা।

প্রশ্ন ৪ ঃ পাৰস্পৰিক চাহিদা তত্ত্বটোৰ ওপৰত এটা টোকা লিখা আৰু বাণিজ্যৰ হাৰত ইয়াৰ প্রয়োগ ব্যাখ্যা কৰা।

প্রশ্ন ৫ ঃ বাণিজ্যৰ হাৰ দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ বৈধ পৰিমাপক হয়নে? ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ৬ ঃ মুক্ত বাণিজ্য, সুৰক্ষা মাচুলৰ নিৰিখ আৰু আমদানি অংশ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ মুক্ত বাণিজ্যৰ অর্থ

৬.৪ মুক্ত বাণিজ্যৰ সপক্ষে যুক্তি

৬.৫ মুক্ত বাণিজ্যৰ বিপক্ষে যুক্তি

৬.৬ সুৰক্ষাৰ অর্থ

৬.৭ সুৰক্ষাৰ সপক্ষে যুক্তি

৬.৮ সুৰক্ষাৰ বিপক্ষে যুক্তি

৬.৯ সুৰক্ষা আৰু উন্নয়নশীল দেশবিলাক

৬.১০ সুৰক্ষাৰ প্রকাৰ আৰু পদ্ধতি

- ৬.১০.১ মাচুল
- ৬.১০.২ অংশ
- ৬.১০.৩ বিনিময় নিয়ন্ত্রণ
- ৬.১০.৪ ৰাজ্যিক বাণিজ্য
- ৬.১০.৫ পৰিত্যাগ অথবা মূল্যৰ বৈষম্য
- ৬.১০.৬ ৰাজসাহায্য
- ৬.১০.৭ আন্তর্জাতিক
- ৬.১০.৮ আন্তর্জাতিক পণ্য চুক্তি

৬.১১ সুৰক্ষাৰ প্রভাৱ

৬.১২ অধ্যায়টোৰ পৰা আমি কি শিকিলো

৬.১৩ অধিক জানিবলৈ

৬.১৪ অগ্রগতিৰ খতিয়ান

৬.১৫ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মুক্ত বাণিজ্যৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- মুক্ত বাণিজ্যৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবিলাক দর্শাব পাৰিব
- সুৰক্ষাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সুৰক্ষাৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবিলাক দর্শাব পাৰিব
- উন্নয়নশীল দেশবিলাকত সুৰক্ষাৰ নীতি গ্রহণৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- সুৰক্ষাৰ প্রকাৰ আৰু পদ্ধতিবিলাক ব্যাখ্যা কৰিব পাৰিব
- সুৰক্ষাৰ প্রভাৱবিলাক ব্যাখ্যা কৰিব পাৰিব


৬.২ পৰিচয়

একোখন দেশৰ বাণিজ্যিক নীতি বুলিলে দেশখনৰ সকলো বাহিৰা অর্থনৈতিক সম্পর্কৰ ক্ষেত্রত লোৱা পদক্ষেপবিলাকক বুজোৱা হয়। আদাম স্মিথৰ সময়ৰে পৰা আন্তর্জাতিক বাণিজ্যৰ ক্ষেত্রত একোখন দেশে গ্রহণ কৰিবলগীয়া বাণিজ্যিক নীতিবিলাক বিতর্কৰ বিষয় হৈ আহিছে আৰু এই বিতর্কৰ কেন্দ্র হৈছে অতি মৌলিক বিষয়— একোখন দেশে মুক্ত বাণিজ্যৰ নীতি অনুসৰণ কৰে নে সুৰক্ষাৰ নীতি অনুসৰণ কৰে সেই লৈ। এই অধ্যায়ত এই বিতর্কৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হৈছে।

৬.৩ মুক্ত বাণিজ্যৰ অর্থ

বিভিন্ন দেশৰ মাজত সামগ্রীৰ চলাচলত বাধা-নিষেধ নথকা একোটা বাণিজ্যিক নীতিকে মুক্ত বাণিজ্যৰ নীতি (policy of free trade) হিচাপে জনা যায়। মুক্ত বাণিজ্যৰ নীতিয়ে লেনদেনকাৰী দেশবিলাকৰ মাজত সামগ্রী আৰু সেৱাৰ মুক্ত বিনিময়ত কোনো ধৰণৰ মাচুল থকা বা নথকা বাধা-নিষেধ আৰোপ নকৰে। মুক্ত বাণিজ্যই কোনো ধৰণৰ কৃত্রিম গতিৰোধৰ সৃষ্টি নকৰাকৈ ইয়াৰ প্রাকৃতিক পৰিৱেশত আন্তর্জাতিক বাণিজ্যৰ প্রবাহ চলি থাকিবলৈ দিয়ে। আদাম স্মিথ ()ৰ মতে, মুক্ত বাণিজ্যৰ অর্থ হৈছে— 'বাণিজ্যিক নীতিৰ সেই প্রণালী, য'ত দেশীয় আৰু বিদেশী পণ্যৰ মাজত পার্থক্য কৰা নহয় আৰু সেয়ে, বিদেশী পণ্যৰ ওপৰত অতিৰিক্ত বোজা আৰোপ কৰা নহয়, নাইবা দেশীয় পণ্যৰ ক্ষেত্রত কোনো ধৰণৰ বিশেষ অনুগ্রহ মঞ্জুৰ কৰা নহয়।' সেয়ে, মুক্ত বাণিজ্যৰ নীতি হৈছে এটা বৈষম্যহীন বাণিজ্য নীতি, যি সামগ্রী আৰু সেৱাৰ আন্তর্জাতিক চলাচলত কৃত্রিম বাধা আৰোপ নকৰে।

অৱশ্যে, মুক্ত বাণিজ্যত পণ্যৰ ওপৰত থকা সকলো শুল্ক আঁতৰোৱাৰ প্রয়োজন নহয়। ইয়াৰ অর্থ হৈছে কেৱল ৰাজহৰ বাবে বিশেষভাৱে শুল্ক আৰোপিত হ'ব পাৰে, সুৰক্ষা ()ৰ নামত নহয়। মুক্ত বাণিজ্যৰ নীতিৰ অর্থ হৈছে সামগ্রী আৰু সেৱাৰ আন্তর্জাতিক প্রবাহত কোনো ধৰণৰ প্রত্যক্ষ বা পৰোক্ষ বাধা আৰোপ নকৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মুক্ত বাণিজ্য কি?

.....

.....

৬.৪ মুক্ত বাণিজ্যৰ সপক্ষে যুক্তি

আদাম স্মিথ, ৰিকার্ডো, জে এছ মিলৰ দৰে অন্যান্য ধ্রুপদী অর্থনীতিবিদ সকলে মার্কেনটিলিষ্টৰ (Mercantilist) বাণিজ্যিক বাধাৰ ওকালতিৰ বিৰুদ্ধে এক প্রতিক্রিয়া হিচাপে মুক্ত বাণিজ্যৰ নীতিৰ সমর্থন কৰিছে।

মুক্ত বাণিজ্যৰ সপক্ষে থকা প্রধান যুক্তিবিলাক তলত দিয়া ধৰণৰ ঃ

(১) সম্পদৰ সঠিক ব্যৱহাৰ ঃ আন্তর্জাতিক বাণিজ্যৰ ওপৰত মাচুল থকা বা নথকা বাধ্য-নিষেধ আৰোপ নোহোৱা বাবে, তুলনামূলক সুবিধা অনুসৰি সম্পদ আৰু মানৱ শক্তি আৱণ্টন কৰা হয়। তুলনামূলক সুবিধা হৈছে শ্রম বিভাজনৰ নীতিৰ এটা সম্প্রসাৰণ। প্রাকৃতিক আৰু অন্যান্য সুযোগ-সুবিধাৰ ফলত প্রতিখন দেশ কিছুমান নির্দিষ্ট পণ্যৰ উৎপাদনৰ বাবে সুচল। মুক্ত বাণিজ্যৰ ব্যৱস্থা থাকিলে একোখন দেশে তুলনামূলকভাৱে অধিক সুচল পণ্যৰাজি উৎপাদন কৰে আৰু সেইবিলাক সামগ্রী আমদানি কৰে যিবিলাক নিজে উৎপাদন কৰাতকৈ অন্য দেশৰ পৰা কম খৰচত পাব পাৰে। তদুপৰি, বিশেষীকৰণৰ ফলত একোখন নির্দিষ্ট দেশৰ শ্রম আৰু মূলধন তেনে উদ্যোগত ব্যৱহৃত হয়, য'ত আশাপ্রদ প্রয়োগৰ জৰিয়তে সর্বাধিক উৎপাদন লাভ কৰিব পাৰি। কাজেই, মুক্ত বাণিজ্যৰ ফলত সম্ভৱ হৈ পৰা শ্রমৰ একোটা আন্তর্জাতিক বিভাজনৰ জৰিয়তে সামগ্রীৰ উৎপাদন উল্লেখযোগ্যভাৱে যে বৃদ্ধি পাব পাৰে। চমুকৈ ক'বলৈ গ'লে মুক্ত আন্তর্জাতিক বাণিজ্য থাকিলে, সংশ্লিষ্ট সকলো ক্ষেত্রলৈকে আঞ্চলিক বিশেষীকৰণ লাভজনক হৈ পৰে আৰু দেশীয় উৎপাদন বৃদ্ধি পায়।

(২) কাৰক উপার্জন (factor incomes) বৃদ্ধি পায় ঃ মুক্ত বাণিজ্যৰ পৰিৱেশত, কাৰকৰ গোটবিলাকে নিজ নিজ সেৱাৰ বিনিময়ত অধিক মাননি লাভ কৰা বাবে একেখন দেশৰ ভিতৰতে বা বেলেগ বেলেগ দেশৰ মাজত সহজে আৰু দ্রুততাৰে চলাচল কৰিব পৰা হয় আৰু অধিক উপার্জন কৰিবলৈ সক্ষম হয়। এনেদৰে, মুক্ত বাণিজ্যৰ অধীনত কাৰক উপার্জন যেনে ঃ মজুৰি, ভাড়া, সুত আৰু লাভ আনতকৈ বেছি হয়।

(৩) আশাপ্রদ উপভোগ ঃ মুক্ত বাণিজ্যৰ অধীনত, একোখন দেশে কম দামৰ বজাৰৰ পৰা সামগ্রী আমদানি কৰিব পাৰে। উপভোক্তা সকলেও ভাল ভাল সামগ্রী আমদানি কৰি ব্যৱহাৰ কৰিব পাৰে। কম দামত সামগ্রীৰ পর্যাপ্ততা এনেদৰে বৃদ্ধি পোৱাৰ ফলত মুক্ত বাণিজ্যত জড়িত দেশত উপভোগ আশাপ্রদ হৈ পৰে।

(৪) **শিক্ষাগত প্ৰভাৱ ঃ** মুক্ত বাণিজ্যৰ এটা শিক্ষাগত প্ৰভাৱ আছে। ই একোখন দেশৰ জনসাধাৰণক প্ৰতিযোগিতাৰ মানদণ্ড সম্পৰ্কত সজাগ কৰি তোলে, যাৰ ফলত তেওঁলোকে উন্নত সামগ্ৰী আৰু পাৰদৰ্শিতাৰ বাবে দাবী কৰিব পৰা হয়, যাৰ ফলত বাণিজ্যত জড়িত দেশবিলাকে উচ্চ উৎপাদন কৰিবলৈ বাধ্য হয়।

(৫) **একাধিপত্য ৰোধ ঃ** মুক্ত বাণিজ্যই প্ৰতিযোগিতাৰ পোষকতা কৰি ক্ষতিকৰ একাধিপত্যবাদী ব্যৱসায় গঢ়ি উঠাত বাধা দিয়ে বা ইয়াত অধিক জটিল কৰি তোলে।

(৬) **কাৰক বিশেষীকৰণৰ সুযোগ ঃ** সামগ্ৰীৰ ক্ষেত্ৰত বিশেষীকৰণ কৰাৰ উপৰি, মুক্ত বাণিজ্যই কাৰক বিশেষীকৰণ (factor specialisation)ৰো ব্যৱস্থা কৰে। ই সকলো ক্ষেত্ৰতে ব্যয় হ্ৰাস কৰি আশাপ্ৰদ উৎপাদন সক্ষম কৰি তোলে, ফলত সমগ্ৰ বিশ্ব লাভৱান হয়। ইয়াৰ বিপৰীতে, মুক্ত বাণিজ্যত বিভিন্ন বাধা-নিষেধ থাকিলে, বিশেষীকৰণৰ সুযোগ হ্ৰাস পায় আৰু ফলত সামগ্ৰিক বৈশ্বিক যোগান কমি যায়।

(৭) **প্ৰসাৰিত বজাৰ ঃ** আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত বাধা-নিষেধ নাথাকিলে বজাৰৰ আকাৰ প্ৰসাৰিত হয়, যিহেতু প্ৰতিখন দেশে নিজ নিজ উদ্বৃত্ত উৎপাদন বিদেশী বজাৰত উলিয়াই দিব পাৰে। বেলেগ বেলেগ দেশৰ বজাৰবিলাক মুক্ত বাণিজ্যৰ নীতিৰ অধীনত অধিক প্ৰসাৰিত হৈ পৰে। কোনো ধৰণৰ বাণিজ্যিক বাধা নথকা বাবে দেশবিলাকে পৃথিৱীৰ দূৰৱৰ্তী স্থানলৈও তেওঁলোকৰ পণ্য ৰপ্তানি কৰিব পৰা হয়।

৬.৫ মুক্ত বাণিজ্যৰ সপক্ষে যুক্তি

মুক্ত বাণিজ্যৰ সপক্ষে ধ্ৰুপদী অৰ্থনীতিবিদসকলে শক্তিশালী সমৰ্থন আগবঢ়াইছে যদিও, মুক্ত আৰু বাধাহীন বাণিজ্যৰ পৰা এতিয়াও পৃথিৱীৰ বহু দেশ আঁতৰি আছে। নিজৰ অৰ্থনৈতিক আৰু বাণিজ্যিক স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে বহু দেশে আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত বাধা-নিষেধ আৰোপ কৰিবলৈ বিভিন্ন পন্থা গ্ৰহণ কৰিছে। মুক্ত বাণিজ্যৰ বিৰুদ্ধে তত্ত্বগত আৰু কাৰ্যকৰী দুয়োটা আপত্তিয়েই উত্থাপিত হৈছে। মুক্ত বাণিজ্যৰ বিৰুদ্ধে উত্থাপিত প্ৰধান যুক্তিবিলাক তলত আলোচনা কৰা হ'ল।

(১) **মুক্ত বাণিজ্যৰ পূৰ্ব প্ৰয়োজনীয়তাবিলাকৰ অনুপস্থিতি ঃ** মুক্ত বাণিজ্যৰ বাবে প্ৰয়োজন হোৱা অৱস্থাসমূহ, যেনে— বিশুদ্ধ প্ৰতিযোগিতা, বিশুদ্ধ কাৰক চলনশীলতা, মূল্য প্ৰণালীৰ মুক্ত কাম-কাজ আৰু সামগ্ৰীৰ লেন-দেনত বাধা নিদিয়াৰ নীতি (laissez faire) আদি প্ৰকৃতাৰ্থত প্ৰয়োগ হোৱা দেখা নাযায়। মুক্ত বাণিজ্যৰ এই প্ৰয়োজনীয়তাবিলাকৰ অনুপস্থিতিত নীতিটোৱেই অকামিলা হৈ পৰে।

(২) **অৰ্থনৈতিকভাৱে অনুন্নত দেশৰ বাবে ক্ষতিকৰ ঃ** মুক্ত বাণিজ্যৰ নীতিৰ অধীনত উন্নত দেশৰ সৈতে হোৱা প্ৰতিযোগিতাৰ ফলত অনুন্নত পিছপৰা দেশসমূহ অত্যন্ত ক্ষতিগ্ৰস্ত হয়। পিছপৰা দেশসমূহৰ দুৰ্বল উদ্যোগবিলাক প্ৰায়ে উন্নত দেশৰ সু-প্ৰতিষ্ঠিত উদ্যোগবিলাকৰ পৰা

সৃষ্টি হোৱা বৈষম্যমূলক প্রতিযোগিতাৰ সন্মুখীন হয়। ভাৰতত বৃটিছ চৰকাৰে গ্রহণ কৰা মুক্ত বাণিজ্যৰ নীতিৰ ফলত দেখা গৈছিল যে ভাৰতত এসময়ত গা কৰি উঠা উদ্যোগবিলাক (হস্তশিল্প) বিদেশী প্রতিযোগিতাৰ ফলত সম্পূর্ণৰূপে লোভ পাইছিল।

(৩) দলিয়াই পেলোৱাৰ প্রৱণতাৰ ঃ মুক্ত বাণিজ্যৰ অধীনত উন্নত দেশসমূহে প্রায়ে তেওঁলোকৰ উৎপাদিত সামগ্রীৰ পেলনীয়াবোৰ অনুন্নত দেশত দি দিয়ে, যাৰ ফলত অনুন্নত দেশসমূহৰ অর্থনীতিৰ অপূৰণীয় ক্ষতি হয়।

(৪) ক্ষতিকাৰক সামগ্রীৰ আমদানি ঃ মুক্ত বাণিজ্যই ক্ষতিকাৰক সামগ্রী যেনে— নিচাজাতীয় পণ্য, কানি ইত্যাদিৰ বাণিজ্য সুচল কৰি তোলে, যাৰ ফলত জনসাধাৰণৰ স্বাস্থ্যৰ অপূৰণীয় ক্ষতি হয়। এনে অস্বাস্থ্যকৰ আৰু ক্ষতিকাৰণ সামগ্রী যাতে আমদানি কৰিব নোৱাৰে, তাৰ বাবে বাধা-নিষেধ থকাটো দৰকাৰী হৈ পৰে।

(৫) একাধিপত্যই মূৰ দাঙি উঠে ঃ মুক্ত বাণিজ্য আৰু প্রবল বিদেশী প্রতিযোগিতাই বহুতো ব্যৱসায় প্রতিষ্ঠান বন্ধ কৰি দিয়ে, যাৰ ফলত স্থানীয় একাধিপত্য বা বিদেশী বিপণীৰ আধিপত্য চলে। অধিক লাভ অর্জন কৰিবৰ বাবে তেওঁলোকে যোগান আৰু মূল্যৰ ক্ষেত্রত কৃত্রিমতা সৃষ্টি কৰিবলৈ যত্ন কৰে, যাৰ ফলত জনসাধাৰণ শোষিত হয় আৰু মূল্য প্রণালীৰ বাধাহীন কাম-কাজ ৰুদ্ধ হয়। এনেধৰণৰ একাধিপত্যই যাতে মূৰ দাঙি উঠিব নোৱাৰে, তাৰ বাবে বাণিজ্যৰ ওপৰত বাধা-নিষেধ আৰোপিত হ'ব লাগে।

(৬) বিদেশী নির্ভৰশীলতা ঃ মুক্ত বাণিজ্য নীতি প্রয়োগৰ ফলত অর্থনৈতিক পৰনির্ভৰশীলতাৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত বহুতো চৰকাৰ ৰাজনৈতিকভাৱে পংগু হৈ পৰা দেখা গৈছে। সেয়ে ৰাজনৈতিক স্বাধীনতা বর্তাই ৰাখিবলৈ, মুক্ত বাণিজ্যৰ নীতি পৰিহাৰ কৰি অর্থনৈতিক স্বাধীনতা অর্জন কৰাটো দৰকাৰী বুলি ভবা হৈছে।

(৭) অর্থনৈতিক স্বার্থৰ বাবে হানিকাৰক ঃ কেতিয়াবা শক্তিশালী দেশৰ দ্বাৰা উৎপাদিত সামগ্রীৰ মুক্ত প্রৱেশৰ ফলত একোখন দেশৰ অর্থনৈতিক স্বার্থত একোটা স্থায়ী আঘাত লাগিব পাৰে। সেয়ে এনে সামগ্রীৰ প্রৱেশত বাধা থকা দৰকাৰ হৈ পৰে।

(৮) চালুকীয়া উদ্যোগবিলাক সুৰক্ষিত কৰা দৰকাৰ ঃ অনুন্নত দেশবিলাকে নিজৰ অর্থনৈতিক বিকাশৰ বাবে নিজৰ চালুকীয়া উদ্যোগবিলাকক সুৰক্ষা প্রদান কৰিব লাগে, মুক্ত বাণিজ্যৰ নীতি পৰিহাৰ কৰিব লাগে।


৬.৬ সুৰক্ষাৰ অর্থ

সুৰক্ষা (protection) বুলি চৰকাৰৰ বাণিজ্যিক নীতিক বুজোৱা হয়, যাৰ অধীনত বিদেশী প্রতিযোগিতাৰ পৰা দেশীয় উদ্যোগক সুৰক্ষা দিয়াৰ লক্ষ্য আগত ৰাখি আমদানি বাণিজ্যৰ ওপৰত এলানি বাধা আৰোপ কৰা হয়। আমদানিকৃত সামগ্রীৰ ওপৰত শুল্ক আৰোপ কৰি অথবা দেশীয় উৎপাদকক সকাহ দি সাধাৰণতে সুৰক্ষাৰ ব্যৱস্থা কৰা হয়। আমদানি শুল্ক আৰোপ কৰিলে বিদেশী সামগ্রীবিলাক অধিক দামত বিক্রী কৰিবলগীয়া হয় আৰু ই দেশীয় প্রস্তুতকর্তা

সকলক সহায় কৰে। আমদানি প্ৰক্ৰিয়াক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি অথবা আংশিকভাৱে আৰু অনুজ্ঞাপত্ৰ অনুসৰি আমদানি কৰিবলৈ দি দেশীয় উদ্যোগবিলাকক সুৰক্ষা প্ৰদান কৰিব পাৰি।

অৰ্থনৈতিক বিকাশ বৃদ্ধি কৰিবৰ বাবে সুৰক্ষাক এটা আহিলা হিচাপে ব্যৱহাৰ কৰাৰ ধাৰণাটো প্ৰথমে এজন আমেৰিকান অৰ্থনীতিবিদ আলেকজেণ্ডাৰ হেমিল্টনে ১৭৯১ চনত উদ্ভাৱন কৰিছিল, পৰৱৰ্তী সময়ত আন এজন আমেৰিকান অৰ্থনীতিবিদ, হেন্ৰী কেৰীয়ে সুৰক্ষাৰ নীতিৰ প্ৰতি সমৰ্থন আগবঢ়ায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰে ১৯ শতিকাৰ শেষৰ ফালে সুৰক্ষাৰ নীতি গ্ৰহণ কৰে।

ইউৰোপত, সুৰক্ষাৰ নীতি সম্পৰ্কে প্ৰথমে ১৯ শতিকাত পৰামৰ্শ প্ৰদান কৰিছিল প্ৰখ্যাত জাৰ্মান অৰ্থনীতিবিদ ফেডেৰিক লিষ্টে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ সুৰক্ষা মানে কি ?

.....

.....

৬.৭ সুৰক্ষাৰ সপক্ষে যুক্তি

(১) চালুকীয়া উদ্যোগ যুক্তি ঃ চালুকীয়া উদ্যোগবিলাকক সহায় কৰিবলৈ সুৰক্ষাৰ প্ৰতি সমৰ্থন জনোৱা হয়। বিদেশী প্ৰতিযোগিতাৰ বিৰুদ্ধে দেশীয় উদ্যোগবিলাকক সুৰক্ষা প্ৰদান কৰিবই লাগিব; কিয়নো দেশীয় উদ্যোগবিলাক বিদেশী সু-সংগঠিত আৰু সু-প্ৰতিস্থিত উদ্যোগবিলাকৰ সৈতে প্ৰতিযোগিতাত তিস্থি থাকিব নোৱাৰে। বিদেশৰ উন্নত উদ্যোগবিলাকৰ বিৰুদ্ধে অনুন্নত বা উন্নয়নশীল দেশৰ চালুকীয়া উদ্যোগবিলাক সুৰক্ষিত হ'ব লাগে। এই সুৰক্ষা ব্যৱস্থাই নতুন প্ৰস্তুতকৰ্তাসকলক খোজ কাঢ়িবলৈ শিকায়। উচ্চ মূল্যৰ ৰূপত উপভোক্তাই যিমান ক্ষতিৰ সন্মুখীন হয় তাতকৈ অধিক মুনাফা ইয়াৰ ফলত সৃষ্টি হয়। এই সুৰক্ষা নীতি সন্দৰ্ভত এই বাক্যশাৰীৰে ভালদৰে ব্যাখ্যা কৰা হৈছে— 'কেচুৱাটোক প্ৰতিপাল কৰা, শিশুটোক সুৰক্ষা দিয়া আৰু প্ৰাপ্ত বয়স্কক স্বাধীনতা দিয়া'।

(২) উদ্যোগৰ বৈচিত্ৰ্য ঃ প্ৰতিখন দেশেই যিমান পাৰি সত্বৰ আত্মনিৰ্ভৰশীল হ'ব লাগে, অন্যথা বিভিন্ন সমস্যাৰ, বিশেষকৈ যুদ্ধৰ সময়ত, সন্মুখীন হ'বলগীয়া হয়। পিছত আনকি শান্তিপূৰ্ণ সময়তো, আনৰ উদ্যোগৰ ওপৰত নিৰ্ভৰশীল একোখন দেশৰ অৰ্থনীতি বিভিন্ন বাহিৰা কাৰকৰ প্ৰভাৱত পৰি বিপদাপন্ন হ'ব পাৰে। একোখন দেশত থকা সকলো উদ্যোগৰ সন্তুলিত উন্নয়নৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বৰ বাবে সুৰক্ষাৰ নীতি প্ৰয়োজনীয়।

(৩) দেশীয় বজাৰ যুক্তি ঃ যেতিয়া চৰকাৰে একোটা সুৰক্ষাৰ নীতি অনুসৰণ কৰে আৰু দেশখনলৈ আমদানি বন্ধ কৰে, তেতিয়া দেশখনৰ ভিতৰতে দেশীয়ভাৱে নিৰ্মিত সামগ্ৰীৰ বিক্ৰী

বৃদ্ধি পায়। ইয়াৰ ফলত সেই দেশত নিযুক্তিৰ পৰিমাণ বাঢ়ে। বৰ্ধিত নিয়োগৰ জৰিয়তে দেশীয়ভাৱে নিৰ্মিত সামগ্ৰীৰ চাহিদা বৃদ্ধি পায় আৰু এই প্ৰক্ৰিয়া চলি থাকিলে দেশখনৰ ঘৰুৱা বজাৰ বিকশিত হয়।

(৪) প্ৰাথমিক উদ্যোগ যুক্তি ঃ একোখন দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত প্ৰাথমিক উদ্যোগবিলাক আৰু ইবিলাকৰ পৰৱৰ্তী সম্প্ৰসাৰণ অপৰিহাৰ্য। প্ৰাথমিক উদ্যোগবিলাকে দেশখনত অন্য উদ্যোগ গঢ়ি উঠাৰ আধাৰ নিৰ্মাণ কৰে। এই বিলাকে অন্য উদ্যোগক যন্ত্ৰ-পাতি আৰু সা-সামগ্ৰীৰ যোগান ধৰে। এইবিলাকে দেশখনৰ অৰ্থনীতিৰ ভিত্তি হিচাপে কাম কৰে। লো আৰু তীখা, গুৰুত্বপূৰ্ণ ৰাসায়নিক দ্ৰব্য, বিদ্যুৎ শক্তি, ইত্যাদিৰ দৰে প্ৰাথমিক উদ্যোগবিলাকক সুৰক্ষা নীতিৰ জৰিয়তে প্ৰতিখন দেশে উন্নত কৰি তোলা দৰকাৰ।

(৫) নিয়োগ সৃষ্টি ঃ সুৰক্ষাই উদ্যোগৰ উন্নতিত সহায় কৰে আৰু ইয়াৰ জৰিয়তে নিয়োগৰ সৃষ্টি হয়। একোখন দেশৰ নিয়োগৰ আকাৰ সুৰক্ষা নীতি অৱলম্বন কৰি বৃদ্ধি কৰিব পাৰি। কিয়নো যেতিয়া একোখন দেশে সুৰক্ষা নীতি অনুসৰণ কৰে, তেতিয়া উদ্যোগ প্ৰতিষ্ঠা হ'ব আৰু মানুহে দেশখনত অধিক নিয়োগৰ সুযোগ লাভ কৰিব। এনেদৰে সুৰক্ষাৰ নীতিয়ে একোখন দেশৰ নিবনুৱা সমস্যাৰ সমাধানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

(৬) প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰ ঃ সুৰক্ষা নীতিৰ অধীনত প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰ সম্ভৱ হয় কিয়নো এই নীতিৰ অধীনত একোখন দেশত থকা প্ৰাকৃতিক সম্পদৰাজি সম্ভৱপৰ সৰ্বোত্তম ৰূপত ব্যৱহৃত হয়। উদ্যোগত বিৰল সম্পদসমূহৰ ব্যৱহাৰ নিয়ন্ত্ৰিত কৰি চৰকাৰে সেইবিলাক ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সাঁচি ৰাখিব পাৰে। কিন্তু যেতিয়া একোখন দেশে মুক্ত বাণিজ্যৰ নীতি গ্ৰহণ কৰে তেতিয়া দেশখনৰ প্ৰাকৃতিক সম্পদৰ সদায় অপচয় হয়; কিয়নো একোটা উদ্যোগ যেতিয়া কোনো বিশেষ পণ্যৰ বাবে বিশেষীকৰণ কৰা হয় তেতিয়া সেই পণ্যবিধ উৎপাদন কৰিবৰ বাবে প্ৰয়োজন হোৱা সম্পদ আৰু সামগ্ৰীবিলাক দ্ৰুতগতিত ব্যৱহৃত হয়।

(৭) অকামিলা সম্পদ ঃ মুক্ত বাণিজ্যৰ নীতিৰ অধীনত বহুতো সম্পদ অকামিলা হৈ পৰি থাকে। ইয়াৰ কাৰণ হৈছে, কেৱল সেইবিলাক সম্পদহে ব্যৱহৃত হয়, যিবিলাক তুলনামূলক ব্যয়ৰ নীতিৰ ভিত্তিত সেই উদ্যোগবিলাকৰ উৎপাদনত সোমায়।

(৮) মজুৰি যুক্তি ঃ উচ্চ মজুৰিৰ দেশসমূহৰ তুলনাত নিম্ন মজুৰিৰ দেশসমূহৰ উৎপাদনী ব্যয় বহু কম। এনেদৰে কম মজুৰিৰ দেশৰ পৰা যেতিয়া অধিক মজুৰিৰ দেশলৈ সামগ্ৰী ৰপ্তানি কৰে তেতিয়া অধিক মজুৰিৰ দেশত থকা উদ্যোগবিলাকত ওলোটা প্ৰভাৱ পৰে আৰু দেশখনত ব্যাপক হাৰত নিবনুৱা সমস্যাই দেখা দিয়ে। সেয়ে দেশৰ উদ্যোগবিলাকক সুৰক্ষা প্ৰদান কৰিবলৈ অধিক মজুৰিৰ দেশসমূহে সুৰক্ষাৰ নীতি গ্ৰহণ কৰা দৰকাৰ।

(৯) ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা ঃ একোখন দেশে ইয়াৰ প্ৰতিৰক্ষা উদ্যোগবিলাকৰ বিকাশ সাধন কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ, যাতে দেশখনৰ স্বাধীনতা আৰু নিৰাপত্তা নিশ্চিত হয়। সেয়ে একোখন দেশৰ চৰকাৰে সেই দেশত এই উদ্যোগবিলাকৰ বিকাশক পূৰ্ণ সুৰক্ষা দিয়া দৰকাৰ।

(১০) বাকী ধনাদায়ৰ উন্নতি ঃ কেতিয়াবা, বাকী থকা ধনাদায়ৰ বিৰূপ পৰিস্থিতিৰে মোকাবিলা কৰাৰ উদ্দেশ্যেও সুৰক্ষা প্রদান কৰা হয়। সুৰক্ষাই আমদানি হ্রাস কৰে আৰু সাময়িকভাৱে হ'লেও ধন দিবলৈ বাকী থকা পৰিস্থিতিৰ উন্নতি সাধন কৰিব পাৰি।

(১১) পৰিত্যাগ যুক্তি ঃ বিদেশী উদ্যোগবিলাকে কেতিয়াবা তেওঁলোকৰ সামগ্রী পিছপৰা আৰু অনুন্নত দেশত পৰিত্যাগ কৰিবলৈ আৰম্ভ কৰে। এই কাম কৰি বিদেশী উদ্যোগবিলাকে সংশ্লিষ্ট দেশৰ উদ্যোগবিলাক ধ্বংস কৰিব বিচাৰে। এই পৰিস্থিতিত সংশ্লিষ্ট দেশৰ চৰকাৰে কিছুমান পৰিত্যাগ-বিৰোধী শুল্ক আৰোপ কৰি নিজৰ দেশৰ উদ্যোগবিলাকক সুৰক্ষা প্রদান কৰিব পাৰে।

৬.৮ সুৰক্ষাৰ বিৰুদ্ধে যুক্তি

(১) প্রাকৃতিক সম্পদৰ নিম্ন অর্থনৈতিক ব্যৱহাৰ ঃ মুক্ত বাণিজ্যৰ নীতিৰ অধীনত প্রতিখন দেশে তুলনামূলক ব্যয় অনুসৰি সামগ্রী উৎপাদন কৰে আৰু এই কাম কৰি শ্রমৰ আঞ্চলিক বিভাজনৰ সুযোগ উপভোগ কৰে। ইয়াৰ বিপৰীতে সুৰক্ষাৰ নীতিৰ অধীনত একোখন দেশৰ উৎপাদন শ্রমৰ আঞ্চলিক বিভাজনৰ ওপৰত আধাৰিত নহয় আৰু সেয়ে দেশখনে আনকি এনেকুৱা সামগ্রীও উৎপাদন কৰে যিবিলাকত তুলনামূলক সুবিধা লাভ নকৰে।

(২) অদক্ষ উদ্যোগক উৎসাহ ঃ বিদেশী প্রতিযোগিতা নোহোৱাৰ ফলত দুর্বল আৰু অদক্ষ প্রতিষ্ঠানবিলাক উৎসাহিত হয়। যেতিয়া প্রতিযোগিতা থাকে তেতিয়া কেৱল সক্রিয় আৰু শক্তিশালী প্রতিষ্ঠানবিলাকহে কর্মক্ষেত্রত বর্তি থাকে। কিছুমান ব্যক্তিগত প্রতিষ্ঠানৰ ক্ষেত্রত যদিও ই বিৰূপ প্রভাৱ পেলাব পাৰে তথাপি দুর্বল প্রতিষ্ঠানবিলাক আঁতৰ কৰাটো সমাজৰ বাবে সামগ্রিকভাৱে ভাল বুলি বিবেচনা কৰা হয়।

(৩) একাধিপত্যৰ প্রতিষ্ঠা ঃ বিদেশী প্রতিযোগিতা নোহোৱা কৰি সুৰক্ষাৰ নীতি বলৱৎ কৰিলে থলুৱা উদ্যোগবিলাকক একাধিপত্যবাদী উদ্যোগ স্থাপনত সহায় কৰা হয় আৰু ইয়াৰ ফলত উপভোক্তা তথা কর্মীসকল শোষিত হয়।

(৪) উপভোক্তাৰ লোকচান ঃ সুৰক্ষাৰ নীতিৰ অধীনত কোনো বিদেশী প্রতিযোগিতা নোহোৱাৰ ফলত উপভোক্তাসকলে অধিক দাম দিবলগীয়া হোৱা বাবে তেওঁলোকৰ লোকচান হয়।

(৫) উপভোক্তাৰ বাছনি কৰাৰ স্বাধীনতা খর্ব হয় ঃ সুৰক্ষাৰ নীতিয়ে উপভোক্তা সামগ্রীৰ বাছনি সীমিত কৰে। বিভিন্ন ধৰণৰ সুৰক্ষামূলক নীতি যেনে— মাচুল, সংৰক্ষণ আৰু বিনিময় নিয়ন্ত্রণে বিদেশী সামগ্রীৰ পর্যাপ্ততা বেয়াকৈ সীমাবদ্ধ কৰে। উপভোক্তা অধিক দামত ঘৰুৱাভাৱে উৎপাদিত নিম্নমানৰ সামগ্রী কিনিবলৈ বাধ্য হয়।

(৬) ৰাষ্ট্রীয় আয়ৰ বিতৰণত অসমতা ঃ সুৰক্ষাৰ নীতিয়ে দেশীয় উপভোক্তাসকলৰ ওপৰত এটা বোজা জাপি দিয়ে; কিয়নো তেওঁলোকে আমদানি শুল্ক আৰোপ কৰাৰ ফলত আগতকৈ অধিক দাম ভৰিবলগীয়া হয়। তদুপৰি, সুৰক্ষা নীতিৰ পৰিণাম স্বৰূপে দেশীয় উদ্যোগসমূহে

বৰ্ধিত মুনাফা অৰ্জন কৰে। এনেকৈ দেশখনৰ ভিতৰত অৰ্থনৈতিক বৈষম্য বৃদ্ধি পায়।

(৭) বিদেশী বাণিজ্য হ্ৰাস পায় ঃ বিদেশী বাণিজ্যৰে সম্পৰ্কৰ ক্ষেত্ৰত এটা বিপদ আহি পৰে। সুৰক্ষা নীতিৰ জৰিয়তে যেতিয়া একোখন দেশে ইয়াৰ আমদানি হ্ৰাস কৰে, যিহেতু অন্য দেশসমূহে নিজৰ ৰপ্তানিৰ ওপৰত আমদানি শুল্ক আৰোপ কৰি প্ৰতিশোধ লোৱা বাবে ইয়াৰ ৰপ্তানিও হ্ৰাস পায়। কাজেই সুৰক্ষাৰ নীতিয়ে বিদেশী বাণিজ্য হ্ৰাস কৰাত ভূমিকা পালন কৰে।

(৮) ৰাজনৈতিক দুৰ্নীতি ঃ সুৰক্ষা নীতিৰ অধীনত দুৰ্নীতিৰ বিপদো সংঘটিত হয়। বৃহৎ উদ্যোগপতিসকলে ৰাজনৈতিক নেতা আৰু চৰকাৰী বিষয়াসকলক ঘোচ দি নিজৰ উদ্যোগৰ সুৰক্ষা নিশ্চিত কৰিবলৈ যত্ন কৰে।

(৯) সম্পদৰ অপপ্ৰয়োগ ঃ সুৰক্ষা নীতিয়ে শ্ৰম, মূলধন আৰু উৎপাদনৰ অন্য কাৰকবিলাকক অপ্ৰয়োজনীয় দিশত প্ৰবাহিত কৰে। বহু সময়ত সিবিলাক ফলদায়ক কামত প্ৰয়োগ নহয় আৰু ইয়াৰ পৰিণাম স্বৰূপে ৰাষ্ট্ৰীয় লভ্যাংশ হ্ৰাস পায়। এনেদৰে পৰ্যাপ্ত সম্পদ অনুপযুক্ত সোঁতত প্ৰবাহিত হোৱাটো অৰ্থনৈতিকভাৱে বিধিসন্মত হ'ব নোৱাৰে।

৬.৯ সুৰক্ষা আৰু উন্নয়নশীল দেশ

উন্নয়নশীল দেশসমূহে কিছুমান বিশেষ কাৰণত সুৰক্ষাৰ নীতি গ্ৰহণ কৰে। দেশীয় উদ্যোগৰ সুৰক্ষাৰ সপক্ষে থকা প্ৰধান যুক্তিবিলাক তলত দিয়া হ'ল ঃ

(১) চালুকীয়া উদ্যোগৰ বিকাশ ঃ উন্নয়নশীল দেশসমূহত চালুকীয়া উদ্যোগসমূহক সুৰক্ষা প্ৰদান কৰাটো অত্যন্ত আৱশ্যকীয়। নতুনকৈ আৰম্ভ কৰা অথবা চালুকীয়া উদ্যোগসমূহক উন্নত দেশৰ উদ্যোগৰ ধ্বংসকামী প্ৰতিযোগিতাৰ পৰা সুৰক্ষিত কৰা দৰকাৰ।

(২) উদ্যোগৰ বিচিত্ৰতা ঃ যিহেতু উন্নয়নশীল দেশসমূহত কৃষিৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলগীয়া হয়, গতিকে এই দেশসমূহত বিচিত্ৰতাৰ খুবেই প্ৰয়োজন। সুৰক্ষাই উদ্যোগৰ ক্ষেত্ৰত বৈচিত্ৰ্য গঢ়ি তোলাত সহায় কৰে আৰু ইয়াৰ জৰিয়তে সিবিলাকক অৰ্থনৈতিক সুস্থিৰতা প্ৰদান কৰা হয়।

(৩) অধিক দেশীয় মূলধন গঠন ঃ উন্নয়নশীল দেশসমূহৰ আমদানিৰ নিষেধাজ্ঞাৰ প্ৰকৃতিবিলাক উন্নত দেশতকৈ বেলেগ আৰু সেয়ে উন্নত দেশসমূহে উন্নয়নশীল দেশৰ মাচুল ব্যৱস্থাত হস্তক্ষেপ কৰিব নোৱাৰে। বিদেশত উৎপাদিত বিলাসী উপভোক্তা সামগ্ৰীত শুল্ক আৰোপ কৰি উন্নয়নশীল দেশত যিবিলাকৰ উপভোগ হ্ৰাস কৰা হয়, যাৰ ফলত সঞ্চয় বৃদ্ধি পায়। এই বৰ্ধিত সঞ্চয় দেশৰখনৰ ভিতৰতে বিনিয়োগত ব্যৱহৃত হ'ব পাৰে। আকৌ আমদানি নিষেধাজ্ঞাৰ জৰিয়তে বিদেশী বিনিময় সংৰক্ষিত হোৱাৰ ফলত মূলধনী সামগ্ৰীৰ আমদানিত ব্যয় কৰিব পৰা হয়। কাজেই, সুৰক্ষা নীতি আৰোপ কৰাৰ ফলত হোৱা বৰ্ধিত সঞ্চয় আৰু দেশীয় বিনিয়োগ এই উন্নয়নশীল দেশসমূহত দেশীয় মূলধন গঠনৰ হাৰ বৃদ্ধি কৰিব পাৰে।

(৪) বাণিজ্যৰ অৱনতি ৰোধ কৰে ঃ উন্নয়নশীল দেশসমূহে বেছিভাগ ক্ষেত্রত প্রাথমিক সামগ্রী ৰপ্তানি কৰে, যাৰ দাম তেওঁলোকে আমদানি কৰা প্রস্তুত সামগ্রীৰ দামৰ দৰে দ্রুত গতিত বৃদ্ধি নাপায়। এনে পৰিস্থিতিত, এনে উন্নয়নশীল দেশত বাণিজ্যৰ অৱনতি হ'লে এক ফলপ্রসু উপায়েৰে তাক ৰোধ কৰিবলৈ মাচুলৰ সুৰক্ষা আৱশ্যকীয় হৈ পৰে।


(৫) বিদেশী মূলধনৰ বিনিয়োগক উদগণি যোগাবলৈ ঃ উন্নয়নশীল দেশসমূহত মূলধনী সম্পদ পর্যাপ্ত নাথাকে আৰু মূলধনৰ পর্যাপ্ত যোগানৰ অভাৱত তেওঁলোকৰ অর্থনৈতিক উন্নয়ন প্রায়ে বাধাগ্রস্ত হয়। সুৰক্ষাৰ নীতিয়ে অর্থনীতিত বিদেশী মূলধন বিনিয়োগত উদগণি যোগোৱাত সহায় কৰে। সুৰক্ষাৰ জৰিয়তে, যেতিয়া উন্নয়নশীল দেশসমূহত বিদেশী সামগ্রী নিষিদ্ধ হয়। তেতিয়া বিদেশী বহুজাতিক নিগমবিলাকে মাচুলৰ সুৰক্ষা এৰাই চলিবলৈ তেনে দেশসমূহতে উদ্যোগ স্থাপন কৰিবলৈ অগ্রসৰ হয়।

(৬) চৰকাৰী ৰাজহ বৃদ্ধি পায় ঃ উন্নয়নশীল দেশসমূহৰ চৰকাৰবিলাকৰ বাবে ব্যসায়ত আৰোপ কৰা মাচুলে কৰ ৰাজহৰ এটা উল্লেখযোগ্য অংশ গঠন কৰে। এই দেশবলাকত প্রত্যক্ষ কৰৰ পৰা হোৱা উপার্জন কম হয় আৰু একেদৰে উদ্যোগক সুৰক্ষা প্রদান কৰাৰ ফলত চৰকাৰৰ ৰাজহৰ এটা গুৰুত্বপূর্ণ সংযোজন ঘটিব পাৰে।

(৭) দিবলৈ বাকী থকা ধনৰ নাটনিৰে মোকাবিলা ঃ উন্নয়নশীল দেশসমূহে অনবৰতে অন্য দেশক ধন পৰিশোধ কৰাত নাটনিৰ সন্মুখীন হৈ থাকে। বিদেশী সামগ্রীৰ ওপৰত মাচুল আৰোপ কৰাৰ ফলত আমদানিকাৰীসকল অধিক খৰচৰ সন্মুখীন হোৱা বাবে এনে সামগ্রীৰ আমদানি হ্রাস পায়। ইয়াৰ ফলত অন্য দেশক দিবলৈ বাকী থকা ধনৰ নাটনি হ্রাস হ'ব পাৰে।

(৮) বাহিৰা অর্থনীতিৰ সৃষ্টি ঃ উন্নয়নশীল দেশসমূহত উদ্যোগৰ সুৰক্ষা নীতিয়ে বাহিৰা অর্থনীতিৰ সৃষ্টি কৰে, যেনে— কাৰক লগ্নিৰ বাবে চাহিদাৰ সম্প্রসাৰণ, সহযোগী উদ্যোগৰ বিকাশ, সামগ্রীৰ মান উন্নত হোৱা ইত্যাদি। সুৰক্ষা নীতিৰ ফলত হোৱা এই বাহিৰা অর্থনীতি অর্থনীতিৰ সামগ্রিক বিকাশত সহায় কৰে।

এনেদৰে, সুৰক্ষা নীতিয়ে উন্নয়নশীল দেশৰ ঔদ্যোগিক বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। উন্নয়ন দেশৰ দৃষ্টিভংগীৰ ফালৰ পৰা বাধা-নিষেধ থকা আন্তর্জাতিক বাণিজ্য বাধা-নিষেধ নথকা বাণিজ্যতকৈ ভাল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ উন্নয়নশীল দেশসমূহত দেশীয় উদ্যোগৰ সুৰক্ষাৰ সমর্থনত তিনিটা যুক্তি উল্লেখ কৰক।

.....

.....

৬.১০ সুৰক্ষাৰ গঠন আৰু পদ্ধতি

সুৰক্ষা উচ্চ নিৰিখৰ মাচুল বা সংৰক্ষণ বা দেশীয় ৰাজসাহায্যৰ দৰে অন্য ৰূপত থাকিব পাৰে। যেতিয়া কোনো এখন দেশে সুৰক্ষাৰ বাণিজ্যিক নীতি গ্ৰহণ কৰে, তেতিয়া ই বিভিন্ন বিকল্প পন্থা বা সিবিলাকৰ নীতি গ্ৰহণ কৰে। সুৰক্ষাৰ কিছুমান গুৰুত্বপূৰ্ণ পদ্ধতি হৈছে ঃ

১। মাচুল (Tarrifs)
২। আমদানিৰ অংশ (Import Quotas)
৩। বিনিময় নিয়ন্ত্ৰণ (Exchange Control)
৪। ৰাজ্যিক বাণিজ্য (State Trading)
৫। পেলাই দিয়া বা মূল্য বৈষম্য (Dumping or price discrimination)
৬। ৰাজসাহায্য (Subsidies)
৭। আন্তৰ্জাতিক বিপণী (International Cartels)
৮। আন্তৰ্জাতিক পণ্য চুক্তি (International Commodity Agreements)

৬.১০.১ মাচুল

মাচুল (Tarrifs) হৈছে একোখন দেশৰ চৰকাৰে ৰাষ্ট্ৰীয় চাৰিসীমা অতিক্ৰম কৰা বাণিজ্যিকৃত পণ্যৰ ওপৰত আৰোপ কৰা এবিধ শুল্ক বা কৰ। এই মাচুল ৰপ্তানি আৰু আমদানি দুয়োটাতে আৰোপ কৰিব পাৰি। অৱশ্যে, একোখন দেশৰ চৰকাৰে সাধাৰণতে ইয়াৰ আমদানিৰ ওপৰত মাচুল আৰোপ কৰে। দেশৰ বাহিৰত সৃষ্টি হোৱা আৰু শুল্ক আৰোপ কৰা দেশখনলৈ আমদানি কৰা পণ্যৰ ওপৰতহে আমদানি শুল্ক (import duties) আৰোপ হয়। ইয়াৰ বিপৰীতে শুল্ক আৰোপ কৰা দেশখনৰ ভিতৰতে উৎপন্ন হোৱা আৰু দেশৰ বাহিৰলৈ পঠিওৱা পণ্যৰ ওপৰত আৰোপিত শুল্কক কোৱা হয় ৰপ্তানি শুল্ক (export duties)। একোখন দেশে মাল চালানৰ শুল্ক (transit duty)ও আৰোপ কৰিব পাৰে। বিদেশত উৎপন্ন কৰা আৰু শুল্ক আৰোপ কৰা এখন দেশৰ মাজেৰে তৃতীয় এখন দেশলৈ চালান দিয়া সামগ্ৰীৰ ওপৰত মাল চালানৰ শুল্ক আৰোপ কৰা হয়।

মাচুল হৈছে এবিধ সুৰক্ষা যি দেশখনত উপভোক্তাৰ স্বাধীনতা বাধাগ্ৰস্ত কৰে। উপভোক্তাই উপভোগ কৰিব বিচৰা সামগ্ৰীৰ ক্ষেত্ৰত ই প্ৰতিবন্ধকতা আৰোপ কৰে। আমদানি মাচুল আৰোপ কৰিলে সামগ্ৰী আৰু কাৰকৰ দামৰ মাজত এক তুলনামূলক পৰিৱৰ্তন ঘটে। উচ্চ নিৰিখে আন্তৰ্জাতিক বাণিজ্যৰ পৰিমাণ হ্ৰাস কৰাৰ বিপৰীতে নিম্ন হাৰৰ মাচুলে আন্তৰ্জাতিক বাণিজ্যৰ পৰিমাণ বৃদ্ধি কৰে। একোটা নেতিবাচক মাচুল বা ৰাজসাহায্যৰ ফলত আন্তৰ্জাতিক বাণিজ্য প্ৰসাৰিত হয়।

মাচুলৰ শ্ৰেণী বিভাজন

মাচুল বেলেগ বেলেগ প্ৰকাৰৰ আছে। তলত দিয়াৰ দৰে আমি মাচুলক বিভিন্ন গোট বা উপ-গোটত ভাগ কৰিব পাৰো ঃ

(১) আৰোপৰ বাবে থকা নিয়মৰ ভিত্তিত শ্ৰেণী বিভাজন ঃ এই গোটত আমি পাওঁ (ক) নিৰ্দিষ্ট মাচুল (Specific tariff), (খ) মূল্য নিৰ্ভৰ মাচুল (Ad valorem tariff) আৰু (গ) ভিন্ন মূল্যৰ মাচুল (compound tariff)।

(ক) নিৰ্দিষ্ট মাচুল ঃ যেতিয়া আমদানি বা ৰপ্তানিকৃত পণ্যৰ প্ৰতিটো শাৰীৰিক গোটৰ ওপৰত বা ইয়াৰ ওজন বা জোখৰ ওপৰত চৰকাৰে একোটা স্থিৰ পৰিমাণৰ ধন আৰোপ কৰে, তেতিয়া ইয়াক নিৰ্দিষ্ট মাচুল বোলা হয়। চাউল, ঘেঁহু, চিমেণ্ট, চেনী, কাপোৰ আদিৰ ওপৰত নিৰ্দিষ্ট মাচুল আৰোপ কৰা হয়। এইবিলাক সামগ্ৰীৰ ৰপ্তানি আৰু আমদানিৰ মূল্য নিৰ্ধাৰণ ৰূপত কোনো সমস্যা নাথাকে বাবে ইবিলাকৰ তত্ত্বাৱধান খুবেই সহজ।

(খ) মূল্য নিৰ্ভৰ মাচুল ঃ 'Ad valorem' হৈছে লেটিন শব্দ আৰু ইয়াৰ অৰ্থ হৈছে 'মূল্যৰ ওপৰত'। মূল্য নিৰ্ভৰ মাচুল বুলিলে তেনে শুল্ককে বুজোৱা হয়, যিটো বাণিজ্যিকৃত পণ্যৰ মূল্যৰ এটা স্থিৰ শতাংশ হিচাপে আৰোপিত হয়। এই মাচুলৰ ভিত্তি হৈছে পণ্যৰ শাৰীৰিক আকাৰৰ সলনি ইয়াৰ দাম বা মূল্য।

(গ) মিশ্ৰিত মাচুল ঃ দুই নিৰ্দিষ্ট আৰু মুল্য নিৰ্ভৰ মাচুলৰ এটা সংমিশ্ৰণ। মিশ্ৰিত মাচুলত পণ্যৰ প্ৰতিটো গোটৰ ওপৰত আৰোপিত নিৰ্দিষ্ট শুল্কৰ লগতে মূল্য নিৰ্ভৰ সুন্দৰ এটা শতাংশ। মিশ্ৰিত মাচুলে ৰাজহৰ প্ৰতি অধিক স্থিতিস্থাপকতা প্ৰদান কৰে আৰু ই হৈছে দেশীয় উদ্যোগবিলাকক সুৰক্ষা দিয়াৰ এক আদৰ্শ পদ্ধতি।

(ঘ) ভিন্ন মূল্যৰ মাচুল ঃ ভিন্ন মূল্যৰ মাচুল বুলিলে সেইবিলাকৰ আমদানি শুল্কক বুজোৱা হয়, যি পণ্যৰ দাম অনুসৰি বেলেগ বেলেগ হয়। যদিও ভিন্ন মূল্যৰ মাচুল নিৰ্দিষ্ট অথবা মূল্য নিৰ্ভৰ মাচুল হ'ব পাৰে, কৰ্মক্ষেত্ৰত, এইবিলাক সাধাৰণতে একোটা নিৰ্দিষ্ট আৰোপিত হয়।

(২) মাচুল আৰোপ কৰাৰ উদ্দেশ্যৰ ভিত্তিত শ্ৰেণী বিভাজন ঃ এই গোটত আমি পাওঁ (ক) ৰাজহ মাচুল আৰু (খ) সুৰক্ষামূলক মাচুল।

(ক) ৰাজহ মাচুল (revenue tariff) ঃ চৰকাৰৰ বাবে অধিক ৰাজহ সৃষ্টি কৰাৰ উদ্দেশ্যে এই মাচুলৰ আৰ্হি প্ৰস্তুত কৰা হয়। উন্নত দেশসমূহত প্ৰত্যক্ষ কৰৰ চিনাক্তকৰণ আৰু বিবিধ প্ৰয়োগৰ ফলত চৰকাৰৰ ৰাজহৰ উৎস হিচাপে শুল্কৰ গুৰুত্ব যদিও হ্ৰাস কৰা হৈছে, তথাপি কম উন্নত দেশসমূহত শুল্কই চৰকাৰৰ ৰাজহৰ উৎস হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজহৰ উৎস হিচাপে মাচুল আৰোপ কৰাৰ এটা সুৰক্ষামূলক প্ৰভাৱো আছে যিহেতু ইয়াৰ ফলত দেশীয় উপভোক্তাসকলৰ চাহিদা আমদানিকৃত সামগ্ৰীৰ পৰা দেশত নিৰ্মিত সামগ্ৰীলৈ স্থানান্তৰিত হয়।

(খ) সুৰক্ষামূলক মাচুল (Protective Tariff) ঃ বিদেশত উৎপাদিত সামগ্ৰীৰ বিধ্বংসী প্ৰতিযোগিতাৰ পৰা দেশীয়ভাৱে নিৰ্মিত সামগ্ৰীক সুৰক্ষিত কৰিবলৈ চৰকাৰে সুৰক্ষামূলক মাচুল আৰোপ কৰে। সুৰক্ষামূলক মাচুলৰ নিৰিখ বেছি হ'লে, সুৰক্ষামূলক প্ৰভাৱে বেছি হয়। একোটা বিশুদ্ধ সুৰক্ষামূলক মাচুলে বহির্দেশৰ পৰা আমদানি সম্পূৰ্ণৰূপে বন্ধ কৰে আৰু ইয়াৰ ফলত চৰকাৰৰ কোনো ৰাজহ সৃষ্টি নহয়। অৱশ্যে, কাৰ্যক্ষেত্ৰত, বিশুদ্ধ সুৰক্ষামূলক মাচুল থাকিব নোৱাৰে। যদি আমদানিৰ বাবে শক্তিশালী দেশীয় চাহিদা থাকে, তেতিয়া আমদানিকৃত সামগ্ৰীৰ চোৰাং সৰবৰাহৰ আশংকা থাকে। উচ্চ নিৰিখৰ সুৰক্ষামূলক মাচুল আৰোপিত হ'লে দেশীয় উৎপাদক সকল অধিক অকামিলা আৰু অদক্ষ হৈ পৰিব পাৰে।

(৩) বৈষম্যৰ ভিত্তিত শ্ৰেণী বিভাজন ঃ ইয়াত আমি দুই প্ৰকাৰৰ মাচুল পাও —
(ক) বৈষম্যহীন মাচুল আৰু (খ) বৈষম্যমূলক মাচুল।

(ক) বৈষম্যহীন মাচুল (Non-discriminatory tariff) ঃ এই ক্ষেত্ৰত কোন দেশৰ পৰা আহিছে সেই কথাৰ প্ৰতি গুৰুত্ব নিদি সকলো পণ্যৰ ক্ষেত্ৰতে এটাই মাথোঁ মাচুলৰ নিৰিখ আৰোপিত হয়। কিছুমান দেশৰ সৈতে থকা বাণিজ্যিক চুক্তিৰ বাবে কিছুমান নিৰ্দিষ্ট পণ্যত কম নিৰিখৰ মাচুল আৰোপিত হ'ব পাৰে। কিন্তু ঘৰুৱা দেশখনে আৰোপ কৰা মাচুল যেতিয়া আন সকলো দেশৰ পণ্যৰ ওপৰত আৰোপিত একে নিম্ন নিৰিখ অতিক্ৰম কৰে, তেতিয়া ইয়াক বৈষম্যহীন মাচুল বা ছিংগল কলাম টাৰিফ (single column tariff) বুলি কোৱা হয়। মাচুলৰ এই পদ্ধতি প্ৰয়োগৰ বাবে যদিও অত্যন্ত সহজ-সৰল, তথাপি ই সংশ্লিষ্ট দেশৰ উদ্যোগবিলাকৰ পৰিৱৰ্তনশীল প্ৰয়োজনীয়তা অনুসৰি খাপখাই পৰাকৈ স্থিতিস্থাপক নহয়।

(খ) বৈষম্যমূলক মাচুল (Discriminatory tariff) ঃ এই ক্ষেত্ৰত বেলেগ বেলেগ পণ্যৰ ক্ষেত্ৰত মাচুলৰ পৰিমাণ বেলেগ বেলেগ হয়। মনোগ্ৰাহী দেশত উৎপন্ন হোৱা সামগ্ৰীৰ ওপৰত অন্য দেশৰ সামগ্ৰীতকৈ কম নিৰিখৰ মাচুল আৰোপিত হয়। বৈষম্যমূলক মাচুল দুবিধ (double column tariff) বা বহুবিধ (multiple column tariff) মাচুলৰ সংযোজন হ'ব পাৰে। দুবিধ মাচুলৰ ব্যৱস্থাত সকলো বা কিছুমান পণ্যৰ ওপৰত দুটা আমদানি শুল্ক আৰোপিত হয়। দুয়োটা নিৰিখ চৰকাৰে হয় একেবাৰে আৰম্ভণিৰ পৰা ঘোষণা কৰিব পাৰে, নহয় অন্য দেশৰ সৈতে কিছুমান বাণিজ্যিক চুক্তিত স্বাক্ষৰ কৰাৰ পিছত অন্য নিৰিখ ঘোষণা কৰিব পাৰে। এই পদ্ধতি গ্ৰহণ কৰা একোখন দেশে বাণিজ্যিক চুক্তিবিলাকত আৰু দৰদাম কৰাৰ ওপৰত বিশ্বাস কৰে। বাণিজ্যিক চুক্তিত আৱদ্ধ হোৱাৰ পিছত একোটা নতুন মাচুলৰ নিৰিখ ঘোষিত হ'ব পাৰে, যি সংশ্লিষ্ট দেশৰ উদ্দেশ্য পূৰণ কৰে। দুবিধ সংযুক্ত মাচুল একোটা সাধাৰণ আৰু পৰম্পৰাগত বা সৰ্বাধিক আৰু সৰ্বনিম্ন মাচুল হ'ব পাৰে।

সাধাৰণ আৰু পৰম্পৰাগত মাচুল ঃ ইয়াত দুবিধ পৃথক মাচুলৰ সূচী আছে। সাধাৰণ মাচুলৰ সূচী ৰাজ্যিক বিধান মণ্ডলে বাণিজ্যিক চুক্তি অনুসৰি সময় সাপেক্ষে খাপখুৱাই লোৱা হ'ব বুলি ঘোষণা কৰি নির্ণয় কৰে। পৰম্পৰাগত মাচুলৰ সূচী হৈছে অন্য দেশবিলাকৰ সৈতে মাচুল আৰোপ কৰা দেশৰ বাণিজ্যিক চুক্তিৰ ফলত উদ্ভৱ হোৱা পৰিণতি। এই পদ্ধতিত একোখন দেশৰ ঘৰুৱা পৰিস্থিতি আৰু আৱশ্যকতাৰ পৰিৱর্তন অনুসৰি মাচুলৰ নিৰিখৰ পৰিৱর্তন কৰা নহয়। সংশ্লিষ্ট দেশসমূহৰ মাজত আলোচনা বা চুক্তি হোৱাৰ পিছতহে বা চলিত চুক্তিৰ ম্যাদ ওকলাৰ পিছতহে পৰিৱর্তনবিলাক সম্ভৱ হয়। তুলনামূলকভাৱে সাধাৰণ মাচুলৰ সুচী পৰিৱর্তনবিলাক সম্ভৱ হোৱাৰ বিপৰীতে পৰম্পৰাগত মাচুলৰ সুচী জটিল।

সর্বাধিক আৰু সর্বনিম্ন মাচুল ঃ এই পদ্ধতিৰ অধীনত মাচুলৰ দুটা নিৰিখ থাকে — সর্বাধিক আৰু সর্বনিম্ন মাচুলৰ নিৰিখ প্রতিবিধ পণ্যৰ বাবে স্থিৰ কৰা হয় আৰু সংশ্লিষ্ট দেশখনৰ চৰকাৰক অন্য দেশৰ পৰা আমদানিকৃত সামগ্রীৰ ওপৰত নির্দ্ধাৰিত নিৰিখ আৰোপ কৰিবলৈ অধিকাৰ প্রদান কৰা হয়। সর্বনিম্ন মাচুলৰ নিৰিখ সেইবিলাক দেশৰ আমদানিৰ ওপৰত আৰোপ কৰা হয়, যিবিলাক দেশ 'অতি বন্ধুত্বসূলভ ৰাষ্ট্রৰ দফা' অথবা পাৰস্পৰিক চুক্তিৰ আধাৰত ৰেহাই মূল্য পাবৰ বাবে যোগ্য, মাচুল আৰোপ কৰা দেশখনে আৰোপ কৰে। সর্বাধিক মাচুল নিৰিখ সংশ্লিষ্ট দেশে অন্য দেশৰ প্রতিবন্ধকতাৰ বিপৰীতে আৰোপ কৰে।

বহুস্তৰীয় মাচুল (multiple column tariffs) ঃ বহুস্তৰীয় মাচুলত তিনিটা বেলেগ বেলেগ নিৰিখৰ মাচুল থাকে — এটা সাধাৰণ নিৰিখ, এটা আন্তঃৰাষ্ট্রীয় নিৰিখ আৰু এটা অগ্রাধিকাৰভিত্তিক নিৰিখ। সাধাৰণ আৰু আন্তঃৰাষ্ট্রীয় নিৰিখৰ ওপৰত আলোচনা কৰা সর্বাধিক আৰু সর্বনিম্ন মাচুল হিচাপে গণ্য কৰিব পাৰি। অগ্রাধিকাৰভিত্তিক মাচুল সাধাৰণতে একোখন দেশে ঔপনিৱেশিক দেশৰ উৎপাদিত সামগ্রীৰ ওপৰত আৰোপ কৰে। সাধাৰণ মাচুলতকৈ অগ্রাধিকাৰভিত্তিক মাচুল তলত ৰখা হয়।

৪। **সামগ্রীৰ ভিত্তিত শ্রেণী বিভাজন ঃ** এই ক্ষেত্রত মাচুল হ'ব পাৰে (ক) আমদানি শুল্ক আৰু (খ) ৰপ্তানি শুল্ক।

(ক) আমদানি শুল্ক ঃ যেতিয়া একোখন দেশে বিদেশৰ পৰা অহা সামগ্রীৰ ওপৰত প্রৱেশৰ সময়ত মাচুল আৰোপ কৰে, তেনে মাচুলক কোৱা হয় আমদানি শুল্ক বা আমদানি মাচুল।

(খ) ৰপ্তানি শুল্ক ঃ যেতিয়া দেশে আন কোনো বিদেশী ৰাষ্ট্রত বিক্রীৰ বাবে ওলাই যোৱা সামগ্রীৰ ওপৰত মাচুল আৰোপ কৰে তেতিয়া সেই কৰ বা শুল্কক কোৱা হয় ৰপ্তানি শুল্ক বা ৰপ্তানি মাচুল।

(৫) প্রতিৰোধৰ ভিত্তিত শ্রেণী বিভাজন ঃ ইয়াত মাচুল দুই প্রকাৰৰ (ক) প্রতিৰোধমূলক মাচুল (retaliatory tariffs) (খ) ক্ষতিপূৰণ মাচুল (countervailing tariffs)

(ক) প্রতিৰোধমূলক মাচুল ঃ যেতিয়া একোখন বিদেশী ৰাষ্ট্রই একোখন ঘৰুৱা দেশৰ পৰা কৰা ৰপ্তানিৰ ওপৰত মাচুল আৰোপ কৰে আৰু ঘৰুৱা দেশখনে বিদেশী ৰাষ্ট্রৰ সামগ্রীৰ বিপৰীতে মাচুল আৰোপ কৰে, তেতিয়া ঘৰুৱা দেশখনে আৰোপ কৰা মাচুলক কোৱা হয় প্রতিৰোধমূলক মাচুল। এই মাচুল আৰোপ কৰোতে ঘৰুৱা দেশখনে ৰাজহ বৃদ্ধি কৰা অথবা ঘৰুৱা উদ্যোগবিলাকক সুৰক্ষা দিয়াৰ কোনো উদ্দেশ্য আগত নাৰাখে, বৰঞ্চ প্রতিৰোধমূলকভাৱে এই কাম কৰে।

(খ) ক্ষতিপূৰণমূলক মাচুল ঃ যেতিয়া বিদেশী ৰাষ্ট্রই ঘৰুৱা দেশখনৰ বজাৰলৈ বৃহৎ পৰিমাণৰ সামগ্রী ৰপ্তানি কৰে, তেতিয়া তেনে সামগ্রীৰ ওপৰত আৰোপিত কৰৰ ফলত যাতে এই বিদেশী সামগ্রীসমূহ উপভোগ কৰাৰ ক্ষেত্রত কোনোধৰণৰ অশুভ সুযোগ বিদেশী ব্যৱসায়ীয়ে ল'ব নোৱাৰে তাৰ বাবে ঘৰুৱা দেশখনে আৰোপ কৰা কৰক ক্ষতিপূৰণমূলক মাচুল বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ Ad Valorem মাচুল কি ?

.....

.....

৬.১০.২ অংশ বা সংৰক্ষণ

মাচুলৰ দৰে আমদানি সংৰক্ষণ বা অংশ (Import quotas) হৈছে এবিধ গুৰুত্বপূর্ণ সুৰক্ষাকাৰী আহিলা আৰু ই বাণিজ্যিক নিষেধাজ্ঞাৰ এবিধ পুৰণা পদ্ধতি।

একোটা আমদানি অংশ বুলিলে পণ্যৰ এটা স্থিৰ পৰিমাণ বা মূল্যক বুজোৱা হয় যাক এটা নির্দিষ্ট সময়ৰ বাবে ই সাধাৰণতে এবছৰ বা বিদেশৰ পৰা দেশলৈ আমদানি কৰিবলৈ দিয়া হয়। শাৰীৰিক পৰিমাণ অনুসৰি অথবা মুদ্রাগত মূল্যৰ হিচাপত বা দুয়োটাৰে এটা সংযোজন মতে আমদানিৰ অংশ স্থিৰ কৰা হয়। দেশভেদে আমদানিৰ অংশ প্রযোজ্য হোৱা সময়সীমা বেলেগ বেলেগ হ'ব পাৰে, আটাইতকৈ হ্রস্ব সময়খিনি হৈছে এমাহ আৰু দীর্ঘ হৈছে এবছৰ। পৰিমাণগত হিচাপত আৰোপিত অংশক প্রত্যক্ষ অংশ () বোলা হয় আৰু মূল্যৰ একক বা গোট হিচাপত আৰোপিত অংশক পৰোক্ষ অংশ () বোলা হয়। একোটা আমদানি অংশৰ বিস্তৃত উদ্দেশ্যৰাজি তলত দিয়াৰ দৰেঃ

(১) আমদানি এটা দক্ষ আৰু ফলপ্রসু ৰূপত কার্যকৰী কৰা।

(২) ওলোটাই পৰিশোধ কৰিবলৈ বাকী থকা ধনৰ শুধৰণি কৰিবলৈ আমদানি পৰীক্ষা কৰা।

(৩) বিদেশী প্রতিযোগিতাৰ পৰা দেশীয় উদ্যোগক সুৰক্ষা দিয়া।

(৪) আমদানিৰ প্রবাহত নিষেধাজ্ঞা আৰোপ কৰি দেশীয় মূল্যৰ স্তৰ বজাই ৰখা আৰু স্থিৰ কৰি ৰখা।

(৫) কিছুমান বিদেশী ৰাষ্ট্রই গ্রহণ কৰা নিষেধাজ্ঞামূলক বাণিজ্য নীতিৰ বিৰুদ্ধে প্রতিৰোধ গঢ়ি তোলা।

(৬) আমদানিৰ চাহিদা সীমাবদ্ধ কৰি দেশৰ দৰদাম কৰাৰ ক্ষমতা শক্তিশালী কৰা।

(৭) বিনিময় নিৰিখ, মাচুলৰ নিৰিখ, আভ্যন্তৰীণ মুদ্রা আৰু ধনার্জনৰ নীতিৰ আগতীয়া অনুমানৰ ভিত্তিত সম্ভাব্য আমদানি পৰীক্ষা কৰা।

আমদানি অংশৰ প্রকাৰ

আমদানি অংশক পাঁচটা প্রধান গোটত ত্যাগ কৰিব পাৰি (ক) মাচুল বা সীমান্ত শুল্কৰ অংশ, (খ) একপক্ষীয় অংশ, (গ) দ্বিপক্ষীয় অংশ, (ঘ) মিশ্রণ অংশ আৰু (ঙ) আমদানিৰ অনুজ্ঞা প্রদান।

(ক) মাচুল বা সীমান্ত শুল্কৰ অংশ (tariff or custom quota) ঃ

এই পদ্ধতিৰ অধীনত আমদানি কৰা দেশখনৰ চৰকাৰৰ দ্বাৰা শুল্কবিহীনভাৱে অথবা আমদানি শুল্কৰ এটা বিশেষ কম নিৰিখ আৰোপ কৰি একোটা নির্দিষ্ট পৰিমাণৰ পণ্য আমদানি কৰিবলৈ দিয়া হয়। কিন্তু এই নির্ধাৰিত পৰিমাণতকৈ অধিক আমদানি কৰিলে উচ্চ নিৰিখৰ শুল্ক আৰোপ কৰা হয়। একোটা মাচুলৰ অংশ হৈছে একোটা স্ব-আৰোপিত (autonomous) অংশ বা একোটা সন্মত (agreed) অংশ। স্ব-আৰোপিত মাচুৰ অংশ হৈছে অংশ আৰোপ কৰা দেশখনৰ সৈতে এক বা একাধিক বিদেশী ৰাষ্ট্রৰ চুক্তিৰ পৰিণতি। এই পদ্ধতিৰ এটা গুৰুত্বপূর্ণ সুবিধা হৈছে স্থিতিস্থাপকতা। অৱশ্যে, পদ্ধতিটোৰ কিছুমান আঁসোৱাহ নথকা নহয়। যিহেতু একোটা নির্দিষ্ট সীমালৈকে আমদানিবিলাকক শুল্কহীন বা কম নিৰিখৰ মাচুলত অনুমতি দিয়া হয়। সেয়ে কম নিৰিখৰ ফলত হোৱা সমগ্র প্রাপ্তি ৰপ্তানি কৰা দেশখনে লাভ কৰে। আকৌ কম নিৰিখত আমদানিৰ সুবিধা থকা বাবে হ'ব পৰা আমদানিৰ আধিক্যই আমদানি কৰা দেশখনৰ ঘৰুৱা মূল্যৰ স্তৰত বিৰূপ প্রভাৱ পেলাব পাৰে।

(খ) একপক্ষীয় অংশ (Unilateral Quota) ঃ একপক্ষীয় অংশ পদ্ধতিৰ অধীনত, এছোৱা নির্দিষ্ট সময়ত আমদানি কৰিবলগীয়া একোটা পণ্যৰ পৰিমাণৰ ওপৰত এখন দেশে একোটা নির্দিষ্ট সীমা বান্ধি দিয়ে। বিদেশী চৰকাৰসমূহৰ সৈতে আগতীয়া আলোচনা নকৰাকৈ এই সীমা আৰোপ কৰা হয়। এনেদৰে স্থিৰ কৰা একপক্ষীয় অংশ দুবিধ আছে— বিশ্বজনীন অংশ আৰু আৱণ্টিত অংশ। একোটা বিশ্বজনীন অংশৰ অধীনত, অংশৰ সম্পূর্ণ পৰিমাণ পর্যন্ত যিকোনো দেশৰ পৰা পণ্য আমদানি কৰাটো সম্ভৱ। ইয়াৰ বিপৰীতে, আৱণ্টিত অংশ পদ্ধতিৰ অধীনত কিছুমান নির্দিষ্ট যোগ্যতাৰ ভিত্তিত বেলেগ বেলেগ ৰপ্তানিকাৰী দেশৰ মাজত অংশৰ মুঠ পৰিমাণটো ভাগ কৰি দিয়া হয়।

ওচৰতে থকা ৰপ্তানিকাৰী দেশসমূহৰ ক্ষেত্রত বিশ্বজনীন অংশ পদ্ধতিটো দূৰত্বৰ ফালৰ পৰা সুবিধাজনক যদিও ইয়াক বৰ সন্তোষজনক উপায় হিচাপে গণ্য কৰা নহয়। তদুপৰি ই তুলনামূলকভাৱে ক্ষুদ্র আৰু কম সংগঠিত ৰপ্তানিকাৰীসকলৰ বিৰুদ্ধেও কাম কৰে। চৰকাৰে অংশ ঘোষণা কৰাৰ লগে লগে, আমদানিকাৰী সকল আমদানি কৰিবলৈ দৌৰি যায় আৰু পৰিণাম স্বৰূপে অধিক যোগান আৰু অতিপাত দামৰ তাৰতম্য সংঘটিত হয়। বিশ্বজনীন অংশ পদ্ধতিয়ে ঘৰুৱা উৎপাদনকাৰীসকলক যথোপযুক্ত সুৰক্ষাও প্রদান নকৰে।.

আৱণ্টিত অংশ পদ্ধতিত বিশ্বজনীন অংশ পদ্ধতিৰ এই আঁসোৱাহবোৰ দূৰ কৰিবলৈ যত্ন কৰা হয়। তথাপিও আৱণ্টিত অংশ পদ্ধতিটো আঁসোৱাহমুক্ত নহয়। ই যোগানৰ উৎসবিলাকক এক অপ্রত্যাশিত কঠোৰতা প্রদান কৰে। এই পদ্ধতি ব্যয় আৰু মানদণ্ডৰ ফালৰ পৰাও সুবিধাজনক নহয়। ইয়াত ৰপ্তানিকাৰী দেশসমূহক তেওঁলোকৰ আমদানিৰ অংশৰ ক্ষেত্রত আশ্বাস প্রদান কৰা হয় আৰু সেয়ে বিদেশী প্রতিষ্ঠানবিলাক একাধিপত্যবাদী কাম-কাজৰ বাবে প্ররোচিত হয়।

(গ) দ্বিপাক্ষিক অংশ (Bilateral quota) ঃ দ্বিপাক্ষিক অংশ পদ্ধতিৰ অধীনত আমদানিকাৰী দেশখন আৰু ৰপ্তানিকাৰী দেশ বা বিদেশী গোটবিলাকৰ মাজত হোৱা আলোচনাৰ জৰিয়তে অংশবিলাক স্থিৰ কৰা হয়। এই পদ্ধতিত কিছুমান সুবিধা আছে। দ্বিপাক্ষিক অংশ পদ্ধতিত পাৰস্পৰিক চুক্তিৰ দ্বাৰা অংশবিলাক থাৱৰ কৰা হয় আৰু ই বৈষম্যৰ সন্দেহ হ্রাস কৰে। এই পদ্ধতিত অত্যধিক মূল্যবৃদ্ধি এৰাই চলা হয় আৰু লগতে চুক্তিৰ জৰিয়তে ৰপ্তানিৰ একাধিপত্যও ৰোধ কৰা হয়। দ্বিপাক্ষিক অংশ পদ্ধতিটো কম স্বেচ্ছাচাৰী আৰু ফলত ৰপ্তানিকাৰী দেশসমূহৰ পৰা বিৰোধ নহয় বা কমকৈ হয় আৰু তাৰ বাবে প্রতিৰোধমূলক ব্যৱস্থা গ্রহণৰো প্রয়োজন নহয়।

অৱশ্যে এই পদ্ধতিৰো কিছুমান আঁসোৱাহ আছে। ই আন্তর্জাতিক বিপণী গঢ়ি উঠাত উদগণি যোগায় আৰু ব্যাপক হাৰত দুর্নীতিৰ বাট মুকলি কৰে। প্রত্যাশিত অংশ নিশ্চিত হোৱাৰ পিছত, ৰপ্তানিকাৰী দেশসমূহে আমদানিকাৰী দেশক অসুবিধাত পেলায় তেওঁলোকৰ সামগ্রীৰ দাম বঢ়াই দিব পাৰে। এই পদ্ধতিয়ে ব্যাপক হাৰক প্রতিযোগিতাৰ সৃষ্টি কৰিব পাৰে।

(গ) মিশ্রণ অংশ বা পৰোক্ষ অংশ (Mixing quota or indirect quota) ঃ এই পদ্ধতিত উৎপাদনকাৰীসকলে দেশীয়ভাৱে সম্পূর্ণ সামগ্রী (finished goods) উৎপন্ন কৰিবলৈ আমদানিকৃত অংশৰ সৈতে ঘৰুৱা কেচামালৰ নির্দিষ্ট অংশ ব্যৱহাৰ কৰে। সেয়ে মিশ্রণৰ অংশ ঘৰুৱা উৎপাদনত ব্যৱহাৰ কৰোতে বিদেশত নির্মিত কেঁচামালৰ (আমদানিকৃত) অংশ অনুসৰি নির্ধাৰণ কৰা হয়।


আমদানি অংশ পদ্ধতিৰ দুটা প্রাথমিক উদ্দেশ্য আছে— কেঁচামালৰ দেশীয় উৎপাদকসকলক সহায় কৰা আৰু মূল্যবান তথা বিৰল বিদেশী বিনিময় ৰক্ষা কৰা।

মিশ্রণ অংশক লৈও কেতবোৰ সমালোচনাৰ উদ্ভৱ হৈছে। আমদানিকৃত সামগ্রীৰ সৈতে নির্দিষ্ট অংশ হিচাপত উৎপাদন কার্যত ব্যৱহৃত দেশীয় কেঁচামালৰ ক্ষেত্রত নিম্ন মাদদণ্ডৰ হোৱাৰ আশংকা থাকে আৰু তেতিয়া উৎপাদনৰ মানো অংশ আৰোপকাৰী দেশখনত নিম্ন মানৰ হ'ব পাৰে। তদুপৰি, এই পদ্ধতিৰ ফলত তুলনামূলক দামৰ নীতিৰ পৰা ফালৰি কটাৰ আশংকা থাকে আৰু তাৰ ফলত ব্যয় গাঁথনি উচ্চ হৈ পৰিব পাৰে।

(ঙ) আমদানিৰ অনুজ্ঞা প্রদান (Licensing of import) ঃ আমদানিৰ অনুজ্ঞা প্রদান ব্যৱস্থাপনা অংশ নিয়ন্ত্রণৰ এটা পদ্ধতি হিচাপে বর্তি আছে। এই ব্যৱস্থাত নির্ধাৰিত অংশৰ ভিতৰত যিকোনো পৰিমাণৰ অংশৰ আমদানিৰ বাবে সম্ভাব্য আমদানিকাৰী সকলে উপযুক্ত কর্তৃপক্ষৰ পৰা এখন অনুজ্ঞাপত্র আহৰণ কৰিব লাগে।

আমদানি নিয়ন্ত্রণ কৰিবলৈ অনুজ্ঞাপত্র প্রদানৰ পদ্ধতিৰ কেতবোৰ সুবিধা আছে। অনুজ্ঞা প্রদানকাৰী কর্তৃপক্ষৰ আমদানিৰ ওপৰত এটা নিয়ন্ত্রণ থাকিব পাৰে। এই পদ্ধতিয়ে সন্দেহজনক কাম-কাজ ৰোধ কৰিব পাৰে। তদুপৰি, ই কামৰ ব্যাপক তাৰতম্য হ'বলৈ নিদিয়ে, স্থিতিস্থাপকতা নিয়ন্ত্রণ কৰে আৰু পৰিৱর্তিত পৰিস্থিতিৰ সৈতে খাপ খুৱাই ল'ব পাৰি, লগতে ই দেশৰ প্রয়োজনীয়তা অনুসৰি বিদেশী বিনিময়ৰ অর্থনৈতিক ব্যৱস্থাৰ নিশ্চিত কৰে।

অৱশ্যে, এই পদ্ধতিৰো কেতবোৰ নির্দিষ্ট আঁসোৱাহ আছে। এই ব্যৱস্থাত কেৱল প্রতিষ্ঠিত প্রতিষ্ঠানসমূহক অগ্রাধিকাৰ দিয়া হয় আৰু নতুন আমদানিকাৰীৰ প্রৱেশত বাধা দিয়া হয় আৰু যাৰ ফলত আমদানি বাণিজ্যত একাধিপত্যৰ বিকাশ ঘটিব পাৰে। এই পদ্ধতিৰ ফলত আমোলাতান্ত্রিক শাসক, স্বজন-তোষণ আৰু দুর্নীতিৰ সৃষ্টি হ'ব পাৰে। তদুপৰি, ইয়াৰ ফলত প্রতিষ্ঠিত আমদানিকাৰীৰ ক্ষুদ্র আৰু আগশাৰীৰ গোটবিলাকৰ হাতত অর্থনৈতিক ক্ষমতা কেন্দ্রীভূত হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ আমদানি অংশ কি?

.....

.....

৬.১০.৩ বিনিময় নিয়ন্ত্রণ (Exchange Control)

বিনিময় নিয়ন্ত্রণ বুলিলে বিদেশী বিনিময় বিষয়ত আৰু বিনিময়ৰ নিৰিখৰ ওপৰত চৰকাৰী হস্তক্ষেপ বুজায়। ই সেইবিলাক নিষেধাজ্ঞাক বুজায়, যিবিলাক বিদেশী বিনিময় ব্যৱসায়ত চৰকাৰে আৰোপ কৰে।

বিনিময় নিয়ন্ত্রণৰ উদ্দেশ্য

(১) কেতিয়াবা কিছুমান নির্দিষ্ট দেশৰ চৰকাৰে মুক্ত বজাৰত থকা দেশখনৰ প্রতিষ্ঠিত

মুদ্রাৰ স্তৰত এটা ওপৰৰ স্তৰত ইয়াৰ বিনিময়ৰ নিৰিখ স্থিৰ কৰিবলৈ আশা কৰিব পাৰে। দেশখনৰ মুদ্রাৰ মূল্যমানৰ ওপৰত মূল্যায়ন কৰিবলৈ কৰা এই আকাংক্ষা দুটা প্ৰধান কাৰণত সৃষ্টি হ'ব পাৰে— প্ৰথমে, যদি কোনো উন্নয়নশীল দেশে ইয়াৰ ঔদ্যোগিক বিকাশৰ বাবে কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা ব্যাপক হাৰত কেঁচামাল, যন্ত্ৰ-পাতি আদি আমদানি কৰিবলৈ ইচ্ছা কৰে, তেতিয়া দেশখনে ইয়াৰ মুদ্রাৰ বাবে এটা উচ্চ বিনিময় নিৰিখ সাধাৰণতে স্থিৰ কৰে। দ্বিতীয়তে, এখন দেশে আন এখন দেশক ঋণ পৰিশোধ কৰিবলগীয়া থাকিলে এনেদৰে বিনিময়ৰ উচ্চনিৰিখ নিৰ্ধাৰণে ঋণ পৰিশোধ কৰাত সহায় কৰে।

(২) পৰিশোধ কৰিবলৈ বাকী থকা ধনৰ নাটনি নোহোৱা কৰিবলৈ, দেশ একোখনে ৰপ্তানিক উৎসাহিত কৰি আমদানি হ্ৰাস কৰিবলগীয়া হয়। ইয়াৰ বাবে সামগ্ৰী আমদানি কৰিবলৈ ৰপ্তানিকাৰীসকলৰ দ্বাৰা বিদেশী বিনিময়ৰ উপাৰ্জন ব্যৱহাৰ সঠিক বিনিময় নিয়ন্ত্ৰণৰ জৰিয়তে পৰীক্ষা কৰা হয়। একোটা আমদানি নীতি বলৱৎ কৰিবলৈ বিনিময় নিয়ন্ত্ৰণ খুবেই দৰকাৰী। দেশৰ পৰিশোধ কৰিবলৈ বাকী থকা ধন হ্ৰাস কৰিবলৈও বিনিময় নিয়ন্ত্ৰণ সহায়ক হ'ব পাৰে।

(৩) একোখন দেশৰ বিনিময় নিৰিখৰ অপ্ৰত্যাশিত তাৰতম্য ৰোধ কৰিবৰ বাবে চৰকাৰে বিনিময় নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব পাৰে। একোখন দেশৰ চৰকাৰে স্বেচ্ছাই স্থিৰ কৰা নিৰিখত বিনিময়ৰ হাৰ বজাই ৰাখিবলৈ বিনিময় নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(৪) মুক্ত বিনিময় পদ্ধতিৰ অধীনত বিভিন্ন কাৰণত মূলধনৰ অপব্যয় হোৱাৰ বিপদ থাকে। মূলধনৰ এই আকস্মিক বহিৰ্গমনৰ ফলত দেশৰ অৰ্থনীতিত বিপজ্জনক পৰিণতিৰ সৃষ্টি হ'ব পাৰে। এনেদৰে কোনো নিৰ্দিষ্ট দেশৰ চৰকাৰে এনে মূলধনৰ বহিৰ্গমন ৰোধ কৰিবৰ বাবে বিনিময় নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব পাৰে।

(৫) বিদেশী বাণিজ্যত সঘনাই হৈ থকা ভাৰসাম্যহীনতা আঁতৰাবলৈ চৰকাৰে কেতিয়াবা বিনিময় নিয়ন্ত্ৰণ ব্যৱহাৰ কৰে।

(৬) দেশীয় উৎপাদকসকলক সুৰক্ষা দিবৰ বাবে কেতিয়াবা বিনিময় নিয়ন্ত্ৰণ ব্যৱহৃত হ'ব পাৰে। বিনিময় নিয়ন্ত্ৰণৰ জৰিয়তে, চৰকাৰে দেশখনলৈ আমদানিত নিষেধাজ্ঞা আৰোপ কৰিব পাৰে আৰু এনে কৰি দেশীয় উদ্যোগসমূহক কোনো ধৰণৰ বিদেশী প্ৰতিযোগিতাৰ আশংকা নোহোৱাকৈ কাম কৰিবলৈ সুযোগ দিব পাৰে।

(৭) অনাৱশ্যকীয় সামগ্ৰীৰ আমদানি নোহোৱা কৰিবলৈ বা নিষেধাজ্ঞা আৰোপ কৰিবলৈ একোখন উন্নয়নশীল দেশে বিনিময় নিয়ন্ত্ৰণ ব্যৱহাৰ কৰিব পাৰে।

(৮) বিনিময় নিয়ন্ত্ৰণৰ জৰিয়তে কিছুমান বিশেষ সামগ্ৰী আমদানি কৰাত বাধা আৰোপ কৰি চৰকাৰে তেনে সামগ্ৰীৰ আমদানি বন্ধ কৰিব পাৰে।

(৯) কিছুমান নিৰ্দিষ্ট দেশৰ সৈতে বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰিবৰ বাবেও একোখন দেশৰ চৰকাৰে বিনিময় নিয়ন্ত্ৰণ ব্যৱহাৰ কৰিব পাৰে। চৰকাৰে এনে

দেশসমূহৰ ক্ষেত্ৰত স্থিৰ আৰু সুবিধাজনক নিৰিখ আৰোপ কৰিব পাৰে।

বিনিময় নিয়ন্ত্ৰণৰ পদ্ধতি

বিনিময় নিয়ন্ত্ৰণৰ পদ্ধতি দুবিধ— একপক্ষীয় পদ্ধতি আৰু দ্বিপাক্ষিক বা বহুপাক্ষিক পদ্ধতি।

একপক্ষীয় পদ্ধতি হৈছে সেইবিলাক যিবিলাক অন্য দেশৰ সৈতে কোনো ধৰণৰ বুজাবুজি নকৰাকৈ একোখন দেশৰ চৰকাৰে গ্ৰহণ কৰিব পাৰে। একপক্ষীয় পদ্ধতিবিলাক তলত দিয়াৰ দৰে ঃ

(১) **বেংক নিৰিখৰ ব্যৱস্থা ঃ** যেতিয়া একোখন দেশৰ কেন্দ্ৰীয় বেংকে (Central Bank) বেংক নিৰিখ বৃদ্ধি কৰে, তেতিয়া আন সকলো সুতৰ হাৰে স্বয়ংক্ৰিয়ভাৱে সেই বেংক নিৰিখ অনুসৰণ কৰে। পৰিণাম স্বৰূপে, সেই দেশখনলৈ বিদেশী মূলধন আকৰ্ষিত হয়। দেশখনৰ মুদ্ৰাৰ চাহিদা বিদেশী ৰাষ্ট্ৰসমূহৰ বিনিময় বজাৰত বৃদ্ধি পায় আৰু পৰিণতিত অন্য মুদ্ৰাৰ তুলনাত বিনিময়ৰ নিৰিখ বৃদ্ধি পায়। দেশখনৰ কেন্দ্ৰীয় বেংকে যেতিয়া বেংক নিৰিখ কমাই দিয়ে তেতিয়া ইয়াৰ বিপৰীতটো হয়।

(২) **বিদেশী বাণিজ্যৰ ব্যৱস্থা ঃ** যেতিয়া কোনো এখন দেশৰ পৰিশোধ কৰিবলৈ বাকী থকা ধন অপ্ৰত্যাশিত হয় তেতিয়া দেশখনৰ চৰকাৰে তাৰ আমদানি নিয়ন্ত্ৰিত কৰি বিনিময়ৰ নিৰিখ নিয়ন্ত্ৰণ কৰে।

(৩) **বিদেশী বিনিময় সংগত কৰা ঃ** এই পদ্ধতিৰ অধীনত দেশখনত বিদেশী মুদ্ৰাৰ মুক্ত বেচা-কিনা নাথাকে। ৰপ্তানিকাৰী সকলে দেশীয় মুদ্ৰাৰ বিনিময়ত কেন্দ্ৰীয় বেংকত তেওঁলোকৰ বিদেশী বিনিময়ৰ উপাৰ্জন জমা দিব লাগে। দেশখনত চৰকাৰে দুৰ্লভ বিদেশী মুদ্ৰাৰ সংগত মূল্য নিৰ্ধাৰণ কৰে।

(৪) **বিনিময় স্থিৰিকৰণ ঃ** বিনিময় স্থিৰিকৰণ বুলিলে বজাৰত অৱতীৰ্ণ হোৱা সাধাৰণ নিৰিখতকৈ কম বা বেছি হাৰত চৰকাৰৰ দ্বাৰা বিনিময়ৰ নিৰিখ স্থিৰ কৰা বুজায়। যেতিয়া চৰকাৰে সাধাৰণ নিৰিখতকৈ ওপত এই নিখি সিৎৰ কৰে তেতিয়া ইয়াক কোৱা হয় উচ্চ স্থিৰিকৰণ (pegging up) আৰু যেতিয়া ইয়াক বজাৰৰ সাধাৰণ নিৰিখৰ তলত স্থিৰ কৰা হয় তেতিয়া কোৱা হয় নিম্ন স্থিৰিকৰণ (pegging down)। সম্প্ৰতি বিনিময় স্থিৰিকৰণ পদ্ধতিক বিনিময় নিয়ন্ত্ৰণৰ প্ৰধান আহিলা হিচাপে গণ্য কৰা হয়।

(৫) **বিনিময় সমতুল্যকৰণ পুঁজি বা বিনিময় দৃঢ়কৰণ পুঁজি ঃ** এই পুঁজিৰ প্ৰাথমিক উদ্দেশ্য হৈছে বিনিময়ৰ নিৰিখৰ তাৰতম্য ৰোধ কৰা।

(৬) **একাধিক বিনিময় নিৰিখ ঃ** কেতিয়াবা একোখন দেশে বেলেগ বেলেগ সামগ্ৰীৰ আমদানি-ৰপ্তানিৰ ক্ষেত্ৰত বেলেগ বেলেগ বিনিময় নিৰিখ আৰোপ কৰিব পাৰে, যাক কোৱা হয় একাধিক বিনিময় নিৰিখ। ৰপ্তানি, আমদানি মূলধনৰ অহা-যোৱাৰ

বাবে বিনিময় নিৰিখবিলাক বেলেগ বেলেগ হয়। একাধিক বিনিময় নিৰিখৰ প্ৰধান উদ্দেশ্য হৈছে একোখন দেশৰ ৰপ্তানি বৃদ্ধি কৰি আৰু আমদানি হ্ৰাস কৰি বিদেশী বিনিময়ৰ নিৰিখ বৃদ্ধি কৰা।


বিনিময় নিয়ন্ত্ৰণৰ দ্বিপাক্ষিক বা বহুপাক্ষিক পদ্ধতি তেতিয়াই সম্পন্ন হয় যেতিয়া দুখন বা ততোধিক দেশে বিনিময়ৰ নিৰিখ নিয়ন্ত্ৰণ কৰিবৰ বাবে কিছুমান নিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিবলৈ সন্মতি দিয়ে। প্ৰধান দ্বিপাক্ষিক বা বহুপাক্ষিক বিনিময় নিয়ন্ত্ৰণ পদ্ধতি তলত দিয়াৰ দৰে ঃ

(১) **পৰিশোধৰ চুক্তি ঃ** দুখন দেশৰ মাজত পৰিশোধ চুক্তি সম্পন্ন হয়, য'ত এখন দেশ হয় ধন পাওঁতা (creditor) আৰু আনখন ঋণী (debtor) দেশ। চুক্তি অনুসৰি ঋণী দেশখনে পাওঁতা দেশখনক মূল (principal) আৰু সুত (interest) পুনৰ পৰিশোধ কৰাৰ ব্যৱস্থা কৰা হয়। ধন পাবলগীয়া দেশখনে ঋণী দেশখনৰ পৰা কৰা আমদানিৰ ওপৰত কোনো ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰিবলৈ মুক্ত নহয় যদিও পাওঁতা দেশখনৰ পৰা ইয়াৰ আমদানিৰ পৰিমাণত নিষেধাজ্ঞা আৰোপ কৰিবলৈ ঋণী দেশখনে সৰ্বতো প্ৰকাৰে চেষ্টা চলাব পাৰে।

(২) **বিনিময় আদায় দিয়া চুক্তি ঃ** এই পদ্ধতিৰ অধীনত, আন্তৰ্জাতিক বাণিজ্যত জড়িত দুখন দেশে তেওঁলোকৰ সংশ্লিষ্ট বিদেশী পাওঁতা (respective foreign creditors)ক পৰিশোধ কৰে। কেন্দ্ৰীয় বেংকে তেওঁলোকৰ ফালৰ পৰা পাৰস্পৰিক চুক্তিৰ দ্বাৰা মুদ্ৰাৰ মূল্য স্থিৰ কৰাৰ পিছত প্ৰতিনিধিত্বমূলক দাবী পূৰণ কৰিবলৈ সেই ধন ব্যৱহাৰ কৰে। আমদানিকাৰীসকলে তেওঁলোকৰ পৰিশোধ কৰিবলগীয়া ধনৰাশি সংশ্লিষ্ট একাউণ্টত কেন্দ্ৰীয় বেংকত জমা দিব লাগে। যি দেশৰ বিদেশী বিনিময়ৰ সংৰক্ষণ কম বা নাই আৰু যি দেশ কিনাতকৈ বেছি বেচাত আগ্ৰহী, তেনে দেশৰ বাবে বিনিময় আদায় দিয়া চুক্তি সহায়ক হয়। এই পদ্ধতিৰ উদ্দেশ্য হৈছে পৰস্পৰৰ পৰিশোধ সম্পন্ন কৰা আৰু প্ৰাথমিক ধাৰণাটো হৈছে এনে একোটি চুক্তিত আবদ্ধ হোৱা দেশসমূহে তেওঁলোকৰ আমদানি আৰু ৰপ্তানি সমতুল্য কৰি ৰখা যাতে ইখন দেশৰ পৰা সিখন দেশে ধন দিয়া-লোৱাৰ প্ৰয়োজন নহয়।

(৩) **হস্তান্তৰ বিধি ঃ** এই হস্তান্তৰ বিধি (Transfer moratoria)ৰ অধীনত, আমদানিকৃত সামগ্ৰীৰ পৰিশোধ বা বিদেশী পুঁজিৰ ওপৰত দিবলগীয়া সুত লগে লগে দিয়া নহয়, বৰং দুয়োখন দেশৰ মাজত হোৱা চুক্তিত উল্লিখিত এক নিৰ্দিষ্ট পূৰ্বনিৰ্ধাৰিত সময়ৰ অন্তত দিয়া হয়। আমদানিকাৰী আৰু ঋণীয়ে দেশীয় মুদ্ৰা হিচাপত বিদেশক দিবলৈ থকা ধন কিছুমান কৰ্তৃত্বপ্ৰাপ্ত বেংকত জমা দিয়ে। নিৰ্ধাৰিত সময়সীমাৰ অন্তত বেংকে ৰপ্তানিকাৰী আৰু বিদেশী পাওঁতাক ধন পৰিশোধ কৰে।

(৪) **ক্ষতিপূৰণ চুক্তি ঃ** ক্ষতিপূৰণ চুক্তি হৈছে এবিধ ৰদ-বদল (barter) চুক্তি। ইয়াত বিদেশী বিনিময়ৰ বাবদ পৰিশোধ কৰাৰ প্ৰশ্ন নুঠে। দুখন দেশৰ আমদানি আৰু ৰপ্তানি পাৰস্পৰিকভাৱে সমতুল্য কৰা হয় আৰু ইয়াৰ জৰিয়তে ইখন দেশে সিখন দেশক ধন পৰিশোধ কৰিবলগীয়া নোহোৱা পৰিস্থিতিৰ সৃষ্টি কৰা হয় আৰু বিদেশী বিনিময়ৰ সমস্যা নাথাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ বিনিময় নিয়ন্ত্ৰণৰ অৰ্থ কি ?

.....

.....

৬.১০.৪ দেশীয় বাণিজ্য (State Trading)

দেশীয় বাণিজ্য বুলিলে বিদেশী বাণিজ্যত চৰকাৰৰ অংশগ্ৰহণ বুজোৱা হয়। দেশীয় বাণিজ্যৰ অধীনত চৰকাৰে কিছুমান বা সকলো বিদেশী বাণিজ্য সম্পন্ন কৰে। এনেদৰে দেশীয় বাণিজ্যৰ অৰ্থ হৈছে আন্তৰ্জাতিক বাণিজ্যত আংশিক বা সম্পূৰ্ণ দেশীয় একাধিপত্য।

বিশ্ব বাণিজ্যত দেশৰ অংশগ্ৰহণৰ বিকাশৰ বাবে থকা প্ৰধান কাৰকবিলাক তলত দিয়া হ'ল ঃ

(১) অৰ্থনৈতিক সমাজবাদৰ প্ৰসাৰ ঃ সমাজবাদী শক্তিসমূহে তেওঁলোকৰ সমাজবাদী আদৰ্শ অনুসৰি দেশীয় বাণিজ্যৰ পোষকতা কৰে, অৰ্থাৎ যিহেতু উৎপাদন ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, গতিকে বিতৰণো চৰকাৰৰ দ্বাৰা পৰিচালিত হ'ব লাগে। কিছুমান সমাজবাদী ধাৰণাৰ সৈতে সংগতি ৰাখি পুঁজিবাদক নিয়ন্ত্ৰণত ৰাখিবলৈও সমাজবাদী ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰীয় বাণিজ্যৰ পোষকতা কৰে। কিছুমান নিৰ্দিষ্ট সমাজবাদী উদ্দেশ্য আহৰণ কৰিবলৈ উন্নয়নশীল দেশসমূহেও বিদেশী বাণিজ্যত ৰাষ্ট্ৰীয় অংশগ্ৰহণৰ পোষকতা কৰে।

(২) অৰ্থনৈতিক পৰিকল্পনা ঃ অৰ্থনৈতিক পৰিকল্পনা কৰা দেশসমূহৰ বাবে বিদেশী বাণিজ্যত ৰাষ্ট্ৰীয় হস্তক্ষেপ খুবেই প্ৰয়োজনীয়, যাতে তেওঁলোকৰ পৰিকল্পনাৰ সৈতে আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত সংগতি ৰাখি নিয়ম পালন কৰা হয়।

(৩) বিদেশী বিনিময়ৰ নাটনিৰ সমস্যা ঃ পৰিশোধ কৰিবলৈ বাকী থকা ধন আৰু জমা থকা বিদেশী বিনিয়োগৰ নাটনিৰ সন্মুখীন হৈ থকা দেশসমূহে দেশীয় বাণিজ্যৰ কাৰ্যকলাপৰ পোষকতা কৰে।

দেশীয় বাণিজ্যৰ গঠন

(১) দেশখনে বিশ্ব বজাৰবিলাকত কিনা-বেচা কামত নিজকে নিয়োজিত কৰিব পাৰে।

(২) দেশখনৰ বিদেশী বাণিজ্য চলাবৰ বাবে ই স্বায়ত্তশাসিত সংস্থা প্ৰতিষ্ঠা কৰিব পাৰে।

(৩) চৰকাৰী নিয়মাৱলীৰ জৰিয়তে দেশখনে বেচৰকাৰী বাণিজ্যিক প্ৰতিষ্ঠানক ৰপ্তানি আৰু আমদানি কৰিবলৈ মঞ্জুৰ কৰিব পাৰে।

দেশীয় বাণিজ্যৰ উৎস

(১) দেশখনৰ বাণিজ্যৰ অৱস্থা উন্নত কৰা। দেশীয় বাণিজ্যৰ জৰিয়তে দেশখনৰ বাণিজ্যৰ অৱস্থা উন্নত কৰাটো নিৰ্ভৰ কৰে বিদেশী ৰাষ্ট্ৰত সন্মুখীন হোৱা বজাৰৰ প্ৰকাৰ, প্ৰতিযোগিতাৰ স্তৰ, লেনদেন কৰা সামগ্ৰীৰ প্ৰকৃতি আৰু দেশখনৰ বিদেশী বাণিজ্য নীতিৰ ওপৰত।

(২) আমদানি আৰু ৰপ্তানি নিয়ন্ত্ৰণ আৰু বিধিসন্মত কৰি একোটা পৰিকল্পিত অৰ্থনীতিত উন্নয়নৰ লক্ষ্যত উপনীত হোৱা।

(৩) দেশৰ ৰাজকোষৰ বাবে ৰাজহ আহৰণ কৰা।

(৪) দুৰ্লভ বিদেশী বিনিয়োগৰ সম্পদবিলাকৰ আশাপ্ৰদ আৱণ্টন লাভ কৰা আৰু দেশখনৰ পৰিশোধ কৰিবলগীয়া ধনৰ ক্ষেত্ৰত ৰক্ষাকৱচ নিশ্চিত কৰা।

(৫) উৎপাদকসকলৰ বাবে এটা উচ্চ দাম নিশ্চিত কৰা।

(৬) ৰপ্তানিক উৎসাহিত কৰা। যেতিয়া কিছুমান নিৰ্দিষ্ট সামগ্ৰী ৰপ্তানি কৰিবলৈ বেচৰকাৰী বাণিজ্যিক প্ৰতিষ্ঠানবিলাক আগবাঢ়ি নাহে, তেতিয়া দেশীয় বাণিজ্যই নতুন বাট মুকলি কৰিব পাৰে।

(৭) সামৰিক শক্তি আহৰণ কৰিবৰ বাবে। প্ৰতিৰক্ষা সঁজুলিবিলাক কেৱল দেশীয় সংস্থাসমূহেহে ক্ৰয় কৰে। সম্প্ৰতি বেছিভাগ দেশেই বেচৰকাৰী সংস্থাক যুদ্ধৰ আহিলাৰ লেনদেন কৰিবলৈ অনুমতি নিদিয়ে।

দেশীয় বাণিজ্যৰ সুবিধা

দেশীয় বাণিজ্যৰ সুবিধাবিলাক তলত দিয়াৰ দৰে ঃ

(১) যিহেতু দেশীয় বাণিজ্যিক সংস্থাই আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা বিনিময় নিৰিখ নিয়ন্ত্ৰণ কৰে, সেয়ে বিশ্ব বজাৰত দেশীয় বাণিজ্য অৰ্থনীতিয়ে অধিক মুক্তভাৱে দৰদাম কৰিব পাৰে।

(২) দেশীয় বাণিজ্যই আন্তৰ্জাতিক বজাৰত একোখন দেশৰ বাণিজ্যিক দৰদাম কৰাৰ সুযোগ বৃদ্ধি কৰে।

(৩) বিদেশী বাণিজ্যত দেশীয় বাণিজ্যৰ প্ৰসাৰিত বৈষম্যমূলক শক্তি থাকিব পাৰে।

(৪) দেশীয় বাণিজ্যৰ জৰিয়তে দেশখনৰ আমদানি সংগতিপূৰ্ণ কৰিব পাৰি। দেশীয় বাণিজ্যই কিছুমান নিৰ্দিষ্ট সামগ্ৰীৰ উপভোগত ৰাজসাহায্য আৰোপ কৰিব পাৰে আৰু লগতে অনাকাংক্ষিত, বিভ্ৰান্তিমূলক সামগ্ৰীৰ আমদানিত জৰিমনা আৰোপ কৰিব পাৰে।

(৫) দেশীয় বাণিজ্যক সুৰক্ষাৰ এবিধ আহিলা হিচাপেও ব্যৱহাৰ কৰিব পাৰি আৰু দেশখনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক কল্যাণ নিশ্চিত কৰাত প্ৰয়োগ কৰিব পাৰি।

(৬) দেশীয় বাণিজ্যই ৰপ্তানিৰ উদগণিৰ এবিধ ফলদায়ক আহিলা হিচাপে কাম কৰে।

(৭) দেশীয় বাণিজ্যই এবিধ ফলদায়ক আমদানি নিয়ন্ত্রণকাৰী উপায় হিচাপে কাম কৰে।

(৮) আমদানিকাৰী আৰু ৰপ্তানিকাৰীৰ দ্বাৰা কৰ ফাকি দিয়া অসৎ কার্য, অধিক মুনাফা অর্জন, ক'লা বজাৰ ইত্যাদি দেশীয় বাণিজ্যৰ দ্বাৰা নিয়ন্ত্রণ কৰিব পাৰি।

দেশীয় বাণিজ্যৰ অসুবিধা

দেশীয় বাণিজ্যৰ অসুবিধাবিলাক তলত দিয়াৰ দৰে ঃ

(১) দেশীয় বাণিজ্যই দ্বিপাক্ষিক বাণিজ্যৰ পোষকতা কৰে আৰু বহুপাক্ষিক বাণিজ্যক নিৰুৎসাহিত কৰে।

(২) যিহেতু একোখন দেশৰ নিচিনাকৈ ই লেনদেন কৰা অন্য দেশেও দেশীয় বাণিজ্য নীতি অনুসৰণ কৰে গতিকে দেশৰ বাণিজ্যৰ বিকাশ সাধন কৰাৰ লক্ষ্য ফলৱতী নহ'বও পাৰে।

(৩) দেশীয় বাণিজ্যৰ অধীনত প্রতিযোগিতা ৰোধ কৰা হয়, যাৰ ফলত দুর্নীতি, ৰঙাফিটাৰ মেৰপাক ইত্যাদিৰ দৰে ৰাজহুৱা একাধিপত্যৰ আঁসোৱাহবোৰে মূৰ দাঙি উঠিব পাৰে।

(৪) চলনশীল আন্তর্জাতিক বাণিজ্যৰ পৰিৱেশত একোটা তাৎক্ষণিক সিদ্ধান্ত গ্রহণ খুবেই প্রয়োজনীয় হৈ পৰে। কিন্তু দেশীয় বাণিজ্যৰ কেন্দ্রীকৃত আমোলাকতান্ত্রিক প্রশাসনৰ অধীনত এই আৱশ্যক পূৰণ কৰাটো সহজ নহয়।

(৫) বেচৰকাৰী ব্যৱসায় প্রতিষ্ঠানসমূহৰ তুলনাত দেশীয় বাণিজ্যৰ অধীনস্থ ব্যৱসায় প্রশাসন সাধাৰণতে পৰিমিতব্যয়ী নহয়।

(৬) দেশীয় বাণিজ্যই প্রায়েই আন্তর্জাতিক বাণিজ্যৰ গৃহীত নীতি অনুসৰি কাম নকৰে। ই তুলনামূলক ব্যয়ৰ সুবিধা আৰু আনুষংগিক বিশেষীকৰণবিলাক অনুসৰণ নকৰে। দৰাচলতে বিশেষীকৰণৰ প্রতিষ্ঠান দেশীয় বাণিজ্যৰ এটা জটিল সমস্যা।

(৭) দেশীয় বাণিজ্যই কেতিয়াবা একোখন দেশৰ বিদেশী বাণিজ্য বাধাগ্রস্ত কৰিব পাৰে। দীঘলীয়া চৰকাৰী পদ্ধতি আৰু আনুষ্ঠানিকতা, যাক বেচৰকাৰী বিদেশী বাণিজ্যিক প্রতিষ্ঠানে মানিব নুখুজিব পাৰে, সেয়ে বিদেশৰ সৈতে অর্থনৈতিক সম্পর্ক বাধাগ্রস্ত হ'ব পাৰে।

৬.১০.৫ পৰিত্যাগৰ বৈষম্য (Dumping)

পৰিত্যাগ (Dumping) মানে হৈছে বিদেশী বাণিজ্যত বৈষম্যমূলক একচেতীয়া দাম নির্ধাৰণ। ই দেশীয় আৰু বিদেশী বাণিজ্যত বেলেগ বেলেগ দামক বুজায়। হাবেলাৰে দিয়া সংজ্ঞা মতে পৰিত্যাগ বা dumping হৈছে 'বিদেশত এনে এটা দামত সামগ্রী বিক্রী কৰা, যিটো নিজ দেশৰ ভিতৰত একে বাতাৱৰণতে একে

সময়ত একেটা বস্তুৰ মূল্যতকৈ কম হয়, পৰিৱহণ ব্যয়ৰ বাবে যি কাম কৰা হয়।' যেতিয়া এজন উৎপাদকে ঘৰুৱা বজাৰত একাধিপত্য বিস্তাৰ কৰি তেওঁৰ সামগ্ৰীৰ বাবদ উচ্চ হাৰত দেশীয়ভাৱে দামলয় আৰু বিদেশী বজাৰত কম দাম লয়, তেতিয়াই পৰিত্যাগ বা কৰা বুজায়। একেদৰে, পৰিত্যাগৰ ওলোটা পৰিস্থিতিত একোজন উৎপাদকে নিম্ন দেশীয় দাম ধার্য কৰে আৰু সামগ্ৰীৰ বাবে উচ্চ বিদেশী দাম ধার্য কৰে।

আন্তর্জাতিক বাণিজ্য ক্ষেত্রখনত পৰিত্যাগ হৈছে একচেতীয়া কার্যকলাপৰ এবিধ আমোদজনক উদাহৰণ। ইয়াৰ অর্থ হৈছে একেটা বস্তুকে দেশীয় আৰু বিদেশী বজাৰত বেলেগ বেলেগ দামত বিক্রী কৰা। পৰিত্যাগে ৰপ্তানিকাৰীক বিদেশী বজাৰত প্রতিদ্বন্দ্বিতা কৰিবলৈ সক্ষম কৰি তোলে আৰু কম দামত সামগ্রী বিক্রী কৰি বজাৰ দখল কৰিবলৈ সুযোগ দিয়ে। কেতিয়াবা ৰপ্তানিকাৰীয়ে ব্যয়ৰ তলতো সামগ্রী বিক্রী কৰিব পাৰে আৰু বিক্রয় ৰাজহৰ নাটনি পূৰণ কৰিবলৈ তেওঁ দেশীয় ক্রেতাসকলৰ পৰা অধিক দাম আদায় কৰে। এনেদৰে উচ্চ নিৰিখৰ দেশীয় দামে বিদেশী দামৰ এটা অংশক ৰাজসাহায্য প্রদান কৰে আৰু ইয়াৰ জৰিয়তে ৰপ্তানিক উৎসাহিত কৰাত সহায় কৰে। তেতিয়া ৰপ্তানিৰ উপার্জন দেশীয় উদ্যোগৰ বিকাশক উদগণি যোগাবলৈ ব্যৱহাৰ কৰিব পাৰি, যিটো অন্য উপায়েৰে সম্ভৱপৰ নহয়। আকৌ, পৰিত্যাগৰ জৰিয়তে উৎপাদনকাৰীয়ে তেওঁৰ সামগ্রীৰ বাবে বিদেশী বজাৰৰ আকাৰ বঢ়াব পাৰে আৰু তাৰ জৰিয়তে তেওঁৰ বিনিয়োগৰ আশংকা হ্রাস কৰিব পাৰে।

পৰিত্যাগত দামৰ বৈষম্য জড়িত হৈ থাকে আৰু তলত দিয়া চর্তাৱলীৰ ওপৰত ইয়াৰ সফলতা নির্ভৰ কৰে ঃ

(১) উৎপাদনকাৰীয়ে একচেতীয়া ক্ষমতা কিছু পৰিমাণে হ'লেও প্রয়োগ কৰিব লাগিব, অন্ততঃ ঘৰুৱা বজাৰত।

(২) স্পষ্ট ৰূপত বেলেগ বেলেগ বজাৰ থাকিব লাগিব।

(৩) বেছি দামৰ বজাৰৰ পৰা বস্তু নিকিনি কম দামৰ বজাৰলৈ গৈ পুনৰ ক্রয় কৰাৰ সুযোগ ক্রেতাৰ বাবে থাকিব নালাগিব।

(৪) দুখন বেলেগ বেলেগ বজাৰত চাহিদাৰ বেলেগ বেলেগ স্থিতিস্থাপকতা থাকিলেহে দামৰ বৈষম্য সম্ভৱ হয়।

পৰিত্যাগৰ প্রকাৰ

(১) চেগাচোৰোকা পৰিত্যাগ (Sporadic Dumping) ঃ দেশীয় বজাৰত বিক্রী কৰিব নোৱৰা জমা থকা সামগ্রীৰ ব্যৱস্থা কৰিবৰ বাবে ব্যৱসায়িক সময়ৰ শেষত চেগাচোৰোকা পৰিত্যাগ সম্পন্ন কৰা হয়।

(২) বলপূর্বক পৰিত্যাগ (Predatory Dumping) ঃ ইয়াৰ অর্থ হৈছে সামগ্রীৰ প্রান্তীয় ব্যয় (marginal cost)ৰ হিচাপত নকৰি গড় ব্যয় (average cost)ৰ হিচাপত বিদেশত লোকচানত বিক্রী কৰা। বলপূর্বক পৰিত্যাগৰ লক্ষ্য হৈছে প্রতিদ্বন্দ্বী প্রতিষ্ঠানবিলাকক

অতিক্রম কৰি বিদেশী বজাৰত খোপনি পোতা। এনেদৰে বজাৰত খোপনি পোতাৰ পিছত আৰু প্রতিদ্বন্দ্বীৰ পৰা অহা প্রতিযোগিতা জয় কৰাৰ পিছত দাম বৃদ্ধি কৰা হয়।

(৩) নেৰানেপেৰা পৰিত্যাগ (Persistent Dumping) ঃ যেতিয়া এজন উৎপাদকে কোনো এখন বজাৰত আনতকৈ কম দামত একেৰাহে তেওঁৰ সামগ্রী বিক্রী কৰে তেতিয়া ইয়াৰ নেৰানেপেৰা পৰিত্যাগ বোলা হয়। কোনো এবিধ নির্দিষ্ট সামগ্রীৰ চাহিদা যেতিয়া বেলেগ বেলেগ বজাৰত বেলেগ বেলেগ হয় তেতিয়া ইয়াৰ প্রয়োজন হয়। উদাহৰণ স্বৰূপে, যদি একোটা নির্দিষ্ট পণ্যৰ দেশীয় চাহিদা অস্থিতিস্থাপক হয় আৰু সেই সামগ্রীৰ বিদেশী চাহিদা অতিশয় স্থিতিস্থাপক হয় তেতিয়া উৎপাদকে সামগ্রীবিধৰ এটা বৃহৎ পৰিমাণ বিদেশী বজাৰত কম দামত বিক্রী কৰিব পাৰে আৰু দেশীয় বজাৰত বেছি দামত কম পৰিমাণ বিক্রী কৰিব পাৰে।

বিদেশী ৰাষ্ট্রই কৰা পৰিত্যাগ একোখন দেশৰ ঘৰুৱা উৎপাদকসকলে অকামিলা কৰি তুলিব পাৰে আৰু পৰিত্যাগ-বিৰোধী এটা পদক্ষেপ হিচাপে সংশ্লিষ্ট দেশখনে এখন মাচুল দেৱাল (tariff wall) নির্মাণ কৰিব লাগে।

৬.১০.৬ ৰাজসাহায্য

দেশীয় উৎপাদকসকলক ৰাজসাহায্য প্রদান কৰি চৰকাৰে ঘৰুৱা উদ্যোগৰ প্রতি সুৰক্ষাৰ নীতি মঞ্জুৰ কৰে। কৰ ৰেহাই, উন্নয়নৰ ক্ষেত্রত সকাহ বা কৰ কর্তনৰ ৰূপত ৰাজসাহায্য দিয়া হয়। কেতিয়াবা উৎপাদন ব্যয়ৰ এটা অংশও ৰাষ্ট্রই বহন কৰিব পাৰে। যেতিয়া উৎপাদনৰ ব্যয় অধিক হয় আৰু সেইবিলাকে যেতিয়া বিদেশী সামগ্রীৰ সৈতে প্রতিযোগিতাত ফেৰ মাৰিব নোৱৰা হয় বা কম দামত সামগ্রী বিক্রী কৰিবলৈ অপাৰগ হয় তেতিয়া ৰাজসাহায্য প্রদান কৰা হয়।

তদুপৰি, ৰপ্তানিকাৰীসকলক উৎসাহ দিবৰ বাবে চৰকাৰে ৰপ্তানিৰ সাহায্য বা পুৰস্কাৰো দিব পাৰে। ৰপ্তানিৰ সাহায্য বা পুৰস্কাৰে দেশীয় সামগ্রীৰ দাম হ্রাস কৰে আৰু তেতিয়া ৰপ্তানিকাৰীসকলে বিদেশী বজাৰত সেইবিলাক কম দামত বিক্রী কৰিব পাৰে আৰু ৰপ্তানি বৃদ্ধি পায়। সাহায্য আৰু পুৰস্কাৰে প্রায়ে আমদানি হ্রাস কৰে আৰু ৰপ্তানি বৃদ্ধি কৰে, ফলত অধিক দক্ষ ব্যৱহাৰৰ পৰা কম দক্ষ ব্যৱহাৰলৈ সম্পদৰ ৰূপান্তৰ সম্ভৱ হয়।

বিদেশৰ একোখন চৰকাৰে ৰপ্তানিত ৰাজহায্য আৰোপ কৰাৰ বিপৰীতে, আমদানিকাৰী দেশখনে শুল্ক আৰোপ কৰিব পাৰে আৰু তেনে কৰি ৰপ্তানিকাৰী দেশখনে আৰোপ কৰা ৰাজসাহায্য আমদানিকাৰী দেশখনৰ বহিঃ শুল্কলৈ ৰূপান্তৰ কৰিব পাৰে।

৬.১০.৭ আন্তর্জাতিক বিপণী

দুখন বা ততোধিক দেশত উৎপাদনৰ সমান্তৰালভাৱে উৎপাদকসকলে একোখন আন্তর্জাতিক বিপণী গঢ়ি তোলে। এনে ক্ষেত্রত দেশবিলাক উৎপাদন কার্য আৰু একচেতীয়া বিক্রীৰ বাবে সন্মত হয়। আন্তর্জাতিক বিপণীসমূহে বিদেশী বজাৰত প্রতিযোগিতা নোহোৱা কৰিবলৈ চেষ্টা কৰে। স্পষ্ট চুক্তিৰ জৰিয়তে একোখন বিপণীৰ সদস্যসকলে একোটা সংগঠিত সংস্থা গঢ়ি তোলে। এই সংস্থাই তেওঁলোকক অধিক মুনাফাৰ নিশ্চয়তা প্রদান কৰে, যিটো অন্য উপায়েৰে সম্ভৱ নহয়।

কেচামালৰ পৰা খনিজলৈকে, ৰাসায়নিক পদার্থ; ৰঙীন সামগ্রী, চিকিৎসা সামগ্রী আৰু বৈদ্যুতিক সামগ্রীৰ দৰে বিভিন্ন প্রস্তুত সামগ্রীলৈকে সামৰি বিপণীৰ পৰিসৰ অত্যন্ত বিস্তৃত।

সাধাৰণতে তুমুল প্রতিযোগিতাৰ আশংকা কৰি আৰু একাধিপত্য নিয়ন্ত্রণৰ আশাৰে বিপণীবিলাক গঢ়ি তোলা হয়।

বিপণীবিলাকৰ প্রধান উদ্দেশ্যৰাজি তলত দিয়া হ'ল ঃ

(১) দামৰ ওপৰত নিয়ন্ত্রণ লাভ কৰা। বিপণীবিলাকে প্রায়ে একোটা প্রতিযোগিতামূলক দামৰ ওপৰত দাম স্থিৰিকৰণৰ ব্যৱস্থা কৰে। ইয়াৰ জৰিয়তে উচ্চ নিৰিখৰ একচেতীয়া মুনাফা অর্জন কৰে।

(২) সামগ্রীৰ মান হ্রাস কৰা। বিপণী গঠন হ'লে ক্রেতাই নিজকে সামগ্রীৰ নিম্নমানৰ বাবে সুৰক্ষিত কৰিব নোৱাৰে, যিহেতু তেওঁলোকে সামগ্রীৰ বিভিন্নতাৰ মাজৰ পৰা বাছি লোৱাৰ সুযোগ পায়।

(৩) বিপণীৰ প্রতিজন সদস্যকে বাণিজ্যিক অঞ্চল আৱণ্টন দিয়া, যাতে তেওঁলোকে আবণ্টিত সংশ্লিষ্ট বজাৰত একাধিপত্য চলাব পাৰে।

(৪) যোগানৰ কঠোৰতা আৰোপ কৰা আৰু তাৰ জৰিয়তে প্রতিজন বিপণী সদস্যকে অংশ প্রদান কৰা।

(৫) চলিত পৰিকল্পনা আৰু উৎপাদনী ব্যৱস্থা সম্পূর্ণৰূপে অকামিলা নোহোলৈকে কাৰিকৰী পৰিৱর্তন ৰোধ কৰা।

আন্তর্জাতিক বিপণীৰ সুবিধাবিলাক তলত দিয়াৰ দৰে ঃ

(১) ব্যৱসায়ৰ তুলনা হোৱাৰ ফলত, বৃহৎ পৰিমাণৰ উৎপাদন সম্ভৱ হয় আৰু বিপণীবিলাকৰ জৰিয়তে সামগ্রী কম দামত বিক্রী কৰা হয়।

(২) বিপণীৰ বাবে অপচয় হ'ব পৰা প্রতিযোগিতা নোহোৱা হয়।

(৩) বিপণীৰ জৰিয়তে অতিৰিক্ত সক্ষমতাৰ সমস্যাও সমাধান হয়।

বিপণীৰ অসুবিধাবিলাক হৈছে ঃ

(১) বিপণীয়ে আন্তর্জাতিক বাণিজ্যৰ আকাৰ হ্রাস কৰে; কিয়নো ইয়াত কঠোৰতাপূর্ণ উৎপাদন আৰু উচ্চ দামৰ নীতি অনুসৰণ কৰা হয়।

(২) আন্তর্জাতিক বিপণীয়ে বিশ্বৰ সম্পদৰাজিৰ আৰু মানৱ শক্তিৰ ব্যৱহাৰ হ্রাস কৰে, কিয়নো বিপণীৰ সদস্যসকল উৎপাদনৰ অংশ পদ্ধতি অনুসৰণ কৰে আৰু প্রতিযোগিতা নহয়।

৬.১০.৮ আন্তর্জাতিক পণ্য চুক্তি

আন্তর্জাতিক পণ্য চুক্তি (International commodity agreements) বুলিলে চৰকাৰৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা আন্তর্জাতিক বিপণীক বুজায়। এইবিলাক হৈছে দৰাচলতে আন্তঃচৰকাৰী ব্যৱস্থাপনা, যি কিছুমান নির্দিষ্ট কেঁচামাল আৰু কফি, চেনী, ঘেহু ইত্যাদিৰ দৰে কৃষিজাত সামগ্রীৰ উৎপাদন আৰু বাণিজ্যৰ সৈতে সম্পর্কযুক্ত। বেচৰকাৰী বিপণীসমূহৰ বিপৰীতে, আন্তর্জাতিক পণ্য চুক্তিৰ অধীনত বৃহৎ সংখ্যক স্বাধীন উৎপাদনকাৰীক একেলগ কৰিবলৈ চৰকাৰসমূহৰ দ্বাৰা ব্যৱস্থা কৰা হয়, যিসকল উৎপাদনকাৰীয়ে অন্য উপায়েৰে জটিলতাপূর্ণ কার্যবিলাক সম্পন্ন কৰিবলৈ একগোট হ'ব নোৱাৰিলেহেঁতেন। তদুপৰি, বিপণীসমূহৰ বিপৰীতে আন্তর্জাতিক পণ্য চুক্তিত যোগান আৰু মূল্য নীতি নির্ধাৰণত উপভোক্তাৰ স্বার্থৰ কথা বিবেচনা কৰে। ইয়াত উৎপাদনৰ ক্ষেত্রত বাধা-নিষেধ নাথাকে, অধিক দাম নিম্ন মানদণ্ডৰ ঘটনাও নঘটে।

আন্তর্জাতিক পণ্য চুক্তিবিলাক হৈছে বেছিভাগ ক্ষেত্রত সুচল চৰকাৰী নীতিৰ পৰিণাম স্বৰূপে মূৰ দাঙি উঠা আগশাৰীৰ দেশৰ মাজত আন্তঃ চৰকাৰী চুক্তি।

আন্তর্জাতিক পণ্য চুক্তিবিলাকে মুক্ত বজাৰ শক্তিসমূহৰ ফলপ্রসু কাম-কাজত বাধাৰ সৃষ্টি কৰে বুলি ইয়াৰ প্রায়ে বিৰোধিতা কৰা হয়।

অৱশ্যে অধ্যাপক ক্রাউছে (Professor Krause) পণ্য চুক্তিৰ ক্ষেত্রত কিছুমান আশাৰ কথা উল্লেখ কৰিছে, যদিহে সিবিলাকে কিছুমান নির্দিষ্ট মান বজাই ৰাখে, যেনে— উপভোক্তাৰ স্বার্থ চিনাক্ত কৰা, অতিৰিক্ত সক্ষমতা নোহোৱা কৰা আৰু অর্থনৈতিক সমৃদ্ধিৰ জৰিয়তে আয় আৰু উপভোগ বৃদ্ধি কৰা।

৬.১১ সুৰক্ষাৰ প্রভাৱ

বাণিজ্যিক সুৰক্ষাৰ একোখন দেশৰ বৃহৎ অর্থনীতি আৰু বিশ্ব অর্থনীতিত কিছুমান নির্দিষ্ট প্রভাৱ থাকে। সুৰক্ষাৰ প্রভাৱবিলাকৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

(১) শুল্ক আৰোপ কৰাৰ ফলত শুল্কৰ পৰিমাণৰ দ্বাৰা আমদানিকৃত সামগ্রীৰ দাম বৃদ্ধি হয়। ইয়াৰ ফলত থলুৱা উদ্যোগে ইয়াৰ উৎপাদন বৃদ্ধি কৰাৰ সুযোগ পায়। শুল্ক আৰোপ কৰাৰ ফলত দেশীয় উদ্যোগৰ এই উৎপাদন বৃদ্ধিক কোৱা হয় সুৰক্ষামূলক প্রভাৱ (protective effect)।

(২) যেতিয়া একোটা শুল্ক আৰোপ কৰা হয়, তেতিয়া ইয়াৰ পৰিণাম স্বৰূপে পণ্যৰ মুঠ উপভোগ হ্রাস পায়। আমদানিকৃত সামগ্রীৰ দাম বঢ়াৰ ফলত, লগতে অধিক উৎপাদনী

ব্যয়ৰ বাবে দেশীয় সামগ্ৰীৰো দাম বঢ়াত, সংশ্লিষ্ট পণ্যৰ মুঠ উপভোগ আগতকৈ কম হয়। শুল্ক আৰোপ কৰাৰ ফলত এনেদৰে উপভোগ হ্ৰাস পোৱাটোক কয় উপভোগ প্ৰভাৱ (consumption effect)।

(৩) শুল্ক আৰোপ কৰাৰ ফলত, যেতিয়ালৈকে সমুদায় আমদানিকে বন্ধ কৰি দিয়াকৈ শুল্ক সিমান অধিক নহয়, তেতিয়ালৈকে চৰকাৰৰ ৰাজহ বৃদ্ধি পায়। শুল্ক আৰোপ কৰাৰ ফলত চৰকাৰৰ ৰাজহ বৃদ্ধিক কোৱা হয় ৰাজহ প্ৰভাৱ (revenue effect)।

(৪) আকৌ, শুল্ক আৰোপ কৰাৰ ফলত কেৱল আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি পাব এনে নহয়, বৰং দেশীয় সামগ্ৰীৰো দাম বাঢ়িব পাৰে। এই ক্ষেত্ৰত উপভোক্তাই সামগ্ৰীৰ বিনিময়ত অধিক দাম দিব লাগে, যাৰ ফলত উপভোগ কৰা শ্ৰেণীৰ পৰা উৎপাদন কৰা শ্ৰেণীলৈ উপার্জন স্থানান্তৰিত হয়। যদি দীৰ্ঘ সময় ধৰি দাম বাঢ়ি থাকে, উৎপাদনকাৰীৰ হাতত থকা নতুন সম্পদ বিৰল কাৰকৰ গৰাকীলৈ হস্তান্তৰ হ'ব পাৰে, যাৰ ফলত তেওঁলোকে নিজৰ সেৱাৰ বাবে অধিক মাননী লাভ কৰে। ইয়াক পুনৰ বিতৰণৰ প্ৰভাৱ (redistributive effect) বুলি কোৱা হয়।

(৫) শুল্ক বা tariff duty বুলিলে সাধাৰণতে মাচুল আৰোপ কৰা দেশখনৰ বাবে কৰা বাণিজ্যক বুজোৱা হয়। অৱশ্যে যদিহে এনেদৰে সংশ্লিষ্ট দেশখনৰ সামগ্ৰীৰ ওপৰত অন্য দেশে ওলোটা শুল্ক (counter-duties) আৰোপ কৰি ক্ষতিপূৰণৰ ব্যৱস্থা কৰে, তেতিয়া বাণিজ্যৰ ক্ষেত্ৰত সুবিধাজনক প্ৰভাৱ নোহোৱা হ'ব।

(৬) যেতিয়া শুল্ক আৰোপ কৰা হয়, তেতিয়া আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি হৈ সিবিলাকৰ চাহিদা সাধাৰণতে হ্ৰাস পায়। দেশীয় উপভোক্তাসকলে বচোৱা ধন এতিয়া থলুৱা পণ্যৰ ওপৰত ব্যয় কৰা হয়। কাজেই থলুৱা সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলৈ, কামত নলগা সম্পদ আৰু মানৱ শক্তিক ব্যৱহাৰ কৰা হয় আৰু যাৰ ফলত দেশত উপার্জন বৃদ্ধি পোৱাৰ লগতে নিয়োগ বৃদ্ধি পায়। ইয়াক সুৰক্ষামূলক মাচুলৰ আয় প্ৰভাৱ বোলা হয়।

(৭) অন্ততঃ আৰম্ভণিৰ পর্যায়ত শুল্ক আৰোপ কৰাৰ ফলত একোখন দেশৰ পৰিশোধ কৰিবলৈ বাকী থকা ধনৰ ওপৰত সুবিধাজনক প্ৰভাৱ পৰে, য়িনো ইয়াৰ ফলত সংশ্লিষ্ট দেশৰ আমদানি হ্ৰাস পায়। অৱশ্যে, সংশ্লিষ্ট দেশখনৰ ৰপ্তানিৰ ওপৰত যদি অন্য দেশে ওলোটা শুল্ক (counter-duties) আৰোপ কৰি ক্ষতিপূৰণ আদায় কৰে তেতিয়া দীর্ঘম্যাদি ক্ষেত্ৰত এই সুবিধাজনক প্ৰভাৱ নাথাকে।

(৮) সুৰক্ষাৰ এটা গুৰুত্বপূর্ণ প্ৰভাৱ হৈছে এইটোৱেই যে আমদানি অংশ আৰোপ কৰাৰ ফলত, উৎপাদন আৰু সামগ্ৰীৰ পছন্দ সীমাবদ্ধ হয়। এই অংশবিলাকৰ কাৰণে উপভোক্তাই মানদণ্ড, পৰিমাণ আৰু সামগ্ৰীৰ প্ৰকাৰৰ ক্ষেত্ৰত বাছনি কৰাৰ সুবিধা খুবেই সীমাবদ্ধ হ'ব, অন্যথা তেওঁলোকে বাণিজ্যিক সুৰক্ষা নোহোৱাকৈ এই সুবিধাৰাজি পালেহেঁতেন।

(৯) একোখন দেশে ইয়াৰ চালুকীয়া উদ্যোগৰ সুৰক্ষাৰ নীতি গ্ৰহণ কৰিব পাৰে, কিন্তু কিমান দীঘলীয়া হ'ব, সেয়া এক গুৰুত্বপূৰ্ণ বিষয়। একোটা চালুকীয়া উদ্যোগক সুৰক্ষা প্ৰদান কৰাৰ বিনিময়ত চৰকাৰে যথেষ্ট পৰিমাণৰ ব্যয় কৰিবলগীয়া হ'ব পাৰে।

(১০) বাণিজ্যিক সুৰক্ষাৰ নীতি কাৰ্যকৰী কৰিলে দেশসমূহে তাৰ আনুষংগিক পদক্ষেপ গ্ৰহণ কৰিবই। দেশবিলাকে সাধাৰণতে যিবোৰ বজাৰত সামগ্ৰী বিক্ৰী কৰিব পাৰিছিল, সেইবিলাক বিক্ৰী কৰিব নোৱৰা হ'লে ক্ষতিপূৰণমূলক পদক্ষেপ গ্ৰহণ কৰিব। যদি তেনে দেশসমূহ ৰাজনৈতিক আৰু সামৰিক সহযোগী ৰাষ্ট্ৰ হয়, তেতিয়া তেওঁলোকে আনখন দেশৰ পদক্ষেপৰ সৈতে মোকাবিলা কৰিবলৈ সমানুপাতিক প্ৰতিযোগিতাৰ মাচুল, অংশ, ৰাজসাহায্য, বিনিময় নিয়ন্ত্ৰণ আৰু অন্য সুৰক্ষা পদ্ধতিবিলাক অৱলম্বন কৰিব। এখন বাণিজ্যিক যুদ্ধ বুলিলে মুঠৰ ওপৰত বৰ্ধিত আমদানি ব্যয়ক বুজাব, যিহেতু প্ৰস্তুতকৰ্তা আৰু উৎপাদনকাৰী সকলে বিদেশী বজাৰৰ পৰা আহিলা, পণ্য আৰু মধ্যস্থ সামগ্ৰী আনোতে অধিক দাম দিবলগীয়া হয়। ই একোখন দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন (GDP)তো প্ৰভাৱ পেলাব। এই বাণিজ্যিক সুৰক্ষাক অতি সতৰ্কতাৰে বিবেচনা কৰিব লাগে যিহেতু দেশীয় অৰ্থনীতিত আনকি বিশ্বজনীনভাৱে ইয়াৰ প্ৰভাৱ বিপজ্জনক হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ সুৰক্ষামূলক মাচুল শুল্কৰ চাৰিটা প্ৰভাৱ উল্লেখ কৰক।

.....

.....



৬.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আমি তলত দিয়াবিলাকৰ বিষয়ে জানিব পাৰিলো ঃ

- বিভিন্ন দেশৰ মাজত সামগ্ৰীৰ চলাচলত বাধা-নিষেধ নথকা একোটা বাণিজ্যিক নীতিকে মুক্ত বাণিজ্যৰ নীতি (policy of free trade) হিচাপে জনা যায়।
- সুৰক্ষা (protection) বুলি চৰকাৰৰ বাণিজ্যিক নীতিক বুজোৱা হয়, যাৰ অধীনত বিদেশী প্ৰতিযোগিতাৰ পৰা দেশীয় উদ্যোগক সুৰক্ষা দিয়াৰ লক্ষ্য আগত ৰাখি আমদানি বাণিজ্যৰ ওপৰত এলানি বাধা আৰোপ কৰা হয়। আমদানিকৃত সামগ্ৰীৰ ওপৰত শুল্ক আৰোপ কৰি অথবা দেশীয় উৎপাদকক সকাহ দি সাধাৰণতে সুৰক্ষাৰ ব্যৱস্থা কৰা হয়।

- মাচুল (Tarrifs) হৈছে একোখন দেশৰ চৰকাৰে ৰাষ্ট্ৰীয় চাৰিসীমা অতিক্ৰম কৰা বাণিজ্যিকৃত পণ্যৰ ওপৰত আৰোপ কৰা এবিধ শুল্ক বা কৰ। এই মাচুল ৰপ্তানি আৰু আমদানি দুয়োটাতে আৰোপ কৰিব পাৰি।
- বিনিময় নিয়ন্ত্ৰণ বুলিলে বিদেশী বিনিময় বিষয়ত আৰু বিনিময়ৰ নিৰিখৰ ওপৰত চৰকাৰী হস্তক্ষেপ বুজায়। ই সেইবিলাক নিষেধাজ্ঞাক বুজায়, যিবিলাক বিদেশী বিনিময় ব্যৱসায়ত চৰকাৰে আৰোপ কৰে।
- পৰিত্যাগ (Dumping) মানে হৈছে বিদেশী বাণিজ্যত বৈষম্যমূলক একচেতীয়া দাম নিৰ্ধাৰণ। ই দেশীয় আৰু বিদেশী বাণিজ্যত বেলেগ বেলেগ দামক বুজায়।
- দুখন বা ততোধিক দেশত উৎপাদনৰ সমান্তৰালভাৱে উৎপাদকসকলে একোখন আন্তৰ্জাতিক বিপণী গঢ়ি তোলে। এনে ক্ষেত্ৰত দেশবিলাক উৎপাদন কাৰ্য আৰু একচেতীয়া বিক্ৰীৰ বাবে সন্মত হয়। আন্তৰ্জাতিক বিপণীসমূহে বিদেশী বজাৰত প্ৰতিযোগিতা নোহোৱা কৰিবলৈ চেষ্টা কৰে। স্পষ্ট চুক্তিৰ জৰিয়তে একোখন বিপণীৰ সদস্যসকলে একোটা সংগঠিত সংস্থা গঢ়ি তোলে। এই সংস্থাই তেওঁলোকক অধিক মুনাফাৰ নিশ্চয়তা প্ৰদান কৰে, যিটো অন্য উপায়েৰে সম্ভৱ নহয়।



৬.১৩ অধিক জানিবলৈ

1) Manner, H. G. (2015). International Economics, Vikas Publishing House Pvt. Ltd., New Delhi, India.
2) Methani, D. M. (2015), International Economies, Hemalaya Publishing House, Mubmbai, India.
3) Verma, K. N. (2015), International Trade : Theory & Practice, Vishal Publishing Co., Jalandhar, India.

৬.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন দেশৰ মাজত সামগ্ৰীৰ চলাচলত বাধা-নিষেধ নথকা একোটা বাণিজ্যিক নীতিকে মুক্ত বাণিজ্যৰ নীতি (policy of free trade) হিচাপে জনা যায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সুৰক্ষা (protection) বুলি চৰকাৰৰ বাণিজ্যিক নীতিক বুজোৱা হয়, যাৰ অধীনত বিদেশী প্ৰতিযোগিতাৰ পৰা দেশীয় উদ্যোগক সুৰক্ষা দিয়াৰ লক্ষ্য আগত ৰাখি আমদানি বাণিজ্যৰ ওপৰত এলানি বাধা আৰোপ কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নশীল দেশসমূহে কিছুমান বিশেষ কাৰণত সুৰক্ষাৰ নীতি গ্ৰহণ কৰে।

দেশীয় উদ্যোগৰ সুৰক্ষাৰ সপক্ষে থকা তিনিটা প্ৰধান যুক্তিবিলাক হ'ল ঃ

(১) চালুকীয়া উদ্যোগৰ বিকাশ

(২) উদ্যোগৰ বিচিত্ৰতা

(৩) অধিক দেশীয় মূলধন গঠন

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'Ad valorem' হৈছে লেটিন শব্দ আৰু ইয়াৰ অৰ্থ হৈছে 'মূল্যৰ ওপৰত'। মূল্য নিৰ্ভৰ মাচুল বুলিলে তেনে শুল্ককে বুজোৱা হয়, যিটো বাণিজ্যিকৃত পণ্যৰ মূল্যৰ এটা স্থিৰ শতাংশ হিচাপে আৰোপিত হয়। এই মাচুলৰ ভিত্তি হৈছে পণ্যৰ শাৰীৰিক আকাৰৰ সলনি ইয়াৰ দাম বা মূল্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ একোটা আমদানি অংশ বুলিলে পণ্যৰ এটা স্থিৰ পৰিমাণ বা মূল্যক বুজোৱা হয় যাক এটা নিৰ্দিষ্ট সময়ৰ বাবে ই সাধাৰণতে এবছৰ বা বিদেশৰ পৰা দেশলৈ আমদানি কৰিবলৈ দিয়া হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিনিময় নিয়ন্ত্ৰণ বুলিলে বিদেশী বিনিময় বিষয়ত আৰু বিনিময়ৰ নিৰিখৰ ওপৰত চৰকাৰী হস্তক্ষেপ বুজায়। ই সেইবিলাক নিষেধাজ্ঞাক বুজায়, যিবিলাক বিদেশী বিনিময় ব্যৱসায়ত চৰকাৰে আৰোপ কৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সুৰক্ষাৰ প্ৰভাৱবিলাক হ'ল ঃ

১। সুৰক্ষামূলক প্ৰভাৱ (protective effect)

২। উপভোগ প্ৰভাৱ (consumption effect)

৩। ৰাজহ প্ৰভাৱ (revenue effect)

৪। পুনৰ বিতৰণৰ প্ৰভাৱ (redistributive effect)।



৬.১৫ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১। মুক্ত বাণিজ্যৰ নীতিৰ সপক্ষে চমুকৈ লিখক।

প্ৰশ্ন ২। মাচুলৰ প্ৰধান শ্ৰেণী বিভাগসমূহ কি কি?

প্ৰশ্ন ৩। একোটা আমদানি অংশৰ উদ্দেশ্যবিলাকৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪। দেশীয় বাণিজ্যৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫। আন্তঃৰাষ্ট্ৰীয় বিপণীৰ সুবিধা আৰু অসুবিধাবিলাকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ লেনদেনৰ সন্তুলন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলন
৭.৩.১ চলিত হিচাপ আৰু মূলধনী হিচাপ
৭.৪ লেনদেনৰ সন্তুলনত ভাৰসাম্যহীনতা বা উদ্বৃত্ত
৭.৪.১ লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতাৰ ধৰণ
৭.৪.২ লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতাৰ কাৰকসমূহ
৭.৪.৩ ভাৰসাম্যহীনতা আঁতৰোৱাৰ উপায়
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবৰ বাবে
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলনৰ ধাৰণা লাভ কৰিব পাৰিব,
- লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলনৰ মাজৰ পার্থক্য নির্ণয় কৰিব পাৰিব,
- লেনদেনৰ সন্তুলনৰ গাঁথনি ব্যাখ্যা কৰিব পাৰিব,
- লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতা সম্পর্কে আলোচনা কৰিব পাৰিব আৰু
- লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতাৰ কাৰকবিলাক চিনাক্ত কৰিব পাৰিব আৰু সংশোধনমূলক পদক্ষেপ গ্রহণৰ পৰামর্শ দিব পাৰিব।

৭.২ পৰিচয়

আগৰ অধ্যায়ত, আমি ইতিমধ্যে আন্তর্জাতিক বাণিজ্যৰ বিষয়ে আলোচনা কৰিলোঁ। একাধিক দেশৰ মাজত কিয় আৰু কেনেকৈ বাণিজ্য হয় সেই কথা আমি আলোচনা কৰিলোঁ। এই অধ্যায়ত আমি একোখন দেশৰ আন্তর্জাতিক লেনদেনৰ প্রতিবেদনৰ দুটা গুৰুত্বপূর্ণ দিশ, লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলন সম্পর্কে আলোচনা কৰিম। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলনৰ সংজ্ঞা দিব পাৰিব; দুয়োটাৰ মাজৰ পার্থক্য নির্ণয় কৰিব পৰাৰ লগে লগে সিহঁতৰ গাঁথনি সম্পর্কেও আলোচনা কৰিব পাৰিব।

তদুপৰি এই অধ্যায়টোৰ জৰিয়তেলেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতা কৰিব পাৰিব আৰু ভাৰসাম্যহীনতাৰ সংশোধনৰ বাবে নির্দিষ্ট উপায় আগবঢ়াব পাৰিব।

৭.৩ লেনদেনৰ সন্তুলন আৰু বাণিজ্যৰ সন্তুলন

- **লেনদেনৰ সন্তুলন ঃ** লেনদেনৰ সন্তুলনক আন্তর্জাতিক মুদ্রা নিধি (International Monetary Fund)-এ এছোৱা নির্দ্ধাৰিত সময়ত অর্থাৎ এবছৰত সংশ্লিষ্ট (reporting) একোখন দেশ আৰু বিশ্বৰ বাকী অংশৰ মাজত হোৱা অর্থনৈতিক আদান-প্রদানৰ প্রণালীবদ্ধ তথ্য বুলি অভিহিত কৰিছে।

  এনেদৰে, যেতিয়া ভাৰতৰ লেনদেনৰ সন্তুলন প্রস্তুত কৰা হয়, তেতিয়া ভাৰত হ'ব তেইখন সংশ্লিষ্ট (reporting) দেশ আৰু পৃথিৱীৰ বাকী অংশ হ'ব ভাৰতৰ বাণিজ্যিক সহযোগী। হার্ভে (Harvey) আৰু এম জন্‌ছন্‌ (M. Johnson)-এ লেনদেনৰ সন্তুলনক এনেদৰে সংজ্ঞাবদ্ধ কৰিছে, *'একোখন দেশৰ বাবে প্রস্তুত কৰা লেনদেনৰ ৰাহি হৈছে সেই দেশখনৰ বাসিন্দাসকল আৰু পৃথিৱীৰ বাকী অংশৰ বাসিন্দাসকলৰ মাজত এছোৱা নির্দ্ধাৰিত সময়ৰ বাবে হোৱা সমস্ত চলিত আৰু মূলধনী আদান-প্রদানৰ সাৰাংশ ৰূপ।'*মন কৰিবলগীয়া যে সংজ্ঞাটোত 'বাসিন্দাসকলে' শব্দটোৱে কেৱল সেই দেশখনৰ নাগৰিকসকলকে বুজোৱা নাই বৰঞ্চ দেশখনত কাম-কাজ কৰি থকা প্রতিষ্ঠান, উদ্যোগ, চৰকাৰ, ব্যৱসায় সংস্থা আৰু আন্তর্জাতিক সংস্থা আদিকো বুজাইছে।
- **বাণিজ্যৰ সন্তুলন** (Balance of Trade) ঃ বাণিজ্যৰ সন্তুলন শব্দকেইটাৰ অর্থ প্রায়েই ভুলকৈ বুজা যায় আৰু বিভ্রান্তিকৰ যেন লাগে। এনেকুৱা হ'ব পাৰে; কাৰণ ভিন ভিন অর্থবিজ্ঞানীয়ে শব্দকেইটাৰ ভিন ভিন ব্যাখ্যা আগবঢ়াইছে। বাণিজ্যৰ ৰাহিৰ অন্ততঃ দুটা ভিন্ন ধাৰণা এই ক্ষেত্রত উল্লেখনীয়। পৰম্পৰাগতভাৱে, বাণিজ্যৰ সন্তুলন বুলিলে ৰপ্তানি কৰা সামগ্রীৰ মূল্য আৰু আমদানি কৰা সামগ্রীৰ মূল্যৰ মাজৰ পার্থক্য বুজোৱা হয়। ইয়াক সামগ্রীৰ বাণিজ্যিক সন্তুলন বুলিও জনা যায়। এই দিশৰ পৰা বাণিজ্যৰ সন্তুলন বা সামগ্রীৰ *বাণিজ্যিক সন্তুলন* সমার্থক। পাছত জে ই মীড্‌ (J.E.Meade) আৰু ডব্লিউ এম্‌ স্কেমেল্‌ (W. M. Scammel) - অৰ দৰে অর্থ বিজ্ঞানীয়ে এই বাক্যাংশক বিস্তৃত অর্থত ব্যৱহাৰ কৰে। এই অর্থত, বাণিজ্যৰ সন্তুলনত সেৱাও অন্তর্ভুক্ত কৰা হৈছে। অর্থাৎ, এই ধাৰণা মতে, বাণিজ্যৰ সন্তুলন হৈছে একোখন দেশৰ সামগ্রী আৰু সেৱা উভয়ৰে ৰপ্তানি আৰু আমদানি। ইয়াৰ এক গুৰুত্বপূর্ণ প্রয়োগ আছে। উদাহৰণ স্বৰূপে, ভাৰতে সাধাৰণতে যেতিয়া সামগ্রীৰ বাণিজ্যিক সন্তুলন প্রস্তুত কৰে তেতিয়া লেনদেনৰ সন্তুলনৰ অৱস্থান অনুকূল বা সুবিধাজনক হৈ থাকে (অর্থাৎ আমদানিৰ মূলতকৈ ৰপ্তানিৰ মূল্য অধিক হয়)। কিন্তু, যিহেতু ভাৰত বিভিন্ন ধৰণৰ কাৰিকৰী সেৱাৰ আমদানিৰ ওপৰত অধিক পৰিমাণে নির্ভৰশীল হ'বলগীয়া হয়,

সেয়ে সেৱাৰ ৰাহি (balance of service) য়ে দেশখনক এক অসুবিধাজনক অৱস্থানলৈ লৈ যায় (অর্থাৎ আমদানিৰ মূল্যতকৈ ৰপ্তানিৰ মূল্য কম হয়)। এনে পৰিস্থিতিয়ে অৱশেষত বাণিজ্যৰ সন্তুলনক ভাৰতৰ বাবে অসুবিধাজনক কৰি তোলে। মালয়েছিয়া আৰু আন দেশবিলাকৰ ক্ষেত্রতো একে অৱস্থাই প্রযোজ্য হয়।

তলত আমি এখন আনুমানিক তালিকা উপস্থাপন কৰিছোঁ য'ত এক লেনদেনৰ সন্তুলনৰ সূচীৰ বিভিন্ন উপাদান দেখুওৱা হৈছে—

তালিকা ৮.১ ঃ লেনদেনৰ সন্তুলনৰ এখন আনুমানিক সূচী

ক্রঃ নং	প্রধান হিচাপ-নিকাচ	বাকী (পাওনা (কোটি টকা হিচাপত)	দেনা (ধনাদায়) (কোটি টকা হিচাপত)	বিশুদ্ধ উদ্বৃত্ত (+) বা ঘাটি (=) (কোটি টকা হিচাপত)
(১)	(২)	(৩)	(৪)	(৫)
১	সামগ্রীৰ হিচাপ	২০০	১৭৫	+২৫
২	সেৱাৰ হিচাপ	১৫০	২৫০	—১০০
ক)	*বাণিজ্যৰ সন্তুলন (১+২)*	(৩৫০)	(৪২৫)	(—৭৫)
৩	একপক্ষীয় স্থানান্তৰৰ হিচাপ	৩০০	১১৫	+৮৫
খ)	*চলিত হিচাপ-নিকাচত লেনদেনৰ* সন্তুলন (১+২+৩)	(৬২৫)	(৫৬৫)	(+৬০)
৪	দীর্ঘম্যাদী মূলধনী হিচাপ	১৮০	১৬০	+২০
গ)	*প্রাথমিক সন্তুলন (১+২+৩+৪)*	(৮০৫)	(৭২৫)	(+৮০)
৫	হ্রস্বম্যাদী মূলধনী হিচাপ	৭৫	৫০	+২৫
ঘ)	*মূলধনী হিচাপ-নিকাচত লেনদেনৰ* সন্তুলন (৪+৫)	(২৫৫)	(২১০)	(+৪৫)
ঙ)	*সাধাৰণ লেনদেনৰ সন্তুলন (খ+ ঘ)*	(৮৮০)	(৭৭৫)	(+১০৫)
৬	বহিঃ সংৰক্ষণত আন্তর্জাতিক তাৰল্য হিচাপৰ বিশুদ্ধ পৰিৱর্তন		১০৫	
চ)	লেনদেনৰ সন্তুলন হিচাপ-নিকাচৰ সন্তুলন	(৮৮০)	(৮৮০)	(০)

ওপৰৰ ৮.১ আনুমানিক তালিকাখনত দেখা গৈছে যে বাণিজ্যৰ সন্তুলন হ'ল সামগ্রীৰ হিচাপ আৰু সেৱাৰ হিচাপ মাজৰ পার্থক্য। এনেদৰে, লেনদেনৰ সন্তুলনে সকলো অর্থনৈতিক লেনদেনৰ সম্পূর্ণ বিৱৰণ দাঙি ধৰে য'ত একোখন দেশলৈ বহিঃ দেশৰ পৰা সোমোৱা আৰু ওলাই যোৱা ধনৰ হিচাপ থাকে।

৭.৩.১ চলিত হিচাপ আৰু মূলধনী হিচাপ

ওপৰত দেখা গৈছে যে, লেনদেনৰ সন্তুলনক দুটা প্ৰধান হিচাপ-নিকাচত পৃথক কৰা হৈছে ঃ চলিত হিচাপ আৰু মূলধনী হিচাপ।

- *চলিত হিচাপ (Current account) ঃ* ইয়াত সেৱা আৰু সামগ্ৰীৰ ৰপ্তানি আৰু আমদানি, আৰু সুদৰ লেনদেন অন্তৰ্ভুক্ত কৰা হয়। এই হিচাপত সামগ্ৰী সমূহৰ সামগ্ৰিক বাণিজ্যিক সন্তুলন অন্তৰ্ভুক্ত থাকে।
- *মূলধনী হিচাপ (Capital account) ঃ* ইয়াত কেম্পানী, ষ্টক, ব'ণ্ড, বেংক একাউণ্ট, স্থাৱৰ সম্পত্তি আৰু কা�ৰখানাৰ দৰে সম্পত্তি অথবা বিনিয়োগৰ বিক্ৰয় অথবা ক্ৰয়ৰ লেন-দেনবিলাক নথিভুক্ত কৰা হয়।

এতিয়া আমি এই দুয়োটা হিচাপৰে ভিন ভিন উপাদানবিলাকৰ বিষয়ে কিছু বহলাই আলোচনা কৰিম।

- *চলিত হিচাপ (Current Account) ঃ* চলিত হিচাপত চাৰিটা আনুষংগিক হিচাপ অন্তৰ্ভুক্ত থাকে ঃ
  - সামগ্ৰীৰ বাণিজ্য (Merchandise trade) ত সকলো কেঁচামাল হিচাবে, আৰু প্ৰস্তুত কৰা সামগ্ৰীৰ ক্ৰয়, বিক্ৰয় অথবা উপহাৰ বা দান হিচাবে দিয়া সকলো ধৰণৰ হিচাপ অন্তৰ্ভুক্ত। বিংশ শতাব্দীৰ শেষ দশকটোৰ আৰম্ভণিৰ সময়ছোৱাৰ পৰা সামগ্ৰীৰ বাণিজ্যিক হিচাপ-নিকাচত 'বাণিজ্যিক সন্তুলন' নিৰ্দ্ধাৰণ কৰিবলৈ সেৱাৰ সৈতে যুক্ত কৰা হৈ আহিছে। এনেদৰে, সম্প্ৰতি বাণিজ্যৰ সন্তুলনত এই দুয়োটা হিচাপ অন্তৰ্ভুক্ত থাকে।
  - সেৱা (Service) ত পৰ্যটন, পৰিবহন, অভিযান্ত্ৰিক আৰু ব্যৱসায়িক সেৱা যেনে আইন, পৰিচালনাৰ পৰামৰ্শ আৰু বৃত্তিমুখী মাননিক হিচাপ-নিকাচ আদি অন্তৰ্ভুক্ত। সেৱা শাখাত নতুন প্ৰযুক্তি, ছফ্‌টৱেৰ, কিতাপ আৰু চলচ্চিত্ৰৰ ওপৰত আৰোপ কৰা পেটেণ্ট আৰু কপিৰাইটৰ পৰা পোৱা মাচুল আদিও সেৱাৰ অৰ্ন্তভুক্ত কৰা হয়।
  - আয় প্ৰাপ্তি (Income receipts)ত সুদ আৰু লভ্যাংশৰ লেনদেনৰ জৰিয়তে হোৱা বিনিয়োগৰ উপাৰ্জন আৰু বিদেশত কাম কৰি থকা ঘৰুৱা মালিকানাধীন প্ৰতিষ্ঠানবিলাকৰ পৰা আহৰণ কৰা উপাৰ্জন অন্তৰ্ভুক্ত কৰা হয়।
  - একপক্ষীয় স্থানান্তৰ (Unilateral transfers) হৈছে কোনো সামগ্ৰী, সেৱা অথবা সম্পত্তিৰ ক্ৰয়ক প্ৰতিনিধিত্ব নকৰা ধনৰ লেনদেন। সাধাৰণতে আন্তৰ্জাতিক সাহায্য, উপহাৰ অথবা বিদেশৰ পৰা কৰ্মচাৰী আহিবলৈ পঠোৱা টকাৰ ৰূপত এই লেনদেন সাধাৰণতে হয়।

➢ *মূলধনী হিচাপ (Capital Account)* ঃ মূলধনী হিচাপ-নিকাচত বিদেশী ৰাষ্ট্ৰক বিক্ৰী কৰা সম্পত্তিৰ ধন আৰু বিদেশত ক্ৰয় কৰা সম্পত্তিৰ ধনৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা হয়।

- ❍ বিদেশত ক্ৰয় কৰা সম্পত্তি (Assets owned abroad) বিলাকক চৰকাৰী সংৰক্ষিত সম্পত্তি, চৰকাৰী সম্পত্তি আৰু বেচৰকাৰী সম্পত্তি আদি ভাগত বিভক্ত কৰা হয়। এই সম্পত্তিবিলাকৰ ভিতৰত আছে সোণ, বিদেশী মুদ্ৰা, বিদেশী নিৰাপত্তা, আন্তৰ্জাতিক মুদ্ৰানিধি (IMF)ত সংৰক্ষণৰ স্থিতি, অন্যান্য দীৰ্ঘম্যাদী সম্পত্তি আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগ (প্ৰত্যক্ষ বিদেশী বিনিয়োগক বিদেশী প্ৰত্যক্ষ বিনিয়োগো (Foreign Direct Investment-FDI) বোলা হয়)।
- ❍ দেশত থকা বিদেশী মালিকানাধীন সম্পত্তি (Foreign-owned assets in the country) বিলাকক বিদেশী চৰকাৰী সম্পত্তি আৰু অন্যান্য বিদেশী নিৰাপত্তাত বিভক্ত কৰা হৈছে।
- ❍ বিদেশৰ পৰা লোৱা বা বিদেশলৈ পঠোৱা ঋণঃ ইয়াত দুটা প্ৰধান উপাদান আছে যথা—
  - (ক) বিদেশৰ পৰা লাভ কৰা ব্যক্তিগত বা চৰকাৰী সকলো ধৰণৰ লেন-দেন এনেধৰণৰ সকলো ঋণ আৰু লগতে বিদেশৰ লোকে পৰিশোধ কৰা ঋণযোগাত্মক (পাওনা) হিচাপে দেখুওৱা হয়।
  - (খ) বিদেশলৈ পঠোৱা সকলো ধৰণৰ ব্যক্তিগত বা চৰকাৰী ঋণ আদি ইয়াত অন্তৰ্ভুক্ত। বিদেশলৈ ধাৰ দিয়া আৰু বিদেশী ঋণ পৰিশোধ কৰা এই সকলোবোৰ বিয়োগাত্মক (দেনা) হিচাপে দেখুওৱা হয়।
- ❍ বিদেশৰ পৰা লাভ কৰা আৰু বিদেশত কৰা বিনিয়োগঃ ইয়াত দুটা প্ৰধান উপাদান অন্তৰ্ভুক্ত।
  - (ক) পৃথিৱীৰ অন্যান্য দেশৰ পৰা ঘৰুৱা প্ৰতিষ্ঠানবোৰে অংশপত্ৰ যোগে লাভ কৰা বিনিয়োগ, যেনে, ভাৰতীয় কোম্পানীবোৰে বিদেশৰ পৰা লাভ কৰা বিনিয়োগ, বা স্থাৱৰ সম্পত্তি (real estate) ত কৰা বিনিয়োগ আদি ইয়াত অন্তৰ্ভুক্ত। বিদেশৰ পৰা লাভ কৰা এনেধৰণৰ বিনিয়োগ যোগাত্মক (পাওনা) হিচাপে দেখুওৱা হয়, যিহেতু এইবোৰৰ জৰিয়তে বিদেশী মুদ্ৰা অৰ্জন কৰা হয়।
  - (খ) ঘৰুৱা দেশৰ বাসিন্দা সকলে, যেনে ধৰক ভাৰতত বসবাস কৰা ভাৰতীয়সকলে বিদেশৰ কোম্পানীৰ অংশপত্ৰ বা স্থাৱৰ


সম্পত্তিত কৰা বিনিয়োগ আদি ইয়াত অন্তর্ভুক্ত। বিদেশলৈ কৰা এনেধৰণৰ বিনিয়োগবোৰ বিয়োগাত্মক (দেনা) হিচাপে দেখুওৱা হয়।

- বৈদেশিক মুদ্রা মজুতত পৰিবর্তনঃ বৈদেশিক মুদ্রাৰ মজুত খিনি দেশখনৰ কেন্দ্রীয় বেংকত জমা থকা চৰকাৰৰ সম্পদ। সেই মজুতত হোৱা পৰিবর্তন ভাৰতৰ লেনা-দেনৰ সন্তুলনত এক বিষয় (item) হিচাপে অন্তর্ভুক্তি হ'ব। গতিকে, সেই মজুতৰ পৰা উঠোৱা (withdraw) ৰাশিবোৰ যোগাত্মক (পাওনা) হিচাপে আৰু ইয়াত যোগ হোৱা ৰাশিবোৰ বিয়োগাত্মক (দেনা) হিচাপে দেখুওৱা হয়। মন কৰিব, 'মজুতৰ পৰিবর্তন' (Change in reserves) লেন-দেনৰ সন্তুলনহে অন্তর্ভুক্ত কৰা হয়, মজুত (reserves) ৰ হিচাপত সেয়া দেখুওৱা নহয়।
- মূলধনৰ হিচাপত ৰাহি (Balance on Capital Account)ঃ যিবোৰ লেন-দেনে দেশলৈ বৈদেশিক মুদ্রাৰ আগমন ঘটায় ঘটায় (যেনে, বিদেশৰ পৰা লাভ কৰা ঋণ, বিদেশত বিক্রী কৰা সম্পদ বা অংশপত্রৰ বিক্রী, আদি) মূলধন শিতানৰ পাওনা বা যোগাত্মক হিচাপে দেখুওৱা হয়। সেইদৰে, যিবোৰ লেন-দেনে দেশৰ বাহিৰলৈ বৈদেশিক মুদ্রাৰ বহির্গমন ঘটায় (যেনে, বৈদেশিক ঋণৰ পৰিশোধ, বিদেশত ক্রয় কৰা সম্পদ বা অংশপত্রৰ ক্রয় আদি) দেনা বা নিয়োগাত্মক হিচাপে দেখুওৱা হয়। দেনা আৰু পাওনা শিতাৰ শুদ্ধ ৰাহি ৰাশিটোৱেই হৈছে মূলধন হিচাপৰ ভাৰসমতা।



জানি থোৱা ভাল

- মূলধন হিচাপত ৰাহি দেখা যায়, যেতিয়া দেনাৰ তুলনাত পাওনা অধিক হয়। ইয়ে দেশলৈ মূলধনৰ আগমন হোৱা বুজায়।
- মূলধন হিচাপত ঘাটি দেখা যায়, যেতিয়া পাওনাৰ তুলনাত দেনা অধিক হয়। ইয়ে দেশৰ পৰা মূলধনৰ বহির্গমন হোৱা বুজায়।
- চলিত হিচাপ আৰু মূলধনৰ হিচাপৰ বাদেও লেনদেনৰ সন্তুলনৰ বিৱৰণীত আৰু এটা উপাদান দেখা যায়। সেয়া হৈছে- ত্রুটি-বিচ্যুতি (Errors and omissions)। এইটো হৈছে একপ্রকাৰ সমতা নির্দ্ধাৰণকাৰী উপাদান। ইয়াৰ মূল কাৰণ হ'ল আন্তঃৰাষ্ট্রীয় লেন-দেনৰ সকলোবোৰ হিচাপ পূৰামাত্রাই শুদ্ধকৈ নথিভুক্ত কৰাটোয়ে সহজ নহয়— তাৰেই প্রতিফলন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

লেনদেনৰ সন্তুলন (Balance of payments) শব্দ দুটাত থকা balance শব্দটোৱে ভাৰসাম্য নুবুজায়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ লেনদেনৰ সন্তুলনৰ চলিত হিচাপ (current account)ত অন্তর্ভুক্ত হৈ থকা আনুষংগিক চাৰিটা হিচাপৰ বিষয়ে উল্লেখ কৰক (২০টা মান শব্দত উত্তৰ দিয়ক)।

.....

.....

প্রশ্ন নং ৩ ঃ লেনদেনৰ ৰাহিৰ কোনটো আনুষংগিক হিচাপত বিদেশী প্রত্যক্ষবিনিয়োগ (FDI) অন্তর্ভুক্ত হৈ আছে?

.....

.....

.....

৭.৪ লেনদেনৰ সন্তুলনৰ ভাৰসাম্য, ভাৰসাম্যহীনতা আৰু উদ্বৃত্ত

দিবলগীয়া বা দেনা (debit)ৰ ফালৰ সর্বমুঠ মূল্যৰ সৈতে যদি পাবলগীয়া বা পাওনা (credit)ৰ ফালৰ সর্বমুঠ মূল্য সমান হয় তেতিয়া লেনদেনৰ ৰাহি ভাৰসাম্য অৱস্থাত থকা বুলি কোৱা হয়। অৱশ্যে, এই কথা মনত ৰকা দৰকাৰ যে লেনদেনৰ ৰাহিত অর্থাৎ Balance of paymentsত থকা balance শব্দটোৱে ভাৰসাম্য নুবুজায়। একোটা লেনদেনৰ ৰাহি ভাৰসাম্যহীন অৱস্থাতো থাকিব পাৰে (পাওনাৰ ফালৰ মুদ্রা মূল্যতকৈ যদি দেনাৰ ফালৰ মুদ্রা মূল্য অধিক হয় তেতিয়া লেনদেনৰ ৰাহি অসুবিধাজনক হয়) বা উদ্বৃত্ত অৱস্থাতো থাকিব পাৰে (দিবলগীয়া ফালৰ মুদ্রা মূল্যতকৈ পাবলগীয়া ফালৰ মুদ্রা মূল্য অধিক হ'লে লেনদেনৰ ৰাহি সুবিধাজনক হয়)। Balance শব্দটোৱে ইয়াকে বুজায় যে ই হৈছে দেনা আৰু পাওনাৰ হিচাপ-নিকাচ।

আমদানিতকৈ যেতিয়া ৰপ্তানি বেছি হয় তেতিয়াই এক সুবিধাজনক বাণিজ্যৰ সন্তুলন বা বাণিজ্যিক উদ্বৃত্ত (trade surplus) সংঘটিত হয় আৰু যেতিয়া ৰপ্তানি আমদানিতকৈ বেছি হয় তেতিয়াই বাণিজ্যিক ঘাটি (trade deficit) হয়। যেতিয়া দিবলগীয়া সামগ্রীৰ সর্বমুঠ মূল্যতক পাবলগীয়া সামগ্রীৰ সর্বমুঠ মূল্যৰ কম হয়, তেতিয়া লেনদেনৰ সন্তুলন ভাৰসাম্যহীন বা অসুবিধাজনক হয়। তেনে অৱস্থাত পৃথিৱীৰ আন অংশৰ ওচৰত ঘৰুৱা দেশখন ধৰুৱা হয়।

উন্নয়নৰ ব্যয় বৃদ্ধি (ইয়াৰ ফলত কেঁচামাল, যন্ত্রপাতি, প্রযুক্তি ইত্যাদিৰ আমদানি বৃদ্ধি হয়), বাণিজ্য চক্র (প্রৱণতাই আমদানি বৃদ্ধি কৰে), গাঁথনি গত পৰিৱর্তন (পৰিপূৰকৰ বিকাশ),

ৰাজনৈতিক অনিশ্চয়তা (মূলধনৰ বহির্গমন) ইত্যাদিৰ দৰে উপাদানৰ ফলতো লেনদেনৰ সন্তুলনত ভাৰসাম্যহীনতাৰ সৃষ্টি হ'ব পাৰে।

তত্ত্বগতভাৱে, চলিত হিচাপ মূলধনী হিচাপৰ সৈতে সমান সমান হ'ব লাগে। লেনদেনৰ সন্তুলনৰ বিৱৰণত লাভ কৰা পৰিমাণ শূন্য হ'ব লাগে। সেয়ে, যেতিয়া এখন দেশে বিক্রী কৰাৰ পৰিমাণতকৈ অধিক ক্রয় কৰ (চলিত হিচাপৰ ঘাটি), তেতিয়া দেশখনে ক্রয় কৰা পৰিমাণতকৈ অধিক মূলধীন সম্পদ বিক্রী কৰি বা ধাৰ কৰি উদ্ভৱ হোৱা পার্থক্যৰ জোৰা মাৰিব লগা হয় (মূলধনী হিচাপৰ উদ্বৃত)। চলিত হিচাপত উদ্ভৱ হোৱা ঘাটিৰ বাবে সামগ্রী আৰু সেৱাৰ বিনিময়ত মূলধনী সম্পদ দিব লগা পৰিস্থিতিৰ হয়। বৃহৎ বাণিজ্যিক ঘাটি বুলিলে ইয়াকে নবুজায় যে একোখন দেশে বিদেশৰ পৰা ধাৰলৈ ল'ব লগা পৰিস্থিতি হৈছে আৰু দেশখনৰ লেনদেনৰ ৰাহিত বিদেশী মূলধনৰ আগমন ঘটিছে।

৭.৪.১ লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতাৰ ধৰণ

লেনদেনৰ সন্তুলনত বিস্তৃতভাৱে তিনিধৰণৰ ভাৰসাম্যহীনতা থাকে। সেইবিলাক হৈছে ঃ

- চক্রাকাৰ ভাৰসাম্যহীনতা (Cyclical disequilibrium)
- নিৰপেক্ষ ভাৰসাম্যহীনতা (Secular disequilibrium) আৰু
- গাঁথনিগত ভাৰসাম্যহীনতা (Structural disequilibrium)।
- *চক্রাকাৰ ভাৰসাম্যহীনতা ঃ* তলত দিয়া কাৰণবিলাকৰ বাবে লেনদেনৰ সন্তুলনত চক্রাকাৰ ভাৰসাম্যহীনতা (Cyclical disequilibrium) ঘটিব পাৰে।
  - বেলেগ বেলেগ দেশত বাণিজ্য চক্রৰ পর্যায় বেলেগ বেলেগ ধৰণৰ হয়। সেয়ে, বেলেগ বেলেগ দেশৰ অর্থনৈতিক সমৃদ্ধি বা অৱনতি বেলেগ বেলেগ ধৰণৰ হয়। ই কেতবোৰ নির্দিষ্ট দেশৰ লেনদেনৰ সন্তুলনত ওলোটা প্রভাৱ পেলাব পাৰে।
  - বাণিজ্য তথা ব্যৱসায়ৰ উন্নতি সাধিবলৈ আৰু নিয়ন্ত্রণ কৰিবলৈ ভিন ভিন দেশৰ ভিন ভিন চৰকাৰে বিভিন্ন ধৰণৰ উপায় অৱলম্বন কৰে। এই কার্যয়েও লেনদেনৰ সন্তুলনত ভাৰসমতাত প্রভাৱ পেলায়।
  - আমদানিৰ চাহিদাৰ উপার্জনৰ স্থিতিস্থাপকতা দেশ ভেদে ভিন ভিন হ'ব পাৰে। কিছুমান দেশৰ আমদানিকৃত সামগ্রীৰ প্রতি দুর্বলতা থাকিব পাৰে। কিছুমান দেশৰ আমদানিকৃত সামগ্রীৰ প্রতি দুর্বলতা থাকিব পাৰে আৰু সেয়ে এনেধৰণৰ সামগ্রীত অধিক ধন ব্যয় কৰিব পাৰে। ইয়াৰ পৰিণতিত, একোখন দেশৰ লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্য প্রভাৱিত হয়।

- *নিৰপেক্ষ ভাৰসাম্যহীনতা ঃ* জনসংখ্যা বৃদ্ধি, প্ৰযুক্তিগত ক্ৰমোন্নতি, নতুনত্ব ইত্যাদিৰ দৰে উপাদানৰ কাৰণেও লেনদেনৰ সন্তুলনত নিৰপেক্ষ ভাৰসাম্যহীনতাৰ সৃষ্টি হ'ব পাৰে।

  একোখন দেশৰ সমুদায় আন্তৰ্জাতিক বাণিজ্যত মূলধন সৃষ্টিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মূলধন সৃষ্টি যিমানে অধিক হ'ব, ৰপ্তানিৰ পৰিমাণো সিমানে অধিক হ'ব পাৰে। আকৌ, একোখন দেশত মূলধন সৃষ্টি কম হ'লে দেশখনে বিদেশী ৰাষ্ট্ৰৰ পৰা অধিক খৰছত মূলধন আমদানি কৰিব লগা হয়। এনে কাৰ্যই একোখন দেশৰ লেনদেনৰ সন্তুলনত ওলোটা প্ৰভাৱ পেলাব পাৰে।

  জনসংখ্যা বৃদ্ধিয়েও লেনদেনৰ সন্তুলনত ওলোটা প্ৰভাৱ পেলাব পাৰে। কাৰণ জনসংখ্যা বৃদ্ধিৰ পৰিণতিত ঘৰুৱা ভোগ কাৰ্য (Consumption) বৃদ্ধি পায়। এনেদৰে ৰপ্তানি কৰিব পৰা সম্ভাৱনীয়তা হ্ৰাস পোৱাৰ লগে লগে আমদানিৰ সম্ভাৱনীয়তা বৃদ্ধি পায়।

- গাঁথনিগত ভাৰসাম্যহীনতা ঃ ঘৰুৱা অৰ্থনীতি অথবা আন্তৰ্জাতিক অৰ্থনীতিৰ নিৰ্দিষ্ট খণ্ডত হোৱা গাঁথনিগত পৰিবৰ্তনৰ কাৰণে লেনদেনৰ সন্তুলনত গাঁথনিগত ভাৰসাম্যহীনতা হ'ব পাৰে। উদাহৰণস্বৰূপে, এখন কৃষি প্ৰধান দেশত যদি খৰাং হয় দেশখনৰ কৃষি খণ্ডৰ উৎপাদনৰ ওলোটা প্ৰভাৱ পৰিব। ই দেশখনৰ ৰপ্তানিৰ সামৰ্থ হ্ৰাস কৰিব পাৰে। একে সময়তে দেশখনে অন্য দেশৰ পৰা খাদ্য শস্য আমদানি কৰিব লগাও হ'ব পাৰে। এনে পৰিস্থিতিয়ে দেশখনৰ লেনদেনৰ সন্তুলনত ওলোটা প্ৰভাৱ পেলাব।

  আকৌ, আন্তৰ্জাতিক বজাৰত যেতিয়া তেলৰ দাম বৃদ্ধি পায়, তেতিয়া তেল আমদানি কৰা অধিকাংশ দেশত ওলোটা প্ৰভাৱ পৰে। এনে পৰিস্থিতিত আন্তৰ্জাতিক বজাৰত তেলৰ মূল্য বৃদ্ধিয়ে অধিকাংশ দেশৰ লেনদেনৰ সন্তুলনত অসুবিধাজনক অৱস্থাৰ সৃষ্টি কৰে।



চিন্তা-চৰ্চা কৰক—৭.১

আমি কৈ আহিছোঁ যে প্ৰযুক্তিগত অগ্ৰগতি আৰু নতুনত্বৰ দৰে উপাদনে একোখন দেশৰ লেনদেনৰ সন্তুলনত এই উপাদানবিলাকে কেনেদৰে প্ৰভাৱ পেলায় যুক্তি দৰ্শাৱওক।

.....

.....

.....

৭.৪.২ লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতাৰ কাৰকসমূহ

নিম্নোল্লিখিত গুৰুত্বপূৰ্ণ কাৰকবিলাকৰ বাবে লেনদেনৰ সন্তুলনত ভাৰসাম্যহীনতাৰ সৃষ্টি হয় ঃ


- *চক্রাকাৰ অস্থিৰতা (Cyclical Fluctuations)* ঃ আ ইতিমধ্যে কৈছোঁ যে অর্থনীতিত চক্রাকাৰে ঘটি থকা অস্থিৰতাই একোখন দেশৰ লেনদেনৰ সন্তুলনত ওলোটা প্রভাৱ পেলাব পাৰে।
- *আমদানিৰ অত্যাধিক বৃদ্ধি (Steep Increase in Imports)* ঃ একোখন দেশৰ দ্রুত অর্থনৈতিক বিকাশৰ ফলত আমদানি হঠাতে বহুত বাঢ়ি যাব পাৰে। আকৌ, দ্রুত অর্থনৈতিক বিকাশে দেশীয় ভোগ কার্যও বৃদ্ধি কৰিব পাৰে। এনেদৰে, ৰপ্তানিৰ পৰা লাভ কৰা ধনৰ পৰিমাণতকৈ আমদানিৰ বাবে দিবলগা ধনৰ পৰিমাণ অধিক হ'ব পাৰে। এনে কার্যই একোখন দেশৰ লেনদেনৰ সন্তুলনত ওলোটা প্রভাৱ পেলায়।
- *দ্রুত জনসংখ্যা বৃদ্ধি (Rapid population Growth)* ঃ আমি ইতিমধ্যে কৈ আহিছোঁ যে জনসংখ্যা বৃদ্ধিয়েও লেনদেনৰ সন্তুলনত ওলোটা প্রভাৱ পেলাব পাৰে। কাৰণ জনসংখ্যাৰ বৃদ্ধিৰ ফলত দেশীয় ভোগ কার্যৰ স্তৰ বৃদ্ধি পায়, এনেদৰে ৰপ্তানিৰ সম্ভাৱনীয়তা হ্রাস পোৱাৰ বিপৰীতে আমদানিৰ সম্ভাৱনীয়তা বৃদ্ধি পায়।
- *আন্তঃগাঁথনিগত প্রযুক্তিৰ নিম্নস্তৰ (Low level of Infrastrectural Technologies)* ঃ একোখন দেশৰ প্রযুক্তিগত আন্তঃগাঁথনি যদি নিম্ন পর্যায়ৰ হয় তেতিয়া দেশখনে প্রযুক্তি আৰু যন্ত্রপাতি আমদানি কৰিব লগা হয়। উন্নয়নশীল দেশবিলাকৰ ক্ষেত্রত এইটো প্রায়ে ঘটি থাকে। এই দেশবিলাকে প্রযুক্তি আৰু যন্ত্র-পাতি আমদানি কৰি বৃহৎ পৰিমাণৰ ধন ভৰিব লগা হয়। ইয়াৰ ফলত দেশখনৰ বাণিজ্য ক্ষেত্রত বিদেশী বিনিময়ৰ ব্যাপক প্রবাহৰ সৃষ্টি হয়।
- *আন্তর্জাতিক ঋণ আৰু বিনিয়োগ (International Borrowing and Investment)* ঃ উন্নয়ণশীল দেশবিলাকে আন্তঃগাঁথনিৰ বিকাশ ঘটাবলৈ আৰু পুঁজিৰ অভাৱ পূৰাবলৈ বৃহৎ পৰিমাণৰ আন্তর্জাতিক ধাৰ কৰিব লগা হয়। আনহাতে একোখন উন্নত দেশে ইয়াৰ বৃহৎ পৰিমাণৰ পুঁজি অন্য দেশক ধাৰলৈ দিব পাৰে। এনে ধৰণৰ কার্যকলাপে উভয় দেশৰে লেনদেনৰ সন্তুলনত ওলোটা প্রভাব পেলায়।

৭.৪.৩ ভাৰসাম্যহীনতা আঁতৰোৱাৰ উপায়

লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতা আতৰাবলৈ বহু সংখ্যক উপায় আছে।

তলত কেইবিধমান গুৰুত্বপূৰ্ণ পদক্ষেপৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

- চাহিদা আৰু যোগানৰ বিপণন শক্তি (Market forces)য়ে ভাৰসাম্য পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে। লেনদেনৰ সন্তুলনত হোৱা ঘাটিয়ে বিদেশী মুদ্ৰাৰ চাহিদা বৃদ্ধি কৰে আৰু বিনিময়ৰ হাৰ বৃদ্ধি কৰে যাৰ ফলত দেশীয় মুদ্ৰাৰ বাহ্যিক মূল্য অৱনমিত হয়। এনে পৰিস্থিতিত ৰপ্তানি সস্তা আৰু আমদানিৰ খৰছ বৃদ্ধি পায়। ৰপ্তানি বৃদ্ধি পাব আৰু আমদানি হ্ৰাস পাব। এনেদৰে লেনদেনৰ ৰাহিৰ ভাৰসাম্যহীনতা আঁতৰ হ'ব।
- দেশীয় মুদ্ৰাৰ মূল্য হ্ৰাস হোৱা কাৰ্যই লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতা নোহোৱা কৰিব পাৰে। মূল্যমানৰ হ্ৰাস (Devalution) হৈছে বিদেশী মুদ্ৰা আৰু সোণৰ তুলনাত একোখন দেশৰ ঘৰুৱা মুদ্ৰাৰ বাহ্যিক মূল্য হ্ৰাস পোৱা। মুদ্ৰাৰ মূল্য হ্ৰাস হ'লে চূড়ান্তভাৱে ৰপ্তানি সস্তা হ'ব আৰু আমদানি ব্যয়বহুল হ'ব। ৰপ্তানি বাঢ়িব আৰু আমদানি কমিব। লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতা আঁতৰ হ'ব।
- বিনিময় নিয়ন্ত্ৰণৰ পদক্ষেপবিলাকেও ভাৰসমতা প্ৰতিষ্ঠা কৰিব পাৰে। চৰকাৰে আমদানিৰ চাহিদা নিয়ন্ত্ৰণ কৰি আমদানিৰ সমুদায় পৰিমাণ হ্ৰাস কৰিব পাৰে।
- ৰপ্তানিকাৰীসকলক কৰ ৰেহাই বা কৰ হ্ৰাস কৰাৰ দৰে বিভিন্ন উদগনিৰ জৰিয়তে ৰপ্তানি কাৰ্যক উৎসাহিত কৰা পদক্ষেপবিলাকৰ সহায়ত ৰপ্তানি বৃদ্ধি কৰি ভাৰসাম্যহীনতা হ্ৰাস কৰিব পাৰি।
- আমদানি পৰিপূৰক, আমদানি শুল্ক আৰোপ আৰু আমদানিৰ পৰিমাণত উচ্চসীমা ধাৰ্য কৰাৰ দৰে আমদানি নিয়ন্ত্ৰণকাৰী নীতিৰ জৰিয়তে আমদানিৰ সৰ্বমুঠ পৰিমাণ হ্ৰাস কৰিব পাৰি।
- লেনদেনৰ সন্তুলনত হোৱা সাময়িক ভাৰসাম্যহীনতা আঁতৰাবলৈ IMF (International Monetary Fund)-ৰ পৰাও সহায় বিচাৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) বিনিময় নিয়ন্ত্ৰণৰ পদক্ষেপে লেনদেনৰ সন্তুলনত ভাৰসমতা পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) বৃহৎ বাণিজ্যিক ঘাটি বুলিলে একোখন দেশে বিদেশৰ পৰা বৃহৎ পৰিমাণৰ ধন ধাৰলৈ লোৱা বুজায় আৰু দেশখনক লেনদেনৰ ৰাহিত বিদেশী মূলধনৰ প্ৰবেশ ঘটে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ মূলধন সৃষ্টি বুলিলে আপুনি কি বুজে আৰু ই একোখন দেশৰ লেনদেনৰ সন্তুলনত কেনেদৰে প্ৰভাৱ পেলায়? (৫০টা মান শব্দত উত্তৰ দিয়ক)।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ এখন উন্নয়নশীল দেশৰ লেনদেনৰ সন্তুলনত বিদেশী ঋণে কেনেদৰে প্ৰভাৱ পেলায়। (৫০টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- লেনদেনৰ সন্তুলনক দুটা প্ৰধান হিচাপত পৃথক কৰা হৈছে ঃ
  - ➢ *চলিত হিচাপ (Current account) ঃ* ইয়াত সেৱা আৰু সামগ্ৰীৰ ৰপ্তানি আৰু আমদানি আৰু সুতৰ সন্তুলন অন্তৰ্ভুক্ত থাকে।
  - ➢ *মূলধনী হিচাপ (Capital account) ঃ* কোম্পানী, ষ্টক, ব'ণ্ড, বেংক একাউণ্ট, স্থাৱৰ সম্পত্তি আৰু কাৰখানাৰ দৰে সম্পত্তি অথবা বিনিয়োগৰ বিক্ৰয় বা ক্ৰয়ৰ লেনবিলাকৰ ইয়াত নথিভুক্ত কৰা হয়।
- বাণিজ্যৰ সন্তুলন হৈছে একোখন দেশৰ সামগ্ৰী আৰু সেৱা উভয়ৰে ৰপ্তানি আৰু আমদানিৰ মাজৰ পাৰ্থক্য।
- লেনদেনৰ সন্তুলনত একোখন দেশলৈ বিদেশৰ পৰা সোমোৱা ধন আৰু বিদেশলৈ ওলাই যোৱা ধনৰ সমস্ত অৰ্থনৈতিক আদান-প্ৰদান দেখুওৱা হয়।
- লেনদেনৰ সন্তুলন দুটা প্ৰধান হিচাপত বিভক্ত ঃ চলিত হিচাপ আৰু মূলধনী হিচাপ।
- পাবলগীয়া ফালৰ সৰ্বমুঠ মূল্যৰ সৈতে দিবলগীয়া ফালৰ সৰ্বমুঠ মূল্য সমান হ'লে লেনদেনৰ সন্তুলন ভাৰসাম্য অৱস্থাত থকা বুলি কোৱা হয়।

- লেনদেনৰ সন্তুলন ভাৰসাম্যহীন বা উদ্বৃত্ত অৱস্থাতো থাকিব পাৰে।
- লেনদেনৰ সন্তুলনত বহল অর্থত তিনিধৰণৰ ভাৰসাম্যহীনতা থাকে। সেইবিলাক হৈছে।
  - চক্রাকাৰ ভাৰসাম্যহীনতা,
  - নিৰপেক্ষ ভাৰসাম্যহীনতা, আৰু
  - গাঁথনিগত ভাৰসাম্যহীনতা।
- লেনদেনৰ সন্তুলনৰ গুৰুত্বপূর্ণ কাৰকবিলাকৰ ভিতৰত আছে ঃ
  - আমদানিৰ অত্যাধিক বৃদ্ধি,
  - চক্রাকাৰ অস্থিৰতা,
  - দ্রুত জনসংখ্যা বৃদ্ধি,
  - আন্তঃগাঁথনিগত প্রযুক্তিৰ নিম্নস্তৰ, আৰু
  - আন্তর্জাতিক ঋণ আৰু বিনিয়োগ।
- লেনদেনৰ সন্তুলনত হোৱা ভাৰসাম্যহীনতা আঁতৰোৱাৰ পদক্ষেপবিলাকৰ মাজত আছেঃ
  - চাহিদা আৰু যোগানৰ বিপণন শক্তিৰ কাম-কাজ,
  - দেশীয় মুদ্রাৰ মূল্যমান হ্রাস,
  - বিনিময় নিয়ন্ত্রণৰ পদক্ষেপ,
  - ৰপ্তানিক উৎসাহিত আৰু আমদানি নিয়ন্ত্রণ কৰা নীতি, আৰু
  - সাময়িক ভাৰসাম্যতাৰ সংশোধন কৰিবলৈ IMFৰ দৰে সংস্থাৰ সহায় বিচৰা।



৭.৬ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

১) Mannur, H.G. (1995) : *International Economics* (Second Edition), Vikas Publishing House Pvt. Ltd., Delhi

২) Paul, R.R. (2006) : *Money, Banking and International Trade* (Sixth Edition), Kalyani Publisher, Jalandhar.

৩) Rana and Varma (1998) : *Macroeconomic Analysis*, Vishal Publications, Jalandhar

অসমীয়া গ্রন্থ ঃ

১) ৰফিক আহমেদ ঃ *কল্যাণ আৰু আন্তর্জাতিক অর্থবিজ্ঞান,* ইউনিকা প্রকাশন, যোৰহাট।

৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ লেনদেনৰ সন্তুলনৰ চলিত হিচাপত তলত দিয়া আনুষংগিক হিচাপবিলাক অন্তর্ভুক্ত থাকে ঃ

- সামগ্রীৰ বাণিজ্য
- সেৱা
- বিদেশত কাম কৰি থকা দেশীয় প্রতিষ্ঠান/ব্যক্তিৰ পৰা লাভ কৰা উপার্জন।
- একপক্ষীয় হস্তান্তৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ মূলধনী হিচাপত বিদেশী প্রত্যক্ষ বিনিয়োগ (FDI) অন্তর্ভুক্ত থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ মূলধন সৃষ্টি বুলিলে একোটা উদ্যোগ প্রতিষ্ঠানৰ প্রকৃত উৎপাদনশীল সম্পদৰ ভাণ্ডাৰত (যেনে যন্ত্র-পাতি) সংযোজনৰ প্রক্রিয়া বুজায়। ইয়াৰ বাবে বৃহৎ পুঁজিৰ আৱশ্যক। একোটা প্রতিষ্ঠানে নিজৰ ভিতৰতে গৱেষণা আৰু বিকাশমূলক কার্যত বিনিয়োগ কৰি এনেধৰণৰ মূলধন সৃষ্টিৰ ব্যৱস্থা কৰিব পাৰে। আনটো পথ হ'ল অন্য দেশৰ পৰা আমদানি কৰা। যেতিয়া উদ্যোগটোৱে আমদানি কৰিবলৈ সিদ্ধান্ত লয়, ই দেশখনৰ লেনদেনৰ সন্তুলনত ওলোটা প্রভাৱ পেলায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ উন্নয়নশীল দেশবিলাকে আন্তঃ গাঁথনিৰ বিকাশ ঘটাবলৈ আৰু পুঁজিৰ অভাব পূৰাবলৈ বৃহৎ পৰিমাণৰ আন্তর্জাতিক ধাৰ কৰিবলগীয়া হয়। এনেধৰণৰ বিদেশী ধাৰে পুঁজিৰ প্রবাহ বৃদ্ধি কৰে। কিন্তু ধাৰে লওঁতাই ধাৰৰ বিনিময়ত সুদ ভৰিবলগীয়া হয় আৰু এই সুদ দিয়াটো হৈছে সম্পদৰ বহির্গমন, তদুপৰি মূল ধনৰাশিও আদায় দিব লাগিবই। এনেদৰে উন্নয়নশীল দেশবিলাকৰ পৰা বৃহৎ পৰিমাণৰ পুঁজি ওলাই যায়। এই কার্যই উন্নয়নশীল দেশৰ লেনদেনৰ সন্তুলনত ওলোটা প্রভাব পেলায়।

৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাণিজ্যৰ সন্তুলন সম্পর্কে চমুটোকা লিখক।

প্রশ্ন ২ ঃ চলিত হিচাপ আৰু মূলধনী হিচাপৰ গাঁথনি সম্পর্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ লেনদেনৰ সন্তুলন বুলিলে আপুনি কি বুজে? বাণিজ্যৰ সন্তুলনৰ সৈতে ইয়াৰ পাৰ্থক্য কি? একোখন দেশৰ লেনদেনৰ সন্তুলন সদায় ভাৰসাম্য অৱস্থতা থাকেনে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ লেনদেনৰ সন্তুলনৰ ভাৰসাম্যহীনতাৰ বিভিন্ন প্ৰকাৰ বিলাক কি কি? এনেধৰণৰ ভাৰসাম্যহীনতাৰ কাৰকবিলাক কি কি? সংশোধনৰ কেতবোৰ উপায় লিখক।

*** ***** ***

অধ্যায় ৮ ঃ বৈদেশিক বিনিময়

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বৈদেশিক বিনিময়ৰ অর্থ আৰু আহিলা
৮.৪ বৈদেশিক বিনিময় বজাৰৰ কার্য্য
৮.৪.১ হস্তান্তৰিত কার্য্য
৮.৪.২ দেনা কার্য্য
৮.৪.৩ ফটকা ব্যৱসায়ৰ কার্য্য
৮.৫ বৈদেশিক বিনিময় হাৰ
৮.৬ ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণ
৮.৬.১ ক্রয়ক্ষমতাৰ সমতা তত্ত্ব
৮.৬.২ বানিজ্যিক লেন-দেন পৰিশোধনৰ তত্ত্ব
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৈদেশিক বিনিময় হাৰৰ অর্থ আৰু আহিলা সমূহ জানিব পাৰিব।
- বৈদেশিক বিনিময় বজাৰ আৰু ইয়াৰ কার্য্য সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণৰ প্রক্রিয়া সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।

৮.২ আৰম্ভণি

এই অধ্যায়টিত দুখন দেশৰ মুদ্রাৰ মাজত কেনেদৰে বিনিময় হাৰ নির্ধাৰণ কৰা হয়, সেই বিষয়ে বর্ণনা কৰিম। আমি জানো যে প্রতিখন দেশৰে নিজৰ নিজৰ মুদ্রা আছে। যেনে ভৰতবর্ষত টকা, বাংলাদেশত টাকা, নেপালত টকা, আমেৰিকাত ডলাৰ, যুক্তৰাষ্টত পাউণ্ড। এতিয়া, বিশ্ব বজাৰত মূল্যৰ তুলনাত এই মুদ্রাসমূহৰ তুলনামলূক শক্তি ভিন্ন ভিন্ন। ধৰা হ'ল আমেৰিকাৰ ডলাৰ আৰু ভাৰতীয় টকাৰ তুলনামূলক শক্তিয়ে এখন দেশৰ মুদ্রা (ভাৰত)ই অন্যান্য দেশৰ (আমেৰিকা) তুলনাত কিমানখিনি অর্জন কৰিব পাৰে তাক নির্দেশ কৰে।

ইয়াকে বিনিময়ৰ হাৰ বুলি কোৱা হয়। উদাহৰণস্বৰূপে, ২০১৯ চনৰ ৮ এপ্ৰিল তাৰিখে আমেৰিকাৰ ১ ডলাৰ পাবলৈ আমি প্ৰায় ৭০ টকা খৰচ কৰিব লাগিব। গতিকে, ১ ডলাৰ = ৭০ টকা হ'ল আমেৰিকা ডলাৰৰ তুলনাত ভাৰতবৰ্ষৰ মুদ্ৰাৰ বিনিময় হাৰ।

এই অধ্যায়টিত, আমি বিনিময় হাৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিম। বিনিময় বজাৰে কেনেদৰে কাৰ্য্য কৰে, সেই বিষয়েও আলোচনা কৰা হ'ব।

৮.৩ বৈদেশিক বিনিময়ৰ অৰ্থ আৰু আহিলা

বৈদেশিক বিনিময় হ'ল এখন দেশৰ মুদ্ৰা আন এখন দেশৰ মুদ্ৰালৈ স্থানান্তৰিত হোৱা এটা পদ্ধতি বা প্ৰক্ৰিয়া। বৈদেশিক বিনিময় হ'ল এটা প্ৰক্ৰিয়া যিয়ে এখন দেশৰ পৰা আনখনলৈ কেৱল মুদ্ৰা স্থানান্তৰিত কৰাই নহয়, বৰঞ্চ সকলো আমানত, ভ্ৰমন চেক, বৈদেশিক ঋণ প্ৰদান, বৈদেশিক ঋণ গ্ৰহন, বিনিময় পত্ৰ, ড্ৰাফ্ট ইত্যাদি সামৰি লয়। সেয়েহে সামগ্ৰী, সেৱাকাৰ্য্য আৰু মূলধনৰ আন্তঃৰাষ্ট্ৰীয় লেনদেনৰ বাবে বৈদেশিক বিনিময় প্ৰয়োজনীয়, যিহেতু প্ৰতিখন দেশৰে মুদ্ৰাবোৰ ভিন ভিন। সাধাৰণতে বৈদেশিক বিনিময় দুটা অৰ্থত সংজ্ঞা দিয়া হয় — ব্যাপক অৰ্থত আৰু সংকীৰ্ণ অৰ্থত। সংকীৰ্ণ অৰ্থত ই বৈদেশিক মুদ্ৰাক বুজায়, আনহাতে বহল অৰ্থত ই আন্তৰাষ্ট্ৰীয় লেনদেনৰ সমগ্ৰ প্ৰক্ৰিয়া, প্ৰদানবোৰ, প্ৰদানৰ নিয়ম, প্ৰদানৰ প্ৰক্ৰিয়া, বিভিন্ন দেশৰ মাজত মুদ্ৰা প্ৰদান ইত্যাদিক প্ৰতিনিধিত্ব কৰে।

- **বৈদেশিক বিনিময়ৰ আহিলা ঃ** বৈদেশিক বিনিময় কেতবোৰ আহিলা যেনে বৈদেশিক বিনিময় বিল, বেংক ড্ৰাফ্ট, টেলিফোনিক বিনিময়, ঋনপত্ৰ ইত্যাদিৰ দ্বাৰা পৰিচালিত হয়।
  - ➢ *বৈদেশিক বিনিময় বিল ঃ* ই হ'ল বৈদেশিক বিনিময়ৰ এক গুৰুত্বপূৰ্ণ আহিলা। ই হ'ল লিখিত ঋনদাতাই ঋন গ্ৰহন কৰোতাক এক নিৰ্দিষ্ট পৰিমানৰ মুদ্ৰা প্ৰদান কৰিবলৈ দিয়া এক লিখিত নিৰ্দেশ বা অনুৰোধ। সাধাৰণতে ইয়াক ঋনপত্ৰৰ লগত যোগ দিয়া হয়। ৰপ্তানিকাৰী বা ঋনদাতা দেশখনে এই বিল আমদানিকাৰী দেশক প্ৰদান কৰে আৰু ইয়াক গ্ৰহণ কৰে। এই বিলখন ঋন গ্ৰহণ কৰোতা (আমদানিকাৰী) বা বিক্ৰী কৰা হয় যিয়ে বিদেশত প্ৰদান কৰে আৰু ঋন প্ৰদান কৰা (ৰপ্তানীকাৰী) দেশে মুদ্ৰা গ্ৰহণ কৰে। এনেদৰে এই বিলখনৰ কাৰ্য্যকাৰীতা অতি সহজ।
  - ➢ *টেলিফ'নিক বিনিময় ঃ* যেতিয়া দুখন দেশৰ মাজত তৎকালীন বিনিময়ৰ প্ৰয়োজন হয়, তেতিয়া এই বিনিময় গ্ৰহণ কৰা হয়। সেয়েহে ই হ'ল আন্তৰাষ্ট্ৰীয় বিনিময়ৰ এক তৎকালীন পদ্ধতি। এই আহিলা অনুসৰি, ৰপ্তানিকাৰী দেশে আমদানিকাৰী দেশৰ বেংকৰ আমানৰ হিচাপতহে মুদ্ৰা গ্ৰহণ কৰে। ৰপ্তানিকাৰী দেশৰ বেংকে আমদানি দেশৰ বেংকলৈ এটা টেলিফনিক নিৰ্দেশ প্ৰদান কৰে যাৰ সহায়ত মুদ্ৰা স্থানান্তৰ কৰিবলৈ নিৰ্দেশ দিয়া হয়।

- *বেংক ড্রাফ্ট ঃ* বেংক ড্রাফ্ট হ'ল চাহিদা অনুযায়ী মুদ্রা প্রদান কৰা এক নির্দেশ। আমদানিকাৰী বা ঋণ গ্ৰহণ কৰোতাই নিজৰ দেশৰ বেংকৰ পৰা বেংক ড্রাফ্ট সংগ্ৰহ কৰে আৰু ৰপ্তানিকাৰী বা ঋণ প্ৰদান কৰোতা দেশলৈ প্ৰেৰণ কৰে। ৰপ্তানিকাৰী দেশে বেংকৰ পৰা মুদ্রা সংগ্ৰহ কৰে।
- *ঋণপত্ৰ ঃ* ঋণপত্ৰ বৈদেশিক বিনিময়ৰ এক গুৰুত্বপূৰ্ণ আহিলা। ই এক নির্দিষ্ট সময়ত নির্দিষ্ট ব্যক্তি এজনক নির্দিষ্ট পৰিমাণৰ মুদ্রা যোগান ধৰাৰ বাবে বিল বা চেক উলিওৱাৰ সুবিধা প্ৰদান কৰে। যিটো বেংকে ঋণপত্ৰৰ অনুমোদন জনায়, সেই বেংকটোৱে ৰপ্তানিকাৰীক প্ৰদান কৰে। ভ্ৰমণকাৰীসকলেও এই ঋণপত্ৰৰ সুবিধা লাভ কৰে। ঋণপত্ৰই ভ্ৰমণকাৰীসকলক বেংকত প্ৰদান কৰাৰ বাবে চেক বা বিল উলিওৱাৰ সুবিধা প্ৰদান কৰে। আমদানিকাৰীয়ে প্ৰত্যাহাৰ কৰিব পাৰে বা নকৰিবও পাৰে, কিন্তু ৰপ্তানিকাৰীয়ে ইয়াৰ প্ৰত্যাহাৰ কৰে।

৮.৪ বৈদেশিক বিনিময় বজাৰৰ কার্য্য

বৈদেশিক বিনিময় বজাৰে তিনিটা গুৰুত্বপূৰ্ণ কার্য্য সম্পাদন কৰে। সেই তিনিটা হ'ল — হস্তান্তৰিত কার্য্য, দেনা কার্য্য, আৰু ফটকা ব্যৱসায়ৰ কার্য্য।

৮.৪.১ হস্তান্তৰিত কার্য্য

বৈদেশিক বজাৰৰ প্ৰধান কার্য্য হ'ল এখন দেশৰ পৰা অন্যান্যলৈ ক্ৰয়ক্ষমতাৰ হস্তান্তৰ। অর্থাৎ এখন দেশৰ মুদ্রা আন এখন দেশলৈ হস্তান্তৰিত কৰা। এই কার্য্যটো ঋণৰ বিভিন্ন আহিলাৰ সহায়ত সম্পাদন কৰা হয়। এই কার্য্যটো বৈদেশিক বিনিময়ৰ বজাৰে আন্তৰাষ্ট্ৰীয় দেনাসমূহ ঋণসমূহ আঁতৰ কৰি সম্পাদন কৰে। সেয়েহে বৈদেশিক বিনিময় বজাৰে সম্পাদন কৰা আন্তৰাষ্ট্ৰীয় দেনাসমূহ নিষ্পত্তিকৰনে আন্তঃৰাষ্ট্ৰীয় বানিজ্যত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।


৮.৪.২ দেনা কার্য্য

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বৃদ্ধিৰ বাবে বৈদেশিক বিনিময় বজাৰে দেনা কার্য্য সম্পাদিত কৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বৃদ্ধি দেনাৰ সুবিধাসমূহৰ ওপৰত বহু পৰিমাণে নির্ভৰ কৰে। দেনাৰ সুবিধা আমদানি আৰু ৰপ্তানি দুয়োটাতে উপলব্ধ হয়। ৰপ্তানিয়ে পূৰ্ববর্তী স্থানান্তৰ (pre-shipment) আৰু পশ্চাৎৱর্তী স্থানান্তৰক সামৰি লয়।

৮.৪.৩ ফটকা ব্যৱসায়ৰ কার্য্য

বৈদেশিক বিনিময় বজাৰৰ তৃতীয় গুৰুত্বপূৰ্ণ কার্য্য হ'ল ফটকা ব্যৱসায়ৰ কার্য্য। ফটকা ব্যৱসায় মানে হ'ল বৈদেশিক বিনিময়ৰ শংকা পৰিহাৰ কৰা। ই বিনিময় হাৰত

তাৰতম্যতাৰ পৰা আমদানি আৰু ৰপ্তানি হোৱা লোকচানক সুৰক্ষিত কৰে। ই *অগ্রগামী চুক্তি* (Forward) সহায়ত প্রত্যাশিত বা প্রকৃত বিষয়মমূহ দাঙি ধৰিবলৈ সেৱা প্রদান কৰি বিনিময়ৰ শংকা নোহোৱা কৰে বা হ্রাস কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বৈদেশিক বিনিময়ৰ আহিলা হিচাপে বৈদেশিক বিলৰ ব্যৱহাৰ ব্যাখ্যা কৰা। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ কেনেদৰে অগ্রগামী চুক্তিয়ে কার্য্য সম্পাদন কৰে বর্ণনা কৰা। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৮.৫ বৈদেশিক বিনিময় হাৰ

বৈদেশিক বিনিময়ৰ হাৰ বৈদেশিক বজাৰৰ লগত জড়িত। ই হ'ল এটা হাৰ য'ত এখন দেশৰ মুদ্রা আন এখন দেশৰ মুদ্রাৰ লগত বিনিময় কৰা হয়। বিনিময় হাৰৰ বৃদ্ধিয়ে বা বৈদেশিক মুদ্রাৰ তুলনাত ঘৰুৱা মুদ্রা হ্রাস হোৱাকে বৈদেশিক মুদ্রাৰ তুলনাত অৱমূল্যায়ন বুলিও কোৱা হয়। বিনিময় হাৰ হ্রাস বা বৈদেশিক মুদ্রাৰ তুলনাত ঘৰুৱা মুদ্রা বৃদ্ধি হোৱাকে বৈদেশিক মুদ্রাৰ তুলনাত পুনৰমূল্যায়ন বুলি কোৱা হয়। উদাহৰণস্বৰূপে, যদি মুদ্রাৰ বিপৰীতে ডলাৰৰ বিনিময় হাৰ ৭০ টকা (প্রতি ডলাৰ)ৰ পৰা ৭২ টকা (প্রতি ডলাৰ) লৈ বৃদ্ধি হয়, তেন্তে ই হ'ল ভাৰতীয় মুদ্রাৰ অৱমূল্যায়ন। ঠিক সেইদৰে বিনিময় হাৰ ৭০ টকাৰ পৰা ৬৮ টকালৈ হ্রাস হ'ল ই পুনৰমূল্যায়ন হব।

বৈদেশিক বিনিময় হাৰৰ প্রকাৰবোৰ হ'ল —

- **স্থিৰ বিনিময় হাৰ ঃ** স্থিৰ বিনিময় হাৰ হ'ল এটা প্রক্রিয়া য'ত চৰকাৰে বা কেন্দ্রীয় বেংকে সোণ মূল্য বা অন্যান্য দেশৰ মুদ্রাৰ হিচাপত বিনিময় হাৰ স্থিৰ কৰে। স্থিৰ বিনিময় হাৰক শিথিল বিনিময় হাৰ বুলিও কোৱা হয়। সাধাৰণতে তিনিধৰণৰ স্থিৰ বিনিময় হাৰ আছে — (ক) আনুভূমিক শিথিল বিনিময় হাৰ ঃ ই হ'ল এটা বিনিময় হাৰ য'ত বিনিময় হাৰে

এটা পৰিসৰত কার্য্য সম্পাদন কৰে। এই নির্দিষ্ট পৰিসৰটো এক দিশত (ভিয়েটনামত ১৭ শতাংশ), সংকীর্ণ পৰিসৰ (ডেনমার্কত ২.২৫ শতাংশ) বা বহল পৰিসৰৰ (লিবিয়াত ৭৭ শতাংশ)। (খ) ক্রাউলিং শিথিল ঃ ইয়াত ঘৰুৱা মুদ্রাৰ সমান মূল্য চিনাক্ত হোৱা বৈদেশিক মুদ্রাৰ হিচাপত নির্ধাৰণ কৰা হয় আৰু বাকীবোৰ মুদ্রাস্ফীটিৰ হাৰত পৰিৱর্তন ইত্যাদিৰ সহায়ত নির্ধাৰণ কৰা হয়। (গ) ক্রাউলিং ব্রেণ্ড ঃ ঘৰুৱা মুদ্রা যিটো যিয়ে এক নির্ধাৰিত সময়ত সীমাত ক্রাউলিং শিথিল বাহাল ৰাখে।



জানি থোৱা ভাল

ক্রাউলিং, শিথিলৰ গুৰুত্বপূর্ণ সুবিধাটো হ'ল ঘৰুৱা মুদ্রাৰ বজাৰত ইয়াৰ সতর্কতা।

পৰিবর্তনশীল বিনিময় হাৰ ঃ ই দুই প্রকাৰৰ (ক) পৰিচালিত ভাসমান বা লেতেৰা ভাসমান (খ) মুক্ত বা পৰিষ্কাৰ ভাসমান। পৰিবর্তনশীল বিনিময় হাৰ হ'ল স্থিৰ বিনিময় হাৰৰ সম্পূর্ণ ওলোটা। পৰিবর্তনশীল বিনিময় হাৰত বৈদেশিক মুদ্রাৰ তুলনাত বজাৰ শক্তিয়ে ঘৰুৱা মুদ্রাৰ মূল্য নির্ধাৰণ কৰে। পৰিচালিত ভাসমান বা লেতেৰা ভাসমান ঃ পৰিচালিত ভাসমান বা লেতেৰা ভাসমান হ'ল পৰিবর্তনশীল বিনিময় হাৰ য'ত মৌদ্রিক কতৃপক্ষই প্রত্যক্ষভাৱে বা হস্তক্ষেপ নকৰাকৈ বিনিময় হাৰক প্রভাৱিত কৰে।

মুক্ত বা পৰিষ্কাৰ ভাসমানঃ মুক্ত বা পৰিষ্কাৰ ভাসমান হ'ল এটা পৰিবর্তনশীল বিনিময় হাৰ যিটো বজাৰ শক্তি (অর্থাৎ মুদ্রাৰ চাহিদা আৰু যোগান) য়ে নির্ধাৰণ কৰে।

জানি থোৱা ভাল

এখন দেশে মানি চলা বিনিময় হাৰ হ'ল ডি ফেক্টে বিনিময় হয় (De-facto Exchange Rate) এই বিনিময় হাৰত এখন দেশে বিনিময় হাৰ মানি লবলৈ বাধ্য হয়।

৮.৬ ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণ

ভাৰসাম্য বিনিময় হাৰ সেইটো হাৰ মুদ্রাৰ চাহিদা আৰু মুদ্রাৰ যোগান পৰস্পৰ সমান হয়। সাধাৰণতে ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণত দুটা তত্ত্ব আছে। সেইকেইটা হ'ল — (ক) ক্রয়ক্ষমতাৰ সমতা তত্ত্ব (খ) বাণিজ্যিক লেনদেনৰ পৰিশোধন তত্ত্ব।

৮.৬.১ ক্রয় ক্ষমতাৰ সমতা তত্ত্ব (PPP)

ক্রয় ক্ষমতাৰ সমতা তত্ত্ব (Purchasing Power Parity-PPP) চুইডেনৰ গাষ্টভ

কেচেলে (Gaustav Cassel) আগবঢ়াইছিল। তত্ত্বটো অনুসৰি, বিনিময় হাৰ মুক্তভাৱে বিচৰণ কৰে, তেতিয়া দুখন দেশৰ বিনিময় হাৰ সিহঁতৰ আপেক্ষিক মূল্যস্তৰৰ ওপৰত নির্ভৰশীল। এই তত্ত্বটো দৰাচলতে বিনিময়ৰ হাৰ নির্ধাৰণ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু এতিয়া ই দেশসমূহৰ মাজত জীৱন ধাৰণৰ মানদণ্ড তুলনা কৰিবলৈ ব্যৱহাৰ কৰা হয়।

এই তত্ত্বটোৰ দুটা ভাগ আছে —

- *প্ৰকৃত ক্ৰয় ক্ষমতাৰ সমতা তত্ত্ব ঃ* এই তত্ত্ব অনুসৰি দুখন দেশৰ ভাৰসাম্য বিনিময় হাৰ দেশ দুখনৰ দৰ স্তৰৰ সমান। ইয়াক এনেদৰে প্ৰকাশ কৰিব পাৰি — $R = \frac{P}{P*}$, য'ত R হ'ল বিনিময় হাৰ, P হ'ল সাধাৰণ দৰস্তৰ (ঘৰুৱা) আৰু P* হ'ল বৈদেশিক মূল্যস্তৰ।
- *আপেক্ষিক ক্ৰয় ক্ষমতা সমতা তত্ত্ব ঃ* এই তত্ত্ব অনুসৰি, বিনিময় হাৰৰ এক নির্দিষ্ট সময়ছোৱাৰ পৰিবর্তন দুখন দেশৰ একে সময়তে আপেক্ষিক দৰ স্তৰৰ সমানুপাতিক। ইয়াক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

$$R_1 = \frac{\frac{P_1}{P_0} \times R_0}{\frac{P_1^*}{P_0^*}}$$

য'ত R_1 হ'ল ১ নং সময়ৰ বিনিময়ৰ হাৰ, R_0 হ'ল ভিত্তি সময়ৰ বিনিময় হাৰ, P_1 আৰু P_1^* হ'ল চলিত সময়ৰ ঘৰুৱা আৰু বৈদেশিক দৰস্তৰ আৰু P_0 আৰু P_0^* হ'ল যথাক্ৰমে ভিত্তি সময়ৰ ঘৰুৱা আৰু বৈদেশিক দৰস্তৰ।

যদি বৈদেশিক মুদ্ৰাৰ সাধাৰণ দৰস্তৰ ভিত্তি সময়ৰ পৰা চলিত সময়লৈ পৰিবর্তন হয় (অর্থাৎ $\frac{P_1^*}{P_0^*} = 1$), য'ত ঘৰুৱা দৰস্তৰ ৫০ শতাংশ হয় তেতিয়া আপেক্ষিক ক্ৰয়ক্ষমতা অনুসৰি বিনিময় হাৰ ৫০ শতাংশলৈ ভিত্তি সময়ৰ তুলনাত চলিত সময়ত অৱমূল্যায়ন হয়।

- **ক্ৰয়ক্ষমতাৰ সমতা তত্ত্বৰ সমালোচনা ঃ** তলত দিয়া কাৰকবোৰৰ ভিত্তিত এই তত্ত্বটো সমালোচনা কৰা হৈছে —
  - দৰ সুচক সংখ্যাৰ অসুবিধা ঃ ভাৰসাম্য দৰ নির্ণয় কৰিবলৈ এই তত্ত্বই দৰ সুচক সংখ্যাৰ বহুতো সীমাবদ্ধতা আছে গতিকে তত্ত্বটো এইবোৰ সমালোচনাৰ পৰা মুক্ত নহয়।
  - জাতীয় আয়ৰ গাঁথনি ঃ বিভিন্ন দেশত জাতীয় আয়ৰ গাঁথনি ভিন-

ভিন। সেয়েহে বিভিন্ন দেশত অন্তর্ভুক্ত হোৱা সামগ্রী আৰু সেৱাবোৰ ভিন ভিন। সেয়েহে সকলো দেশতে গাঁথনি বিবেচনা কৰাটো গ্রহণযোগ্য নহয়।

- সামগ্রীবোৰৰ গুণৰ তাৰতম্যতা ঃ সামগ্রী আৰু সেৱা কার্য্যসমূহৰ গুণগত মানদণ্ড বিনিময় হাৰ নির্ধাৰণৰ এক কাৰক হিচাপে বিবেচনা কৰিব নোৱাৰি। বিভিন্ন দেশত সামগ্রী আৰু সেৱাকার্য্যৰ গুনসমূহ ভিন্ন ভিন্ন।
- দৰত হোৱা বিনিময় হাৰৰ পৰিৱর্তনৰ প্রভাৱক আওঁকাণ ঃ এই তত্ত্বটোৱে দৰত বিনিময় হাৰৰ তাৰতম্যতাক আওঁকাণ কৰে।
- আন্তৰাষ্ট্রীয় মুলধন প্রবাহক আওকান ঃ আন্তৰাষ্ট্রীয় মুলধন প্রবাহে ভাৰসাম্য বিনিময় হাৰক প্রভাৱিত কৰে। কিন্তু এই তত্ত্বই ইয়াক আওঁকাণ কৰে।
- সকলো ধৰণৰ বাধাৰ পৰা মুক্ত ঃ এই তত্ত্বটোৱে মুক্ত আন্তঃৰাষ্ট্রীয় বাণিজ্য ধৰি লয়, কিন্তু বাস্তৱক্ষেত্রত আন্তঃৰাষ্ট্রীয় বাণিজ্য বাধাৰ পৰা মুক্ত নহয়।
- পৰিবহন খৰচ নাই ঃ এই তত্ত্বটোৱে পৰিবহন খৰচ শূন্য বুলি ধৰি লয়, কিন্তু বাস্তবিকতে এই অভিধাৰণা সত্য নহয়।
- বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানক আওঁকাণ ঃ ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণৰ বাবে বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগান দৰকাৰী। কিন্তু এই তত্ত্বটোৱে সম্পূর্ণৰূপে ইয়াক আওঁকাণ কৰে।
- হস্রকালীন তাৰতম্যতা ঃ বিনিময় হাৰৰ হস্রকালীন তাৰতম্যতাৰ ব্যাখ্যা গ্রহণযোগ্য নহয়।
- আমদানি আৰু ৰপ্তানি চাহিদাৰ স্থিতিস্থাপকতাৰ ব্যাখ্যা ঃ এই তত্ত্বটোৱে আমদানি আৰু ৰপ্তানিৰ চাহিদাৰ স্থিতিস্থাপকতা ১ বুলি ধৰি লয়। কিন্তু এই অভিধাৰণাটো গ্রহণযোগ্য নহয়।

যদিও ক্রয়ক্ষমতাৰ সমতা তত্ত্বটোৰ বহুতো অসুবিধা আছে, তথাপি ই বিনিময় হাৰৰ কেতবোৰ গুৰুত্বপূর্ণ দিশ নির্ণয় কৰে। সেইবোৰ হ'ল—

- ই আভ্যন্তৰীণ দৰস্তৰ আৰু বিনিময় হাৰৰ সম্বন্ধ নির্ণয় কৰে
- ই এক নির্দিষ্ট সময়ত বৈদেশিক লেনদেনৰ সমতা আৰু বাণিজ্যৰ ভিত্তি দুয়োটাই আলোচনা কৰে।
- এক নির্দিষ্ট পৰিসৰলৈ এই তত্ত্বটো সমগ্র মৌদ্রিক ব্যৱস্থাত প্রযোজ্য হয়।

৯.৬.২ বাণিজ্যিক লেনদেনৰ পৰিশোধন তত্ত্ব


বাণিজ্যিক লেনদেনৰ পৰিশোধন তত্ত্বক বিনিময় হাৰ নির্ধাৰণৰ চাহিদা আৰু যোগানৰ বিনিময় হাৰ নির্ধাৰণ আৰু সাধাৰণ বিনিময় হাৰ তত্ত্ব বুলি জনা যায়। এই তত্ত্ব অনুসৰি, বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানৰ মুক্ত আচৰণে বৈদেশিক বিনিময় হাৰ নির্ধাৰণ কৰে।

বৈদেশিক বিনিময়ৰ চাহিদা বৈদেশিক সামগ্রী আৰু সেৱাকার্য্যৰ আমদানিৰ ঘৰুৱা চাহিদা আৰু মুলধন প্রবাহে নির্ধাৰণ কৰে। সেয়েহে বৈদেশিক লেনদেনৰ চলিত আৰু মুলধনী হিচাৱৰ দেনা লেনদেনৰ পৰা বৈদেশিক বিনিময়ৰ চাহিদা উদ্ভৱ হয়।

বৈদেশিক বিনিময়ৰ যোগান বৈদেশিক মূলধনৰ পৰা সৃষ্টি হয়। বৈদেশিক মূলধন সামগ্রী আৰু সেৱাকার্য্যৰ ৰপ্তানি, বিদেশৰ পৰা হস্তান্তৰিত দেনা, হস্তকালীন আৰু দীর্ঘকালীন মূলধনৰ আগমন আৰু বর্হিগমন ইত্যাদিৰ পৰা উদ্ভৱ হয়। সেয়েহে, বৈদেশিক বিনিময়ৰ যোগান বৈদেশিক লেনদেনৰ চলিত আৰু মূলধনী হিচাৱৰ ঋণৰ বিনিময়ৰ পৰা নির্ধাৰণ কৰিব পাৰি ।

বৈদেশিক মুদ্রাৰ যোগানে সকলো বৈদেশিক আদায় (ঋণ দিয়া আৰু উপার্জন দুয়োটা)ক সুচায় আৰু বৈদেশিক বিনিময়ৰ চাহিদাই সকলো বৈদেশিত প্রদান (খৰচ কৰা আৰু ধাৰ লোৱা দুয়োটা)ক সূচায়। বৈদেশিক মুদ্রাৰ যোগান সদায় চাহিদাৰ সমান নহয়। যিটো হাৰত বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগান সমান হয়, তাকেই ভাৰসাম্য বৈদেশিক বিনিময় হাৰ বোলে। ভাৰসাম্য বিনিময় হাৰৰ অৱস্থাত বাণিজ্যিক লেনদেনৰ পৰিশোধনো ভাৰসাম্য হয়।

চিত্র ৮.১ ঃ বিনিময় হাৰ নির্ধাৰণ



ইয়াক চিত্র ৯.১ ৰ সহায়ত দেখুওৱা হৈছে। চিত্র ৯.১ ত, বৈদেশিক বিনিময়ৰ পৰিমান আৰু বৈদেশিক বিনিময়ৰ হাৰ যথাক্রমে আনুভূমিক আৰু উলম্ব অক্ষত দেখুওৱা হৈছে। D_{ϵ} হ'ল বৈদেশিক বিনিময়ৰ চাহিদা ৰেখা আৰু ই সকলোবোৰ স্বয়ংক্রিয় ঋণ প্রদান সমূহ সামৰি লয়। আকৌ S_{ϵ} হ'ল বৈদেশিক বিনিময়ৰ যোগান ৰেখা আৰু ই সকলোবোৰ ক্রয়ক্রিয় দেনাসমূহ সামৰি লয়। চাহিদা ৰেখা D_{ϵ} আৰু যোগান ৰেখা S_{ϵ}, e বিন্দুত কটাকটি কৰিছে, য'ত বৈদেশিক বিনিময়ৰ চাহিদা যোগানৰ সমান হৈছে। R_0 হ'ল বৈদেশিক বিনিময়ৰ হাৰ আৰু OQ_0 হ'ল 'e' বিন্দু সাপেক্ষে বৈদেশিক বিনিময়ৰ পৰিমান। সেয়েহে, R_0 ত, বৈদেশিক বিনিময় বজাৰৰ সমতা স্থাপন হয়। অর্থাৎ, R_0 ত, বৈদেশিক বিনিময়ৰ যোগান বৈদেশিক বিনিময়ৰ চাহিদাৰ সমান হয়। অন্য কোনো বিনিময়ৰ হাৰ ভাৰসাম্য নহয় কাৰণ বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগান এটা আনটোৰ সৈতে এনে নহয়। R_1 ত বৈদেশিক বিনিময়ৰ অতিৰিক্ত যোগানৰ উদ্ভৱ হয়, যিয়ে বিনিময় হাৰক পুনৰ R_0 লৈ হ্রাস কৰাক সূচায়। আকৌ R_2 ত, বৈদেশিক বিনিময়ত অতিৰিক্ত চাহিদাৰ উদ্ভৱ হয়, যিয়ে বিনিময় হাৰক পুনৰ R_0 লৈ বৃদ্ধি কৰাক সূচায়। R_0 হ'ল ভাৰসাম্য বিনিময় হাৰ।




জানি থোৱা ভাল

- যদি বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানৰ পৰিবর্তন হয়, তেন্তে ভাৰসাম্য বিনিময় হাৰবো পৰিৱর্তন হব।
- বৈদেশিক বিনিময়ৰ হাৰ বৈদেশিক ৰপ্তানিৰ চাহিদাৰ স্থিতিস্থাপকতা, আমদানি ঘৰুৱা চাহিদাৰ স্থিতিস্থাপকতা, ঘৰুৱা ৰপ্তানিৰ যোগানৰ স্থিতিস্থাপকতা, বৈদেশিক ৰপ্তানিৰ যোগানৰ স্থিতিস্থাপকতা ইত্যাদিৰ দ্বাৰা প্রভাৱিত হয়।

বাণিজ্যক লেনদেনৰ পৰিশোধন তত্ত্বৰ আঁসোৱাহ ঃ

এই তত্ত্বটো অতি গুৰুত্বপূর্ণ কাৰণ ই ভাৰসাম্য বিনিময় হাৰ নির্ধাৰণৰ বাবে সকলোবোৰ বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানৰ কাৰকবোৰ বিবেচনা কৰে। ই বাণিজ্যিক লেনদেনৰ ভাৰসাম্যতা পৰিশোধ কৰাৰ চেষ্টা কৰে। কিন্তু এই তত্ত্বটো আসোৱাহমুক্ত নহয়। তত্ত্বটোৰ কেতবোৰ গুৰুত্বপূর্ণ আসোৱাহ হ'ল —

- পূর্ণ প্রতিযোগিতাৰ অভিধাৰণা বাস্তৱসন্মত নহয়। পূর্ণ প্রতিযোগিতা পোৱা নাযায়।
- তত্ত্বটোৱে আভ্যন্তৰীন দৰস্তৰ আৰু বৈদেশিক বিনিময়ৰ হাৰৰ সম্পর্ক বিচাৰ নকৰে। আভ্যন্তৰীন দৰস্তৰৰ পৰিবর্তনে বাণিজ্যিক লেনদেনৰ পৰিশোধনৰ অৱস্থাক প্রভাৱিত কৰে আৰু দৰাচলতে ই বিনিময় হাৰক প্রভাৱিত কৰে কাৰণ বাণিজ্যিক লেনদেনৰ ভাৰসাম্য অবস্থাত ভাৰসাম্য বিনিময়ৰ হাৰ প্রতিস্থা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ প্রকৃত ক্রয়ক্ষমতা সমতা তত্ত্ব অনুসৰি কেনেদৰে ভাৰসাম্য বিনিময়ৰ হাৰ নির্ধাৰণ কৰা হয়? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ বৈদেশিক বিনিময়ৰ চাহিদা নির্ধাৰণ কৰা কাৰকসমূহ উল্লেখ কৰা। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- বৈদেশিক বিনিময় হ'ল এখন দেশৰ মুদ্রা আন এখন দেশৰ মুদ্রালৈ স্থানান্তৰ কৰা এক প্রক্রিয়া।
- বৈদেশিক বিনিময় হ'ল এটা প্রক্রিয়া যিয়ে কেৱল মুদ্রা বিনিময় কৰাই নহয়, কিন্তু সকলো আমানত, ঋণ আৰু বিদেশী মুদ্রাৰ দেনা, যিকোনো ড্রাফ্ট, ভ্রমণ চেক, ঋণপত্র, বিনিময় বিল, এখন দেশৰ পৰা আন এখন দেশত প্রদান কৰাকো সামৰি লয়।
- বৈদেশিক বিনিময় বজাৰ (Forex, Fx বা মুদ্রা বজাৰ) হ'ল এক গোলকীকৃত বিকেন্দ্রীভূত বা মুদ্রা বাণিজ্যৰ কৰাৰ অভাৰ ডা কাউন্টাৰ (over the counter) বজাৰ।
- সাধাৰণতে, বৈদেশিক বিনিময়ৰ বজাৰ হ'ল এনে এক বজাৰ য'ত ৰাষ্ট্রীয় মুদ্রাবোৰ বেচা-কিনা কৰা হয়।
- বিনিময়ৰ হাৰ বা বৈদেশিক বিনিময়ৰ হাৰ বৈদেশিক বিনিময় বজাৰৰ লগত জড়িত। ই হ'ল এক হাৰ য'ত, এখন দেশৰ মুদ্রা আন এখন দেশৰ লগত সলনি কৰা হয়।
- বৈদেশিক বিনিময়ৰ হাৰ বৃদ্ধি বা বৈদেশিক মুদ্রাৰ তুলনাত ঘৰুৱা মুদ্রাৰ হ্রাসক অৱমূল্যায়ন

বুলি কোৱা হয়। ইয়াৰ বিপৰীতে বৈদেশিক বিনিময়ৰ হাৰ হ্ৰাস বা বৈদেশিক মুদ্ৰাৰ তুলনাত ঘৰুৱা মূল্য বৃদ্ধিক পুনৰ মূল্যায়ন বুলি কোৱা হয়।

- ভাৰসাম্য বিনিময় হাৰ সেইটো হাৰ য'ত এখন অৰ্থনীতিৰ মুদ্ৰাৰ চাহিদা আৰু যোগান পৰস্পৰ সমান হয়।
- ভাৰসাম্য বিনিময়ৰ হাৰ নিৰ্ধাৰণ কৰিবলৈ দুটা তত্ত্ব আছে। সেই দুটা হ'ল — (ক) ক্ৰয়ক্ষমতাৰ সমতা তত্ত্ব (খ) বাণিজ্যিক লেনদেনৰ পৰিশোধন তত্ত্ব।



৮.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Cherunilam, F (2017), *International Economics*, New Delhi, McGraw Hill Education.

২) Mannur, H.G. (1995), *International Economics*, New Delhi, Vikash Publishing House Pvt. Ltd.

৩) Mituani D.M. (2001), *Internation Economics*, Mumbai, Himalaya Publishing House.

৪) Rana K.C. & Verma, K.N. (2004), *International Economics*, Jalandhar: Vishal Publishing Co.

৫) Salvatore, D. (2004), *International Economics*, New Delhi, Willey-India.

৬) Vaish M.C. & Singh, S. (2012), *International Economics*, New Delhi, Oxford and IBH Publishing co. Pvt. Ltd.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ ঃ *কল্যাণ আৰু আন্তৰ্জাতিক অৰ্থবিজ্ঞান,* ইউনিকা প্ৰকাশন, যোৰহাট।

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদেশিক বিনিময় বিল ঋণপত্ৰৰ লগত যোগ কৰা হয়। এখন দেশৰ ৰপ্তানিকাৰী বা ঋণ দিওতাই বেলেগ দেশৰ আমদানিকাৰীৰ পৰা বিল সংগ্ৰহ কৰে আৰু গ্ৰহণ কৰে। এই বিল গ্ৰহণ কৰোতা (আমদানি) বিক্ৰী কৰা হয় যিয়ে, বিদেশত প্ৰদান কৰে আৰু ঋণ দিওতাই (ৰপ্তানিকাৰী) বিদেশৰ পৰা তেওঁলোকৰ প্ৰদান সংগ্ৰহ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ অগ্রিম চুক্তি হ'ল বৈদেশিক বিনিময় বেচা-কিনা কৰা এক তিনিমহীয়া চুক্তি যিটো এটা নির্দিষ্ট তাৰিখত নির্ধাৰণ কৰা হয় আৰু ভৱিষ্যত দৰ ভিত্তিত কিন্তু বর্তমানৰ চুক্তিত।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রকৃত ক্রয় ক্ষমতাৰ সমতা তত্ত্ব অনুসৰি ভাৰসাম্য বিনিময় হাৰ দুখন দেশৰ দৰৰ অনুপাতৰ সমান হয়। ইয়াক এনেদৰে প্রকাশ কৰিব পাৰি — $R = \frac{P}{P^*}$, য'ত R হ'ল বিনিময় হাৰ, P আৰু P* হ'ল যথাক্রমে ঘৰুৱা আৰু বৈদেশিক সাধাৰণ দৰস্তৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ বৈদেশিক বিনিময়ৰ চাহিদা বৈদেশিক সামগ্রী আৰু সেৱাকার্য্য আমদানিৰ ঘৰুৱা চাহিদা আৰু মূলধনৰ বর্হিগমনে নির্ধাৰণ কৰে। সেয়েহে বৈদেশিক বিনিময়ৰ চাহিদা বাণিজ্যিক লেনদেনৰ চলিত আৰু মূলধনী হিচাপত দেনা লেনদেনৰ দ্বাৰা নির্ধাৰিত হয়।



৮.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বৈদেশিক বিনিময় বজাৰ কি?

প্রশ্ন ২ ঃ স্থিৰ বা শিথিল বিনিময়ৰ হাৰৰ অর্থ কি?

প্রশ্ন ৩ ঃ স্থিৰ বিনিময় হাৰৰ সুবিধাবোৰ কি কি?

প্রশ্ন ৪ ঃ পৰিবর্তনশীল বিনিময় হাৰ কি? ইয়াক কেনেদৰে নির্ধাৰণ কৰা হয়?

প্রশ্ন ৫ ঃ ক্রাউলিং পেগ পদ্ধতি কি?

প্রশ্ন ৬ ঃ পৰিচালিত ভাসমান কি?

প্রশ্ন ৭ ঃ বৈদেশিক বিনিময় বজাৰ কি?

প্রশ্ন ৮ ঃ বৈদেশিক বিনিময় বজাৰৰ বিভিন্ন কার্য্যসমূহ কি কি?

প্রশ্ন ৯ ঃ ক্রয়ক্ষমতাৰ সমতা তত্ত্বটো উল্লেখ কৰক।

প্রশ্ন ১০ ঃবিনিময় হাৰ নির্ধাৰণত বাণিজ্যিক লেনদেনৰ সমতা তত্ত্ব উল্লেখ কৰক।

প্রশ্ন ১১ ঃবিনিময় হাৰ কি? বিভিন্ন বিনিময় হাৰৰ প্রকাৰসমূহ আলোচনা কৰক।

প্রশ্ন ১২ ঃক্রয়ক্ষমতাৰ সমতা তত্ত্বটো আসোঁৱাহৰ সহায়ত বর্ণনা কৰক।

প্রশ্ন ১৩ ঃবাণিজ্যিক লেনদেনৰ সমতা তত্ত্বটো আসোঁৱাহৰ সহায়ত বর্ণনা কৰক।

প্রশ্ন ১৪ ঃবৈদেশিক বিনিময় বজাৰ কি? বৈদেশিক বিনিময় বজাৰৰ বিভিন্ন কার্য্যসমূহ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ বাণিজ্য বিত্তায়ন

৯.৪ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ উৎস

৯.৫ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ কার্যব্যৱস্থা

৯.৬ EXIM বেংকৰ ভূমিকা

- ৯.৬.১ EXIM বেংকৰ উদ্দেশ্য
- ৯.৬.২ EXIM বেংকৰ কার্য
- ৯.৬.৩ EXIM বেংকৰ সংগঠন
- ৯.৬.৪ EXIM বেংকৰ কার্যৱলী
- ৯.৬.৫ EXIM বেংকৰ বিত্ত ব্যৱস্থা
- ৯.৬.৬ EXIM বেংক

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ গুৰুত্ব বুজিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিত্তায়ন আৰু নিয়মীয়া ঋণৰ পার্থক্যবোৰ জানিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ বিভিন্ন উৎসসমূহ চিনাক্ত কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিত্তায়নৰ বিভিন্ন আহিলাসমূহৰ বিষয়ে জানিব পাৰিব
- EXIM বেংকৰ বিষয়ে জানিব পাৰিব

৯.২ পৰিচয়

আন্তর্জাতিক বাণিজ্যৰ বিত্তায়ন এক জটিল প্ৰক্ৰিয়া। ইয়াত বহুতো বিষয় যেনে নিগম নীতি আৰু বিনিময়ৰ ক্ষতিৰ দায়িত্ব বহনৰ বাবে বজাৰ কৌশল আৰু সাধাৰণ ঋণৰ চর্তসমূহো নিহিত থাকে। এই জটিলতাৰ আঁৰৰ কাৰণ হ'ল দুখন দেশৰ বেলেগ বেলেগ মুদ্রা আৰু আইন

ব্যৱস্থা। ইয়াৰ লগতে, এই বাণিজ্যৰ ধন পৰিশোধ এক নির্দিষ্ট দূৰত্বত আৰু নির্দিষ্ট সময়সীমাৰ ভিতৰত হ'ব লাগিব। কিয়নো আমদানিকাৰী, ৰপ্তানিকাৰী অথবা দুয়োপক্ষই এক নির্দিষ্ট সময়ৰ ভিতৰত ঋণৰ প্ৰয়োজনবোধ কৰে। ঋণৰ এই প্ৰয়োজন ৰপ্তানিকাৰীৰ দ্বাৰা সামগ্ৰী উৎপাদনৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা আমদানিকাৰীৰ দ্বাৰা সামগ্ৰীৰ ক্ৰয় আৰু সংগ্ৰহৰ পৰ্যায়লৈকে হয়।

এই অধ্যায়ত আমি বাণিজ্য বিত্তায়ন অৰ্থ, আন্তৰ্জাতিক বাণিজ্যৰ বিত্তায়নৰ উৎস, আন্তৰ্জাতিক বাণিজ্য বিত্তায়নৰ কাৰ্যপদ্ধতি আৰু EXIM বেংকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম।

৯.৩ বাণিজ্য বিত্তায়নৰ অৰ্থ

বাণিজ্য বিত্তায়ন হ'ল আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিত্তায়নৰ এক মাধ্যম। ই এক প্ৰকাৰৰ ছাতিসদৃশ কাৰ্যসূচী য'ত বেংক আৰু কোম্পানীসমূহৰ উপযোগী সকলো বিত্তীয় সামগ্ৰী সামৰি লোৱা হয় আৰু যাৰ দ্বাৰা বাণিজ্যিক বিনিময় কাৰ্যৰ সম্ভৱ কৰি তোলা হয়। ই প্ৰতিষ্ঠান এখনৰ বাবে ৰপ্তানি আৰু আমদানি সম্ভৱ কৰি তোলে। ক্ষুদ্ৰ ব্যৱসায় একোটাৰ ব্যক্তিগত আমদানিৰ আৰম্ভ কৰি বহুজাতিক পুঁজিপতি গোষ্ঠীয়ে প্ৰতিবছৰে আমদানি বা ৰপ্তানি কৰা বৃহৎ পৰিমাণৰ তালিকাভুক্ত সামগ্ৰীও সামৰি লোৱা হয়। এই বাণিজ্য বিত্তায়নে এজন আমদানিকাৰীৰ আৰু ৰপ্তানিকাৰীৰ ভিন ভিন প্ৰয়োজনসমূহৰ সংমিশ্ৰণ কৰি গোলকীয় বাণিজ্যৰ ক্ষতিৰ আশংকা হ্ৰাস কৰে। বেংক আৰু বিত্তীয় অনুষ্ঠানসমূহৰ দৰে বিভিন্ন মধ্যস্ততাকাৰী অনুষ্ঠানসমূহে বাণিজ্যৰ বিত্তায়নৰ যোগে এই বিনিময়ৰ সুবিধা লাভ কৰিব পাৰে।

বাণিজ্যিক বিনিময়ত দুই ধৰণৰ দল থাকে (১) ৰপ্তানিকাৰীসকল, যিসকলে তেওঁলোকৰ সামগ্ৰী আৰু সেৱাৰ বাবে পৰিশোধ আদায় দিয়াটো বিচাৰে, (২) আমদানিকাৰী, যিয়ে এইটো নিশ্চিত কৰিব বিচাৰে যে তেওঁলোকে সামগ্ৰীৰ উচিত গুণাগুণ আৰু পৰিমাণৰ বাবে মূল্য পৰিশোধ কৰিছে।

৯.৪ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ উৎসসমূহ

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ উৎসসমূহ তলত উল্লেখ কৰা ধৰণৰ ঃ

(১) **বাণিজ্যিক বেংক ঃ** গোলকীয়ভাৱে বাণিজ্যিক বেংকে ব্যৱসায়িক উদ্দেশ্যৰ বাবে বৈদেশিক মুদ্ৰা ঋণ আগবঢ়ায়। তেওঁলোকে অনা-বাণিজ্যিক আন্তঃৰাষ্ট্ৰীয় কাম্যসমূহৰ বাবে বিত্তৰ যোগান ধৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে। তেওঁলোকে পূৰ্ব-আমদানিৰ বিত্তায়ন আগবঢ়ায়। ইয়াৰোপৰি সংগ্ৰহ প্ৰক্ৰিয়াত সহায় কৰে। প্ৰত্যয় পত্ৰ অনুমোদন আৰু নিশ্চিত কৰে, ড্ৰাফটৰ হিচাপৰক্ষণ আৰু ৰেহাই দিয়ে, মাচুল ভিত্তিক সেৱাসমূহ প্ৰদান কৰে, বৈদেশিক বিনিময় মুদ্ৰাৰ ভাণ্ডাৰৰ দায়িত্ব (spot, forward, swap, etc.) বহন কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় উদ্যোগত মানদণ্ড সম্পন্ন চার্টাডক বৈদেশিক মুদ্ৰা ঋণৰ এক উৎস হিচাপে গণ্য কৰা হয়।

(২) **আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু উন্নয়নী বেংক ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু ব্যৱসায়ৰ বাবে বিত্তায়ন আগবঢ়াবলৈ বহুবছৰ ধৰি বহুসংখ্যক আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু উন্নয়নী বেংক জড়িত হৈ আহিছে। এই সংস্থাসমূহে বিশ্বৰ আৰ্থিকভাৱে পিছপৰা অঞ্চলসমূহৰ আৰ্থিক উন্নয়নৰ বাবে মধ্যকালীন আৰু দীৰ্ঘকালীন ঋণ তথা অনুদান আগবঢ়ায়। এই সংস্থাসমূহ আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উন্নত দেশসমূহৰ চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। যাতে অনুন্নত দেশসমূহে তেওঁলোকৰ উন্নয়নমূলক প্ৰকল্পসমূহত আৰ্থিক সাহাৰ্য্য লাভ কৰে। এই সংস্থাসমূহৰ ভিতৰত International Finance Corporation (IFC), EXIM বেংক আৰু Asian Development Bank অন্যতম।

(৩) **আন্তঃৰাষ্ট্ৰীয় মূলধনী বজাৰ ঃ** আধুনিক বিত্তীয় সংগঠন তথা বহুজাতিক প্ৰতিষ্ঠানবিলাকে এক সৰহ পৰিমাণৰ ভাৰতীয় টকা আৰু বৈদেশিক মুদ্ৰাৰ ঋণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই উদ্দেশ্য কিছুমান গুৰুত্বপূৰ্ণ বিত্তীয় আহিলা ব্যৱহাৰ কৰা হয়। যেনে—

(ক) গ্লবেল ডিপজিটেৰি ৰিচিট ঃ গোলকীয় আমানত ৰচিত এই বিত্তীয় আহিলা অনুসৰি কোম্পানী একোটাৰ অংশপত্ৰবিলাক আমানত বেংকত জমা দিয়া হয়। আমানত বেংকে এই অংশ পত্ৰবিলাকৰ বিনিময়ত ৰচিদ প্ৰদান কৰে। এই জমা ৰচিদসমূহ যুক্তৰাষ্ট্ৰীয় ডলাৰৰ হিচাপত GDR (Global Depository Receipt) ৰূপে পৰিগণিত হয়। ভাৰতৰ ক্ষেত্ৰত GDR হ'ল ভাৰতীয় প্ৰতিষ্ঠান (Company) এটাই বৈদেশিক মুদ্ৰাৰ পুঁজি সংগ্ৰহ কৰিবলৈ মঞ্জুৰি পোৱা এক বিত্তীয় সজুলি। ইয়াক বৈদেশিক ষ্টক বিনিময় কেন্দ্ৰত তালিকাভুক্ত কৰা হয়। এজন GDR ধাৰীয়ে প্ৰয়োজনবোধ কৰিলে ইয়াক অংশপত্ৰলৈ ৰূপান্তৰ কৰিব পাৰে।

(খ) আমেৰেকীয় আমানত ৰচিদ (American Depository Receipt) **ঃ** ই হ'ল বৈদেশিক ষ্টক বিনিময় কেন্দ্ৰত থকা এক নিৰ্দিষ্ট সংখ্যক অংশপত্ৰক প্ৰতিনিধিত্ব (shares) এক হস্তান্তৰযোগ্য পত্ৰ। ইয়াক যুক্তৰাষ্ট্ৰৰ ষ্টক বিনিময়ৰ ব্যৱসায়িক লেন-দেন কাৰ্যত ব্যৱহাৰ কৰা হয়।

(গ) বৈদেশিক মুদ্ৰাৰ সাল-সলনি কৰা ঋণ পত্ৰ (FCCBs) ঃ এই ঋণপত্ৰ (বণ্ড্চ) সমূহ নিৰাপত্তা পত্ৰৰ লগত জড়িত। এই বণ্ডসমূহক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ইকুইটি অথবা জমা ৰচিদ লৈ পৰিৱৰ্তন কৰিব লাগে। গতিকে এজন FCCB ধাৰীয়ে দুটাই বিকল্প বাচি ল'ব পাৰে। বণ্ডসমূহ এক পূৰ্ব নিৰ্ধাৰিত দৰত বা বিনিময় হাৰত এইসমূহক ইকুইটিলৈ পৰিৱৰ্তন কৰিব লাগিব নাইবা বণ্ড হিচাবে ৰাখিব লাগিব। FCCB সমূহ বৈদেশিক মুদ্ৰা হিচাবে আগবঢ়োৱা হয় আৰু ইয়াৰ এক নিৰ্দিষ্ট সুতৰ হাৰ থাকে যিটো আন যিকোনো অপৰিৱৰ্তনীয় ঋণ সজুলিতকৈ কম। FCCB সমূহ বৈদেশিক ষ্টক বিনিময় কেন্দ্ৰত তালিকাভুক্ত কৰা হয়।

(৪) **বিশেষীকৃত অনুষ্ঠান ঃ** একোখন বিলৰ ম্যাদ পুৰ হোৱা আগতেই ৰেহাই হাৰত কোনো বাঘ্যাত নোহোৱাকৈ বিশেষীকৃত অনুষ্ঠানসমূহে ব্যাজাপ্তমূলক ব্যৱস্থাৰ জৰিয়তে

ৰপ্তানিকাৰীয়ে ক্ৰয় কৰিব পাৰে। এয়া ৰপ্তানিকাৰীসকলৰ প্ৰতি বিত্ত যোগানৰ অৰ্থে কৰা হয়। গ্ৰহণ কৰা পৰিমাণখিনি এক ব্যৱসায়যোগ্য নিৰাপত্তা পত্ৰ হ'ব পাৰে।

৯.৫ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিত্তায়নৰ কাৰ্যব্যৱস্থা

বিনিময় প্ৰক্ৰিয়া নিয়মনুসাৰে হ'বৰ বাবে বহুতো ক্ষুদ্ৰ কাৰ্য পদ্ধতি নিধাৰণ কৰা হৈছে। ইয়াৰ ভিতৰত কিছুমান বিশেষ বিত্তীয় পদ্ধতিয়ে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিনিময়ৰ বুনিয়াদ নিৰ্ণয় কৰে। তলত উল্লেখ কৰা পদ্ধতিসমূহ হ'ল বাণিজ্য বিত্তায়নৰ অতি জনপ্ৰিয় পদ্ধতি।

প্ৰত্যয় পত্ৰ (L/C)ঃ প্ৰত্যয় পত্ৰ হ'ল বেংকৰ চৰ্তমূলক প্ৰতিশ্ৰুতি পত্ৰ। এই পত্ৰ আমদানিকাৰীৰ (আবেদনকাৰী/ ক্ৰেতা)ৰ অনুৰোধত মঞ্জুৰ কৰা হয়। প্ৰত্যয় পত্ৰত উল্লেখিত নিৰ্দিষ্ট নথি পত্ৰৰ আধাৰত বেংকে এজন ৰপ্তানিকাৰীক (হিতাধিকাৰী) ধন পৰিশোধ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। এখন স্বীকৃতি পত্ৰই অসম্পূৰ্ণতাৰ দায়িত্বত বহন কৰে কিয়নো বেংকে বাণিজ্যক সামগ্ৰীৰ বিপৰীতে নথি-পত্ৰৰ আধাৰতে ধন পৰিশোধ কৰিবলৈ সন্মত হয়।

বেংকৰ গ্ৰহণযোগ্যতা (Bankers' Acceptance) ঃ যেতিয়া বেংকে এখন ড্ৰাফট গ্ৰহণ কৰে তেতিয়া ই বেংকৰ গ্ৰহণযোগ্যতাত পৰিণত হয়। এনেকৈয়ে এখন ড্ৰাফটৰ ম্যাদ পূৰ্ণ হোৱাৰ লগে লগে বেংকে পৰিশোধ কৰিবলৈ সন্মত হোৱা ই এক চৰ্তহীন প্ৰতিশ্ৰুতি।

বহন পত্ৰ (Bill of Lading) ঃ বহন পত্ৰ হ'ল বাণিজ্যিক সামগ্ৰী পৰিবহন কাৰ্যত এজন সাধাৰণ বাহকে আমদানিকাৰীক প্ৰদান কৰা আইনগত দলিল। ইয়াত তিনিটা বিষয় সন্নিৱিষ্ট থাকে। এখন ৰচিদ, চুক্তি, এখন শিৰোনামূলক দলিল। ৰচিদ হিচাবে ই সূচায় যে বাহকে দলিলত বৰ্ণনা কৰা আটাইবোৰ বাণিজ্যিক সামগ্ৰী লাভ কৰিছে। চুক্তি হিচাবে, বহন পত্ৰত কিছুমান নিশ্চিত charge ৰ বিনিময়ত নিৰ্দিষ্ট পৰিবহন খৰচ প্ৰদান কৰিবলৈ বাহকৰ আপত্তিসমূহ উল্লেখ থাকে। শিৰোনামূলক দলিল অনুসৰি, ৰপ্তানিকাৰীক বাণিজ্যিক সামগ্ৰীসমূহ মঞ্জু কৰাৰ পূৰ্বে ধন লাভ কৰিবলৈ বা ধন লাভ কৰাৰ লিখিত প্ৰতিশ্ৰুতি বহন পত্ৰ ব্যৱহাৰ কৰা হয়।


উপাদানকৰণ (Factoring) ঃ উপাদানকৰণ হ'ল এক প্ৰকাৰৰ বিত্তীয় লেনদেন আৰু ধৰুৱা বিত্তায়ন। ইয়াত এখন প্ৰতিষ্ঠানে এটা তৃতীয় দলক (Factoring) ইয়াৰ প্ৰাপ্ত সামগ্ৰীৰ ৰচিদ (চালান) বিক্ৰী কৰে। ই এক বিত্তায়ন কৌশল, এখন প্ৰতিষ্ঠানে ৰেহাই মূল্যত বাণিজ্যিক ঋণ বিক্ৰী কৰে।

বাজেয়াপ্তকৰণ (Forfaiting) ঃ বাজেয়াপ্তকৰণ বুলি ক'লে বিত্তীয় বাধ্যতাসমূহ (obligation) বুজায় যেনে বিনিময় পত্ৰ বা প্ৰতিশ্ৰুতি পত্ৰ আদি ক্ৰয় কৰা বুজায়। এয়া প্ৰকৃত আমদানিকাৰীজন কাৰ্যত কোনো বাধা নপৰাকৈ কৰা হয়। এইদৰে ই ৰপ্তানিকাৰীসকলক তেওঁলোকৰ মধ্যকালীন আৰু দীৰ্ঘকালীন প্ৰাপ্তিসমূহ বিক্ৰী কৰি তাৎক্ষণিকভাৱে নগদ ধনৰ পৰিমাণ আমদানিকাৰীয়ে মধ্যস্থতাকাৰীৰ জৰিয়তে ৰেহাই হাৰত লাভ কৰে।

বিপৰীত বাণিজ্য (Counter trade) ঃ ই হ'ল আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এনে এটা

প্ৰকাৰ য'ত বৈদেশিক মুদ্ৰাৰ ঠাইত সামগ্ৰীৰ বিনিময়ত আন দেশৰ সামগ্ৰী বিনিময় কৰা হয়। এই বিপৰীত বাণিজ্য তিনিটা ভাগত ভাগ কৰা হৈছে। (ক) বিনিময় প্ৰথা, (খ) বিপৰীত ক্ৰয়, (গ) ক্ষতিপূৰণ।

- বিনিময় প্ৰথা হ'ল বিপৰীত বাণিজ্যৰ আটাইতকৈ প্ৰাচীন ব্যৱস্থা। ই সমপৰিমাণ মূল্য থকা সেৱা আৰু সামগ্ৰীৰ প্ৰত্যক্ষ আদান-প্ৰদানক সামৰি লয়।
- Counter-purchase ত এজন বিদেশী বিক্ৰেতাই ক্ৰেতা দেশ এখনৰ সামগ্ৰী আৰু সেৱাসমূহ এক নিৰ্ধাৰিত পৰিমাণত কিনিবলৈ চুক্তিবদ্ধ হয়।
- ক্ষতিপূৰণত এটা দলক দিব লগা সামগ্ৰী, আন এটা ক্ৰেতা দলে পুনৰ একেবিধ সামগ্ৰীৰ ক্ৰয়েৰে ক্ষতিপূৰণ দিয়ে। এই লেনদেন এটা চুক্তিৰ দ্বাৰা পৰিচালনা কৰা হয় আৰু সামগ্ৰীৰ মূল্য মুদ্ৰা গতভাৱে প্ৰকাশ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বহন পত্ৰ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰত্যেয় পত্ৰ কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ বিপৰীত বাণিজ্য কি?

.....

.....

৯.৬ EXIM বেংকৰ ভূমিকা

EXIM বেংক ভাৰতৰ প্ৰথম ৰপ্তানি বিত্তীয় অনুষ্ঠান। EXIM বেংক ১৯৮২ চনত EXIM বেংক অব ইণ্ডিয়া বিধি ১৯৮১ চনৰ অধীনত প্ৰতিষ্ঠান হৈছিল ভাৰত চৰকাৰে এই অনুষ্ঠান কেৱল ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্য প্ৰতিষ্ঠা কৰা নাছিল, ৰৱঞ্চ দেশৰ সামগ্ৰীক আৰ্থিক বিকাশৰ বাবে দেশৰ বৈদেশিক বাণিজ্য আৰু বিনিয়োগৰ সংহতি আনিবলৈ দায়বদ্ধ হৈছিল। EXIM বেংক প্ৰান্তীয় বাণিজ্য আৰু বিনিয়োগৰ উদ্ভানিৰ ক্ষেত্ৰত এক পৰিৱৰ্তনকামী আৰু মুখ্য ভূমিকা পালন কৰি আহিছে। EXIM বেংকে বিশ্বৰ অন্যান্য 'ৰপ্তানি ঋণ সংস্থাসমূহৰ' নিচিনাকৈ ৰপ্তানি ঋণৰ এক মূল যোগানকাৰী হিচাবে কাৰ্যসমূহ পালন কৰে। ই গোলকীকৰণ প্ৰক্ৰিয়াত ভাৰতীয় ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগসমূহৰ মাজত সমন্বয় বটোৱাত প্ৰধান ভূমিকা পালন কৰে। ইয়াৰোপৰি ই বাণিজ্য চক্ৰৰ সকলো স্তৰত এক পৰিসৰত সেৱা আৰু সামগ্ৰীসমূহৰ যোগান ধৰি গোলকীকৰণ

প্ৰক্ৰিয়াক সহজ কৰি তোলে। যেনে প্ৰযুক্তিবিদ্যাৰ আমদানি আৰু ৰপ্তানি বৃদ্ধি কাৰক সামগ্ৰীৰ উৎপাদন বৃদ্ধি, ৰপ্তানিগত সামগ্ৰীৰ বজাৰকৰণ, pre-shipment আৰু post-shipment বৈদেশিক বিনিয়োগ ইত্যাদি।

EXIM বেংকে ৰপ্তানিকাৰী আৰু আমদানিকাৰীক বিত্তীয় সাহায্য আগবঢ়ায়। তাৰোপৰি ই সেৱা আৰু সামগ্ৰীৰ বিত্তায়নত জড়িত থকা অনুষ্ঠানসমূহৰ মাজত মূল যুগসূত্ৰকাৰী অনুষ্ঠান হিচাবে কাম কৰে। ই বাণিজ্যিক অনুষ্ঠানসমূহৰ আমদানি ৰপ্তানি কাৰ্যকলাপসমূহৰ বিপৰীতে পুনৰ বিত্তায়নৰ সুবিধাও প্ৰদান কৰে।

এই বেংকে কিছুমান সীমিত বাণিজ্যমূলক বেংক কাৰ্যসূচীত হাতত লয় যেনে- ষ্টক, বণ্ড, Deventure সমূহৰ অৱলিখন, যিবিলাকে আমদানি-ৰপ্তানি কাৰ্যত প্ৰযুক্তিগত, বিত্তীয় সাহায্য আগবঢ়ায়।

এই বেংকৰ সম্পূৰ্ণ ৫০০ কোটি পৰিশোধিত মূলধনৰ সমগ্ৰ ধন যোগান ধৰে কেন্দ্ৰীয় বেংকে। দেশৰ চৰকাৰে এই বেংকক লোনৰ অনুদান আগবঢ়ায়। বেংকে ইয়াৰ সম্পদ তিনিটা উপায়েৰে আহৰণ কৰিব পাৰে (ক) মুকলি বজাৰত ঋণপত্ৰ আৰু Deventure বিক্ৰীৰ জৰিয়তে, (খ) ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ National Industrial ক্ৰেডিট (দীঘকালীন কাৰ্যৰ বাবে) পুঁজিৰ পৰা (গ) ভাৰতৰ বাহিৰত বা ভিতৰত বৈদেশিক মুদ্ৰাৰ ঋণ লয়।

EXIM বেংকে ভাৰতীয় উদ্যোগীক বিকাশ বেংক (IDBI) ৰ ৰপ্তানি জড়িত বিত্তায়নৰ সকলো দায়িত্ব গ্ৰহণ কৰে।

EXIM বেংকে বিত্তায়নৰ তিনিটা বহলভিত্তিক কাৰ্য সম্পাদন কৰে। সেইসমূহ হ'ল ঋণদান, পুন ৰেহাইকৰণ আৰু অনুদান। এইসমূহ জ্যেষ্ঠ নীতি নিৰ্মাতাসকল, বিশেষজ্ঞ, উদ্যোগ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ নেতৃবৰ্গ আৰু আমদানি ৰপ্তানি কাৰ্য তথা বিত্তায়নৰ বৃত্তিধাৰীসকলৰ দ্বাৰা পৰিচালনা কৰা হয়।

EXIM বেংকৰ মুখ্য কাৰ্যালয় মুম্বাইত অৱস্থিত। ভাৰত আৰু প্ৰবাসকে ধৰি ইয়াৰ মুঠ শাখা ১৪টা। ভাৰতত ইয়াৰ কাৰ্যালয়সমূহ আহমদাবাদ, বাংলোৰ, চেন্নাই, গুৱাহাটী, হাইদৰাবাদ, কলকাতা, মুম্বাই, নতুন দিল্লী আৰু পুনেত অৱস্থিত। ইয়াৰ প্ৰবাসী কাৰ্যালয়সমূহ হ'ল বুজপেষ্ট, জোহান্সবাৰ্গ, লণ্ডন, চিংগাপুৰ আৰু ৱাচিংটন ডি চি।

এইদৰে ভাৰতত আৰু পৃথিৱীৰ নিৰ্বাচিত স্থানসমূহত ইয়াৰ কাৰ্যালয়সমূহৰ প্ৰসাৰতা বৃদ্ধি কৰি EXIM বেংকে উদ্যোগ আৰু SME ৰ ব্যৱসায়ৰ উত্তৰণ ঘটাব বিচাৰে।

৯.৬.১ EXIM বেংকৰ উদ্দেশ্য

EXIM বেংকে ইয়াৰ মূল লক্ষ্যৰ আওতাত থাকিয়ে, কিছুমান নিৰ্দিষ্ট লক্ষ্যক সামৰি লৈছে—

(১) আমদানি ৰপ্তানি ক্ষেত্ৰলৈ বিত্তীয়, প্ৰযুক্তিগত আৰু প্ৰশাসনিক সাহায্য প্ৰদান কৰা।

(২) ৰপ্তানিকেন্দ্রিক বিষয়সমূহত পৰিকল্পনা, উদগনি, উন্নয়ন আৰু বিত্তায়ন আগবঢ়োৱা।

(৩) বৈদেশিক বাণিজ্যৰ উন্নয়ন আৰু উদগনি সম্পর্কত বিভিন্ন গৱেষণা, সমীক্ষা, আর্থিক-প্রযুক্তিগত অধ্যয়ন গ্রহণ কৰা আৰু বিত্তায়ন আগবঢ়োৱা।

(৪) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দিশত তথ্য সংগ্রহ, সংকল্প, বজাৰ আৰু ঋণৰ পৰিসৰৰ আলোচনা আগবঢ়োৱা।

৯.৬.২ EXIM বেংকৰ কার্য

EXIM বেংকৰ কার্যাৱলীসমূহ নিযুক্ত ধৰণে শ্রেণী বিভাজন কৰা হৈছে।

(ক) ৰপ্তানি ঋণ

- এই বেংকে ভাৰতীয় যন্ত্রপাতি, উৎপাদিত সামগ্রী পৰামর্শ কেন্দ্র আৰু প্রযুক্তিগত সেৱাৰ ৰপ্তানিৰ মূল্য পৰিশোধ কৰে।
- Lines of credit/buyer's credit সমূহ বৈদেশিক entities লৈ প্রসাৰিত কৰে। যেনে- ভাৰতৰ পৰা সেৱা আৰু সামগ্রীসমূহ ৰপ্তানি কৰিবলৈ ভাৰত চৰকাৰ, কেন্দ্রীয় বেংক, বাণিজ্যিক বেংকৰ কার্যাৱলীৰ অন্তর্ভুক্ত কৰে।

(খ) ৰপ্তানি সামর্থ সৃষ্টি কার্যসূচীসমূহ

- ৰপ্তানিযোগ্য সামগ্রীৰ উন্নয়ন কার্যসূচী
- ৰপ্তানিৰ বজাৰ বিত্তায়ন কার্যসূচী
- ৰপ্তানি কেন্দ্রীক শাখাসমূহৰ সৃষ্টি
- ইউৰোপীয় কমিনিউটি বিনিয়োগ সংগী
- এচিয় দেশীয় বিনিয়োগ সংগী
- বৈদেশিক বিনিয়োগ বিত্তায়ন কার্যসূচী
- ৰপ্তানি উদগনিমূলক কার্যসূচী
  - (১) চফটৱেৰ প্রশিক্ষণ অনুষ্ঠান
  - (২) ক্ষুদ্র বন্দৰ উন্নয়ন

(গ) ৰপ্তানি সেৱাসমূহ

বিত্তায়নৰ উপৰিও, এই বেংকে গোলকীকৰণৰ লক্ষ্যত উপনিত হ'বলৈ চেষ্টা কৰা ভাৰতীয় কোম্পানীসমূহক তথ্য আৰু পৰামর্শমূলক সেৱা আগবঢ়ায়।

৯.৬.৩ EXIM বেংকৰ সংগঠন

এই বেংকৰ কার্যসমূহ পৰিচালক মণ্ডলীৰ দ্বাৰা নিয়ন্ত্রণ কৰা হয়। পৰিচালক

মণ্ডলীত এজন অধ্যক্ষ, এজন সঞ্চালক, দুজন উপ সঞ্চালক, ভাৰতৰ ৰিজাৰ্ভ বেংকৰ দ্বাৰা মনোনীত এজন পৰিচালক, IDBI বেংক, Export Credit Guarantee Corporation of India Ltd. ৰ দ্বাৰা মনোনীত একোজন পৰিচালক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত ১২জন সদস্য, যাৰ ভিৰতৰ ৫জন কেন্দ্ৰীয় চৰকাৰ বিষয়া, বাণিজ্যিক বেংকৰ অতি কমেও ৩জন পৰিচালক, আমদানি ৰপ্তানিত অভিজ্ঞ ৪জন ব্যক্তি থাকে।

৯.৬.৪ EXIM বেংকৰ কাৰ্যৱলী

EXIM বেংকে দুই ধৰণৰ সাহায্য প্ৰদান কৰে —

(ক) পুঁজিগত সাহায্য

(খ) অ-পুঁজিগত সাহায্য

(ক) পুঁজিগত সাহায্য ঃ আন্তঃৰাষ্ট্ৰীয় বজাৰত কাৰ্যক্ষম হ'বৰ বাবে ভাৰতীয় ৰপ্তানিকাৰীক পুঁজিগত সাহায্য প্ৰদান কৰা হয়। ই বিশেষকৈ তলত উল্লেখিতসমূহ অন্তৰ্ভুক্ত কৰে।

(ক) বৈদেশিক ক্ৰেতাসকলক পিছতীয়া ঋণৰ যোগান ধৰিবৰ বাবে ৰপ্তানিকাৰীসকলক মধ্যকালীন ঋণৰ ৰূপত প্ৰত্যক্ষ বিত্তীয় সাহায্য আগবঢ়োৱা হয়।

(খ) ভাৰতীয় উদ্যোক্তাসকলক বৈদেশিক বিনিয়োগ বিত্তায়ন। এই বিত্ত বিভিন্ন প্ৰকল্প আৰু যন্ত্ৰ-পাতি নাইবা নগদ ধনৰ প্ৰেৰণৰ অৰ্থে আগবঢ়োৱা হয়।

(গ) প্ৰযুক্তিবিদ্যা আৰু পৰামৰ্শমূলক সেৱাসমূহ।

(ঘ) মূলধনী সামগ্ৰীৰ বাবে পূৰ্ব ঋণৰ বিত্তায়ন।

(২) বৈদেশিক চৰকাৰ, কোম্পানী আৰু বিত্তীয় অনুষ্ঠানলৈ ঋণ

(ক) ভাৰতীয় মূলধনী সামগ্ৰী আৰু সেইবিলাকৰ লগত জড়িত সেৱাসমূহৰ ৰপ্তানিৰ বাবে বিদেশী ৰপ্তানিকাৰীক প্ৰত্যক্ষ ঋণ প্ৰদান।

(খ) ভাৰতীয় মূলধনী সামগ্ৰী আৰু সেৱা ক্ৰয়ৰ বাবে বিদেশী চৰকাৰ আৰু বিত্তীয় অনুষ্ঠানলৈ ঋণৰ সুবিধা।

(গ) ভাৰতীয় মূলধনী সামগ্ৰী ৰপ্তানিৰ বাবে বিদেশী বেংকলৈ পুনৰ ঋণৰ সুবিধা।

(৩) বাণিজ্যিক বেংকলৈ ঋণ

(ক) ৰপ্তানি বিলৰ পুনৰ বেহাই সুবিধা

(খ) ৰপ্তানি ঋণৰ পুনঃ বিত্তায়ন

(খ) অ-পুঁজিগত সাহায্য ঃ অনা-পুঁজিগত সাহায্য বাণিজ্যিক বেংকৰ সহযোগত অনুদানৰ ৰূপত আগবঢ়োৱা হয়। বাণিজ্যিক বেংকে বৈদেশিক কৰ্মচাৰী আৰু বেংকৰ বাবে ভাৰতীয় ৰপ্তানিকাৰীৰ হৈ এই সাহায্য আগবঢ়ায়।

(ক) Bid bonds ঃ Bid bond সমূহ সাধাৰণতে ৬ মাহৰ বাবে আগবঢ়োৱা হয়।

(খ) আগতীয়া পৰিশোধ জামিন ঃ ৰপ্তানিকাৰীসকলে আগতীয়াকৈ ১০-২০% ঠিকা মূল্য আহৰণ কৰিব বুলি আশা কৰা হয়। এইখিনি সাধাৰণত বেংকৰ চুক্তিৰ আধাৰত মঞ্জুৰ কৰা হয় আৰু প্ৰকল্পৰ ৰূপায়ণৰ সময়ছোৱাত তথ্যৰ আধাৰত আদায় কৰা হয়।

(গ) পাৰদৰ্শিতাৰ চুক্তি ঃ চুক্তিৰ ৫-১০% পাৰদৰ্শিতা চুক্তিৰ বাবে মঞ্জুৰ কৰা হয়। ই সাধাৰণতে চুক্তিপূৰ্ণ এবছৰলৈকে নতুবা বিদেশী নিয়োগৰাকীৰ দ্বাৰা Final Acceptance Certificate (FAC) দিয়ালৈকে কাৰ্যকৰী হৈ থাকে। অনুষ্ঠানিক মঞ্জুৰি আৰু আলোচনাৰ প্ৰায় চাৰিমাহৰ আগতেই ৰপ্তানিকাৰীয়ে জামিন/চুক্তিৰ নমুনা তৈয়াৰ কৰি উলিয়াব লাগে।

(ঘ) Retention money guarantees ঃ এই চুক্তিয়ে জিম্মাৰ ধনৰ নিশ্চয়তা। ৰপ্তানিকাৰীক চূড়ান্ত Final Acceptance Certificate পোৱাৰ আগতেই সংৰক্ষিত ধন লাভ কৰাৰ (সাধাৰণতে চুক্তিৰ মূল্যৰ ১০%) অনুমতি প্ৰদান কৰে।

(ঙ) বিদেশত বিত্ত সংগ্ৰহৰ বাবে চুক্তি ঃ চুক্তিৰ আৰম্ভণি পৰ্যায়ত আগধন আহৰণৰ বাবে সীমা বিত্তৰ (Bridge finance) কোনো বৈদেশিক/প্ৰবাসী বেংকৰ পৰা বৈদেশিক মুদ্ৰাৰ মূল্যত ২৫% চুক্তি মূল্যত হ'ব পাৰে। এই প্ৰবাসী বেংক ভাৰতৰ বেংকৰ দ্বাৰা মঞ্জৰি প্ৰাপ্ত হ'ব লাগিব। এই বৈদেশিক ঋণ মুদ্ৰাগত নগদ ধন হ'ব লাগিব। ই বহন পত্ৰ আৰু বহন পত্ৰৰ তালিকাকো সূচাব লাগিব।

(চ) অন্যান্য চুক্তিসমূহ ঃ উদাহৰণ - নিৰ্বাসিত শ্ৰমিকৰ বহিঃ শুল্ক আৰু নিৰাপত্তা আমানত।

(ছ) Guarantee Commission (গেৰাণ্টি আয়োগ)ঃ ইয়াত Foreign Exchange Dealers Association of India ৰ দ্বাৰা নাইবা চুক্তি মঞ্জুৰি বেংকৰ দ্বাৰা ধাৰ্য কৰা হয়। সাধাৰণতে Export Performance Guarantee য়ে ইয়াৰ বাবে প্ৰান্তিক মুনাফা নিৰ্ণয় কৰে।

৯.৬.৫ EXIM বেংকৰ বিত্ত ব্যৱস্থা

EXIM বেংকে ৰপ্তানি চক্ৰ একোটাত বিভিন্ন ধৰণৰ বিত্তীয় কাৰ্যসূচী সামৰি লয়। যেনে ৰপ্তানি উৎপাদন, ৰপ্তানি সামগ্ৰীৰ উন্নয়ন, আমদানি বিত্ত পৰামৰ্শমূলক সেৱা, উত্তৰ-পৰিবহন, পূৰ্ব পৰবিহন, ৰপ্তানি বজাৰকৰণ ইত্যাদ।

EXIM বেংকে প্রত্যক্ষভাৱে বা বাণিজ্যিক বেংকৰ সহযোগত পূর্ণ পৰিবহন বা উত্তৰ পৰিবহন ঋণ বৃদ্ধি কৰে।

পূর্ব-পৰিবহন বিত্তায়ন ঃ ই ৰপ্তানি নির্দেশ কার্য সম্পন্ন হোৱাৰ আগে আগে ৰপ্তানিকাৰীক ঋণৰ যোগানক সূচায়। যেতিয়া এজন বিক্রেতাই সামগ্রীৰ পৰিবহনৰ পূর্বে ধনৰ পৰিশোধ বিচাৰে। তেতিয়া একোখন বিত্তীয় অনুষ্ঠানে ইয়াক প্রদান কৰে। এনেকৈ, কেঁচামাল ক্রয় আৰু সেইসমূহ চূড়ান্ত দ্রব্যত পৰিণত কৰাৰ প্রক্রিয়াৰ বাবে আৰু পেকেট কৰাৰ উদ্দেশ্যৰে এই পূর্ব পৰিবহন বিত্তায়নৰ মূল লক্ষ্যসমূহ—

- কেঁচামাল সংগ্রহ
- কেঁচামাল সংগ্রহ
- উৎপাদন প্রক্রিয়া চলাই নিয়া
- সামগ্রী আৰু কেঁচামালৰ বাবে পণ্যাগাৰৰ ব্যৱস্থা কৰা
- ক্রেতাসকললৈ সামগ্রী পঠিওৱা
- ব্যৱসায়ৰ অন্যান্য বিত্তীয় খৰচসমূহ বহন কৰা।

(ক) Packing Credit পেকিং ঋণ ঃ এই ঋণ কেঁচামালৰ ক্রয়/উৎপাদন প্রক্রিয়া/পেকেটকৰণ আদিৰ বাবে আমদানিকাৰীৰ সপক্ষত আগবঢ়োৱা হয়। বেংকে প্রত্যয় পত্রৰ নিশয়তাৰ নির্দেশ আগবঢ়াব আৰু পৃষ্ঠাংকন কৰিব যে ৰপ্তানিকাৰীয়ে পেকেট ঋণ লাভ কৰিব। এই আগধন কেঁচা সামগ্রীৰ ক্রয়, পেকেট কৰা, উৎপাদন প্রক্রিয়া, বজাৰ, পৰিবহন আদিৰ বাবে আগবঢ়োৱা হয়।

(খ) ECGCয়ে সামৰি লোৱা incentives ৰ বিনিময়ত ভাৰত চৰকাৰৰ পৰা পোৱা আগধন।

(গ) চেক/ড্রাফটৰ বিনিময়ত আগধন।

পূর্ব-পৰিবহন বিত্তায়নৰ বিশেষ ধৰণ ঃ

বৈদেশিক মুদ্রাৰ ৰূপত পূর্ব-পৰিবহন বিত্তায়ন ঃ ৰপ্তানিকাৰীসকলক আন্তর্জাতিকভাৱে প্রতিযোগিতামূলক দৰত ঋণৰ সুবিধা প্রদানৰ উদ্দেশ্যৰে ব্যৱসায়িক কর্তৃপক্ষক পূর্ব-পৰিবহন বিত্তায়ন ঋণৰ অনুমতি দিয়া হয়। ইয়াক এক সংযোজিক সুবিধা হিচাবে বিবেচনা কৰা হয়, কিয়নো ইয়াৰ অধীনত ৰপ্তানি নির্দেশসমূহ সম্পূর্ণ হোৱাৰ পিছতে কেঁচা সামগ্রী ক্রমৰ বাবে বৈদেশিক মুদ্রাৰ ৰূপত ঋণ আগবঢ়োৱা হয়। বৈদেশীক মুদ্রাত পূর্ব-পৰিবহন সুতৰ হাৰ London Interbank Offered Rate (LIBOR) ৰ সম্পর্কিত (link) কৰা হয়। ৰপ্তানিকাৰীয়ে PCFC সমূহ USD, পাউণ্ড, ষ্টাৰলিং, ইউৰো, য়েন আদিলৈ পৰিৱর্তন কৰাৰ স্বাধীনতা আছে। কিন্তু বিপৰীত মুদ্রাসমূহ বিনিময়ৰ ক্ষতি বহনৰ দায়িত্ব ৰপ্তানিকাৰীৰহে হ'ব।

উত্তৰ-পৰিবহন বিত্তায়ন ঃ উত্তৰ-পৰিবহন ব্যয় বুলিলে সামগ্রীৰ পৰিবহনৰ পিছত মূলধনী প্রয়োজনসমূহ পূৰণ কৰিবলৈ ৰপ্তানিকাৰীলৈ আগবঢ়োৱা ঋণ। ই সামগ্রীৰ

পৰিবহন আৰু সেই কাৰ্যৰ ৰূপায়ণৰ মাজত সাকোৱঁপী ঋণ হিচাপে কাম কৰে।

এই উত্তৰ-পৰিবহন বিত্তায়ন সামগ্ৰীৰ চালানৰ মূল্যৰ ১০০% লৈকে বৃদ্ধি কৰা হয়। যিকি নহওক, বেংকে তেওঁলোকৰ norms অনুসৰি প্ৰান্তিক লাভৰ পৰিমাণ নিৰ্ধাৰণ কৰিব পাৰে।

এই বিত্ত ভাৰতীয় টকা ব্যৱহাৰ কৰি অথবা বিদেশত ৰপ্তানি বিল পুনৰ ৰেহাইকৰণ কৰিও পুৰ কৰিব পাৰে। যদিও উত্তৰ-পৰিবহন বিত্তায়নএক কাৰ্যকৰী মূলধনী বিত্তায়ন, ইয়াক ৰপ্তানিকাৰীয়ে পৰিশোধৰ চৰ্তাৱলীৰ ওপৰত নিৰ্ভৰ কৰি প্ৰবাসী ক্ৰেতালৈ হ্ৰস্বকালীন নাইবা দীৰ্ঘকালীন ঋণ হিচাপে আগবঢ়াব পাৰে।

উত্তৰ-পৰিবহন বিত্তায়ন (হ্ৰস্বকালীন) সামগ্ৰীৰ পৰিবহনৰ পিছত মূলধনী প্ৰয়োজন পুৰ কৰিবলৈ বৃদ্ধি কৰা হয়। উত্তৰ-পৰিবহন বিত্তায়নৰ দীৰ্ঘকালীন আৰু মধ্যকালীন ঋণ এবছৰৰ পিছতীয়া পৰিশোধৰ বাবে ৰপ্তানিকাৰীক আগবঢ়োৱা হয়। এই পৰিবহন (হ্ৰস্বকালীন) সাধাৰণতে নিৰ্মূক্ত উদ্দেশ্যৰ বাবে মঞ্জুৰ কৰা হয়।

(ক) সামগ্ৰীৰ পৰিবহন আৰু বিক্ৰীৰ প্ৰগতিৰ মাজৰ দূৰত্ব পুৰ কৰিবলৈ কাৰ্যকৰী মূলধন আগবঢ়াবলৈ।

(খ) সাগৰৰ মাজত হ'ব পৰা বিপদগ্ৰস্ততাৰ বাবে বীমা মাচুলসমূহ পৰিশোধ কৰা

(গ) বাণিজ্যিক আৰু ৰাজনৈতিক দেনাৰ বীমাৰ বাবে ECGC প্ৰিমিয়াম পুৰ কৰা।

(ঘ) প্ৰবাসী এজেণ্ট আৰু বিতৰকসকলক লাভাংশ আৰু দালালিৰ অংশ পৰিশোধ কৰা।

(ঙ) ৰপ্তানি উন্নয়নমূলক কাৰ্য হাতত লোৱা আৰু বিজ্ঞাপন কৰা।

(চ) যদি থাকে, শুল্ক, বন্দৰ ভাট্টা, আমদানি শুল্ক, পৰিশোধ কৰা।

(ছ) জাহাজ ভাৰা আৰু অন্য জাহাজ পৰিবহনৰ মূল্য পৰিশোধ কৰা।

(জ) আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু প্ৰদৰ্শনীত অংশ লোৱাৰ বাবে ধন পৰিশোধ কৰা।

(ঝ) বিদেশত বজাৰৰ সমীক্ষাৰ কাৰ্যসূচী লোৱা আৰু বাণিজ্যিক প্ৰতিনিধি প্ৰেৰণ কৰা।

৯.৬.৬ EXIM বেংক - আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিত এক পৰিৱৰ্তনকামী বেংক

ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক আগবঢ়াই নিয়াত, বিত্তায়ন আগবঢ়োৱা আৰু সকলো সা-সুবিধা প্ৰদান কৰাত EXIM বেংক দেশৰ ভিতৰতে এক শীৰ্ষ বেংক। ই ভাৰতৰ গোলকীকৰণৰ প্ৰচেষ্টাত একেৰাহে বৰঙণি আগবঢ়াই আহিছে। এই বেংকে এক শক্তিশালী ব্যৱসায়িক বুনিয়াদ গঠনেৰে বৰ্দ্ধিত গোলকীয় বাণিজ্যিক পৰিৱেশৰ লগত খোজ মিলাব পৰাকৈ ভাৰতীয় উদ্যোগিক প্ৰতিষ্ঠানসমূহৰ প্ৰতিযোগিতামূলক ধাৰাক বৃদ্ধি কৰাত অতি কাৰ্যক্ষম ভূমিকা গ্ৰহণ কৰিছে। এই কাৰ্য সম্পাদন কৰা হৈছে কিছুসংখ্যক বিত্তীয় কাৰ্যসূচী আৰু পৰামৰ্শমূলক তথা সমৰ্থনমূলক কাৰ্যসূচী গ্ৰহণ কৰি,

যিখিনিয়ে ৰপ্তানি বাণিজ্য চক্ৰৰ সকলো স্তৰক পৰিপূৰ্ণ কৰিবলৈ সক্ষম হয়।

গোলকীকৰণ প্ৰক্ৰিয়াত সক্ৰিয় ভূমিকা লোৱাৰ উদ্দেশ্যৰে, বেংকে ক্ষুদ্ৰ আৰু মধ্যমীয়া ব্যৱসায়, তৃণমূল পৰ্যায়ৰ উদ্যোগ আৰু কৃষিভিত্তিক উদ্যোগসমূহৰ মাজত ৰপ্তানি সামৰ্থ গঢ়ি তুলিছে।

EXIM বেংকে অন্যান্য শীৰ্ষ স্থানীয় গোলকীয় সেৱাৰ ৰপ্তানীকৰ্তাসকলৰ সৈতে জড়িত হৈ প্ৰায় ১৯৮০ চনৰ পৰাই ভাৰতৰ চফটৱেৰ ৰপ্তানিৰ ক্ষেত্ৰত এক পৰিৱৰ্তনৰ সূচনা কৰিছে। যোৱা বৰ্ষবিলাকত ভাৰতৰ সামগ্ৰীক ৰপ্তানি সেৱাৰ বৃদ্ধিত ভাৰতীয় ইঞ্জিনিয়াৰিং আৰু পৰামৰ্শ কেন্দ্ৰসমূহলৈ বেংকৰ সমৰ্থনে বিশেষ বৰঙণি আগবঢ়াইছে।


সংযোগকাৰী, বিত্তায়ন উৎস, পৰামৰ্শকাৰী আৰু উদ্যোক্তা হিচাবে ই ভাৰতৰ বৈদেশিক বাণিজ্যৰ বিষয়ত চাৰিমুখী ভূমিকা লৈছে।

EXIM বেংকে ভাৰতীয় ৰপ্তানীকাৰীসকলক বিভিন্ন ধৰণৰ বিত্তীয় সেৱা প্ৰদান কৰে। এইসমূহত বিভিন্ন ধৰণৰ ৰপ্তানি ঋণ সুবিধা আৰু ৰপ্তানিকেন্দ্ৰিক কোম্পানীসমূহৰ বিত্তায়ন অন্তৰ্ভুক্ত। EXIM বেংকৰলক্ষ্য হ'ল ভাৰতীয় বাণিজ্যক গোলকীকৰণ প্ৰক্ৰিয়াৰে সমৃদ্ধ কৰি তোলা।

EXIM বেংকৰ বিত্তায়ন কাৰ্যসূচী বিশ্বৰ অন্য উদ্যোগীক দেশসমূহৰ কাৰ্যসূচীৰ লগত সাদৃশ্য আছে। যিকি নহওক, EXIM বেংকৰ জগতত ভাৰতৰ EXIM বেংক অনন্য, যিহেতু ই উন্নয়নশীল দেশ এখনৰ বিশেষ প্ৰয়োজনসমূহ উপলব্ধি কৰাত আৰু পুৰ কৰাত সক্ষম হৈছে। এই বেংকে ৰপ্তানি চক্ৰৰ বিভিন্ন চক্ৰত প্ৰতিযোগিতামূলক বিত্তায়ন আগবঢ়ায়।

এই বেংকে deferred payment ৰ ভিত্তিত ভাৰতীয় যন্ত্ৰপাতি, উৎপাদিত সামগ্ৰী আৰু প্ৰযুক্তিগত সেৱাৰ ৰপ্তানিৰ বিত্তায়ন আগবঢ়ায়। ইয়াৰোপৰি, ই ভাৰতীয় ৰপ্তানিকৰ্তাসকলৰ প্ৰবাসী প্ৰকল্পসমূহত সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে গোলকীয় আৰু আঞ্চলিক উন্নয়নশীল সংস্থাসমূহৰ সৈতে যৌথ বিত্তায়নৰ প্ৰকল্পতো ভাগ লয়।

EXIM বেংক ভাৰতীয় যৌথ উদ্যোগত বিনিয়োগ কৰি আৰু ভাৰতৰ পৰা বৈদেশিক বিনিয়োগৰ যোগান ধৰি দুই প্ৰকাৰৰ প্ৰযুক্তি হস্তান্তৰ কাৰ্য সম্পাদন কৰে। ই ইউৰোপীয়ান ইউনিঅন (ইউৰোপীয় সংঘ) সংগী অনুষ্ঠান আৰু ই প্ৰযুক্তিগত আৰু আৰ্থিক সহযোগিতাৰ যোগেদি ভাৰতত যৌথ উদ্যোগৰ পদক্ষেপক উদগনি যোগায়। এই কাৰ্য ইউৰোপীয় সংঘৰ সৈতে সম্পাদন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ EXIM বেংক প্রধান কার্যকাল ক'ত আছে আৰু ই কেতিয়া স্থাপন হৈছিল?

.....

.....

প্রশ্ন নং ৫ ঃ EXIM বেংকৰ কার্যাৱলী কোনে নিয়ন্ত্রণ কৰে?

.....

.....

প্রশ্ন নং ৬ ঃ পুঁজিগত সাহার্য্য বুলিলে কি বুজা?

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বাণিজ্য বিত্তায়ন বুলিলে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যক সুবিধা প্রদান কৰিবলৈ কোম্পানীসমূহে ব্যৱহাৰ কৰা বিত্তীয় সজুলি আৰু সামগ্রীসমূহ বুজায়।
- বাণিজ্য বিত্তায়নে আমদানীকাৰী আৰু ৰপ্তানীকাৰীসকলে বাণিজ্যৰ যোগেদি ব্যৱসায় কৰা সহজ আৰু সম্ভৱ কৰি তোলে।
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক বিত্তায়নৰ চাৰিটা উৎস থাকে— বাণিজ্যিক বেংক, আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু উন্নয়নী বেংক, আন্তঃৰাষ্ট্ৰীয় মূলধনী বজাৰ আৰু বিশেষীকৃত ভৱন বা অনুষ্ঠান।
- বাণিজ্যিক বিত্তায়নে লেনদেন প্রক্রিয়াৰ পৰিশোধন নিশ্চিত আৰু নিয়মীয়া কৰিবলৈ বহুতো কার্যপদ্ধতি আগবঢ়ায়।
- EXIM বেংকে সীমান্ত বাণিজ্য আৰু বিনিয়োগৰ উদগনিৰ ক্ষেত্রত এক পৰিৱর্তনকামী আৰু মুখ্য ভূমিকা পালন কৰে।
- EXIM বেংকৰ কার্যসমূহ ৰপ্তানি ঋণ, ৰপ্তানি সামর্থ্য সৃষ্টিকাৰী কার্যসূচীত ভাগ কৰিব পাৰি।
- EXIM বেংকৰ কার্যসমূহ সঞ্চালক পৰিষদৰ দ্বাৰা পৰিচালনা কৰা হয়।
- EXIM বেংকে দুই ধৰণৰ সাহায্য প্রদান কৰে— পুঁজিগত সাহায্য আৰু অ-পুঁজিগত সাহায্য।
- EXIM বেংকে ৰপ্তানি চক্রৰ বিভিন্ন স্তৰত বিভিন্ন বিত্তীয় কার্যসূচী আগবঢ়ায়।

- পূর্ব জলপৰিবহন বিত্তায়ন বুলিলে ৰপ্তানি নির্দেশাৱলী সম্পূর্ণ হোৱাৰ পূর্বে ৰপ্তানিকাৰীলৈ আগবঢ়োৱা ঋণক বুজায়।
- উত্তৰ-জলপৰিবহন বিত্তায়ন বুলিলে সামগ্রীৰ পৰিবহনৰ পিছত মূলধনী প্রয়োজনসমূহ পূৰণ কৰিবলৈ ৰপ্তানিকাৰীলৈ আগবঢ়োৱা ঋণ। ই সামগ্রীৰ পৰিবহন আৰু সেই কার্যৰ সম্পাদনৰ শেষ পর্যায়ৰ মাজত সাকোৱঁপী ঋণ হিচাবে কাম কৰে।
- EXIM বেংকে ভাৰতৰ গোলকীকৰণৰ প্রচেষ্টাত প্রভূত বৰঙনি আগবঢ়াই আহিছে। ই বিভিন্ন বিত্তীয় কার্যসূচী আৰু পৰামর্শমূলক তথা সমর্থনমূলক সেৱাৰ জৰিয়তে ভাৰতীয় ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ প্রতিযোগিতামূলক ধাৰাক বঢ়াই তুলিছে। যিয়ে ৰপ্তানি বাণিজ্য চক্রৰ সকলো স্তৰক পৰিপূর্ণ কৰি তোলে।



৯.৮ অধিক জানিবলৈ

১) International Business : V.K. Bhalla.

২) International Trade : Vishal Kumar.

৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বহন পত্র হ'ল সামগ্রীৰ পৰিবহন কার্যত এজন সাধাৰণ বাহকে আমদানিকাৰীক প্রদান কৰা আইনগত দলিল।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যয় পত্র হ'ল বেংকৰ নিশ্চয়তা পত্র য'ত এজন ক্রেতাই বিক্রেতাক সঠিক সময় আৰু সঠিক পৰিমাণত ধন পৰিশোধ কৰিবলৈ প্রতিশ্রুতি দিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ই হ'ল আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ এটা প্রকাৰ য'ত বৈদেশিক মুদ্রাৰ ঠাইত এবিধ সামগ্রীৰে আন এবিধ সামগ্রী বিনিময় কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ মুম্বাই, ১৯৮২।

৫ নং প্রশ্নৰ উত্তৰ ঃ বেংকৰ কার্যসমূহ সঞ্চালক পৰিষদৰ দ্বাৰা নিয়ন্ত্রণ কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্রীয় বাণিজ্যত ভাৰতীয় ৰপ্তানিকাৰীসকলক কার্যক্ষম কৰি তুলিবলৈ পুঁজিগত সাহায্য প্রদান কৰা হয়।



৯.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বাণিজ্য বিত্তায়ন বুলিলে কি বুজা? আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিভিন্ন উৎসমূহ কি কি?

প্ৰশ্ন ২ ঃ EXIM বেংকৰ উদ্দেশ্য আৰু কাৰ্যাৱলী আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখা ঃ

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিত্তায়নৰ কাৰ্য পদ্ধতি।

প্ৰশ্ন ৪ ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ উন্নয়নত EXIM বেংকৰ ভূমিকা পৰিমাপ কৰা।

প্ৰশ্ন ৫ ঃ EXIM বেংকৰ পূৰ্ব-পৰিবহন বিত্তায়ন আৰু উত্তৰ-পৰিবহন বিত্তায়নৰ বিষয়ে আলোচনা কৰা।

*** ***** ***

অধ্যায় ১০ ঃ বৈদেশিক বাণিজ্য বিত্তায়ন পদ্ধতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰপ্তানীে বিত্ত
১০.৪ পূর্ব পৰিবহন ঋণ
১০.৫ পূর্ব পৰিবহন বিত্ত
১০.৬ পৰৱর্তী পৰিবহন বিত্ত
১০.৬.১ ঋণ পত্রৰ অধীনত পত্রৰ আলোচনা
১০.৭ হ্রস্বম্যাদী ৰপ্তানী বিত্তৰ উৎস
১০.৮ মধ্যকালীন আৰু দীর্ঘকালীন বিত্ত
১০.৮ মধ্যকালীন আৰু দীর্ঘকালীন বিত্ত
১০.৯ বাজেয়াপ্ত
১০.১০ ৰপ্তানী বিত্তায়ণৰ প্রয়োজনীয়তা
১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১২ অধিক জানিবলৈ
১০.১৩ অগ্রগতিৰ খতিয়ান
১০.১৪ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পূর্ব পৰিবহন ঋণ সম্পর্কে জানিব পাৰিব
- হ্রস্বম্যাদী ৰপ্তানী বিত্তৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব
- মধ্যকালীন আৰু দীর্ঘকালীন বিত্তৰ বিষয়ে জানিব পাৰিব
- ৰপ্তানী বিত্তৰ প্রয়োজনীয়তা সম্পর্কে জানিব পাৰিব।

১০.২ পৰিচয়

বৈদেশিক বাণিজ্য বা আন্তঃৰাষ্ট্রীয় বাণিজ্য মানে হ'ল বিভন্ন দেশৰ মাজত সামগ্রী বা সেৱা বিনিময় বা ৰাজনৈতিক সীমাৰ বাহিৰত পৃথক কৰা প্রয়োজন বৈজ্ঞানিক বাণিজ্য বিত্তায়ণৰ মূল দিশ ঘৰুৱা দেশৰ সৈতে সদৃশ। তদুপৰি, মুদ্রাৰ পার্থক্য, কার্যৰ পার্থক্য, নীতিৰ পার্থক্য, ক্রেতা আৰু বিক্রেতাৰ মাজত ব্যাক্তিগত অভাৱ আদিৰ ফলত সৃষ্টি হোৱা পার্থক্যই বৈদেশিক বাণিজ্য বিত্তায়নত জটিলতা সৃষ্টি কৰে।

এই অধ্যায়ত আমি বৈদেশিক বাণিজ্য বিজ্ঞানৰ পদ্ধতি, বিশেষকৈ ৰপ্তানি বিত্তায়নৰ বিষয়ে আলোচনা কৰিম।

১০.৩ ৰপ্তানী বিত্ত

সকলো ব্যৱসায কার্যৰ মূল প্রয়োজনীয়তা হৈছে বিত্ত। যিকোনো ব্যৱসায় কার্যৰ ই জীয়াই থকাৰ বাবে ৰক্ত। ৰপ্তানীৰ বাবে আদেশ লাভ কৰাৰ পিছত ৰপ্তানী বিত্তৰ প্রয়োজনীয়তা সৃষ্টি হয়। ৰপ্তানিকাৰকে পূর্বে পৰিকল্পনা কৰা দৰকাৰ। আৰম্ভণিৰ পৰা ৰপ্তানী বাণিজ্যৰ শেষলৈ ৰপ্তানী বিত্ত সংগ্রহ কৰা। ৰপ্তানী বিত্তায়ণ হৈছে জটিল ঋণদাতা লেনদেন কিয়নো দুখনদেশৰ ব্যৱসায়ী জড়িত হয় আৰু বৈদেশিক বিনিময় লেনদেনো জড়িত। ৰপ্তানীকাৰকক বেংকৰ পৰা প্রয়োজন হোৱা ঋণ বহলভাৱে দুটা ভাগত ভাগোৱা হয়— (১) পূর্ব জাহাজৰ ব্যয় আৰু (২) পৰৱর্তী জাহাজৰ ব্যয় ঋণ।

RBI ৰ মতে দ্রব্য প্রেৰণৰ পূর্বৰ ঋণ মানে হৈছে, "ৰপ্তানীকাৰীক প্রদান কৰা ঋণ যি ক্রয়, কার্যকৰীকৰণ, উৎপাদন বা সামগ্রীৰ টোপোলাকৰণৰ বিত্তায়ণৰ বাবে প্রদান কৰা হয়।"

আনহাতে, দ্রব্য প্রেৰণৰ পৰৱর্ত্তী ঋণ মানে হৈছে যিকোনো ধাৰ বা অগ্রিম ধন বা বেংকে প্রদান কৰা যিকোনো অন্য ঋণ ৰপ্তানীৰকাৰীক ভাৰতবর্ষৰ পৰা সামগ্রী ৰপ্তানীৰ বাবে প্রদান কৰা সামগ্রী জাহাজত প্রেৰণৰ পিছত ৰপ্তানী কার্য সম্পাদৰ বাবে। গতিকে দুয়ো প্রকাৰৰ ৰপ্তানী ঋণৰ পৃথকীকৰণৰ ৰেখা হৈছে জাহাজত প্রেৰণৰ তাৰিখ।

১০.৪ পূর্ব পৰিবহন ঋণ

যেতিয়া ৰপ্তানীকাৰীয়ে ৰপ্তানী আদেশ লাভ কৰে, ৰপ্তানীৰ সামগ্রী তাৎক্ষণিকভাৱে উপলব্ধ নহবও পাৰে। ৰপ্তানীকাৰীয়ে সামগ্রী উৎপাদন বা সংগ্রহ কৰিব লাগে। এই উদ্দেশ্যৰ বাবে তেওঁ কেচাঁ-সামগ্রী ক্রয়, অর্ধ সমাপ্ত সামগ্রী, প্রক্রিয়া, সদৃশ উৎপাদন, বা যোগানকাৰীৰ পৰা সামগ্রী আহৰণ, টোপোলাকৰণ আৰু পর্ট চহৰত প্রদান আদিৰ ব্যৱস্থা কৰিব লাগে। এই সকলো উদ্দেশ্যৰ বাবে প্রয়োজনীয় ধনকে দ্রব্য প্রেৰণৰ পূর্বৰ ঋণ বোলা হয়।

এনে ঋণ বাণিজ্যক বেংকে প্রদান কৰে কেচাঁ সামগ্রী ক্রয় আৰু প্রক্রিয়াকৰণ, ৰপ্রানাকৃত সামগ্রীৰ উৎপাদন আৰু তেনে সামগ্রীৰ টোপোলাকৰণৰ বাবে। বাণিজ্যিক বেংকে ঋণ মুকলি হোৱাৰ তাৰিখৰ পৰা ১৮০ দিনলৈ প্রদান কৰে। অতিৰিক্ত সম্পসাৰণ কৰা হয় ৯০ দিনলৈ, যদিহে তেনে সম্প্রসাৰণৰ বাবে ৰপ্তানীকাৰকে যথোপযুক্ত কাৰণ দর্শাব পাৰে।

ৰপ্তানীকাৰকে প্রতিশ্রুতি দিব লাগে যে অগ্রিম ৰাশি প্রয়োগ হ'ব মূলতঃ আহৰণ, উৎপাদন, সামগ্রী ৰপ্তানীৰ বাবে জাহাজত প্রেৰণ যিদৰে ঋণ পত্রত ৰপ্তানীৰ আদেশ দিয়া হয়। বেংকে সকলো নথি বিচাৰ কৰাৰ পিছত এনে ৰাশি মুকলি কৰি দিয়ে। ইয়াৰোপৰি ঋণ পৰিশোধৰ ৰপ্তানীকাৰীৰ সামর্থ্য। ৰপ্তানীকৃত সামগ্রীৰ উৎপাদনৰ সামর্থ্য আৰু সংগঠৰ মর্য্যদা আদিও বেংকৰ

দ্বাৰা পৰ্যালোচনা কৰা হয় ধন ৰাশি মুকলি কৰাৰ পূৰ্বে। ৰপ্তানীকাৰীয়ে Export credit guarantee corporation (ECGC) ৰ পৰা যথাযথ বীমা নীতি গ্ৰহণৰ বাবে পৰামৰ্শ প্ৰদান কৰা হয়।

বেংকে নিম্নোল্লিখিত দিশৰ আধাৰত প্ৰদান কৰে---

১) আমদানিকাৰীয়ে ৰপ্তানীকাৰীৰ হৈ ঋণ পত্ৰ খোলা,

২) ভাৰতবৰ্ষৰপৰা সামগ্ৰ ৰপ্তনীৰ নিশ্চিত আৰু অনাদায় আদেশ, বা যিকোনো অন্য প্ৰমাণ আদেশৰ হকে।

১০.৫ পূৰ্ব পৰিবহন বিত্ত

ইয়াৰ অৰ্থ হৈছে যিকোনো ঋণ বা অগ্ৰিম ৰাশি বা অন্য ধাৰ বেংকে প্ৰদান কৰে ৰপ্তানীকাৰীক ক্ৰয়, পদ্ধতিকৰণ, উৎপাদন বা পূৰ্ব টোপোলাকৰণ বিত্তায়ণ, তেওঁৰ নামত খোলা ঋণ পত্ৰ বা অন্য ব্যক্তিৰ, ক্ৰেতা বা নিশ্চিত বা অনাদায় আদেশ ভাৰতবৰ্ষৰ পৰা সামগ্ৰী ৰপ্তানীৰ বাবে বা ৰপ্তানীকাৰীৰ সৈতে হোৱা আদেশৰ যিকোনো অন্য প্ৰমাণ। সাধাৰণতে, যিকোনো ঋণ বা অগ্ৰিম বা ধাৰৰ সময়সীমা ১৮০ দিনতকৈ অধিক নহয়, ৰপ্তানী দেশৰ কেন্দ্ৰয় বেংকে সময়সীমা সম্প্ৰাসাৰণ কৰিব পাৰে। সাধাৰণতে, পূৰ্ব পৰিবহন স্তৰত অনুজ্ঞাপত্ৰ আহৰণৰ দুটা পদ্ধতি আছে। পূৰ্বানুমানৰ ঋণ পত্ৰ আৰু টোপোলাকৰণ ঋণ।

বৈদেশিক মুদ্ৰাত পূৰ্ব পৰিবহন বিত্ত

ৰপ্তানীকাৰীয়ে বাণিজ্যিক বেংকৰপৰা বৈদেশিক মুদ্ৰাত এনে বিত্ত লাভ কৰিব পাৰে। ৰপ্তাকাৰীয়ে বৈদেশিক মুদ্ৰা প্ৰয়োগ কৰিব পাৰে প্ৰয়োজনীয় কেচাঁ সামগ্ৰী আমদানিৰ বাবে বা অন্য উপাদান যি ৰপ্তানী সামগ্ৰী উৎপাদনত ব্যৱহাৰ হয় তাৰ আহৰণৰ বাবে। ৰপ্তানীকাৰীৰ বাবে পূৰ্ব জাহাজত বহন বিত্ত বৈদেশিক মুদ্ৰাত যোগান ধৰা হয় যাৰ 'Fire Export Order' বা 'Letter of Credit' থাকে। এনেধৰণৰ বিত্তীয় সুবিধা বেংকে প্ৰদান কৰে সৰ্বাধিক ১৮০ দিনৰ বাবে। বৈদেশিক মুদ্ৰাত এনে বিত্ত আহৰণ কৰিব পাৰি বৈদিশক বিনিময়ত জড়িত পঞ্জীয়নভূক্ত লেনদেনকাৰীৰ সহায়ত। ৰপ্তানীকাৰীক এনে বিত্ত প্ৰদান কৰা হয় নিৰাপত্তাৰ বিপৰীতে (i) Pledge (ii) Hypat hecation (iii) Expert Trust Receipt (iv) Incentives receinables (v) Red clause letter আৰু (vi) Bach to back letter of credit। বেংকে পূৰ্ব জাহাজ বহনৰ বিত্ত প্ৰদানৰ বাবে ৰপ্তানীকাৰীক যথোপয়ুক্ত ৰপ্তানী ঋণ, ECGC ৰ পৰা পূৰ্ব বীমা নীতি গ্ৰহনৰ বাবে প্ৰেৰণা যোগায়। বেংকৰ পৰা পূৰ্ব জাহাজত বহনৰ বিত্ত আহৰণৰ বাবে তলত উল্লেখ কৰা নথিত প্ৰয়োজন— (i) নিশ্চিত ৰপ্তানী আদেশ (ii) ঋণ পত্ৰ (iii) ECGC ৰ নীতি (iv) বিত্তীয় স্থিতি আৰু আয় কৰৰ পৰ্য্যালোচনা (v) CND ৰপ্তানী নম্বৰৰ লিপি (vi) পঞ্জীয়ন তথা ৰপ্তানী বৃদ্ধি পৰিষদৰ দ্বাৰা প্ৰদান কৰা সদস্যৰ প্ৰশংসা পত্ৰ।

পূৰ্বানুমান ঋণ পত্ৰক 'Red clause letters of credit' বুলিও কোৱা হয়। ই এক সাধাৰণ পত্ৰ মত বিশেষ দফা (ৰঙা ৰঙেৰে লিপিবদ্ধ হয়) বেংকৰ নিশ্চিতকৰণ বা কৰ্তৃত্বপূৰ্ণ

লেনদেনৰ বাবে। ৰঙা দফাৰ ঋণ পত্ৰ সাধাৰণতে খোলা হয় ৰপ্তানীকাৰীক কেঁচা সামগ্ৰী আহৰণ আৰু বৈদেশিক ক্ৰেতাৰ আদেশ কাৰ্য্যকৰী কৰাৰ বাবে যাতে নিজৰ ধনৰ ওপৰত বেছি নিৰ্ভয় কৰিব নোৱাৰে। ৰপ্তানীকাৰীক অগ্ৰিম প্ৰদান কৰা নিশ্চয়কৈ বেংকত খোলাৰ দৰে শংকাযুক্ত আৰু ৰঙা দফা ঋণ পত্ৰত কৰ্তৃত্বপূৰ্ণ পৰিমাণলৈ সীমিত। বেংকে নিশ্চিত কৰিব লাগে যে এনে ঋণ পত্ৰত নিশ্চিত নিৰ্দেশবলী প্ৰদান কৰিব লাগে ৰপ্তাকাৰীক ঘূৰাই দিব লগা ধন আগতীয়াকৈ প্ৰদান কৰিব লাগে। সাধাৰণতে ৰপ্তানীকাৰীক ৰঙা দফা ঋণ পত্ৰৰ অধিনত স্পষ্ট খছৰা আলাপ আলোচনাৰে ঠিক কৰা, সৰ্ত আলাপ আলোচনাৰ সময়ত প্ৰদান কৰা চালান থকা নথি ইতিমধ্যে উলিওৱা পৰিমাণেৰে হ্ৰাস কৰিব লাগে। ৰঙা দফা ঋণ পত্ৰৰ বিপৰীতে প্ৰদানৰ পূৰ্বে, ই নিশ্চিত কৰা দৰকাৰ যে বেংকে এক পৰিস্থিতিত থাকে য'ত ঋণ পত্ৰ বিলৰ সৈতে আলাপ-আলোচনা কৰিব পাৰে।

টোপোলাকৰণ ঋণ

ই এক ঋণ বা অগ্ৰিম যি বেংকে ৰপ্তানীকাৰীক প্ৰদান কৰে যাতে তেওঁ সামগ্ৰী ক্ৰয়, টোপোলাকৰণ আৰু পৰিবহণ কৰিব পাৰে। এনে আগতীয়া পৰিমাণ সাধাৰণতে বাণিজ্যিক বেংকে ভিন্ন প্ৰকাৰত প্ৰদান কৰে।

প্ৰকাৰ

ৰপ্তানীকাৰীক বিত্তায়নৰ ভিন্ন প্ৰকাৰসমূহ—

(i) লোণ

(ii) অভাৰড্ৰাফ্ট

(iii) নগদ বাকী

(i) ঋণ (Loan)


ঋণ হিচাপৰ অধীনত, সম্পূৰ্ণ পৰিমাণ প্ৰদান কৰা হয়, তেওঁৰ চলিত হিচাপত এবাৰলৈ হস্তান্তৰ কৰি বা নগদ পৰিমাণ দি। সাধাৰণতে, পৰিশোধ নিৰ্ণয় হয় কিস্তিত। ঋণ পদ্ধতিৰ মূল সুবিধা হৈছে ঋণ পূৰ্ব নিৰ্ধাৰিত কম সময়ৰ বাবে আৰু পৰিশোধৰ পূৰ্ব সৃষ্টিকাৰী কাৰ্যপন্থা থাকে। সেই পৰিমাণ বেংকে নিৰ্দিষ্ট তাৰিকত স্বয়ংক্ৰিয়ভাৱে লয়। এই পদ্ধতিৰ মূল অসুবিধা হৈছে ই অনমনীয় আৰু প্ৰতিবাৰতে গ্ৰহণকাৰীয়ে নতুনকৈ ঋণৰ বাবে আলাপ আলোচনা কৰিব লাগে। Case credit পদ্ধতিৰ তুলনাত এই পদ্ধতিত ধনৰাশিৰ অন্তিম প্ৰয়োগ পুনৰীক্ষণত অসুবিধা হয়।

(ii) অভাৰড্ৰাফ্ট (Overdrafts)

ই হৈছে পৰিৱৰ্তনীয় হিচাপ আৰু ইয়াৰ অৱশিষ্ট কেতিয়াবা ধাৰ বা ডেবিট হয়। চলিত অভাৰড্ৰাফ্ট পদ্ধতিত চেক গ্ৰহণ কৰিলে নিৰ্ধাৰিত সীমাৰ তুলনাত অধিক বা নিজৰ পৰিমাণতকৈ অধিক সম্প্ৰসাৰণ কৰিব পাৰে। গ্ৰাহকৰ প্ৰয়োজন অনুসৰি অধিক সম্প্ৰসাৰণ কৰিব পাৰে। গ্ৰাহকৰ প্ৰয়োজন অনুসৰি গ্ৰহণ আৰু পৰিশোদ নিৰ্ধাৰণ কৰা হয়। নিশ্চিত কৰা হয় যাতে মুঠ পৰিমাণ অতিৰিক্ত গ্ৰহণৰ নিৰ্ধাৰিত সীমাতকৈ পাৰ হৈ নাযায়।

(iii) নগদ বাকী (Cash Credit)

ই সাধাৰণতে ব্যক্তিগত নিৰাপত্তাৰ বিপৰীতে সামগ্ৰীৰ Pledge বা hypathecation ৰ বিপৰীতে প্ৰদান কৰা হয়। যদি হিচাপত ভাল প্ৰত্যাৱৰ্তন থাকে আৰু সামগ্ৰীৰ ক্ষীপ্ৰ চলন, cash credit ৰ সীমা সময়ে সময়ে পুনৰ বিবেচনা কৰা হয়। এই পদ্ধতিৰ সুবিধা হৈছে নমনীয়তা। ইয়াৰ জৰিয়তে সকলো গ্ৰহণকাৰীৰ আয়ক দিশ নির্ণয় কৰি দিয়া হয় আৰু গ্ৰহণৰ পৰিমাণ নিম্ন ৰকা হয়, ফলত সুতৰ পৰিমাণ কম হয়। এই পদ্ধতিৰ মূল অসুবিধা হৈছে বেংকে এনে পৰিমাণৰ অন্তিম প্ৰয়োগৰ নিশ্চিতকৰণৰ সমস্যা লাভ কৰে কিয়নো নিৰাপত্তা দিশ, ইয়াৰ গুৰুত্ব আৰু ঋণৰ প্ৰকৃতিৰ বাবে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ ঃ ৰপ্তানীকাৰীক প্ৰয়োজনীয় ঋণৰ প্ৰকাৰসমূহ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ টোপোলাকৰণ ঋণ মানে কি?

.....

.....

১০.৬ পৰৱৰ্তী পৰিবহন ঋণ

ই হৈছে এক বিত্ত যাক ঋণ বা পূৰ্বে প্ৰদান কৰা ঋণ বা অন্য ঋণ হিচাপে ধৰা হয় যি প্ৰতিষ্ঠানে সামগ্ৰী ভাৰতবৰ্ষৰ পৰা ৰপ্তানীৰ বাবে প্ৰদান কৰে সামগ্ৰীৰ জাহাজ বহনৰ পিছৰ তাৰিখৰ পৰা সামগ্ৰীৰ ৰপ্তানী কাৰ্য সমাপন নোহোৱা তাৰিখলৈ, বিবেচনা কৰি বা বজাৰ বিকাশকাৰী সহায়ক ৰূপে পোৱা সুবিধা যি নিৰাপত্তাৰ খাতিৰত লাভ কৰে বা অন্য উৎস বিবেচনা কৰা হয়। সামগ্ৰী জাহাজত প্ৰেৰণৰ পিছত এনে বিত্তৰ প্ৰয়োজন হয় আৰু নথি নিশ্চিত কৰিছে যেনে- Bill of lading আদি। এই ৰপ্তানীকাৰীয়ে গুৰুত্ব দিব লাগে বিদেশী আমদানীকাৰীৰ পৰা পাবলগীয়াখিনি গ্ৰহণ কৰাত। ই কৰা হয় আমদানিকাৰীৰ হৈ গ্ৰহণ কৰা বিনিময় পত্ৰৰ ওপৰত। গতিকে পৰৱৰ্তী জাহাজ বহন বিত্ত প্ৰদান হয়।

১) বিদেশী ক্ৰেতাৰ ওপৰত গ্ৰহণ কৰা ৰপ্তানী পত্ৰ

২) ৰপ্তানীকাৰীয়ে পাবলগীয়া ৰপ্তানী সুবিধাৰ ওপৰত

১০.৬.১ ঋণ পত্ৰৰ অধীনত পত্ৰৰ আলোচনা

বিদেশী বাণিজ্যত পৰিশোধ গ্ৰহণৰ অনিশ্চয়তাৰ শংকা নিশ্চিত কৰা হয় আমদানীকাৰীৰ বিষয়ে বেংকৰ পৰা প্ৰতিশ্ৰুতিপত্ৰৰ নিশ্চয়তা সুৰক্ষাৰ জৰিয়তে। তেনে

পত্রক ঋণ পত্র বোলা হয় যি বৈদেশিক বাণিজ্য বিত্তায়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ঋণ পত্রক নির্ণয় কৰা হয় এক ক্রেতাৰ বেংকৰ দ্বাৰা প্রদান কৰা পত্র হিচাপে, পৰৱর্তীজনৰ অনুৰোধ মর্মে, বিক্রীকাৰীৰ সপক্ষে (ৰপ্তানীকাৰী) তেওঁক জনোৱা হয় যে প্রদানকাৰী বেংকে পত্র গ্রহণৰ বাবে গ্রহণ কৰে ক্রেতাক ৰপ্তানীৰ বিষয়ে উল্লেখ কৰি। গতিকে ই হৈছে লিখিত নির্দেশ, বেংকৰ ফালৰ পৰা, যে নির্দিষ্ট চর্তৰ অধীনত ৰপ্তানীৰ সামগ্রী নির্দিষ্ট পৰিমাণৰ বিপৰীতে বাকী/ঋণ খোলাৰ নির্দেশ তেওঁলোকক দিয়া হয়। আমদানীকাৰী যাৰ অনুৰোধত ঋণ পত্র প্রদান কৰা হয়, তাকে আৱেদনকাৰী বোলা হয় আৰু ৰপ্তানীকাৰীক সুযোগ গ্রহণকাৰী আৰু প্রদান কৰা বেংকক প্রদানকাৰী বেংক বোলা হয়।

যেতিয়া ঋণ পত্রৰ হৈ বিনিময় পত্র লোৱা হয়, ই ৰপ্তানীকাৰীৰ দেশত যিকোনো বেংকাৰৰ সৈতে আলোচনা কৰিব পাৰি। কিন্তু যদি যিকোনো নির্দিষ্ট বেংক নাম উল্লেখ থাকে আলাপ-আলোচনাৰ বাবে, সেই বেংকটোৰ সৈতেহে আলোচনা কৰিব লাগিব।

আলাপ-আলোচনা মানে আমি বুজো যে আলোচনাকাৰী বেংক (অর্থাৎ যাৰ জৰিয়তে ৰপ্তানী পত্র আমদানীকাৰীক প্রেৰণ হয়) গ্রহণকাৰীক পত্রৰ পৰিমাণ প্রদান হয় যাৰ ভিত্তিৰ প্রতিশ্রুতিত কোলা বেংকাৰে প্রদান কৰে। বিনিময় পত্র ভাৰতীয় মুদ্রা বা বৈদেশিক মুদ্রা ঋণ পত্রৰ অধীনত আলাপ-আলোচনাৰ বাবে বেংকত প্রদান কৰা হয় যেনে ৰেহাইৰ বিক্রী। সাধাৰণতে, ঋণ পত্রৰ বিপৰীতে পত্র গ্রহণ কৰে কোনো সমস্যা অবিহনে কিয়নো বেংকৰ শংকা নাথাকে, পত্রৰ আলোচনা তলৰ কাৰকৰ ওপৰত নির্ভৰ কৰে।

১) **ক্রেডিট ৰেটিং ঃ** ক্রেডিট ৰেটিং গ্রহণ কৰোতা আৰু প্রদান কৰোতাৰ স্থিতি প্রতিবেদন বিত্তীয় আৰু নৈতিক স্থিতিত মূল বিবেচনা আলাপ-আলোচনাৰ পত্র গ্রহণৰ ক্ষেত্রত।

২) **সামগ্রী বৈশিষ্ট্য ঃ** প্রকৃতি, গুণগত মান আৰু ৰপ্তানী সামগ্রীৰ দামেও বিল গ্রহণত বেংকৰ সিদ্ধান্তত প্রভাৱ পেলায়। বেংকে পত্র গ্রহণ কৰিব যদি সামগ্রী আন্তঃৰাষ্ট্রীয় মানৰ আৰু গুণাগুণ আৰু শ্রেষ্ঠ প্রতিযোগিতামূলক দামত প্রদান আৰু বিদেশত ভাল চাহিদা আছে।

৩) **নথিগত প্রয়োজনীয়তা ঃ** নথিগত পত্রৰ ক্ষেত্রত, বেংকে নথি পৰীক্ষা কৰিব যেনে Bill of lading আৰু চালান বা অন্য ভিন্ন দিশ যেনে ঋণ পত্রত উল্লেখ কৰা সকলো নথিৰ দ্বাৰা বিল সহযোগ কৰে নে নাই।

৪) **আলাপ-আলোচনাৰ হাৰ ঃ** যি মুদ্রাত পত্র গ্রহণ কৰা হয় তাৰ ওপৰত মূলতঃ আলাপ-আলোচনাৰ হাৰ নির্ভৰ কৰে। তদুপৰি দেশৰ বেংকৰ সংগঠন, পূর্ণতাৰ সময় আদিও বিবেচনা কৰে, তদুপৰি দেশৰ বেংকৰ সংগঠন, পূর্ণতাৰ সময়

আদিও বিবেচনা হয়। অন্তিম পৰিমাণ লাভ নকৰা পর্যন্ত বেংকাৰে আলাপ-আলোচনা বিবেচনা কৰে। তেনে হাৰ নির্ণয়ৰ বাবে বেংকে তলত উল্লেখ কৰা কাৰকে বিবেচনা কৰে—

ক) সূতৰ প্রচলিত হাৰ,

খ) পূর্ণতা প্রাপ্তিৰ পূর্বে বিলৰ সময়,

গ) বিদেশী কেন্দ্রত বিল দায়িত্বৰ stamp study

ঘ) আহৰণৰ খৰছ যি বিদেশী বেংকে বহন কৰে,

ঙ) মেইলৰ সম্ভাব্য বিলম্বৰ বাবে হোৱা উপযুক্ত খৰছ বহন বা অন্য সম্ভাব্য আৰু লেনদেনৰ ওপৰত বেংকৰ নিজৰ লাভ।

পত্র সংগ্রহ, প্রদর্শনকাৰী নথি পৰিশোধৰ বিপৰীতে লগতে urance bill নথি গ্রহণৰ বিপৰীতে বেংকক প্রদান কৰিব পাৰি আহৰণৰ ভিত্তিত।

বেংকে তেনে পত্র বিদেশী শাখাত প্রদান কৰে পৰিশোধ সংগ্রহৰ বাবে। বেংকে তেনে পত্রৰ বিপৰীতে অগ্রিম প্রদান কৰিব পাৰে আৰু তলৰ প্রকাৰসমূহ হ'ব পাৰে—

(ক) পূর্ণ শতাংশ অগ্রিম ঃ বেংকে বিনিময় পত্র ৰেহাইত প্রদান কৰে পত্রৰ মুখ মূল্যত গ্রহণ কৰোতাক অগ্রিম প্রদান কৰি যদি বিনিময় পত্র মুদ্রাত গ্রহম কৰে আৰু প্রদান কৰোতাৰ পৰা ৰেহাইৰ নির্দেশ বেংকৰ দ্বাৰা গ্রহণ কৰে যে প্রদান কৰোতাজনে মুখ মূল্যৰ উপৰিও সুত প্রদান, সংগ্রহ খৰছ আৰু বিদেশী পত্র ষ্টাম্পৰ খৰছ বহন কৰিব লাগিব।

(খ) অগ্রিমৰ অংশ ঃ সাধাৰণ পদ্ধতি হৈছে যে বিনিময় পত্রৰ নগদ পৰিমাণৰ কিছু নির্দিষ্ট অংশ বেংকে প্রদান কৰিব যাৰ নির্ভৰ কৰে গ্রহণকাৰীৰ সংহতি আৰু বিত্তীয় স্থিতিৰ ওপৰত। তদুপৰি, সংগ্রহৰ খৰছ পত্রৰ পূর্ণ মূল্যত কৰা হয়।

(গ) বাকী থকা সংগ্রহৰ বিপৰীতে অগ্রিম অংশ ঃ এই পদ্ধতিৰ অধীনত গ্রহণকাৰীৰ পৰিমাণ বাকী থকা অংশৰ শতাংশ হিচাপত গণনা হয় আৰু গ্রাহকে গ্রহণ কৰিব পাৰে, যদি তেওঁ বিচাৰে, গ্রহণ কৰাৰ সীমা নির্ণয়কাৰী পৰিমাণ।

১০.৭ হ্রস্বম্যাদী ৰপ্তানী বিত্তৰ উৎস

হ্রস্বম্যাদী ৰপ্তানী বিত্তৰ মূল উৎসসমূহ তলত উল্লেখ কৰা হ'ল—

১) **ৰপ্তানীকাৰীৰ দ্বাৰা বিদেশী বাণিজ্য বিত্তায়ন ঃ** ই হৈছে ৰপ্তানী বিত্তায়নৰ এক উৎস, বহু কম সংখ্যক ৰপ্তানীকাৰীয়েহে নিজৰ মূলধন বিত্তায়নৰ বাবে ব্যৱহাৰ কৰিব। ৰপ্তানীকাৰীয়ে এই পদ্ধতি প্রয়োগ কৰিব যদিহে বিত্তীয় স্থিতি ভাল হয় আৰু বাকীত আমদানীকাৰীক সামগ্রী প্রেৰণৰ বাবে বিবেচনা কৰে। এনে পৰিস্থিতিত, ৰপ্তানীকাৰীয়ে আমদানীকাৰীক তলৰ চর্তৰ ভিত্তিত বাকী প্রদান কৰে—

(ক) **চলিত হিচাপ খোলা ঃ** সাধাৰণতে, ৰপ্তানীকাৰী আৰু আমদানীকাৰীৰ মাজত এই পদ্ধতি চলে যদিহে দীৰ্ঘসময়ৰ লেনদেন হয়। ৰপ্তানীকাৰীয়ে আমদানীকাৰীক অধিকাৰ পত্ৰ প্ৰেৰণ কৰে। ৰপ্তানীকাৰীৰ অধিকাৰ পত্ৰৰ বিত্তিত নিৰ্দিষ্ট সময়ৰ ভিতৰত আমদানীকাৰীয়ে পৰিশোধ কৰে। নিৰ্ধাৰিত সময়তকৈ বিলম্ব হ'লে আমদানীকাৰীয়ে নিৰ্দিষ্ট হাৰত সুত বহন কৰিব লাগে।

(খ) **হিচাপ খোলা ঃ** বাণিজ্যিক চালান অবিহনে তেওঁৰ সুবিধাৰ বাবে বিত্তীয় নথি নোহোৱাকৈ ৰপ্তানীকাৰীয়ে সামগ্ৰী জাহাজত প্ৰেৰণ কৰে। মুক্ত হিচাপত বিক্ৰী প্ৰস্তাৱিত সময়ৰ পৰিশোধৰ দ্বাৰা নিৰ্ণয় হয়। বিবেচিত শংকা জড়িত হয় যিহেতু বিক্ৰীকাৰীয়ে তেওঁৰ সৈতেকোনো লেনদেনৰ প্ৰমাণ থকা নথি বহন নকৰে। ইয়াৰোপৰি এই পদ্ধতি সাধাৰণতে পাৰস্পৰিক সম্পৰ্ক থকা কোম্পানীৰ ভিতৰত স্থিৰ।

(গ) **মেইল প্ৰত্যাৱৰ্তনৰ দ্বাৰা পৰিশোধ ঃ** এই পদ্ধতিৰ অধীনত, বিক্ৰীকাৰীয়ে সামগ্ৰী জাহাজত পঠায় আৰু আমদানীকাৰীক জাহাজত বহনৰ পৰামৰ্শ প্ৰদান কৰে। পৰামৰ্শ লাভ কৰাৰ পিছত আমদানীকাৰীয়ে পৰিশোধ কৰিব লাগে।

(ঘ) **বিনিময় পত্ৰ বিপৰীতে পৰিশোধ ঃ** এই পদ্ধতিৰ অধীনত ৰপ্তানীকাৰীয়ে সামগ্ৰী জাহাজত প্ৰেৰণ কৰে আমদানীকাৰীৰ নামত গ্ৰহণ কৰা বিনিময় পত্ৰৰ ভিত্তিত। বিনিময় পত্ৰৰ নথিগত প্ৰমাণৰ উপৰিও, চালান, জাহাজ পত্ৰ আৰু বীমা আদিত গ্ৰহণ কৰা হয়। ৰপ্তানীকাৰীয়ে বিনিময় পত্ৰ প্ৰত্যক্ষভাৱে বা বেংকৰ জৰিয়তে পৰিমাণ সংগ্ৰহৰ বাবে প্ৰেৰণ কৰে।

২) **বেংকৰ সহায় লৈ ৰপ্তানীকাৰীয়ে বিদেশী বিত্ত বিত্তায়ন কৰে ঃ** এই পদ্ধতিৰ অধীনত ৰপ্তানীকাৰীয়ে আমদানীকাৰীৰ পৰা বিনিময় পত্ৰ গ্ৰহণ কৰে যি নিদিষ্ট সময়ৰ বাবে তেওঁৰ ওচৰত থাকে। সময় পাৰ হোৱাৰ পিছত ৰপ্তানীকাৰীয়ে আমদানীকাৰীৰ পৰা পৰিশোধ গ্ৰহণ কৰে। তদুপৰি, ৰপ্তাকাৰীয়ে পত্ৰৰ ৰেহাই দিব পাৰে বিত্তায়ণ বাবে যিকোনো বাণিজ্যিক বেংকৰ পৰা যদি পত্ৰ নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বে তেওঁৰ প্ৰয়োজন হয়।

৩) আমদানিকাৰীয়ে ৰপ্তাকাৰীক প্ৰদান কৰা হ্ৰস্বম্যাদী ঋণ তলত উল্লেখ কৰা ধৰণৰ----

(ক) **অৰ্ডাৰ স্থাপনৰ পৰিশোধ ঃ** ৰপ্তকাৰীক সৈতে অৰ্ডাৰ প্ৰেৰণৰ স্থাপনৰ সময়ত আমদানীকাৰীয়ে সম্পূৰ্ণ পৰিশোধ আগতীয়াকৈ কৰে।

(খ) **তাৰযোগে হস্তান্তৰ ঃ** ইয়াৰ অধীনত তাৰ বাৰ্তা আমদানীকাৰীক ৰপ্তাকাৰীয়ে প্ৰদান কৰে যেতিয়া সামগ্ৰী প্ৰেৰণৰ বাবে সাজু হয়। বাৰ্তা গ্ৰহণৰ পিছত ৰপ্তানীকাৰীক পৰিশোধ কৰা হয়।

(গ) **নিশ্চিত গৃহৰ জৰিয়তে পৰিশোধ ঃ** আবাসী ক্ৰেতা বা অগ্ৰণী এজেণ্ট নিশ্চিত গৃহৰ দ্বাৰা পৰিমাণ প্ৰদান কৰা হ'ব। তদুপৰি নিশ্চিত গৃহৰ সামৰ্থ্যৰ ওপৰত ভিত্তি কৰি ৰপ্তানীকাৰী পৰিশোধ গ্ৰহণৰ বাবে সাজু হ'ব।

৪) বেংকৰ সহায় লৈ আমদানীকাৰীৰ দ্বাৰা বিদেশী বাণিজ্য বিত্তায়ণ ৰপ্তানীকাৰীয়ে আমদানাকৃত বিত্ত বেংকৰদ্বাৰা তলত উল্লেখ কৰা যিকোনো দুটা পদ্ধতিৰ দ্বাৰা গ্রহণ কৰিব পাৰে--

(ক) বিনিময় পত্র ঃ ই হৈছে ৰপ্তানী বাণিজ্য পৰিশোধ এক পদ্ধতি। এই পদ্ধতিৰ দেখাত পৰিশোধ কৰা হয় যেতিয়া বাণিজ্য ঋণ সম্প্রসাৰণ নহয় বা উত্তৰাধিকাৰী ঋণৰ বাবে ভৱিষ্যতৰ তাৰিখৰ পৰিশোধৰ ব্যৱস্থা লোৱা হয়। ৰপ্তানীকাৰীয়ে বিল প্রদান কৰে নথিৰ নাম, বাণিজ্যিক চালান, নৌ বীমা নীতি আদিৰ সৈতে। বিল পৰিশোধৰ আমদানিকাৰাক নথি গটাই দিব লাগে যাতে প্রদত্ত পৰিমাণ মোকলাব পাৰি আৰু ৰপ্তানীকাৰীৰ বেংকৰ হিচাপত পুনৰ ঘূৰাই দিব পাৰি। কিন্তু সময় বিলত, আমদানীকাৰীয়ে গ্রহণ কৰাৰ পিছত ৰপ্তানীকাৰী বেংকক ঘূৰাই দিয়া হয় যাতে ক্রেতাক পুনৰ উপস্থাপন কৰিব পাৰে যাতে পূর্ণ হোৱাৰ তাৰিখত পৰিশোধ কৰিব পাৰে।

(খ) ঋণ পত্র ঃ ঋণ পত্র পদ্ধতিৰ অধিনত ৰপ্তানীকাৰীয়ে কিয় নথিৰ বিপৰীতে পৰিশোধৰ নিশ্চয়তা থাকে তাৰ সাধাৰণতে চুক্তিত উল্লেখ থাকে । বিদেশী আমদানীকাৰীৰ সৈতে বেংকাৰৰ ঋণ পত্রৰ সৈতে যিয়ে ৰপ্তানীকাৰীক জহাজ নথিৰ বিপৰীতে চালানত তাৎক্ষণিক পৰিশোধ লাভ কৰিব পাৰে। দুটা মূল প্রকাৰ হ'ল-- (১) অনাদায় ঋণ পত্র, (২) আদায়যোগ্য ঋণ পত্র। অনাদায়যোগ্য ঋণ পত্র হৈছে য'ত এবাৰ প্রদান কৰাৰ পিছত গোটৰ সমর্থন নোহোৱাকৈ বাতিল কৰিব নোৱাৰি। আদায়যোগ্য ঋণ পত্র সলনি বা বাতিল কৰিব পাৰি যিকোনো সময়তে লভগ্রহণকাৰী বা বিক্রীকাৰী বা ৰপ্তানীকাৰী মতামত নোহোৱাকৈ।

৫) **বেংকৰ দ্বাৰা বিদেশী বাণিজ্য বিত্তায়ণ ঃ** এই খণ্ডৰ অধীনত, আমদানীকাৰীৰ অনুৰোধৰ ভিত্তিত বেংকে নথিগত বাকী খোচল আৰু নথি গ্রহণ কৰি ৰপ্তানীকাৰীক পৰিশোধ কৰে। ৰপ্তানীকাৰীয়ে গ্রহণ পত্র বেংকে গ্রহণ কৰে আৰু ৰপ্তানীকাৰীয়ে ৰেহাইকাৰী পত্র গ্রহণ কৰে আৰু হ্রস্ব ম্যাদী বিত্ত গ্রহণ কৰে।

৬) **গ্রহণকাৰী গৃহৰদ্বাৰা বিদেশী বাণিজ্য বিত্তায়ণ ঃ** গ্রহণকাৰী গৃহৰ দ্বাৰা বিদেশী বাণিজ্য বিত্তায়ণ কৰা। সাধাৰণাতে, আমদানীকাৰী আৰু গৃহৰ মাজত লিখিত চুক্তি থাকিব য'ত গৃহই ৰপ্তানীকাৰীৰ বিল গ্রহণ কৰে। গৃহই কাম কৰাৰ বাবে বুলি প্রেৰণৰ পিছত, ৰপ্তানাকাৰীয়ে ৰেহাই বিল গ্রহণ কৰে আৰু পৰিশোধ পায়।

৭) **ৰেহাই গৃহৰদ্বাৰা বৈদেশিক বাণিজ্যি বিত্তায়ণ ঃ** ৰেহাই গৃহ বাণিজ্যিক গৃহ যি বিল ৰেহাইত জড়িত। ৰেহাই গৃহই বিল ৰেহাই কৰে যদি ই গ্রহণকাৰী ঘৰৰ দ্বাৰা গ্রহণ হয়। ৰপ্তানীকাৰীৰ বিত্তীয় স্থিতি আৰু বাকী পৰিশোধৰ সামর্থ্য, গাঢ়তাৰ ওপৰত তথা আমদানীকাৰী যদিও বিল গ্রহণকাৰী গৃহৰদ্বাৰা গ্রহণ নহয় তাৰ ওপৰত ভিত্তি কৰি বিলত ৰেহাই দিয়া হয়।

১০.৮ মধ্যকালীন আৰু দীর্ঘকালীন বিত্ত

দীর্ঘকালীন বিত্ত মানে হ'ল বিত্তীয় সুবিধা যি ৫ পৰা ২০ বছৰলৈ প্রদান কৰা হয়। ই দীর্ঘম্যাদী বিকাশৰ কামৰ বাবে প্রদান কৰা হয় যেনে গধুৰ সামগ্রীৰ মূলধনী কৰণ যেনে জহাজ নির্মাণ, বৈদ্যুতিক যন্ত্রপাতি ক্রয়, গধুৰ আভিযান্ত্রিক সামগ্রী আদি। দীর্ঘম্যাদী বিত্তত সাধাৰণতে হ্রস্বম্যাদী বিত্তৰ তুলনাত অধিক হাৰৰ শংকা থাকে। অন্য বাকীৰ তুলনাত দীর্ঘম্যাদী বিত্তত সুতৰ হাৰ বেছি। বিশ্ব বেংক, International Monetory Fund, International Development Association, Asian Development Bank আদি কিছুমান আন্তজার্তিক বিত্তীয় প্রতিষ্ঠান যি দীর্ঘম্যাদী বিত্তৰ মূল উদ্দেশ্য তলৰ উপস্থাপন কৰা হ'ল----

i) মূলধনজাত সামগ্রী আমদানী আৰু ৰপ্তানী
ii) আমদানিৰ উদাৰ স্থিতিত ঋণৰ সুবিধা প্রদান কৰে
iii) ৰপ্তানী বৃদ্ধি কার্যাৱলী ৰূপায়ণ কৰা
iv) নতুন প্রতিষ্ঠান স্থাপন কৰা
v) অন্য দেশত মূলধনী বিনিয়োগ কৰা।

মধ্যকালীন আৰু দীর্ঘকালীন বিত্ত দুটা ভাগত ভগাব পাৰি—

i) যোগানকাৰীৰ বাকী
ii) ক্রেতাৰ বাকী


যোগানকাৰী বাকী ঃ এই পদ্ধতিৰ অধীনত ভাৰতীয় ৰপ্তানীকাৰীয়ে বিদেশী ক্রেতাৰ পৰিমাণ যোগান ধৰে। ৰপ্তানীকাৰীয়ে অন্যহাতে বেংকৰ পৰা পাৰস্পৰিক বাকী লাভ কৰে যি EXIM বেংকৰ দ্বাৰা পুনৰ বিত্তায়ণ কৰা হয়।

ক্রেতাৰ বাকী ঃ ইয়াৰ অর্থ হৈছে ৰপ্তানী লেনদেন বিত্তায়ণ কৰা য'ত মূলধনী সামগ্রী, বৃহৎ মূল্যৰ সৰঞ্জাম জড়িত বা পূর্ণ প্রকল্প দীর্ঘম্যাদী ঋণ বাবে জড়িত। ঋণ বেংকৰ দ্বাৰা আগবঢ়োৱা হয় বা যোগানকাৰী দেশৰ বিত্তীয় প্রতিষ্ঠানে বিদশী ক্রেতালৈ কিয়নো যাতে গ্রহণ কৰা যোগানৰ বাবে নগদ প্রেৰণৰ স্থিতিত থাকে। ঋণৰ নিশ্চিতকৰা হয় ক্রেতাৰ বেংক বা প্রায়ে ক্রেতাৰ বেংকৰদ্বাৰা সম্প্রসাৰণ হয় বিশেষ কাৰকৰ বাবে। এই সংযোগত উল্লেখযোগ্য দুটা মূল দিশ হ'ল— (i) যদি যোগানকৰীয়ে সম্পূর্ণ দায়িত্ব পূৰণ কৰে তেওঁ সম্পূর্ণ ধন লাভ কৰে। (ii) বিত্তৰ পৰিমাণ এখন দেশৰ পৰা আন এখন দেশলৈ হস্তান্তৰৰ নহয়।

১০.৯ বাজেয়াপ্ত (Forfaiting)

শব্দটোৰ ফৰাছী অর্থ অধিকাৰ আত্মসমর্পন কৰা। ই হৈছে ৰপ্তানী বিলৰ ৰেহাইৰ অনা-আশ্রয়। ই হৈছে ৰপ্তানীকাৰীক বিত্তায়ণ কৰা এক প্রকাৰ। ভাৰতবর্ষৰ Export Import Bank, RBI ৰ দ্বাৰা কর্তৃত্বশীল ৰপ্তানী বিত্তায়ণ বাবে। Alan C Shopiro য়ে তেখেতৰ গ্রন্থ 'Multinational Financial Management' ত আগবঢ়াইছে, "স্থিৰ হাৰত ৰেহাই প্রদান মধ্যকালীন ৰপ্তানী পাবলগীয়া আশ্রয় নোহোৱাকৈ সম্পূর্ণভাৱে মুদ্রালৈ ৰূপান্তৰ কৰিব পাৰি।"

যেনে ABC Co. Ltd.য়ে লণ্ডনত ক্রেতালৈ ৰপ্তানী কৰিছে আৰু ABC Co. Ltd.য়ে পাঁচমাহ পিছত ৰপ্তানী পৰিমাণ লাভ কৰিব। এই স্থিতিত, বাজেয়াপ্তৰ অধিনত, ABC Co. Ltd.য়ে সংস্থাৰ সৈতে, ৰপ্তানী পত্ৰ ৰেহাইত লাভ কৰিব পাৰে, EXIM বেংকৰ দ্বাৰা। সংস্থাই একেই পৰিমাণ পৰিশোধ কৰিব কিছু comuitment fee ৰেহাই পৰিমাণ আৰু নিৰ্ধাৰিত নথিগত হ্ৰাস কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ঋণ পত্ৰ মানে কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ আলাপ আলোচনা মানে কি?

.....

.....

১০.১০ ৰপ্তানী বিত্তায়ণৰ প্ৰয়োজনীয়তা

ৰপ্তানী বিত্তায়নৰ প্ৰয়োজনীয়তা তলত উল্লেখ কৰা হ'ল-

১) **প্ৰতিযোগীতামূলক ৰজাৰত ৰপ্তানী বৃদ্ধি কৰা ঃ** ৰপ্তানী বিত্তই ৰপ্তানী বৃদ্ধি কৰে। বিকশিত আৰু উন্নয়ণশীল দেশৰ বাবে বধিত ৰপ্তানী প্ৰয়োজনীয়। কিন্তু ৰপ্তানীকাৰীক ৰেহাই হাৰত ঋণ প্ৰদান কৰে যাক ৰপ্তানী কাৰ্যৰ বাবে এনে ঋণৰ আৱশ্যকতা থাকে।

২) **প্ৰযুক্তিগত বিকাশ ঃ** উন্নয়ণশীল আৰু অনুন্নত দেশত প্ৰযুক্তিবিদ্যাৰ জ্ঞানৰ হাৰ কম। সেয়েহে, কম উন্নয়ণশীল দেশৰ পৰা সেৱা খৰছ পৰিশোধৰ বাবে উচ্চ পৰিমাণৰ বিত্ত কম উন্নত দেশত পয়োজন হয়। তেনে খৰছৰ বাবে ৰপ্তানী বিত্তৰ প্ৰয়োজন হয়।

৩) **সহজ স্থিতি আৰু চৰ্তাৱলী ঃ** যদি ঋণ সহজ চৰ্তত উপলব্ধ হয়, ৰপ্তানীকাৰীয়ে সহজ পৰিশোধ স্থিতিত আমদানীকাৰীক সামগ্ৰী বিক্ৰী কৰিব পাৰিব।

৪) **দেশৰ বাবে অৰ্থনৈতিক বিকাশৰ উৎস ঃ** বিকশিত প্ৰয়োজনীয়তাৰ সৈতে খাপ খাবলৈ বিকাশশীল দেশ বৈদেশিক বিনিময় সঞ্চয়ৰ পৰিমাণ কম থাকে। আমদানী প্ৰয়োজনীয়তাৰ বাবে ৰপ্তানীকাৰীয়ে বিশেষ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লাভ কৰে। গতিকে ৰপ্তানী বিত্তই বিদেশী বিনিময় স্থিতিত বোজা সৃষ্টি নকৰে আৰু অৰ্থনৈতিক বিকাশত সহায় কৰে।

৫) **সম বিকাশ ঃ** উন্নয়নশীল দেশৰ বাবে বিত্তৰ অভাৱ অৰ্থনৈতিক উন্নয়নৰ এক মূল বাধা। এই দেশত, ৰপ্তানী বিত্তই অৰ্থনৈতিক বিকাশত বৰঙণি যোগায় আৰু ভিন্ন দেশৰ সম উদ্যোগীক বিকাশ স্থাপন কৰে।

৬) **বিক্ৰী বৃদ্ধিত সহায় কৰে ঃ** বিভিন্ন বিক্ৰী বৃদ্ধি পন্থা যেনে বিজ্ঞাপন, জনপ্ৰিয়তা, বাণিজ্য মেলা আৰু প্ৰদৰ্শনী আদিৰ বাবে বিত্তৰ প্ৰয়োজন হয়। ৰপ্তানী বিত্ত গ্ৰহণ কৰা হয় ৰপ্তানী

বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণৰ বাবে যাতে ৰপ্তানী বজাৰ বৃদ্ধি কৰিব পাৰে।

৭) **গ্ৰাহকৰ সেৱা বৃদ্ধি কৰে ঃ** ৰপ্তানী বিত্ত প্ৰয়োজন হয় সামগ্ৰী গ্ৰহণ, গুণাগুণ বৃদ্ধি, সামগ্ৰীৰ নতুন প্ৰয়োগ বৃদ্ধি আৰু ৰপ্তানী কাৰ্য সম্পাদন বৃদ্ধিৰ বাবে উপযুক্ত দৰ পদ্ধতি প্ৰয়োগ আদিৰ বাবে।

৮) ৰপ্তানী বিত্তই হ্ৰস্বম্যাদী, মধ্যকালীন আৰু দীৰ্ঘকালীন বিত্তৰ প্ৰয়োজনীয়তা পূৰ কৰে। ৰপ্তানীকাৰীক উৎপাদন আৰু বিতৰণৰ বাবে হ্ৰস্বকালীন, মধ্যকালীন আৰু দীৰ্ঘকালীন বিত্তৰ প্ৰয়োজন হয়। বেংকে এক বছৰলৈ হ্ৰস্বম্যাদী ঋণ প্ৰদান কৰে আৰু অন্য বিত্তীয় প্ৰয়োজনীয়তা পূৰ হয় অন্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা। দীৰ্ঘম্যাদী ঋণৰ দ্বাৰা আধুনিকীকৰণ আৰু নতুন প্ৰযুক্তিবিদ্যাৰ গ্ৰহণ কৰা হয়।



১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ৰপ্তানীকাৰীয়ে ৰপ্তানীৰ আদেশ পোৱাৰ লগে লগে ৰপ্তানী বিত্তৰ প্ৰয়োজন হয়।
- বেংকৰ পৰা ৰপ্তানীকাৰীয়ে লাভ কৰা ঋণ দুটা ভাগত ভগাব পাৰি—
  (ক) পূৰ্ব জাহাজ বহন ব্যয় (খ) পৰৱৰ্তী জাহাজ বহন ঋণ।
- ৰপ্তানীকাৰীয়ে পূৰ্ব জাহাজ বহন বিত্ত বৈদেশিক মুদ্ৰাত বাণিজ্যিক বেংকৰ পৰা লাভ কৰে।
- দীৰ্ঘকালীন বিত্ত হৈছে ঋণৰ সুবিধা যি ৫-২০ বছৰলৈ দিয়া হয়।
- বাজেয়াপ্ত হৈছে ৰেহাইকাৰী ৰপ্তানী বিলৰ আশ্ৰয়।



১০.১২ অধিক জানিবলৈ

1) International Business by V.K. Bhalla

2) International Trade by Vishal Kumar.

১০.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰপ্তানীকাৰীক বেংকৰ পৰা প্ৰয়োজন হোৱা ঋণ দুই ভাগত ভগোৱা হয়—
(ক) পূৰ্ব জাহাজ বহন ঋণ (খ) পৰৱৰ্তী জাহাজ বহন ঋণ।

২ নং প্রশ্নৰ উত্তৰ ঃ টোপোলাকৰণ ঋণ সাধাৰণতে ঋণ বা অগ্রিম বেংকে ৰপ্তানীকাৰীক প্রদান কৰে ক্র, টোপোলাকৰণ আৰু জাহাজত বহনৰ বাবে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ঋণ পত্র হৈছে পত্র যি ক্রেতাৰ বেংকে, পিছৰজনৰ অনুৰোধত, বিক্রীকাৰীৰ হৈ (ৰপ্তানীকাৰী) জ্ঞাত কৰা হয় যে প্রদানকাৰী বেংকে পত্র গ্রহণ কৰে যি ৰপ্তানীত ক্রেতাক দিয়া হয়, তাত উল্লেখ থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আলাপ-আলোচনা মানে আমি বুজো যে আলোচনাকাৰী বেংক (বেংক যাৰ দ্বাৰা আমদানীকাৰীক ৰপ্তানী বিল দিয়া হয়), খোলা বেংকৰ দ্বাৰা প্রদা নকৰা প্রতিশ্রুতিৰ ভিত্তিত বিলৰ মূল্য গ্রহণকাৰীক দিয়া হয়।



১০.১৪ আৰ্হি প্রশ্ন

প্রশ্ন ২ ঃ হ্রস্বম্যাদী ৰপ্তানী বিত্তৰ মূল উৎস আলোচনা কৰা।

প্রশ্ন ২ ঃ ৰপ্তানী বিত্তৰ প্রয়োজনীয়তা লিখা।

প্রশ্ন ৩ ঃ বিলৰ আলোচনা নির্ভৰ কৰা কাৰকসমূহ আলোচনা কৰা।

*** ***** ***

অধ্যায় ১১ ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি

অধ্যায় গাঁথনি ঃ

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ব্ৰিটোন উদ্চ পদ্ধতিৰ পূৰ্ব ইতিহাস

১১.৪ বিট্ৰোন উদ্চ পদ্ধতি

১১.৫ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ উদ্দেশ্য

১১.৬ সংগঠনৰ গাঁঠনি আৰু কোটা

১১.৭ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ভূমিকা আৰু কাৰ্য্য

১১.৮ ঋণ ব্যৱস্থা

১১.৯ আমি কি কি শিকিলো?

১১.১০ অধিক জানিবলৈ

১১.১১ অগ্ৰগতিৰ খতিয়ান

১১.১২ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিট্ৰোন উডচ্ চুক্তিৰ বিষয়ে জানিব পাৰিব।
- ব্ৰিটোন উডচ্ চুক্তি ধ্বংস হোৱাৰ পিছত উদ্ভৱ হোৱা মৌদ্ৰিক পদ্ধতিৰ বিষয়ে জানিব পাৰিব।
- বৰ্তমান বিনিময় হাৰ কেনেদৰে সংশোধন কৰিব পাৰি তাৰ বৰ্ণনা কৰিব পাৰিব

১১.২ পৰিচয়

প্ৰথম বিশ্বযুদ্ধৰ আগতে আন্তৰাষ্ট্ৰীয় বাণিজ্যৰ এটা সৰ্বসন্মত নিতি আছিল— উদ্যোগিক ৰাষ্ট্ৰ আৰু অন্যান্য ৰাষ্ট্ৰই নিজৰ মুদ্ৰা সোণলৈ ৰূপান্তৰিত কৰিছিল আৰু মুক্ত আমদানি আৰু ৰপ্তানিৰ অনুমতি প্ৰদান কৰিছিল। এই ব্যৱস্থাটো দ্বিতীয় বিশ্বযুদ্ধৰ পিচত শেষ হৈছিল। কাৰণ সেই সময়ত দেশবোৰ সুবিধাজনক আৰু সকলো মৌদ্ৰিক নিতিত প্ৰযোজ্য হোৱা মুদ্ৰা বিচাৰিছিল। সেয়েহে স্বৰ্ণ মানক পুনৰ উদ্ধাৰ কৰাই আছিল এই নিতিৰ প্ৰধান উদ্দেশ্য।

বিট্ৰোন উডচ্ ব্যৱস্থাটো ১৯৪৪ চনৰ মুদ্ৰা আৰু বিনিময় হাৰ ব্যৱস্থাপনাৰ এক ঐতিহাসিক ঘটনা। এই ব্যৱস্থাটোৰে আমেৰিকা, কানাডা, পশ্চিম ইউৰোপ, অষ্ট্ৰেলিয়া আৰু জাপানৰ মাজত বাণিজ্যিক আৰু মৌদ্ৰিক সম্পৰ্ক প্ৰদান কৰিছিল। বিট্ৰোন উডচ্ চুক্তি হ'ল নিৰপেক্ষ ৰাষ্ট্ৰসমূহৰ

মৌদ্ৰিক সম্পৰ্ক পৰিচালনা কৰিবলৈ সৰ্বসন্মতভাৱে গ্ৰহণ কৰা ব্যৱস্থাৰ প্ৰথম উদাহৰণ। এই অধ্যায়টিৰ আন্তঃৰাষ্ট্ৰীয় মৌদ্ৰিক ব্যৱস্থাৰ লগত জড়িত। ই বিট্ৰেন উডচ্ প্ৰক্ৰিয়াৰ আলোচনাৰ আৰম্ভ হৈছে। ইয়াৰ পিছত এই পদ্ধতি ধ্বংস হোৱাৰ কাৰণ ব্যাখ্যা কৰা হ'ব। আৰু শেষত বৰ্তমানৰ বিনিময় হাৰ সংস্কাৰৰ কেইটামান ব্যৱস্থা উল্লেখ কৰা হৈছে। সেয়েহে এই অধ্যায়টি অধ্যয়ন কৰি এই মৌদ্ৰিক ব্যৱস্থাৰ ধাৰণাসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰি।

১১.৩ বিট্ৰেন উডচ্ পদ্ধতিৰ পূৰ্ব ইতিহাস

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি হ'ল এক আন্তঃৰাষ্ট্ৰীয় মৌদ্ৰিক সংস্থা যি ১৯৪৪ চনৰ জুলাই মাহত গঠন কৰা হৈছিল। ইয়াৰ ঠাই আছিল United states ৰ New Hampshireত। এই বৈঠকত মুঠ ৪৪ খন দেশ উপস্থিত আছিল আৰু আন্তঃৰ্জাতিক অৰ্থনৈতিক সহযোগীতাৰ জৰিয়তে প্ৰতিযোগীতামূলক মুদ্ৰাৰ অৱমূল্যনৰ বাৰম্বাৰতা, যিয়ে ১৯৩০ চনত বৰ অসুবিধাৰ সৃষ্টি কৰিছিল তাক হ্ৰাস কৰাৰ প্ৰচেষ্টা চলাইছিল। IMF অৰ প্ৰাথমিক উদ্দেশ্য হ'ল বিনিময়ৰ হাৰৰ স্থিৰতা আৰু তৰলতা বঢ়াই এক সমতাপূৰ্ণ বহুপক্ষীয় বাণিজ্য গোটেকেইখন দেশৰ মাজত বাহাল ৰখা।

১৯৩০ চনৰ অৰ্থনৈতিক মন্দাৱস্থা আৰু প্ৰথম বিশ্বযুদ্ধৰ বাবে যি আন্তঃৰাষ্ট্ৰীয় মৌদ্ৰিক সমস্যা হৈছিল তাক মসিমূৰ কৰাৰ অৰ্থে বহুকেইখন বৈঠক অনুস্থিত হৈছিল যদিও আটাইকেইখন বৈঠকেই অৰ্থনৈতিক স্থিৰতা অনাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই স্থিৰতা বৰ দৰকাৰী হৈ পৰে। এক অভিনৱ মৌদ্ৰিক ব্যৱস্থাৰ বাবে বহুতো পৰিকল্পনা কৰা আৰু সকলো কাম কাজ নিৰীক্ষণৰ বাবে পৰ্য্যবেক্ষণ সংস্থা প্ৰস্তুত কৰা হয়। ১৯৪৪ চনত বিট্ৰেন উডচ্ত (New Hampshire, United States) এখন আন্তঃৰ্জাতিক বৈঠক অনুস্থিত হয়। বিশ্বৰ ৪৪ খন দেশে এই বৈঠকত অংশগ্ৰহণ কৰে। তেওঁলোকৰ উদ্দেশ্য আছিল আন্তঃৰ্জাতিক বিত্ত আৰু মুদ্ৰাৰ সম্পৰ্কক নতুনকৈ সংগঠিত কৰা। এই বৈঠকত অংশীদাৰ সকলে আন্তৰ্জাতিক মুদ্ৰা নীধি (IMF) আৰু বিশ্ব বেংকৰ জন্ম দিয়ে। বিট্ৰেন উডচ্ পদ্ধতিয়ে স্থিৰ আৰু গতিশীল বিনিময়ৰ হাৰ পদ্ধতিৰে বুজাবুজি ৰাখে আৰু স্থিৰ বিনিময়ৰ হাৰ US ডলাৰ মুখ্য মুদ্ৰাৰ পদ্ধতিটো কাৰ্যকৰী কৰাত সন্মতি প্ৰদান কৰে। এই নতুন পদ্ধতিটোৱে এই দুই বিষয়ত গুৰুত্ব আৰোপ কৰে ঃ —

ক) আন্তঃৰাষ্ট্ৰীয় সমতা স্থাপন আৰু স্বৰ্ণ মুল্যৰ জৰিয়তে বিনিময় হাৰৰ স্থিৰতা অনা।

(খ) প্ৰতিখন দেশক তেওঁলোকৰ ক্ষুদ্ৰ অৰ্থনৈতিক আঁচনিসমূহক নিৰূপণ কৰাৰ স্বাধীনতা দিয়া।

IMF আনুষ্ঠানিকভাৱে ১৯৪৫ চনৰ ২৪ ডিচেম্বৰত প্ৰতিস্থা হৈছিল যেতিয়া ২৯ খন দেশে বিট্ৰেন উডচ্ বৈঠকত ভাগ লৈ ইয়াৰ আইনী প্ৰক্ৰিয়াত স্বাক্ষৰ কৰিছিল। ইয়াৰ আৰ্থিক লেখ ১৯৪৭ চনৰ ১ মাৰ্চৰ পৰা হৈছিল। বৰ্তমান ১৮৭ খন সদস্য ৰাষ্ট্ৰ আছে আৰু ইয়াৰ প্ৰধান কাৰ্য্যলয় ৱাশ্বিংটনত অৱস্থিত।

১১.৪ বিট্ৰোন উডচ্ পদ্ধতি

এই পদ্ধতিয়ে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ সীমিত বন্ধনী বা পৰিসৰৰ ভিতৰত বিনিময় হাৰ নমনীয়তাৰ অনুমতি প্ৰদান কৰে। সেয়েহে এই পদ্ধতিক বান্ধোন (Band) পদ্ধতি বুলিও কোৱা হয়। এই ব্যৱস্থাত, এক প্ৰতিষ্ঠিত মুদ্ৰামানৰ মূল্যৰ ওচৰে পাজৰে উচ্চ আৰু নিম্ন সীমাৰ মাজত মুদ্ৰা সলনিৰ অনুমতি দিয়া হয়। কিন্তু প্ৰতিষ্ঠিত পৰিসৰৰ বাহিৰত মূল্যৰ উত্থান পতন সম্ভৱপৰ নাছিল। যেতিয়ালৈকে বিনিময় হাৰ পৰিসৰৰ ভিতৰত থাকে, মৌদ্ৰিক আয়োগে হস্তক্ষেপ নকৰে। যেতিয়া বিনিময় হাৰে নিম্ন বা উচ্চ সীমাৰ অতিক্ৰম কৰে, কেৱল তেতিয়াহে মৌদ্ৰিক আয়োগে হস্তক্ষেপ কৰে।

বিট্ৰোন উডচ্ পদ্ধতিৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (IMF) য়ে দুটা প্ৰধান বস্তু পৰিচালনা কৰে। সেই দুটা হ'ল স্থিৰ বিনিময় হাৰ ব্যৱস্থা (Stable exchange Rate System) আৰু বহুভূজ ঋণ ব্যৱস্থা (Multilateral credit system)

আন্ত ঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে ব্যৱস্থাটোৰ সংগঠন কৰে সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে বিনিময় হাৰৰ পৰিবৰ্তন আৰু প্ৰয়োজন সাপেক্ষে আন্তঃৰাষ্ট্ৰীয় তাৰল্যতা সৃষ্টি কৰাৰ পৰামৰ্শ প্ৰদান কৰে। স্বৰ্ণমান পদ্ধতিটো ঘূৰি যোৱা সময়ত দেখা পোৱা সমস্যাসমূহে এয়াই সূচায় যে ইয়াৰ জৰিয়তে বিনিয়োগৰ স্থিৰ হাৰ মানি চলটো শুদ্ধ পথ নহয়।

আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ সদস্য ৰাষ্ট্ৰসমূহে বিনিময় মূল্যৰ হাৰ প্ৰতিষ্ঠিত মূল্যতকৈ ১ শতাংশ ওপৰত বা তলত ৰাখিবলৈ সমিল মিল হৈছিল কিন্তু সেই সদস্য ৰাষ্ট্ৰসমূহে যদি বৈদেশিক লেনদেনৰ ক্ষেত্ৰত ভাৰাসাম্যহীনতাৰ সন্মুখীন হয় তেন্তে ইয়াৰ ইয়াৰ প্ৰতিষ্ঠিত মূল্য (pervalue)ৰ পৰিবৰ্তন কৰিব পাৰে। এটা মুদ্ৰা নিৰ্ধাৰিত পৰিসৰৰ বৰ্তি ৰখাৰ বাবে চৰকাৰে বৈদেশিক বিনিময় বজাৰত নিজৰ দেশৰ মুদ্ৰাৰ ক্ৰয় বিক্ৰয় কৰিছিল।

যদি প্ৰতিষ্ঠিত মুল্যতকৈ পৰিবৰ্তন কৰিব বিচৰা মূল্যটো ১০ শতাংশতকৈ কম হয় তেন্তে IMF ৰ কোনো আপত্তি থাকিব নোৱাৰে। কিন্তু যদিহে এই মূল্য ১০% অতকৈ বেছি হয়, তেন্তে সদস্য ৰাষ্ট্ৰসমূহে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ পৰা অনুমতি লয়।

পদ্ধতিটো বৈশিষ্ট্যসমূহ এনেধৰণৰ ঃ

- **বিনিয়োগৰ স্বৰ্ণমান ঃ** দেশসমূহে নিজৰ মুদ্ৰা আমেৰিকান ডলাৰৰ হিচাপত নিৰ্ধাৰণ কৰিছিল আৰু ডলাৰক সোণৰ হিচাপত নিৰ্ধাৰণ কৰা হৈছিল। এনেদৰে ডলাৰ হৈছিল আন্তঃৰাষ্ট্ৰীয় বিনিময় বজাৰৰ হস্তক্ষেপৰ মাধ্যম হিচাপে পৰিগণিত হৈছিল আৰু ৰাষ্ট্ৰসমূহে নিজৰ মুদ্ৰা ভাণ্ডাৰৰ এটা অংশ ডলাৰত সংৰক্ষিত কৰিছিল।
- IMF এ আন্তৰাষ্ট্ৰীয় তৰল্যতা সংগঠিত কৰে। সেয়েহে অস্থায়ী বাহ্যিক ঘাটিৰ সন্মুখীন হ'লে প্ৰত্যেক সদস্য ৰাষ্ট্ৰৰ এক বিশেষ পৰিসৰত বিনিময় হাৰ বৰ্তাই ৰাখিবলৈ পুঁজি ধাৰ কৰাৰ অধিকাৰ আছে। এই পুঁজি গঠন হয় সদস্য ৰাষ্ট্ৰসমূহে নিৰ্দ্দিষ্ট বৰঙণিৰ ২০% সোণৰ মাধ্যমত আৰু বাকিখিনি নিজৰ নিজৰ মুদ্ৰাৰ মাধ্যমত জমা ৰখাৰ পৰা অংশ

নিজৰ দেশৰ সংগ্রহ কৰা। এই পুঁজি দেশখনৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিৰ ক্ষেত্রত অর্থনৈতিক মৌদ্রিক গুৰুত্বৰ ওপৰত প্রচুৰভাৱে নির্ভৰশীল।


১১.৫ আন্তঃ ৰাষ্ট্ৰীয় মুদ্রা নিধিৰ উদ্দেশ্য ঃ

আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি এটা স্বতন্ত্র সংস্থা। ইয়াৰ প্রধান কার্য্যলয় ৱাশ্বিংটনত আছে। বর্তমান ১৮৯ খন দেশ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ সদস্য । আগৰ ছোভিয়েট উইনিয়নৰ সদস্য ৰাষ্ট্র সমূহ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ সদস্য নহয়। আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ Governing Body এখন Borad of Governors ৰ দ্বাৰা পৰিচালিত হয় যত এজন প্রতিনিধি আৰু এজন বৈকল্পিক প্রতিনিধি প্রতিখন দেশৰ পৰা লোৱা হয়। এই বোর্ড খন বছৰত এবাৰ লগ হয় আৰু কিছুমান গুৰুত্বপূর্ণ আলোচনা বিলোচনা কৰে। এইদৰে এই বোর্ড খন ২০ জন কার্যকৰী নির্দেশক ৰ দ্বাৰা গঠিত। যত US, UK, Germany, France, India ৰ ৫ জন মনোনীত, আৰু বাকী ১৫ জনৰ ৩ জন আফ্রিকাৰ পৰা নির্বাচিত, ৩ জন লেটিন আমেৰিকাৰ পৰা ৫ জন সুদূৰ প্রাচ্য আৰু প্রশান্ত এলেকাৰ পৰা আৰু ৪ চাৰিজন ইউৰোপ মহাদেশৰ পৰা মনোনীত । কার্য্যকৰী সঞ্চালক বোর্ডৰ সচিবজন আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ পৰিচালন সঞ্চালক হিচাপে কার্যবাহ কৰে।

IMF অৰ উদ্দেশ্যসমূহ এনেধৰণৰ ঃ

- বিনিময়ৰ নিয়ন্ত্রণ হ্রাস কৰা।
- স্থায়ী বিনিময়ত হাৰৰ জৰিয়তে মুদ্রা সালসলনি।
- বহু পার্শ্বীয় বাণিজ্য আৰু ধন দিয়াৰ বহুল প্রসাৰ। ইয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ বুজাবুজিৰ ধাৰা মতে তলত দিয়া উদ্দেশ্য কেইটা উল্লেখ কৰা হ'ল ঃ
- ধন দিয়া সংস্থাৰ জৰিয়তে আন্তঃর্জাতিক মৌদ্রিক ব্যৱস্থা প্রসাৰণ যিয়ে আন্তঃর্জাতিক মৌদ্রিক ব্যৱস্থাৰ অসুবিধাসমূহ দূৰীকৰণৰ বাবে সহযোগীতা আগবঢ়ায়।
- আন্তর্জাতিক বাণিজ্যত ভাৰসাম্য বিকাশ প্রসাৰণ ঘটোৱাৰ লগেত উচ্চ খাপৰ নিয়োজন আৰু প্রতিখন সদস্য ৰাষ্ট্রৰ উৎপাদনশীল সম্পদৰ বিকাশ সাধন কৰা।
- বিনিয়োগৰ স্থিৰতা আনি প্রতিখন সদস্য দেশৰ বিনিয়োগৰ স্বর্ত পূৰণ কৰা।
- ধন পৰিশোধৰ বহুপার্শ্বীয় পদ্ধতিৰ প্রয়োগত সহায় কৰা।
- সদস্য ৰাষ্ট্রসমূহৰ বাবে পূঁজিৰ যোগান ধৰি তেওঁলোকৰ আত্মবিকাশ বঢ়োৱা।

ওপৰোক্ত উদ্দেশ্যসমূহৰ লগত সামঞ্জস্য ৰাখি আন্তঃৰাষ্ট্ৰীয় লেনদেনৰ অসন্তুলনৰ সময় চুটি কৰা আৰু অসমতাৰ প্রাৱল্যতা হ্রাস কৰা।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ঃ IMF কেতিয়া স্থাপন হৈছিল?

.....

.....

প্ৰশ্ন নং ২ঃ IMF অৰ এটা উদ্দেশ্য লিখক ?

.....

.....

১২.৬ সংগঠনৰ গাঠনি আৰু পৰিমাণৰ নিৰ্ধাৰিত সীমা ঃ

আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ স্মৰক লিপিত এক ত্ৰিমাত্ৰিক শাসন ব্যৱস্থা দিয়া আছে।য'ত Board of Governor, Executive Board আৰু এখন থাকে Managing Board থাকে। বৰ্ড অফ গভৰ্ণৰ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ প্ৰধান নীতি নিৰ্ধাৰক । প্ৰত্যেকখন ৰাষ্ট্ৰ এই বৰ্ড অফ একজিকিউটিভ ডিৰেক্টৰৰ নাতিসমূহ দৈনিক ভাৱে চোৱাচিতা কৰে, ঋণপ্ৰদান আৰু আন আন দিশসমূহ পৰিচালনা কৰে। বৃহৎ অংশীদাৰ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিজৰ আসন এই একজিউটিভ বৰ্ডত আছে।আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ এই বৰ্ড আৰু বৰ্ড অফ গভৰ্ণৰে ঋণ আদায় দিয়া, আঁচনিৰ সিদ্ধান্ত লোৱা আদিৰ দৰে কামসমূহ সংখ্যাগৰিষ্ঠ ভোটৰ জৰিয়তে কৰিব পাৰে। কিন্তু আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ বিশেষ সিদ্ধান্তবোৰৰ বাবে ৭০%-৮৫% ভোটৰ দৰকাৰ। ১৬.৫২% ভোটিং অধিকাৰেৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মুখ্য সিদ্ধান্ত সমূহত দখল দিব পৰা বিশেষ ক্ষমতা আছে।

আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিএ প্ৰদান কৰা ঋণৰ মূল উৎস হ'ল সদস্য ৰাষ্ট্ৰৰ পৰা অহা আৰ্থিক অনুদান বা কোটা। এই কোটা সিমানেই বেচি হ'ব যিমানেই দেশএখনৰ অৰ্থনীতি শক্তিশালী হ'ব। ই গোলকীয় অৰ্থনীতিত প্ৰভাৱ বিস্তাৰ কৰে। সদস্য দেশৰ কোটাৰ পৰিমাণে দেশখনৰ ভোটিং শক্তিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। সদস্য দেশৰ কোটাই US এ $ ১১৭ বিলিয়ন আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ কোটাত বিনিয়োগ কৰে যি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নীধিৰ মুঠ কোটাৰ১৭.৪৬% । কোটা SDR (Special Drawing Right) ৰ দ্বাৰাও নিৰোপিত হয়। ইয়াৰউপৰি US এ $৪৪ বিলিয়ন পুঁজিৰ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিত বিনিয়োগ কৰে। ভাৰতৰ বৰ্তমান আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিত কোটা হ'ল (SDR) ৫,৮২১.৫ মিলিয়ন, যিয়ে ভাৰতক ১৩ য় বৃহৎ কোটা থকা দেশ হিচাপে পৰিগণতি কৰিছে। ভাৰতৰ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মুঠ কোটাৰ ২.৪৪% ভাৰতৰ । তদুপৰি ভোটিঙৰ ওপৰত ভিত্তি কৰি ভাৰত বাংলাদেশ, ভূটান, শ্ৰীলংকাৰ সৈতে ২৪ খনৰ ভিতৰত Executive Board ত ১৭ নম্বৰত আছে।

১১.৭ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ভূমিকা আৰু কাৰ্য্য

আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ভূমিকাসমূহ এনেধৰণৰ ঃ

- আন্তৰাষ্ট্ৰীয় অৰ্থনীতি আৰু মৌদ্ৰিক অৰ্থনীতিৰ বিভিন্ন দিশৰ গৱেষণাক উৎসাহিত কৰা।

- সদস্য ৰাষ্ট্ৰৰ মাজত আলোচনা কৰাৰ বাবে মাধ্যম তৈয়াৰ কৰা।
- নিজৰ সূক্ষ্ম অর্থনৈতিক ঠাইসমূহৰ দায়িত্বৰ ওপৰত নজৰ দিয়া।
- আন আন প্ৰতিস্থিত প্ৰতিস্থানসমূহৰ সৈতে পূৰক হিচাপে কাম কৰা।

আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ কার্য্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) **বিনিময়ৰ স্থিৰতা** ঃ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ প্ৰধান কার্য্য হ'ল বিনিময়ৰ স্থিৰতাৰ জৰিয়তে বিনিময়ৰ হাৰৰ উঠা নমা হ্ৰাস কৰা। এই পুঁজিয়ে স্থিৰতা আনিবৰ বাবে ব্যৱস্থা যেনে US ডলাৰ বা সোণৰ মূল্যৰ সৈতে সকলো সদস্য ৰাষ্ট্ৰৰ মুদ্ৰাৰ মূল্যৰ হাৰ বাহাল ৰখা, মূল্যাংকণৰ ব্যৱস্থা বাহাল ৰখা ইত্যাদি কৰে।

(খ) **পৰিশোধ উদ্ধৃত্তৰ অসন্তুলন** (BOP) **নাইকিয়া কৰা** ঃ এই পুঁজিয়ে বৈদেশিক মুদ্ৰা বিক্ৰী নাইবা ঋণ প্ৰদানৰ জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহৰ পৰিশোধ উদ্ধৃত্তৰ হ্ৰস্ব কালীন অসন্তুলন দূৰীকৰৰণ নাইবা হ্ৰাস কৰাত সহায় কৰে। এই পুঁজিয়ে দীর্ঘম্যাদী অসন্তুলন আঁতৰাই সমতা অনাতো সহায় কৰে। সদস্য ৰাষ্ট্ৰসমূহৰ অর্থনীতিৰ মৌলিক সালসলনিৰ সময়ত এই পুঁজিয়ে সদস্য ৰাষ্ট্ৰসমূহকতেওঁলোকৰ মুদ্ৰাৰ মূল্য সালসলনি কৰাৰ উপদেশ দি সহায় কৰে।

(গ) **সম মূল্য নির্ধাৰণ কৰা** ঃআন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে সদস্য ৰাষ্ট্ৰৰ মুদ্ৰাসমূহৰ সমমূল্য নির্ধাৰণ ব্যৱস্থাটো কার্যকৰী কৰে। আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ চুক্তিৰ অনুচ্ছেদখনৰ মতে প্ৰতিখন সদস্য ৰাষ্ট্ৰই মুদ্ৰাৰ সমমূল্য US ডলাৰ বা স্বর্ণ মূল্যৰ জৰিয়তে উত্থাপন কৰা বাধ্যতামূলক। সংশোধিত অনুচ্ছেদখনৰ হিচাপে দেশসমূহৰ মুদ্ৰা বিনিময়ৰ হাৰ যোগান আৰু চাহিদাৰ অৱস্থাৰ ওপৰত নির্ভৰ কৰি নির্ধাৰণ কৰা ক্ষেত্ৰত স্বাধীনতা দিছে।
আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে সময়ে সময়ে কৰা নিৰিক্ষণৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় মৌদ্ৰিক ব্যৱস্থাৰ সমতা আৰু সঠিক কার্য্যকৰীকৰণ হোৱাটো নিশ্চিত কৰে।

(ঘ) **অর্থনৈতিক স্থিৰতা** ঃ আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে অর্থনৈতিক স্থিৰতা আনিবলৈ সকলো সদস্য ৰাষ্ট্ৰক বিভিন্ন অর্থনৈতিক আৰু মুদ্ৰা বিষয়ক নীতি প্ৰস্তুতত উপদেশ দিয়াৰ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

(ঙ) **ঋণৰ সুবিধা** ঃ Balance in Payment ৰ অসমতা ৰোধ কৰিবলৈ সদস্য ৰাষ্ট্ৰসমূহক বিভিন্ন ঋণৰ সুবিধা প্ৰদান কৰি সহায় আগবঢ়ায়। এই ঋণ ব্যৱস্থাই মৌলিক ঋণৰ সুবিধা, ৩ বছৰৰ বিস্তাৰিত পূঁজি সুবিধা, পৰিপূৰক ঋণৰ সুবিধা, বাফাৰ পুঁজিৰ সুবিধা, পুৰক আর্থিক সুবিধা, বিশেষ তেলৰ সুবিধা, ন্যাস পুঁজি, আৱয়বিক সমযোজনৰ সুবিধা এইবোৰ সামৰি লয়। আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ বিভিন্ন ঋণৰ সুবিধাসমূহৰ বিষয়ে এই পাঠৰ শেষৰ ফালে বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে।

(চ) **মুদ্ৰাৰ যোগান আৰু চাহিদাৰ মাজত সমতা বজাই ৰখা** ঃ বিভিন্ন দেশৰ মুদ্ৰাৰ যোগান আৰু চাহিদাৰ মাজত এক সমতা বজাই ৰখাটো আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ এক গুৰুত্বপূর্ণ কার্য্য। ইয়াৰ লগতে এই পুঁজিয়ে মুদ্ৰাক বিৰল মুদ্ৰা বুলি ঘোষিত কৰিব পাৰে যিটো

চাহিদা বৃদ্ধিৰ লগতে সেই মুদ্রা সোণৰ বিনিময়ত কিনি অথবা বেলেগ দেশৰ পৰা ধাৰ কৰি যোগান বৃদ্ধি কৰিব পাৰে।

(ছ) **তাৰল্য বজাই ৰখা** ঃ সম্পদসমূহৰ তাৰল্যতা বজাই ৰখাও আন্তৰাষ্ট্ৰীয় মুদ্রা নিধিৰ এক গুৰুত্বপূর্ণ কার্য্য। ইয়াৰ লগতে সদস্য ৰাষ্ট্রসমূহে তেওঁলোকৰ নিজৰ মুদ্রা আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ ওচৰত সমর্পণ কৰি ঋণ লোৱাৰ সুবিধা আছে।

(জ) **কাৰিকৰী সহায়** ঃ সদস্য ৰাষ্ট্রসমূহক কাৰিকৰী সহায় আগবঢ়োৱাটোও আন্তৰাষ্ট্ৰীয় মুদ্রা নিধিৰ এটা কর্তব্য। এই কাৰিকৰী সাহার্য্য দুই প্রকাৰৰ —প্রথমতে, আন্তৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে নিজৰ ফালৰ পৰা কৌশলী আৰু সুদক্ষ ব্যক্তিৰ সেৱা প্রদান কৰা , দ্বিতীয়তে দক্ষ কাৰিকৰৰ বাহিৰৰ পৰা আমদানি কৰা।

(ঝ) **শুল্ক হ্রাস কৰা** ঃ এই পুঁজিয়ে শুল্ক আৰু সদস্য ৰাষ্ট্রসমূহৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত থকা সীমাবদ্ধতা হ্রাস কৰি ভাৰসাম্যতা ৰক্ষা কৰে।

(ঞ) **সাধাৰণ দৃষ্টি** ঃ গোটেই ব্যৱস্থাটো সুচাৰুৰূপে চলাই নিবলৈ আন্তৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে সকলো ক্ষেত্রতে সাধাৰণ দৃষ্টি নিবদ্ধ ৰাখে।

(ট) **কাৰিকৰী সাহার্য্য** ঃ নিজৰ গুৰুত্বপূর্ণ বিষয়সমূহ যেনে ব্যষ্টীবাদী অর্থনীতিক নীতি, মুদ্রা আৰু বিদেশী মুদ্রা বিনিময় নীতি আদিৰ সু-পৰিচালনাৰ বাবে আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে কাৰিকৰী সাহার্য্য আগবঢ়ায়।

আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ কাৰিকৰী সাহার্য্যৰ উদ্দেশ্য হ'ল বিভিন্ন দেশৰ উৎপাদনশীল দেশসমূহৰ বিকাশত কাৰিকৰী সাহার্য্য প্রদানৰ জৰিয়তে বিকাশ সাধন কৰা। আন্তৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে মানৱ সম্পদ আৰু আনুষ্ঠানিক শক্তি বিকাশত সহায় কৰে।

তিনিটা দিশত আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে কাৰিকৰী সাহার্য্য আগবঢ়ায় -

i) ৰাজস্ব আৰু মৌদ্রি নীতিৰ প্রস্তুত আৰু ৰূপায়ণ।

ii) অর্থনৈতিক আৰু বিত্তীয় আইন নিয়ন্ত্রণ আইন প্রক্রিয়া প্রস্তুতকৰণ

iii) কেন্দ্রীয় বেংক, কোষাগাৰ, কৰ আৰু শুল্ক বিভাগ আৰু পৰিসংখ্যা সেৱাৰ দৰে অনুষ্ঠান সমূহৰ সক্ষমতা বৃদ্ধি কৰা।

(ঘ) **গোলকীয় অর্থনীতি নিৰীক্ষণ** ঃ প্রতিখন সদস্য ৰাষ্ট্রৰ দেশৰ বিত্তিয় পলিচি আৰু বিত্তিয় অর্থনীতিৰ লগতে আন্তঃৰাষ্ট্ৰীয় মৌদ্রিক ব্যৱস্থা আদিক নিৰীক্ষণ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে নীৰিক্ষণ কৰাটো বাধ্যতামূলক। বিট্রোন উডচ্ পদ্ধতিৰ বিলুপ্তিৰ পিছত এই ব্যৱস্থাটোক Surveillance and facilitati infernational co-operation বুলি জনা যায়।

আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে প্রতিখন দেশৰ অর্থনৈতিক আৰু বিত্তিয় নীতিৰ পুংখানুপুংখ নিৰূপণ কৰে যিয়ে আর্থিক বিকাশত সহায় কৰে।

১১.৮ ঋণ ব্যৱস্থা

অংশগ্রহণকাৰী দেশসমূহে আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ সম্পদসমূহ বিশেষধৰণৰ সুবিধা বা পন্থাৰ জৰিয়তে ব্যৱহাৰ কৰিব পাৰে যিটো আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে দেশসমূহৰ প্রয়োজনীয়তাৰ ওপৰত নির্ভৰ কৰি প্রস্তুত কৰিছে। তলত কিছুমান ঋণ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে ঃ

(১) **মৌলিক ঋণ ব্যৱস্থা ঃ** ঋণ পৰিশোধৰ সন্তুলন ৰক্ষাৰ ক্ষেত্রত যিবোৰ ক্ষণস্থায়ী অসুবিধা আছে সেইবোৰৰ পৰা মুক্তি পাবলৈ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে ইয়াৰ সদস্য ৰাষ্ট্রসমূহলৈ বিত্তিয় সাহার্য্য প্রদান কৰে। দেশ সমূহে অর্থনৈতিক ঘাটি পৰিশোধ কৰাৰ বাবে নিজৰ মুদ্রাৰ বিনিয়মত অর্থনৈতিক ঘাটি পৰিশোধ কৰাৰ বাবে নিজৰ মুদ্রাৰ বিনিময়ত SDR ৰ অন্য মুদ্রা ক্রয় কৰিব পাৰে। এই ঋণ দেশখনে নিজৰ মুদ্রা ক্রয় কৰাৰ পিছত পৰিশোধ কৰে। এখন সদস্য দেশে বিনাচর্তে এবছৰত দেশখনৰ কোটাৰ ২৫% ধাৰ লব পাৰে। এই বিনাচর্তে ধাৰ লব পৰা অধিকাৰটোক ৰিজার্ভ ট্রেনচ বুলি কোৱা হয়। ইয়াৰউপৰিও অন্য চাৰিটা ট্রেনচ এখন ৰাষ্ট্রৰ কাৰণে মজুত থাকে। সেই হিচাপে এখন দেশৰ সর্বমুঠ পাঁচটা ট্রেনছ (কোটাৰ ১২৫%) বুনিয়াদি ঋণৰ সুবিধা থাকে।

(২) **প্রসাৰিত পুঁজি ব্যৱস্থা ঃ** আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে সদস্য ৰাষ্ট্রসমূহক দীঘলীয়া দিন ধৰি চলি থকা বাকী পৰিশোধ উদ্ধৃত্তৰ সমস্যাৰ পৰা মুক্তি পোৱাত সহায় কৰিবলৈ এই ব্যৱস্থা ১৯৪৭ চনত আৰম্ভ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে মৌলিক ঋণ ব্যৱস্থাৰ কোটাতকৈ ১৪০% বেচি ধাৰ লোৱা ক্ষমতা প্রদান কৰে। এই প্রসাৰিত পুঁজি ব্যৱস্থা তিনি বছৰৰ হয় আৰু ইয়াত সুদৰ হাৰ বৰ কম হয় (৪%-৬.৫%)।

(৩) **ক্ষতিপূৰণ ঋণ ব্যৱস্থা ঃ** সদস্য ৰাষ্ট্রই বিশেষকৈ প্রাথমিক উৎপাদক ৰাষ্ট্রবোৰে সন্মুখীন হোৱা ৰপ্তানি আয়ৰ ঘাটি বোধ কৰিবলৈ অতিৰিক্ত আর্থিক সাহার্য্য আগবঢ়োৱাৰ বাবে ১৯৬৩ চনত আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে এই ব্যৱস্থা আৰম্ভ কৰিছিল।

(৪) **বাফাৰ ষ্টক ব্যৱস্থা ঃ** এই ব্যৱস্থা ১৯৬৯ চনত প্রাথমিক উৎপাদনশীল দেশসমূহক সহায় কৰাৰ অর্থে স্থাপন হৈছিল। প্রাথমিক উৎপাদক ৰাষ্ট্রবোৰৰ প্রাথমিক উৎপাদক সামগ্রীৰ মূল্যৰ স্থিৰতা ৰক্ষাৰ বাবে পুঁজিৰ যোগান ধৰাই আছিল এই আঁচনিৰ প্রধান উদ্দেশ্য।

(৫) **ঘাটি পূৰক ঋণৰ সুবিধা** (Supplementry Financing Facility) **ঃ** ঘাটি পূৰক ঋণ ব্যৱস্থাৰ অধীনত বর্তমানৰ কোটাৰ আকাৰৰ বাবে পৰিশোধৰ সমস্যাত ভূগি থকা সদস্য ৰাষ্ট্রসমূহক অস্থায়ীভাৱে ঘাটি পূৰক বিত্তীয় সাহার্য্য প্রদান কৰা হয়। ঘাটি পূৰক ঋণ ব্যৱস্থাৰ অধীনত বিভিন্ন মুদ্রা যোগান ধৰিবৰ বাবে আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে চৈধ্যতা ঋণ দাতাৰ লগত চুক্তিবদ্ধ হৈছে।

(৬) Special Oil fecilities ঃ ১৯৭৪ চনত আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি এ এক অস্থায়ী ঋণ ব্যৱস্থা গ্রহণ কৰিছিল। সেইবোৰ সদস্য ৰাষ্ট্রৰ বাবে যিয়ে খাৰুৱা তেলৰ দৰ বৃদ্ধিৰ বাবে


ঋণ পৰিশোধ কৰিব পৰা নাছিল। সেই দেশবোৰক ঋণ আদায়ৰ সময়সীমা বঢ়াই দিয়া হৈছিল। এই ব্যৱস্থা ১৯৭৬ চনত সমাপ্ত কৰা হৈছিল।

(৭) **ন্যাস পুঁজি ঃ** আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে বজাৰ মূল্যতকৈ বেচি মূলতে ৰাজহুৱা নিলামত সোণ বিক্রী কৰে। ইয়াৰ জৰিয়তে হোৱা লাভৰ এটা অংশ ১৯৭৬ চনত ন্যাস পুঁজি গঠন কৰি ঋণ আদায় জনিত অসুবিধাত ভোগা কম উন্নত দেশসমূহক ঋণ দিয়াৰ বাবে খৰচ কৰে।

(৮) **গঠনমূলক সমযোজন ব্যৱস্থা ঃ** ১৯৮৬ চনৰ মার্চ মাহত গঠনমূলক সমযোজনৰ ব্যৱস্থা (SAF) গঠন কৰে। ১৯৮৭ চনৰ ডিচেম্বৰ মাহত বর্ধিত গঠনমূলক সমযোজন ব্যৱস্থা (ESAF) স্থাপন হৈছিল যিয়ে নিম্ন আয়ৰ দেশসমূহক বর্ধিত হাৰত ৰেহাই মূল্যত সম্পদ দিয়াৰ ব্যৱস্থা কৰিছিল। ১৯৯৯ চনত ইয়াক Poverty Reduction Growth Facility (PRGF) নামেৰে নতুনকৈ নামাকৰণ কৰা হয় আৰু ইয়াৰ পৰিসৰ বঢ়াই দৰিদ্রতা হ্রাস কৰা আহিলা হিচাপে ব্যৱহাৰ হয়। এই (SAF) আৰু (ESAF) অৰ প্রধান কার্য আছিল আর্থিক সাহার্য্যৰে ৰাষ্ট্রসমূহৰ অর্থনৈতিক বিকাশ সুনিশ্চিত কৰা।

(৯) Exogenos shocks Facility ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে Exogerous Shocks Facility গঠন কৰাৰ অনুমতি দিয়ে যিটো ২০০৬ চনৰ জানুৱাৰী মাহৰ পৰা কার্যকৰী হয়। এই ব্যৱস্থাই আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ কম আয়ৰ ৰাষ্ট্রসমূহৰ নীতিগত সকাহ দিয়াৰ ক্ষমতা শক্তিশালী কৰাত সহায় কৰে।

(১০) Trade Inregration Mechenism ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি এক শক্তিশালী সংস্থা যিয়ে বহুপার্শ্বীয় উদাৰতা আৰু DOHA ROUND সম্পূর্ণ কৰে। আৰু আগৰ বহুপার্শ্বীয় ROUND ও মানি চলে। DOHA ROUND আৰু বিকাশৰ বাবে ২০০৪ চনৰ এপ্রিল এখন আলোচনা সভা হৈছিল আৰু এই সভাখনৰ বাবে Trade Integration Mechanism (TIM) গঠন কৰাৰ অনুমতি Executive Board য়ে দিছিল।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ৩ঃ কোন চনত আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিয়ে গঠনমূলক সমযোজন ব্যৱস্থা গ্রহণ কৰিছিল?

.....

.....

প্রশ্ন নং ৪ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ এটা কার্য্যৰ বিষয়ে লিখক।

.....

.....



১১.৯ আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি এটা আন্তঃৰাষ্ট্ৰীয় মৌদ্রিক সংস্থা যিটো United Nations Bretton Woods Conference in New Hamphire, United States অত ১৯৪৪ চনৰ জুলাই মাহত স্থাপন কৰা হৈছিল।
- বিট্রোন উডচ্ পদ্ধতিয়ে সদস্য ৰাষ্ট্রসমূহক নির্দ্দিষ্ট সীমাৰ ভিতৰত বিনিময়ৰ হাৰ প্রদান কৰাত কিছু শিথিলতা প্রদান কৰে।
- বিট্রোন উডচ্ পদ্ধতি ১৫ আগষ্ট ১৯৭১ চনত বিলুপ্তি হৈছিল।
- আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ প্রাথমিক উৎস হ'ল সদস্য ৰাষ্ট্রসমূহক আর্থিক সাহার্য্য প্রদান কৰা।
- সদস্য ৰাষ্ট্রসমূহে আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধিৰ সম্পদসমূহ কিছুমান চর্তাৱলীৰ জৰিয়তে ব্যৱহাৰ কৰিব পাৰে।



১১.১০ অধিক জানিবলৈ

১) International business: text and cases- Francis cherunilam.

২) International trade: C.R. Kothari.

৩) Money Banking and International Trade by R.R. Paul, Kalyani Publication

১১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ক) আন্তঃৰাষ্ট্ৰীয় মুদ্রা নীধিৰ আনুষ্ঠানিক ভাৱে ১৯৪৫ চনৰ ১৭ ডিচেম্বৰত প্রতিস্থা হৈছিল।

২ নং প্রশ্নৰ উত্তৰঃ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নীধিৰ এটি উদ্দেশ্য হ'ল আন্তঃর্জাতিক মৌদ্রিক সহযোগীতা

৩ নং প্রশ্নৰ উত্তৰঃ মার্চ ১৯৮৬

৪ নং প্রশ্নৰ উত্তৰঃ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নীধিৰ এক গুৰুত্বপূর্ণ কার্য্য হ'ল বিনিময়ৰ স্থিৰত বজাই ৰখা।



১১.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নীধিৰ কাৰ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নীধিৰ উদ্দেশ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নীধিৰ সদস্য দেশসমূহৰ বাবে থকা ঋণ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ বিশ্ব বাণিজ্য সংস্থা (WTO)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ বিশ্ব বাণিজ্য সংস্থা (WTO) ৰ ক্রমবিকাশ
১২.৪ WTO ৰ সুফলসমূহ
১২.৫ WTO: ইয়াৰ উদ্দেশ্যাৱলী আৰু কার্যাৱলী
১২.৬ WTO: সমালোচনাত্মক সমীক্ষা
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- GATT আৰু WTO ৰ মাজৰ পার্থক্য নির্ণয় কৰিব পাৰিব।
- WTO ৰ উদ্দেশ্যাৱলী আৰু কার্যাৱলী বুজিব পাৰিব।
- WTO ৰ ক্রমবিকাশ আলোচনা কৰিব পাৰিব।
- WTO ৰ কার্যকলাপৰ সমালোচনাত্মক মূল্যায়ণ কৰিব পাৰিব।

১২.২ পৰিচয়

১৯৫৫ চনৰ ১ জানুৱাৰী তাৰিখে GATT ৰ উত্তৰাধিকাৰী হিচাপে বিশ্ব বাণিজ্য সংস্থা (WTO) স্থাপন কৰা হৈছিল। Marrakesh চুক্তিৰ অধীনত গোলকীয় বাণিজ্য ব্যৱস্থা আৰু আন্তঃৰাষ্ট্রীয় অর্থনৈতিক আইনৰ সুদৃঢ় সাংবিধানিক পদক্ষেপৰ পৰিণতিত GATT সন্ধিৰ Uruguay অধিৱেশনত WTO ৰ জন্ম।

এই অধ্যায়টিত WTO ৰ বিষয়ে আলোচনা কৰা হ'ব। WTO ৰ ক্রমবিকাশ, উদ্দেশ্যাৱলী আৰু কার্যাৱলী এই অধ্যায়ৰ আলোচ্য বিষয়বস্তু। অধ্যায়টিৰ শেষৰফালে WTO ৰ এক সমালোচনাত্মক সমীক্ষা আগবঢ়োৱা হৈছে।

১২.৩ বিশ্ব বাণিজ্য সংস্থা (WTO)ৰ ক্রমবিকাশ

বিশ্বৰ অর্থনীতিত WTO য়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে আৰু

সেইবাবে ই জাতীয় অর্থনীতি আৰু ইয়াৰ নীতি সমূহক প্রভাৱিত কৰে। WTO ৰ প্রমুখ্যে নীতি আৰু চুক্তি সমূহে তাৎপর্যপূর্ণভাৱে জাতীয় অর্থনীতি সমূহৰ ওপৰত প্রভাৱ পেলায়। WTO ৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা প্রভাৱ থাকিলেও সমগ্র পৃথিৱীত ইয়াৰ গ্রহণযোগ্যতাও আছে। ১৯৪৭ চনত GATT চুক্তি স্বাক্ষৰিত হোৱাৰ সময়ত মাত্র ২৩ খন দেশে অংশ গ্রহণ কৰিছিল। ১৯৯৫ চনত WTO ৰ সদস্যৰ সংখ্যা ১২৮ ৰ পৰা ২০০৮ চনত ১৫১ হয়গৈ। ২০০২ চনৰ ১ জানুৱাৰীৰ পৰা চীন WTO ৰ অন্তর্ভুক্ত হয়। বর্তমান আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ ৯৭% তকৈও অধিক WTO ৰ সদস্যৰ অংশগ্রহণে WTO য়ে আগবঢ়োৱা আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ প্রণালীবদ্ধ উন্নয়ণৰ সম্ভাৱনা সূচায়।

WTO ৰ বিষয়ে বিতংকৈ আলোচনা কৰাৰ আগতে WTO গঠনৰ অন্তৰালত থকা কেইটামান ঘটনাৰ বিষয়ে আলোচনা কৰাটো সমীচীন হ'ব। WTO ৰ অগ্রজ সংস্থা হ'ল GATT সেয়ে GATT ৰ কেইটামান গুৰুত্বপূর্ণ দিশ তলত আলোচনা কৰা হ'ল।

- **GATT আৰু WTOৰ মাজত পার্থক্য ঃ**

  WTO, GATTৰ সম্প্রসাৰণ নহয়, কিন্তু ই ইয়াৰ উত্তৰাধিকাৰী আৰু ইয়াৰ বেলেগ বৈশিষ্ট্য আছে—

  - WTO বিস্তৃত আইনী পৰিচয়েৰে এক আন্তর্জাতিক সংস্থা যাৰ মুখ্য কার্যালয় চুইজাৰলেণ্ডৰ জেনেভা চহৰত। আনহাতে GATT হ'ল মূলতঃ এখন অস্থায়ী চুক্তি আৰু ইয়াৰ তদর্থ কার্যালয় আছে।
  - GATTয়ে অংশগ্রহণকাৰী দেশসমূহক কেতবোৰ সংবেদনশীল বিষয়ত (যেনে- কৃষি, বস্ত্র ইত্যাদি) দেশীয় আইন বাহাল ৰখাত অনুমতি দিয়ে। কিন্তু WTOয়ে এনে সুৰক্ষা নীতিৰ বিপৰীতে কাম কৰে।
  - WTOৰ সদস্য থাকে আনহাতে GATTৰ কৱল অংশগ্রহণকাৰী দেশহে থাকে।
  - GATT অস্থায়ী ভিত্তিত প্রয়োগ কৰা হৈছিল আনহাতে WTOৰ প্রতিশ্রুতিসমূহ স্থায়ী আৰু সদস্য দেশৰ বাবে বাধ্যতামূলক। এইদৰে WTO হ'ল নিয়মভিত্তিক আৰু সময়বদ্ধ।
  - GATTতকৈ WTOৰ পৰিসৰ বহল। বহুজাতিক বাণিজ্য ব্যৱস্থা, সেৱাৰ বাণিজ্য, বৌদ্ধিক সম্পত্তি বাণিজ্য আৰু বিনিয়োগ WTOৰ অন্তর্ভুক্ত। আনহাতে GATTৰ নীতিসমূহ কেৱল মাত্র ব্যৱসায়িক দ্রব্যৰ বাণিজ্যতে সীমাবদ্ধ। এইদৰে WTOৰ পৰিসৰ ব্যাপক আৰু কার্যকৰী।
  - GATTৰ দৰে WTO বিবাদ মীমাংসা ব্যৱস্থাও স্বয়ংক্রিয়। ই দ্রুততৰো।

- **WTOৰ গঠন ঃ** WTOৰ সাংগঠনিক গঠন তলত দিয়া ধৰণৰ—

  - আমোলা সভা (Ministerial Conference) হ'ল WTOৰ সর্বোচ্চ প্রশাসনিক সমিতি যিয়ে সকলোবোৰ বিষয়তে চূড়ান্ত সিদ্ধান্ত গ্রহণ কৰে। ই সকলোবোৰ সদস্য দেশৰে প্রতিনিধিবর্গৰ দ্বাৰা গঠিত।

- সকলোবোৰ সদস্য দেশৰে প্ৰতিনিধিৰ দ্বাৰা গঠিত সাধাৰণ সভা হ'ল WTOৰ প্ৰকৃত চালক। ই আমোলা সভাৰ হৈ কার্য সম্পাদনা কৰে। ই বিবাহ মীমাংসা সমিতি তথা বাণিজ্যিক নীতি পুনৰীক্ষণ সমিতি হিচাপেও কাম কৰে।
- WTOৰ তিনিখন পৰিষদ আছে। সেইবোৰ হ'ল— সেৱাৰ বাণিজ্য পৰিষদ, বৌদ্ধিক সম্পত্তি অধিকাৰ আৰু বাণিজ্যৰ সৈতে সম্পৰ্কিত পৰিষদ আৰু সাধাৰণ পৰিষদ। এই পৰিষদসমূহে অন্যান্য আনুসংগিক সমিতিৰ সৈতে লগ লাগি বিশেষ দায়িত্ব সম্পাদন কৰে।
- আমোলা সভাই ৪বছৰৰ বাবে নিয়োগ কৰা সঞ্চালক প্ৰধানৰ নেতৃত্বত WTO সচিবালয়ে ইয়াৰ প্ৰশাসন কার্য পৰিচালনা কৰে। সঞ্চালক প্ৰধানক বিভিন্ন সদস্য দেশৰ পৰা নির্বাচিত ৪ জন উপ-সঞ্চালকে সহায় কৰে।
- WTOৰ বার্ষিক বাজেট আৰু বিত্তীয় অনুলেখ সঞ্চালক প্ৰধানে বাজেট, বিত্ত আৰু প্ৰশাসন সমিতিৰ ওচৰত পুনৰীক্ষণ আৰু নিৰীক্ষণৰ বাবে উত্থাপন কৰে আৰু সাধাৰণ পৰিষদৰ চূড়ান্ত অনুমোদনৰ বাবে উপস্থাপন কৰে।

১২.৪ WTO ৰ সুফলসমূহ

- বাণিজ্য আৰু বিনিয়োগ শিথিলকৰণৰ পৰিণতি স্বৰূপে সম্পদ ব্যৱহাৰৰ কার্যকাৰিতা বৃদ্ধি, গুণগত মানদণ্ডৰ উন্নতি আৰু উৎপাদনশীলতা বৃদ্ধি, দৰ হ্ৰাস আৰু অর্থনৈতিক উন্নয়ন তৰান্বিত হৈছিল।
- বিশ্বৰ ৰপ্তানিৰ বজাৰত ভাৰতৰ অংশ বৃদ্ধি পাইছিল আৰু ইয়াৰ সুবিধাসমূহ লাভ কৰিছিল।
- দেশীয় ৰাজ সাহার্য আৰু বাণিজ্য প্ৰতিবন্ধকতাৰ হ্ৰাসৰ বাবে বিশ্বৰ কৃষিজাত সামগ্ৰীৰ দৰ বৃদ্ধিৰ হেতু ভাৰতীয় কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ সম্ভাৱনা বৃদ্ধি পাইছিল।
- ভাৰতৰ প্ৰায়বোৰ গুৰুতৰ কৃষি উন্নয়ন আঁচনি কৃষি অনুশাসন চুক্তিৰ পৰা ৰেহাই পোৱাটো নিশ্চিত আছিল।
- ৰাষ্ট্ৰসমূহৰ মাজত অর্থনৈতিক সম্পৰ্কৰ বহুজাতিক আলোচনাৰ এখন মঞ্চ WTOএ প্ৰদান কৰিছিল। এইবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ আছিল বৈষম্য বিৰোধী ৰাজসাহার্য আৰু বিবাদ-নিষ্পত্তি সুৰক্ষা ইত্যাদি। ই আন্তর্জাতিক বাণিজ্যৰ ক্ষেত্ৰত অধিক নিৰাপত্তা আৰু সম্ভাৱনীয়তা নিশ্চিত কৰিছিল আৰু এইদৰে ই ভাৰতৰ বাবে এক সুবিধাজনক বাণিজ্যিক পৰিবেশৰ সৃষ্টি কৰিছিল।
- বাণিজ্য চুক্তি ভংগ কৰাৰ বিপৰীতে WTOৰ এক কার্য ব্যৱস্থা আছিল আৰু ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্যিক বিবাদ-নিষ্পত্তিৰ বাবে এক ব্যৱস্থা আছিল। WTOৰ বিশ্ব বাণিজ্য সম্বন্ধীয় গৱেষণা ব্যৱস্থা আছে।

- **WTOৰ চুক্তি ঃ** WTO চুক্তিয়ে সদস্য দেশসমূহে যাতে এক অপক্ষপাতিত্বমূলক বাণিজ্যিক ব্যৱস্থা গ্ৰহণ কৰে তাকে নিশ্চিত কৰে, য'ত সেইসমূহৰ অধিকাৰ আৰু কৰণীয় সন্নিৱিষ্ট থাকে। প্ৰত্যেক দেশে নিজৰ বজাৰলৈ আমদানিৰ ক্ষেত্ৰত একে ধৰণৰ ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই ব্যৱস্থাই উন্নয়নশীল ৰাষ্ট্ৰসমূহক তেওঁলোকৰ দায়বদ্ধতা পালন কৰাৰ ক্ষেত্ৰত শিথিলতা আগবঢ়ায়।
- **দ্ৰব্য সামগ্ৰী ঃ** 1947 চনৰ পৰা 1994 চনলৈকে সীমাশুল্ক হ্ৰাস আৰু অন্যান্য বাণিজ্য প্ৰতিবন্ধকতা হ্ৰাস কৰাৰ ক্ষেত্ৰত GATT আছিল এখন মঞ্চ, এই চুক্তিয়ে অপক্ষপাতিত্বতাৰ গুৰুত্বপূৰ্ণ নিয়ম নিশ্চিত কৰিছিল। 1995 চনৰপৰা GATT হৈছিল দ্ৰব্য সামগ্ৰীৰ বাণিজ্যৰ ক্ষেত্ৰত WTOৰ আৱৰণ চুক্তি (Umbrella Agreement)। ইয়াৰ কেতবোৰ বিশেষ ক্ষেত্ৰ যেনে- কৃষি, বস্ত্ৰ, উদ্যোগ ইত্যাদিৰ বাবে বিশেষ ব্যৱস্থা যেনে উৎপাদিত দ্ৰব্যৰ মানদণ্ড, ৰাজ সাহাৰ্য আৰু পক্ষপাতিতাৰ বিপৰীতে কাৰ্যব্যৱস্থা ইত্যাদি লক্ষণীয় দিশ আছিল।
- **সেৱা ঃ** সেৱা প্ৰতিষ্ঠান যেনে বেংক, বীমা প্ৰতিষ্ঠান, দূৰ সংযোগ কোম্পানীসমূহ, ভ্ৰমণ পৰিচালনা সংস্থাসমূহ, হোটেল ব্যৱস্থা আৰু পৰিবহন কোম্পানীসমূহে বিশ্বজুৰি একে নীতিৰ আধাৰত মুক্ত আৰু সুষম ব্যৱসায় কৰিবলৈ সক্ষম হ'ব।

  এই নীতিসমূহ নতুন GATSত সন্নিৱিষ্ট আছিল। WTOৰ সদস্যসমূহে তেওঁলোকৰ সেৱাসমূহৰ ক্ষেত্ৰত নতুন বৈদেশিক প্ৰতিযোগিতাৰ GATSৰ অধীনত সন্মুখীন হোৱাৰ ইচ্ছুকতা প্ৰদৰ্শন কৰিছিল।
- **বৌদ্ধিক সম্পত্তি ঃ** WTOয়ে চিন্তা আৰু সৃষ্টিশীলতাৰ বাণিজ্য আৰু বিনিয়োগৰ ওপৰত বৌদ্ধিক সম্পত্তি চুক্তি প্ৰস্তুত কৰিছিল। এই নীতিসমূহে কেনেকৈ পেটেণচ স্বৰ্ত (Copyrights Patent), ট্ৰেডমাৰ্ক, দ্ৰব্য চিনাক্তকৰণৰ বাবে ভৌগোলিক নাম, সংহত ঔদ্যোগিক আৰ্হি চক্ৰ, উৎপাদন আৰ্হি আদি তথ্যসমূহৰ বাণিজ্যিক গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত "বৌদ্ধিক সম্পত্তি" সুৰক্ষিত কৰাৰ ব্যৱস্থা নিশ্চিত কৰিছিল।
- **কৃষি চুক্তি ঃ** কৃষি চুক্তি মূলতঃ দেশীয় ৰাজসাহাৰ্য, নিম্নতম বজাৰ সুবিধা প্ৰতিশ্ৰুতি, দেশীয় সমৰ্থন আৰু খাদ্য সাহাৰ্য কাৰ্যকৰীকৰণৰ লগত জড়িত।

  এই চুক্তিৰ লক্ষ্য হ'ল কৃষিজাত সামগ্ৰীৰ ওপৰত দেশীয় আৰু ৰপ্তানিৰ ৰাজ সাহাৰ্যৰ সুবিধা দিয়া।
- **বস্ত্ৰ আৰু পোছাকৰ বাণিজ্য চুক্তি (Multi-fiber Agreement) ঃ** 1947 চনৰ পৰা চলি থকা Multi-fiber Agreementৰ অধীনত বস্ত্ৰ আৰু পোছাকৰ আমদানি নিৰ্দিষ্ট অংশ বাতিল কৰা, 2005 চনৰ জানুৱাৰীৰ শেষৰফালে বস্ত্ৰ আৰু পোছাকৰ ওপৰত থকা কোটা (Quota) বাতিল কৰা হৈছে।
- **বজাৰ প্ৰাপ্তি চুক্তি ঃ** বজাৰ প্ৰাপ্তিৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে ঔদ্যোগিক আৰু কৃষিজাত দ্ৰব্যৰ ওপৰত গড় হিচাপত প্ৰায় 37% শুল্ক বাতিল কৰিব। আমেৰিকা আৰু ইউৰোপীয়


সংঘই অর্ধাংশ শুল্ক বাতিল কৰিব।

- **TRIMs চুক্তি ঃ** এই চুক্তি বৈদেশিক বিনিয়োগৰ ওপৰত জাতীয় আচৰণ আৰু পৰিমাণগত প্রতিবন্ধকতা দূৰ কৰাৰ সূচনা কৰে। ই বৈদেশিক মুদ্রা আহৰণ, বৈদেশিক ইকুইটিত অংশগ্রহণ আৰু প্রযুক্তি স্থানান্তৰৰ ক্ষেত্রত বিদেশ বিনিয়োগকাৰীৰ ওপৰত থকা পাৰদর্শিতাৰ দফা আৰোপৰ প্রতিৰোধ কৰে। ইয়াৰ দ্বাৰা বৈদেশিক বিনিয়োগ কোম্পানীসমূহক ও দেশীয় কোম্পানীৰ সৈতে সম অধিকাৰ দিয়াৰ প্রয়োজন হয়।
- **TRIPs চুক্তি ঃ** এই চুক্তি ৭ প্রকাৰৰ বৌদ্ধিক সম্পত্তি অধিকাৰৰ লগত জড়িত। সেইবোৰ হ'ল— (ক) লিখন স্বর্ত (Copyright), (খ) বাণিজ্য চিহ্ন (Trade Mark), (গ) ভৌগোলিক নির্দেশনা (Geographical Indication), (ঘ) ঔদ্যোগিক আর্হি (Industrial Design), (ঙ) নিদর্শন স্বর্ত (Patents), (চ) সংহত চক্র (Integrated Circuits), (ছ) বাণিজ্য গোপনীয়তা (Trade Secrets)।

  লিখন স্বর্ত অনুসৰি কম্পিউটাৰ প্রগামীককে ধৰি কলাত্মক কামসমূহৰ মুক্তভাৱে সুৰক্ষিত কৰা উচিত। পঞ্জীভূত ব্যৱসায় চিহ্ন অধিকাৰীয়ে ইয়াৰ ব্যৱহাৰৰ বাবে একচেতীয়া অধিকাৰ পাব লাগে। ভৌগোলিক নিদর্শনে সামগ্রী এটাৰ উৎপত্তি স্থলৰ পৰিচয় থকাটো আৰু আইনগতভাৱে ইয়াৰ সুৰক্ষা দিয়াটো নিশ্চিত কৰে। ঔদ্যোগিক আর্হি অতি কমেও ১০ বছৰ আৰু নিদর্শন স্বর্ত অতি ক্রমেও ২০ বছৰৰ বাবে সুৰক্ষিত হ'ব লাগে। সংহত চক্র ১০ বছৰৰ বাবে সুৰক্ষিত হ'ব লাগে। বাণিজ্য গোপনীয়তা আৰু বাণিজ্যিক মূল্যৰ আদব-কায়দা বিশ্বাস ভংগৰ বিপৰীতে সুৰক্ষিত হ'ব লাগে।
- **বিবাদ-মীমাংসা সমিতি ঃ** WTOয়ে বিবাদ-মীমাংসা কৰিবৰ বাবে বিবাদ-মীমাংসা সমিতি স্থাপন কৰিছিল।
- **বহুজার্তিক বাণিজ্য চুক্তি ঃ** এই চুক্তিৰ অন্তর্ভুক্ত হ'ল— (ক) অসামৰিক বীমানৰ বাণিজ্যৰ ওপৰত চুক্তি, (খ) চৰকাৰী ক্রয়ৰ ওপৰত চুক্তি, (গ) আন্তর্জাতিক বভাইন (Bovine) মাংস চুক্তি, (ঘ) আন্তর্জাতিক দুগ্ধ চুক্তি।
- **নীতি পুনৰীক্ষণ ঃ** বাণিজ্য নীতি পুনৰীক্ষণৰ ব্যৱস্থাৰ উদ্দেশ্য আছিল স্বচ্চতাৰ উন্নয়ন, দেশসমূহে গ্রহণ কৰা নীতিসমূহৰ ব্যাপক বুজাবুজিৰ সৃষ্টি কৰা আৰু ইয়াৰ প্রভাৱৰ মূল্যায়ণ কৰা।
- **উন্নয়ন আৰু বাণিজ্য ঃ** WTOৰ সকলোবোৰ চুক্তিতে ইয়াৰ সদস্যসমূহে কার্যকৰী কৰিবলগা চুক্তি আৰু দায়বদ্ধতাসমূহ তেওঁলোকৰ বাণিজ্যিক সুবিধা আৰু সমর্থন বৃদ্ধিৰ ব্যৱস্থা আছিল যিয়ে তেওঁলোকক WTOৰ অধীনত কাম কৰাৰ আন্তঃগাঁথনি, বিবাদ-মীমাংসা আৰু কাৰিকৰী মানদণ্ড বজাই ৰখাত সহায় কৰে।
- **কাৰিকৰী সহযোগ আৰু প্রশিক্ষণ ঃ** WTOয়ে উন্নয়নশীল ৰাষ্ট্রসমূহৰ বাবে বছৰত প্রায় 100খন কাৰিকৰী সহযোগিতা মিছন সংগঠিত কৰে। WTOয়ে 100ৰ ওপৰত প্রাসংগিক কেন্দ্র (Reference Centers) আৰু উন্নয়নশীল ৰাষ্ট্রসমূহৰ সদৰত আঞ্চলিক সংগঠন

প্রতিষ্ঠা কৰিছিল, যিয়ে কম্পিউটাৰ আৰু ইণ্টাৰনেট সেৱা প্রদান কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল অনলাইন প্রক্রিয়াৰ জৰিয়তে WTOৰ মুখ্য কার্যালয় জেনেভাৰ তথ্যৰাজি আৰু অন্যান্য কার্যালয় তথ্যৰ লগত অনলাইন ব্যৱস্থাযোগে সংযুক্ত কৰা।

- **বিবাদ-মীমাংসা ঃ** বাণিজ্যিক প্রবাহ সুষমভাৱে চলাটো নিশ্চিত কৰাৰ বাবে WTOয়ে বাণিজ্যিক বিবাদ-মীমাংসা কৰাৰ কার্যপ্রণালী গ্রহণ কৰিছিল। এই ব্যৱস্থাই দেশসমূহক তেওঁলোকৰ বৈষম্যতা আলোচনাৰ মাধ্যমেৰে নিষ্পত্তি কৰাত উৎসাহ যোগাইছিল। ইয়াক অধিক কার্যকৰী কৰাৰ বাবে তেওঁলোকে সুনির্দিষ্ট আৰু স্তৰীকৃত প্রক্রিয়াৰ দ্বাৰা বিশেষজ্ঞ মণ্ডলীৰ সহায় লোৱাৰ ব্যৱস্থা আছিল।



অগ্রগতি নিৰীক্ষণ

শুদ্ধ উত্তৰ বাছনি কৰক ঃ

প্রশ্ন নং ১ ঃ WTOৰ মুখ্য কার্যালয় অৱস্থিত—

(ক) নিউ ইয়র্ক (খ) টকিঅ' (গ) জেনেভা (ঘ) বাৰলিন

প্রশ্ন নং ২ ঃ তলৰ কোনটো WTOৰ চুক্তিৰ অন্তর্ভুক্ত নহয়—

(ক) Multi-Fiber Agreement (MFA)

(খ) Agreement on Agriculture (AOA)

(গ) Convention on the International Trade in Endangered Species (CITES)

(ঘ) Agreement of Textile and Clothing (ATC)

১২.৫ WTO ঃ ইয়াৰ উদ্দেশ্যাৱলী আৰু কার্যাৱলী

- **WTOৰ উদ্দেশ্যাৱলী ঃ** Marrakesh চুক্তিৰ প্রস্তাৱনাত দিয়া মতে WTOৰ উদ্দেশ্যাৱলীসমূহ হ'ল—
  - ➢ শুল্ক আৰু অন্যান্য বাণিজ্যিক প্রতিবন্ধকতা হ্রাস কৰাটো নিশ্চিত কৰা।
  - ➢ আন্তর্জাতিক বাণিজ্যিক সম্পর্কৰ ক্ষেত্রত বৈষম্যমূলক ব্যৱস্থাক দূৰ কৰা।
  - ➢ সদস্য ৰাষ্ট্রসমূহৰ মাজত জীৱন ধাৰণৰ উচ্চ মানদণ্ড, পুনর্নিয়োগ, প্রকৃত আয় বৃদ্ধি, কার্যকৰী চাহিদা বৃদ্ধি, উৎপাদন বৃদ্ধি, সামগ্রী আৰু সেৱাৰ বাণিজ্য বৃদ্ধিৰ সুবিধা প্রদান কৰা।
  - ➢ উন্নয়নশীল দেশসমূহ বিশেষকৈ অনুন্নত দেশসমূহে তেওঁলোকৰ অর্থনৈতিক উন্নয়নৰ প্রয়োজনসমূহ প্রতিফলিত হ'ব পৰাকৈ আন্তর্জাতিক বাণিজ্যৰ উন্নয়নত এক নির্দিষ্ট মাত্রাত উপনীত হ'ব পৰাকৈ ইতিবাচক প্রভাৱ নিশ্চিত কৰা।
  - ➢ বহনক্ষম উন্নয়নৰ বাবে পৃথিৱীৰ সম্পদসমূহৰ কাম্য ব্যৱহাৰৰ সুবিধা প্রদান কৰা।

- Uruguayত অধিবেশনৰ বহুজাতিক বাণিজ্য চুক্তিৰ সকলোবোৰ সিদ্ধান্ত কার্যকৰী হোৱাকৈ এক সংহত আৰু দীর্ঘস্থায়ী বাণিজ্যিক ব্যৱস্থাৰ উন্নয়ন সাধন কৰা।

- **WTOৰ কার্যাৱলী ঃ** WTOৰ মুখ্য কার্যাৱলী তলত দিয়া ধৰণৰ—
  - বাণিজ্যিক শুল্ককে ধৰি বাণিজ্যিক প্রতিবন্ধকতাসমূহ হ্রাস আৰু আন্তর্জাতিক বাণিজ্যৰ সম্পর্কৰ ক্ষেত্রত বৈষম্যতা দূৰ কৰাৰ বাবে সুনির্দিষ্ট আচৰণ বিধি প্রস্তুত কৰা।
  - গোলকীয় বাণিজ্যৰ ক্ষেত্রত সদস্য দেশসমূহৰ আচৰণ বিধিৰ মাত্রা সম্বলিত নির্দিষ্ট বিধি আৰু আনুষ্ঠানিক প্রশাসনিক পৰিকাঠামো প্রদান কৰা।
  - প্রশাসনৰ এক সংহত গাঁথনি প্রদান কৰা আৰু ইয়াৰ দ্বাৰা WTO চুক্তি আৰু আন বহুজাতিক বাণিজ্য চুক্তিসমূহৰ ৰূপায়ণ, প্রসানস আৰু পৰিপূর্ণতাৰ লক্ষ্য প্রদান কৰা।
  - সুনির্দিষ্ট বিধিৰ কার্যত পৰিণত কৰা।
  - সন্ধি আৰু উত্তৰোতৰ ব্যৱসায় শিথিলকৰণৰ এক মঞ্চ হিচাপে কাম কৰা।
  - এক সমূহিত বাণিজ্য নীতি প্রস্তুতকৰণৰ বাবে IMF আৰু বিশ্ব বেংক আৰু ইয়াৰ আনুসংগিক অনুষ্ঠানসমূহৰ সৈতে সহযোগিতা স্থাপন কৰা।
  - বাণিজ্য সম্পর্কীয় বিবাদ নিষ্পত্তি কৰা।


১২.৬ WTO ঃ সমালোচনাত্মক সমীক্ষা

WTO বহুতো সমালোচনাৰ সন্মুখীন হৈছে। উন্নয়নশীল ৰাষ্ট্রসমূহে প্রত্যক্ষ কৰিছে যে WTOৰ চুক্তি আৰু সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত উন্নত ৰাষ্ট্রসমূহে প্রাধান্য পায়।

- WTOৰ গঠনত চূড়ান্ত অসমতা লক্ষ্য কৰা যায়। এই অসমতাৰ পৰাই অ-সম ফলাফল বাহিৰ হয়। যদিও উন্নত ৰাষ্ট্রসমূহে শুল্কৰ হাৰ হ্রাস কৰিছে আৰু মুক্ত অর্থনীতিৰ পোষকতা কৰিছে তথাপি এতিয়াও সেইবোৰে নিজৰ দেশত নির্দিষ্ট ধৰণৰ সুৰক্ষা বাহাল ৰাখিছে।
- উন্নত ৰাষ্ট্রসমূহে তেওঁলোকৰ খেতিয়কক অত্যাধিক ৰাজসাহার্য প্রদান কৰে। উন্নয়নশীল ৰাষ্ট্রসমূহৰ খেতিয়কে চৰকাৰৰ পৰা কেতিয়াও ৰাজসাহার্য আশা কৰিব নোৱাৰে আৰু সেয়ে ৰপ্তানিৰ ক্ষেত্রত অসুবিধাৰ সন্মুখীন হয়।
- WTOৰ আমোলা সভাই বিভিন্ন বিষয় যেনে মূলধন, দ্রব্য, সেৱা আৰু প্রযুক্তি কৌশলৰ সৰবৰাহৰ ওপৰত আলোচনা কৰে। ই অতি আৱশ্যকীয় কাৰণ উন্নত দেশসমূহক তৃতীয় বিশ্বৰ দেশসমূহক বজাৰৰ প্রয়োজন আছে। কিন্তু যেতিয়াই শ্রমৰ সৰবৰাহৰ কথা আহে ইয়াৰ অনুমতি দিয়া নহয়।
- প্রতিশ্রুতি দিয়া অনুসৰি মুক্ত বাণিজ্য প্রক্রিয়াও হৈ উঠা দেখা নাযায়। তৃতীয় বিশ্ব দেশসমূহক বিশ্বাস দিয়া হৈছিল যে গোলকীয় ৰপ্তানিৰ জৰিয়তে তেওঁলোকে বৈদেশিক

বজাৰ উপলব্ধ কৰিব পাৰিব কিন্তু উন্নয়নশীল ৰাষ্ট্ৰৰ মূল্যৰ বিনিময়ত কিছুসংখ্যক ৰাষ্ট্ৰৰ দেশৰ বাবেহে ই সম্ভৱ হৈছে।

- WTOক আন্তর্জাতিক আইন প্রণয়নৰ ক্ষমতা দিয়া হৈছে কিন্তু কেৱল মাত্র উন্নত ৰাষ্ট্রসমূহে তেওঁলোকৰ স্বার্থ সিদ্ধিত কৃতকার্যতা লাভ কৰিছে।
- WTOয়ে ইয়াৰ সদস্যসমূহক উন্নত অর্থনীতিৰ বাবে অনুকূল দফা আৰু চর্তসমূহ কার্যকৰী কৰিবলৈ বাধ্যতামূলক কৰিছে। আমেৰিকাই কিয়ট' প্রট'কল (Kyoto Protocol) গ্রহণ কৰা নাই। বাণিজ্য আৰু পাৰিপার্শ্বিকতাৰ সমিতিয়ে TRIPs চুক্তি সংশোধন কৰি পাৰিপার্শ্বিকভাৱে সুস্থ প্রযুক্তি ব্যৱহাৰৰ পোষকতা কৰিছে।



অগ্রগতি নিৰীক্ষণ

শুদ্ধ উত্তৰ বাছনি কৰক ঃ

প্রশ্ন নং ৩ ঃ WTO কার্যকৰী হৈছিল—

(ক) ১ জানুৱাৰী ১৯৯৫ (খ) ১ জানুৱাৰী ১৯৯৪

(গ) ১ জানুৱাৰী ১৯৯৬ (ঘ) ১ জানুৱাৰী ১৯৯১

প্রশ্ন নং ৪ ঃ WTOক যত্ন লোৱা বুলি কোৱা হয়—

(ক) লেনদেনৰ ভাৰসমতাৰ সমস্যা (খ) বাণিজ্য সম্পর্কীয় সমস্যা

(গ) দেশৰ সীমা (ঘ) দেশৰ ৰাজনীতি

প্রশ্ন নং ৫ ঃ WTOৰ কৃষি চুক্তিত আছে—

(ক) দেশীয় সাহার্য্য (খ) ৰপ্তানি ৰাজসাহার্য্য

(গ) বজাৰ আহৰণ (ঘ) উপাদান ৰাজসাহার্য্য

(ক) ক আৰু ঘ শুদ্ধ (খ) খ আৰু ঘ শুদ্ধ

(গ) ক, খ আৰু গ শুদ্ধ (ঘ) ক, খ আৰু ঘ শুদ্ধ

প্রশ্ন নং ৬ ঃ তলৰ কোনটো বৌদ্ধিক সম্পত্তি অধিকাৰ WTOৰ অন্তর্ভুক্ত?

(ক) লিখন স্বর্ত (খ) বাণিজ্য চিহ্ন

(গ) বাণিজ্য গোপনীয়তা (ঘ) কৃষি ৰপ্তানি



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- WTO বহুজাতিক বাণিজ্য ব্যৱস্থাৰ আইনী আৰু আনুষ্ঠানিক ভেটি বুলি কোৱা হয়।
- বর্তমান ইয়াৰ ১২৫ খন সদস্য দেশ আছে।

- বাণিজ্য বিনিয়োগ আৰু বাণিজ্য বিবাদ নিষ্পত্তিৰ লগত জড়িত বিভিন্ন চুক্তি WTOয়ে সম্পাদনা কৰে।
- WTOৰ নীতি আৰু চুক্তিসমূহৰ প্ৰভাৱ জাতীয় অৰ্থনীতি আৰু গোলকীকৰণৰ ওপৰত গুৰুত্বপূৰ্ণ।
- WTOয়ে আইন প্ৰণেতা আৰু বৃহৎ ঔদ্যোগিক শক্তি বিশেষকৈ আমেৰিকাৰ পৰা সুৰক্ষাবাদৰ চাপৰ সন্মুখীন হৈছে।
- আমেৰিকাই এফালে মুক্ত বাণিজ্য আৰু গোলকীকৰণৰ কথা কয় আৰু আনফালে উন্নয়নশীল ৰাষ্ট্ৰই সহজলভ্য শ্ৰমৰ যোগেদি তেওঁলোকৰ কাম কাঢ়ি নিয়াৰ ভয় খায়।
- WTOৰ উদ্দেশ্য হ'ল সুষম বাণিজ্য প্ৰবাহ, মুক্ত আৰু সম বাণিজ্যত সহায় কৰা।



১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) "Francis Cherunilam" "International Economics" fifth edition data Mc Grew-Hill Publishing Company Limited.

২) M. Marid John Kennedy International Economics PHI Learning Private Limited Delhi.

৩) Government of India Economic Survey (annual)

৪) Joseph E. Stiglitz, Globalisation and its Discontents, Allen Lane, London.

৫) RBI Report on Currency and Finance (annual)

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ ঃ *কল্যাণ আৰু আন্তৰ্জাতিক অৰ্থবিজ্ঞান,* ইউনিকা প্ৰকাশন, যোৰহাট।

১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (গ)

২ নং প্ৰশ্নৰ উত্তৰ ঃ (গ)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক)

৪ নং প্রশ্নৰ উত্তৰ ঃ (খ)

৫ নং প্রশ্নৰ উত্তৰ ঃ (খ)

৬ নং প্রশ্নৰ উত্তৰ ঃ (ঘ)



১২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ GATT আৰু WTOৰ মাজৰ পার্থক্য দাঙি ধৰক।

প্রশ্ন ২ ঃ WTOৰ উদ্দেশ্যাৱলী কি কি?

প্রশ্ন ৩ ঃ গোলকীয় অর্থনীতিত WTOৰ ভূমিকাৰ সমালোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ WTOৰ কার্যাৱলী আলোচনা কৰক।

প্রশ্ন ৫ ঃ WTOৰ কার্যকৰী গঠন পৰীক্ষা কৰক।

প্রশ্ন ৬ ঃ WTOৰ মুখ্য চুক্তিসমূহ আলোচনা কৰক।

প্রশ্ন ৭ ঃ চমুটোকা লিখক

(ক) TRIPs

(খ) সেৱাৰ বাণিজ্য (Trade in Services)

(গ) নিদর্শন স্বর্ত (Patents)

(ঘ) TRIMs

*** ***** ***

অধ্যায় ১৩ ঃ আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ বিশ্ব বেংক ঃ ইয়াৰ কার্যাৱলী আৰু ভূমিকা

১৩.৪ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰীয় উন্নয়ন বেংকসমূহ (এছিয়ান ডেভলেপমেন্ট বেংকৰ ওপৰত বিশেষ গুৰুত্ব সহকাৰে

১৩.৪.১ ADB ৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

১৩.৪.২ ADB ৰ কেন্দ্ৰীয় বিষয়সমূহ

১৩.৪.৩ ভাৰতবর্ষ আৰু ADB

১৩.৫ বাণিজ্য আৰু বিকাশৰ ৰাষ্ট্ৰসংঘৰ সম্মীলন (UNCTAD)

১৩.৫.১ প্ৰতিযোগিতা আৰু গ্ৰাহক পলিচি ব্যৱস্থা

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আন্তজার্তিক বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কার্যাৱলী তথা ভূমিকা চিহ্নিত কৰিব পাৰিব
- বিশ্ব বেংকৰ উদ্দেশ্যাৱলী, কার্যাৱলী আৰু ভূমিকা আলোচনা কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় মাণ্ডলিক উন্নয়ন বেংক সমূহ বিশেষকৈ এছীয় উন্নয়ন বেংকৰ লক্ষ্য আৰু উদ্দেশাবলী আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিয়ে প্ৰধানতঃ আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠান সমূহৰ বিষয়ে আলোকপাত কৰিছে। আমি জানোঁ যে উন্নয়নশীল দেশ সমূহে প্ৰায়ে গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প সমূহৰ বাবে পুঁজিৰ অভাৱত ভোগে। ফলস্বৰূপে উন্নয়নশীল দেশসমূহৰ উন্নয়নমূলক কার্যাৱলীৰ বাবে প্ৰয়োজনীয় পুঁজি যোগান ধৰাৰ উদ্দেশ্য এলানি আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। এনে প্ৰতিষ্ঠান সমূহৰ কিছুসংখ্যক সচাকৈয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতিৰ এইবাবেই যে সেই সমূহে পৃথিৱীৰ সকলোবোৰ দেশৰে বিত্তীয় প্ৰয়োজনসমূহ পূৰণ কৰে। উদাহৰণ স্বৰূপে,

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ববেংক ইত্যাদি। আনহাতে কিছু সংখক বিত্তীয় প্ৰতিষ্ঠান যদিও আন্তঃৰাষ্ট্ৰীয় তথাপিও সেইবোৰত নিৰ্দিষ্ট ভৌগোলিক পৰিসীমা থাকে। উদাহৰণ স্বৰূপে এছীয় উন্নয়ন বেংক (Asian Development Bank)। এছীয়' উন্নয়ন বেংকে কেৱল মাত্ৰ এছিয়া মহাদেশৰ দেশসমূহৰ বিত্তীয় প্ৰয়োজন হে পূৰণ কৰে।

এই অধ্যায়টিত আমি পৃথিৱীৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ বিত্তীয় প্ৰতিষ্ঠান,যথা আন্তঃ ৰাষ্ট্ৰীয় মুদ্ৰা নিধি (International Monetary Fund) আৰু বিশ্ববেংক (World Bank)ৰ উদ্দেশাৱালী, কাৰ্যাৱলী আৰু ভূমিকা আলোচনা কৰা হৈছে। এছীয়' উন্নয়ন বেংকৰ লক্ষ্য আৰু উদ্দেশ্যৱালী তথা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমূহ আলোচনা কৰা হৈছে। অধ্যায়টিৰ শেষৰ ফালে ভাৰতবৰ্ষৰ উন্নয়নমূলক বিত্তীয় সাহাৰ্য্যৰ ক্ষেত্ৰত এছীয়' উন্নয়ন বেংকে পালন কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে।

১৩.৩ বিশ্ববেংক ঃ ইয়াৰ কাৰ্যাৱলী আৰু ভূমিকা

বিশ্ববেংকক পুনৰ নিৰ্মাণ আৰু উন্নয়নৰ আন্তঃৰাষ্ট্ৰীয় বেংক (InternationalBank forReconstructionand Development) হিচাপেও জনা যায়। ইয়াক। ১৯৪৬ চনৰ ২৫ ডিচেম্বৰত প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ মুখ্য উদ্দেশ্য আছিল যুদ্ধ বিধস্ত অৰ্থনীতিসমূহৰ পুনৰ নিৰ্মাণ উন্নয়নশীল অৰ্থনীতিসমূহলৈ অৰ্থনৈতিক উন্নয়নৰ উদ্দেশ্য ঋণ প্ৰদান উদ্দেশ্যটো পৰৱৰ্তীকালত সংযোজন ঘটে।

- **বিশ্ব বেংকৰ সংগঠন ঃ** প্ৰশাসক মণ্ডলী (Board of Governors) কাৰ্যবাহী সঞ্চালক মণ্ডলী (Executive directors) আৰু অধ্যক্ষৰ দ্বাৰা পৰিচালিত বিশ্ব বেংক এক তিনিখলপীয়া প্ৰশাসন ব্যৱস্থাৰ দ্বাৰা পৰিচালিত এজন প্ৰশাসক আৰু এজন বিকল্প প্ৰশাসক ৫ বছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি দিয়া হয়। পৰিচালনা মণ্ডলীবছৰেকত এবাৰ মিলিত হয়। পৰিচালনা মণ্ডলীয়ে কিছুমান গুৰুত্বপুৰ্ণ বিষয়, যথা, — নতুন সদস্যৰ অন্তৰ্ভুক্তি, বেংকৰ পুঁজিৰ মজুতৰ পৰিবৰ্তন, শুদ্ধ আয়ৰ বিতৰণৰকৌশল আদি নিৰ্দ্ধৰণৰ ক্ষেত্ৰত নিজৰ স্বকীয়তা বজাই ৰাখে।

  সকলোধৰণৰ কাৰিকৰী উদ্দেশ্যত বিশ্ববেংকৰ পৰিচালনা মণ্ডলীয়ে নিজৰ ক্ষমতা কাৰ্যবাহী পৰিচালকৰ ওপৰত ন্যস্ত কৰে।

  কাৰ্যবাহী পৰিচালকমণ্ডলীয়ে এজন অধ্যক্ষ নিৰ্বাচন কৰে, যিজনে পৰিচালনামণ্ডলীৰ সন্মতি সাপেক্ষে পদেন অধ্যক্ষ (Ex-officio Chairman) হিচাপে কাৰ্য নিৰ্বাহ কৰে। তেওঁবেংকৰ মুৰব্বী হিচাপে আৰু বেংকৰ দৈনন্দিন কাম-কাজ পৰিচালনাৰ দায়িত্বভাৰ গ্ৰহণ কৰে।
- **বিশ্ববেংকৰ উদ্দেশ্যাৱলী ঃ** চুক্তি চনদত উল্লেখ কৰা মতে বিশ্ববেংকৰ উদ্দেশ্যাৱলী হ'ল-

- সদস্য দেশ সমূহৰ উৎপাদনশীল উদ্দেশ্যত মূলধন বিনিয়োগৰ সুবিধা প্ৰদানৰ জৰিয়তে অৰ্থনীতিৰ পুনৰ নিৰ্মাণ আৰু বিকাশ। আৰু লগতে, কম উন্নত দেশসমূহত উৎপাদনশীল সম্পদ আৰু সুবিধা উন্নীতকৰণত সহায় কৰা।
- ঋণ প্ৰদান নিশ্চিত কৰণ আৰু ব্যক্তিগত বিনিয়োগ কাৰীৰ দ্বাৰা অন্যান্য বিনিয়োগ নিশ্চিত কৰণৰ যোগেদি ব্যক্তিগত বৈদেশিক বিনিয়োগ বৃদ্ধি।আৰু যদি উচিত চৰ্তাৱলীত ব্যক্তিগত ঋণ উপলব্ধ নহয়, তেতিয়া নিজৰ সম্পদৰ পৰা আৰু আন উৎসৰ পৰা ঋণ যোগে লাভ কৰা পুঁজিৰ পৰা উৎপাদনমুখী ক্ষেত্ৰত ঋণ যোগান ধৰা।


- **বিশ্ববেংকৰ কাৰ্যাৱলীঃ** চুক্তি চনদৰ ওপৰত ভিত্তি কৰি বিশ্ববেংকৰ তলত দিয়া কাৰ্যাৱলী সমূহ উল্লেখ কৰা হ'ল-
  - বিশ্ববেংকে ঋণ লওতা দেশৰ অৰ্থনৈতিক অৱস্থা আৰু ইয়াৰ ঋণ পৰিশোধ সম্ভাৱনাৰ সঠিক মূল্যায়ন কৰিব লাগে।
  - বিশ্ববেংকে অৰ্থনৈতিক তথা কাৰিকৰীভাবে উন্নত আৰু উচ্চ অগ্ৰাধিকাৰ প্ৰকৃতিৰ বিশেষ প্ৰকল্প সমূহৰ বাবেহে ঋণ প্ৰদান কৰিব লাগে।
  - বিশ্ববেংকে যিকোনো প্ৰকল্পৰ বৈদেশিক বিনিময়ৰ অংশৰ বাবেহে ঋণ প্ৰদান কৰে আৰু ঋণ লওতা দেশে ইয়াৰ ঘৰুৱা সম্পদ সমূহ সংগ্ৰহ কৰাটো বিচাৰে।
  - বিশ্ববেংকে যি উদ্দেশ্যত ঋণ প্ৰদান কৰা হৈছে কেৱল মাত্ৰ তাৰ বাবেহে যাতে পুঁজি খৰচ কৰা হয়, সেয়া বিশ্ববেংকে পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ কৰাটো নিশ্চিত কৰে। বিশ্ব বেংকে কোনো এটা প্ৰকল্পৰ সমগ্ৰ সময়ছোৱাতপ্ৰয়োজন হোৱা আহিলা-পাতি আৰু প্ৰকল্প ক্ষেত্ৰৰ ব্যয় সামৰিব পৰাকৈ মধ্যমীয়া আৰু দীৰ্ঘকালীন ঋণ প্ৰদান কৰে।
  - ঋণ লওতা দেশে ইয়াৰ প্ৰয়োজনসমূহ গুণগত মানৰ অপচয় নকৰাকৈ আটাইতকৈ সহজলভ্য বজাৰৰ পৰা যাতে আহৰণ কৰিব পাৰে বিশ্ববেংকে তাৰ ওপৰত জোৰ দিয়ে।
  - বিশ্ববেংকে পৰোক্ষভাৱে ব্যক্তিগত খণ্ডৰ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

- **বিশ্ববেংকৰ ভূমিকা ঃ**
  - *ঋণ প্ৰদানৰ ক্ষেত্ৰত বিশ্ববেংকৰ ভূমিকা ঃ* বিশ্ববেংকে ইয়াৰ সদস্য দেশলৈ তলত দিয়া ধৰণে ঋণ প্ৰদান কৰে ঃ
    - ইয়াৰ নিজৰ পুঁজিৰ পৰা প্ৰত্যক্ষ ঋণ অনুমোদন কৰা
    - সদস্য দেশৰ পৰা সংগৃহীত পুঁজি নাইবা বিশ্ববেংকৰ দ্বাৰা ঋণ লোৱা পুঁজিৰ পৰা ঋণ আবন্তন কৰা

- বিনিয়োগ কাৰীৰ জৰিয়তে সম্পূৰ্ণ বা আংশিক ঋণ প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা।
- বেংকৰ মুঠ সংগৃহীত মূলধন আৰু দেনা আদি মিলি যিটো পৰিমাণ হ'ব, সেই পৰিমাণটোৰ ১০০ শতাংশ ৰ অধিক ঋণ বিশ্ববেংকে প্ৰদান কৰিব নোৱাৰে। বিশ্ববেংকে নিৰ্ধাৰণ কৰা সুদৰ হাৰ সকলোবোৰ সদস্য দেশৰ ক্ষেত্ৰতে একে হ'ব লাগে আৰু বজাৰ ব্যয়ৰ ওপৰত নিৰ্দ্ধাৰিত হ'ব লাগে। তদুপৰি, ঋণৰ বিপৰীতে বিশেষ সংৰক্ষিত পুঁজি গঠনৰ উদ্দেশে বিশ্ববেংকে সকলোবোৰ ঋণৰ ওপৰত ১% কমিচন নিৰ্ধাৰণ কৰে আৰু প্ৰতিটো ঋণৰ বিপৰীতে ১/২% প্ৰশাসনিক ব্যয় নিৰ্দ্ধাৰণ কৰে। বিশ্ববেংকৰ ঋণ প্ৰদান আন্তঃগাথনিমূলক প্ৰকল্প যেনে ৰাস্তা-ঘাট, ৰে'লপথ, শক্তি, যোগাযোগ আদিৰ ক্ষেত্ৰত সীমাৱদ্ধ। বিশ্ববেংকে শক্তি উন্নয়ন, তেল আৰু গেছ উৎঘাটন আদিৰ ক্ষেত্ৰতো ঋণ প্ৰদানৰ আগ্ৰহ প্ৰকাশ কৰে।

- **কাৰিকৰী আৰু উপদেশমূলক সহায়ৰ ক্ষেত্ৰত বিশ্ববেংকৰ ভূমিকা ঃ** বিশ্ববেংকে সদস্য দেশসমূহলৈ বিত্তীয় সাহাৰ্য প্ৰদান কৰে। ই সদস্য দেশসমূহৰ উন্নয়নমূলক আঁচনি সমূহৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত মুঠ অৰ্থনৈতিক সম্পদসমূহৰ মূল্যায়ন কৰিবলৈ কাৰিকৰী আৰু উপদেশমূলক সহায় আগবঢ়ায়। ই উন্নয়নশীল সদস্য দেশসমূহৰ জ্যেষ্ঠ কাৰ্যবাহীসকলক প্ৰশিক্ষণ প্ৰদান কৰে আৰু অৰ্থনৈতিক তথা সামাজিক গৱেষণাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়ায়।

  বিশ্ববেংকৰ ৫ টা মুখ্য প্ৰতিষ্ঠান আছে। এই প্ৰতিষ্ঠান সমূহে উন্নয়নশীল ৰাষ্ট্ৰ সমূহৰ দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নীতকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। এই প্ৰতিষ্ঠান সমূহ হ'ল (i) পুনৰ্নিৰ্মাণ আৰু উন্নয়নৰ আন্তঃৰাষ্ট্ৰীয় বেংক (International Bank for Reconstruction and Development), (ii) আন্তঃৰাষ্ট্ৰীয় উন্নয়ন সংস্থা (International Development Asociation) (iii) আন্তঃৰাষ্ট্ৰীয় বিত্তীয় নিগম (International Finance Corporation), (iv) বহুজাতিক বিনিয়োগ প্ৰতিশ্ৰুতি অভিকৰণ (Multilateral Investment Guarantee Agency), আৰু (v) বিনিয়োগ বিবাদ নিষ্পত্তিৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ (International Centre for Settlement of Investment Disputes), (IBRD) আৰু (IDA) ৰ এক প্ৰতিষ্ঠাপক সদস্য হিচাপে ভাৰতবৰ্ষ (IBRD-IDA) সাহাৰ্য লাভ কৰা এখন বৃহত্তম হিতাধিকাৰী দেশ।



অগ্রগতি নিৰীক্ষণ

শুদ্ধ উত্তৰ বাচনি কৰক।

প্ৰশ্ন নং ২ ঃ পুনঃনির্মাণ আৰু উন্নয়নৰ আন্তজার্তিক বেংক বা বিশ্ববেংক প্রতিষ্ঠা হৈছিল—

(ক) ২০ ডিচেম্বৰ ১৯৪০ (খ) ২৫ ডিচেম্বৰ ১৯৪৭

(গ) ২৫ ডিচেম্বৰ ১৯৪৪ (ঘ) ২৩ ডিচেম্বৰ ১৯৪৫

প্রশ্ন নং ৩ঃ বিশ্ববেংকৰ অধ্যক্ষ নির্বাচিত হয়—

(ক) বেংকৰ কার্যবাহী সঞ্চালক মণ্ডলীৰ দ্বাৰা (খ) প্রশাসক মণ্ডলীৰ দ্বাৰা

(গ) বেংকৰ সদস্য সকলৰ দ্বাৰা (ঘ) বেংকৰ নির্বাচিত সদস্যৰ দ্বাৰা

১৩.৪ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্রীয় উন্নয়ন বেংকসমূহ (এছিয়ান ডেভলেপমেণ্ট বেংকৰ ওপৰত বিশেষ গুৰুত্ব সহকাৰে)

এছিয়া মহাদেশৰ দেশসমূহৰ অর্থনৈতিক উন্নয়নৰ উদ্দেশ্যে ৰাষ্ট্রসংঘৰ এচিয়া আৰু সদূৰ প্রাশ্যৰ অর্থনৈতিক নিগম (Economic Commission for Asia and Far East: ECAFE) কার্যক্রৰ অধীনত ১৯৬৬ চনৰ ১৯ ডিচেম্বৰত এছীয়ান ডেভলেপমেণ্ট বেংক প্রতিষ্ঠা কৰা হয়। ইয়াৰ মুখ্য কার্যালয় হ'ল ফিলিপাইনচৰ (Phillippines) মানিলাত (Manila) অৱস্থিত ওৰটিগাছ চেন্তাৰতআৰম্ভণিতে এছিয়ান ডেভলেপমেণ্ট বেংকৰৰ ৩১ জন সদস্য আছিল আৰু বর্তমানে ইয়াৰ সদস্যৰ সংখ্যা হ'ল ৬৭জন। ইয়াৰে ৪৮জন এছিয়া প্রশান্ত মহাসাগৰীয় অঞ্চলৰ ভিতৰৰ আৰু ১৯ জন । বাহিৰৰ, বিশ্ববেংকৰ দৰে এক ধৰণৰভোট প্রদান পদ্ধতি ই অনুসৰণ কৰে।

- **সাংগঠনিক গাঁথনি ঃ** প্রতিখন সদস্য ৰাষ্ট্রৰ একোজনকৈ প্রতিনিধিৰ দ্বাৰা গঠিত প্রশাসক বর্ড হ'ল এচিয়ান ডেভলেপমেণ্ট বেংকৰ সর্বোচ্চ নীতি নির্ধাৰণক সমিতি। সঞ্চালক বর্ডৰ ১২ গৰাকী সদস্যৰ আৰু ৪ গৰাকী উপ সঞ্চালকৰ মাজৰ পৰা প্রশাসক ব'র্ড বাছনি কৰা হয়। ইয়াৰে ১২ গৰাকী ক্ষেত্রীয় সদসৰ পৰা আৰু আনবোৰ অনা-ক্ষেত্রীয় সদস্যৰ পৰা নির্বাচিত। প্রসাসক ব'র্ডে বেংকৰ অধ্যক্ষ নির্বাচন কৰে যিয়ে সঞ্চালক বর্ডৰ ও অধ্যক্ষতা কৰে আৰু ADB ৰ পৰিচালনাৰ দায়িত্ব লয়। অধ্যক্ষৰ কার্যকাল ৫ বছৰ।

১৩.৪.১ ADB ৰ লক্ষ্য আৰু উদ্দেশ্যাৱলী

ADB ৰ নিজে এটা সামাজিক উন্নয়ন সংস্থা হিচাপে সংজ্ঞায়িত আৰু ইয়াৰ লক্ষ্য হ'ল এছিয়া আৰু প্রশান্ত মহাসাগৰী অঞ্চলত দৰিদ্রতা হ্রাস কৰণ। ই এক ব্যাপক

পৰিসৰৰ উন্নয়নমূলক কাম কাজৰ বাবে ঋণ আৰু কাৰিকৰী সাহায্য প্ৰদানৰ যোগেদি মানুহৰ জীৱন ধাৰণৰ গুণগত মানদণ্ড উন্নত কৰাত সহায় কৰে। ADB হ'ল এক মুনাফা ৰহিত বহুজাতিক উন্নয়নমূলক বিত্তীয় প্ৰতিষ্ঠান যিয়ে প্ৰধানতঃ সদস্য দেশসমূহৰ ৰাজহুৱা খণ্ডৰ উন্নয়নৰ বাবে ঋণ প্ৰদান কৰে।

ADB ৰ প্ৰধান উদ্দেশ্যৱলী হ'ল ঃ

- ESCAP অঞ্চলৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ মূলধনৰ উন্নয়নৰ বাবে বিনিয়োগৰ উত্তৰণ ঘটোৱা ।
- যিবোৰ ক্ষেত্ৰীয় উপক্ষেত্ৰীয় তথা ৰাষ্ট্ৰীয় প্ৰকল্প আৰু আঁচনিয়ে সামগ্ৰিক আঞ্চলিক সম উন্নয়নৰ ক্ষেত্ৰত অৰিহনা যোগায় সেইবোৰৰ বাবে উন্নয়নমূলক বিত্ত যোগান ধৰা।
- আঞ্চলিক সদস্য ৰাষ্ট্ৰসমূহৰ পৰিকল্পনা আৰু আঁচনি সমূহৰ উন্নয়নৰ বাবে সম্পদৰ উন্নততৰ ব্যৱহাৰৰ ক্ষেত্ৰত সহায় আগবঢ়ায়।
- সদস্য দেশসমূহৰ উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিসমূহৰ প্ৰস্তুতি, বিত্ত যোগান আৰু কাৰ্যকৰী কৰণৰ বাবে কাৰিকৰী সাহায্য আগবঢ়োৱা
- ৰাষ্ট্ৰসংঘৰ আৰু অন্যান্য আন্তজাৰ্তিক, ক্ষেত্ৰীয় আৰু স্থানীয় সংগঠনৰ লগত সহযোগিতা ৰক্ষাৰ যোগেদি সদস্য ৰাষ্ট্ৰ সমূহৰ উন্নয়নমূলক আচনি আৰু পৰিকল্পনাৰ বাবে পুঁজি সংগ্ৰহ আৰু বিত্ত যোগান ধৰা।
- ইয়াৰ উদ্দেশ্য কাৰ্যকৰী কৰাৰ পৰা অন্যান্য কাৰ্যাৱলী আৰু সেৱা আবগঢ়োৱা।

১৩.৪.২ ADB ৰ কেন্দ্ৰীয় বিষয়সমূহ

- *শিক্ষা ঃ* এচিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰায়বোৰ উন্নয়নশীল দেশে শিক্ষাৰ ক্ষেত্ৰত উন্নতি লাভ কৰিছে যদিও বৰ্তমানেও অৰ্থনৈতিক আৰু সামাজিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আছে।
- *পাৰিপাৰ্শ্বিকতা ঃ* পাৰিপাৰ্শ্বিকতা, জলবায়ু পৰিবৰ্তন আৰু দুৰ্যোগৰ ক্ষতিশংকা ব্যৱস্থাপনা, পাৰিপাৰ্শ্বিক বহন ক্ষমতা, এচিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দৰিদ্ৰতা হ্ৰাস কৰণ আৰু অৰ্থনৈতিক উন্নয়নৰ এক পূৰ্ব চৰ্ত।
- *আন্তগাঁথনি ঃ* পৰিবহন, যোগাযোগ, শক্তি, পানী যোগান, অনাময় আৰু নগৰ উন্নয়ন আন্তগাথনিৰ অন্তৰ্ভুক্ত।
- *বিত্তীয়খণ্ডৰ উন্নয়ন ঃ* বিত্তীয় ব্যৱস্থাৰ উন্নয়নে দুখীয়া শ্ৰেণীৰ হিতসাদন আৰু সমাজৰ সকলো শ্ৰেণীৰ লোককে উপকৃত কৰে। ক্ষুদ্ৰ সঞ্চয় (Micro Finance), ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগকে ধৰি বিত্তী খণ্ড আৰু মূলধনী বজাৰৰ উন্নয়ন, নিয়ন্ত্ৰণ আৰু সংস্কাৰ এচিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে অতিব প্ৰয়োজনীয়।

- *আঞ্চলিক সহযোগিতা আৰু সংহতি (RCI) ঃ* ৰাষ্ট্ৰীয় অৰ্থনীতিক আঞ্চলিকতাৰে অধিক সংযুক্ত কৰা প্ৰক্ৰিয়া হিচাপে জাপান চৰকাৰে এক দীৰ্ঘদিনীয়া অগ্ৰাধিকাৰ হিচাপে আঞ্চলিক সহযোগিতা আৰু সংহতিৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। ই অৰ্থনৈতিক উন্নয়ন তৰান্বিত কৰণ, দৰিদ্ৰতা দূৰীকৰণ, অৰ্থনৈতিক অসমতা দূৰীকৰণ, উৎপাদনশীলতা আৰু নিয়োগ বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

১৩.৪.৩ ভাৰতবৰ্ষ আৰু ADB

যদিও ভাৰতবৰ্ষ ADB ৰ এক প্ৰতিষ্ঠাপক সদস্য তথাপিও ১৯৮৬ চনতহে ADB এ ভাৰতবৰ্ষক ঋণ প্ৰদান কৰা আৰম্ভ কৰে। ADB এ ভাৰতবৰ্ষৰ আন্তঃগাঁথনি উন্নয়ন, জলবিদ্যুৎ প্ৰকল্প, স্বাস্থ্য আৰু পুষ্টি আৰু গৃহ নিৰ্মাণ আদিৰ বাবে পুজি যোগান ধৰে। ২০১২ চনৰ ২২ চেপ্তেম্বৰত ADBৰ মুঠ ৬৭২০৩০ অংশৰ বিপৰীতে ভাৰতভৰ্ষই ৬.৩৩ অংশৰ অধিকাৰী। ADBত ভাৰতবৰ্ষৰ ভোটদানৰ অধিকাৰ হ'ল ৫.৪% । ভাৰতবৰ্ষ ইয়াৰ চতুৰ্থ বৃহৎ অংশীদাৰ। ADB আৰু ভাৰত চৰকাৰে এক নতুন ৰাষ্ট্ৰীয় অংশীদাৰিত্ব কৌশল ২০১৩-২০১৭ চুক্তি সম্পাদন কৰে। যিয়ে দেশৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনালৈ সাহাৰ্য আগবঢ়ায়। এই কৌশলে ১০ নিযুত ডলাৰ বিত্তীয় সাহাৰ্য্য আগবঢ়ায়। ১৯৮৬ চনত আৰম্ভ কৰা ঋণ প্ৰদানৰ সময়ৰ পৰাই ADBয়ে ১৮৬ টা সাৰভৌম ঋণ প্ৰদান কৰে যাৰ পৰিমান হ'ল ২৭.২ নিযুত ডলাৰ। ২০১২ চনৰ ডিচেম্বৰ পৰ্যন্ত ৮৭ টা চলিত সাৰ্বভৌম ঋণৰ অংশ আছিল ১১.২ নিযুত ডলাৰ।

সংস্কাৰৰ দিশত আগবঢ়া গুজৰাট হ'ল ভাৰতবৰ্ষৰ প্ৰথমখন ৰাজ্য যিয়ে এচীয় উন্নয়ন বেংকৰ পৰা পোনপটীয়াকৈ ঋণ লাভ কৰিছিল। এই ঋণ লাভ কৰা আন আন ৰাজ্যসমূহ হৈছে কৰ্ণাটক, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু অসম। অসমৰ কেইটামান প্ৰকল্প হ'ল—

- অসম সমন্বিত বান আৰু গৰাখহনীয়া ক্ষতি পৰিচালনা বিনিয়োগ কাৰ্য্যক্ৰম।
- ডিব্ৰুগড়ৰ নৰ্দমা ব্যৱস্থাৰ উন্নয়ণ কল্পে ২৬ নিযুত ডলাৰ এক চুক্তি এচীয় উন্নয়ণ বেংক আৰু অসম চৰকাৰৰ মাজত স্বাক্ষৰিত হৈছে।
- ভাৰত চৰকাৰ আৰু এচীয় উন্নয়ণ বেংকৰ মাজত ব্ৰহ্মপুত্ৰৰ দুয়োকাষে সমূহীয়া আঁচনিৰ অধীনত নৱীকৰণ আৰু সুৰক্ষাৰ বাবে ৬০ নিযুত ডলাৰৰ চুক্তি স্বাক্ষৰিত হৈছে।
- অসমৰ গুৱাহাটী আৰু ডিব্ৰুগড় চহৰৰ পৰিৱেশ আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে অসমত আন্তঃগাঁথনি বিনিয়োগ কাৰ্য্যক্ৰম হাতত লোৱা হৈছে।

১৩.৫ বাণিজ্য আৰু বিকাশৰ ৰাষ্ট্ৰসংঘৰ সন্মীলন (UNCTAD)

১৯৬০ চনৰ আগভাগত উন্নয়নশীন দেশসমূহৰ আন্তঃৰ্জাতিক বাণিজ্যৰ ওপৰত থকা সমস্যাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ এখন পূৰ্ণ পৰ্যায়ৰ বৈঠকৰ দৰকাৰ হৈছিল।

প্ৰথম বাণিজ আৰু বিকাশৰ ৰাষ্ট্ৰসমূহৰ সন্মীলন (UNCTAD) জেনেভাত ১৯৮৮ চনত হৈছিল। সমস্যাসমূহৰ লগত জৰিত হৈ আৰু সেইবোৰক চিহ্নিত কৰি এই বৈঠকখন চাৰি বছৰৰ মূৰে মূৰে লগ পোৱাৰ বাবে এক অনুষ্ঠানৰ জন্ম দিছিল।

UNCTAD জুন ২০১৪ চনত ১৫ বাৰ্ষিকত ভৰি দিছে। আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সংস্থা দ্বিতীয় বিশ্বযুদ্ধৰ পিচত প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল কিছুমান কঠিন চৰ্তৰ পৰা বাণিজ্য আৰু ব্যৱসায়ক মুক্তি দি দেশসমূহৰ অৰ্থনৈতিক উন্নতি সাধন কৰা।

তলত UNCTAD অৰ কাৰ্য্য উল্লেখ কৰা হ'ল ঃ

ক) আন্তঃৰাষ্ট্ৰীয় বিবেচনাসমূহৰ বাবে এখন মঞ্চ তৈয়াৰ কৰা।

খ) এই বিবেচনাসমূহ অৱগত কৰাৰ বাবে অন্য যুগুত পলিচি বিশ্লেষণ আৰু গৱেষণা কৰা।

গ) উন্নয়ণশীল দেশলৈ কাৰিকৰী সাহাৰ্য্য প্ৰদান কৰা।

১৩.৫.১ প্ৰতিযোগীতা আৰু গ্ৰাহক পলিচি ব্যৱস্থা ঃ

দৰকাৰী আৰু মূল কাৰ্য্য ঃ এই অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল দীনতা হ্ৰাস কৰা আৰু উপভোক্তা সুৰক্ষাৰ জৰিয়তে ব্যৱসায় শক্তিশালী কৰা। ইয়াৰ মুখ্য কাৰ্য্যসমূহ এনেধৰণৰঃ

ক) **আন্তঃচৰকাৰী বিবেচনাসমূহৰ বাবে এক মঞ্চ তৈয়াৰ কৰা ঃ** চৰকাৰৰ প্ৰতিনিধিয়ে প্ৰতিযোগীতা আৰু গ্ৰাহক সুৰক্ষাৰ ওপৰত আলোকপাত কৰে। ইয়াৰ প্ৰধান মাধ্যম হ'ল আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ প্ৰতিযোগীতা আই আৰু পলিচিৰ (IGE) ওপৰত হোৱা বাৰ্ষিক সভাখন এই (IGE) য়ে ৫ প্ৰকাৰৰ বিষয়ৰ ওপৰত আলোকপাত কৰে।

   ক) প্ৰতিযোগীতা পলিচি আৰু বিকাশৰ মাজত সম্পৰ্ক।

   খ) প্ৰতিয়োগীতা সংস্থাসমূহৰ কাৰ্য্যকাৰীতা

   গ) আন্তঃৰাষ্ট্ৰীয় সহযোগীতা

   ঘ) গ্ৰাহক আৰু প্ৰতিযোগীতা নীতিৰ মুখামুখি

   ঙ) সামৰ্থ প্ৰস্তুত


খ) **তথ্য যুগুত পলিচি বিশ্লেষণ আৰু গৱেষণা গ্ৰহণ ঃ** এই বিষয়সমূহে (IGE) ৰ ৪টা বিষয়ৰ ওপৰত গৱেষণা কৰে।

গ) **উন্নয়নশীল দেশক কাৰিকৰী সাহাৰ্য্য প্ৰদান ঃ** এই ব্যৱস্থাই দেশসমূহক সাহাৰ্য্য প্ৰদান কৰে। কাৰিকৰী সাহাৰ্য্যৰ বাবে (COMPAL) নামৰ যোজনাই প্ৰাথমিক

ভূমিকা পালন কৰে। এই যোজনাই উন্নয়শীল দেশৰ সহায়কাৰী হাত হিচাপে থাকি দেশসমূহৰ অর্থনৈতিক উন্নতিত অৱিহণা যোগায়। এই যোজনাই নিজৰ উদ্দেশ্যসমূহ নিম্নোক্ত নিতীৰ জৰিয়তে প্ৰাপ্ত কৰে।

- **কাৰিকৰী সাহার্য্য সমূহ সমগ্ৰ বিশ্বত বিলি কৰা ঃ** বর্তমান সময়ত লেটিন, আমেৰিকা, আফ্রিকা, এচিয়াৰ ৰাষ্ট্ৰসমূহে কাৰিকৰী সাহার্য্য তেওঁলোকৰ গ্ৰাহক সুৰক্ষা আৰু প্ৰতিযোগীতা শক্তিশালী কৰিবলৈ গ্ৰহণ কৰিছে। ইয়াত সহায় কৰিছে (COMPAL) আৰু (AFRICOMP) নাম সুৰক্ষা দুটাই।

  ২০১৪ চনত এক নতুন (COMPAL) গোলকীয়া যোজনা ৪০ খন ৰাষ্ট্ৰক গভীৰ কাৰিকৰী সাহার্য্যৰ বাবে পৰিকল্পনা কৰা হৈছে। ই ভাল সুৰক্ষা আৰু প্ৰতিযোগীতা থকা দেশৰ সংখ্যা বঢ়াই UNCTAD'S তাৰ প্ৰসাৰত সহায়ক হ'ব।
- **ক্ষেত্রীয় নেতা সমূহৰ দ্বাৰা প্ৰভাৱ বিস্তাৰ ঃ** UNCTAD'S অৰ বিভিন্ন যোজনাসমূহৰ সহায় গ্ৰহণ কৰি ব্ৰাজিল, দক্ষিণ আফ্রিকা, জৰ্ম্বিয়া, কলোম্বিয়া, আৰু পেৰু আদিৰ দৰে দেশসমূহে নেতৃত্ব ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে আৰু এই দেশসসমূহ আন আন ক্ষেত্রীয় দেশসমূহক অনুপ্রাণিত কৰিছে।
- **বিশ্বজনীন কাৰিকৰী দক্ষতা ঃ** প্ৰতিযোগীতা আৰু উপভোক্তা আঁচনিৰ জৰিয়তে সদস্য দেশসমূহক উন্নত মানৰ পৰামর্শ সেৱা প্ৰদান কৰে আৰু অতি অভিজ্ঞ আৰু কাৰিকৰী দক্ষতা সম্পন্ন উপদেশকাৰী মজুত ৰাখে যিসকলে যিকোনো মূহুর্ততে দেশ এখনক সহায় কৰিবলৈ প্ৰস্তুত থাকে।



অগ্রগতি নিৰীক্ষণ

শুদ্ধ উত্তৰ বাচনি কৰক।

প্রশ্ন নং ৪ ঃ এচিয়ান ডেভলেপ'মেণ্ট বেংক স্থাপিত হৈছিল-

(ক) ১৯ ডিচেম্বৰ ১৯৬০ (খ)১৬ ডিচেম্বৰ ১৯৬৫

(গ) ১৬ ডিচেম্বৰ ১৯৬১ (ঘ)১৯ ডিচেম্বৰ ১৯৬৬

প্রশ্ন নং ৫ ঃ ADB ৰ বর্তমান সদস্য দেশৰ সংখ্যা হ'ল—

(ক) ৩১ (খ) ৬৭

(গ) ৪৮ (ঘ) ৬১

প্রশ্ন নং ৬ ঃ ADB ৰ মূখ্য কার্যলয় হ'ল—

(ক) মানিলা (খ) নতুনু দিল্লী

(গ) ইচলামাবাদ (ঘ) কাঠমাণ্ডু



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- ব্ৰিট'ন উডৰ চুক্তি চনদ মতে IMF আৰু IBRD ক বিশ্ববেংক হিচাপেও জনা যায়।
- ইয়াৰ মূখ্য উদ্দেশ্য আছিল যুদ্ধ বিধস্ত অৰ্থনীতি সমূহৰ পুনৰ নিৰ্মাণ আৰু উন্নয়নশীল অৰ্থনীতি সমূহলৈ অৰ্থনৈতিক উন্নয়নৰ উদ্দেশ্য ঋণ প্ৰদান কৰা।
- ই হ'ল এক আন্তঃচৰকাৰী নিগম যাৰ মূলধন সম্পূৰ্ণভাবে ইয়াৰ সদস্য সমূহৰ স্বতাধিকাৰত থাকে।
- নিজা নিজা সংলিষ্ট বিষয়ৰ বিশেষ প্ৰয়োজনৰ ওপৰত অধিক প্ৰতিক্ৰিয়াশীল হোৱাৰ বাবে ক্ষেত্ৰীয় বেংক (ADB) ৰ গুৰুত্ব বৃদ্ধি পাইছে।



১৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) *Vaish MC and Singh International Economics 8thed*, Oxford and IBA Publishing.

২) Hajela, *T.N Textbook of Monetary Economics*, Shivalal Agrawal & Company, Agra.

৩) Sankaran S., *International Economics*, Margham Publications, Chennai.

৪) *Francis Cherunilam International Economics,* Tata MC, Grew-Hill Publishing Company Limited.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ ঃ *কল্যাণ আৰু আন্তৰ্জাতিক অৰ্থবিজ্ঞান,* ইউনিকা প্ৰকাশন, যোৰহাট।

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (খ)

২ নং প্ৰশ্নৰ উত্তৰ ঃ (গ)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক)

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ঘ)

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (খ)

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক)



১৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিশ্ববেংকৰ উদ্দেশ্যাৱলী কি কি?

প্ৰশ্ন ২ ঃ বিশ্ববেংকৰ ঋণ প্ৰদান কাৰ্য্যৱলী বিশেষভাৱে উল্লেখ কৰা।

প্ৰশ্ন ৩ ঃ বিশ্ববেংকৰ ঋণ প্ৰদান নীতিৰ সমালোচনামূলক

প্ৰশ্ন ৪ ঃ IMF ৰ উদ্দেশ্যাৱলী উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ আন্তজাৰ্তিক তাৰল্যৰ সমস্যা সমাধানৰ ক্ষেত্ৰত IMF ৰ ভূমিকা বিশ্লেষণ কৰক।

প্ৰশ্ন ৬ ঃ ABD ৰ উদ্দেশ্যাৱলী কি কি?

প্ৰশ্ন ৭ ঃ ভাৰতবৰ্ষ আৰু ABD ৰ ওপৰত চমুটোকা লিখক।

প্ৰশ্ন ৮ ঃ ABD ৰ কাৰ্য্যাৱলী আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ আঞ্চলিক অর্থনৈতিক সহযোগিতা

অধ্যায় গাঁথনি ঃ

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ আঞ্চলিক অর্থনৈতিক সংহতিৰ প্রধান প্রকাৰসমূহ

১৪.৪ আঞ্চলিক অর্থনৈতিক সংহতিৰ সুবিধাসমূহ

১৪.৫ এছিয় অর্থনৈতিক সহযোগিতা

- ১৪.৫.১ দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা সংস্থা (SAARC)
- ১৪.৫.২ দক্ষিণ এছিয় অগ্রাধিকাৰ বাণিজ্য চুক্তি (SAPTA)
- ১৪.৫.৩ দক্ষিণ এছিয় মুক্ত বাণিজ্য চুক্তি (SAFTA)

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্রগতিৰ খাতিয়ান

১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আঞ্চলিক অর্থনৈতিক সংহতিৰ অর্থ বুজিব পাৰিব
- আঞ্চলিক পর্যায়ত অর্থনৈতিক সহযোগিতাৰ প্রয়োজনীয়তা বুজিব পাৰিব।
- অর্থনৈতিক সহযোগিতাৰ বিভিন্ন প্রকাৰ আৰু সেইবোৰৰ কার্যকাৰিতাৰ পর্যায় জানিব পাৰিব
- এছীয় দেশসমূহৰ অর্থনৈতিক সহযোগিতাৰ প্রকাৰ, লক্ষ্য আৰু নীতিসমূহ জানিব পাৰিব

১৪.২ পৰিচয়

আঞ্চলিক অর্থনৈতিক সংহতি (Regional Economic Integration) হ'ল একেটা অঞ্চলৰ বেলেগ বেলেগ দেশসমূহৰ মাজত দ্রব্য সামগ্রী, সেৱা, উৎপাদনৰ উপাদান ইত্যাদিৰ মুক্ত প্রৱাহৰ ক্ষেত্রত থকা বাণিজ্যিক বাধাসমূহ (মাচুল আৰু অনা-মাচুল) হ্রাস বা দূৰ কৰিবৰ বাবে গ্রহণ কৰা এক কার্যব্যৱস্থা বা চুক্তি। আঞ্চলিক অর্থনৈতিক সংহতিৰ কেইটামান উল্লেখযোগ্য উদাহৰণ হ'ল ঃ (ক) North American Free Trade Agreement/NAFTA আমেৰিকা যুক্তৰাষ্ট্র, কানাডা আৰু মেক্সিক'ৰ মাজৰ চুক্তি, (খ) European Free Trade

Association/EFTA আইচলেণ্ড, লাইচেন্সাইন, ন'ৱৰে আৰু চুইজাৰলেণ্ডক লৈ গঠিত, (গ) Latin American Free Trade Area/LAFTA আর্জেণ্টেনা, ব্রাজিল, চিলি, মেক্সিক, পেৰাগুৱে, পেৰু আৰু উৰুগুৱেকলৈ গঠিত, (ঘ) European Union/EU (ইউৰোপীয় সংঘ)- ইউৰোপৰ ২৮ খন দেশ লৈ গঠিত, আৰু (ঙ) Asian Pacific Economic Cooperation Forum/ APEC গঠিত হৈছে NAFTAৰ সদস্যসমূহৰ লগতে জাপান আৰু চীনক লৈ।

আন্তঃৰাষ্ট্রীয় অর্থবিজ্ঞানৰ এইটো শেষ অধ্যায়। এই অধ্যায়টিত আমি আঞ্চলিক অর্থনৈতিক সংহতিৰ বিভিন্ন প্রকাৰবোৰৰ লগতে ইয়াৰ সুবিধা আৰু লগতে এচিয়া মহাদেশৰ পৰিপ্রেক্ষিততকেইটামান উদাহৰণৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ আঞ্চলিক অর্থনৈতিক সংহতিৰ প্রধান প্রকাৰসমূহ

অর্থনৈতিক সংহতিৰ মাত্রাৰ ওপৰত নির্ভৰ কৰি আঞ্চলিক অর্থনৈতিক সংহতিৰ প্রধান প্রকাৰসমূহ তলত দিয়া ধৰনে আলোচনা কৰিব পাৰি—

- **অগ্রাধিকাৰ বাণিজ্য চুক্তি** (Preferential Trade Arrangements, PTAs) ঃ অগ্রাধিকাৰ বাণিজ্য চুক্তিয়ে অংশগ্রহণকাৰী দেশসমূহৰ সমাজত বাণিজ্য বাধা হ্রাসৰ ব্যৱস্থা কৰে। অগ্রাধিকাৰ বাণিজ্য চুক্তি হ'ল আটাইতকৈ শিথিল ৰূপৰ আঞ্চলিক সহযোগিতা আৰু ইয়াৰ অস্তিত্ব তেতিয়ালৈকেহে থাকে যেতিয়া এটা অঞ্চলৰ দেশসমূহে নির্বাচিত দ্রব্যৰ ক্ষেত্রত বাণিজ্যিক বাধ্য (অর্থাৎ মাচুল) হ্রাস বা আঁতৰোৱাৰ বাবে মান্তি হয়। ই দ্বি-পাক্ষিক (দুখন দেশৰ মাজৰ) বা বহুজাতিক (বহুতো দেশৰ মাজত). উদাহৰণ— ব্রিটিছ কমনৱেলথ অগ্রাধিকাৰ চুক্তি।
- **মুক্ত বাণিজ্য অঞ্চল** (Free Trade Areas, FTAs) ঃ মুক্ত বাণিজ্য অঞ্চল এটি অঞ্চলৰ দুখন বা ততোধিক দেশৰ মাজৰ সকলোবোৰ সামগ্রীৰ বাণিজ্যৰ ওপৰত বাণিজ্য বাধা আঁতৰোৱাৰ লগত জড়িত। উদাহৰণ স্বৰূপে— NAFTA (North Atlantic Free Trade Arrangements and EFIA (European Free Trade Association).
- **বাণিজ্য সংঘ** (Customs Union) ঃ বাণিজ্য সংঘই সদস্যসমূহৰ ওপৰত মাচুল আৰু অন্যান্য বাণিজ্য বাধা আঁতৰোৱাৰ উপৰিও অনা - সদস্যৰ বিপৰীতে সাধাৰণ মাচুলৰ জৰিয়তে বাণিজ্য নীতিৰ সামঞ্জস্যতা ৰক্ষা কৰে। অৱশ্যে, সদস্যভুক্তি দেসসমূহে আন সদস্যবহির্ভুত দেশৰ ক্ষেত্রত নিজ নিজ বাধা আৰোপ কৰিব পাৰে। উদাহৰণ— ১৮৮৩ চনত স্থাপিত ZOLLVEREIN বা জার্মান বানিজ্য সংঘ। ইউৰোপীয়ান ইউনিয়ন বা ইউৰোপীয়ান কমন মার্কেট।
- **উমৈহতীয়া বজাৰ** (Common Market) ঃ অর্থনৈতিক সংঘ এটা উমৈহতীয়া বজাৰলৈ পর্যবসিত হয়, যেতিয়া সদস্য ৰাষ্ট্রসমূহৰ মাজত উৎপাদানৰ উপাদানৰ মুক্ত চলাচল ঘটে। যথার্থতে, এখন মুক্ত বজাৰত বাণিজ্যৰ ক্ষেত্রত কোনো ধৰণৰ বাধা নাথাকে,

অনা-সদস্য ৰাষ্ট্ৰৰ বাবে এক সাধাৰণ (উমৈহতীয়া) শুল্কৰ ব্যৱস্থা থাকে আৰু উৎপাদনৰ উপাদানসমূহৰ মুক্ত চলাচল দেখা যায়। উদাহৰণস্বৰূপে, ১৯৯৩ চনত গঠিত ইউৰোপীয় উমৈহতীয়া বজাৰ।

- **অর্থনৈতিকসংঘ** (Economic Union) ঃ উমৈহতীয়া বজাৰৰ অন্তর্ভুক্ত দুখন বা ততোধিক দেশে যেতিয়া নিজৰ নিজৰ বিত্তীয়, মৌদ্রিক আৰু আন আন আর্থ-সামাজিক নীতিসমূহ একত্র কৰিব বিছাৰে, তেতিয়াই এক অর্থনৈতিক সংঘৰ জন্ম হয়। অর্থনৈতিক সংঘৰ এক আগশাৰীৰ উদাহৰণ হ'ল Benelux, ইয়াক বেলজিয়াম, নেদাৰলেণ্ড আৰু লাক্সমব'র্গ- এই তিনিখন দেশে ১৯৬০ চনত গঠন কৰিছিল। সাম্প্রতিক কালত ইউৰোপীয় সংঘ (European Union) অর্থনৈতিক সংঘৰ এক সুন্দৰ উদাহৰণ। ইউৰোপীয় সংঘৰ অন্তর্ভুক্ত দেশসমূহে তেওঁলোকৰ নিজৰ নিজৰ অর্থনৈতিক নীতি, আইন- কানুন আদিৰ এক সমন্বয় ৰক্ষা কৰি চলে, যাতে বৃহত্তৰ অর্থনৈতিক আৰু আন বিত্তীয় বিষয়সমূহ সমূহীয়াভাৱে মোকাবিলা কৰিব পাৰে। ইউৰোপীয় সংঘৰ এক উমৈহতীয়া মুদ্রাও আছে যাক ইউৰ' (Euro) বোলা হয়, আৰু ই ১৯ খন দেশৰ মাজত প্রচলিত।

  উপযুক্ত তালিকাখন অর্থনৈতিক সহযোগিতাৰ ক্রমবর্দ্ধমান ক্রমত সজোৱা হৈছে। অর্থনৈতিক সহযোগিতাৰ আটাইতকৈ শিথিল ৰূপ অগ্রাধিকাৰ বাণিজ্য চুক্তিৰ পৰা আৰম্ভ কৰি একেবাৰে শেষৰ পর্যায় অর্থনৈতিক সংঘত আমি উপনীত হওঁ।



জানি থোৱা ভাল

Balassa (1969)ই অর্থনৈতিক সংহতি আৰু অর্থনৈতিক সহযোগিতাৰ মাজত এক পার্থক্য দাঙি ধৰিছে। অর্থনৈতিক সহযোগিতা বুলিলে সেইবোৰ কাম-কাজক বুজা যায়, যিবোৰে বিভেদ কমাবলৈ প্রয়াস কৰে। আনহাতে, অর্থনৈতিক সংহতিয়ে তেনে ধৰণৰ বিভেদসমূহৰ ঐতিহাসিক গুৰিটো বিচাৰি তাৰ মষিমুৰ কৰিবৰ চেষ্টা কৰে। বিভেদবোৰ নাইকিয়া কৰাটোৱেই অর্থনৈতিকসংহতিৰমূল লক্ষ্য। উদাহৰণস্বৰূপে, বাণিজ্যৰক্ষেত্রত হোৱা চুক্তিকআন্তঃৰাষ্ট্রীয় সহযোগিতাৰ অন্তর্গত; আনহাতে, বাণিজ্যৰ বাধা আঁতৰোৱাটো হৈছে অর্থনৈতিক সংহতিৰ অধীনৰ কাম।

১৪.৪ আঞ্চলিক অর্থনৈতিক সংহতিৰ সুবিধাসমূহ


বাণিজ্যৰ লাভ (Gain in Trade) ঃ বাণিজ্যৰ পৰা লাভ হ'ল আঞ্চলিক অর্থনৈতিক সংহতিৰ সদস্য ৰাষ্ট্রসমূহে লাভ কৰা এক প্রধান লাভ। আঞ্চলিক সহযোগিতাৰ দ্বাৰা সৃষ্টি কৰা বৃহৎ আকৃতিৰ বজাৰে সদস্য ৰাষ্ট্রসমূহৰ মাজত উচ্চ মাত্রাৰ প্রতিযোগিতাৰ সৃষ্টি কৰে যিয়ে উচ্চ মাত্রাৰ আধুনিকীকৰণ আৰু বিশেষীকৰণৰ উন্নয়ন কৰে। বিশেষীকৰণে পৰিশেষত

বাণিজ্যৰ পৰা বৃহৎ লাভৰ সৃষ্টি কৰে (আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা)। অর্থনৈতিক সংহতিয়ে কিছু পৰিমাণে দেশীয় উদ্যোগৰ সুৰক্ষা দূৰ কৰে। এইদৰে ই একচেটিয়া বা স্বল্পধিকাৰ আদি অপূর্ণ প্রতিযোগিতাৰ গঠন আঁতৰোৱাত সহায় কৰে। উৎপাদনকাৰীৰ মাজৰ প্রতিযোগিতাই সম্পদ ব্যৱহাৰৰ দক্ষতা তথা দ্রব্য আৰু সেৱাৰ উৎপাদনৰ দক্ষতা বৃদ্ধি কৰে। এইদৰে, অদক্ষ গোটসমূহ বজাৰৰ পৰা গুচি যায়।

- **উৎপাদনৰ মিতব্যয়িতা** (Economics of Scale) ঃ উৎপাদনৰ মিতব্যয়িতা আহৰণ কৰাৰ ক্ষেত্রত প্রধান বাধা হ'ল ক্ষুদ্র আকাৰৰ বজাৰ। অর্থনৈতিক সংহতিয়ে বজাৰৰ পৰিসৰ বৃদ্ধি কৰে আৰু ই সর্বোত্তম দক্ষ উপায়েৰে অর্থনৈতিক সম্পদসমূহৰ ব্যৱহাৰৰ পথ সুগম কৰে। সেইবাবে, এক বহল পৰিসৰৰ বজাৰ গাঁথনিত উৎপাদনৰ মিতব্যয়িতা আহৰণ কৰিব পৰা যায়। সেয়ে হ'লেও, অর্থনৈতিক সংহতিৰ কিছু সংখ্যক সমর্থকৰ মতে, অর্থনৈতিক সংহতিয়ে উৎপাদনৰ অমিতব্যয়িতা আনে যিহেতু উৎপাদন বৃদ্ধি হ'লেই উৎপাদনৰ মিতব্যয়িতা বৃদ্ধি হোৱাটো জৰুৰী নহয়। উৎপাদনৰ মিতব্যয়িতা আঞ্চলিক অর্থনৈতিক সংহতিৰ লগত জড়িত যিহেতু ই বজাৰৰ আকাৰ বৃদ্ধি কৰে।
- **বাহ্যিক মিতব্যয়িতা** ঃ অর্থনৈতিক সংহতিৰ লগত কেতবোৰ বাহ্যিক মিতব্যয়িতাও জড়িত আছে। Balassa (1969)ই বজাৰ ব্যৱস্থাৰ বাহিৰত কাম কৰা বাহ্যিক মিতব্যয়িতা আৰু বজাৰ ব্যৱস্থাৰ মাজেৰে কাম কৰা বাহ্যিক মিতব্যয়িতাৰ মাজত পার্থক্য আঙুলিয়াই দিছে। বাহ্যিক মিতব্যয়িতাত আন্তঃউদ্যোগ আৰু অন্তঃউদ্যোগ সম্পর্ক দুয়োটাই থাকে যিয়ে ব্যয় হ্রাস কৰে। বজাৰ ব্যৱস্থাৰ বাহিৰৰ পৰা কাম কৰা বাহ্যিক মিতব্যয়িতাৰ ভিতৰত আছে উন্নত প্রযুক্তি কৌশলৰ বিকাশ, প্রযুক্তি জ্ঞানৰ হস্তান্তৰ, পৰিচালন দক্ষতাৰ হস্তান্তৰ, শ্রমৰ মানদণ্ডৰ উন্নতি, দক্ষতাৰ বিকাশ ইত্যাদি। আনহাতে, বজাৰ ব্যৱস্থাৰ মাজেৰে কাম কৰা মিতব্যয়িতাৰ ভিতৰত আছে উদ্যোগৰ পার্শ্বক্রিয়াৰ ব্যয় হ্রাস আৰু আয় পৰিবর্তনৰ যোগেদি আন্তঃনির্ভৰশীলতা।
- **মুঠ ব্যৱসায়ৰ বর্দ্ধিত মাত্রা** ঃ অর্থনৈতিক সংহতিৰ অন্তর্ভূক্ত সদস্য ৰাষ্ট্রসমূহৰ মাজত বাণিজ্য মাচুল হ্রাস নাইবা উঠাই দিয়াৰ ফলস্বৰূপে মুঠ ব্যৱসায়ৰ পৰিমাণ বৃদ্ধি পায়।
- **প্রযুক্তি, কৌশলৰ পৰিবর্তন** ঃ বজাৰৰ আকাৰ বৃদ্ধিৰ লগে লগে উদ্যোগসমূহৰ মাজত প্রতিযোগিতা বৃদ্ধি হয়, ফলস্বৰূপে গৱেষণা আৰু উন্নয়নৰ অধিক সুবিধা আহে। দেশসমূহৰ মাজত প্রযুক্তি জ্ঞানৰ হস্তান্তৰো হয়। ইয়াৰ ফলস্বৰূপে দ্রব্য আৰু সেৱাৰ উৎপাদনত অধিক আধুনিকতা আহে। Balassaৰ মতে, বজাৰৰ আকাৰ আৰু গৱেষণা আৰু বিকাশৰ মাজত এক ইতিবাচক সম্পর্ক আছে। বজাৰৰ আকাৰ বৃদ্ধিয়ে সমানুপাতিক হাৰত কৈও অধিক হাৰত গৱেষণা ব্যয় বৃদ্ধি কৰে— এই যুক্তিৰ দ্বাৰা তেওঁ বাহ্যিক মিতব্যয়িতা আৰু গৱেষণা আৰু উন্নয়নৰ সম্পর্ক স্থাপন কৰিছে।
- **ক্ষতিশংকা আৰু অনিশ্চয়তা** ঃ অর্থনৈতিক সংহতিয়ে ব্যৱসায়ৰ প্রতিবন্ধকতাৰ ক্ষেত্রত ক্ষতিশংকা আৰু অনিশ্চয়তা হ্রাস কৰে। মাচুল আৰু অন্যান্য প্রতিবন্ধকতাই দেশসমূহৰ

মাজত দ্রব্য আৰু সেৱাৰ লেনদেন জটিল আৰু কঠিন কৰি তোলে। কিন্তু অর্থনৈতিক সংহতিয়ে আন্তর্জাতিক ক্ষেত্রত দ্রব্য আৰু সেৱাৰ বিনিময়ত ক্ষতিশংকা আৰু অনিশ্চয়তা হ্রাস কৰি অর্থনৈতিক উন্নয়ন সুগম কৰি তোলে।

- **অধিক মাত্রাত আধুনিকীকৰণ ঃ** বজাৰৰ আকাৰ বৃদ্ধিৰ লগে লগে সদস্য ৰাষ্ট্রসমূহৰ উৎপাদনকাৰীৰ মাজত প্রতিযোগিতা বৃদ্ধি হয় আৰু ই উৎপাদন প্রক্রিয়াত অধিক মাত্রাত আধুনিকীকৰণ আনি দিয়ে।
- **দক্ষতা বৃদ্ধি ঃ** আঞ্চলিক অর্থনৈতিক সংহতিয়ে সদস্য ৰাষ্ট্রসমূহৰ মাজত কাম্য ব্যৱহাৰৰ সুবিধা প্রদান কৰে যাৰ ফলত উৎপাদনৰ দক্ষতা বাঢ়ে।
- **সাধাৰণ কল্যাণ ঃ** বজাৰৰ আকাৰ বৃদ্ধিৰ লগে লগে উপভোক্তাৰ মাজত বিভিন্ন গুণৰ আৰু নিম্ন দৰৰ দ্রব্য উপলব্ধ হয়। সেইবাবে গ্রাহকসকলে অধিক পচন্দৰ বিকল্প লাভ কৰে, যিয়ে তেওঁলোকক অধিক সন্তুষ্টি প্রদান কৰে। এইদৰে অর্থনৈতিক সংহতিয়ে প্রকৃত ক্রয় ক্ষমতা বৃদ্ধিৰ জৰিয়তে মানুহৰ সাধাৰণ কল্যাণ বৃদ্ধি কৰে।
- **বিনিয়োগ ঃ** অর্থনৈতিক সংহতিয়ে বিনিয়োগৰ অধিক সুবিধা প্রদান কৰে। **ইয়াত,** ঘৰুৱা তথা বৈদেশিক দুয়োবিধ বিনিয়োগ অন্তর্ভুক্ত। যিহেতু অর্থনৈতিক সংহতিয়ে বজাৰৰ আকাৰ বৃদ্ধি কৰে আৰু উদ্যোগসমূহৰ মাজত প্রতিযোগিতা বৃদ্ধি কৰে, সেয়েহে নতুন প্রকল্পত বিনিয়োগ কৰাৰ বাবে বিনিয়োগকাৰীসকলৰ সুবিধা বৃদ্ধি হয়।
- **উপাদানৰ চলমানতা বৃদ্ধি ঃ** যিহেতু মাচুল আৰু অন্যান্য ধৰণৰ প্রতিবন্ধকতা সমূহ হয় উঠাই দিয়া হয় বা হ্রাস কৰা হয়, সদস্য ৰাষ্ট্রসমূহৰ মাজত উৎপাদনৰ উপাদানসমূহৰ চলাচল সহজ হয়, যিয়ে পৰিশেষত নিয়োগৰ সুবিধা বৃদ্ধি কৰে, উৎপাদন ব্যয় হ্রাস কৰে আৰু দ্রব্য আৰু সেৱাৰ অধিক দক্ষ উৎপাদন বৃদ্ধি কৰে। ই উপাদানসমূহৰ মাজত দক্ষতাৰ বিনিময় বৃদ্ধি কৰে যিটো উপাদানৰ মানদণ্ড উন্নতকৰণৰ বাবে জৰুৰী।
- **উপভোগ ঃ** অর্থনৈতিক সংহতিৰ গঠনে উপভোক্তাসকলক উপকৃত কৰে যিহেতু অর্থনৈতিক সংহতিয়ে নিম্ন দৰত দ্রব্য আৰু সেৱা উপভোক্তাসকলৰ মাজত উপলব্ধ কৰে। অর্থনৈতিক সংহতি গঠনৰ আগতে একে দ্রব্য আৰু সেৱা উচ্চ দৰত পোৱা গৈছিল। এইদৰে, অর্থনৈতিক সংহতিয়ে সদস্য ৰাষ্ট্রসমূহৰ উপভোক্তাসকলৰ প্রকৃত আয় বৃদ্ধি কৰে। ই বিভিন্ন মানদণ্ডৰ দ্রব্য আৰু সেৱা মুকলি কৰে। উপভোক্তাসকলে এক বৃহৎ সংখ্যক দ্রব্য আৰু সেৱা পচন্দ কৰাৰ বাবে স্বাধীন। গতিকে উপভোক্তাৰ ওপৰত অর্থনৈতিক সংহতিৰ ইতিবাচক প্রভাৱ আছে।
- **উৎপাদন ঃ** অর্থনৈতিক সংহতিয়ে প্রতিযোগিতা বৃদ্ধি কৰে আৰু দ্রব্য আৰু সেৱা উৎপাদনৰ দক্ষতা বৃদ্ধি কৰে। এইদৰে, ই নিম্নদৰ আৰু উন্নত প্রযুক্তিৰে উৎপাদন বৃদ্ধি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আঞ্চলিক অর্থনৈতিক সংহতিৰ বিভিন্ন প্রকাৰবোৰ উল্লেখ কৰক (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ২ ঃ অর্থনৈতিক সংহতিয়ে উপভোক্তাসকলৰ ভোগৰ ধৰন কেনে ধৰণে প্রভাৱিত কৰে? (৬০ শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১৪.৫ এছিয় অর্থনৈতিক সহযোগিতা

উন্নয়নশীল ৰাষ্ট্রসমূহৰ মাজত অর্থনৈতিক সহযোগিতাৰ (Economic Cooporation among Developing Countries) ECDC সন্ধানৰ ফলশ্রুতিত এছিয় অর্থনৈতিক সহযোগিতা (Asian Economic Association) ৰ জন্ম। 1974 চনৰ ৰাষ্ট্রসংঘৰ ষষ্ঠ বিশেষ অধিবেশনৰ পিছৰ পৰা ECDCৰ ধাৰণাটো অতি জনপ্রিয় হয়, যিয়ে ECDCৰ গুৰুত্ব বিশেষভাৱে আঙুলিয়াই দি নতুন অর্থনৈতিক ক্রমৰ বাবে কার্য আঁচনি গ্রহণ কৰে। ইয়ে লেটিন আমেৰিকা, উপ-ছাহাৰীয় আফ্রিকা আৰু এছিয়াত এলানি আঞ্চলিক মুক্ত বাণিজ্য সংস্থাৰ প্রতিষ্ঠাৰ দিশলৈ লৈ যায়। এছিয়ান দেশসমূহত ASEAN আৰু SAARC প্রতিষ্ঠাৰ কথা এইখিনিতে উল্লেখনীয়।

১৪.৫.১ দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা সংস্থা (SAARC)

আঞ্চলিক অর্থনৈতিক সহযোগিতাৰ অর্থনৈতিক সুবিধাসমূহ আদায় কৰাৰ উদ্দেশ্যে দক্ষিণ এছিয় দেশসমূহৰ মাজত সহযোগিতাৰ প্রস্তাৱে ১৯৮০ চনৰ পৰাই সমর্থন লাভ কৰি আহিছে। ১৯৮৫ চনৰ ৭ আৰু ৮ ডিচেম্বৰত অনুষ্ঠিত ঢাকা সম্মিলনৰ পৰামর্শাৱলী অনুসৰি (South Asian Association for Regional Cooperation) SAARC গঠন কৰা হৈছিল। আৰম্ভণিতে, SAARC সংগঠনৰ অধীনত ৭ খন দেশ আছিল। সেইবোৰ হ'ল ক্রমে— ভাৰত, পাকিস্তান, বাংলাদেশ, নেপাল, শ্রীলংকা, ভূটান আৰু মালদ্বীপ। ২০০৭ চনত আফগানিস্তানৰ অন্তর্ভুক্তিয়ে বর্তমান SAARCৰ

সদস্য সংখ্যা ৮ লৈ বৃদ্ধি কৰিলে। SAARCৰ মুখ্য কার্যালয় নেপালৰ কাঠমাণ্ডুত। SAARCৰ মৌলিক লক্ষ্য হ'ল মানৱ আৰু ভৌতিক সম্পদসমূহৰ কাম্য ব্যৱহাৰৰ যোগেদি অর্থনৈতিক আৰু সামাজিক উন্নয়ন সাধন কৰা।

- **SAARCৰ উদ্দেশ্যাৱলী হ'ল—**
  - দক্ষিণ এছিয়াৰ জনসাধাৰণৰ কল্যাণ সাধন কৰা আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা।
  - অঞ্চলটোৰ অর্থনৈতিক উন্নয়ন, সামাজিক প্রগতি আৰু সাংস্কৃতিক বিকাশ তৰান্বিত কৰা আৰু সকলো ব্যক্তিকে মর্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰ প্রদান কৰা আৰু তেওঁলোকৰ পূর্ণ সম্ভাৱনীয়তা উপলব্ধি কৰোৱা।
  - দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত সামূহিক আত্মউপলব্ধি উন্নত আৰু সুদৃঢ় কৰা।
  - পাৰস্পৰিক বিশ্বাস, বুজাবুজি আৰু প্রত্যেকৰে সমস্যা উপলব্ধি কৰাত অৰিহণা যোগোৱা।
  - অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, কাৰিকৰী আৰু বৈজ্ঞানিক ক্ষেত্রত সক্রিয় সহযোগিতা আৰু পাৰস্পৰিক সমর্থন বৃদ্ধি কৰা।
  - অন্যান্য উন্নয়নশীল দেশৰ লগত সহযোগিতা সুদৃঢ় কৰা।
  - উমৈহতীয়া বিষয়ৰ ক্ষেত্রত আন্তঃআঞ্চলিক মঞ্চত নিজৰ মাজত সহযোগিতা সুদৃঢ় কৰা।
  - একে লক্ষ্য আৰু উদ্দেশ্যৰ আন্তঃৰাষ্ট্রীয় আৰু আঞ্চলিক সংগঠনৰ সৈতে সহযোগিতা কৰা।
- **SAARCৰ নীতিসমূহ ঃ** SAARCৰ চনদৰ ২ নং অনুচ্ছেদত তলত উল্লেখ কৰা নীতিসমূহ আছে—
  - সংস্থাৰ পৰিকাঠামোৰ ভিতৰত সহযোগিতা হ'ব— সার্বভৌমত্বক শ্রদ্ধা কৰা, সমতা, ভৌগোলিক অখণ্ডতা, ৰাজনৈতিক পৰস্পৰ নির্ভৰশীলতা, অন্য ৰাষ্ট্রৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা আৰু পাৰস্পৰিক হিত সাধন কৰা।
  - এনে সহযোগিতা দ্বি-পাক্ষিক বা বহুজাতিক সহযোগিতাৰ বিকল্প নহ'ব, কিন্তু পৰিপূৰক হ'ব।
  - এনে সহযোগিতা দ্বি-পাক্ষিক বা বহুজাতিক দায়িত্বৰ পৰিপন্থী নহ'ব।



জানি থোৱা ভাল

দক্ষিণ (South) বুলিলে প্রায় ১৬০ খন উন্নয়ণশীল ৰাষ্ট্ৰৰ কথা বুজা যায়। উত্তৰ (North) শব্দটোৱে উন্নত ৰাষ্ট্ৰবোৰক বুজায়। ভৌগলিক ভাৱে, বেছিভাগ উন্নয়নশীল ৰাষ্ট্ৰই দক্ষিণ গোলার্ধত অৱস্থিত। আনহাতে, অষ্ট্রেলিয়া আৰু নিউজিলেণ্ডক বাদ দি বাকী উন্নত গেশবোৰ উত্তৰ গোলার্দ্ধত অৱস্থিত।

- **সহযোগিতাৰ ক্ষেত্ৰ ঃ** বিভিন্ন SAARC সন্মিলনৰ বিবেচনাত সহযোগিতাৰ বহুতো ক্ষেত্ৰ চিনাক্ত কৰা হৈছে। যদিও SAARC অনা-অর্থনৈতিক ক্ষেত্ৰ যেনে— ক্রীড়া, কলা আৰু সংস্কৃতি আদিৰ সহযোগিতাৰে আৰম্ভ কৰা হৈছিল, সহযোগিতাৰ এই প্রক্রিয়া কেতবোৰ গুৰুত্বপূর্ণ অর্থনৈতিক ক্ষেত্রলৈও সম্প্রসাৰিত হৈছিল। বহলভাৱে চিনাক্ত কৰা এই খণ্ডসমূহ হ'ল—
  - কৃষি
  - গ্রাম্য উন্নয়ন
  - বতৰ বিজ্ঞান
  - দূৰ সংযোগ
  - বৈজ্ঞানিক আৰু কাৰিকৰী সহযোগিতা
  - স্বাস্থ্য আৰু জনসংখ্যা কার্যাৱলী
  - পৰিবহন
  - ডাক-সেৱা
  - ক্রীড়া, কলা আৰু সংস্কৃতি
  - ড্রাগ সৰবৰাহ নিয়ন্ত্রণ
  - উন্নয়নত মহিলা
- **SAARC এ সন্মুখীন হোৱা সমস্যাৱলী ঃ** যদিও এই ক্ষেত্রসমূহ চিনাক্ত কৰা হৈছে বহুতো কাৰণৰ বাবে এই ক্ষেত্রসমূহৰ উন্নয়ন প্রকল্পসমূহৰ ৰূপায়ণ আধৰুৱা হৈ আছে। সহযোগিতাৰ ধাৰণাটো বাস্তৱ আৰু ব্যৱহাৰিক কৰি তুলিবলৈ যিবোৰ প্রকল্প বাস্তৱ সম্পন্ন, প্রায়োগিক আৰু হিতকাৰী সেইবোৰক অগ্রাধিকাৰ দিয়া উচিত। মুখ্যতঃ SAARCএ বিভিন্ন কাৰণত ইয়াৰ লক্ষ্যসমূহত উপনীত হ'ব পৰা নাই। SAARCএ সন্মুখীন হোৱা কেতবোৰ সমস্যাৰ বর্ণনা তলত দিয়া হ'ল—
  - কিছুসংখ্যক SAARC সদস্যৰ মাজত পাৰস্পৰিক অবিশ্বাস - প্রধানকৈ সীমাবিবাদ, গোষ্ঠীগত বিষয়, ধর্মীয়, ৰাজনৈতিক দৃষ্টিভংগী আৰু সমন্বয় আদিৰ বাবে। ফলস্বৰূপে, এইবোৰে SAARCৰ উদ্দেশ্য সফল হোৱাত প্রভাৱ পেলাইছে।

- অর্থনৈতিক সংহতিৰ কৃতকার্যতাৰ এটা পূর্বচর্ত হ'ল যে অর্থনীতিসমূহ বিসদৃশ প্রকৃতিৰ হ'ব লাগে যাতে এটা অর্থনীতিয়ে আনটোৰ পৰিপূৰক হিচাপে কাম কৰে। কিন্তু SAARCৰ ক্ষেত্র সদস্য দেশসমূহৰ অর্থনীতি ইয়াৰ গঠন আৰু অর্থনৈতিক ৰূপান্তৰৰ ক্ষেত্রত সদৃশ প্রকৃতিৰ।
- SAARCৰ পতাকাৰ তলত আঞ্চলিক সংহতি-স্বত্বেও সদস্য ৰাষ্ট্রসমূহে কঠিন মুদ্রাৰ (Hard Money) ক্ষেত্রলৈ ৰপ্তানি কৰিব বিচৰাটোৱে ব্যাপকভাৱে অঞ্চলটোৰ আন্তঃআঞ্চলিক ব্যৱসায় ব্যাপকভাৱে ক্ষতিগ্রস্ত হৈছে।
- যদিও সদস্য ৰাষ্ট্রসমূহে আঞ্চলিক পর্যায়ত অর্থনৈতিক সংহতিৰ কথা কয় তেওঁলোক আন্তঃৰাষ্ট্রীয় বজাৰত প্রতিযোগী আৰু প্রতিদ্বণ্ডী হিচাপে কাম কৰে। উদাহৰণস্বৰূপে— মৰাপাট ক্ষেত্রত ভাৰত আৰু বাংলাদেশ প্রতিযোগী। একেদৰে চাহৰ ক্ষেত্রত ভাৰত আৰু শ্রীলংকা প্রতিযোগী। প্রতিযোগিতাৰ এই স্পৃহাই SAARCৰ সফলতাৰ ক্ষেত্রত ভাবুকিৰ সৃষ্টি কৰে।
- দক্ষিণ এছিয় দেশসমূহৰ বৈশিষ্ট্য হ'ল অনুন্নত পৰিবহন, যোগাযোগ, লেনদেন ব্যৱস্থা, প্রতিষ্ঠানিক অপর্যাপ্ত ইত্যাদি, যি অর্থনৈতিক সম্পর্ক সম্প্রসাৰণৰ ক্ষেত্রত বাধা হিচাপে থিয় দিয়ে।
- SAARCৰ কৃতকার্যতাৰ বাবে ইয়াৰ সদস্যসমূহ আৱেগিকভাৱে ওচৰ চপা প্রয়োজন। উল্লেখ কৰি অহা মতে, সম্পদ সম্ভাৱনীয়তাৰ গুণতে SAARCত ভাৰতে এক মুখ্য স্থান দখল কৰি আহিছে। এইদৰে SAARCত ভাৰতক এক সম্পদ হিচাপে গণ্য কৰা উচিত, কিন্তু কিছু সংখ্যক সদস্য দেশ ইয়াক মানি নলয়। সীমাবিবাদ, গোষ্ঠীগত সমস্যা আদিয়ে প্রায়ে সমস্যাৰ সৃষ্টি কৰে।

তালিকা ১৪ .১ ঃ বিভিন্ন SAARC সম্মিলনঃ SAARC সম্মিলন কেতিয়া আৰু ক'ত

সম্মিলন	বর্ষ	ঠাই
I	Dec 7–8,1985	Dhaka (Bangladesh)
II	Nov 16–17, 1986	Bangalore (India)
III	Nov 2–4, 1987	Kathmandu (Nepal)
IV	Dec 1988	Islamabad (Pakistan)
V	Nov 1989	Male (Maldives)
VI	Dec 1991	Colombo (Sri Lanka)
VII	April 10–11, 1993	Dhaka (Bangladesh)
VIII	May 2–4, 1995	New Delhi (India)

IX	May 12–14, 1997	Male (Maldives)
X	July 29–31, 1998	Colombo (Sri Lanka)
XI	Jan 5–6, 2002	Kathmandu (Nepal)
XII	Jan 4–6, 2004	Islamabad (Pakistan)
XIII	Nov 12–13, 2005	Dhaka (Bangladesh)
XIV	Jan 2007	New Delhi (India)
XV	August 2–3, 2008	Colombo (Sri Lanka)
XVI	April 28–29, 2010	Thimpu (Bhutan)
XVII	November 10–11, 2011	Adu City (Maldives)
XVIII	November, 2014	Kathmandu (Nepal)
XIX	September, 2016	(বাতিল)
XX	2019	(প্রস্তাচিত) Islamabad

তালিকা ১৪ .২ ঃ কিছুমান গুৰুত্বপূর্ণ বিষয়বস্তু ঃ SAARC গুৰুত্বপূর্ণ বর্ষ

1990	(Year for Girls) - ছোৱালীৰ বর্ষ
1991	(Year for Shelter) - বাসস্থানৰ বর্ষ
1992	(Year for Environment) - পৰিৱেশৰ বর্ষ
1993	(Year for Handicapped) - দিব্যাঙ্গসকলৰ বর্ষ
1995	(Year for Poverty Removal) - দৰিদ্রতা দূৰীকৰণ বর্ষ
1996	(Year for Literacy) - সাক্ষৰতাৰ বর্ষ
1991-2000	(Decade for Girls) - ছোৱালীৰ দশক
2005	(Year of South Asia Tourism) - দক্ষিণ এছিয় পর্যটন বর্ষ
2008	(Year of Good Governance) - সুশাসনৰ বর্ষ
2016-17	(Year of Cultural Heritage) - সাংস্কৃতিক ঐতিহ্যৰ বর্ষ

১৪.৫.২ দক্ষিণ এছিয় অগ্রাধিকাৰ বাণিজ্য চুক্তি (SAPTA)

১৯৯১ চনত কলম্বোত অনুষ্ঠিত SAARCৰ ষষ্ঠ সন্মিলনৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশ আছিল SAARCৰ অগ্রাধিকাৰ বাণিজ্য ক্ষেত্রৰ ধাৰণা। SAARCৰ ৭খন দেশ অর্থাৎ ভাৰত, পাকিস্তান, মালদ্বীপ, বাংলাদেশ, নেপাল, ভূটান আৰু শ্রীলংকাৰ বৈদেশিক মন্ত্রীসকলে ১৯৯৩ চনৰ ১১ এপ্রিলত ঢাকাত অনুষ্ঠিত SAARCৰ সপ্তম সন্মিলনত এখন ঐতিহাসিক চুক্তিত স্বাক্ষৰ কৰে। SAARCৰ সদস্যসকলৰ মাজত SAPTA সহযোগিতা ১৯৮৫ চনৰ ৭ ডিচেম্বৰৰ পৰা কার্যকৰী হয়। SAPTAৰ উদ্দেশ্য হ'ল সদস্য দেশসমূহৰ মাজত পাৰস্পৰিক বাণিজ্যিক আৰু অর্থনৈতিক সহযোগিতা উন্নত কৰা আৰু বাণিজ্য ৰেহাইৰ বিনিময় কৰা। সেইবাবে SAPTAক দক্ষিণ এছিয়া অঞ্চলৰ প্রথম উচ্চ পর্যায়ৰ বাণিজ্য আৰু অর্থনৈতিক সহযোগিতাৰ পদক্ষেপ হিচাপে ক'ব পাৰি।

মৌলিক নীতি ঃ SAPTAৰ মৌলিক নীতিসমূহ হ'ল—

(১) সুবিধাৰ সামগ্রিক বিনিময় আৰু পাৰস্পৰিকতা।

(২) পর্যায়ক্রমে স্তৰে স্তৰে অগ্রাধিকাৰ বাণিজ্য ব্যৱস্থাপনাৰ সম্প্রসাৰণ।

(৩) কেঁচা, অর্ধ - সংশ্লেষিত আৰু সংশ্লেষিত সকলোধৰণৰ দ্রব্যৰ অন্তর্ভুক্তি।

(৪) নিম্ন উন্নত দেশসমূহৰ প্রতি বিশেষ আৰু অগ্রাধিকাৰমূলক দৃষ্টিভংগী।

SAPTAৰ মূল উপাদানসমূহ ঃ SAPTAৰ মূল উপাদানসমূহ হ'ল— মাচুল, উপমাচুল আৰু অনা মাচুল। সদস্য দেশ একোখনে অন্য সদস্য দেশৰ লগত তলত দিয়া ধৰণে বুজাবুজি কৰিব পাৰে—

- *প্রত্যক্ষ বাণিজ্য ব্যৱস্থা ঃ* প্রকৃততে সদস্য দেশসমূহৰ মাজত বুজাপৰা কৰিব পৰাকৈ SAPTAই চাৰি টা ব্যৱস্থাৰ পোষকতা কৰিছে, তাৰ ভিতৰত দ্রব্যৰ দ্বাৰা দ্রব্য সাপেক্ষে সামগ্রিক সীমাৰ সিপাৰে মাচুল হ্রাস, খণ্ডভিত্তিত আৰু প্রত্যক্ষ বাণিজ্য ব্যৱস্থা। SAPTAই পর্যায়ক্রমে মাচুল, উপ-মাচুল আৰু অনামাচুল ব্যৱস্থাৰ ওপৰত বুজাবুজি কৰাৰ পোষকতা কৰে।
- *ৰাষ্ট্রীয় ৰেহাই সূচী ঃ* বাণিজ্য শিথিলকৰণৰ আন্তঃচৰকাৰী পৰামর্শৰলী মতে ১৯৯৩ চনত ৰাষ্ট্রীয় ৰেহাই সূচীৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। ১৯৯৫ চনত কাঠমাণ্ডুত অনুষ্ঠিত আন্তঃচৰকাৰী দলৰ ষষ্ঠখন সভাত ৰাষ্ট্রীয় ৰেহাই সূচীৰ ওপৰত দ্বি-পাক্ষিক আৰু বহুজাতিক বুজাপৰাৰ চুক্তিত অনুমোদন জনোৱা হৈছিল। এই বুজাপৰা অনুসৰি, সদস্য ৰাষ্ট্রসমূহে SAPTAৰ অধীনত প্রত্যেকখন সদস্য ৰাষ্ট্রই এক ৰাষ্ট্রীয় ৰেহাই সূচী প্রস্তুত কৰিব লাগিছিল।
- *SAPTA ৰেহাই ব্যৱস্থাপনা ঃ* কম উন্নত দেশৰ বাবে SAPTAৰ ৰেহাই সূচী ব্যৱস্থাপনাৰ কাৰণে কমিটিয়ে সন্মত হ'ল যে অনা। কম উন্নত দেশৰ সদস্য ৰাষ্ট্রসমূহে বাণিজ্য শিথিলকৰণ আঁচনি গ্রহণ কৰাৰ পিছত কম উন্নত সদস্য দেশৰ বাবে আগবঢ়াই অহা SAPTA ৰেহাই সমাপ্ত হ'ব। কিন্তু যদি SAPTA ৰেহাই থকা কোনো দ্রব্য নিম্ন উন্নত দেশৰ বাবে উপলব্ধ থাকে আৰু যদি তেনে দ্রব্য অনা-কম উন্নত দেশৰ বাবে সংবেদনাশীল হয়, তেন্তে তেওঁলোকে একে পর্যায়ৰ ৰেহাই ব্যৱস্থাপনা লাভ কৰিব লাগিব।


১৪.৫.৩ দক্ষিণ এছিয় মুক্ত বাণিজ্য চুক্তি (SAFTA)

২০০৪ চনৰ ৪-৫ জানুৱাৰী তাৰিখে পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত SAARCৰ দ্বাদশ সন্মিলনত SAARCৰ সকলো সাত সদস্যই SAFTA স্বাক্ষৰ কৰে। এছিয় দেশসমূহৰ মাজত মুক্ত বাণিজ্যৰ ক্ষেত্রত ই আছিল এক ঐতিহাসিক চুক্তি। SAPTAৰ পৰিবর্তে SAFTA ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা বলবৎ হয়।

চুক্তিৰ অংশ অনুসৰি, SAFTAৰ বাবে নিম্ন উন্নয়নশীল ৰাষ্ট্রসমূহ যেনে— ভাৰত, পাকিস্তান আৰু শ্রীলংকাই ২০০৭ ত অন্ত হ'বলগা দুবছৰৰ প্রথম পর্যায়ত তেওঁলোকৰ শুল্ক ২০% লৈ হ্রাস কৰাৰ প্রয়োজন আছিল। ২০১২ চনত শেষ হ'বলগা শেহৰ পাঁচ বছৰীয়া পর্যায়ত এই ২০ শতাংশ শুল্ক বার্ষিক হিচাবত শূন্যলৈ হ্রাস কৰিব লাগিব। দক্ষিণ এছিয়াৰ অতিনিম্ন উন্নত দেশসমূহে (নেপাল), ভূটান, বাংলাদেশ, আফগানিস্তান আৰু মালদ্বীপ) শুল্ক শূন্যলৈ হ্রাস কৰাৰ বাবে অতিৰিক্ত তিনি বছৰ পাব। SAARC সদস্য দেশৰ সাতজন বিদেশ মন্ত্রীয়ে SAFTA চুক্তিৰ কার্যপ্রণালীত স্বাক্ষৰ কৰে যাতে ৰপ্তানি শুল্ক ২০১৬ চনত ০-৫ শতাংশলৈ হ্রাস কৰিব পাৰে। SAFTAই শুল্ক উঠাই দিয়াৰ পোষকতা কৰে। ইয়াৰ পৰিণতিত উমৈহতীয়া মুদ্রাৰ সৈতে উমৈহতীয়া বজাৰৰ সৃষ্টি হ'ব।

SAFTAৰ প্রধান উদ্দেশ্য হ'ল দেশসমূহৰ মাজত উমৈহতীয়া চুক্তি উৎসাহিত আৰু সম্প্রসাৰিত কৰা, যেনে মধ্যকালীন আৰু দীর্ঘকালীন চুক্তি য'ত বিশেষ দ্রব্যৰ ক্ষেত্রত বাণিজ্য সম্পাদন কৰা ৰাষ্ট্র জড়িত থাকিব। ইয়াত শুল্ক ৰেহাই যেনে দেশীয় শুল্ক ৰেহাই আৰু অনাশুল্ক ৰেহাইৰ চুক্তি অন্তর্ভুক্ত।

- *SAFTAৰ উদ্দেশ্য ঃ*
  - চুক্তিত অন্তর্ভুক্ত সকলো দেশলৈ সমান সুবিধা প্রদান কৰিবলৈ মুক্ত বাণিজ্য অঞ্চলত সুপ্রতিযোগিতা বৃদ্ধি কৰা।
  - দেশসমূহৰ মাজত স্বচ্ছতা আৰু সংহতি অনাৰ দ্বাৰা ইয়াৰ জনসাধাৰণৰ হিত সাধন কৰা।
  - শুল্ক আৰু বাণিজ্য বাধা হ্রাস কৰি SAARC ৰাষ্ট্রসমূহৰ মাজত বাণিজ্যৰ পৰিমাণ আৰু অর্থনৈতিক সংহতি বৃদ্ধি কৰা আৰু কম উন্নত দেশসমূহক বিশেষ অগ্রাধিকাৰ প্রদান কৰা।
- *SAFTAৰ আহিলাসমূহ ঃ*
  - বাণিজ্য শিথিলকৰণ আঁচনি
  - উৎসৰ নীতি (Rules of Origin)
  - প্রতিষ্ঠানিক ব্যৱস্থাপনা
  - আলোচনা আৰু বিবাদ মীমাংসা প্রক্রিয়া
  - সুৰক্ষা ব্যৱস্থা
  - সন্মত হ'ব পৰা অন্য আহিলা চেষ্টা কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ SAARCৰ অধীনৰ সহযোগিতাৰ বিভিন্ন ক্ষেত্রবোৰ উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৪ ঃ SAFTA প্রধান উদ্দেশ্যসমূহ উল্লেখ কৰক (৬০ টা শব্দৰ ভিতৰত)

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আঞ্চলিক অর্থনৈতিক সংহতি হ'ল দুটা ভিন্ন অঞ্চল বা একেটা অঞ্চলৰ ভিন্ন দেশসমূহৰ মাজত দ্রব্য সামগ্রী, সেৱা, উৎপাদন উপাদান ইত্যাদিৰ মুক্ত প্রবাহ সুনিশ্চিত কৰিবলৈ বাণিজ্যিক বাধাসমূহ হ্রাস বা দূৰ কৰাৰ এক ব্যৱস্থাপনা। সংহতিৰ মাত্রাৰ ওপৰত ভিত্তি কৰি ইয়াৰ বিভিন্ন গঠন আছে।
- আঞ্চলিক অর্থনৈতিক সংহতিৰ প্রধান গঠনসমূহ হ'ল— PTA, FTA , বাণিজ্য সংঘ, উমৈহতীয়া বজাৰ, অর্থনৈতিক সংঘ ইত্যাদি।
- দক্ষিণ এছিয়াত, SAARC, SAPTA আৰু SAFTA হ'ল দক্ষিণ এছিয় দেশসমূহৰ মাজত আঞ্চলিক অর্থনৈতিক সহযোগিতাৰ উদাহৰণ।



১৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Dominich, Salvator, *"International Economics"*, Willey, India

২) Francis Cherunilam, *"International Economics"*, Tata Mc Graw Hill

৩) Mannur, H. H. *"International Economics, Theory & Practice"*, Vikash Publishing House.

৪) K. C. Rana and K. N. Verma, *"International Economics"*, Vishal Publishing Company, India.

৫) D. M. Mithani, *"International Economics"*, Himalaya Publishing House, Mumbai.

৬) Balassa, Bela (1969), *The Theory of Economic Integration London*, George Allen and Unwin.

১৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আঞ্চলিক অৰ্থনৈতিক সংহতি বুলিলে কি বুজা?

প্ৰশ্ন ২ ঃ বিভিন্ন প্ৰকাৰৰ আঞ্চলিক অৰ্থনৈতিক সহযোগিতাসমূহ কি কি?

প্ৰশ্ন ৩ ঃ অগ্ৰাধিকাৰ বাণিজ্য ব্যৱস্থাপনা (PTA) আৰু মুক্ত বাণিজ্য অঞ্চল (FTA)ৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ মুক্ত বাণিজ্য অঞ্চলৰ উদাহৰণ দিয়ক।

প্ৰশ্ন ৫ ঃ ইউৰোপীয় সংঘই কেতিয়া উমৈহতীয়া বজাৰৰ মৰ্যাদা লাভ কৰে?

প্ৰশ্ন ৬ ঃ অৰ্থনৈতিক সংঘৰ এটা যথাযথ উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ ঃ SAARC কেতিয়া প্ৰতিষ্ঠা হৈছিল?

প্ৰশ্ন ৮ ঃ SAARCৰ স্বাক্ষৰকাৰীসকলৰ নাম লিখক।

প্ৰশ্ন ৯ ঃ কোনখন দেশ SAARCৰ নতুন সদস্য?

প্ৰশ্ন ১০ ঃ SAARCৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

প্ৰশ্ন ১১ ঃ SAARCৰ দুটা নীতি উল্লেখ কৰক।

প্ৰশ্ন ১২ ঃ SAPTA আৰু SAFTAৰ দুটা পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ১৩ ঃ SAFTAৰ আহিলাসমূহ কি কি?

প্ৰশ্ন ১৪ ঃআঞ্চলিক অৰ্থনৈতিক সংহতিৰ সপক্ষে যুক্তি দিয়ক।

প্ৰশ্ন ১৫ ঃবাণিজ্য সংঘৰ সংজ্ঞা দিয়ক। ই কেনেকৈ মুক্ত বাণিজ্য অঞ্চলৰ পৰা পৃথক?

প্ৰশ্ন ১৬ ঃআঞ্চলিক অৰ্থনৈতিক সংহতিৰ সুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ১৭ ঃচমুটোকা লিখকঃ

(ক) SAARC (খ) SAPTA (গ) SAFTA

*** ***** ***

অধ্যায় ১৫ ঃ আর্ন্তজাতিক ব্যৱসায়ত বিচার্য বিষয়সমূহ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ আর্ন্তজাতিক ব্যৱসায়ত উন্নতি আৰু বিচার্য বিষয়সমূহ

১৫.৪ Outsourcing আৰু ভাৰতত ইয়াৰ সম্ভাৱনাসমূহ

১৫.৪.১ Outsourcingৰ অর্থ

১৫.৪.২ Outsourcingৰ আর্হিসমূহ

১৫.৪.৩ ভাতবর্ষলৈ Outsourcingৰ কাৰণসমূহ

১৫.৪.৪ Outsourcingৰ বৃদ্ধিশীল ক্ষেত্রসমূহ

১৫.৫ আন্তর্জাতিক ব্যৱসায়ত তথ্য প্রযুক্তিবিদ্যাৰ ভূমিকা

১৫.৬ আন্তর্জাতিক ব্যৱসায় আৰু বাস্তব বিদ্যা সংক্রান্ত বিবেচনাসমূহ

১৫.৭ আমি কি কি শিকিলোঁ

১৫.৮ অধিক জানিবলৈ

১৫.৯ অগ্রগতিৰ খতিয়ান

১৫.১০ আর্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আন্তর্জাতিক ব্যৱসায়ত প্রভাৱ পেলোৱা মুখ্য বিচার্য বিষয়সমূহ চিনাক্ত কৰিব পাৰিব।
- ভাৰতবর্ষৰ বাবে Outsourcingৰ গুৰুত্ব আৰু সম্ভাৱনাসমূহ চিনাক্ত কৰিব পাৰিব।
- আন্তর্জাতিক ব্যৱসায়ত তথ্য প্রযুক্তিবিদ্যাৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব।

১৫.২ পৰিচয়

আন্তর্জাতিক ব্যৱসায় বুলিলে পণ্যদ্রব্য, সেৱা, প্রযুক্তিবিদ্যা, মূলধন আৰু বা জ্ঞানৰ জাতীয় সীমান্ত পাৰ কৰি হোৱা বেহা-বেপাৰ আৰু গোলকীয় বা আন্তর্জাতিক স্তৰত হোৱা বেহা-বেপাৰক বুজায়। ইয়াত দুখন বা অধিক দেশৰ মাজত সীমান্ত পাৰ কৰি হোৱা পণ্যদ্রব্য আৰু সেৱাসমূহৰ লেনদেনৰ লগত জড়িত কৰে। ই মূল্যবান বৈদেশিক মুদ্রা অর্জন কৰাত সহায় কৰে যিখিনি আমদানিৰ বাবে পৰিশোধ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। বৈদেশিক মুদ্রাই ব্যৱসায়ত অধিক লাভ অর্জন কৰাত আৰু দেশৰ অর্থনীতি সবল কৰাত সহায় কৰে।

আজিৰ পৰস্পৰ অন্তৰংগভাৱে সংযুক্ত কৰা সমাজত আন্তর্জাতিক সন্দর্ভত পৃথিৱীৰ বিষয়ে বোধগম্য হোৱাটো আৱশ্যক হয়। ব্যৱসায় আৰু বাণিজ্যৰ গোলকীকৰণ পৃথিৱীজুৰি বাস্তৱবস্তু হিচাপে বর্ধিতভাৱে গুৰুত্বপূর্ণ হৈছে। গোলকীকৰণৰ অভ্যুত্থানে আন্তর্জাতিক সান্নিধ্য বিচৰা এই ব্যৱসায়লৈ কিছুমান গুৰুত্বপূর্ণ প্রত্যাহ্বানৰ ভাৱসাম্য ৰক্ষা কৰে। গোলকীয় স্তৰত খেলা কৰা জটিলতাসমূহে কোম্পানীসমূহৰ বিভিন্ন সাঁথৰ আৰু পছন্দসমূহৰ সৈতে উপস্থাপন কৰে। বহুতো সু-কৌশলী দিশসমহূহ আন্তর্জাতিক স্তৰত আৰু পিছত প্রতিশ্রুতি দিয়াৰ আগত হিচাপত ল'ব লাগে। স্থানীয় আঞ্চলিক আৰু আন্তর্জাতিক স্তৰত পৰিৱর্তনশীল আদর্শসমূহ গ্রহণ কৰিবলৈ দৃঢ় নমনিয়তাৰ প্রয়োজন হয়।

এই অধ্যায়টিত আমি আন্তর্জাতিক ব্যৱসায় আৰু Outsourcingৰ সৈতে জড়িত থকা সামাজিক, নীতিশাস্ত্র সম্বন্ধীয়, শ্রমিক সম্বন্ধীয় পৰিৱেশ সম্বন্ধীয়, ৰাজনৈতিক বিচার্য বিষয়সমূহে আলোচনা কৰিম।

১৫.৩ আন্তর্জাতিক ব্যৱসায়ত উন্নতি আৰু বিচার্য বিষয়সমূহ

আন্তর্জাতক ব্যৱসায়ত উদ্ভৱ হোৱা কিছুমান বিচার্য বিষয় তলত উল্লেখ কৰা হ'ল ঃ

১। সামাজিক বিচার্যবিষয়সমূহ
২। নীতিশাস্ত্র সম্বন্ধীয় বিচার্যসমূহ
৩। শ্রমিক সম্বন্ধীয় বিচার্য বিষয়সমূহ
৪। পৰিৱেশ সম্বন্ধীয় বিচার্য বিষয়সমূহ
৫। ৰাজনৈকি বিচার্য বিষয়সমূহ

১। সামাজিক বিচার্য বিষয়সমূহ ঃ গোলকীকৰণৰ বৃদ্ধিৰ সৈতে সামাজিক বিচার্যসমূহৰ বিষয়ত উদ্বেগ বৃদ্ধি পাইছে। আন্তর্জাতিক ব্যৱসায়ৰ লগত জড়িত গুৰুত্বপূর্ণ সামাজিক বিচার্য বিষয়সমূহ হৈছে সামাজিক দায়িত্ব। ব্যৱসায়ৰ সামাজিক দায়িত্ব বা নিগমবদ্ধ সামাজিক দায়িত্ব (Corporate Social Responsibility) সমাজৰ সুবিধাৰ অর্থে বিধিবদ্ধ প্রয়োজনীয়তাসমূহৰ উপৰিও ব্যৱসায়টোৱে কি কৰিছে তাক বুজাই। দায়িত্ব শব্দটোৰ অর্থ ই ইয়াকে বুজায় যে ব্যৱসায়ৰ সমাজৰ প্রতি কিছুমান নৈতিক দায়বদ্ধতা আছে। নিগমবদ্ধ নাগৰিকত্ব পদটোৱে সমাজৰ প্রতি থকা নৈতিক বাধ্যবাধকতা বুজাবৰ বাবে সাধাৰণভাৱে ব্যৱহাৰ কৰা হয়। ই ইয়াকে বুজায় যে এজন ব্যক্তিৰ দৰে নিগমবদ্ধ প্রতিষ্ঠান সমূহে সমাজৰ এটা অখণ্ড অংশ আৰু সিহঁতৰ আচৰণসমূহ কিছুমান সামাজিক জ্ঞানৰ দ্বাৰা পৰিচালিত হ'ব লাগে।

এটা আত্মপক্ষ সমর্থনত এটা বুদ্ধিশীল স্বীকৃত হৈছে যে ব্যৱসায় সামাজিকভাৱে দায়বদ্ধ হ'ব লাগে এই অর্থ যে ব্যৱসায় প্রতিষ্ঠানে সমাজৰ সম্পদসমূহ ব্যৱহাৰ কৰে আৰু ইয়াৰ কাম-কাজৰ বাবে সমাজৰ ওপৰত নির্ভৰ কৰে, এক অখণ্ড অংশ হিচাপে সমাজৰ কল্যাণ বৃদ্ধিত ইয়াৰ কর্তব্য আৰু দায়িত্বসমূহ সম্পাদন কৰিব লাগে।

২। **নীতিশাস্ত্ৰ সম্বন্ধীয় বিচাৰ্য বিষয়সমূহ ঃ** যিহেতু ৰাজনৈতিক, আইন-সংক্ৰান্ত, অৰ্থনৈতিক আৰু সাংস্কৃতিক আদৰ্শসমূহ জাতিভেদে অমিল হয়, বিভিন্ন নীতি শাস্ত্ৰ সম্বন্ধীয় বিচাৰ্য বিষয়সমূহো সিহঁতৰ সৈতে উদ্ভূত হয়। ব্যৱসায়ৰ সৈতে সত্যতা এক অতি জটিল, বিতৰ্কমূলক আৰু হতবুদ্ধিকৰ বিচাৰ্য বিষয় হ'ব আন বিষয়বোৰৰ ভিতৰত, অমিল নীতিশাস্ত্ৰ সম্বন্ধীয় আদৰ্শসমূহ আৰু সামাজিক মূল্যসমূহৰ বাবে। বহু জাতিৰ পৰিচালকসকলে এই অমিল পাৰ্থক্যসমূহৰ বিষয়ত প্ৰতিক্ৰিয়াশীল হৈ থকাটো প্ৰয়োজন আৰু সেই অনুসৰি নীতিশাস্ত্ৰসম্বন্ধীয় কাৰ্য বাছি লোৱা যোগ্য হ'ব লাগে।

আন্তৰ্জাতিক বেহা-বেপাৰৰ কৰ্মক্ষেত্ৰত আমি নীতিশাস্ত্ৰ সম্বন্ধীয় বিচাৰ্য বিষয়সমূহ দুটা স্তৰত বিবেচনা কৰিব পাৰোঁ— বেহা-বেপাৰ কৰা জাতিসমূহৰ নৈতিক সততা সমূহ আৰু বেহা-বেপাৰ কৰা প্ৰতিষ্ঠানসমূহৰ নৈতিক সত্যতাসমূহ।

(ক) **ব্যৱসায়িক নৈতিক সত্যতাসমূহ আৰু বেহা-বেপাৰ কৰা জাতিসমূহ ঃ** এইটো অনুভৱ কৰা হয় যে উন্নত জাতিসমূহে বিশেষকৈ আন্তৰ্জাতিক বেহা-বেপাৰত বহুতো অনৈতিক অভ্যাস তথা নীতি অৱলম্বন কৰে। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 1988 চনৰ Omibus Trade and Competiveness Actৰ কিছুমান ধাৰা যেনে- Super 301 আৰু Special 301 অতি বিতৰ্কমূলক হৈ পৰিছে, কাৰণ অন্যান্য দেশসমূহৰ বিপৰীতে আৰ্থিক প্ৰতিহিংসাৰ বাবে ইহঁতক ব্যৱহাৰ কৰা ধৰণত পৰে। এই আইনখনৰ উক্ত ধাৰণাসমূহৰ প্ৰকাশ্য স্বীকৃত উদ্দেশ্যসমূহ হৈছে বজাৰ মুকলিকৰণৰ দ্বাৰা গোলকীয় বেহা-বেপাৰ বিস্তৃত কৰা। ই হৈছে অন্যান্য বজাৰ অভিগমনৰ কুশলী পৰিচালনাৰ এটা অংশ। আন কথাত ক'বলৈ গ'লে সিহঁতে বেহা-বেপাৰ প্ৰতিহিংসাৰ দ্বাৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিদ্বন্দ্বিতা উন্নত কৰিবলৈ লক্ষ্য স্থিৰ কৰে। আইনখখনৰ ৩০ ধাৰাই আমেৰিকা যুক্তৰাষ্ট্ৰ চৰকাৰে ল'বলগীয়া পদক্ষেপসমূহ ব্যৱস্থা কৰে যদি ই ব্যৱসায়িক অংশীদাৰৰ অন্যায় মংগল বা অযুক্তিকৰ বা পক্ষপাতমূলক আচৰণৰ দ্বাৰা যুক্তৰাষ্ট্ৰৰ ব্যৱসায়িক স্বাৰ্থলৈ এক ভীতি প্ৰদৰ্শন প্ৰত্যক্ষ কৰে।

প্ৰধান অভিযোগসমূহ হৈছে যে ধাৰা ৩০ক কৃতকাৰ্য ব্যৱসায়িক প্ৰতিদ্বন্দ্বীসমূহক অৱনমিত কৰিবৰ বাবে ব্যৱহাৰ কৰা আৰু সেইবোৰ দেশ যিবোৰে যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু আৰ্থিক বিৰোধিতা নকৰে। উদাহৰণস্বৰূপে, এইটো অভিযোগ কৰা হয় যে, পৰ্যবেক্ষণ তালিকাত দীৰ্ঘ অতীতত ভাৰতবৰ্ষ আৰু ব্ৰাজিলক সামৰি লোৱা বাবে প্ৰধান বিৰক্তি উদ্ভৱ হৈছে। এই ধাৰাৰ অধীনত যুক্তৰাষ্ট্ৰ আৰু আন উন্নত দেশসমূহৰ স্থিতি বিৰোধিতা কৰি উন্নয়নশীল দেশসমূহ তুলি ধৰিবৰ বাবে Uruguay Round-ত প্ৰবল স্থিতি হিচাপে লৈছিল।

যুক্তৰাষ্ট্ৰৰ কুঠাৰখন জাপান আৰু যুক্তৰাষ্ট্ৰৰ মুখ্য ৰপ্তানি বজাৰ (ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহ সহ) থকা দেশসমূহৰ দৰে যুক্তৰাষ্ট্ৰৰ সৈতে প্ৰচুৰ ৰাহি থকা দেশসমূহৰ বিপৰীতে নিৰ্দেশ কৰে। এইটো বিদ্ৰূপাত্মক যে যেতিয়া উন্নত দেশসমূহে উন্নয়নশীল দেশসমূহক তেওঁলোকৰ অৰ্থনীতি বেছিকৈ মুকলি কৰিবলৈ বিচাৰে, তেতিয়া তেওঁলোকৰ নিজা অৰ্থনীতিৰ আহত খণ্ডৰ, যেনে-কৃষি আৰু উৎপাদন ব্যৱস্থাত শ্ৰমিকৰ অনুপাত বেছি, প্ৰতিৰক্ষা বৃদ্ধি কৰিবলৈ

অধিক আগ্ৰহী হয়। উন্নত দেশসমূহৰ বেহা-বেপাৰ শাসন-প্ৰণালী উন্নয়নশীল দেশসমূহৰ বিপৰীতে অধিক পক্ষপাতপূৰ্ণ হয়।

উন্নত দেশসমূহে তেওঁলোকৰ প্ৰবল ক্ষমতা থকা বিশ্ব বেহা-বেপাৰ সংগঠন (WTO), আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ (IMF), বিশ্ব বেংক (World Bank) আদিৰ দৰে আন্তৰ্জাতিক সংগঠনসমূহ ব্যৱহাৰ কৰি উন্নয়নশীল দেশসমূহৰ ক্ষতি বা অনিষ্ট সাধন কৰি তেওঁলোকৰ ন্যস্ত স্বাৰ্থ সিদ্ধি কৰিবলৈ আঁচনি লোৱা আৰু সিদ্ধান্তসমূহৰ স্থিৰ সিদ্ধান্ত লোৱাটো অনৈতিক হিচাপে বিবেচনা কৰা হয়।

(খ) **ব্যৱসায়িক নৈতিক সত্যতাসমূহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ঃ** আন্তৰ্জাতিক ব্যৱসায়ত নিযুক্ত থকা প্ৰতিষ্ঠানে অনৈতিক অনুশীলন অৱলম্বন কৰা বহু সংখ্যক উদাহৰণ আছে। এজন আন্তৰ্জাতিক বজাৰ কৰোঁতাই প্ৰায়ে সন্মুখীন হয় যে নীতিশাস্ত্ৰৰ আদৰ্শ দেশভেদে বেলেগ বেলেগ হয়। যিটো নীতিশাস্ত্ৰ সম্বন্ধীয় বিষয় ভুল বা এটা জাতিৰ বাবে নিন্দা কৰা হয় সেইটো আন এটাৰ ক্ষেত্ৰত নিন্দা কৰা নহয়। উৎকোচ তথা ভেঁটি প্ৰদান কৰা বা গ্ৰহণ কৰা, প্ৰতিশোধ লোৱা বা পদাঘাত কৰা আদি বহু দেশৰ ব্যৱসায়ত গতানুগতিক বুলি ধৰে। তথাপি, ইয়াৰ বিস্তৃতি আৰু তীব্ৰতা দেশভেদে ভিন্ন হয়। কিছুমান দেশত ইয়াক চৰকাৰী বিষয়াসকলৰ আৰু আন কৰ্মচাৰীসকলৰ ক্ষেত্ৰত গতানুগতিক অভ্যাস হিচাপে গণ্য কৰা হয়। এনে অভ্যাসৰ লগত জড়িত আইনো দেশসমূহৰ ভিতৰত ভিন্ন হয়।

কিছুমান দেশৰ আইন অনুসৰি দেশৰ ভিতৰত উৎকোচ দিয়াটো বে-আইনী হয়। ব্যৱসায় সংগ্ৰহ কৰিবৰ বাবে বা চলাই নিবৰ বাবে বৈদেশীক বজাৰত দেশীয় প্ৰতিষ্ঠানসমূহে উৎকোচ দিয়াটো বে-আইনী নহয় বুলি বিবেচনা কৰা হয়, কিয়নো কিছুমান বজাৰত উৎকোচ দিয়াটো অপৰিহাৰ্য বুলি অনুভৱ কৰা হয়।

আন এটা বিচাৰ্য বিষয় হৈছে ক্ষতিকৰ প্ৰভাৱৰ বাবে কিছুমান দেশত নিষিদ্ধ কৰা দ্ৰব্য আন দেশত (প্ৰায়ে উন্নয়নশীল দেশত) বিক্ৰী কৰাটো নীতিশাস্ত্ৰ সম্বন্ধীয় উচিত হয় নে নহয় এটা বিচাৰ্য বিষয় যে যদি এখন দেশৰ চৰকাৰে তেনে দ্ৰব্যৰ বজাৰকৰণত অনুমতি দিয়ে বা তেওঁলোকে তেনে উৎপাদিত দ্ৰব্য নিজৰ ফালৰপৰা বিক্ৰী কৰা ত্যাগ কৰাটো উচিত হ'ব নে নহয়।

৩। শ্ৰমিকৰ বিচাৰ্য বিষয়সমূহ ঃ উন্নয়নশীল দেশসমূহৰ সৈতে ব্যৱসায় কৰা সম্পৰ্কত উন্নত দেশসমূহৰ এটা গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয় হৈছে শ্ৰমিক আৰু শিশুসকলক কৰা বেয়া ব্যৱহাৰ।

উন্নত দেশসমূহৰ জনসাধাৰণে উন্নয়নশীল দেশসমূহৰ পৰা ৰপ্তানিৰ বাবে প্ৰস্তুত কৰা দ্ৰব্যত ব্যৱহাৰ কৰা শিশু শ্ৰমিক বিষয়ত বিস্তৃতভাৱে সমালোচনাকৰে। উন্নয়নশীল দেশসমূহতো ইয়াৰ বিপক্ষে আপত্তি কৰিছে। উদাহৰণস্বৰূপে, এইটো কৰা হয় যে ভাৰতবৰ্ষ আৰু আন কিছুমান দেশত দলিচা প্ৰস্তুত শিল্পত শিশু শ্ৰমিক ব্যৱহাৰ কৰা হয়। উন্নত জাতিসমূহৰ সামাজিক সক্ৰিয় অংশগ্ৰহণকাৰীসকলে শিশু শ্ৰমিক নিয়োগ কৰি প্ৰস্তুত কৰা পণ্য দ্ৰব্যৰ আমদানিৰ ওপৰত নিষেধাজ্ঞা দাবী কৰিছে। তেনে দ্ৰব্যসমূহ বৰ্জন কৰিবলৈ গ্ৰাহকসকলক আহ্বান কৰা হয়।

একে ধৰণৰ আন এটা বিচাৰ্য বিষয় হৈছে সামান্য বেতনত পৰিশ্ৰম কৰা শ্ৰমিক (Sweet labour)। অমানৱীয় তথা অস্বাস্থ্যকৰ কাম কৰা পৰিৱেশত ন্যায্য মজুৰী নোপোৱা শ্ৰমিকৰ দ্বাৰা পণ্য দ্ৰব্য প্ৰস্তুত কৰাটো নিষেধ তথা বৰ্জন কৰিব লাগে। কিছুমান গুৰুত্বপূৰ্ণ উন্নয়নশীল দেশে ৰপ্তানি কৰা সাজ-পোছাকৰ নিচিনা বস্তু এনে সমস্যাৰপৰা ভুক্তভোগী হ'ব বুলি অভিযোগ কৰা হয়।

কিছুমান বহুজাতিক প্ৰতিষ্ঠানক কম বেতনৰ শ্ৰমিকৰপৰা সুবিধা পোৱা উন্নয়নশীল দেশসমূহৰ পৰা Outsourcing দ্ৰব্যৰ বাবে সমালোচনা কৰা হয়।

বহুতো ৰপ্তানি প্ৰক্ৰিয়াকৃত মণ্ডলৰ ভুল-ত্ৰুটিৰ বাবে দুখ প্ৰকাশযোগ্য বৈশিষ্ট্য হৈছে যে পুৰুষ আৰু মহিলা শ্ৰমিক দুয়োটাকে কম মজুৰীত আৰু নিম্ন কৌশলী কামৰ বাবে নিয়োগ কৰা হয়। শ্ৰমিকৰ সম্বন্ধ স্থাপন আৰু মানৱ সম্পদ বিভাগহৈছে মণ্ডল কাম-কাজৰ দুটা অতি সমস্যাপূৰ্ণ দিশ থাকে। নূন্যতম মানৰ সঘন অনুপস্থিতি আৰু নিম্নমানৰ শ্ৰমিক পৰিচালনা সম্বন্ধৰ ভৱিষ্যবানী কৰিব পৰা পৰিণাম আছে, যেনে-উচ্চ শ্ৰমিক আৱৰ্তন, অনুপস্থিতি, নিষ্পেষণ আৰু ভাগৰ, নিম্ন মানৰ উৎপাদনশীলতা, কেঁচা সামগ্ৰীৰ অত্যাধিক পৰিমাণৰ অপচয় আৰু শ্ৰমিক বিক্ষোভ আদি যিবোৰ সাধাৰণতে হয়।

আন এটা গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয় হৈছে শ্ৰমিক সংঘৰ অধিকাৰ। শ্ৰমিক সংঘ অধিকাৰৰ অবিহনে কিছুমান দেশত তেওঁলোকক ব্যয় সুবিধা প্ৰদান কৰা হয় আৰু এইটো দেখা যায় বহুজাতি প্ৰতিষ্ঠানসমূহে এই সুবিধা গ্ৰহণ কৰে।

৪। পৰিৱেশ সম্বন্ধীয় বিচাৰ্য বিষয়সমূহ ঃ আৰ্থিক ক্ৰমোন্নতিৰ আৰ্হি আৰু পৰিৱেশ-সম্বন্ধীয় সমস্যাসমূহৰ সৈতে নিশ্চিন্দ্ৰ সম্বন্ধ আছে। কিছুমান আৰ্হিৰ আৰ্থিক কাম-কাজসমূহৰ বেগ বৃদ্ধিৰ দ্বাৰা গোলকীকৰণে প্ৰাকৃতিক সম্পদসমূহৰ অসাধু শোষণ কৰিছে আৰু বাস্তুসংস্থানভাৱে শত্ৰুভাবাপন্ন প্ৰযুক্তিবিদ্যা আৰু ক্ৰিয়া প্ৰণালী ব্যৱহাৰ কৰি সমস্যা অতি গুৰুতৰ কৰিছে।

অৰ্থনৈতিক ক্ৰমোন্নতিৰ সৈতে বাস্তুসংস্থান ক্ষতিৰ গতি সহযোগী হৈ আমাক ক'ব বিচাৰে যে যদি বৰ্তমানৰ ধৰণৰ ক্ৰমোন্নতি দীৰ্ঘকালৰ বাবে অনুসৰণ কৰা হয় তেতিয়া আৰ্থিক ক্ৰমোন্নতি আপোনা-আপুনি ব্যৰ্থ হ'ব কিন্তু স্ব-সমৰ্থন নহ'ব, যিহেতু বিনাশৰ কঠিয়ানিজে নিজে ক্ৰমোন্নতিৰ প্ৰক্ৰিয়াত বিদ্যমান হৈ আছে। বাস্তব্য সন্তুলনৰ ধ্বংস দ্ৰুত ক্ৰমোন্নতিৰ এক আনুষংগিক তথা সহবিদ্যামান হয়। পৰিৱেশিক সমস্যাসমূহ শিল্পায়ন, নগৰীকৰণ আধুনিক প্ৰদূষণ আসক্ত প্ৰযুক্তিবিদ্যাৰ সৈতে কৃষি সম্বন্ধীয় কাম-কাজসমূহৰ প্ৰচণ্ডতা স্তৰ সমূহৰ বৃদ্ধিৰ সৈতে অধিক গভীৰ হয়।

প্ৰদূষণ বিস্ফোৰণ আৰু আধুনিক প্ৰযুক্তিবিদ্যাই বাস্তুব্য সন্তুলন ওলট-পালটকৰে। আৰ্থিক ক্ৰমোন্নতিৰ প্ৰক্ৰিয়াই দুমুখীয়া অস্ত্ৰ হিচাপে কাম কৰে। এক মুখেৰে মানবীয় সমৃদ্ধিৰ পথ খুলি দিয়ে। কিন্তু একে সময়তে আনটো মুখেদি ই ভৱিষ্যতে সমৃদ্ধি ব্যাহত কৰে। আধুনিক শিল্প সম্বন্ধীয় প্ৰযুক্তিবিদ্যাই ইয়াৰ পৰিৱেশ ধ্বংসকৰণৰ দ্বাৰা মানৱৰ কল্যাণ বৃদ্ধি কৰে। কৃষি

ৰসায়নসমূহে যি কৃষি বিপ্লৱত সহায় কৰে ই খাদ্য শস্যসমূহ বিষাক্ত কৰাৰ উপৰিও মাটি আৰু পানীৰ প্ৰদূষণ, ভূমিৰ মৌলিক তথা সহজাত উৎপাদিকা সামৰ্থ হ্ৰাস কৰে।

শিল্পসমূহ আৰু আন উৎসৰ দ্বাৰা পানী দূষিত কৰি মৎস, সম্পদৰ ধ্বংস সাধন কৰে। ফলস্বৰূপে হাজাৰ হাজাৰ দুখীয়া মাছমৰীয়াসকলৰ দৈনিক জীৱিকা নোহোৱা হৈছে। জল আৰু বায়ু প্ৰদুষণে শস্য বিনষ্ট কৰাটো তীব্ৰ হয়।

পৰিৱেশ সম্বন্ধীয় প্ৰদূষণ প্ৰায়বোৰ ৰোগৰ মূল কাৰণ হিচাপে বিবেচনা কৰা হয়। যদি জীৱনৰ ক্ষতি, চিকিৎসা আৰু জনস্বাস্থ্যৰ খৰচসমূহ, ৰুগ্নস্বাস্থ্যৰ বাবে উৎপাদন আৰু উৎপাদনশীলতাৰ ক্ষতি আৰু আন আন প্ৰদূষণৰ দ্বাৰা সৃষ্টি হোৱা সহযোগী সমস্যাসহ মানুহৰ স্বাস্থ্য আৰু জীৱনৰ ব্যয়ৰ ওপৰত প্ৰদূষণৰ বাস্তৱসন্মত পূৰ্বানুমান কৰা হয় তেনেহ'লে প্ৰাপ্ত সংখ্যাটোৱে স্তম্ভিত কৰিব।

আৰ্থিক সমৃদ্ধি প্ৰদূষণ প্ৰায়বোৰ বিনাশৰ মাজৰ এটা সম্বন্ধ হৈছে যে প্ৰতিবেদনত উন্নত ধৰণেৰে প্ৰকাশ হয় যে সমৃদ্ধ সমাজ প্ৰবাহমান সমাজ হ'ব। গামোচা, ৰুমাল, ফিৰৎ দিবলগীয়া পাত্ৰ, টেমা, পুতলা, প্লাষ্টিক টোপোলা পিঠা-পনা থোৱা টিন আদিয়ে কঠিন বস্তু ব্যৱস্থাপনাত তথা নিষ্পত্তিত সমস্যাৰ সৃষ্টি কৰে। বহুতো উন্নয়নশীল দেশত সিহঁতৰ এই সমস্যাসমূহ নিষ্পত্তি কৰিবৰ বাবে কাৰ্যকৰী সক্ৰিয় ব্যৱস্থা নাই। আৰু ই বাস্ত সংস্থানলৈ এক আতি গুৰুতৰ ক্ষতিৰ সৃষ্টি কৰে আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে বিপদজনক ভিত্তি প্ৰদৰ্শন কৰি বিহ্বল কৰে।

গোলকীকৰণে এই সমস্যাসমূহ বৃদ্ধি কৰে, কিয়নো পৰিৱেশ বিষয়ে সজাগ নোহোৱা সমাজ সমূহত তেনে পেলনীয়া বস্তুজাত দ্ৰব্যৰ উপভোগ বাচ-বিচাৰহীনভাৱে বৃদ্ধি হৈছে।

পৰিৱেশ হানিকৰণৰ সমস্যাই সেয়ে অধিক গুৰুতৰ অনুপাত ধাৰণ কৰিছে।

৫। ৰাজনৈতিক বিচাৰ্য বিষয়সমূহ ঃ দেশসমূহৰ ৰাজনৈতিক পৰিৱেশ আন্তৰ্জাতিক বজাৰৰ বাবে এক চৰম সংকটপূৰ্ণ বিষয়। আন্তৰ্জাতিক আইনে বিদেশৰ প্ৰতিষ্ঠানে আচৰণ কৰাত এটা জাতিক অনুমতি দিয়া বা অগ্ৰাহ্য কৰা সাৰ্বভৌম স্বত্বৰ স্বীকৃতি দিয়ে।

নিম্নলিখিতসমূহ হৈছে আন্তৰ্জাতিক ব্যৱসায়ত প্ৰভাৱ পেলোৱা ৰাজনৈতিক কাৰকসমূহ।

(ক) ৰাজনৈতিক আৰু আইন সংক্ৰান্ত পাৰ্থক্যসমূহ ঃ বৈদেশিক বজাৰৰ ৰাজনৈতিক আৰু আইন সংক্ৰান্ত পৰিৱেশ ঘৰুৱা বজাৰৰপৰা পৃথক হয়। জটিলতা সাধাৰণতে বৃদ্ধি হয় যেতিয়া কোম্পানীৰ ব্যৱসায় বৃদ্ধি হয়।

(খ) ৰাজনৈতিক আৰু আইন সংক্ৰান্ত ক্ষমতাসমূহ ঃ গোলকীয় ব্যৱসায় প্ৰতিষ্ঠানৰ বাবে অতি গুৰুত্বপূৰ্ণ বিবেচনাসমূহ হৈছে যি দেশসমূহত তেওঁলোকে ব্যৱসায় চলাবলৈ পৰিকল্পনা কৰিবলৈ বিচাৰে তাত প্ৰচলিত হৈ থকা ৰাজনৈতিক আৰু আইনসংক্ৰান্ত ক্ষমতাসমূহ। কিছুমান বিদেশৰ চৰকাৰ সু-প্ৰতিষ্ঠিত নহয়, অৰ্থাৎ তাত সঘনাই নাটকীয়ভাৱে আৰু ভৱিষ্যদ্বাণী কৰিব নোৱাৰা ভাৱে চৰকাৰ সলনি হৈ থাকে। যেতিয়া এইবোৰ ঘটে তেতিয়া শিল্পসমূহ জাতীয়কৰণ কৰিব পাৰে, ব্যক্তিগত সম্পত্তিসমূহ বাজেয়াপ্ত বা বিনষ্ট কৰিব পাৰে, স্বাভাৱিক ব্যৱসায়ৰ কাম-কাজসমূহ সাময়িকভাৱে

স্থগিত ৰাখিব পাৰে, শ্ৰমিকসকল ধৰ্মঘটৰ বাবে যাব পাৰে।

(গ) **বেহা-বেপাৰ আৰু বিনিয়োগত বাধা ঃ** এটা চৰকাৰে মুক্ত আন্তৰ্জাতিক পণ্যদ্ৰব্য বা সেৱাসমূহৰ বিনিয়মৰ ওপৰত বাধা আৰোপ কৰিব পাৰে। বেহা-বেপাৰৰ প্ৰতিবন্ধক সাধাৰণতে নিম্নলিখিত ধৰণেৰে শ্ৰেণী বিভাগ কৰা হয়।


- আমদানি শুল্ক আৰু অন্যান্য আমদানি ধাৰ্যসমূহ, নিৰ্দিষ্ট নিৰ্ধাৰিত অংশ, আমদানি অনুজ্ঞাপত্ৰ প্ৰদান, বাণিজ্য শুল্কৰ অনুশীলনসমূহ প্ৰতিফলিত কৰা আমদানি কৰ্মপন্থা।
- মানসমূহ, যোগ্যতা পৰীক্ষা, লেবেল মৰা আৰু বিভিন্ন ধৰণৰ প্ৰশংসা পত্ৰ দিয়া।
- লেখস্বত্ব সংৰক্ষণৰ অভাৱ।
- কোনো বিশেষ অঞ্চলত কোনো উৎপাদক প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্যাদি বিক্ৰয় বা বিতৰণৰ আনুষ্ঠানিক অনুমতি প্ৰদান (franchising), অনুজ্ঞাপত্ৰ, প্ৰযুক্তিবিদ্যা স্থানান্তৰত বাধা।
- বৈদেশিক প্ৰত্যক্ষ বিনিয়োগত সীমাবদ্ধকৰণ তথা বাধা, ইত্যাদি।

(ঘ) **দমন কৰা বাহিনী তথা বলসমূহ ঃ** গোলকীকৰণত গতিৰোধ কৰা কাৰকসমূহ হৈছে—

- **বাহ্যিক ঃ** বৈদেশীৰ ব্যৱসায়ৰ বিপৰীতে সীমা পাৰ কৰি কৰা ব্যৱসায়, সামাজিক আৰু ৰাজনৈতিক বিৰুদ্ধাচৰণ ইত্যাদি বন্ধ কৰা চৰকাৰৰ কৰ্মপন্থা আৰু নিয়ন্ত্ৰণ সামৰি লয়।
- **আভ্যন্তৰীণ ঃ** সংগঠনৰ আভ্যন্তৰীণ কাৰকসমূহ।

(ঙ) **চৰকাৰৰ কৰ্মপন্থা আৰু প্ৰবিধান ঃ** চৰকাৰৰ কৰ্মপন্থা আৰু প্ৰবিধান তথা আইনে আন্তৰ্জাতিককৰণত প্ৰেৰণা যোগায়। বহুতো চৰকাৰে ঘৰুৱা কোম্পানীসমূহক ৰপ্তানি আৰু বিদেশত বিনিয়োগ কৰিবলৈ বিভিন্ন সংখ্যক উদ্দীপনা আৰু অন্যান্য ধনাত্মক পৃষ্ঠপোষণ আগবঢ়ায়। বহুতো দেশে আমদানিৰ উন্নয়ন আৰু বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত বহুতো গুৰুত্ব দিছে। কিছুমান কোম্পানীয়ে উন্নত দেশসমূহৰ পৰিৱেশিক আইনসমূহৰ দৰে কিছুমান আইনৰ বাবে বিদেশলৈ অগ্ৰগমন কৰে। নিজৰ দেশত ব্যৱসায়ৰ কাৰ্যক্ষেত্ৰত সীমাবদ্ধ অনা চৰকাৰী কৰ্মপন্থাই কোম্পানীসমূহক আন দেশলৈ গতি কৰাত প্ৰৰোচিত কৰে।

(চ) **ৰাজনৈতিক পৰিৱেশ ঃ** ৰাজনৈতিক দলসমূহৰ বৈশিষ্ট্য আৰু কৰ্মপন্থাসমূহ সংবিধান আৰু চৰকাৰী প্ৰণালীৰ প্ৰকৃতি আৰু পৰিৱেশসমূহ আৰ্থিক ব্যৱসায় কৰ্মপন্থাই ৰাজনৈতিক পৰিৱেশ পৰিবেষ্টন কৰে। অতি গুৰুত্বপূৰ্ণ কৰ্মপন্থাসমূহ হৈছে— শিল্প সম্বন্ধীয় কৰ্মপন্থা, বৈদেশীক বাণিজ্যৰ কৰ্মপন্থা, ৰাজকোষ সংক্ৰান্ত কৰ্মপন্থা ইত্যাদি।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ঃ আন্তৰ্জাতিক ব্যৱসায় কি?

.....

.....

প্ৰশ্ন ২ঃ আন্তৰ্জাতিক ব্যৱসায়ৰ কিছুমান বিচাৰ্য বিষয় উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৩ঃকোম্পানীৰ সামাজিক দায়বদ্ধতা (CSR) বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ৪ঃ আন্তৰ্জাতিক ব্যৱসায়ত প্ৰভাৱ পেলোৱা ৰাজনৈতিক কাৰকসমূহ উল্লেখ কৰক।

.....

.....

১৫.৪ Outsourcing আৰু ভাৰতৰ বাবে ইয়াৰ সম্ভাৱনা

১৫.৪.১ Outsourcing ৰ অৰ্থ (Meaning of Outsourcing)

Outsourcing হৈছে এক প্ৰক্ৰিয়া য'ত কোম্পানীসমূহে তেওঁলোকৰ ব্যৱসায়িক কাম-কাজসমূহৰ প্ৰক্ৰিয়াসমূহ বাহিৰৰ বিক্ৰেতালৈ বিশ্বাসেৰে অৰ্পন কৰে। ই হৈছে এক ব্যৱসায়িক অনুশীলন য'ত এটা কোম্পানীয়ে আন এটা কোম্পানী ভাড়া কৰে বা এজন ব্যক্তিয়ে কামসমূহ সম্পাদন কৰে, কৰ্মসমূহ পৰিচালনা কৰে বা সেৱাসমূহ যোগান ধৰে যিখিনি পূৰ্বতে সাধাৰণভাৱে সম্পন্ন কৰা হৈছিল বা আগতে কোম্পানীৰ নিজৰ কৰ্মচাৰীৰ দ্বাৰা সম্পন্ন কৰা হৈছিল। বাহিৰৰ কোম্পানীটোৱে, যাক সেৱা সৰবৰাহকাৰী বা এটা তৃতীয় পক্ষ সৰবৰাহকাৰী হিচাপে জনা যায়, কাম বা সেৱা সম্পাদন কৰিবৰ বাবে ভাড়া কৰা কোম্পানীৰ নিজৰ সুবিধা থকা নিৰ্দিষ্ট ঠাইত বা বাহিৰৰ অৱস্থানত ইয়াৰ নিজৰ শ্ৰমিকৰ বা পৰিগণক (Computer) প্ৰণালীৰ বাবে সুবিন্যস্ত কৰে।

আজিকালি কোম্পানীসমূহে বিভিন্ন কৰণীয় কাম বা সেৱাসমূহৰ বাবে Outsourcing কৰিব পাৰে। তেওঁলোকে প্ৰায়ে কাৰ্যসূচী আৰু প্ৰয়োগিক উন্নতি আৰু প্ৰয়োগিক বিদ্যাৰ সমৰ্থনসহ তথ্য প্ৰযুক্তিবিদ্যাৰ সেৱা Outsource কৰে। গ্ৰাহক সেৱা আৰু তলৰ সেৱা কাৰ্য তেওঁলোকে সঘনাই Outsource কৰে। তেওঁলোকে আন আৰ্হিৰ কামৰ লগতে প্ৰস্তুত প্ৰক্ৰিয়া, মানৱ সম্পদ আৰু বিত্তীয় কামসমূহ যেনে

হিচাপৰ ক্ষণ আৰু মজুৰীসূচীসহ Outsource কৰিব পাৰে। কোম্পানীসমূহে গোটেই বিভাগ যেনে ইয়াৰ গোটেই তথ্য প্ৰযুক্তিবিদ্যা বিভাগ বা এটা বিশেষ বিভাগৰ কৰিব পাৰে। সাধাৰণতে কোম্পানীসমূহে তেওঁলোকৰ ব্যৱসায়ৰ সাৰ নোহোৱা কামসূহ Outsource কৰে। তলৰ কেন্দ্ৰৰ সেৱাসমূহ, দৰমহাসূচী, সংৰক্ষণ, ফৰমাচ আৰু মজুত সামগ্ৰীৰ পৰিচালনা, ইত্যাদি বৈশিষ্ট্যমূলক কামৰ ধৰণ যিবোৰ Outsource কৰা হয়।

১৫.৪.২ Outsource ৰ আৰ্হিসমূহ

(ক) দেশৰ ভিতৰতে পটভূমিৰ সন্নিহিত Outsourcing ঃ ই এখন দেশৰ ভিতৰতে কোম্পানীৰ বাহিৰৰ কোনো ব্যক্তিৰ পৰা সেৱাসমূহ সংগ্ৰহ কৰা বুজায়।

(খ) বিদেশৰপৰা Outsourcing ঃ ই বিদেশৰপৰা সেৱাসমূহ সংগ্ৰহ কৰা বুজায়।

১৫.৪.৩ ভাৰতবৰ্ষলৈ Outsource কৰাৰ যুক্তি

গোটেই পৃথিৱীজুৰি বিভিন্ন দেশসমূহলৈ Outsourcing কৰা সেৱা আৰু সমাধানসমূহ সৰবৰাহ কৰাত ভাৰত আগৰণুৱা হয়। ভাৰতবৰ্ষত বিস্তৃত বিশেষ কৰ্মদক্ষতাসম্পন্ন ব্যক্তিবৰ্গ আছে আৰু ই বিভিন্ন কাৰ্যালয়ৰ কাম সমূহ Outsource কৰা পৃথিৱীৰ কোম্পানীসমূহৰ বাবে অতিকে বিচাৰি থকা গন্তব্যস্থল হিচাপে পৰিগণিত হৈছে। লাহে লাহে ই ব্যৱসায় প্ৰক্ৰিয়া Outsourcing (BPO) খণ্ডত পৃথিৱীৰ এক পথ প্ৰদৰ্শক হিচাপে পৰিগণিত হৈছে আৰু ভাৰতবৰ্ষৰ জ্ঞানভিত্তিক সেৱাসমূহৰ অতিৰিক্ত কামৰ সৈতে ই জ্ঞানৰ প্ৰক্ৰিয়াসমূহ Outsourcingৰ বাবে নতুন লভিকেন্দ্ৰ হিচাপে উপস্থাপিত হৈছে। BPO খণ্ডৰ কৃতকাৰ্য Off-shoringএ ভাৰতবৰ্ষৰ জ্ঞান প্ৰক্ৰিয়া Outsourcing (KPO) খণ্ডৰ ক্ৰমোন্নতি অৰিহনা যোগায়।

Outsourcing এ ৰপ্তানি উন্নতি সাধনত সহায়, জাতীয় আয় বৃদ্ধি, কৰ ৰাজহ বৃদ্ধি, নিয়োগ সুবিধা সৃষ্টি আৰু আন্তঃগাঁঠনিৰ দৰে অন্যান্য জড়িত শিল্পসমূহৰ উন্নতিত সাহাৰ্য কৰে। Outsourcingৰ লাভকেন্দ্ৰ হিচাপে ভাৰতবৰ্ষক প্ৰতিষ্ঠিত কৰা বৈশিষ্ট্যসমূহ হ'ল ঃ

- পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষত বৃহৎ প্ৰয়োগিক বিজ্ঞান আৰু বৃত্তিধাৰী বিশেষ দক্ষতাৰ একীভৱন আছে। ভাৰতবৰ্ষ অপ্ৰতিদ্বন্দ্বী হৈ থাকে যেতিয়া ইয়াৰ নিপুন আৰু বিশেষ দক্ষতাৰ মানব সম্পদৰ একীভৱনত আহে। দেশখনত ১.২ বিলিয়ন মানুহৰ অধিক জনসংখ্যা আৰু প্ৰায় ৩.১ মিলিয়ন স্নাতক কৰ্মীবৃন্দৰ লগত প্ৰতি বছৰে যোগ কৰা হয়। ভাৰতবৰ্ষৰ বৈশিষ্ট্য আছে যে ইয়াত পৃথিৱীৰ ভিতৰত সৰ্বাধিক ইংৰাজী ভাষা কোৱা মানুহ আছে।

- ভাৰতবৰ্ষই নমনীয় মূল্য সম্বন্ধীয় পছন্দসমূহ অৰ্পন কৰে ঃ ভাৰতবৰ্ষ উচ্চ স্তৰৰ Outsourcing যোগান দিওঁতা হৈ আছে, কিয়নো ইয়াত কোম্পানীসমূহে গুৰুত্বপূৰ্ণ ব্যয় সঞ্চয় অৰ্জন কৰিব পাৰে। এইটো প্ৰধানকৈ হৈছে উন্নত দেশসমূহৰ আৰু ভাৰতবৰ্ষৰ ব্যক্তিগত ব্যয়ৰ মাজত থকা বিস্তৃত পাৰ্থক্যৰ বাবে।
- ভাৰতবৰ্ষই সামঞ্জস্যপূৰ্ণ উচ্চ গুণগত সেৱাৰ যোগান ধৰে যদিও ব্যয় কাৰকে Outsourcingত বৃহৎ ভূমিকা লয়, ভাৰতবৰ্ষৰ Outsourcing প্ৰতিষ্ঠানসমূহে অটলভাৱে যোগান ধৰা উচ্চ গুণমানে ভাৰতবৰ্ষক শীৰ্ষ Outsourcingৰ লক্ষ্যত অধিষ্ঠিত কৰি ৰাখিছে।
- ভাৰতবৰ্ষই সৰ্বোৎকৃষ্ট আন্তঃগাঁঠনি আৰু প্ৰযুক্তিক যোগ্যতাৰ বাবে গৰ্ব কৰিব পাৰে ঃ ভাৰতবৰ্ষত মেক্কেলসকলক শেহতীয়া আৰু পৰম্পৰাগত সমাধানৰ বিভিন্ন প্ৰয়োগসমূহ যেনে বৈদ্যুতিক বাণিজ্য (e-commerce), ব্যৱসায় প্ৰক্ৰিয়াৰ পুনৰ অভিযান্ত্ৰিক (BPR), প্ৰণালী প্ৰব্ৰজন আৰু তেনে বহুত আহিলাসহ সৰ্বোৎকৃষ্ট চালনা জ্ঞান (Software) প্ৰযুক্তিৰ যোগান ধৰা হয়। Outsourcing কৰা কোম্পানীসমূহে মোক্কেলৰ লগত অবাধ যোগাযোগ প্ৰণালী উপগ্ৰহ সংযোগৰ মাজেদি উচ্চ গতিৰ Bandwidth চাবমেৰিণ, তাঁৰবাৰ্তা আৰু Fibre optic networkৰ যোগানৰ দ্বাৰা প্ৰতিপালন কৰা হয়।
- ভাৰত চৰকাৰে অটলভাৱে অৱস্থিত আৰু আকৰ্ষণীয় তথ্য প্ৰযুক্তিবিদ্যাৰ কৰ্মপন্থা আগবঢ়ায় ঃ ভাৰতবৰ্ষৰ Outsourcing শিল্পক সুস্থিৰ তথ্য প্ৰযুক্তিবিদ্যাৰ সমৰ্থক চৰকাৰৰ দ্বাৰা সমৰ্থন কৰে যাৰ আৰ্থিক, মুঠ ঘৰুৱা উৎপাদিত দ্ৰব্য বৃদ্ধি, কৰাৰোপন, শক্তি, দূৰ সংসাৰ, শিল্প সম্বন্ধীয় প্ৰমোদ উদ্যান আৰু বিশেষ মণ্ডলসমূহৰ ওপৰৰ কাৰ্যপন্থাসমূহে আন্তঃগাঁঠনি আৰু যোগাযোগ প্ৰণালী উন্নয়নত সহায় কৰে। তথ্য প্ৰযুক্তিবিদ্যাক ভাৰতবৰ্ষৰ পাঁচটা উচ্চ অগ্ৰাধিকাৰ দিয়া শিল্পৰ ভিতৰত এটা শিল্প বুলি গণ্য কৰা হয় আৰু চৰকাৰে ভাৰতবৰ্ষলৈ Outsourcingৰ পৰা সৰ্বাধিক সুবিধা পাবৰ বাবে কৰ্মপন্থা প্ৰস্তুত কৰিছে। চৰকাৰে তেওঁলোকৰ তথ্য প্ৰযুক্তিবিদ্যালৈ আগবঢ়ওঁৱা সমৰ্থৰ চিনস্বৰূপে বিভিন্ন কৰৰ লগত জড়িত আৰু অন্যান্য সা-সুবিধা আগবঢ়াইছে আৰু তথ্য প্ৰযুক্তিবিদ্যা আইন প্ৰণয়ন কৰিছে।
- **ভাৰতীয় কোম্পানীসমূহে বজাৰকৰণৰ বাবে অতি কম সময় লয়** ঃ ভাৰতবৰ্ষৰ Outsourcingকোম্পানীসমূহে সময় মণ্ডলৰ পাৰ্থক্যৰ বাবে পোৱা লাভৰ সুবিধাৰ বাবে বজাৰলৈ অতি শীঘ্ৰে যোগান ধৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সংয়ৰ পাৰ্থক্য ১২ ঘণ্টা হোৱা বাবে কোম্পানীসমূহে আশা কৰাতকৈ আগতে কাম সম্পূৰ্ণ কৰিবৰ বাবে যথেষ্ট সুবিধা পাইছে, ফলত অধিক দক্ষতা, উৎপাদনশীলতা বৃদ্ধি আৰু অন্যান্য সমস্যাসমূহক কামসমূহৰ ওপৰত কেন্দ্ৰীভূত কৰাত বা পূৰ্ণ মনোযোগ দিয়াত অধিক সময় দিব পাৰে। সময় পাৰ্থক্যই

ভাৰতবৰ্ষক মোক্কেলৰ বাবে এটা আদৰ্শ পছন্দ দিয়ে যি বিভিন্ন সেৱাৰ লগত জড়িত পচন্দ যেনে 24x7 গ্ৰাহক সমৰ্থন আৰু সহায় আগবঢ়োৱা সেৱাসমূহ Outsource কৰিবলৈ ইচ্ছা কৰিব পাৰে।

- ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত এখন ক্ষীপ্ৰগতিত বৃদ্ধিশীল অৰ্থনীতি ঃ ভাৰতবৰ্ষই স্বাধীনতাৰ ১০ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰতবৰ্ষৰ সেৱাখণ্ডই ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদিত দ্ৰব্যৰ (GDP) 51% অৱিহণা যোগায়। এই খণ্ডৰ অধীনত চালনা জ্ঞানত (Software) পাৰ্গত ব্যক্তিসকলে 1990 বছৰটোৰ ভিতৰত বিস্ময়বাৰ 40-50% হাৰত বৃদ্ধি কৰিছে। আন্তঃগাঁঠনি খণ্ডক ব্যক্তিগতকৰণৰ দ্বাৰা অধিক সহায় কৰিছে। ISP (Internet Service Provider) অৰ্থাৎ চালনা জ্ঞান সেৱা যোগানিয়াৰ, দূৰসঞ্চাৰ, VSAT ছিদ্ৰবহুল (Cellular) আৰু জাল (Networking) খণ্ডসমূহ অধিক bondwidth অৰ্থাৎ বৰ্ণালীৰ তৰংগ দৈৰ্ঘ্যৰ ভিতৰত বাৰংবাৰতা বিন্যস্ত কৰা পৰ্যাপ্ততা বাবে সহধৰ্মী জাল (Congergent Network) সৃষ্টি কৰিবৰ বাবে একত্ৰীকৰণ কৰা হয়।

১৫.৪.৪ Outsourcing ৰ বৃদ্ধিশীল ক্ষেত্ৰসমূহ

জ্ঞান প্ৰক্ৰিয়া Outsourcing ঃ ক্ৰমবিকাশ আৰু কোম্পানীসমূহৰ পূৰ্ণপ্ৰাপ্ততাৰ সৈতে ব্যৱসায়সমূহ Outsourcingৰ উচ্চ শিখৰ প্ৰক্ৰিয়াসমূহ যেনে- আইন সংক্ৰান্ত প্ৰক্ৰিয়াসমূহ, বজাৰ গৱেষণা আৰু বিশ্লেষণ, কাৰিকৰী প্ৰক্ৰিয়াসমূহ, নক্সা আৰু প্ৰস্তুত দ্ৰব্যৰ উন্নয়নলৈ গতি কৰিছে। এনে উচ্চপ্ৰান্ত জ্ঞানৰ প্ৰচণ্ড কামৰ Off-shoringক জ্ঞান প্ৰক্ৰিয়া Outsourcing (KPO) বুলি আগবঢ়োৱা দিয়া হয়।

খণ্ডসহ বৰ্তমান বিভিন্ন ধৰণৰ আগবঢ়োৱা সেৱাসমূহ যেনে উন্নত গৱেষণা আৰু বিশ্লেষণ সংক্ৰান্তীয় সৈতে আৱোগ্যশালা পৰীক্ষা পৰিচালনা লৈ শিল্পটো শেষত সাবালক হয়। জনপ্ৰিয় KPO সেৱাসমূহে বিত্তীয় খণ্ডলৈ আগবঢ়োৱা সেৱাসমূহ (যেনে বীমা আৰু বীমা সংক্ৰান্ত হিচাপগত সেৱা, নিগমৰ বাকী আৰু অভিক্ষিপ্ত বিত্ত সেৱাসমূহ, সমাংশ গৱেষণা আৰু বিনিয়োগ বেংকিং), বৌদ্ধিক সম্পদ গৱেষণা, চিকিৎসা আৰু আইন সংক্ৰান্ত গৱেষণা আৰু জৈৱ প্ৰযুক্তিবিদ্যা আৰু ঔষধ প্ৰস্তুতবিদ্যা সামৰি লয়।

ভাৰতবৰ্ষৰ কিছুমান Outsourcingকৰা কোম্পানীসমূহ হৈছে HCL Technologies, L & T Infotect, Mind tree and Fatamatics Global Service।

এইদৰে ভাৰতবৰ্ষ তথ্য প্ৰযুক্তিবিদ্যাত, BPO আৰু কণ্ঠস্বৰত পৰম উৎকৃষ্টতাৰ সৈতে Outsourcing সেৱাসমূহৰ বাবে সৰ্বোৎকৃষ্ট গন্তব্যস্থল হৈ আছে। National Association of Software and Services Companies (NASCOM)ৰ অনুসৰি Outsourcing খণ্ডই বৰ্তমান এক মিলিয়ন জনসাধাৰণক নিযুক্তি দিছে আৰু ই

ভাৰতবৰ্ষৰ মুঠ ৰপ্তানিৰ ২৫% প্ৰতিনিধিত্ব কৰিছে। তথ্য প্ৰযুক্তিবিদ্যা সেৱাখণ্ডই BPOৰ ৰপ্তানি কৰা পিছতে এই শিল্পৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে।

সেয়ে কেন্দ্ৰীয় স্তৰত তথ্য প্ৰযুক্তিবিদ্যা বিভাগ, যোগাযোগ আৰু তথ্য প্ৰযুক্তিবিদ্যা মন্ত্ৰালয় Outsourcing আৰু তথ্য প্ৰযুক্তিবিদ্যা শিল্পৰ সৰ্বসমতে উন্নয়নৰ বাবে দায়ী থাকে। ভাৰতবৰ্ষক পৃথিৱীৰ তথ্য প্ৰযুক্তিবিদ্যাৰ অত্যন্ত শক্তিশালী জাতি বনোৱাৰ লক্ষ্যলৈ তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত বিধিসন্মতকৰণ, সম্পাদনকৰণ আৰু জাতীয় কৰ্মপন্থাসমূহৰ পুনৰীক্ষণ কৰাৰ বাবে উক্ত বিভাগ আৰু মন্ত্ৰালয় দায়ী থাকে। ৰাজ্যিক/কেন্দ্ৰীয় শাসিত অঞ্চল স্তৰত তথ্যপ্ৰযুক্তিবিদ্যা আৰু Outsourcing খণ্ডৰ লগত জড়িত বিষয়সমূহ চোৱাচিতা কৰিবৰ বাবে বহুতো সংগঠন যেনে Department of Information Technology, Delhi আছে। তথ্য প্ৰযুক্তিবিদ্যা, BPO আৰু KPO সমূহৰ সুস্থ উন্নয়নৰ উন্নতি সাধন কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্যিক দুয়োটা স্তৰতে বহুতো কৰ্মপন্থা প্ৰৱৰ্তন আৰু কাৰ্যপৰিচালনা প্ৰণালীসমূহ হাতত লোৱা হৈছে।

১৫.৫ আন্তৰ্জাতিক ব্যৱসায়ত তথ্য প্ৰযুক্তিবিদ্যাৰ ভূমিকা

তথ্য প্ৰযুক্তিবিদ্যা হৈছে এটা পৰিভাষিক শব্দাৱলী যিটো বৰ্তমান সময়ত পৃথিৱীৰ সকলোবোৰ শিক্ষিত ব্যক্তিৰ বাবে জ্ঞাত। Information Technology Association Of Americaৰ দ্বাৰা আগবঢ়োৱা তথ্য প্ৰযুক্তিবিদ্যাৰ সংজ্ঞা হৈছে 'তথ্য প্ৰযুক্তিবিদ্যা হৈছে, পৰিগণক ভিত্তি সংবাদ প্ৰণালীৰ অধ্যয়ন, নক্সা, উন্নয়ন, কাৰ্যত পৰিণতকৰণ, সমৰ্থন বা পৰিচালনা বিশেষকৈ চালনা জ্ঞানৰ প্ৰয়োগসমূহ আৰু পৰিগণক Hardware (Infromation Technology in the study, design development, implementation, support or management of computer-based information system, particulary software applications and computer hardware) তথ্য আৰু প্ৰযুক্তিবিদ্যাই বৈদ্যুতিন পৰিগণক চালনাজ্ঞান ব্যৱহাৰ কৰি পনৰুদ্ধাৰ কৰা তথ্য ৰূপান্তৰ, মজুত, প্ৰতিৰক্ষা, প্ৰক্ৰিয়া, প্ৰেৰণ আৰু নিৰাপদে প্ৰতিষ্ঠিত কৰে। যেতিয়া পৰিগণক আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা সংযুক্ত কৰা হয়, ইয়াৰ ফলাফল হৈছে তথ্য প্ৰযুক্তিবিদ্যা বা আৱিস্কৃত প্ৰযুক্তিবিদ্যা (Info-Tech)। তথ্যপ্ৰযুক্তিবিদ্যা হৈছে এটা সাধাৰণ পদ যি তথ্য উৎপাদন নিপুণভাৱে পৰিচালনা কৰা, মজুত কৰা, সংবাদ প্ৰদান কৰা আৰু/বা প্ৰচাৰ কৰাত সহায় কৰে।

মানব সভ্যতাৰ আদিম কালৰ পৰাই ব্যৱসায় বিদ্যমান হৈ আছে, যদিও ই কেৱল মাত্ৰ সৰল পণ্য বিনিময় প্ৰথাৰে আৰম্ভ হৈছিল। আজিৰ ব্যৱসায় প্ৰযুক্তিবিদ্যাৰ অবিহনে একে হৈ থাকিলহেঁতেন। সকলোবোৰ প্ৰধান শিল্প আকস্মিক বিপত্তিত পৰিলহেঁতেন যদিহে ব্যৱসায়ৰ পৰা প্ৰযুক্তিবিদ্যা আঁতৰাই আনিলেহেঁতেন, যিহেতু সৰ্বাধিক সংখ্যক ব্যৱসায়িক কাম-কাজ আৰু লেনদেনসমূহ প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ লগত যিকোনোভাৱে জড়িত হৈ থাকে।

ব্যৱসায়ত প্রযুক্তিবিদ্যাৰ ভূমিকাই বেহা-বেপাৰ আৰু বাণিজ্যত প্রচণ্ড ক্রমোন্নতি অর্জন কৰিছে। ব্যৱসায়ৰ ধাৰণা আৰু নমুনাসমূহৰ প্রযুক্তিবিদ্যাৰ প্রৱর্তনৰ ফলস্বৰূপে আমূল পৰিৱর্তন সাধন হৈছে। এইটো হৈছে প্রযুক্তিবিদ্যাই ব্যৱসায়ৰ সৈতে কেনেদৰে চলিব লাগিব তাৰ এটা নতুন আৰু উন্নত পথ দেখুৱাইছে। ই ব্যৱসায়ৰ লেনদেন সম্পাদন কৰোঁতে এটা দ্রুত, অধিক সুচল আৰু অধিক দক্ষপথৰ যোগান ধৰে।

এখন বৃহৎ বজাৰ স্থানলৈ সর্বতোপ্রকাৰে গোটেই পৃথিৱীখনক লৈ যোৱাৰ ব্যৱসায়িক দৃশ্য বিৱৰণীত গোলকীকৰণে বহুতো পৰিৱর্তন আনিছে। ক্রেতা আৰু বিক্রেতাৰ মাজৰ যোগাযোগ চৰম সংকটপূর্ণ অৱস্থাত উপনীত হৈছে, যিহেতু প্রত্যেকেই আগতকৈ বর্তমান বহুসংখ্যক বিকল্প পুংখানুপুংখভাৱে পৰীক্ষা কৰি চোৱাৰ সুবিধা পাইছে। অন্তর্জালৰ (Internet) যোগেদি বৈদ্যুতিন বাণিজ্যই, বৈদ্যুতি বার্তা (e-mail) অন্তর্জাল স্থান (Website), আৰু অন্যান্য সুবিধাই ব্যৱসায়ীসকলক পৃথিৱীৰ চুকে-কোণে সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে আৰু সেয়ে পৃথিৱীৰ বজাৰত বহুতো সুবিধাৰ দুৱাৰ মুকলি হৈছে।

আন এটা গুৰুত্বপূর্ণ কাৰক হৈছে এটা ব্যৱসায়িক লেন-দেন সম্পূর্ণ কৰোঁতে প্রয়োজন হোৱা সময়। যিহেতু বজাৰসমূহ ক্রমান্বয়ে প্রতিযোগিতামূলক হৈছে আৰু তথ্যসমূহ অতি সহজে উপলব্ধ হয় সেয়ে এটা ক্ষীপ্র, বিশ্বাসযোগ্য আৰু অবিকল্প প্রতিৰূপ যোগ্য লেন-দেন অর্থ প্রকাশ কৰে যে সচৰাচৰ বিদ্যমান সুযোগসমূহৰ সদ্ব্যৱহাৰ কৰা হৈছে। ইয়াৰ বিপৰীতে এটা লেনদেন প্রক্রিয়াকৰণ কৰোঁতে হোৱা বিলম্বই এটা সুযোগ নিষ্ফল হোৱাৰ সমার্থ হয়। সেয়ে, এটা দ্রুত আৰু বিকল্প যোগাযোগৰ কার্য সাধনৰ বন্দোৱস্ত, চুক্তি আৰু পৰিশোধ হৈছে এক বিশ্বব্যাপি প্রতিযোগিতামূলক ব্যৱসায় সংগঠনৰ এক অখণ্ড অংশ হয়।

তথ্যপ্রযুক্তিবিদ্যা ভিত্তিক ব্যৱসায়ে আন্তর্জাতিক লেনদেনৰ প্রক্রিয়া সহজ কৰে, ই এটা চুক্তি হস্তগত কৰা হয় চূড়ান্তকৰণ, দ্রব্য বিধি আৰু অৱশেষত চুক্তি সম্পাদনৰ বাবে কৰা পৰিশোধৰ লগত জড়িত হয়। পণ্যদ্রব্য আৰু সেৱা বিচলন আৰু এখন দেশৰ ভিতৰতে পৰিশোধ কার্য সাধনৰ বন্দোৱস্ত নিয়ন্ত্রণকাৰী আৰু আইন-সংক্রান্ত বিচার্য বিষয়সমূহ নিয়ন্ত্রণ কৰে। গতিকে নিয়ন্ত্রণকাৰী পৰিৱেশ হৈছে বৈদ্যুতিন ব্যৱসায়ৰ (e-business) উন্নতিৰ প্রাণকেন্দ্র হয়।

বহুতো কোম্পানীয়ে তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ শেহতীয়া অগ্রগতি ব্যৱহাৰ কৰি তেওঁলোকে আন্তর্জাতিকভাৱে কৰা ব্যৱসায়ৰ ধৰণ সলনি কৰি আহিছে। স্বয়ংক্রিয় ডায়লিং, একেলগে দুই-তিনি ব্যক্তিৰ মাজত কথোপকথন ব্যৱস্থা আদি যোগাৰ দিয়াত সমর্থ কম্পিউটাৰ ব্যৱস্থা সম্বলিত টেলিফোন যন্ত্র (Smart Phone) আৰু Tablet পৰিগণকৰ দৰে আহিলাসমূহ, শেহতীয়া চালনাজ্ঞান (Software) আৰু গণমাধ্যমৰ প্রয়োগসমূহ আৰু সামাজিক জালিকা বিন্যাস (Net-Working) অৱস্থানৰ জনপ্রিয়তাই ব্যৱসায়সমূহৰ বাবে পৃথিৱীৰ চাৰিওফালৰ সহকর্মী আৰু গ্রাহকসকলৰ লগত যোগাযোগ কৰিবলৈ, প্রস্তুত দ্রব্যৰ সম্পাদন কার্যৰ মূল্য নির্ধাৰণ কৰা আৰু তেওঁলোকৰ প্রস্তুত দ্রব্যসমূহ অধিক ফলপ্রসুভাৱে বিক্রী আৰু বজাৰ অধিক উন্নতি বর্ধন কৰা, এই সকলোবোৰ আন্তর্জাতিক ব্যৱসায়ত বর্ধিতভাৱে বৃহৎ ভূমিকা পালন কৰি আহিছে।

আন্তর্জাতিক ব্যৱসায়সমূহে অধিক প্রতিযোগিতাৰ সন্মুখীন হৈছে। পৃথিৱীৰ আনটো দিশৰ এটা কোম্পানী হিচাপে একে ধৰণৰ দ্রব্য প্রস্তুত কৰিব পাৰে। তথ্য প্রযুক্তিবিদ্যাই যোগাযোগৰ গতি দিয়ে যি কোম্পানীসমূহক তেওঁলোকৰ প্রতিযোগীসকলতকৈ একখোপ আগত থাকিবৰ বাবে সহায় কৰে। ইয়াৰ উপৰিও এখন আন্তর্জাতিক ব্যৱসায়ৰ ক্ষেত্রত শ্রমিকসকললৈ অধিক কাম মুকলি হ'ব। অন্তর্জান (Internet) সংযোগৰ জৰিয়তে যিকোনো অৱস্থানৰ পৰা শ্রমিকসকলক তেওঁলোকৰ কাম সম্পাদন কৰিবলৈ বহুতো কোম্পানীয়ে অনুমতি দিয়ে। নিউ ইয়র্কত থকা এজন শ্রমিকে মতৰ আদান-প্রদান (Video Conferencing)ৰ যোগেদি টকিঅ'ৰ এখন সভাত যোগদান কৰিব পাৰে বা Scattleৰ এজন শ্রমিকে কম্পিউটাৰৰ সৈতে যুক্ত আৰু কম্পিউটাৰৰ দ্বাৰা পৰিচালিত Online Scattleৰ যোগেদি আর্জেণ্টিনাৰপৰা দ্রব্য বিক্রী কৰিব পাৰে।

আন্তর্জাতিক ব্যৱসায়ত তথ্য প্রযুক্তিবিদ্যাক কেইবা প্রকাৰে উপস্থাপন কৰা হয়। অন্তর্জাল (Internet) হৈছে সম্ভৱত ঃ অতি গুৰুত্বপূর্ণ এটা দিশ, যিহেতু প্রায়বোৰ সংবাদেই মজুত আৰু গোলকীয়ভাৱে ভাগ বটৰা কৰা হয়। Smart Phone আৰু Tablet Computer আৰু Laptopএ শ্রমিকসকলক যিকোনো অৱস্থানৰ লগত সংযোগ কৰি তেওঁলোকৰ কাম অধিক নমনীয় কৰি ৰাখে আৰু তেওঁলোকক তথ্য মুহূর্তৰ ভিতৰতে পাব পৰা কৰি দিয়ে। চালনাজ্ঞান (Software) আৰু প্রয়োগসমূহ আৰু বিত্ত উৎপাদনশীলতাৰ প্রয়োগসমূহে ব্যৱসায়ৰ আনৰ সৈতে সহযোগ কৰিবৰ বাবে এক দ্রুতবেগ, সহজসাধ্য উপায় দিয়ে আৰু তেওঁলোকৰ সংবাদসমূহ সংগঠন কৰে।

সেয়ে ব্যৱসায়ত প্রযুক্তিবিদ্যা বর্ধিত হাৰত প্রয়োজন হৈ পৰিছে। বহুৰ বাগৰি যোৱাৰ লগে লগে ব্যৱসায়ত ইয়াৰ প্রতি অধিক ঢাল খাইছে। এই দুটাৰ এটাৰ পৰা আনটো পৃথক কৰাটো অসম্ভৱ কৰি তুলিছে। উদ্ভাৱনে ব্যৱসায়ৰ জন্ম দিয়ে আৰু যিহেতু প্রযুক্তিবিদ্যাই ইয়াৰ বাবে উপায় প্রশস্ত কৰি দিয়ে, এইটো ইয়াত কেন্দ্রীভূত কৰিব পাৰি যে ব্যৱসায়ক ওপৰলৈ উঠাই নিবলৈ হ'লে প্রযুক্তিবিদ্যাৰ প্রয়োজন হয়।

১৫.৬ আন্তর্জাতিক ব্যৱসায় আৰু বাস্তব্য বিদ্যা সংক্রান্ত বিবেচনাসমূহ

বাস্তব্য বিদ্যা হৈছে পৰিৱেশৰ লগত সম্বন্ধ থকা গছ-গছনি, জীৱ-জন্তু, মানুহ আৰু প্রতিষ্ঠানসমূহ আদিৰ অধ্যয়ন। সেয়ে ই মানুহ, জীৱ-কূল (চৰাই আৰু জীৱ-জন্তু), উদ্ভিদ জগত (উদ্ভিদ আৰু বননি) আৰু সিহঁতৰ চাৰিওফালে থকা কায়িক বস্তুবিলাকৰ মাজত থকা আন্তঃসম্বন্ধক বুজায়। ভৌগোলিক আৰু বাস্তব্যবিদ্যা সংক্রান্ত কাৰকসমূহ যেনে প্রাকৃতিক সম্পদসমূহৰ ভাণ্ডাৰ, বতৰ আৰু জলবায়ু অৱস্থা, ঠাই বিশেষৰ ভূ-প্রকৃতি অধ্যয়ন সংক্রান্ত কাৰকসমূ, গোলকীয় সন্দর্ভত অৱস্থানগত দিশ, বন্দৰৰ সুবিধাসমূহ আদি সকলোবোৰ ব্যৱসায়ৰ লগত সংগতিপূর্ণ হয়। বাস্তব্যবিদ্যা সংক্রান্ত কাৰকসমূহে শেহতীয়াভাৱে অধিক গুৰুত্ব পাই আহিছে।

গোলকীকৰণৰ যুগত বহুতো শিল্পই সম্প্ৰসাৰণ বিচাৰে আৰু তেওঁলোকে নিজৰ দেশৰ ভিতৰতে সীমাবদ্ধ হৈ নাথাকি আন্তৰ্জাতিকলৈ যাব বিচাৰে আৰু তেওঁলোকৰ প্ৰস্তুত দ্ৰব্য আৰু সেৱাসমূহৰ বাবে নতুন বজাৰ বিচাৰে। পৰিৱেশিক মান আৰু আদৰ্শসমূহে প্ৰস্তুত দ্ৰব্য আৰু আন্তৰ্জাতিক বজাৰত পণ্য প্ৰতিযোগিতা নিৰ্ধাৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। পৰিৱেশিক দায়িত্ব এটা ব্যৱসায় কৌশলৰ মুখ্য উপাদান হয় যিহেতু ই কেৱলমাত্ৰ পৰিৱেশকেই সহায় নকৰে, কিন্তু ই সম্প্ৰদায়সমূহৰ বিশ্বাস জয় কৰে আৰু ব্যৱসায় চলাই থকা দেশসমূহৰ চৰকাৰসকলৰ সন্মান উপলব্ধ কৰে। সকলো ব্যৱসায়ে পৰিৱেশৰ ওপৰত সংঘাত পেলায় আৰু সিহঁতে প্ৰদূষণ নিৰ্গত কৰে, প্ৰস্তুত দ্ৰব্যৰ নষ্ট আৰু সম্পদ ব্যৱহাৰ কৰে। তথাপি ব্যৱসায়সমূহে ধাৰাবাহিকভাৱে পৰিৱেশিক বিচাৰ্য বিষয়লৈ তেওঁলোকৰ সান্নিধ্য উন্নত কৰিবলৈ উৎসাহ দিয়া হয়। সকলো আকাৰৰ আৰু খণ্ডৰ কোম্পানীয়ে স্বীকৃতি দিবলৈ ওলাই আহিছে যে সেউজ হোৱা হেতু নতুন আৰ্হিৰ ব্যৱসায়িক মূল্য ব্যৱসায়সমূহে সৃষ্টি কৰিব পাৰে, লাগে ই বিক্ৰী বৃদ্ধি আৰু ব্যয় হ্ৰাস বা মূল্যৰ আৰ্হি যিবোৰ পৰোক্ষই গুণমান বৃদ্ধি কৰি, ক্ষতিৰ সম্ভাৱনা হ্ৰাস কৰি, আকৰ্ষণৰ যোগ্যতা বৃদ্ধি আৰু কৰ্মদক্ষতা সংৰক্ষণ কৰি) হওঁক বা অদৃশ্যমান (সুখ্যাতি বৃদ্ধিৰ পচন্দ ব্যৱসায়িক অংশীদাৰ) হৈ। প্ৰতিটো কোম্পানীয়ে তেনে সা-সুবিধা সমূহ আহৰণ কৰিব নোৱাৰে, কিন্তু বহুতে উদ্ভুত পৰিৱেশিক নৈতিক সততাক ব্যৱসায়ৰ সুযোগলৈ পৰিণত কৰাত উপায় বিচাৰি পাইছে। বিংশ শতাব্দীৰ দ্বিতীয় ভাগত গোটেই পৃথিৱীজুৰি হোৱা অস্বাভাৱিক আৰ্থিক আৰু জনসাধাৰণৰ বিস্ফোৰণৰ প্ৰভাৱ সক্ৰিয় কৰে যি স্বাস্থ্যৰ প্ৰতি ভাবুকি হয় আৰু পৃথিৱীৰ অ'জন গেছৰ হ্ৰাস, জলবায়ুৰ পৰিৱৰ্তন, প্ৰাকৃতিক সম্পদৰ হ্ৰাস আৰু দুৰ্দশাগ্ৰস্ত হোৱা আৰু বিস্তৃতভাৱে জৈৱ-বিচিত্ৰতা আৰু বাসস্থানৰ লোকচান হয়।

গতিকে প্ৰাকৃতিক সম্পদৰ হ্ৰাস, পৰিৱেশিক প্ৰদূষণ আৰু বাস্তব্য সন্তুলনৰ বিশৃংখলাই বৃহৎভাৱে উদ্বিগ্ন কৰিছে। চৰকাৰৰ কৰ্মপন্থাই পৰিৱেশিক বিশুদ্ধতা আৰু বাস্তব্য সন্তুলন সংৰক্ষণ, সম্পূৰ্ণ অযোগ্য সম্পদসমূহৰ পুনৰায়, সংৰক্ষণ ইত্যাদিয়ে অতিৰিক্ত দায়িত্বৰ উদ্ভৱ কৰিছে আৰু আন্তৰ্জাতিক ব্যৱসায়ৰ বাবে বাধাৰ সৃষ্টি কৰিছে। পৰিৱেশ আৰু বাস্তব্য সংৰক্ষণৰ লগত জড়িত বিচাৰ্য বিষয়সমূহেও গোটেই পৃথিৱীজুৰি কেৱল মাত্ৰ উন্নত দেশসমূহৰ ক্ষেত্ৰতে নহয়, উন্নয়নশীল দেশসমূহতো মনোযোগ আকৰ্ষণ কৰিছে। পৰিৱেশিক সন্তুলনৰ বাবে বৰ্ধিতভাৱে উদ্বিগ্ন প্ৰকাশ কৰা হৈছে যি মানুহৰ জীৱন আৰু অস্তিত্ব বিপদাপন্ন কৰিব পাৰে।

কোনো সভ্য চৰকাৰেই পৰিৱেশিক সন্তুলনৰ দ্বাৰা হতবুদ্ধি কৰা সমস্যাসমূহক অৱহেলা কৰাটো সমৰ্থন নকৰে। প্ৰায়বোৰ দেশেই প্ৰাকৃতিক সম্পদসমূহ সংৰক্ষণ আৰু পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবৰ বাবে আইন প্ৰণয়ন কৰিছে। আন্তৰ্জাতিক ব্যৱসায় প্ৰতিষ্ঠানসমূহো এই আইন আৰু প্ৰবিধাসমূহৰ অধীনলৈ অনা হৈছে।

সেয়ে বাস্তব্য পৰিৱেশ আন্তৰ্জাতিক ব্যৱসায়ত এক চৰম সংকটপূৰ্ণ বিচাৰ্য বিষয় হিচাপে পৰিগণিত হৈছে। আধুনিক শিল্প আৰু আন্তৰ্জাতিকতাবাদে মানুহক ইতিহাসৰ অসমান সামগ্ৰিক উন্নতি প্ৰদান কৰিছে। ই বৰ্তমানৰ আৰু ভৱিষ্যতৰ প্ৰজন্মসমূহলৈ অসমান পৰিৱেশিক ভয় সৃষ্টি

কৰিছে। প্ৰযুক্তিবিদ্যাই মানুহক প্ৰাকৃতিক নিপুণভাৱে পৰিচালনা কৰিবলৈ সমৰ্থ কৰিছে, তেওঁলোকেই পৰিৱেশ প্ৰদূষণ কৰিছে আৰু দ্ৰুতভাৱে প্ৰাকৃতিক সম্পদসমূহ ক্ষয় সাধন কৰিছে। যিহেতু একৈশ শতিকা আৰম্ভ হৈছে, বহুতো সু-প্ৰতিষ্ঠিত পৰিৱেশিক গতিধাৰাই ভৱিষ্যত সভ্যতাক আকাৰ দান কৰিব। ই জনসংখ্যা বৃদ্ধি, উষ্ণতা বৃদ্ধি, জলস্তৰ হ্ৰাস, জনমূৰি শস্যক্ষেত্ৰৰ হ্ৰাস, মৎস্যক্ষেত্ৰৰ ধ্বংস, বননিভূমিৰ সংকোচন আৰু বন আৰু জীৱ-জন্তুৰ প্ৰজাতিৰ লোকচান আদি সামৰি লয়।

বৰ্তমানৰ দৃশ্য বিৱৰণীত আন্তৰ্জাতিক ব্যৱসায় সমাজৰ বাবে উদ্ভৱ হোৱা বৃহৎ আৰু জটিল নীতিশাস্ত্ৰ সম্বন্ধীয় আৰু প্ৰযুক্তিবিদ্যাৰ দিশসমূহত বিবেচনাৰ্থে পৰিৱেশিক বিচাৰ্য বিষয়সমূহ উত্থাপিত কৰা হৈছে যিবোৰ নিম্নলিখিত হ'ল।

১। বৰ্তমান আৰু অভিক্ষিপ্ত হোৱা শিল্প সম্বন্ধীয় প্ৰযুক্তিবিদ্যাৰ দ্বাৰা পৰিৱেশিক ক্ষতি সৃষ্টি কৰা প্ৰসাৰ।


২। বিশালতাৰ প্ৰসাৰ যি জনসাধাৰণৰ কল্যাণলৈ ভিত্তি বিহ্নল হয়।

৩। জনসাধাৰণৰ মূল্য সাময়িকভাৱে থমা ত্যাগ কৰিব লাগিব বা তেনে ক্ষতি লেহেমীয়া কৰা।

৪। প্ৰদূষণৰ দ্বাৰা কাৰ অধিকাৰ ভংগ কৰা হৈছে আৰু কাক পৰিৱেশ প্ৰদূষণ কৰা ব্যয়ৰ বাবে পৰিশোধৰ দায়িত্ব দিব লাগিব।

৫। প্ৰাকৃতিক সম্পদৰ প্ৰাপ্তিসাধ্যতাৰ মধ্যৱৰ্তী সময়।

৬। ভৱিষ্যত প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণ আৰু সম্পদ অক্ষুণ্ণ ৰাখিবলৈ প্ৰতিষ্ঠানসমূহৰ নৈতিক বা আইনগত বাধ্যবাধকতাসমূহ।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৫ঃ Outsourcing বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ৬ঃ Outsourcing ৰ দুটা আৰ্হি কি কি?

.....

.....



১৫.৭ আমি কি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ —

- আন্তৰ্জাতিক ব্যৱসায় বুলিলে পণ্যদ্ৰব্য, সেৱা, প্ৰযুক্তিবিদ্যা, মূলধন আৰু/বা জ্ঞানৰ জাতীয় সীমান্ত পাৰ কৰি হোৱা বেহা-বেপাৰ আৰু গোলকীয় বা আন্তৰ্জাতিয় স্তৰত

হোৱা বেহা-বেপাৰক বুজায়।

- সামাজিক বিচাৰ্য বিষয়সমূহ,নীতি-শাস্ত্ৰ সম্পৰ্কীয় বিচাৰ্য বিষয়সমূহ, শ্ৰমিক সম্বন্ধীয় বিচাৰ্য বিষয়সমূহ, পৰিৱেশ সম্বন্ধীয় বিচাৰ্য বিষয়সমূহ, ৰাজনৈতিক বিচাৰ্য বিষয়সমূহ হৈছে বৰ্তমান দিনত আন্তৰ্জাতিক ব্যৱসায়ত সম্পৰ্কযুক্ত কৰা কিছুমান বিচাৰ্য বিষয়।
- Outsourcing হৈছে এক ব্যৱসায়িক অনুশীলন য'ত এটা কোম্পানীয়ে আন এটা কোম্পানী ভাড়া কৰে বা এজন ব্যক্তিয়ে কামসমূহ সম্পাদন কৰে, কৰ্মসমূহ পৰিচালনা কৰে বা সেৱাসমূহ যোগান ধৰে যিখিনি পূৰ্বতে সাধাৰণভাৱে সম্পন্ন কৰা হৈছিল বা আগতে কোম্পানীৰ নিজৰ কৰ্মচাৰীৰ দ্বাৰা সম্পন্ন কৰা হৈছিল।
- ভাৰতবৰ্ষ তথ্যপ্ৰযুক্তিবিদ্যাত, BPO আৰু কণ্ঠস্বৰত পৰম উৎকৃষ্টতাৰ সৈতে Outsourcing সেৱাসমূহৰ বাবে সৰ্ব্বোৎকৃষ্ট গন্তব্যস্থল হৈ আছে।
- প্ৰাকৃতিক সম্পদৰ হ্ৰাস, পৰিৱেশিক প্ৰদূষণ আৰু বাস্তব্য সন্তুলনৰ বিশৃংখলাই বৃহৎভাৱে উদ্বেগ কৰিছে।



১৫.৮ অধিক জানিবলৈ

1) International Economics
   - Francis Cherunilam
2) Indian Economy-Its Growing Dimensions
   - P.K.Dhar

১৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰ্জাতিক ব্যৱসায় বুলিলে পণ্যদ্ৰব্য, সেৱা, প্ৰযুক্তিবিদ্যা, মূলধন আৰু বা জ্ঞানৰ জাতীয়, সীমান্ত পাৰ কৰি হোৱা বেহা-বেপাৰ আৰু গোলকীয় বা আন্তৰ্জাতি স্তৰত হোৱা বেহা-বেপাৰক বুজায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰ্জাতিক ব্যৱসায়ৰ কিছুমান বিচাৰ্য বিষয় হৈছে সামাজিক বিচাৰ্য বিষয়, নীতি শাস্ত্ৰ সম্বন্ধীয় বিচাৰ্য বিষয়, শ্ৰমিক সম্বন্ধীয় বিচাৰ্য বিষয়, পৰিৱেশ সম্বন্ধীয় বিচাৰ্য বিষয় আৰু ৰাজনৈতিক বিচাৰ্য বিষয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱসায়ৰ তথা নিগমবদ্ধ প্ৰতিষ্ঠানৰ সামাজিক দায়িত্বই সমাজৰ সুবিধাৰ্থে বিধিবদ্ধ প্ৰয়োজনীয়তাসমূহৰ উপৰিও ব্যৱসায়টোৱে কি কৰিছে তাক বুজায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰ্জাতিক ব্যৱসায়ত প্ৰভাৱ পেলোৱা ৰাজনৈতিক কাৰকসমূহ হৈছে ঃ ৰাজনৈতিক আৰু আইন সংক্ৰান্ত পাৰ্থক্যসমূহ, ৰাজনৈতিক আৰু আইন সংক্ৰান্ত পাৰ্থক্যসমূহ, ৰাজনৈতিক আৰু আইন-সংক্ৰান্ত ক্ষমতাসমূহ, বেহা-বেপাৰ আৰু বিনিয়োগত বাধা, দমন কৰা বাহিনী তথা বলসমূহ, চৰকাৰৰ কৰ্মপন্থাসমূহ আৰু প্ৰবিধান আৰু ৰাজনৈতিক পৰিৱেশ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Outsourcing হৈছে এক প্ৰক্ৰিয়া য'ত কোম্পানীসমূহে তেওঁলোকৰ ব্যৱসায়িক কাম-কাজসমূহৰ প্ৰক্ৰিয়াসমূহ বাহিৰৰ বিক্ৰেতালৈ বিশ্বাসেৰে অৰ্পন কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ Outsourcingৰ দুটা আৰ্হি হৈছে ঃ (ক) দেশৰ ভিতৰতে পটভূমিৰ সন্নিহিত Outsourcing আৰু (খ) বিদেশৰ পৰা Outsourcing.



১৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ 'তথ্য প্ৰযুক্তিবিদ্যাই আন্তৰ্জাতিক ব্যৱসায়ত মুখ্য ভূমিকা গ্ৰহণ কৰে। আপুনি বক্তব্যটোৰ সৈতে একমত নে? আলোচনা কৰা।

প্ৰশ্ন ২ঃ আন্তৰ্জাতিক ব্যৱসায়ৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয়সমূহৰ এটি চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ঃ আন্তৰ্জাতিক ব্যৱসায়ত বাস্তব্য পৰিৱেশ এটা চৰম সংকটপূৰ্ণ বিচাৰ্য বিষয়। বহলাই লিখক।

প্ৰশ্ন ৪ঃ Outsourcing আৰু ভাৰতৰ বাবে ইয়াৰ কাৰ্যকাৰিতাৰ ওপৰত এটা টোকা লিখক।

*** ***** ***



REFERENCES (FOR ALL UNITS)

Books:

1) Balassa, B. (1969).*The Theory of Economic Integration*.London: George Allen and Unwin.
2) Cherunilam, F. (2017). *International Economics*. New Delhi: McGraw Hill Education.
3) Hajela, T.N. (1998). *Textbook of Monetary Economics*. New Delhi: Konark Publishers Pvt. Ltd.
4) Heller, R. H. *International monetary Economics*. London: Englewood Cliffs,Prentice-Hall.
5) Kennedy, M. M. J. (2014). *International Economics*. New Delhi: PHI Learning Private Limited.
6) Leonard,G. (1978). *International Economics Problems*. London: Macmillan.
7) Mannur, H. G. (1995). *International Economics*. New Delhi: Vikash Publishing House Pvt. Ltd.
8) Mithani, D. M. (2011). *International Economics*. Mumbai: Himalaya Publishing House,
9) Rana, K. C. &Verma, K. N. (2004). *International Economics*. Jalandhar: Vishal Publishing Co.
10) Salvatore, D. (2004). *International Economics*. New Delhi: Willey- India.
11) Sankaran, S. (2017). *International Economics*. Chennai: Margham Publications.
12) Stiglitz, J. E. (2003). *Globalization and its Discontents*. London:W. W. Norton & Co.
13) Vaish, M. C. & Singh, S. (2012). *International Economics*. New Delhi: Oxford and IBH Publishing Co. Pvt. Ltd.

Government Reports.

1) Government of India. *Economic Survey*. (Annual)
2) Reserve Bank of India. *RBI Report on Currency and Finance*. (Annual)
3) International Monetary Fund, *IMF Survey*. (Annual Reports)

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।